জাতীয় প্রশ্ন

জাতীয় প্রশ্ন

ইন্দ্রজিৎ বেজবরুৱা

jatiya prashna

A collection of article on national question by Indrajeet Bezbaruah in Assamese and published by G C Nath on behalf of AANK-BAAK
3[illegible]ye lane No 5, Natun Saraniya, Gandhibasti, Guwahati-781 003, Assam
e-mail aankbaak@yahoo com, gcnath31@gmail.com

প্ৰথম প্ৰকাশ ঃ ১ ডিচেম্বৰ, ২০০৮

গ্ৰন্থস্বত্ব ঃ মৌচুমী বেজবৰুৱা

প্ৰকাশক ঃ আঁক-বাক

গণেশ চন্দ্ৰ নাথ
+৯১ ৯৮৬৪১ ২২৬৩১
ঘৰ নং ৩, ৫ নং উপ-পথ, গান্ধীবস্তি
ডাক-শিলপুখুৰী, গুৱাহাটী-৭৮১ ০০৩

প্ৰচ্ছদ ঃ কিশোৰ কুমাৰ দাস

অংগসজ্জা ঃ দিলীপ কলিতা
কালাবস্লাহ এডভাৰটাইজিং এণ্ড পাব্লিচিং
ৰাজগড় ৰোড, গুৱাহাটী-৭৮১ ০০৩
ফোন - (০৩৬১) ২৪৬৩৪৫৯

দাম ঃ ১০০/-

এই গ্ৰন্থখন আপোনাক এই চৰ্তত বিক্ৰী কৰা হৈছে যে প্ৰকাশকৰ অনুমতি অবিহনে
গ্ৰন্থখন কিকোনো উপায় বা পদ্ধতিৰে এই গ্ৰন্থৰ বা আংশিক প্ৰকাশ কৰিব নোৱাৰিব।

মোৰ

পূৰ্ব প্ৰজন্মৰ প্ৰতিনিধি অধ্যয়নবিলাসী মাতৃ পিসি বেজবৰুৱা

উত্তৰ প্ৰজন্মৰ প্ৰতিনিধি কন্যা ৰূপসী (পখী) বেজবৰুৱাৰ

হাতত

আগকথা

ন-ভাঙনি মাটিৰে সেউজ হ'ব ধৰা জীৱন সংগ্ৰামৰত এখন কৃষক সমাজৰ মাজত আমাৰ জন্ম। সময় তেতিয়া দুঃসময়। বাক্ স্বাধীনতা, মৌলিক গণতান্ত্ৰিক অধিকাৰ গচকি ধৰা এক জৰুৰীকালীন অৱস্থাই চৌদিশে কঢ়িয়াই আনিছে চেপা কণ্ঠস্বৰৰ আৱাজ। শিক্ষক পিতৃ বিদ্যাধৰ বেজবৰুৱাৰ পাঠশালাত বৰ্ণমালা আৰম্ভ কৰাৰ পাছতে দেউতাই তুলি দিছিল অধুনালুপ্ত নাগৰিক, নীলাচল আদি বাতৰি কাকত। বুজা-নুবুজাৰ মাজতে জোঁটাই পঢ়া শব্দবোৰ আছিল, ঔপনিবেশিকতাৰ বিৰুদ্ধে শেষ সংগ্ৰাম, বহিৰাগত, অস্তিত্বৰ প্ৰশ্ন, বাওঁপন্থী আন্দোলন, জনতা চৰকাৰ ইত্যাদি।

কৈশোৰৰ চোতালত আমাৰ সন্মুখেদি পাৰ হৈ যায় অসংখ্য মানুহৰ শোভাযাত্ৰা, লাঠি-গুলী-চি আৰ পি, ছহিদৰ মৃতদেহ, নিষ্প্ৰদীপ, ধৰ্ণা, অসম বন্ধ, তেল-ৰে'ল-পথ অৱৰোধ। লাহে লাহে হাতলৈ আহিল 'চিয়াঁৰীৰ কাঁড়, ধেনু, ফলাতামোলৰ লাঠি, জাগ্ৰত মাতৃ মুক্তি বাহিনীৰ হস্তপত্ৰিকা বিলি কৰাৰ দায়িত্ব। গাঁৱৰ বাঁহবাৰীৰ মাজত এচিড ব্লাভ সাজি থকাসকলক পহৰা দিবৰ বাবেই চাৰিআলিত মাৰ্বলৰ খেল অথবা খেলা লুকাচুৰি। জনা-নজনাৰ মাজেৰে মাথোঁ কৰি গৈছোঁ। শুনি আছোঁ নিৰ্বাচন বৰ্জন, সংঘৰ্ষ, শৰণাৰ্থী শিবিৰৰ খবৰ। ক'ৰবাত ঘৰ জ্বলাই দিয়াৰ বাবে মানুহে সাহায্য বিচাৰি অহাৰ কৰুণ দৃশ্য। আৰু কত কি?

যৌৱনৰ দোক-মোকালিত পুনৰ আমাৰ মনত দোলা দি যায়, স্বাধীনতা, বিপ্লৱ, ইউ এছ কাৰ্বাইন, গেৰিলা যুদ্ধ, ভিয়েটনাম, কাচিন আদি অনেক শব্দই। লাহে লাহে এই শব্দবোৰে কঢ়িয়াই অনা স্বপ্ন-দুঃস্বপ্নৰ খেল আৰম্ভ হয়। বাটেৰে গৈ থাকোঁতে সেনা-বাহিনীৰ অপ্ৰৰোচিত তালাচী, দুৰ্ব্যবহাৰ, ব্ৰেক পেছাৰৰ অতপালি, মাজনিশা নিজা ঘৰৰ পৰা উঠাই নি পুলিচ থানাত ৰখোৱা, থানাত ৰাতি কটাবলগীয়া হোৱাৰ বৰ্ণনাতীত অভিজ্ঞতা। কবিতা লিখি ভালপোৱা কলেজীয়া বন্ধুৰ আকস্মিক নিৰুদ্দেশ যাত্ৰা আৰু গুলীবিদ্ধ দেহেৰে প্ৰত্যাৱৰ্তন কৰাৰ কৰুণ দৃশ্য!

বিশ্ববিদ্যালয়ৰ ছাত্ৰ ৰাজনীতিত জড়িত হোৱাৰ মাজেৰে, মানৱ অধিকাৰ আন্দোলনৰ কৰ্মী হোৱাৰ অভিজ্ঞতাৰে, খিলঞ্জীয়া আৰু থলুৱা কৃষকৰ মাটিৰ অধিকাৰ বিচাৰি সংগ্ৰাম কৰাৰ মাজেৰে, সংসদীয় ৰাজনীতিৰ জটিল সমীকৰণবোৰৰ মাজেৰে, লাহে লাহে গাঢ় হৈছে অনুভৱ। এই অনুভৱ আৰু চালুকীয়া জীৱনৰ অভিজ্ঞতাৰে যেন ক্ৰমাৎ সজীৱ হৈ উঠিছে মগজু। চৌপাশৰ ঘটনাবোৰে অহৰহ বিষাক্ত কীটৰ দৰে দংশন কৰে বিবেক। তাৰে তাড়নাত আৰম্ভ কৰিছোঁ কলমৰ কছৰৎ। কেতিয়াবা অশৃংখলিত চিন্তাক শৃংখলিত কৰাৰ প্ৰয়াস, কেতিয়াবা বাতৰি কাকতৰ তাৎক্ষণিক প্ৰয়োজন পূৰণ কৰাৰ প্ৰচেষ্টা আৰু প্ৰায়েই নিজস্ব চিন্তাক সহমৰ্মীজনৰ লগত বিনিময় কৰাৰ মাধ্যম হিচাপেই জন্ম পালে লেখাসমূহ। ক'ৰবাত হয়তো বক্তব্যৰ পুনৰাবৃত্তি, ক'ৰবাত হয়তো নিজস্ব বৌদ্ধিক সীমাবদ্ধতাৰ চানেকী বিদ্যমান। তথাপি অ'ত-ত'ত সিঁচৰতি হৈ

থকা লেখাসমূহ একত্ৰ কৰাৰ বাবেই এই সংকলন। সংকলনখনে কোনোধৰণৰ মৌলিকত্ব দাবী নকৰে যদিও সি কঢ়িয়াব বিচৰা চিন্তাসমূহে কাৰোবাক ভবাৰ সমল যোগাব পৰা সম্ভাৱনীয়তা আছে বুলি আমাৰ সহজ বিশ্বাস।

অনুপম চক্ৰৱৰ্তী নামৰ সাংবাদিক বন্ধুজন নথকা হ'লে, আমাৰ সৰহসংখ্যক লেখা লিখাই নহ'লহেঁতেন। কাজেই, অনুপমৰ ওচৰত আমি কৃতজ্ঞ। সেইদৰে 'আজি' কাকতত, 'সম্প্ৰতি' নামৰ এটি স্তম্ভ লিখিবলৈ দিয়াৰ লগতে গৰিষ্ঠসংখ্যক লেখা প্ৰকাশ কৰা বাবে সাহসী সাংবাদিক অজিত কুমাৰ ভূঞাৰ ওচৰত আমি কৃতজ্ঞ। আমাৰ বিভিন্ন লেখা-মেলা ছপোৱা 'প্ৰত্যয়'ৰ মনোৰম গগৈ, 'বিতৰ্ক'ৰ আশিস গুপ্তা, 'দৈনিক জনমভূমি'ৰ ভাস্কৰজ্যোতি বৰা, 'সাতসৰী'ৰ দিগন্ত ওজা, 'জ্ঞানসম্ভাৰ'ৰ জিয়াউৰ ৰহমান আৰু মস্তাক আহমেদ চৌধুৰীক আমাৰ কৃতজ্ঞতা জনাইছোঁ। আমাৰ লেখা-মেলাত সততে অনুপ্ৰেৰণা যোগোৱা জ্যেষ্ঠ সাংবাদিক অদীপ ফুকন, প্ৰকাশ মহন্ত, জমশ্বেৰ আলি, বিষ্ণু কছাৰীক ধন্যবাদ জনাইছোঁ।

আমাৰ নাতিদীৰ্ঘ বৌদ্ধিক আৰু সামাজিক জীৱনত বহুজনৰ সান্নিধ্যই আমাক চহকী কৰিছে। সেইসকলৰ ভিতৰত প্ৰয়াত মুক্তিযুঁজাৰু বেথাৰাম বৰা, অসমপ্ৰাণ চিন্তাবিদ নিবাৰণ বৰা, সমাজবাদী নেতা প্ৰয়াত গোলাপ বৰবৰা, বিশ্ববিদ্যালয়ৰ আইন গুৰু এন চানাজাউবা, উত্তৰ-পূৰ্বাঞ্চলৰ বিশিষ্ট মানৱ অধিকাৰ কৰ্মী লাচিত বৰদলৈ, যুৱ-ছাত্ৰনেতা দিলীপ পাটগিৰী, বাওঁপন্থী ছাত্ৰনেতা নয়ন ভূঞা, বলীন ভূঞা, কংকন [illegible], ভাৰত তামুলী ফুকন, তোষেশ্বৰ তামুলী ফুকন, প্ৰয়াত সুৰেন্দ্ৰ বৰুৱা, মোলান লস্কৰ, পৱন বৰা, পল্লৱ বৰবৰা, ৰাহুল বৰা, কাজু ঠাকুৰীয়া, অনিল কুমাৰ শৰ্মা, লালন মৰান, আদিত্য বৰাৰ কথা বিশেষভাৱে উল্লেখ কৰিব লাগিব। গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰসন্থাৰ আমাৰ সময়ৰ সতীৰ্থসকল, বন্ধু-বান্ধৱীসকল, চিন্তামঞ্চৰ হেমন্ত শইকীয়াকে আদি কৰি বন্ধুসকল, কেন্দ্ৰীয় কৃষক উন্নয়ন পৰিষদকে আদি কৰি কৃষক বন্ধুসকল, আমাৰ প্ৰেৰণাৰ অমল উৎস হৈ থাকিব। মেল-মিটিঙত ব্যস্ত থকা আমাৰ পৰিভ্ৰমী জীৱনত সংসাৰৰ জঞ্জালৰ পৰা সকাহ দিয়া ভাতৃ ধ্ৰুৱ, পত্নী জুৰি, বোৱাৰী নমিতা আৰু বাইদেউ অঞ্জু তথা ভাগিন পলক ধন্যবাদ জনাই ভৱিষ্যতৰ পথ সুগম কৰি থ'লো।

ভাইৰ দৰে বন্ধু গণেশ চন্দ্ৰ নাথৰ আগ্ৰহ, আগ্ৰহ অবিহনে এই সংকলনে প্ৰকাশৰ মুখ নেদেখিলেহেঁতেন। প্ৰকাশ আৰু প্ৰচলনৰ গধুৰ দায়িত্ব লোৱাৰ বাবে গণেশ ধন্যবাদৰ পাত্ৰ। আমাৰ চিন্তাক অৰ্থবহভাৱে প্ৰকাশ কৰা www.assam.com শীৰ্ষক তৈলচিত্ৰখন প্ৰচ্ছদপট হিচাপে সজাবলৈ অনুমতি দিয়াৰ বাবে বিশিষ্ট চিত্ৰশিল্পী কিশোৰ কুমাৰ দাসৰ ওচৰত আমি ঋণী হৈ থাকিলো।

সেইদৰে 'ছপাশালৰ ভূত'ৰ হাতৰ পৰা সংকলনখনক মুক্তি দিয়াৰ কষ্ট স্বীকাৰ কৰা দিলীপ কলিতা প্ৰমুখ্যে সমূহ ছপাকৰ্মীক আমাৰ কৃতজ্ঞতা জনালো।

দৈ-কাও-বংজুও
কাকী, নগাঁও, অসম

ইন্দ্ৰজিৎ বেজবৰুৱা
২১.০৯.২০০৮

সূচীপত্ৰ

১. সামৰিক অভিযানেৰে জাতীয় প্ৰশ্ন মীমাংসা কৰিব নোৱাৰি/১১
২. কেয়াৰবেল টু আৰ্মছ/১৫
৩. গণতন্ত্ৰৰ প্ৰহসন/২০
৪. বাইজৰ দৃষ্টিয়ে পোহৰাই তুলিছে গুপ্তহত্যাৰ অন্ধগলি/২৪
৫. গুপ্তহত্যাৰ ৰাজনীতি/২৯
৬. প্ৰব্ৰজন আৰু মুছলমান সমাজ/৩৩
৭. আই এম ডি টি : উল্লাসৰ সলনি বাস্তৱসন্মত দৃষ্টিভংগীৰ প্ৰয়োজন/৩৯
৮. অসমৰ মুছলমান সমাজ আৰু ৰাজনীতি/৪৪
৯. চিত্ৰাংগদা-বভ্ৰুবাহনে আৰু সহ্য নকৰে অৰ্জুনৰ অপমান/৫৪
১০. সত্ৰসভাসমূহৰ সংৰক্ষণ সংবৰ্ধনৰ প্ৰয়োজন/৬০
১১. ক্ষুদ্ৰ চাহ খেতিয়ক আন্দোলনমুখী হৈছে কিয়/৬৪
১২. আঞ্চলিকতাবাদী ৰাজনীতি কোন দিশে/৬৮
১৩. কাৰ্বি পাহাৰৰ পৰিস্থিতি : গোষ্ঠী প্ৰৱণতাৰ প্ৰসংগত/৭৩
১৪. ৰজাক আহক, আৰিখ ডিমাই চকু মেলি চাওক/৭৯
১৫. জাতীয় বীৰক হিন্দু নেতা সজোৱাৰ অপচেষ্টা প্ৰতিহত কৰক/৮৭

১৬. আহক স্বৰ্গৰথ যাত্ৰাৰ সহযাত্ৰী হওঁ/৯০
১৭. মানুহৰ দেশত সাম্প্ৰদায়িক দানৱ/৯৪
১৮. কোনে বজাব মুকুতিৰ ববঢোল, পীৰিতিৰ চিফুং/৯৮
১৯. অসমলৈ আমদানি হৈছে জনগোষ্ঠীয় শত্ৰু/১০২
২০. হিন্দী চলচ্চিত্ৰ ঃ শাসক শ্ৰেণীৰ হিন্দু-হিন্দী আধিপত্যবাদ প্ৰচাৰৰ এক শক্তিশালী মাধ্যম/১০৫
২১. জাতীয় জীৱনৰ সংঘাত আৰু সাহিত্য সভা/১১২
২২. সৃষ্টিৰ বোৱঁতী নৈত বন্ধ্যাত্বৰ জাঁজী/১১৭
২৩. ডিমাছা জনগোষ্ঠীৰ আত্ম-প্ৰতিষ্ঠাৰ সংগ্ৰাম/১২৪
২৪. বিশ্বায়নৰ প্ৰেক্ষাপটত জ্যোতি-চিন্তাৰ প্ৰাসংগিকতা/১৩৮
২৫. জাতীয় সাংস্কৃতিক সংগ্ৰাম/১৫০
২৬. অসম-ভাৰত সম্পৰ্ক/১৬১
২৭. খিলঞ্জীয়া জনসমষ্টিৰ অধিকাৰ/১৭২
২৮ আলফা ঃ এক ৰাজনৈতিক ধাৰা/১৮৭
২৯. স্বাক্ষৰিত হ'বনে এখন অসম-ভাৰত চুক্তি/১৯২
৩০. গণভোটত আপত্তি কিয়/১৯৬

১

ইতিহাসৰ শিক্ষা গ্ৰহণত ব্যৰ্থ শাসকগোষ্ঠী সামৰিক অভিযানেৰে জাতীয় প্ৰশ্ন মীমাংসা কৰিব নোৱাৰি

অসম তথা উত্তৰ-পূৰ্বাঞ্চলত, দীৰ্ঘদিন ধৰি অমীমাংসিত হৈ থকা জাতীয় প্ৰশ্নসমূহ সমাধান কৰাত চূড়ান্তভাৱে ব্যৰ্থ হোৱা ভাৰতবৰ্ষৰ শাসকগোষ্ঠীয়ে এই প্ৰশ্নসমূহৰ ৰাজনৈতিক দিশসমূহ অস্বীকাৰ কৰি, কেৱল সামৰিক অৱদমনৰ কৌশলহে অৱলম্বন কৰা দেখা গৈছে। একাংশ আমোলা, সেনা বিষয়া, চোৰাংচোৱা সংস্থাসমূহৰ মতামতকে সৰ্বোচ্চ জ্ঞান কৰি শাসকগোষ্ঠীয়ে, জাতীয় প্ৰশ্নসমূহৰ ৰাজনৈতিক দিশক চূড়ান্ত অৱহেলা কৰাৰ পৰিপ্ৰেক্ষিততেই অঞ্চলটোত চূড়ান্ত মানৱতা বিৰোধী ঘটনাৱলী অৱলীলাক্ৰমে ঘটিবলৈ আৰম্ভ কৰিছে আৰু এই অঞ্চলটোৰ জনসমষ্টি, জৈৱ-বৈচিত্ৰ্যৰ প্ৰতিও ভাবুকি কঢ়িয়াই আনিছে। অঞ্চলটোৰ আটাইতকৈ পুৰণি নগা জাতীয় প্ৰশ্নসমূহ উদাহৰণ হিচাপে প্ৰক্ষেপ কৰিব পৰা যায়। প্ৰয়াত জে এ ফিজোৰ নেতৃত্বাধীন 'নগা নেচনেলিষ্ট কাউন্সিলে' ভাৰতবৰ্ষৰ লগত সম্পৰ্ক চ্ছিন্ন কৰি সাৰ্বভৌমত্ব ঘোষণা কৰিছিল, ভাৰতবৰ্ষৰ স্বাধীনতাৰ আগতেই। পৰৱৰ্তী পৰ্যায়ত নগা-হাইদৰী চুক্তি অনুযায়ী দহ বছৰৰ বাবে, পৰীক্ষামূলকভাৱে, ভাৰতবৰ্ষৰ লগত থাকিবলৈ সম্মতি প্ৰকাশ কৰাৰ পাছৰে পৰা অঞ্চলটোত সংঘাতপূৰ্ণ অৱস্থাৰ সৃষ্টি হয়। ১৯৫২ চনত চৰকাৰে তেতিয়াৰ নগা পাহাৰ জিলাৰ জিলা পৰিষদৰ নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ বিচৰাত, নগা ৰাইজে ইয়াক তীব্ৰ বিৰোধিতা কৰাই নহয় নিৰ্বাচন পৰ্যন্ত বৰ্জন কৰে। প্ৰায় ৯৯ শতাংশ লোকৰ অংশগ্ৰহণেৰে এই নিৰ্বাচন বৰ্জন কাৰ্যসূচী সফল হোৱাৰ বাবেই, ভাৰতীয় শাসকগোষ্ঠীয়ে নগা ৰাইজৰ ওপৰত সেনাবাহিনী মেলি দিয়ে। আনকি ভিতৰুৱা গাঁওসমূহত হেলিকপ্টাৰেৰে বোমা

বৰ্ষণ কৰিবলৈকো পিছহোঁহকা নাছিল। এক ৰাজনৈতিক বিষয় সদিচ্ছাৰে সমাধান কৰিবলৈ নগৈ শাসকগোষ্ঠীয়ে সামৰিকশক্তি প্ৰয়োগ কৰাৰ পৰিপ্ৰেক্ষিতত নগা জাতীয় প্ৰশ্নই এক দীৰ্ঘম্যাদী ৰূপ পৰিগ্ৰহ কৰিলে আৰু অদ্যাপি সি অমীমাংসিত ৰূপতে আছে। এই সময়ছোৱাৰ পৰা সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইন, ১৯৫৮; অসম অশান্ত অঞ্চল আইন—১৯৫৫, নগালেণ্ড সুৰক্ষা আইন— ১৯৬২, অসম ৰাজহুৱা শৃংখলা আইন— ১৯৫৩ আদিকে ধৰি 'মিছা', 'এন এছ এ' আদি আইনসমূহ বলবৎ হৈ আছে। এইসমূহ আইনৰ সুৰুঙাৰে সেনাবাহিনীয়ে পৰ্যাপ্ত পৰিমাণে ক্ষমতা লাভ কৰিছে। এই ক্ষমতাৰে বলীয়ান হোৱা ভাৰতীয় সেনাই অঞ্চলটোত তীব্ৰ সামৰিক অভিযান চলাই আছে। পৰৱৰ্তী পৰ্যায়ত, মণিপুৰ, ত্ৰিপুৰা, অসম আদি অঞ্চলতো সশস্ত্ৰ বিদ্ৰোহে গা কৰি উঠাৰ পৰিপ্ৰেক্ষিতত এই অঞ্চলতো সদৃশ আইনসমূহ বলৱৎ কৰা হয়। আভ্যন্তৰীণ বিদ্ৰোহ, বিক্ষোভ সমাধান কৰাৰ ক্ষেত্ৰত, সেনাবাহিনী প্ৰয়োগ কৰাৰ ফলত, আজিৰ তাৰিখত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতে এক সংঘাতময় পৰিৱেশ সৃষ্টি হৈছে। আনহাতে ইয়াৰ প্ৰতিবাদকল্পে সশস্ত্ৰ সংগঠনসমূহে ঘোষণা কৰা 'প্ৰটেক্‌টেড ৱাৰ'ৰ ফলত এই সংঘাতে অতি ভয়াৱহ ৰূপ ধাৰণ কৰিছে। অকল অসমতে বিগত সময়ছোৱাত দহ হেজাৰৰো অধিক যুবকৰ প্ৰাণহানি হৈছে। শতাধিক লোক সন্ধানহীন হৈছে। অপাৰেচন বজৰং, ৰাইনো, শ্বেৰ-ই-দিল, ফ্লাছ আউট আদিৰ দৰে সামৰিক অভিযান চলিছে। শিলাৰ দৰে বহু শোকাবহ ঘটনা ঘটিছে। মণিপুৰৰ ঐনামৰ দৰে ঘটনা, মনোৰমা হত্যাকাণ্ডৰ দৰে ঘটনাও ঘটিছে। এনে অলেখ ঘটনা-প্ৰতিঘটনাই সমগ্ৰ অঞ্চলটোকে এক 'সামৰিক জ'ন'লৈ পৰিণত কৰিছে।

কিন্তু দীৰ্ঘম্যাদী সামৰিক অৱদমনৰ ফলত অঞ্চলটোত সৃষ্টি হোৱা ভয়াৱহ পৰিস্থিতিয়ে যি শিক্ষা প্ৰদান কৰিছে, সেই শিক্ষা গ্ৰহণত শাসকগোষ্ঠী ব্যৰ্থ হৈছে। ভাৰতীয় সেনাবাহিনীৰ দৰে বিশাল, সংগঠিত বাহিনীৰ বিৰুদ্ধে, বিদ্ৰোহী গোটসমূহে দীৰ্ঘদিন ধৰি 'প্ৰটেক্‌টেড ৱাৰ' চলাই থাকিব পাৰিছে। চাবলৈ গ'লে অস্ত্ৰ শক্তি আৰু মানৱ শক্তিত অতি ক্ষুদ্ৰ এই সশস্ত্ৰ গোটসমূহক, সামৰিকবাহিনীয়ে কেতিয়াবাই দমন কৰিবলৈ সক্ষম হ'ব লাগিছিল। কিন্তু অদ্যাপি পৰা নাই। প্ৰচুৰ সাংগঠনিক ক্ষতি আৰু সতীৰ্থৰ আত্মবলিদান সত্বেও যি শক্তিৰ দ্বাৰা বিদ্ৰোহীয়ে বিদ্ৰোহৰ ধ্বজা উৰুৱাই থাকিব পাৰিছে, সেই শক্তিৰ কথাও শাসকগোষ্ঠীয়ে হৃদয়ংগম কৰিব পৰা নাই। ইয়াৰ পৰিৱৰ্তে 'বাহিৰাশক্তি'ৰ হস্তক্ষেপ জাতীয় অভিযোগেৰে সমগ্ৰ বিষয়টোক আনফালে নিয়াৰহে চেষ্টা কৰে। দীৰ্ঘদিনৰ বঞ্চনা, অৱহেলা আৰু জাতীয় প্ৰশ্নসমূহৰ দ্বাৰা সৃষ্ট প্ৰচুৰ প্ৰেৰণাদায়ী শক্তিৰ দ্বাৰাহে বিদ্ৰোহী গোটসমূহ বলীয়ান হৈ আছে। সেয়ে যেতিয়ালৈকে এনে প্ৰশ্নসমূহ ৰাজনৈতিকভাৱে মীমাংসা কৰা নহয়, তেতিয়ালৈকে এনে বিদ্ৰোহ-বিক্ষোভ চলি থাকিব। অথচ এই সাধাৰণ সত্যক হৃদয়ংগম কৰাৰ ক্ষেত্ৰত শাসকগোষ্ঠী ব্যৰ্থ হৈছে। শেহতীয়াভাৱে অসমৰ ক্ষেত্ৰত এনে ঘটনাৰ পুনৰাবৃত্তি হোৱাৰো উপক্ৰম ঘটিছে। এই কথা স্পষ্ট যে অসমৰ জাতীয় সমস্যাসমূহ বিগত দুই দশক ধৰি বিদ্ৰোহী সংগঠন আলফাই বলিষ্ঠভাৱে উপস্থাপন কৰি আহিছে। ইয়াৰ বাবে সংগঠনটোৱে প্ৰচুৰ ক্ষয়-

ক্ষতিৰ সন্মুখীন হোৱাৰ লেখীয়াকৈ যথেষ্ট ত্যাগ স্বীকাৰো কৰিবলগা হৈছে। সংগঠনটোৱে উপস্থাপন কৰা প্ৰশ্নসমূহক মীমাংসা কৰাৰ বাবে অসমৰ সৰ্বস্তৰৰ জনসাধাৰণে দাবী উত্থাপন কৰি আহিছে। আলাপ-আলোচনাৰ মাজেৰে এই প্ৰশ্নসমূহ মীমাংসা কৰাৰ প্ৰয়োজনীয়তা দোহৰা হৈছে। আনকি বিদ্ৰোহী অভিযানত অভিযানৰত একাংশ সেনা বিষয়ায়ো ভিন্ন স্তৰত এই কথা স্বীকাৰ কৰিছে। গুৰুত্বপূৰ্ণ বিষয় এয়ে যে সৰ্বস্তৰত গঢ় লৈ উঠা এনে জনমতৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি বিদ্ৰোহী সংগঠনটো আলোচনাৰ বাবে আগবাঢ়ি আহিছে। সংগঠনটোৱে 'জনগণৰ পৰামৰ্শদাতা গোট' এটি গঠন কৰি দিয়াৰ লগতে প্ৰাৰম্ভিক কাম-কাজ চলাই নিবৰ বাবে গোটটোক যাবতীয় কৰ্তৃত্বও প্ৰদান কৰিছে। এই প্ৰক্ৰিয়াই ৰাইজৰ মাজত এক আশাৰ সৃষ্টি কৰিছে। কিন্তু এই প্ৰক্ৰিয়াই ঠন ধৰি উঠাৰ আগতেই সমগ্ৰ প্ৰক্ৰিয়াটোৰ প্ৰতিয়েই শাসকগোষ্ঠীয়ে কূট-কৌশলৰ ৰাজনীতি আৰম্ভ কৰি দিয়া দেখা গৈছে। এহাতে স্বয়ং প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে আলোচনা প্ৰক্ৰিয়াক আদৰণি জনাইছে, ৰাজ্য চৰকাৰখনে সেউজ সংকেত প্ৰদান কৰিছে আৰু আনহাতে 'যুদ্ধবিৰতি' চুক্তি স্বাক্ষৰ নোহোৱাৰ দোহাই দি সেনা-আৰক্ষীৰ অভিযান তীব্ৰতৰ কৰি তোলা হৈছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰীগৰাকীয়ে সেউজ সংকেত প্ৰদান কৰাৰ পিছতেই আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে অভিযান অব্যাহত ৰখাৰ কথা ঘোষণা কৰিছে। এগৰাকী অসমীয়া লোক বিজয়কৃষ্ণ সন্দিকৈ প্ৰতিৰক্ষা বিভাগৰ মন্ত্ৰী থকা অৱস্থাত সেনাবাহিনীয়ে ডিব্ৰু-চৈখোৱা অভয়াৰণ্যত সামৰিক অভিযান চলাইছে। এই অভিযানত আলফাৰ বাৰগৰাকী নেতা-কৰ্মী নিহত হোৱাৰ বাতৰি ওলোৱাৰ সমান্তৰালভাৱে আন এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। সেয়া হ'ল বিদ্ৰোহীবিৰোধী অভিযানৰ নামত প্ৰায় দহ হেজাৰৰো অধিক ৰাইজক পণবন্দী হিচাপে ব্যৱহাৰ কৰা হৈছে। জীয়াই থকাৰ ন্যূনতম অধিকাৰখিনিৰ পৰা বঞ্চিত কৰি, এনেদৰে সাধাৰণ লোকক পণবন্দী সজোৱাৰ যি কৌশল সেনাবাহিনীয়ে প্ৰয়োগ কৰিছে সিয়েই প্ৰমাণ কৰে অসমৰ ৰাইজৰ প্ৰতি শাসকগোষ্ঠীৰ প্ৰকৃত মনোভাব। দেশৰ সৰ্বসাধাৰণৰ লোকক বিদেশীৰ দৰে ব্যৱহাৰ কৰি, মৌলিক মানৱ অধিকাৰ ভংগ কৰি সেনাবাহিনীয়ে যি নজিৰবিহীন দৃষ্টান্ত স্থাপন কৰিছে সিয়েই অনাগত দিনৰ বাবে অশনি সংকেত কঢ়িয়াই আনিছে। সেনাবাহিনীৰ জৰিয়তে সৃষ্টি কৰা এনে পৰিৱেশৰ দ্বাৰা যে সমগ্ৰ আলোচনা প্ৰক্ৰিয়াক কলিতেই বিনাশ কৰা হ'ব তাক হয়তো দুনাই কোৱাৰ প্ৰয়োজন নাই। কিন্তু এনে দুতলীয়া চৰিত্ৰৰ বাবে শাসকগোষ্ঠীয়েই চূড়ান্তভাৱে দায়ী হ'ব। শাসকগোষ্ঠীৰ এই চৰিত্ৰৰ বাবে অনাগত ইতিহাস পুনৰ সংঘাতপূৰ্ণ হৈ উঠিব পাৰে। তদুপৰি অসমবিৰোধী এক চক্ৰই অহৰহ এনে এক ধাৰণা প্ৰচাৰ কৰিছে যে ব্যাপক সেনা অভিযানৰ দ্বাৰা বিদ্ৰোহী সংগঠনটোক দুৰ্বল কৰি ল'ব পাৰিলে, সংগঠনটোৱে শাসকগোষ্ঠীয়ে নিৰ্ধাৰণ কৰি দিয়া চৰ্তাৱলীৰ আধাৰতে জাতীয় প্ৰশ্ন মীমাংসা কৰিবলৈ বাধ্য হ'ব। কিন্তু এই চক্ৰটোৱে এনে ধাৰণা প্ৰচাৰৰ সময়ত ইতিহাসৰ কিছু শিক্ষা পাহৰি গৈছে। কিয়নো চক্ৰটোৱে ভৱাধৰণে কথাবোৰ হোৱা হ'লে, সংগঠনটোৱে অপাৰেচন বজৰং, ৰাইনো নতুবা ফ্লাছ আউটৰ পিছতেই আলোচনা প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ বাধ্য হ'লহেঁতেন।

সেইদৰে জাতীয় প্ৰশ্নসমূহ এনেদৰে গাপ দি মীমাংসা কৰিবলৈ গ'লে সি ভৱিষ্যতে পুনৰ মূৰ দাঙি উঠাৰ সম্ভাৱনা আছে। ১৯৭৫ চনত ভাৰত চৰকাৰৰ দ্বাৰা স্বাক্ষৰিত নগা চুক্তি বা বিজয় ৰাংখলৰ লগত ৰাজীৱ গান্ধীয়ে স্বাক্ষৰ কৰা চুক্তিয়েই ইয়াৰ প্ৰমাণ। সেয়ে জাতীয় প্ৰশ্নসমূহৰ স্থায়ী মীমাংসা বিচৰা যিকোনো স্থায়ী শান্তিকামী ৰাইজে ইয়াৰ পুনৰাবৃত্তি নিবিচাৰে। শাসকগোষ্ঠীয়েও ইতিহাসৰ শিক্ষা গ্ৰহণ কৰিব লাগে।

পূৰ্বপ্ৰকাশ ঃ আজি, ২৪ ছেপ্টেম্বৰ/২০০৫

২ ফেব্ৰাৰৱেল টু আৰ্মছ

সমগ্ৰ অসমজুৰি, থলুৱা নিযুক্তি প্ৰসংগই তোলপাৰ লগোৱাৰ সময়তে দিল্লীশ্বৰসকলৰ অসম আৰু অসমীয়াবিৰোধী চক্ৰান্তৰ নানা দিশ পোহৰলৈ আহিল। ইয়াৰ প্ৰতিক্ৰিয়া তথা ঐক্যবদ্ধ গণতান্ত্ৰিক প্ৰতিবাদৰ জোৱাৰ তীব্ৰতৰ হৈ থকা সময়ছোৱাতে ভূটানত আলফাকে ধৰি তিনিটা বিদ্ৰোহী সংগঠনৰ শিবিৰসমূহত চলা আক্ৰমণৰ ঘটনাৱলীয়ে কেতবোৰ নতুন প্ৰশ্ন-প্ৰতিপ্ৰশ্নৰ জন্ম দিছে। ভূটানত থকা বিদ্ৰোহী সংগঠনৰ শিবিৰ উচ্ছেদৰ বতৰা অপ্ৰত্যাশিত নাছিল। যোৱা পাঁচ বছৰ ধৰি ভূটান চৰকাৰৰ মতামত, বিদ্ৰোহী সংগঠনৰ স্থিতিয়ে এই ধাৰণা কঢ়িয়াই আনিছিল। ভূটান নৃপতিৰ ভাৰত ভ্ৰমণ, ভাৰত চৰকাৰৰ লগত কেইবালানি কূটনৈতিক আলোচনা, ভাৰতৰ প্ৰতিৰক্ষা মন্ত্ৰীৰ ভূটান ভ্ৰমণকে আদি কৰি ঘটনাৱলীয়ে এনে ধাৰণা সুদৃঢ় কৰি তুলিছিল। কিন্তু অপ্ৰত্যাশিত আছিল ভাৰত-ভূটান সেনাবাহিনীৰ আক্ৰমণ, নিৰ্ধাৰিত সীমাৰেখা একত্ৰিশ ডিচেম্বৰত উকলি নৌযাওঁতেই চলা অভিযানৰ বতৰাহে। এখন সাৰ্বভৌম ৰাষ্ট্ৰ হিচাপে ভূটানৰ আভ্যন্তৰীণ বিষয়ত ভাৰত চৰকাৰৰ হস্তক্ষেপেই নহয়, সামৰিক আক্ৰমণৰ প্ৰসংগ অতিশয় স্পৰ্শকাতৰ বিষয়। আক্ৰমণত ভাৰতীয় সেনা নিহত-আহত হোৱাৰ বতৰা, তাৎক্ষণিকভাৱে সীমান্তত সেনা মোতায়েন, ব'ফৰ্ছ বৰটোপৰ দৰে যুদ্ধাস্ত্ৰ ব্যৱহাৰ কৰাৰ খবৰ আজি এক গোপন সত্য। তেনেদৰে নিৰ্ধাৰিত সময়সীমা উকলি নৌযাওঁতেই বিদ্ৰোহীৰ শিবিৰত আক্ৰমণ কৰাৰ ঘটনাৰ আঁৰত কোনো বহিঃশক্তিৰ 'হেঁচা' আছে নেকি তাকো বিবেচনা কৰি চাবলগা হৈছে। সম্ভৱতঃ

এই বহিঃশক্তিৰ শিপা দিল্লী, লণ্ডন, ৱাশ্বিংটন পৰ্যন্ত আছে। সবাতোকৈ অপ্ৰত্যাশিত ঘটনা হ'ল— এনে আক্ৰমণ প্ৰক্ৰিয়াত আন্তঃৰাষ্ট্ৰীয় বিধি-নিৰ্দেশনাসমূহকো অৱহেলা কৰাৰ ঘটনাসমূহ। বিদ্ৰোহীক ন্যূনতম সকীয়নি নিদিয়াকৈ শিবিৰত থকা অকণমানি শিশু-মহিলাক হত্যা কৰা, ৰেডক্ৰছৰ দৰে আন্তঃৰাষ্ট্ৰীয়ভাৱে স্বীকৃত সেৱা সংস্থাক প্ৰৱেশৰ অনুমতি নিদিয়া, এম্‌নেষ্টি ইণ্টাৰনেচনেলৰ দৰে আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ সংস্থাক বাধা প্ৰদান কৰা তথা শান্তিৰ বাতৰি কঢ়িয়াই অনা মহিলাক হত্যা কৰা, বন্দী অৱস্থাত একাধিক নেতা-কৰ্মীক হত্যা কৰাৰ দৰে যিসমূহ বতৰা খবৰ কাগজযোগে পোৱা গৈছে, সি আন্তঃৰাষ্ট্ৰীয়ভাৱে স্বীকৃত মানৱ অধিকাৰৰ বিধি, জেনেভা সম্মিলনৰ বিধানসমূহ উলংঘা কৰিছে। তেনেদৰে প্ৰতিজন অক্ষম যোদ্ধাৰ নাম তালিকা প্ৰকাশ নকৰা, নিহত বিদ্ৰোহীৰ মৃতদেহসমূহ সংশ্লিষ্ট পৰিয়ালক সোধাই নিদিয়া আৰু যুদ্ধস্থলীত সাংবাদিকৰ প্ৰৱেশ নিষিদ্ধ কৰি জনগণৰ পৰা প্ৰকৃত তথ্য লুকুৱাই ৰখাৰ দৰে চূড়ান্ত অমানৱীয় ঘটনাৱলীয়ে, সামগ্ৰিকভাৱে মানৱতাবিৰোধী ৰূপ গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। স্বাভাৱিকতে প্ৰশ্ন আহিছে যে এনেধৰণৰ মৌলিক মানৱতাবিৰোধী পদক্ষেপ গ্ৰহণ কৰাৰ অন্তৰ্নিহিত উদ্দেশ্য কি? প্ৰকৃত সত্য আৰু তথ্য গাপ দি ৰাখি সমগ্ৰ ঘটনাৱলীৰ পৰা জনগণক অন্ধকাৰত ৰখাৰ উদ্দেশ্য কি? এনে উদ্দেশ্যসমূহ জনগণে অনুধাৱন কৰিব পাৰিলেও, এটা কথা স্পষ্ট হৈ পৰিছে যে ভূটানত চলি থকা বিদ্ৰোহীবিৰোধী অভিযানৰ নৃশংসতাক কৌশলগতভাৱেই লুকুৱাই ৰখাৰ প্ৰয়াস চলোৱা হৈছে। নহ'লেনো ৰেডক্ৰছৰ লেখীয়া আন্তঃৰাষ্ট্ৰীয়ভাৱে স্বীকৃত সেৱা সংস্থাক প্ৰৱেশ কৰিবলৈ নিদিয়াৰ সমৰ্থনত ভাৰতীয় সামৰিক বাহিনীৰ ইষ্টাৰ্ণ কমাণ্ডাৰ জি অ' চি লেফটেনেণ্ট জেনেৰেল জিতেন্দ্ৰ সিঙে কয়নে— 'Militants could derive undue advantage if Redcross were allowed to operate in the conflict zone... If the Redcross begins offering assistance the rebels will hide their weapons and register with the international organisation as sick or non-combatants. Most of them have fled their bases and gone deeper into the Jungles of South and West Bhutan. (The Telegraph. 20th December) এনে মতামতৰ দ্বাৰা এই কথা স্পষ্ট হৈ পৰিছে যে বিদ্ৰোহী দমনৰ নামত ন্যূনতম মানৱীয় সেৱা আগবঢ়াবৰ বাবেও অভিযানকাৰীসকল প্ৰস্তুত নহয়। তেনেদৰে ভূটান চৰকাৰে চলোৱা অভিযানত আন্তঃৰাষ্ট্ৰীয় সেৱা সংস্থাক ভাৰতীয় সেনাই কিয় বাধা দিবলগা হৈছে বা সেই সন্দৰ্ভত মতামত দিবলগা হৈছে, এই কথাও মন কৰিবলগীয়া।

বাতৰিত প্ৰকাশ পোৱামতে শান্তিৰ প্ৰস্তাৱ কঢ়িয়াই অনাৰ প্ৰাক্ সময়ছোৱাত আলফা নেতৃত্বৰ দ্বাৰা মধ্যস্থতাকাৰীৰ যোগেদি দিল্লীস্থ উচ্চ কৰ্তৃপক্ষক শান্তিদূত ভীমকান্ত বুঢ়াগোহাঁই সন্দৰ্ভত অৱগত কৰোৱা হৈছিল। যদি সেইমৰ্মে আলফাৰ ৰাজনৈতিক উপদেষ্টা তথা আলফা মহলৰ মাজত 'আতন বুঢ়াগোহাঁই' হিচাপে পৰিচিত

অশীতিপৰ ভীমকান্ত বুঢ়াগোহাঁয়ে মহিলা, শিশু আৰু অক্ষম যোদ্ধাসহ শান্তিৰ প্ৰতীকস্বৰূপ শুকুলা পতাকা উৰুৱাই শিবিৰৰ পৰা ওলাই আহিছিল*। তেতিয়াহ'লে তেওঁক বৰ্বৰভাৱে হত্যা কৰা হ'ল কিয়? এই ঘটনা অতি তাৎপৰ্যপূৰ্ণ। কিয়নো ই যেনেদৰে এহাতে আন্তঃৰাষ্ট্ৰীয় বিধি ব্যৱস্থাৰ প্ৰতি ভেঙুচালি, ঠিক তেনেদৰে শান্তি আলোচনা প্ৰক্ৰিয়াৰ প্ৰতি চৰকাৰী মহলৰ আওকণীয়া মনোভাবৰ প্ৰকাশ। ভীমকান্ত বুঢ়াগোহাঁইৰ দৰে শীৰ্ষ নেতাৰ যোগেদি গণতান্ত্ৰিক শান্তি প্ৰক্ৰিয়া আৰম্ভ কৰাৰ থল আছিল। কিন্তু এনে এক সুবৰ্ণ সুযোগৰ সদ্ব্যৱহাৰ নকৰি, তেওঁক বৰ্বৰভাৱে হত্যা কৰা কাৰ্যই এটা কথা পুনৰ প্ৰমাণ কৰিলে যে সামৰিক দমন নীতিৰ দ্বাৰাহে বিদ্ৰোহী সমস্যা সমাধান কৰিবৰ বাবে চৰকাৰী পক্ষ আগ্ৰহী। ভূটানত অভিযান আৰম্ভ হোৱাৰ লগে লগে লোকসভাত কংগ্ৰেছ, বিজেপি, চি পি এম আদি দলৰ সাংসদসকলে প্ৰদৰ্শন কৰা প্ৰতিক্ৰিয়া আৰু অসমৰ মুখ্যমন্ত্ৰী তৰুণ গগৈ স্বাভাৱিকভাৱে উল্লসিত হোৱা ঘটনাই শান্তি প্ৰক্ৰিয়া সন্দৰ্ভত প্ৰশ্ন আনি দিছে। কণমানি শিশু-মহিলাক হত্যা কৰা অভিযানৰ বতৰা পায়েই উল্লসিত হোৱা এগৰাকী মুখ্যমন্ত্ৰীয়ে ইমান দিনে কৈ অহা শান্তি প্ৰক্ৰিয়া সন্দৰ্ভত তেওঁৰ প্ৰকৃত স্বৰূপ প্ৰকাশ কৰা নাইনে? এনে এজন মুখ্যমন্ত্ৰীয়ে ভৱিষ্যতে শান্তি প্ৰক্ৰিয়াত কেনেধৰণৰ উদ্যোগ গ্ৰহণ কৰিব, সি এতিয়া জল্‌জল্-পট্‌পট্ হৈ পৰিল। তেনেদৰে শংকৰ ৰায়চৌধুৰীৰ দৰে প্ৰাক্তন সেনাপ্ৰধান এগৰাকীয়ে সামৰিক অভিযানেৰে বিদ্ৰোহী সমস্যা সমাধান কৰাতো সম্ভৱ নহয় বুলি উল্লেখ কৰা, বহুকেইজন সমাজ বিজ্ঞানী-চিন্তাবিদে সামৰিক পদ্ধতিৰ অসাৰতা সন্দৰ্ভত মতামত দিয়া তথা বজৰংগ, ৰাইনো আৰু ইউনিফাইড কামাণ্ড ষ্ট্ৰাকচাৰৰ লেখীয়া সামৰিক অভিযানসমূহ ব্যৰ্থ হোৱাৰ পিছতো, চৰকাৰে কিহৰ বাবে সামৰিকভাৱে বিদ্ৰোহী সমস্যা সমাধান কৰাৰ ব্যৱস্থা কৰিছে সিয়ো চিন্তনীয়। এইসমূহ কথাই এটা কথা স্পষ্ট কৰি দিছে যে সামৰিক দমনেৰে একোটা বিদ্ৰোহী প্ৰজন্ম নিঃশেষ কৰি ৰাষ্ট্ৰই অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ অমীমাংসিত জাতি সমস্যাক নস্যাৎ কৰি দিব খুজিছে। কিন্তু ইতিহাসে প্ৰমাণ কৰি দিছে যে সামৰিক দমন অভিযান এইক্ষেত্ৰত চূড়ান্তভাৱে ব্যৰ্থ। নহ'লে ১৯৫২ চনৰ সামৰিক অভিযানৰ পাছতেই নগা বিদ্ৰোহী সমস্যাৰ অন্ত পৰিলহেঁতেন। কাৰ্গিল যুদ্ধৰ পাছত জম্মু-কাশ্মীৰত কোনো সমস্যাই নাথাকিলহেঁতেন। শ্ৰীলংকাৰ তামিল টাইগাৰসকল ১৯৮৯ চনতেই নিঃশেষ হ'লহেঁতেন। আজিও পেলেষ্টাইনৰ জুয়ে বিশ্বত উত্তাপ সৃষ্টি নকৰিলেহেঁতেন।...

তাৎপৰ্যপূৰ্ণভাৱে অসমৰ বিদ্ৰোহীবিৰোধী প্ৰতিটো সামৰিক অভিযানৰ আঁৰত থকা কেতবোৰ শক্তিৰ প্ৰসংগ উত্থাপিত হ'ব। ১৯৯০ চনত অসমত আৰম্ভ হোৱা বজৰং অপাৰেচন আৰু আজি ভূটানত আৰম্ভ হোৱা অপাৰেচনৰ পূৰ্ববৰ্তী সময়ছোৱাৰ কেতবোৰ ঘটনা-পৰিঘটনাৰ বিশেষ সাদৃশ্য থকা দেখা যায়। অসমৰ জনগণে ভালদৰেই জানে যে ১৯৯০ চনত আলফাই হিন্দুস্তান লিভাৰৰ লেখীয়া বৃহৎ পুঁজিগোষ্ঠীক জোকাই

* বাতৰি কাকতত ভীমকান্ত বুঢ়াগোহাঁইক হত্যা কৰা হ'ল বুলি বাতৰি প্ৰকাশ পাইছিল। এই লেখা প্ৰকাশ হোৱাপৰ্যন্ত বুঢ়াগোহাঁইৰ ওভেদ্ৰ ওলোৱা নাছিল। পৰৱৰ্তী পৰ্যায়তহে বুঢ়াগোহাঁই জীৱিত থকাতো প্ৰতীয়মান হ'ল।

লোৱাৰ বাবেই নিশাৰ ভিতৰতে সামৰিক অপাৰেচন তেতিয়াৰ জি অ' চি অজয় সিঙৰ নেতৃত্বত আৰম্ভ হৈছিল। আজিৰ তাৰিখতো সেই অজয় সিং বৰ্তমানৰ ৰাজ্যপাল হোৱাৰ সময়তে আলফাই হিন্দুস্তান লিভাৰৰ পৰা দুই কোটি টকাৰ দাবী আৰু ইয়াক নিদিয়াৰ বাবেই ৰকেট আক্ৰমণ চলাইছিল। লগে লগে হিন্দী চিনেমা নিষিদ্ধকৰণ, হিন্দীভাষীৰ ওপৰত আক্ৰমণৰ দৰে ঘটনা সংঘটিত হৈছিল। এনেবোৰ ঘটনাই হয়তো আলফাৰ মৰ্মস্থলত আঘাত কৰিবৰ বাবে একোটা ভিত্তি তৈয়াৰ কৰিছিল। তেনেদৰে থলুৱাৰ নিযুক্তি প্ৰসংগই জনসমৰ্থন লাভ কৰা, বিহাৰকাণ্ডৰ প্ৰতিবাদত অসমত এলানি হিংসাত্মক কাৰ্য সংঘটিত হোৱা, এইক্ষেত্ৰত দিল্লীশ্বৰসকলৰ ষড়যন্ত্ৰমূলক কাৰ্যব্যস্ততা আৰু সৰ্বোপৰি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতে দিল্লীবাদবিৰোধী গণতান্ত্ৰিক আন্দোলন গঢ় লৈ উঠিছে। এনেদৰে উত্তৰ-পূৰ্বাঞ্চলৰ সমগ্ৰ জনগণ ঐক্যবদ্ধ হৈ গণতান্ত্ৰিকভাৱে দিল্লীবাদবিৰোধী অৱস্থান গ্ৰহণ কৰাতো শাসকশ্ৰেণীৰ কাম্য নহয়। সেয়ে এই গণতান্ত্ৰিক সংগ্ৰামক কলিতে মষিমূৰ কৰা আৰু বিদ্ৰোহী শক্তিক সামৰিকভাৱে দমন কৰাৰ বাবেই ভাৰতীয় শাসকবৰ্গ আজি এক গভীৰ ষড়যন্ত্ৰত লিপ্ত হৈছে।

এনে প্ৰেক্ষাপটত অসমৰ জনগণৰ বাবে এক গভীৰ সংকটৰ সৃষ্টি হৈছে। এই সংকটত যথাৰ্থভাৱে সন্মুখীন হ'ব নোৱাৰিলে অসমৰ জনগণৰ জাতীয় প্ৰশ্নসমূহ অমীমাংসিত হৈ ৰ'ব। সেয়ে আজিৰ তাৰিখত জনগণে ৰাষ্ট্ৰৰ সকলোধৰণৰ মানৱতাবিৰোধী, দমনমূলক কাৰ্যব্যৱস্থা আৰু ঐক্যবদ্ধ গণতান্ত্ৰিক সংগ্ৰামক বিপথে পৰিচালিত কৰিব খোজা নীতি, বিভেদমূলক প্ৰৰোচনাক যোগ্য প্ৰত্যুত্তৰ দিব লাগিব। এইক্ষেত্ৰত সৌ সিদিনালৈকে ৰাজপথত শান্তি বিচাৰি হামৰাও কাঢ়ি থকা তথাকথিত শান্তিকামী বুদ্ধিজীৱী, শিক্ষাবিদ, ছাত্ৰনেতাৰ ভূমিকাও চাব লাগিব। বিহাৰত অসমৰ ৰে'লযাত্ৰীক কৰা নিৰ্মম অত্যাচাৰৰ প্ৰতিক্ৰিয়া হিচাপে অসমত বিহাৰী-হিন্দীভাষীক নিৰ্যাতন কৰাৰ বাবেই এইসকল শান্তিবাদীয়ে ৰাজপথত বিৰাট শান্তি সমদল উলিয়ায়, বাতৰি কাকতত বৰ বৰ হৰফেৰে চকুলো টুকে, অসমৰ দীৰ্ঘদিনীয়া ভাতৃত্বৰ কথা কয়, ইত্যাদি। কিন্তু এইসকলে ডিমাছা-মাৰ, কাৰ্বি-কুকি জনগোষ্ঠীৰ মাজত সংঘটিত সংঘৰ্ষৰ সময়ত শান্তি, মানৱতা, ভাতৃত্বৰ কথা পাহৰে। গাঁৱৰ পিছত গাঁও জ্বলি ছাৰখাৰ হোৱাৰ সময়ত, সাধাৰণ মানুহৰ মৃত্যুৰ সময়ত, এওঁলোক নিশ্চুপ হৈ থাকে। এতিয়া ভূটানৰ গভীৰ অৰণ্যত সামৰিক বাহিনীয়ে দুগ্ধপোষ্য শিশু, মহিলা, বৃদ্ধক নিৰ্মমভাৱে হত্যা কৰাৰ সময়ত তীব্ৰ শীত আৰু খাদ্যৰ অভাৱত শৰীৰত বুলেট লৈ তিলতিলকৈ মৃত্যুক সাবটি লোৱা একোটা তেজাল তৰুণৰ মৃত্যু অথবা আহত হোৱাৰ সময়ত, এওঁলোকৰ হিয়া নকঁপে। মানৱতা পলাই ফাট মাৰে। আমাৰ দৃষ্টিয়ে কিন্তু প্ৰতিটো অবাঞ্ছিত মৃত্যু, অপ্ৰৰোচিত নিৰ্যাতন, মানৱতাবিৰোধী পদক্ষেপকে তীব্ৰ ঘৃণাৰে প্ৰতিবাদ কৰে। তাত জাতি, ধৰ্ম, বৰ্ণৰ প্ৰশ্ন নগণ্য। সেয়ে এইসকল শান্তিবাদীয়ে এতিয়া কেনে পদক্ষেপ গ্ৰহণ কৰে, তাক অসমৰ জনগণে শেন দৃষ্টিৰে লক্ষ্য কৰিব।

আজিৰ তাৰিখত অসমৰ জনগণে বিদ্ৰোহীক সামৰিক উপায়েৰে দমন কৰাৰ পৰিবৰ্তে, বিদ্ৰোহীসকলে উত্থাপন কৰা প্ৰশ্নসমূহ ৰাজনৈতিকভাৱে মীমাংসা কৰাটো

বিচাৰিছে। অসমৰ বিদ্ৰোহীয়ে যি স্বাধীনতাৰ প্ৰসংগ উত্থাপন কৰিছে, তাক ব্যক্তিগত স্তৰত দুই-এজন ব্যক্তি বা সংগঠনে সমৰ্থন কৰিলে যিদৰে গ্ৰহণ কৰিব পৰা নাযায়, তেনেদৰে বিৰোধিতা কৰিলেও অগ্ৰাহ্য কৰা নাযায়। গতিকে সমগ্ৰ বিষয়টোৰ ক্ষেত্ৰত প্ৰকৃত জনসমৰ্থন কিমান, তাৰে উমান ল'বৰ বাবে এক গণভোটৰ আয়োজন কৰা হওক। অসমৰ থলুৱা আৰু খিলঞ্জীয়া জনগণে নিৰ্ধাৰণ কৰি দিয়া গণভোটৰ ৰায় চৰকাৰ আৰু বিদ্ৰোহী উভয়ে মানি ল'বলৈ সন্মত হওক। তাৰ বাবেই প্ৰয়োজনীয় নিকা, প্ৰভাৱহীন শান্তিপূৰ্ণ পৰিৱেশ সৃষ্টি কৰাৰ বাবে উভয় পক্ষ আগবাঢ়ি আহক। যদি বিদ্ৰোহীৰ হাতত নিজৰ অংগ হেৰুৱায়ো শ্ৰীলংকাৰ ৰাষ্ট্ৰপ্ৰধানে বিদ্ৰোহীক শান্তি প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰাব পাৰে, তেন্তে একো নেহেৰুৱাই ভাৰত চৰকাৰে শান্তি প্ৰক্ৰিয়া আৰম্ভ কৰিব কিয় নোৱাৰে? নাগালেণ্ডৰ পঞ্চাশ বছৰীয়া সংগ্ৰামৰ অন্তত এন এছ চি এনে শান্তি প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰাৰ লেখীয়াকৈ নিজৰ কুৰি বছৰীয়া অভিজ্ঞতাৰে অসমৰ বিদ্ৰোহীও আগবাঢ়ি আহক। অসমৰ জাতীয় অনুষ্ঠানসমূহে, দল-মত নিৰ্বিশেষে ৰাজনৈতিক দলসমূহে, জাতীয় প্ৰশ্নসমূহ মীমাংসাৰ বাবেই জনগণৰ এই অসংগঠিত মতামতক সংগঠিত কৰি, চৰকাৰ আৰু বিদ্ৰোহী উভয়ৰে ওপৰত চাপ সৃষ্টি কৰক। জনগণৰ প্ৰতি সদিচ্ছা আৰু আস্থাৰ প্ৰাথমিক চৰ্ত হিচাপে উভয় পক্ষই সাময়িকভাৱে হ'লেও ঘোষণা কৰক— Farewell to arms।

পূৰ্বপ্ৰকাশ ঃ আজি, ২৭ ডিচেম্বৰ/২০০৩

৩ | গণতন্ত্ৰৰ প্ৰহসন!

আমিবোৰে সততে আওৰাই থকা এটি শব্দ হ'ল— গণতন্ত্ৰ। 'গণ' শব্দই ৰাইজ বা লোক সমষ্টিক বুজায় আৰু 'তন্ত্ৰ' শব্দই একোটা শাসন প্ৰণালীক নিৰ্দেশ কৰে। সেই হিচাপে পৰা, গণতন্ত্ৰ বুলিলে ৰাইজৰ শাসন প্ৰণালী বুলিয়েই বুজা যায়। অৰ্থাৎ যি শাসন প্ৰণালীৰ যোগেদি ৰাইজে নিজকে নিজে শাসন কৰে, সেই শাসন প্ৰণালীকে চমু অৰ্থত গণতন্ত্ৰ বুলি অনুধাৱন কৰা যায়। এইখিনি কথা হয়তো হাইস্কুল পৰ্যায়ত পঢ়ি থকা এজন ছাত্ৰয়ো জানে বা সমাজ অধ্যয়ন নামৰ পাঠ্যপুথিৰ যোগেদি তাক অধ্যয়ন কৰে। তেতিয়াহ'লে, গণতন্ত্ৰ সম্পৰ্কে এবখলা মেলাৰ অৰ্থইবা কি— স্বাভাৱিকতে এনে প্ৰশ্ন উত্থাপন হ'ব পাৰে। এনে প্ৰশ্নৰ সমাধান বিচাৰি খুজিলে এটাই কথা ক'ব পাৰি যে আমিবোৰে যে সঘনাই গণতন্ত্ৰ বুলি শব্দদ্বয় আওৰাই থাকো বা আমাৰ নিজৰে দৈনিক জীৱন প্ৰণালীক এই আকৰ্ষণীয় শব্দ যুগলৰ দ্বাৰা নিয়ন্ত্ৰিত হ'বলৈ এৰি দিওঁ; প্ৰকৃতাৰ্থত এনে শব্দ যুগলৰ যথাৰ্থ মূল্যায়ন আমিবোৰে কৰিছোঁনে? নে আমিও দেখাক দেখি এক গড্ডলিকা প্ৰবাহত নিজকে উটুৱাই দিছোঁহক? কথাবোৰে আমাৰ মনত প্ৰায়েই দোলা দি থাকিবলৈ লৈছে। বিশেষকৈ, যোৱা মাহটোৰ ভিতৰতে ৰাজ্যখনত এনে কেতবোৰ ঘটনা ঘটিবলৈ লৈছে যে যাৰ বাবে আমাৰ নিজৰ মনতে প্ৰশ্ন জাগ্ৰত হৈছে— প্ৰকৃতাৰ্থত আমি এখন গণতান্ত্ৰিক সমাজ-ব্যৱস্থাত বসবাস কৰিছোঁনে? প্ৰথমেই কাকপথাৰৰ প্ৰসংগটোকে অনা যাওক। কাকপথাৰত কি ঘটিছিল? অজিত মহন্ত নামৰ দিন হাজিৰা কৰি খোৱা দুটা এমাডিমা সন্তানৰ পিতৃ এজনক ভাৰত চৰকাৰৰ

সেনাবাহিনীয়ে ঘৰৰ পৰা উঠাই নিয়ে। মানুহজনৰ কোনো দোষ-গুণ, বিচাৰ-বিবেচনা নকৰি, সেনাৰ দ্বাৰা হত্যা কৰা হ'ল আৰু মৃতদেহটো বস্তাৰে মেৰিয়াই পেলাই থোৱা হ'ল। এই ঘটনাত ক্ষোভিত হোৱা ৰাইজে মহন্তৰ শৱদেহটো লৈ ৰাজপথত প্ৰতিবাদ কৰিলে আৰু ৰাজ্যখনৰ ৰাজ্যপাল বা মুখ্যমন্ত্ৰীৰ উপস্থিতি দাবী কৰি, এনে ঘটনাৰ পুনৰাবৃত্তি নোহোৱাৰ নিশ্চিতি বিচাৰিলে। কিন্তু ৰাইজৰ দ্বাৰা নিৰ্বাচিত তথা ৰাইজৰ হকে কাম কৰিম বুলি প্ৰতিশ্ৰুতিবদ্ধ মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাইজৰ সেই দাবী নামানিলে। আনকি ৰাইজ যেতিয়া কিছু উত্তেজিত হৈ পৰিল, তেতিয়া ৰাইজৰ কৰ-কাটলেৰে ভৰণ-পোষণ কৰা সেনা-আৰক্ষীৰ দ্বাৰা অবাধ গুলীচালনা কৰা হ'ল। ফলাফল, ভাৰতৰ স্বাধীনতা আন্দোলনকো কঁপাই পেলোৱা জালিৱানবালাবাগতকৈয়ো চাৰ হ'ল। প্ৰায় দহজন লোক নিহত হ'ল আৰু শতাধিক লোক আহত হ'ল। আনহাতে আকৌ, এই ঘটনাই সৃষ্টি কৰা তীব্ৰ প্ৰতিক্ৰিয়াৰ ওৰ নৌপৰোতেই অঞ্চলটোৰ ভ্ৰমণলৈ যোৱা মুখ্যমন্ত্ৰীগৰাকীৰ সন্মুখতে, বিক্ষোভকাৰীৰ বা-বাতৰি সংগ্ৰহ কৰিবলৈ যোৱা সাংবাদিক এজনক কৰ্তব্যৰত অৱস্থাত আৰক্ষীয়ে মৰিয়াই গুৰুতৰভাৱে আহত কৰে। এই দুয়োটা ঘটনাই আজি ৰাজ্যখনলৈ অশনি সংকেত কঢ়িয়াই আনিছে, আৰু ৰাইজক ভাবিবলৈ বাধ্য কৰাইছে যে ৰাইজ প্ৰকৃততে কেনে এক গণতান্ত্ৰিক ব্যৱস্থাত থাকিবলগা হৈছে। অৱশ্যে, অসমত এনে ঘটনা এইটোৱেই প্ৰথম নহয় বা ই কোনো বিক্ষিপ্ত ঘটনাও নহয়। বিগত পোন্ধৰ বছৰ ধৰি অসমত এনে অসংখ্য ঘটনা ঘটিছে আৰু তাৰে কেইটিমানে ৰাইজৰ মনত গভীৰভাৱে দাগ বহুৱাই গৈছে। যথা, দৰং জিলাৰ দিপীলা নামৰ ঠাইডোখৰত, অৰ্ধসামৰিক বাহিনীৰ জোৱানে পথাৰত কাম কৰি থকা কৃষককেইজনমানক গুলীয়াই হত্যা কৰিছিল। দেহৰকুৰিহা নামৰ ঠাইডোখৰত নামাজ পঢ়িবলৈ যোৱা নামাজীকেইজনমানক গুলীয়াই হত্যা কৰিছিল। তাৰ বাহিৰেও ভুৱা সংঘৰ্ষৰ নামত, উগ্ৰপন্থী কৰায়ত্ত কৰাৰ নামত প্ৰায় দহ হেজাৰ যুৱকক হত্যা কৰা হ'ল। সমসংখ্যকে আকৌ পংগুত্বক সাবটি ল'বলগা হ'ল। এইবোৰ ঘটনা ঘটাৰ পিছত ৰাইজে যথাবিহীত প্ৰতিবাদ কৰিছে, চৰকাৰে তদন্ত বহুৱাইছে। তথাপি নজিৰ স্থাপন হোৱাকৈ দোষীয়ে শাস্তি পোৱা পৰিলক্ষিত হোৱা নাই। সেইদৰে কেৱল কলমেৰে যুদ্ধ কৰি প্ৰতিবাদ সাব্যস্ত কৰা বহুকেইজন সাংবাদিকক হত্যা কৰা হ'ল, নিৰ্যাতন চলোৱা হ'ল। অথচ ঘটনাবোৰৰ কোনো বিচাৰ নহ'ল। ভাবি আচৰিত লাগে এইটোৱেই যে যিখন দেশত ধনঞ্জয় চেটাৰ্জী নামৰ ধৰ্ষণকাৰী এজনক ফাঁচী কাঠত ওলমোৱাৰ বাবে এক বিৰাট ন্যায়িক পৰিক্ৰমা পাৰ কৰিবলগা হয়, সেইখন দেশত একেবোৰ নিয়ম-কানুন ব্যৱস্থা থকা সত্ত্বেও, এনেদৰে দিনৰ পোহৰত, নিৰ্বিবাদে মানুহ হত্যা কৰিব পাৰে কেনেকৈ? তাকো খোদ চৰকাৰী বাহিনীৰ দ্বাৰা? কিহৰ বাবে এই খেনোক দেখি বন্ধা-বঢ়া, খেনোক দেখি দুবাৰ বন্ধাৰ নীতি? কথাবোৰ দকৈ ভাবি চালে বাৰু নিজৰেই ব্যৱস্থাটোৰ সন্দৰ্ভত, নিজৰ মনতেই সন্দেহৰ ভাব জাগ্ৰত নহয়নে?

বিগত সময়ৰ ঘটনাবোৰ সাধাৰণভাৱেই পৰ্যালোচনা কৰিলে এটাই কথা স্পষ্ট হয় যে প্ৰতিটো ঘটনাতে কিবা নহয় কিবা প্ৰকাৰে সেনা-আৰক্ষী আদিৰ নাম জড়িত হৈ

পৰে। আমি সহজভাৱেই জানো যে সেনাবাহিনীৰ কাম হ'ল দেশখনক বাহিৰৰ শত্ৰুৰ হাতৰ পৰা ৰক্ষা কৰা আৰু আৰক্ষীৰ কাম হ'ল ভিতৰৰ শান্তি-শৃংখলা অটুট ৰখা। তেতিয়াহ'লে বিশেষকৈ সেনা প্ৰয়োগ হ'ব পাৰে দেশখনক বাহিৰৰ শত্ৰুৱে আক্ৰমণ কৰাৰ সময়তহে। আমাৰ এই ৰাজ্যখনক বিগত সময়ত কোনো বাহিৰৰ শত্ৰুৱে আক্ৰমণ কৰা নাই যেতিয়া সেনা-বাহিনীৰ প্ৰয়োগ কিয় কৰা হৈছে? আইন-শৃংখলা ভংগ হৈছে। তাক নিয়ন্ত্ৰণ কৰিবলৈ আৰক্ষীয়েই যথেষ্ট। তৎসত্বেও যিহেতু সেনা প্ৰয়োগ কৰা হৈছে, সেয়ে ধৰি ল'ব লাগিব যে ৰাজ্যখনৰ ক্ষেত্ৰত গুৰুতৰ সমস্যা উপস্থিত হৈছে। কিন্তু সেনা লগাই যেতিয়া 'আইন-শৃংখলা' নিয়ন্ত্ৰণ কৰিব পৰা হোৱা নাই বৰং বাঢ়িছেহে, এতেকে সমস্যাসমূহৰ গূঢ়াৰ্থ উপলব্ধি কৰিবলৈহে যত্নবান হ'ব লাগে। কিন্তু কাৰ্যক্ষেত্ৰত তাক কৰা হোৱা নাই আৰু ৰাইজৰ বাৰম্বাৰ আপত্তি সত্বেও সেনা প্ৰয়োগ কৰি থকা হৈছে। এই কথাই ৰাইজৰ মনত দুটা প্ৰশ্নৰ উদ্ৰেক কৰাইছে। হয় চৰকাৰে এই ৰাজ্যৰ মানুহখিনিক নিজৰে অংশ হিচাপে গণ্য নকৰে, নহয় মানুহখিনিৰ সমস্যাসমূহ সমাধান কৰিবৰ বাবে প্ৰকৃত আন্তৰিকতা নাই। এই মানুহখিনিক নিজৰে ভাই-ককাই, অঙহী-বঙহী বুলি ভবা হ'লে নিজৰে মানুহখিনিক বাহিৰৰ শত্ৰুৰ দৰে জ্ঞান কৰি, মানুহখিনিৰ ওপৰত সেনাবাহিনী জাপি নিদিলেহেঁতেন, প্ৰতিবাদ সত্বেও মানুহখিনিৰ ওপৰত সেনাৰ দ্বাৰা অত্যাচাৰ নকৰালেহেঁতেন। নতুবা এই মানুহখিনিৰ দ্বাৰা যিবোৰ সমস্যা উত্থাপন কৰা হৈছে, তাক সহৃদয়তাৰে গ্ৰহণ কৰি, যুক্তিৰে চালি-জাৰি চাই বিহিত ব্যৱস্থা ল'বৰ বাবে যত্নবান হ'লহেঁতেন। কিন্তু চৰম পৰিতাপৰ কথা এয়ে যে এটাও ব্যৱস্থা হাতত নলৈ বাৰে বাৰে মানুহখিনিৰ ওপৰত দমন-নিৰ্যাতন নমাই আনিছে। তেতিয়াহ'লে ইয়াৰ দ্বাৰা বাৰু আমাৰ সাধাৰণ মানুহক কি বুজাব খোজা হৈছে? আমাৰ দৰে সাধাৰণ মানুহখিনিয়ে বাৰু এনেদৰে নুবুজিম নে যে গণতন্ত্ৰৰ নামত এক বিৰাট প্ৰহসনৰ মাজলৈ আমাক ঠেলি দিয়া হৈছে? শাসকশ্ৰেণীয়ে যি গণতান্ত্ৰিক ব্যৱস্থাৰ কথা কৈছে, সেই গণতান্ত্ৰিক ব্যৱস্থাকে নিজে ভাঙি, ৰাইজক এক খেলিমেলি অৱস্থালৈ ঠেলি দিয়া হৈছে। নতুবা, সকলোবোৰ ঘটনা চালি-জাৰি চাই আমিবোৰে এনেদৰে ভাবিব লাগিব নে কি যে, বৰ্তমান যি গণতান্ত্ৰিক ব্যৱস্থাৰ কথা কোৱা হৈছে, সি প্ৰকৃততে প্ৰকৃত গণতান্ত্ৰিক ব্যৱস্থা নহয়। প্ৰকৃত গণতান্ত্ৰিক ব্যৱস্থা এটা প্ৰতিষ্ঠা কৰিবৰ বাবেই ৰাইজ যত্নবান হ'ব লাগিব নে কি, তাকো বিচাৰ-বিশ্লেষণ কৰিব লাগিব।

গণতন্ত্ৰ মানে যিহেতু ৰাইজৰ এক শাসন প্ৰণালী, গতিকে নিঃসন্দেহে এই শাসন প্ৰণালী ৰাইজৰ হিতৰ বাবে, ৰাইজৰ সৰ্বাত্মক মংগলৰ বাবেই প্ৰয়োগ হ'ব লাগিব। এই ব্যৱস্থাই নিশ্চিতি প্ৰদান কৰিব পাৰিব লাগিব যে ধৰ্মৰ নামত, বৰ্ণৰ নামত, সম্প্ৰদায়ৰ নামত ৰাজ্যখনক বিভাজিত কৰি ৰখা নহ'ব। স্বকীয় বৈচিত্ৰ্য, সত্তা অক্ষুণ্ণ ৰাখিও ৰাইজখনৰ মংগল সাধনৰ পথত এই ব্যৱস্থাই আগভাগ ল'ব লাগিব। সকলোধৰণৰ বঞ্চনা, নিৰ্যাতন, শোষণ, লুণ্ঠনৰ পৰা ৰাইজৰ জীৱন মুক্ত হ'ব লাগিব। সৰ্বোপৰি, মানুহ হিচাপে জীয়াই থকা, কিনন্দীয়া এই পৃথিৱীখন নিজৰ ধৰণে উপভোগ কৰাৰ বাবে, নিজৰ আৰ্থিক-সামাজিক-ৰাজনৈতিক সত্তা নিজৰ ধৰণেৰে নিয়ন্ত্ৰণ কৰাৰ যি

আজন্ম অধিকাৰ-তাৰ পূৰ্ণ স্বীকৃতি, নিশ্চয়তা প্ৰদান কৰা ব্যৱস্থাহে প্ৰকৃত গণতান্ত্ৰিক ব্যৱস্থা, প্ৰকৃত ৰাইজৰ শাসন প্ৰণালী। ইয়াৰ অন্যথা হ'লে, বন্দুক-বাৰুদৰ প্ৰাদুৰ্ভাব ঘটিলে, দমন-নিৰ্যাতন-শোষণ-বঞ্চনাৰ প্ৰকোপ বৃদ্ধি পালে বুজিব লাগিব যে সেই ব্যৱস্থা ৰাইজৰ প্ৰকৃত হিতসাধিনী ব্যৱস্থা নহয়। ইয়াক গণতন্ত্ৰ বুলি ক'লেও ক'ব লাগিব যে ই এক চূড়ান্ত প্ৰহসন। বিৰাট ধাপ্পাবাজি। মুষ্টিমেয় শাসকগোষ্ঠীৰ স্বাৰ্থ পূৰণৰ এক আহিলাহে মাথোঁ। অসমৰ ক্ষেত্ৰত সাম্প্ৰতিক সময়ে তেনে এক ইংগিতকে বহন কৰিছে নেকি?

পূৰ্বপ্ৰকাশ : জ্ঞান সন্ধান, মাৰ্চ/২০০৬

৪ ৰাইজৰ দৃষ্টিয়ে পোহৰাই তুলিছে গুপ্তহত্যাৰ অন্ধগলি

অসমীয়া সমাজ-জীৱনত এটি লোক-পৰম্পৰা আছে। কোনোবাই কাৰোবাক মাৰিম বা কাটিম বুলি দা-কটাৰী তুলি ল'লে, লগে লগে মাটিত তিনিটা ঘাপ মাৰিব লাগে। তেতিয়াহ'লে দায় ভাগে। হয়তো সাময়িক উত্তেজনাত, জিভা পিছল খোৱা এনে বাক্য ছিদ্ৰৰ বাবে একধৰণৰ প্ৰায়শ্চিত্ত হয়। তেনেদৰে ঘৰলৈ আলহী-অতিথি আহিলেও ঘৰতে পুহি ৰখা হাঁহটো বা পাৰটো মাৰি আলহীক এসাঁজ খুৱাবলৈ গৃহস্থই কুণ্ঠাবোধ কৰে। জানোচা ঘৰখন লক্ষীচাৰা হয়! কিন্তু অতি পৰিতাপৰ কথা এনে লোক-পৰম্পৰাৰে সমৃদ্ধ এখন সমাজত আজিকালি নৰহত্যাৰ দৰে ঘটনাও অতি সুলভ হৈ পৰিছে। অৱশ্যে পৰিবৰ্তিত আৰ্থ-ৰাজনৈতিক প্ৰেক্ষাপটত, দীৰ্ঘকালীন শোষণ-নিষ্পেষণ আৰু বঞ্চনাৰ বিশাল পটভূমি যে এনে পৰিস্থিতিৰ বাবে দায়ী— তাক হয়তো বহলাই কোৱাৰ প্ৰয়োজনীয়তা নাই। যি অতিকেন্দ্ৰিক ভাৰত ৰাষ্ট্ৰৰ আগ্ৰাসী চৰিত্ৰৰ বাবে অসমৰ দৰে প্ৰান্তীয় অঞ্চলসমূহ, দেশখনৰ ভিতৰতে এখন আন্তঃউপনিবেশত পৰিণত হৈছে আৰু তাৰ বাবেই আজি অসমীয়া সমাজখনৰ সামূহিক মনঃস্তত্ত্বৰ পৰিবৰ্তন হৈছে। এই পৰিবৰ্তিত পৰিস্থিতিৰে শেহতীয়া নমুনা হ'ল গুপ্তহত্যাৰ লেখীয়া, মানৱতাবিৰোধী দমনমূলক ৰাজনৈতিক অস্ত্ৰবিধ। বিগত এটা দশক জুৰি গুপ্তহত্যাৰ ঘটনা-প্ৰতিঘটনাই সামগ্ৰিকভাৱে অসমৰ সমাজ-জীৱনত আতংকৰ পৰিৱেশ ৰচনা কৰিছে, তাক ভৱিষ্যতৰ ইতিহাসেও এক জঘন্য অধ্যায় হিচাপেই পৰিগণিত কৰিব।

অতিকেন্দ্ৰিক ভাৰত ৰাষ্ট্ৰৰ শোষণ-নিষ্পেষণৰ বিৰুদ্ধে, অসমৰ সমাজ-জীৱনত

যি প্ৰবল ক্ষোভৰ সৃষ্টি হৈছিল, তাৰ প্ৰতিফলন ঘটিছিল অসম আন্দোলন আৰু আলফাৰ সংগ্ৰামৰ মাজেদি। ঐতিহাসিক অসম আন্দোলনে, তাৰ বহু ত্ৰুটি-বিচ্যুতি, সীমাবদ্ধতা সত্ত্বেও অসমবাসী ৰাইজৰ দিল্লীবাদবিৰোধী সংগ্ৰামৰ এক সবল গণতান্ত্ৰিক ধাৰা হিচাপেই পৰিগণিত হৈছে। বিদেশী বিতাড়ন, অসমীয়া জাতিসত্তাৰ অস্তিত্বৰ প্ৰশ্নকে আদি কৰি কেতবোৰ গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰা, অসম আন্দোলনে অসমৰ দিল্লীবাদবিৰোধী সংগ্ৰামখনক এটি অনন্য গতি প্ৰদান কৰিছিল। ইয়াৰ ফলতেই বিকাশ লাভ কৰা আঞ্চলিকতাবাদ আজিও অসমৰ সমাজ-জীৱনত এক প্ৰাসংগিক বিষয় হিচাপেই উত্থাপিত হৈ আহিছে। আনহাতে দিল্লীবাদবিৰোধী সংগ্ৰামখনৰ সশস্ত্ৰ ধাৰা হিচাপেই আত্মপ্ৰকাশ কৰা সংযুক্ত মুক্তি বাহিনীৰ 'স্বাধীনতা'ৰ সংগ্ৰামখন, অসমৰ সমাজ-জীৱনৰ আন এক পৰিঘটনা হিচাপেই বিবেচিত হৈছে। বিগত শতিকাৰ নৱৈৰ দশকত, এই সংগ্ৰামৰ প্ৰাবল্য ইমানেই বেছি পৰিস্ফুট হৈছিল যে ই ভাৰত ৰাষ্ট্ৰৰ মৰ্মস্থল কঁপাই তুলিছিল। যি ইউনিলিভাৰৰ দৰে বহুজাতিক কোম্পানীসমূহৰ অবাধ লুণ্ঠনৰ পৰিপ্ৰেক্ষিতত অসম সৰ্বস্বান্ত হৈছে, সেই ইউনিলিভাৰকে আদি কৰি বহুজাতিক কোম্পানীসমূহৰ স্বাৰ্থত আলফাই আঘাত হানিছিল। তাৰেই পৰিপ্ৰেক্ষিতত অসমৰ ৰাইজে গণতান্ত্ৰিকভাৱে নিৰ্বাচন কৰি পঠোৱা এখন চৰকাৰক নিশাটোৰ ভিতৰতে বৰ্খাস্ত কৰা হৈছিল। অপাৰেচন বজৰংগ, অপাৰেচন ৰাইনোৰ দৰে সামৰিক অভিযান মেলি দিয়া হৈছিল অসমৰ সাধাৰণ ৰাইজৰ মাজত। কেইবাখনো ক'লা আইনৰ আওতাত প্ৰকৃতাৰ্থত 'অশান্ত অঞ্চল' হৈ পৰিছিল অসম। ইয়াৰ ফলাফল সহজে অনুমেয়। হেজাৰ হেজাৰ সবল-সুঠাম ডেকাই জীৱনৰ বাবে পংগুত্বক সাবটি ল'বলগা হ'ল। অনাঘ্ৰাতা, অসূৰ্যস্পৰ্শা গাভৰুৱে হেৰুৱালে সতীত্ব। ভুৱা সংঘৰ্ষৰ নামত শতাধিক তেজাল তৰুণৰ ৰক্তেৰে ৰঞ্জিত কৰা হ'ল অসমক। ব্যাপক হাৰত লুণ্ঠিত হ'ল নাগৰিক অধিকাৰ, মানৱ অধিকাৰৰ দৰে বিশ্বজনীন অধিকাৰসমূহ। বাক্ স্বাধীনতাৰ দৰে মৌলিক অধিকাৰ হেৰুৱাই অজিত কুমাৰ ভূঞা, পৰাগ কুমাৰ দাসৰ দৰে সাংবাদিক, নিলয় দত্তৰ দৰে আইনজীৱীয়ে কাৰাগাৰৰ বন্ধন স্বীকাৰ কৰি ল'বলগা হ'ল। তাৎপৰ্যপূৰ্ণভাৱে, ইমানবোৰ ঘটনা-প্ৰতিঘটনাই কিন্তু অসমবাসীৰ দিল্লীবাদবিৰোধী সংগ্ৰামী চেতনা ম্লান কৰিব পৰা নাছিল। বাক্ স্বাধীনতা, নাগৰিক অধিকাৰ, মানৱ অধিকাৰৰ দৰে মৌলিক অধিকাৰ প্ৰতিষ্ঠাৰ দাবীত অসমবাসীৰ সংগ্ৰামী বিবেক সঠিকভাৱেই গৰজি উঠিল। স্বাভাৱিকভাৱেই সংগ্ৰামী জনতাৰ এই চেতনাই ভাৰত ৰাষ্ট্ৰৰ মূৰৰ কামোৰণি সৃষ্টি কৰিছিল। ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় বিভিন্ন মহলত ধিকৃত হ'ল ভাৰত ৰাষ্ট্ৰ। তাৰ বাবেই ৰাষ্ট্ৰই আৰম্ভ কৰিলে এক জঘন্যতম অস্ত্ৰ। ৰাষ্ট্ৰৰ অনুগত আৰু ভেৰোণীয়া ঘাতকবাহিনীৰ হতুৱাই, অতি গোপনে নিৰ্বাচিত সংগ্ৰামী বিবেকক হত্যা কৰি, সমগ্ৰ সমাজ জীৱনত এক ত্ৰাস আৰু সংশয়ৰ সৃষ্টি কৰা হ'ল। এনে গোপন হত্যাৰ যোগেদি সংগ্ৰামী জনতাক যেন বুজাই দিয়া হ'ল 'This is far no further'

বিভিন্ন সংবাদপত্ৰ, মানৱ অধিকাৰ সংগঠন আৰু ৰাজনৈতিক নেতাৰ বক্তব্যৰ সূত্ৰৰ আধাৰতে, প্ৰয়াত হিতেশ্বৰ শইকীয়া নেতৃত্বাধীন কংগ্ৰেছ(ই) চৰকাৰৰ কাৰ্যকালতে

এনে গুপ্তহত্যাৰ নমুনা দেখা গৈছে। তেজপুৰৰ সৰবৰহী যুবক বিশ্বজিৎ বৰাৰ হত্যাকাণ্ড, নগাঁবৰ ৰুদ্ৰ ডেকা, সুবৰ্ণ কোঁচৰ দৰে সশস্ত্ৰ ৰাজনৈতিক কৰ্মী চিৰকালৰ বাবে অন্তৰ্ধান হোৱা ঘটনা ইয়াৰ নমুনা মাত্ৰ। পৰৱৰ্তী সময়ত গুপ্তহত্যাৰ নাৰকীয় ৰূপ তীব্ৰভাৱে দেখা গ'ল। অসমবাসীৰ দিল্লীবাদবিৰোধী সংগ্ৰামখনৰ অন্যতম তাত্ত্বিক কাণ্ডাৰী, সাংবাদিক পৰাগ কুমাৰ দাসৰ হত্যাকাণ্ডই সমগ্ৰ অসম জোকাৰি গ'ল। অৱশ্যে পৰাগ কুমাৰ দাসৰ হত্যা ৰাতিৰ আন্ধাৰত হোৱা নাছিল; হৈছিল মহানগৰৰ অতি ব্যস্ত ৰাজগড় অঞ্চলত। দিনৰ পোহৰত। আজিকোপতি কৰায়ত্ত নোহোৱা হত্যাকাৰীৰ দ্বাৰাই পৰাগ দাসক নৃশংসভাৱে হত্যা কৰা হৈছিল। পৰিতাপৰ বিষয় যে আজি পৰ্যন্ত ন্যায়প্ৰাপ্তিৰ পৰা বঞ্চিত হ'ল পৰাগ দাসৰ পৰিয়াল, গুণমুগ্ধ তথা অসমবাসী। ইয়াৰ পাছৰ পৰাই যেন আৰম্ভ হ'ল গুপ্তহত্যাৰ নিৰৱচ্ছিন্ন প্ৰক্ৰিয়া। ডিব্ৰুগড় জিলাৰ পৰিবহন নিগমৰ কৰ্মচাৰী ডিম্ব ৰাজকোঁৱৰ, কবি ধৰণীধৰ দাস আৰু তেওঁৰ পৰিয়ালবৰ্গ, মানৱ অধিকাৰ কৰ্মী লতিকা কছাৰী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ বয়োবৃদ্ধ কৰ্মচাৰী জ্যোতিষ শৰ্মা, আলফা সদস্য বাবুল ইংতিৰ পৰিয়াল, তীৰ্থ বড়োৰ পৰিয়াল, দৃষ্টি ৰাজখোৱাৰ পৰিয়াল, তেজপুৰৰ ৰাজীৱ মিশ্ৰ, ৰাজীৱ কোঁচৰ হত্যাকাণ্ডৰ দৰে ভয়াবহ ঘটনাই সমগ্ৰ অসমতে এক সন্ত্ৰাসৰ সৃষ্টি কৰিলে। অসম জাতীয়তাবাদী যুব-ছাত্ৰ পৰিষদৰ কৰ্মী অনন্ত কলিতাৰ বিস্ফোৰক বক্তব্যই সেই সময়ত যথেষ্ট তোলপাৰ লগাইছিল। গুপ্তহত্যাৰ অংশ হিচাপেই অতি শীতল মগজুৰে সেই সময়ত হত্যা কৰা হৈছিল ভাস্কৰ দত্ত, ঋতুৰাজ ভূঞা, কবিৰঞ্জন শইকীয়াৰ দৰে প্ৰচুৰ সম্ভাৱনাময় যুৱকক। সাময়িকভাৱে হ'লেও ৰাষ্ট্ৰ কৃতকাৰ্য হৈছিল। গুপ্তহত্যাৰ এই সন্ত্ৰাসে অসমৰ সমাজ-জীৱন এনেদৰে বিপৰ্যস্ত কৰি তুলিছিল যে মানুহৰ জীৱনৰ নিৰাপত্তা নাইকিয়া হৈছিল। গণতান্ত্ৰিক সংগ্ৰামৰ গতি স্তব্ধ হৈ পৰিছিল। প্ৰাণৰ মায়াই, জীয়াই থকাৰ দুৰ্বাৰ তাগিদাই, গণতান্ত্ৰিক সংগ্ৰামৰ নেতা, কৰ্মী, জনসাধাৰণৰ মাজত প্ৰধান প্ৰতিপাদ্য হৈ পৰিছিল। এক কথাত গুপ্তহত্যাৰ কুটিল ৰাজনীতিত ৰাষ্ট্ৰ সফল হৈছিল। গুপ্তহত্যাৰ এই সৰ্বনাশী ৰাজনীতি যে ৰাষ্ট্ৰৰ নিৰ্দেশত পৰিচালিত হৈছিল, সেয়া আজি দিনৰ পোহৰৰ দৰে স্পষ্ট হৈ পৰিছে। ৰাজ্যখনৰ দুজন সাংবিধানিক মুৰব্বীৰ মতামত এইক্ষেত্ৰত প্ৰণিধানযোগ্য। ৰাজ্যৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই নিজৰ দলৰে কাৰ্যনিৰ্বাহক সভাত, গুপ্তহত্যাত ৰাষ্ট্ৰ জড়িত হৈ থকাৰ কথা স্বীকাৰ কৰিছে। ইতিমধ্যে সংবাদপত্ৰত প্ৰকাশিত মহন্তৰ বক্তব্য এনেধৰণৰ— 'গুপ্তহত্যাক মই প্ৰশ্ৰয় দিয়া নাছিলো। কিন্তু দেশৰ অখণ্ডতাৰ বাবে কেন্দ্ৰীয় চৰকাৰে লোৱা সিদ্ধান্ত, ৰাজ্য চৰকাৰে বিৰোধিতা কৰিবও নোৱাৰে। শাসনত থাকিলে কিছু কাম কৰিবলৈ বাধ্য। গতিকে মই নিজকে কেতিয়াও গুপ্তহত্যাৰ নায়ক হিচাপে মানি নলওঁ।' (আজি, ২৯ অক্টোবৰ, ২০০৩)

তেনেদৰে, গুপ্তহত্যাৰ প্ৰসংগত নিজকে ধোৱা তুলসীৰ পাত সজাবলৈ সততে প্ৰস্তুত কংগ্ৰেছ(ই) দলৰ তথা ৰাজ্যখনৰ সাংবিধানিক মুৰব্বী মুখ্যমন্ত্ৰী তৰুণ গগৈয়েও সাংবাদিক মেলত নিজৰ বক্তব্য ৰাখিছে এনেদৰে— 'চৰকাৰৰ একাংশ বিষয়াই গুপ্তহত্যা চলোৱাৰ বাবে মোৰ পৰা অনুমোদন বিচাৰিছিল। কিন্তু একেবাৰেই সেই ঘৃণনীয়

প্ৰস্তাৱ আৰম্ভণিতে নাকচ কৰিছিলো।' (আজি, ৭ নৱেম্বৰ, ২০০৩)

শব্দ প্ৰয়োগত 'কেন্দ্ৰ'ই থাকক বা 'চৰকাৰ'য়েই থাকক, ৰাজ্যখনৰ এই দুয়োজন সাংবিধানিক মুৰব্বীৰ এই বক্তব্যৰ পৰা এটা কথা স্পষ্ট হৈ পৰিছে যে গুপ্তহত্যাৰ সমগ্ৰ প্ৰক্ৰিয়াটোত ভাৰতৰাষ্ট্ৰ ওতঃপ্ৰোতভাৱে জড়িত। সেয়ে আজিৰ তাৰিখত গুপ্তহত্যাৰ ঘৃণনীয় প্ৰক্ৰিয়াত মূল অপৰাধী হিচাপে জনমানসত ৰাষ্ট্ৰই পৰিগণিত হৈছে। তাৎপৰ্যপূৰ্ণভাৱে সমগ্ৰ ঘটনা-প্ৰতিঘটনাই আন কেতবোৰ প্ৰাসংগিক প্ৰশ্নও উত্থাপন কৰিছে। যি কেন্দ্ৰৰ নিৰ্দেশত প্ৰাক্তন মুখ্যমন্ত্ৰী মহন্তই গুপ্তহত্যাৰ দৰে 'কিছুমান কাম' কৰিবলৈ বাধ্য হৈছিল সেই কথা তেওঁ তেতিয়াই অসমবাসীক অৱগত কৰোৱা নাছিল কিয়? অসমবাসীৰ দিল্লীবাদবিৰোধী গণতান্ত্ৰিক সংগ্ৰামখনৰ এসময়ৰ অবিসম্বাদী নেতা হিচাপে পৰিগণিত প্ৰফুল্ল কুমাৰ মহন্তৰ বাবে অসমবাসী ৰাইজৰ চেতনাতকৈ ডাঙৰ কিবা হ'ব পাৰেনে? অসমবাসী ৰাইজক কেন্দ্ৰৰ এক সৰ্বনাশী অভিযানৰ কথা আগতীয়াকৈ গম পায়ো নজনোৱা ঘটনাই মহন্তক অসমবাসীৰ ওচৰত বিশ্বাসঘাতক হিচাপে প্ৰতিষ্ঠা কৰা নাইনে? যি অসমবাসী ৰাইজৰ দীৰ্ঘকালীন দিল্লীবাদবিৰোধী গণতান্ত্ৰিক সংগ্ৰামে অসমত 'আঞ্চলিকতাবাদ'ৰ বিকাশৰ গতি ত্বৰান্বিত কৰিছিল, মহন্তৰ এনে আচৰণে আঞ্চলিকতাৰ ভিত্তিমূলতে আঘাত হনা নাইনে? ইয়াৰ পিছতো অসমৰ আঞ্চলিকতাবাদী ৰাজনৈতিক ধাৰাৰ মূল পুৰোহিত হিচাপে নিজেক প্ৰক্ষেপ কৰাৰ নৈতিক অধিকাৰ মহন্তৰ আছেনে? তেনেদৰে বিগত নিৰ্বাচনত 'গুপ্তহত্যা'ক মূল ৰাজনৈতিক ইচ্ছু হিচাপে গ্ৰহণ কৰি শাসনৰ গাদী দখল কৰা কংগ্ৰেছ(ই) দল তথা ইয়াৰ মুখ্যমন্ত্ৰী তৰুণ গগৈ আজি ৰাইজৰ আদালতত মুখামুখি হ'ব লাগিব। শাসনৰ গাদীত বহাৰ আঢ়ৈটা বছৰৰ অন্ততো গুপ্তহত্যা তদন্তৰ প্ৰতিবেদন প্ৰকাশ নোহোৱাতো গুৰুত্বপূৰ্ণ। বৰঞ্চ অনন্ত কলিতাৰ হত্যাৰ প্ৰচেষ্টাৰ বাবে গঠিত সম্মানীয় চফিকুল হক সমিতি আৰু গুপ্তহত্যাৰ বাবে গঠিত সম্মানীয় মীৰা শৰ্মা তদন্ত আয়োগৰ পদত্যাগে সমগ্ৰ প্ৰক্ৰিয়াতে তৰুণ গগৈৰ চৰকাৰৰ দায়িত্বহীনতাকে সূচাইছে। আনহে নালাগে, গুপ্তহত্যাৰ দৰে ঘৃণনীয় কাৰ্যত জড়িত দোষীক ৰক্ষণাবেক্ষণ দিয়াৰ দৰে গুৰুত্বপূৰ্ণ অভিযোগত তৰুণ গগৈ অভিযুক্ত হোৱা নাইনে? কিয়নো, তেওঁৰ নিজৰ ভাষাতেই প্ৰকাশ পোৱা, 'চৰকাৰৰ একাংশ বিষয়াই গুপ্তহত্যা চলোৱাৰ বাবে অনুমোদন বিচাৰি অহাৰ কথা' তেওঁ জনা সত্ত্বেও তেওঁ সেই একাংশ চৰকাৰী বিষয়াক আজিকোপতি দোষী সাব্যস্ত নকৰিলে। তেওঁৰ ৰুচিয়ে সেই 'ঘৃণনীয় প্ৰস্তাৱ নাকচ' কৰিলেও অনুমোদন বিচাৰি অহা সেই 'একাংশ চৰকাৰী বিষয়া'ক ৰক্ষণাবেক্ষণ দিয়াৰ বাবে তেওঁৰ ৰুচিয়ে কি পৰিচয় দাঙি ধৰিলে? সেই 'একাংশ চৰকাৰী বিষয়া' বৰ্তমান কংগ্ৰেছ(ই) চৰকাৰৰেই অধঃস্তন কৰ্মচাৰী। যিহেতু আইন-শৃংখলাৰ দিশটো অসম চৰকাৰৰ এক আভ্যন্তৰীণ বিষয়। (আজি, ৭ নৱেম্বৰ, ২০০৩)

তেনে এচাম চৰকাৰী বিষয়াক পোহপাল দি থকাত গগৈৰ স্বাৰ্থ কি? এনে ঘটনা-প্ৰতিঘটনাই এটা কথা স্পষ্ট কৰি দিয়ে যে গুপ্তহত্যাৰ ঘৃণনীয় ৰাজনীতিৰ বিভিন্ন আঁক-পাকৰ পৰা প্ৰফুল্ল কুমাৰ মহন্ত, তৰুণ গগৈৰ দৰে ব্যক্তি মুক্ত নহয়? হয়তো নিজৰ

অস্তিত্বৰ স্বাৰ্থত তেৰাসবে আজি 'গোসাঁই ঘৰত কোন, মই কল খোৱা নাই' নীতি অৱলম্বন কৰিছে। পৰস্পৰে গালৈ বোকা ছটিওৱাৰ ৰাজনীতি আৰম্ভ কৰিছে। কিন্তু অসমৰ আপামৰ ৰাইজে সঠিকভাৱেই পোহৰাই তুলিছে গুপ্তহত্যাৰ অন্ধগলি।

পূৰ্বপ্ৰকাশ ঃ নতুন সময়, ২৫ নৱেম্বৰ/২০০৩

৫ গুপ্তহত্যাৰ ৰাজনীতি
খাই কাৰ্শলা ডালত উঠিল, কাঠি চেলেকাৰ মৰণ মিলিল

প্ৰফুল্ল মহন্ত নেতৃত্বাধীন অগপ মৰ্চা চৰকাৰৰ শাসনকালত সংঘটিত হোৱা নৃশংস গুপ্তহত্যাৰ প্ৰসংগই পুনৰাই বাতৰি কাকতৰ শিৰোনাম দখল কৰিছে। মূলতঃ বিদ্ৰোহী সংগঠন সংযুক্ত মুক্তি বাহিনীৰ পৰিয়ালবৰ্গৰ ওপৰত চলোৱা এই নৃশংস হত্যালীলাৰ ঘটনাবলীয়ে অসমৰ শুভবুদ্ধিসম্পন্ন মানুহক ভৱাই তুলিছিল। অসমৰ ৰাইজৰ মাজত গা কৰি উঠা ক্ষোভৰ ফলতেই প্ৰফুল্ল মহন্তৰ অগপ দল নিৰ্বাচনত হাৰিল আৰু অদ্যাপি কঁকাল পোনাব পৰা নাই। এইলানি হত্যাকাণ্ডৰ আইনী তদন্তৰ প্ৰতিশ্ৰুতি প্ৰদান কৰি কংগ্ৰেছ(ই) শাসনলৈ আহিল। ন্যায়াধীশ মীৰা শৰ্মা, ন্যায়াধীশ জে এন শৰ্মা আয়োগ আদি গঠন হ'ল যদিও ঈপ্সিত লক্ষ্যত উপনীত হ'ব নোৱৰা বাবেই ন্যায়াধীশ খগেন্দ্ৰ নাথ শইকীয়াৰ অধীনত আয়োগ গঠন কৰি দিয়া হ'ল। এই আয়োগে দাখিল কৰা প্ৰতিবেদন বিধানসভাৰ শীতকালীন অধিবেশনত দাখিল কৰাৰ পাছতেই অসমৰ ৰাজনৈতিক ক্ষেত্ৰত এক ধুমুহাৰ সৃষ্টি হ'ল। কিয়নো, আয়োগে গুপ্তহত্যালানিৰ বাবেই সেই সময়ৰ মুখ্যমন্ত্ৰী তথা গৃহমন্ত্ৰী প্ৰফুল্ল মহন্তক দায়ী কৰিছে আৰু লগে লগে একাংশ আৰক্ষী বিষয়া, ছালফা আদিকো অভিযুক্ত কৰিছে। এইসকল অভিযুক্তই কেনেধৰণৰ আইনী শাস্তিৰ সন্মুখীন হ'ব, সেয়া সময়তহে গম পোৱা যাব যদিও অদ্যাপি ৰাইজৰ চকুত সেইসকল সামাজিক অপৰাধী হিচাপেই পৰিগণিত হৈছে।

এই কথা নিশ্চয়কৈ গমি-পিতি সচেতন মহলে চাইছে যে প্ৰফুল্ল মহন্ত নামৰ মানুহজনে বিখ্যাত অসম আন্দোলনৰ মাজেৰেই নেতা হিচাপে প্ৰতিষ্ঠা লাভ কৰিছিল।

বহিৰাগত নাগৰিকৰ অবাধ প্ৰব্ৰজনে অসমৰ সমাজ-জীৱনলৈ যি প্ৰত্যাহ্বান কঢ়িয়াই আনিছিল, তাৰ বাবেই অসম আন্দোলনৰ জন্ম হৈছিল। অসমবাসীয়ে তুলি ধৰিছিল বহিৰাগত নাগৰিকৰ প্ৰশ্নটো, পিছে প্ৰফুল্ল মহন্তৰ লেখীয়া নেতাসকলেই প্ৰথমে বিদেশী বিতাড়ন, তাৰ পিছত বাংলাদেশী বিতাড়ন আৰু স্থূলভাৱে মিঞা খেদা আন্দোলন কৰি সমগ্ৰ বিষয়বস্তুকে ধূসৰ কৰি পেলালে। তাৰ লগে লগে সৃষ্টি হোৱা বাংলাদেশী ভীতিৰ মনঃস্তত্ত্বৰ পৰা অসমৰ সমাজ-জীৱন আজিও মুক্ত হোৱা নাই। দুৰ্ভাগ্যজনকভাৱে আন্দোলনকালীন নেতৃবৃন্দৰ হঠকাৰী ভূমিকাৰ বাবেই অসমত সাম্প্ৰদায়িক সংঘৰ্ষৰ সৃষ্টি হ'ল। নেলী-মুকালমুৱা, চামগুৰি-গহপুৰ তাৰেই নমুনা। নেলীৰ নৃশংস ঘটনাৰ বাবে গঠন কৰি দিয়া তেৱাৰী আয়োগৰ প্ৰতিবেদন অদ্যাপি ৰাজহুৱা হোৱা নাই। হয়তো এই প্ৰতিবেদন ৰাজহুৱা হ'লে, প্ৰফুল্ল মহন্তৰ দৰে নেতাৰ আন এক ৰূপ প্ৰকাশ পাব।

অসম আন্দোলনৰ শেষৰ ফালে কেইবা ঠাইত বিতৰ্কিত দফা সন্নিবিষ্ট কৰি স্বাক্ষৰ কৰা অসম চুক্তিকে আধাৰ হিচাপে লৈ প্ৰফুল্ল মহন্তই অগপ গঠন কৰিলে আৰু শাসনৰ বাঘজৰী হস্তগত কৰিলে। সেই সময়ছোৱাতে সংঘটিত হ'ল প্ৰায় চাৰিশ কোটি টকাৰ এল অ' চি কেলেংকাৰী। স্বজন-তোষণ আৰু বিশেষকৈ এই কেলেংকাৰীয়ে সেই সময়ত অসম কঁপাই গৈছিল।

অসমৰ ৰাজনীতিত প্ৰফুল্ল মহন্তৰ এই চাৰিশ কোটিটকীয়া এল অ' চি কেলেংকাৰী আৰু গুপ্তহত্যাৰ ৰাজনীতিৰ এক আভ্যন্তৰীণ সম্পৰ্ক আছে। এল অ' চি কেলেংকাৰীত অভিযুক্ত, সেই সময়ৰ মুখ্যমন্ত্ৰী প্ৰফুল্ল মহন্তক সৰ্বোচ্চ তদন্তকাৰী সংস্থা চি বি আয়ে জেৰা কৰিব বিচাৰিছিল। কিন্তু তদানীন্তন ৰাজ্যপাল এছ কে সিন্‌হাই বিষয়টোত হস্তক্ষেপ কৰি তদন্ত প্ৰক্ৰিয়া ব্যাহত কৰিছিল। যাৰ বাবে হয়তো অসমত বিদ্ৰোহীবিৰোধী অভিযানৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ এজেণ্টসকলে প্ৰস্তুত কৰা 'ইউনিফাইড কামাণ্ড ষ্ট্ৰাক্‌চাৰ'ৰ আঁচনিত, মুখ্যমন্ত্ৰী হিচাপে সন্মতি প্ৰদানৰ বাবে প্ৰফুল্ল মহন্ত বাধ্য হৈ পৰিল। অসমত পূৰ্ণাংগ পৰ্যায়ত ইউনিফাইড কামাণ্ড ষ্ট্ৰাক্‌চাৰ'ৰ অভিযান চলি থকা অৱস্থাতে গুপ্তহত্যাৰ প্ৰক্ৰিয়া সূচনা হ'ল। আজি শইকীয়া আয়োগে, ইউনিফাইড কামাণ্ড ষ্ট্ৰাক্‌চাৰ পৰ্যায়ক্ৰমে প্ৰত্যাহাৰ কৰাৰ পৰামৰ্শ দিয়া, গৃহমন্ত্ৰী-আৰক্ষী প্ৰশাসনক অভিযুক্ত কৰা আৰু গুপ্তহত্যাৰ কাৰ্যত ব্যৱহৃত অস্ত্ৰ-শস্ত্ৰসমূহ সেনা-আৰক্ষীৰ হাততহে মজুত থাকে জাতীয় মন্তব্য কৰাৰ পৰা এই কথা অনুমান কৰিব নোৱাৰি জানো যে গুপ্তহত্যা ইউনিফাইড কামাণ্ড ষ্ট্ৰাক্‌চাৰৰ অন্তৰ্ভুক্ত এক ৰণকৌশল আছিল? যি ৰণকৌশলৰ যোগেদি বিদ্ৰোহীসকলৰ ওপৰত তীব্ৰ মানসিক আঘাত প্ৰদান কৰিব পৰা যায়।

গুপ্তহত্যাৰ সমগ্ৰ প্ৰক্ৰিয়া তথা শইকীয়া আয়োগৰ প্ৰতিবেদনত যি বিষয় অনুল্লিখিত হৈ ৰ'ল, সেয়া হ'ল এই সমগ্ৰ প্ৰক্ৰিয়াত কেন্দ্ৰীয় চৰকাৰ তথা সেই সময়ৰ কেন্দ্ৰীয় গৃহমন্ত্ৰী লালকৃষ্ণ আদবানিৰ ভূমিকাৰ প্ৰশ্নটো। বিদ্ৰোহীবিৰোধী অভিযানৰ লেখীয়া এক গুৰুত্বপূৰ্ণ বিষয়ত ৰাজ্য চৰকাৰ একোখনে কেন্দ্ৰীয় চৰকাৰক কোনোপধ্যে উপেক্ষা কৰিব নোৱাৰে। বিদ্ৰোহী বন্দীমুক্তি, যুদ্ধবিৰতি আলোচনা আদি যি বিষয়েই নহওক

কিয় তাত কেন্দ্ৰীয় চৰকাৰৰ ভূমিকা অপৰিসীম। তেনেক্ষেত্ৰত অসম জোকাৰি যোৱা গুপ্তহত্যাৰ লেখীয়া বিষয়সমূহ কেন্দ্ৰীয় চৰকাৰ বা গৃহমন্ত্ৰণালয়ে নাজানিছিলনে? যদি নাজানিছিল, তেতিয়াহ'লে ভাব হয় যে কেন্দ্ৰীয় চৰকাৰে কৰ্তৃত্ব স্থাপন কৰিব পৰা নাছিল আৰু যদি জানিছিল, তেতিয়াহ'লে ভাব হয় যে কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন সাপেক্ষেহে এনেবোৰ ঘটনা সংঘটিত হৈছিল। অসম আন্দোলনৰ সময়ৰে পৰা লালকৃষ্ণ আদবানিৰ লেখীয়া বিজেপি নেতাৰ লগত প্ৰফুল্ল মহন্তৰ সম্পৰ্ক আৰু পৰৱৰ্তী পৰ্যায়ত অগপ-বিজেপিৰ ৰাজনৈতিক বুজাবুজিয়ে এই কথা স্পষ্ট কৰি দিয়ে যে কেন্দ্ৰীয় গৃহমন্ত্ৰী আদবানি আৰু অসমৰ গৃহমন্ত্ৰী প্ৰফুল্ল মহন্ত উভয়ে হয়তো পৰোক্ষ আৰু প্ৰত্যক্ষভাৱে গুপ্তহত্যাৰ লগত জড়িত। কিন্তু ৰাজনৈতিক বিচক্ষণতা আৰু প্ৰভাৱৰ বাবেই চাগে' সকলো বিষয় এতিয়াও পোহৰলৈ অহা নাই।

গুপ্তহত্যাৰ সমগ্ৰ প্ৰক্ৰিয়া সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰিলে অসমৰ সমাজ-জীৱনক আলোড়িত কৰা কেইবাটাও দিশ উন্মোচিত হ'ব। অসমবাসীয়ে দীৰ্ঘদিন ধৰি কেন্দ্ৰীয় চৰকাৰৰ শোষণ, নিস্পেষণ আৰু বঞ্চনাৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি আহিছে। ইয়াৰে সংসদীয় ৰাজনৈতিক ধাৰাক প্ৰতিনিধিত্ব কৰি আগবাঢ়ি আহিছিল অসম গণ পৰিষদ। ১৯৮৫ চনত গোলাঘাটত অনুষ্ঠিত জাতীয় অভিবৰ্তনযোগে কেইবাটাও জাতীয়তাবাদী দলে নিজস্ব সত্তা লুপ্ত কৰি অসম গণ পৰিষদ গঠন কৰিছিল। অসমবাসীয়ে প্ৰচলিত সংসদীয় ব্যৱস্থাৰ মাজেদি অধিকাৰ সাব্যস্ত কৰিবৰ বাবে অগপৰ যোগেদি আগবাঢ়িছিল। প্ৰথম অৱস্থাত সকলো স্তৰৰ ৰাইজৰ দ্বিধা আৰু সংশয় থাকিলেও দ্বিতীয় পৰ্যায়ত অসমৰ সৰ্বস্তৰৰ জনসাধাৰণে সমৰ্থন ব্যক্ত কৰিছিল। যাৰ বাবে অগপ দলে সংখ্যালঘু জনসাধাৰণ আৰু বাওঁশক্তিৰ সমৰ্থনেৰে, ১৯৯৬ চনত, আত্মনিয়ন্ত্ৰণৰ অধিকাৰ সাব্যস্তকৰণ, ক'লা আইন প্ৰত্যাহাৰৰ লেখীয়া মানৱ অধিকাৰ বিষয় আৰু হিতেশ্বৰ শইকীয়া নেতৃত্বাধীন কংগ্ৰেছ(ই) চৰকাৰে হৰণ কৰা বাক্ স্বাধীনতা আৰু গণতান্ত্ৰিক অধিকাৰ প্ৰতিষ্ঠাৰ বাবেই জনাদেশ লাভ কৰিছিল। স্বাভাৱিকতে, প্ৰচলিত সংসদীয় ব্যৱস্থাৰ বাবে এনে জনাদেশ প্ৰত্যাহ্বানমূলক হৈ পৰিছিল। কাজেই, এই ধাৰাক নস্যাৎ কৰি দিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰ সুকৌশলী হৈ উঠিছিল আৰু সমগ্ৰ ধাৰাকে ভিতৰৰ পৰা দুৰ্বল কৰি দিবৰ বাবেই প্ৰফুল্ল মহন্তৰ লেখীয়া নেতাক কৌশলেৰে জব্দ কৰিছিল। নিজৰ আৰ্থিক নিৰাপত্তাৰ বাবেই মহন্ত কেন্দ্ৰীয় চৰকাৰৰ জালত পৰিছিল আৰু যি ভাবাবেগৰ বাবে নিজে নেতৃত্ব লাভ কৰিছিল, তাক ছুৰীকাঘাত কৰিছিল।

আনহাতে অসমবাসীৰ আকাংক্ষাক প্ৰতিনিধিত্ব কৰা আনটো বিদ্ৰোহী ধাৰাক, ৰাজনৈতিকভাৱে মোকাবিলা কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰ প্ৰস্তুত নাছিল। ৰাজনৈতিকভাৱে এই ধাৰাক মোকাবিলা কৰাতকৈ সামৰিক পদ্ধতিৰে মোকাবিলা কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰ তৎপৰ হৈ উঠিছিল। বিদ্ৰোহীবিৰোধী অভিযানত ব্যৱহাৰ কৰা আন আন ৰণকৌশলসমূহৰ লেখীয়াকৈ গুপ্তহত্যাকো এক ৰণকৌশল হিচাপে ব্যৱহাৰ কৰিছিল। কিন্তু এই ৰণকৌশলে বিশেষ কাম নিদিয়াত আজি গণতান্ত্ৰিকতাৰ স্বাৰ্থতে, কিছু পৰ্দা ফাচ্ কৰি দিয়া হৈছে। ফলত 'খাই কাৰ্শলা ডালত উঠিল কাঠি

চেলেকাৰ মৰণ মিলিল'ৰ লেখীয়া পৰিস্থিতিৰ উদ্ভৱ হৈছে। সেয়ে শইকীয়া আয়োগে অভিযোগৰ তৰ্জনী প্ৰফুল্ল মহন্তলৈ নিক্ষেপ কৰাৰ লগতে ইউনিফাইড কামাণ্ড ষ্ট্ৰাক্‌চাৰৰ পৰ্যায়ক্ৰমে অৱসান ঘটাই, বিদ্ৰোহীৰ লগত ৰাজনৈতিক আলাপৰ পথ মুকলি কৰিবৰ বাবে পৰামৰ্শ আগবঢ়াইছে।

পূৰ্বপ্ৰকাশ : জ্ঞান সম্ভাৰ

৬ প্ৰব্ৰজন আৰু মুছলমান সমাজ

মানব-সভ্যতাৰ ইতিহাসে এই কথা স্পষ্ট ৰূপত প্ৰকাশ কৰিছে যে মানুহ মূলতঃ প্ৰব্ৰজনকাৰী। খাদ্য-বাসস্থানৰ সন্ধানত, যুগে যুগে, মানুহে দেশৰ পৰা দেশান্তৰিত হোৱাৰ চানেকী দেখা যায়। কেতিয়াবা, কোনো দেশৰ ৰাজনৈতিক অস্থিৰতা, গৃহযুদ্ধ, গোষ্ঠী সংঘাত, অৰ্থনৈতিক অচলাবস্থা, বান, গৰাখহনীয়া, মাৰিমৰক, দুৰ্ভিক্ষ আদিৰ বাবেও মানুহৰ প্ৰব্ৰজন ঘটে। প্ৰব্ৰজনৰ বিভিন্ন চৰিত্ৰৰ ওপৰত আলোকপাত কৰি, বৰ্তমানৰ সমাজ বিজ্ঞানীসকলে ইয়াক আন্তঃদেশীয় আৰু বহিৰ্দেশীয়, এই দুই ধাৰাত ভাগ কৰিছে। শেহতীয়াভাৱে জীৱন-জীৱিকাৰ সন্ধানত, গাঁও অঞ্চলৰ পৰা নগৰ অঞ্চললৈ হোৱা প্ৰব্ৰজনৰ ওপৰতো সমাজ বিজ্ঞানীসকলে দৃষ্টি নিক্ষেপ কৰিছে।

অসমৰ ইতিহাস মূলতঃ প্ৰব্ৰজনৰ ইতিহাস বুলি ক'লেও হয়তো অত্যুক্তি কৰা নহ'ব। বিষ্ণুপ্ৰসাদ ৰাভাৰ মতে, কাৰ্বি বা মিকিৰসকলেই অসমৰ আদিতম বাসিন্দা। কোনো কোনো সমাজ বিজ্ঞানীয়ে আকৌ খাছি জয়ন্তীয়াসকলক অসমৰ আদি বাসিন্দা বুলি ক'ব খোজে। ইতিহাসৰ বিভিন্ন সময়ত, ভোটবৰ্মী, মঙ্গোলয়ড গোষ্ঠীৰ লোকসকল অসমলৈ প্ৰব্ৰজন কৰাৰ নমুনা দেখা যায়। ইতিহাসে ঢুকি পোৱা সময়ছোৱাত, মৰাণ, মটক, চুতীয়া, কছাৰী, কোঁচ, কলিতা, ব্ৰাহ্মণ, কায়স্থ আদি বিভিন্ন জনগোষ্ঠীৰ লোক অসমলৈ আহিছিল। আহোমসকলৰ অসম যাত্ৰা ইতিহাসৰ অন্যতম প্ৰব্ৰজনৰ চানেকী। স্বৰ্গদেউ চ্যুকাফাই নজন ডা-ডাঙৰীয়াসহ, ১২২৮ খৃষ্টাব্দত সুদূৰ মুঙ্‌মিমুঙ্‌ৰামৰ পৰা আহি অসম দেশ দখল কৰিছিল। সময়ত, 'সাতৰাজ মাৰি একৰাজ' কৰা আহোমসকলে

'দমন আৰু মিত্ৰতা'ৰ নীতিৰে ছশ বছৰ কাল শাসন কৰি বৰ অসমৰ ভেটি স্থাপন কৰিছিল। অসমীয়া ভাষা, সমাজ, সংস্কৃতিৰ ইতিহাসৰ কোঁহে-কোঁহে এই বিভিন্ন সময়ত প্ৰব্ৰজন কৰি অহা জনগোষ্ঠীসমূহৰ অবদান পৰিলক্ষিত হয়। সাম্ৰাজ্যবাদী বৃটিছৰ ছত্ৰছায়াত অসমলৈ, তেতিয়াৰ অবিভক্ত ভাৰতবৰ্ষৰ পৰা বিভিন্ন জনসম্প্ৰদায়ৰ আগমন ঘটে। বৃটিছ বনিয়াৰ সহযোগী বেপাৰী হিচাপে মাৰোৱাৰী সম্প্ৰদায়, অফিচ-আদালত, বিদ্যালয়ৰ চাকৰি কৰিবলৈ বঙালী সম্প্ৰদায়, চাহ বাগিচাত শ্ৰমিক হিচাপে চাহ জনগোষ্ঠী, কৃষি শ্ৰমিক হিচাপে মুছলমান সম্প্ৰদায়, পশুপালক হিচাপে নেপালী/গোৰ্খা সম্প্ৰদায় আৰু বিভিন্ন উদ্যোগ-প্ৰতিষ্ঠানৰ শ্ৰমিক হিচাপে বিহাৰী সম্প্ৰদায়ৰ লোকসকলৰ অসমলৈ আগমন ঘটে। স্বাধীনতাৰ পৰবৰ্তী সময়ছোৱাত, তেতিয়াৰ পূৰ্ব-পাকিস্তানৰ ৰাজনৈতিক অস্থিৰতা, সাম্প্ৰদায়িক সংঘৰ্ষৰ ফলত ব্যাপক সংখ্যক হিন্দুধৰ্মী বঙালী সম্প্ৰদায়ৰ অসমলৈ প্ৰব্ৰজন ঘটে। তেনেদৰে, জীৱন-জীৱিকাৰ স্বাৰ্থত বাংলাদেশ, নেপাল আদি চুবুৰীয়া দেশৰ পৰাও ব্যাপক সংখ্যক লোক অসমলৈ প্ৰব্ৰজন কৰে।

এনেদৰে বিভিন্ন সময়ত ব্যাপক হাৰত হোৱা জনপ্ৰব্ৰজনে, অসমৰ জনগাঁথনিৰ চৰিত্ৰ পৰিবৰ্তন কৰিছে। যিয়ে একাংশ খিলঞ্জীয়া লোকৰ মনত সন্দেহ আৰু সংশয়ৰ প্ৰচ্ছায়া নমাই আনিছে। অৱশ্যে, ইয়াৰ কেতবোৰ দৃষ্টান্তও নথকা নহয়। ব্যাপক প্ৰব্ৰজনে একোখন ঠাই বা দেশৰ ৰাজনৈতিক, অৰ্থনৈতিক চৰিত্ৰ সলনি কৰিব পাৰে। ইজৰাইল, ফিজি বা আমাৰ চুবুৰীয়া ত্ৰিপুৰাৰ দৰে ৰাজ্য ইয়াৰ অন্যতম নমুনা। ইজৰাইলত ব্যাপক সংখ্যক ইহুদী লোকৰ আগমনে, খিলঞ্জীয়া বাসিন্দাসকলৰ ৰাজনৈতিক অধিকাৰ হৰণ কৰিছে। যাচেৰ আৰাফটৰ পেলেষ্টাইন মুক্তি সংগঠনৰ উত্থান আৰু পেলেষ্টাইন আন্দোলন ইয়াৰে ফলশ্ৰুতি। তেনেদৰে, ফিজিত ভাৰতীয় লোকৰ প্ৰব্ৰজনে সৃষ্টি কৰা ভাবুকি, ভাৰতীয় বংশোদ্ভৱ মহেন্দ্ৰ চৌধুৰী, দেশখনৰ প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ বাবেই ফিজিৰ খিলঞ্জীয়া লোকসকলে বিদ্ৰোহ ঘোষণা কৰিছে। আমাৰ চুবুৰীয়া ত্ৰিপুৰা এসময়ত স্বাধীন ৰাষ্ট্ৰ আছিল। ভাৰত চৰকাৰৰ লগত কৰা চামিলকৰণ চুক্তিৰ দ্বাৰা ত্ৰিপুৰা ভাৰতৰ অংগৰাজ্য হিচাপে পৰিগণিত হয়। কিন্তু দেশ বিভাজনৰ সময়ছোৱাত, তেতিয়াৰ পূৰ্ব-পাকিস্তানৰ পৰা হোৱা ব্যাপক প্ৰব্ৰজনৰ ফলত, ত্ৰিপুৰাৰ খিলঞ্জীয়া ত্ৰিপুৰী বা কক্‌বৰকসকলে গৃহভূমিতে নিজৰ ৰাজনৈতিক, অৰ্থনৈতিক অধিকাৰ হেৰুৱাব লগাত পৰিল। এনে নমুনাসমূহে, অসমৰো একাংশ খিলঞ্জীয়া লোকৰ মনত সংশয় সৃষ্টি কৰিছে। ১৯৭৯-৮৫ চনৰ অসম আন্দোলন, এনে সন্দেহৰে ফল। বৰ্তমান একাংশ ৰাজনৈতিক নেতা, বুদ্ধিজীৱিৰ চিন্তাচৰ্চাত এই সন্দেহে পুনৰ মূৰ দাঙি উঠিছে। শেহতীয়া আই এম ডি টি সংক্ৰান্তীয় বিতৰ্ক এনে চিন্তাৰে ফলাফল। তাৎপৰ্যপূৰ্ণভাৱে অসম আন্দোলন, বহিৰাগত বিতাড়ন আন্দোলনৰ পৰা অধঃপতিত হৈ বিদেশী বিতাড়ন, বাংলাদেশী বিতাড়ন আৰু অতি নিৰ্লজ্জভাৱে 'মিঞা খেদা আন্দোলন' হোৱাৰ লেখীয়াকৈ শেহতীয়া প্ৰব্ৰজন বিষয়ক চিন্তা-চৰ্চা মূলতঃ মুছলমান জনসম্প্ৰদায়ৰ প্ৰতি কেন্দ্ৰীভূত হৈছে। এনে প্ৰেক্ষাপটত আমি প্ৰব্ৰজনৰ আলোকত মুছলমান সম্প্ৰদায়ৰ এটি বিশ্লেষণ কৰিবলৈ চেষ্টা কৰিছোঁ।

অসমলৈ আগমন কৰা মুছলমানসকলৰ প্ৰব্ৰজনৰ এক দীৰ্ঘ ইতিহাস আছে। এই ইতিহাসৰ ধাৰা বৃটিছপূৰ্ব আৰু বৃটিছ শাসনকালীন— এই দুই ভাগত বিভক্ত। বৃটিছপূৰ্ব কালছোৱাত, আহোমসকলৰ শাসনকালত, দিল্লীৰ মুছলমান শাসকসকলে সোতৰবাৰ অসম আক্ৰমণ কৰিছিল। এই আক্ৰমণৰ সময়ত ভালেমান মুছলমান সেনা আহোমসকলৰ হাতত বন্দী হৈছিল। এইলোকক আহোমসকলে অসমৰ বিভিন্ন ঠাইত থাপিছিল। তেনেদৰে, বহু মুছলমান সেনাই স্ব-ইচ্ছাই অসমত বসবাস কৰিবলৈ লৈছিল। সেইদৰে বিভিন্ন কাৰিকৰী কামৰ বাবে আহোমসকলে চুবুৰীয়া গৌড় বা বংগদেশৰ পৰাও বহু মুছলমান লোকক অসমলৈ মগাই আনিছিল। আজান পীৰৰ প্ৰভাৱত, অসমৰ একাংশ লোক ইছলাম ধৰ্মত দীক্ষিত হৈছিল। এই লোকসকলক অসমত গৰিয়া, মৰিয়া আদি মুছলমান হিচাপে জনা যায়। অৱশ্যে, এওঁলোকে নিজকে অসমীয়া মুছলমান হিচাপেহে পৰিচয় দিয়ে। এইসকল মুছলমান সম্প্ৰদায়ৰ ভাষা, সংস্কৃতি, আচাৰ, ব্যৱহাৰ, নীতি-নিয়ম আদি যোল্ল অনাই অসমীয়া সংস্কৃতিৰ দ্বাৰা গভীৰভাৱে প্ৰভাৱান্বিত।

বৃটিছসকল অসমলৈ অহাৰ পিছত অসমলৈ ব্যাপক হাৰত মুছলমান সম্প্ৰদায়ৰ প্ৰব্ৰজন ঘটে। মানৰ আক্ৰমণত অসমৰ ভাগি পৰা অৰ্থনীতি তথা অসমীয়াসকলৰ 'আকালো নাই ভঁড়ালো নাই' জাতীয় অৰ্থনৈতিক ধ্যান-ধাৰণাৰ বাবে অসমৰ ব্যাপক অংশ ভূমি কৃষি কাৰ্যৰ বাবে অব্যৱহৃত হৈ আছিল। বৃটিছে আৰম্ভ কৰা নতুন ৰাজহ ব্যৱস্থাৰ বাবে, এনেদৰে কৃষি কাৰ্যত ব্যৱহাৰ নোহোৱা মাটিৰ পৰা খাজানা লাভ কৰা নহৈছিল। সেয়ে, বৃটিছে অসমৰ এইসমূহ অব্যৱহৃত কৃষিভূমিত, খেতি-বাতি কৰি অধিক শস্য উৎপাদনৰ বাবে নীতি গ্ৰহণ কৰিছিল। এই নীতিৰ আধাৰত, চুবুৰীয়া বংগদেশৰ ঢাকা, মৈমনসিং জিলা, ছিলেট আদিৰ পৰা ব্যাপক সংখ্যক মুছলমান খেতিয়কক অসমলৈ অনাৰ আঁচনি গ্ৰহণ কৰিছিল।

বংগদেশৰ জমিদাৰী ৰাজহ-ব্যৱস্থাৰ ফলত ব্যাপক সংখ্যক কৃষক ভূমিহীন পৰ্যায়ত আছিল। ইয়াৰে গৰিষ্ঠ সংখ্যকেই মুছলমান সম্প্ৰদায়ৰ। বৃটিছৰ নীতি অনুযায়ী ১৯ শতিকাৰ শেষাৰ্ধ আৰু কুৰি শতিকাৰ প্ৰথম অৰ্ধ-শতাব্দীত ব্যাপক সংখ্যক মুছলমান কৃষক অসমলৈ আহে। সাধাৰণতে এওঁলোকক, হাবিতলীয়া, নৈ কাষৰীয়া, চৰ-চাপৰি অঞ্চলত সংস্থাপন দিয়া হৈছিল। তাৎপৰ্যপূৰ্ণভাৱে, লাইন প্ৰথা প্ৰয়োগেৰে এইসকল লোকক, খিলঞ্জীয়া লোকসকলৰ পৰা পৃথক কৰি ৰখা হৈছিল। ইতিমধ্যে জমিদাৰী শাসন-ব্যৱস্থাৰ লগত অভ্যস্ত মুছলমান কৃষকসকলে অসমলৈ আহি আন এক মাতব্বৰ, দেৱানী আদি বৃহৎ মাটিৰ মালিকসকলৰ অন্তৰ্ভুক্ত হৈ পৰিছিল। মুছলমান অধ্যুষিত বিভিন্ন অঞ্চল এনে একো একোজন দেৱানী, মাতব্বৰৰ নামেৰে পৰিচিত হোৱাটো ইয়াৰ এক উদাহৰণ। একো একোটা বৃহৎ এলেকাৰ মাটি দখল কৰি, মুছলমান কৃষকসকলক সংস্থাপিত কৰা এনে দেৱান-মাতব্বৰসকলেই পৰৱৰ্তী সময়ত, সম্প্ৰদায়টোৰ শিক্ষা, সংস্কৃতি, ৰাজনীতি আদি দিশসমূহ পৰিচালনা কৰি অহাৰ নমুনা দেখা যায়।

অসমৰ তদানীন্তন প্ৰধানমন্ত্ৰী ছাৰ ছৈয়দ চাদুল্লাই, এনেদৰে মুছলমান সম্প্ৰদায়ৰ

প্ৰব্ৰজনক অগ্ৰাধিকাৰ দিছিল। চাদুল্লাই ইতিমধ্যে লাইন প্ৰথা ৰদ কৰি, মুছলমানসকলক স্থানীয় ৰাইজৰ লগত লীন হোৱাৰ পৰিৱেশ ৰচনা কৰিছিল। তেনেদৰে, সেই সময়ত মুছলমান সম্প্ৰদায়ৰ আন এজন অবিসম্বাদী নেতা মৌলানা আব্দুল ভাছানী চাহাবেও মুছলমান সম্প্ৰদায়ক বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিবলৈ উৎসাহ যোগাইছিল। তেখেতে কুৰ্‌আন হাদীছৰ ছুড়াৰ উল্লেখ কৰি, মুছলমান সম্প্ৰদায়ক অসমৰ ভাষা-সংস্কৃতি গ্ৰহণ কৰিবলৈ পৰামৰ্শ আগবঢ়াইছিল। এগৰাকী আগশাৰীৰ মুছলমান বুদ্ধিজীৱি আইনজ্ঞ আবু চামাই মুছলমানসকলৰ, অসমীয়া ভাষা-সংস্কৃতিৰ প্ৰতি প্ৰদৰ্শন কৰা শ্ৰদ্ধাৰ এটি উদাহৰণ দাঙি ধৰিছে। তেখেতে লিখিছে, '...পূৰ্ব বংগৰ পৰা অহা কৃষকসকলে ইতিমধ্যে অসমীয়া ভাষা-সংস্কৃতিৰ প্ৰতি আকৰ্ষিত হৈছে। এই সম্পৰ্কে প্ৰথমে নগাঁও জিলাৰ আলি টাঙনিৰ ওচমান আলি সদাগৰৰ নাম শ্ৰদ্ধাৰে ল'ব লাগিব। তেওঁ ১৯১৭ চনত প্ৰতিষ্ঠা হোৱা 'অসম সাহিত্য সভা'ৰ সেই চনতে সভ্য ভৰ্তি হৈছিল আৰু জীৱনৰ অন্তিম কাললৈকে অসমীয়া ভাষাৰ হকে কাম কৰি গ'ল। পূৰ্ব বংগৰ পৰা অসমলৈ অহা, নগৰ-চহৰত বসবাস কৰা বুদ্ধিজীৱিসকলে, অসম উপত্যকাত প্ৰতিষ্ঠা কৰা অসমীয়া মাধ্যমৰ হাইস্কুলবিলাকত অসমীয়া মাধ্যমৰ সলনি বঙলা মাধ্যম কৰাৰ এক আন্দোলন কৰে ১৯৩৫ চনত। আলিটাঙনি অসমীয়া হাইস্কুলৰ মেনেজিং কমিটিৰ সভাপতি সদাগৰ ওচমান আলিয়ে বঙলা মাধ্যম প্ৰবৰ্তন কৰাৰ বিৰোধিতা কৰি অসমীয়া মাধ্যমকে ৰখাৰ মতত অটল হৈ ৰ'ল। থলুৱা মুছলমান বসতি কৰা অঞ্চলত, অসমৰ ভিতৰতে, প্ৰথমেই উক্ত হাইস্কুল প্ৰতিষ্ঠা হৈছিল। লক্ষীমপুৰ, বৰপেটা, মঙ্গলদৈ আদিৰ দুখীয়া পমুৱা মুছলমানৰ বহু ছাত্ৰই ওচমানীয়া হাইস্কুলত অধ্যয়ন কৰি আছিল।' (স্বৰ্ণপীঠৰ ৰেঙণি, পৃঃ ২৫)

পৰৱৰ্তী সময়ত ডবকা হাইস্কুল, হোজাইৰ আব্দুল হাছিব হাইস্কুলকে ধৰি অসমৰ বিভিন্ন প্ৰান্তত মুছলমান সম্প্ৰদায় বাস কৰা অঞ্চলৰ অসমীয়া মাধ্যমৰ বিদ্যালয় প্ৰতিষ্ঠা হোৱাৰ আঁৰত এনে চিন্তা-চৰ্চাই প্ৰভাৱ পেলাইছিল বুলি ভাবিবৰ থল আছে। তেনেদৰে, ১৯৩৫ চনৰ ২০ নৱেম্বৰ তাৰিখে তেজপুৰৰ বঙালী হিন্দুসকলে এক বিৰাট জনসভাৰ আয়োজন কৰি ৫ ৫ লাখ বঙালী মগজু, ৬ লাখ চাহ শ্ৰমিকৰ শ্ৰম, ৫ লাখ ভাটিয়াৰ (মুছলমান) কৃষি প্ৰবৃত্তি, ৩ হেজাৰ শিখৰ বস্তুবাদী সাহস, ১,৪০,০০০ হাজাৰ নেপালী আৰু আন আন অনা-অসমীয়া বসবাসকাৰীসকলক একগোট হৈ বঙালী ভাষা গ্ৰহণৰে অসম শাসন কৰাৰ বাবে আহ্বান জনাইছিল। কিন্তু বঙালী হিন্দুসকলৰ বাহিৰে আন সকলো সম্প্ৰদায়ে অসমীয়া ভাষা গ্ৰহণ কৰি সেই আহ্বান প্ৰত্যাখান কৰিছিল বুলি গৱেষক ড° জ্যোতি চক্ৰৱৰ্তীয়ে আলোচনা আগবঢ়াইছে। এনে প্ৰেক্ষাপটতে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই, এই জনসম্প্ৰদায়ক ন-অসমীয়া মৈমনছিঙীয়া বুলি অভিহিত কৰিছিল। পৰৱৰ্তী সময়ত কোনোৱে ইয়াক পমুৱা মুছলমান হিচাপে অভিহিত কৰিব খুজিছিল। আমাৰ দৃষ্টিত জন্মৰে পৰা অসমীয়া ভাষাতে শিক্ষাগ্ৰহণ কৰা অসমীয়া ভাষাৰ মান্যতাক গ্ৰহণ কৰা তথা অসমীয়া সংস্কৃতিৰ প্ৰতি সততে শ্ৰদ্ধাশীল এই লোকসকলক অসমীয়া মুছলমান হিচাপেই অভিহিত কৰিব লাগিব।

শেহতীয়াভাৱে সাম্প্ৰদায়িক ৰাজনীতি আৰু মতাদৰ্শৰ প্ৰভাৱত, অসমৰ এই বৃহৎ জনসম্প্ৰদায়ক তেওঁলোকৰ ঐতিহাসিক স্থিতি, সামাজিক, সাংস্কৃতিক, শৈক্ষিক আৰু বিশেষকৈ তৃণমূল পৰ্যায়ৰ অৰ্থনৈতিক অৱদানক নস্যাৎ কৰি দাড়ি-চুলি ৰাখি টুপী পিন্ধা লোক মাত্ৰেই বাংলাদেশী, বিদেশী বুলি হৈ-চৈ কৰাৰ এক প্ৰৱণতা একাংশ লোকৰ মাজত দেখা গৈছে। এওঁলোকে য'তে-ত'তে আই এছ আই, মালটা, মালফাৰ ভূতো দেখা পায়। সাধাৰণ চোৰ-ডকাইতক মালটা সজাই গ্ৰেপ্তাৰ কৰা, তাকে সংবাদপত্ৰত বৰ বৰ হৰফৰে প্ৰকাশ কৰাৰ দৰে ঘটনাও ঘটিছে। মছজিদ-মাদ্ৰাছা থাকিলেই তাত আই এছ আইৰ এজেণ্টে ঘাটি পাতিছে বুলি একাংশ লোকে প্ৰচাৰ কৰি ফুৰে। এনেবোৰ ধ্যান-ধাৰণা দৰাচলতে ৰাজনৈতিকভাৱে উদ্দেশ্যপ্ৰণোদিত আৰু অসমীয়া জাতি গঠন প্ৰক্ৰিয়াক ভিতৰৰ পৰা চিপৰাং মৰাৰ লেখীয়া। আকৌ, বানপানী, গৰাখহনীয়াত সকলো হেৰুৱাই ৰে'লআলি, চৰকাৰী মাটিত আশ্ৰয় গ্ৰহণ কৰা, জীৱিকাৰ বাবে চহৰ অঞ্চলত সৰু-সুৰা কামত আত্মনিয়োগ কৰা মুছলমান সম্প্ৰদায়ক বাংলাদেশী বুলি অভিহিত কৰাও দেখা গৈছে। এনেবোৰৰ মূলতেই হ'ল সমগ্ৰ মুছলমান সম্প্ৰদায় সম্পৰ্কেই এক ভুল ধাৰণাৰে আন আন সম্প্ৰদায়ক পৰিচালিত কৰাৰ চক্ৰান্ত।

অৱশ্যে ইয়াৰ দ্বাৰা আমি অসমৰ প্ৰব্ৰজন সমস্যাক লঘু কৰিব খোজা নাই। আমি অৱশ্যেই কৈছো যে অসমলৈ প্ৰব্ৰজন হৈছে আৰু সি ভয়াবহ ৰূপ ধাৰণ কৰিছে। এনে অবাধ প্ৰব্ৰজনে অসমৰ জনগাঁথনি, অৰ্থনীতি আৰু সমাজ-ব্যৱস্থালৈ ভয়াবহতা কঢ়িয়াই আনিছে। কিন্তু সেইবুলি নিৰ্দিষ্ট একোটা জনসম্প্ৰদায়ক কেৱল ধৰ্মৰ ভিত্তিত, জাতিৰ ভিত্তিত চিনাক্তকৰণ কৰাৰ আমি ঘোৰ বিৰোধী। সেয়ে, জাতি-ধৰ্ম নিৰ্বিশেষে অসমলৈ প্ৰব্ৰজন কৰা সকলো বহিৰাগতক, নিৰ্দিষ্ট সময়সীমাৰ ভিত্তিত অসমৰ পৰা বিতাড়ন কৰি প্ৰব্ৰজনৰ ধাৰা স্তব্ধ কৰি দিয়াতোহে প্ৰকৃত অসমপ্ৰেমীৰ কৰ্তব্য। কেৱল ধৰ্মীয় দৃষ্টিভংগীৰে প্ৰব্ৰজনকাৰীক বিদেশী বুলি, মুছলমান সম্প্ৰদায়ৰ প্ৰতি গণসন্দেহৰ ভাব উন্মেষ ঘটোৱা কাৰ্য নিঃসন্দেহে গৰিহণাৰ যোগ্য। এনে দৃষ্টিভংগীয়ে সাম্প্ৰদায়িক মেৰু বিভাজনেৰে অসমৰ যাউতিযুগীয়া সম্প্ৰীতিৰ ইতিহাসত কুঠাৰাঘাত কৰিব।

প্ৰসংগক্ৰমে অসমৰ বৃহত্তৰ মুছলমান সমাজখনৰ আন কেইটামান দিশ পৰ্যালোচনা কৰিব খোজা হৈছে। মুছলমানসকলৰ জনসংখ্যাৰ দ্ৰুতবৃদ্ধিয়ে, সম্প্ৰদায়টোক নানা সমস্যাৰে জুৰুলা কৰা দেখা গৈছে। অধিক সন্তানৰ জন্মই একোটা পৰিয়ালক অৰ্থনৈতিকভাৱে দুৰ্বল কৰিব পাৰে। অধিক সন্তানৰ ফলত পৈত্ৰিক মাটি-সম্পত্তিৰ পৰিমাণ হ্ৰাস পাই যোৱাৰ বাবে, সম্প্ৰদায়টোৰ মাজত দুখীয়া লোকৰ সংখ্যা বৃদ্ধি পাইছে। আৰ্থিক দুৰ্বলতাৰ বাবে শিক্ষা-দীক্ষা আদিৰ ক্ষেত্ৰতো সম্প্ৰদায়টো অধিক পিছ পৰি আছে। তেনেদৰে, স্ত্ৰী শিক্ষাৰ দিশটোও যথেষ্ট দুখলগা। এইবোৰৰ ফলস্বৰূপে, একো একোটা শিশুক শিক্ষা-দীক্ষাৰে উপযুক্ত কৰি মানৱ সম্পদৰূপে গঢ় দিয়াৰ প্ৰক্ৰিয়া যথেষ্ট পৰিমাণে বাধাগ্ৰস্ত হৈছে। এনে ক্ষেত্ৰত সম্প্ৰদায়টোৰ শিক্ষক, বুদ্ধিজীৱি, বিভিন্ন বেচৰকাৰী সংগঠন, সমাজকৰ্মীসকলে আগভাগ লোৱাৰ লগতে চৰকাৰকো যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিবৰ বাবে বাধ্য কৰিব লাগে।

তেনেদৰে অসমৰ জাতীয় সমস্যাসমূহৰ সমাধানৰ বাবে চিন্তা-চৰ্চা তথা সংগ্ৰামী পদক্ষেপ গ্ৰহণ কৰিবৰ বাবে মুছলমান সমাজখনৰ বিভিন্ন ৰাজনৈতিক-অৰাজনৈতিক সংগঠন আগবাঢ়ি আহিব লাগে। অসমৰ বান, গৰাখহনীয়া আদি ভয়াবহ সমস্যা তথা কৃষকৰ মাটিৰ পট্টা, আবাদী ভূমিত জলসিঞ্চন, উৎপাদিত সামগ্ৰীৰ উপযুক্ত মূল্য লাভ আদি কৃষকৰ সমস্যা, অসমৰ চাহ, তেল আদি প্ৰাকৃতিক সম্পদৰ অবাধ লুণ্ঠনৰ ফলত হোৱা নানা সমস্যা আদি ভিন্নমুখী জাতীয় সমস্যাৰ দ্বাৰা প্ৰতিজন অসমবাসী জৰ্জৰিত। মুছলমান সমাজখনো এনে সমস্যাৰ ভয়াবহতাৰ পৰা মুক্ত নহয়। সেয়ে, এনে সমস্যাসমূহ সমাধানৰ দাবীত, মুছলমান সমাজখনে, অসমৰ সমভাবাপন্ন গণতান্ত্ৰিক সংগঠন, ৰাইজৰ লগত মাৰবান্ধি সংগ্ৰামৰ পথত অগ্ৰসৰ হোৱাটো অতি জৰুৰী। জাতীয় সমস্যা তথা জাতীয় সংগ্ৰামত অংশগ্ৰহণৰ প্ৰক্ৰিয়াই সাম্প্ৰতিক শ্বাসৰুদ্ধকাৰী সাম্প্ৰদায়িক পৰিৱেশ প্ৰতিহত কৰাত মুছলমান সমাজখনৰ লগতে বৃহত্তৰ অসমীয়া সমাজখনক সহায় কৰিব।

তেনেদৰে, সমাজ গণতান্ত্ৰিকীকৰণ তথা সাংস্কৃতিক উৎকৰ্ষতাৰ প্ৰতি লক্ষ্য ৰাখি মুছলমান সমাজখনে কিছু সাংস্কৃতিক কৰ্মসূচী গ্ৰহণ কৰাৰো প্ৰয়োজনীয়তা আছে। মুছলমান সমাজখনৰ মাজত প্ৰচলিত জিকিৰ-জাৰি আদি লোক-সাংস্কৃতিক উপাদানসমূহৰ ব্যাপক চৰ্চাৰ লগতে ধৰ্মনিৰপেক্ষ জাতীয় উৎসৱ বিহু পালনৰ বাবেও যথোপযুক্ত কাৰ্য-ব্যৱস্থা মুছলমান সমাজে গ্ৰহণ কৰিব লাগে। তেনেদৰে, ধৰ্মীয় উদাৰতাৰ প্ৰতীক আজানপীৰ, গণতান্ত্ৰিক চিন্তা চেতনাৰ প্ৰতীক জ্যোতিপ্ৰসাদ আগৰৱালা, কৃষক সংগ্ৰামৰ প্ৰতীক বিষ্ণুপ্ৰসাদ ৰাভা আদিৰ চিন্তা-চৰ্চা ব্যাপকভাৱে প্ৰসাৰ, প্ৰচাৰ কৰিবৰ বাবে; মুছলমান সমাজে বিহু উৎসৱ, আজান ফকিৰ দিৱস, শিল্পী দিৱস, ৰাভা দিৱস আদি উদযাপন কৰাৰ প্ৰয়োজনীয়তা আছে। সেই সন্দৰ্ভত মুছলমান সম্প্ৰদায়ৰ শিক্ষক, কৃষক, বুদ্ধিজীৱী, ছাত্ৰ-যুৱকসকলে যথোপযুক্ত কাৰ্য-ব্যৱস্থা হাতত ল'লে মুছলমান সমাজখনৰ লগতে বৃহত্তৰ অসমীয়া সমাজখন উপকৃত হ'ব।

পূৰ্বপ্ৰকাশ : শান্তি, জানুৱাৰী-মাৰ্চ/২০০৪

৭

আই এম ডি টি
উল্লাসৰ সলনি বাস্তৱসন্মত দৃষ্টিভংগীৰ প্ৰয়োজন

এক অশান্ত সময় আৰু বিতৰ্কিত পৰিস্থিতিৰ মাজত আইনখন সৃষ্টি হৈছিল। অসমৰ গৰিষ্ঠসংখ্যক ৰাইজে অবৈধ বুলি গণ্য কৰা '৮৩ চনৰ অসম চৰকাৰখনে, এই আইনখন গৃহীত কৰিছিল আৰু বিগত কুৰি বছৰো অধিক কাল আইনখনে অসমৰ ৰাজনৈতিক জগতখনত উত্তাপৰ সৃষ্টি কৰিছিল। আইনখনৰ সপক্ষত আৰু বিপক্ষত অৱস্থান গ্ৰহণ কৰি দল-সংগঠনসমূহে স্পষ্ট মেৰু বিভাজনৰ দৃষ্টান্ত দাঙি ধৰিছিল। কংগ্ৰেছ(ই) দল আৰু চৰকাৰ, জমিয়ত উলেমা-ই-হিন্দ আদি সংখ্যালঘু সংগঠনে এই আই এম ডি টি আইনখন বাহাল ৰখাৰ পক্ষত আছিল। আছুকে আদি কৰি জাতীয়তাবাদী সংগঠনসমূহে ইয়াৰ তীব্ৰ বিৰোধিতাৰ পৰিবেশ সৃষ্টি কৰিছিল। বিজেপিৰ লেখীয়া ৰাষ্ট্ৰীয় পৰ্যায়ৰ ৰাজনৈতিক দলে আইনখনৰ সংক্ৰান্তত বিপৰীতমুখী অৱস্থান গ্ৰহণ কৰিছিল। এই দলে এহাতে নিজৰ কৰ্মসূচীত আইনখন বাতিলৰ প্ৰসংগ অন্তৰ্ভুক্ত কৰি তৃণমূল পৰ্যায়লৈকে জনমত গঠনৰ বাবে প্ৰচেষ্টা চলাইছিল আৰু আনহাতে নিজে শাসনভাৰ লোৱাৰ সময়ছোৱাত আইনখন বাতিলৰ বাবে কোনো কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা নাছিল। সেইদৰে যি অসম আন্দোলনৰ ধামখুমীয়াত আইনখনৰ জন্ম হৈছিল, সেই অসম আন্দোলনৰ মাজেৰে জন্ম লাভ কৰা অগপ দলে, আইনখনৰ ক্ষেত্ৰত স্পষ্ট পদক্ষেপ লোৱাৰ পৰা বিৰত আছিল। অসম চুক্তিত স্বাক্ষৰকাৰীসকলে প্ৰথমেই আইনখন প্ৰত্যাহাৰ কৰিবলৈ দাবী নজনাই কেৱল তাৰ সংশোধনীকে মানি লৈছিল। পৰৱৰ্তী সময়ত অগপ নেতা প্ৰফুল্ল কুমাৰ মহন্তই দুবাৰকৈ ৰাজপাট দখল কৰাৰ সময়তো আইনখন

প্ৰত্যাহাৰ কৰিবৰ বাবে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা নাছিল। আনকি উচ্চতম ন্যায়ালয়ত গোচৰাধীন অৱস্থাত থকা সময়ত প্ৰফুল্ল মহন্ত নেতৃত্বাধীন অগপ চৰকাৰে দাখিল কৰা শপতনামাত 'হয় প্ৰত্যাহাৰ, নহয় আংশিক সংশোধন' জাতীয় বাক্য ব্যৱহাৰ কৰি এক 'সাপো মৰক লাঠিও নাভাঙক' নীতি গ্ৰহণ কৰিছিল। অৱশ্যে পৰৱৰ্তী সময়ত নেতৃত্বৰ পৰিৱৰ্তনৰ লগে লগে অগপ দলে আইনখনৰ সংক্ৰান্তত কঠোৰ দৃষ্টিভংগী গ্ৰহণ কৰিছিল। দলৰ সংখ্যালঘু মহাসন্মিলনত আইনখনৰ প্ৰত্যাহাৰৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। অগপ সাংসদ তথা প্ৰাক্তন আছু নেতা সৰ্বানন্দ সোণোৱালৰ একক প্ৰচেষ্টাত দাখিল কৰা ৰাজহুৱা স্বাৰ্থজড়িত গোচৰৰ ওপৰত ভিত্তি কৰি মহামান্য উচ্চতম ন্যায়ালয়ে আইনখন প্ৰত্যাহাৰ কৰিবৰ বাবে এক ৰায় প্ৰদান কৰিছে। এই ৰায় প্ৰদান কৰাৰ লগে লগে, ইমানদিনে বিভিন্ন ৰাজনৈতিক দলে 'তুৰুপৰ তাচ'ৰ দৰে ব্যৱহাৰ কৰা ইছ্যুটোৰ ভিকাহুন ভাঙিল।

আইনখন প্ৰত্যাহাৰ কৰাৰ সংবাদ প্ৰচাৰ হোৱাৰ লগে লগে সমগ্ৰ অসমজুৰি আনন্দ-উল্লাসৰ বন্যা বোৱাৰ দৰে অসম বন্ধৰ লেখীয়া প্ৰতিবাদী কাৰ্যসূচীও গ্ৰহণ কৰা হৈছে। অৱশ্যে মহামান্য উচ্চতম ন্যায়ালয়ৰ ৰায়ক প্ৰত্যাহ্বান জনাই অসম বন্ধৰ লেখীয়া প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা কাৰ্য ভাৰতীয় গণতন্ত্ৰৰ বাবেই প্ৰত্যাহ্বান বুলিও সমালোচিত হৈছে। সেইদৰে অসমজুৰি প্লাৱিত উল্লাসৰ ঢৌক অসমীয়া মানুহৰ আবেগিক বিস্ফোৰণ হিচাপেও গণ্য কৰা হৈছে। এইক্ষেত্ৰত ইতিহাসৰ শিক্ষা অতি নিৰ্মম। '৮৫ চনত অসম চুক্তি স্বাক্ষৰ হোৱাৰ পাছত অসম জুৰি যি আবেগৰ ঢৌ জাগ্ৰত হৈছিল, সেই ঢৌত অসম চুক্তিৰ নিৰ্মোহ পৰ্যালোচনাৰ পৰিৱেশ বিনষ্ট হৈছিল। পৰৱৰ্তী সময়ত যেতিয়া অসম চুক্তিৰ ঋণাত্মক দিশসমূহ আৱিষ্কৃত হ'ল তেতিয়া সময় বহু পাৰ হৈ গৈছিল। সেই শিক্ষা আজিৰ তাৰিখতো প্ৰাসংগিক। আই এম ডি টি আইন প্ৰত্যাহাৰ হ'ল বুলিয়েই আনন্দত সাত জাঁপ মাৰিলে, সি বাস্তৱ পৰিস্থিতিক সমূলি আওকাণ কৰা হ'ব। অসমৰ বিগত পঞ্চাশ বছৰৰ সমাজ ইতিহাসৰ পৰাই কিছু দৃষ্টান্ত বুটলি লোৱা হওক। আজি প্ৰত্যাহাৰ কৰা আই এম ডি টি আইনখন ১৯৮৩ চনৰ পূৰ্বত নাছিল। তেতিয়া বিদেশী আইন— ১৯৪৬ আৰু দুই-এক অধ্যাদেশৰ দ্বাৰাই বিদেশী বিতাড়ন কৰা হৈছিল। তদুপৰি, পি আই পি আঁচনি নামেৰে খ্যাত আঁচনিখনৰ যোগেদি বিদেশী বহিষ্কাৰ কৰা হৈছিল। তৎসত্বেও কেনেদৰে অসমত লাখ লাখ বিদেশী সোমাব পাৰিলে? কেনেদৰে মঙলদৈ সমষ্টিৰ ভোটাৰ তালিকাত বিদেশী ভোটাৰৰ নাম সোমাব পাৰিলে? কিহৰ বাবে চৰকাৰৰ একো একোখন জাননী ৰঙা ফিটাৰ মাজত কাললৈ নাইকিয়া হ'ল? পৰমাশিৱম, হিৰণ্য কুমাৰ ভট্টাচাৰ্য, প্ৰেমকান্ত মহন্তৰ লেখীয়া এচাম আমোলা-বিষয়াৰ প্ৰচেষ্টা কিহৰ বাবে অথলে গ'ল? এইবোৰ প্ৰশ্নৰ উত্তৰ যদি আমি উল্লাসৰ বন্যাত পাহৰি যাওঁ, তেতিয়াহ'লে আই এম ডি টিৰ দৰে আইনখন থকা-নথকাৰ মাজত কোনো প্ৰভেদ নাথাকিব। আজিৰ অসমৰ পৰিস্থিতি '৮০ চনৰ পূৰ্বৰ পৰিস্থিতিতকৈ সম্পূৰ্ণ পৃথক। এই পৰিস্থিতিক যথাৰ্থ ৰূপত বিশ্লেষণ কৰিহে বিদেশী বিতাড়নৰ বিষয়টো আগবঢ়াব লাগিব। অন্যথা, এসময়ত বহিৰাগত বিতাড়ন প্ৰক্ৰিয়া ক্ৰমাৎ

বিদেশী বিতাড়ন, বাংলাদেশী বিতাড়ন আৰু সৰ্বশেষত 'মিএগ্ৰ খেদা' আন্দোলন হোৱাৰ লেখীয়াকৈ আজিৰ পৰিস্থিতিতো অন্য এক 'মিএগ্ৰ খেদা আন্দোলন'ৰ জন্ম হ'ব পাৰে। নেলী, চমৰীয়া, গহপুৰ, ফুলুং চাপৰিৰ লেখীয়া শোকাবহ পৰিস্থিতিৰ সৃষ্টি হ'ব পাৰে। ইতিমধ্যে উগ্ৰ হিন্দুত্ববাদী মৌলবাদী শক্তিসমূহে এনে এক চিন্তাচৰ্চাৰ জন্ম দিছে। গতিকে সঠিক কাৰ্যপন্থাৰে বিষয়বস্তু অধ্যয়ন নকৰিলে সি হিন্দুত্ববাদী মৌলবাদীৰ চিকাৰ হোৱাৰ সম্ভাৱনা থাকে। নক'লেও হ'ব যে ইয়াৰ ফলত অসমৰ সমাজ-জীৱনৰ ব্যাপক ক্ষতি হোৱাৰ লগতে গণতান্ত্ৰিক মূল্যবোধবো অৱক্ষয় ঘটিব। ইতিমধ্যে এই কথা প্ৰতীয়মান হৈছে যে অতিকেন্দ্ৰিক ভাৰত চৰকাৰখনে অসমৰ জ্বলন্ত সমস্যাসমূহ সমাধান কৰাত সদায় কৃপণালি কৰি আহিছে। অসমত বিদেশী বিতাড়নৰ ক্ষেত্ৰতো এনে দৃষ্টিভংগীৰ উমান পোৱা যায়। '৪৭ চনৰ পৰৱৰ্তী সময়ছোৱাত অসমত যি ব্যাপক হাৰত জনপ্ৰব্ৰজন ঘটিল, তাক প্ৰতিৰোধ কৰাত ভাৰত চৰকাৰখন চূড়ান্তভাৱে ব্যৰ্থ হৈছিল। আনকি বহু সময়ত ভাৰত চৰকাৰে অসমত শৰণাৰ্থীৰ নামত প্ৰব্ৰজনকাৰীক সংস্থাপন কৰাৰ বাবে অসম চৰকাৰক হেঁচা প্ৰয়োগ কৰাৰ অভিযোগহে উত্থাপিত হৈছিল। এনে প্ৰব্ৰজনৰ যোগেদি অসমৰ জনগাঁথনিৰ ব্যাপক পৰিৱৰ্তন ঘটাই অসমত 'ভাৰতীয়কৰণ' প্ৰক্ৰিয়া ক্ষিপ্ৰতৰ কৰাৰ বাবে এক গোপন ব্লুপ্ৰিণ্ট তৈয়াৰ কৰা হৈছে বুলিও অভিযোগ উত্থাপিত হৈছে। কিয়নো, ঐতিহাসিক আৰু নৃতাত্ত্বিক বিশিষ্টতা আৰু ভৌগোলিক বিলগ্নতাই অসমক 'ভাৰতীয় মূলসুঁতি'ৰ বহু নিলগত ৰাখিছিল। আনহাতে অৰ্থনৈতিক অসম বিকাশ তথা সম্পদৰ অবাধ লুণ্ঠনৰ বাবে অসমবাসীৰ মনত এক ক্ষোভ জাগ্ৰত হৈছিল। এই ক্ষোভ বিক্ষোভৰ ৰূপ পাইছিল শোধনাগাৰ, ভাষা মাধ্যম আদি আন্দোলনৰ মাজেদি। আনহাতে স্বাধীনতাৰ পূৰ্বৰে পৰা অম্বিকাগিৰি ৰায়চৌধুৰী, জ্ঞাননাথ বৰা, সুৰেন্দ্ৰনাথ বুঢ়াগোহাঞি আদিৰ চিন্তা তথা বিভিন্ন সংগঠনৰ মাজেৰে এক স্বতন্ত্ৰতাবাদী চিন্তাৰ জন্ম আৰু বিকাশ হৈছিল। এই চিন্তাই যাতে অসমবাসীৰ মনত এক স্বতন্ত্ৰতাবাদী ধাৰাৰ জন্ম দিব নোৱাৰে বা জন্ম দিলেও জনসংখ্যাৰ ৰাজনীতিৰে তাক কলিতে মোহাৰি পেলাব পৰা যায়, তাৰ বাবেই জনপ্ৰব্ৰজনৰ সমস্যাক সততে আওকাণ কৰিছিল আৰু বহু সময়ত ইয়াক থাপি-থুপি ৰখাৰ ব্যৱস্থাহে কৰিছিল। ভাৰত চৰকাৰৰ এই দৃষ্টিভংগীৰ যে আজিও কোনো মৌলিক পৰিৱৰ্তন ঘটা নাই, তাক আই এম ডি টি আইন বা অসম অশান্ত অঞ্চল আইন— ১৯৫৮ আৰু সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইনৰ ঘটনাৱলীয়ে প্ৰমাণ কৰে। তেনেক্ষেত্ৰত মহামান্য উচ্চতম ন্যায়ালয়ৰ হেঁচাত আই এম ডি টি প্ৰত্যাহাৰ কৰিলেও বিদেশী বিতাড়নৰ ক্ষেত্ৰত ভাৰত চৰকাৰে দৃঢ় পদক্ষেপ হাতত ল'ব পাৰে বুলি আমাৰ মনে নধৰে। বৰং ইয়াৰ সদৃশ আন এখন আইন প্ৰণয়ন বা বিদেশী আইন— ১৯৪৬ খনৰ সংশোধনী আনিবৰ বাবেহে ভাৰত চৰকাৰ যত্নবান হোৱাৰ সম্ভাৱনা আছে। ইতিমধ্যে শেহতীয়াভাৱে ১৯৭১ চনৰ ২৫ মাৰ্চক ভিত্তি কৰি নাগৰিকপঞ্জী প্ৰস্তুতকৰণৰ বাবে ভাৰত চৰকাৰে প্ৰস্তুত কৰা এক প্ৰস্তাৱক লৈ বিদ্বৎমহলৰ মাজত বাৰুকৈয়ে সমালোচিত হৈছে।

বাস্তৱ পৰিস্থিতিৰ এই আলোচনাৰ মাজেৰে পথৰ সন্ধান কৰাবো প্ৰয়োজনীয়তা

আছে। নক'লেও হ'ব যে এই পথৰ সন্ধান অতিশয় দুৰূহ। বহু সময়ত ই অসমীয়া মানুহৰ বাবে 'ডেমক্লেচ'ৰ তৰোৱালখনৰ লেখীয়া। গতিকে ইয়াৰ বাবে ব্যাপক চিন্তাচৰ্চাৰ প্ৰয়োজনীয়তা আছে। নক'লেও হ'ব যে উল্লাসৰ বন্যাই এনে চিন্তাচৰ্চাৰ প্ৰয়োজনীয়তা, পৰিৱেশ বিনষ্ট কৰি সমগ্ৰ বিষয়বস্তুকে আওবাটে নিব পাৰে। প্ৰথমেই চোৱা যাওক অসমবাসী সংখ্যালঘু লোকসকলৰ কথা। জ্ঞাতসাৰেই হওক বা অজ্ঞাতসাৰেই হওক, ৰাজনৈতিক শক্তিৰ প্ৰৰোচনাতে হওক বা অশুভ শক্তিৰ প্ৰভাৱতে হওক, অসমবাসী 'সংখ্যালঘু' লোকসকলে এই আইনখনক নিজৰ ৰক্ষা কবচ হিচাপে গণ্য কৰি আহিছে। সেয়ে তাৎক্ষণিকভাৱে আইনখন প্ৰত্যাহাৰ হোৱা কথাই এই লোকসকলৰ মনলৈ সংশয়ৰ প্ৰচ্ছায়া নমাই আনিব। অসমৰ সমাজ-জীৱনৰ বহু ক্ষেত্ৰত অৰিহণা থকা এই লোকসকলৰ মনলৈ এক আস্থা আৰু সংশয়মুক্ত পৰিৱেশ সৃষ্টি কৰিব লাগিব। অসমৰ বিভিন্ন সামাজিক সংস্থা, অসম সাহিত্য সভা, আছু, জাতীয়তাবাদী যুব-ছাত্ৰ পৰিষদ, মাছু আদি সংগঠনে 'জাতীয় মহাসভা', 'জাতীয় সন্মিলন'ৰ লেখীয়া মাধ্যমৰ যোগেদি এই পৰিৱেশৰ বিকাশ কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। আনহাতে অশুভ মৌলবাদী ৰাজনৈতিক শক্তিৰ প্ৰভাৱৰ পৰা মুক্ত হৈ 'সংখ্যালঘু'সকলেও এনে পদক্ষেপৰ প্ৰতি সঁহাৰি জনোৱা বা নিজাববীয়াকৈ এনে পদক্ষেপ গ্ৰহণ কৰাৰো প্ৰয়োজনীয়তা আছে। পাৰস্পৰিক আস্থা আৰু বিশ্বাসৰ পৰিৱেশেৰে আইনখনে সৃষ্টি কৰা জটিল পৰিৱেশৰ পৰা অসমবাসীক মুক্ত কৰিব আৰু প্ৰকৃত বিদেশী বিতাড়নত সহায়ক হ'ব। তেনেদৰে বিদেশী বিতাড়নৰ দৰে জটিল প্ৰক্ৰিয়াক দক্ষতা তথা আপোচহীনতাৰে পৰিচালনা কৰিবৰ বাবে এক ৰাজনৈতিক ইচ্ছাশক্তিৰ জন্ম আৰু বিকাশ ঘটাব লাগিব। প্ৰচলিত ব্যৱস্থাৰ ভিতৰতে ইয়াৰ সমাধান কৰিবলৈ হ'লে কংগ্ৰেছ (ই)ৰ দৰে কেৱল ভোট বেংকৰ ৰাজনীতিৰে বলীয়ান আৰু বিজেপিৰ দৰে সাম্প্ৰদায়িক পক্ষপাতদুষ্ট উগ্ৰ হিন্দুত্ববাদী শক্তিক প্ৰতিহত কৰি এই ৰাজনৈতিক ইচ্ছাশক্তিক অসমবাসীয়ে লালন-পালন কৰিব লাগিব। কিয়নো, শৰৎ চন্দ্ৰ সিংহ, আনোৱাৰা টাইমুৰ, হিতেশ্বৰ শইকীয়াৰ মতাদৰ্শৰে পৰিচালিত হোৱা কংগ্ৰেছ(ই) দলে অসমৰ এই সমস্যাক সততে আওকাণ কৰি আহিছে। ভাৰতীয় নাগৰিকৰ সুৰক্ষাৰ নামত এই সমগ্ৰ বিষয়বস্তুক গাপ দি ৰখা তথা 'সংখ্যাগুৰু'-'সংখ্যালঘু'ৰ বিভাজনেৰে কেৱল ক্ষমতাৰ ৰাজনীতি কৰাৰ দেখাৰ নমুনা বিগত সময়ত আছে। তেনেদৰে বিদেশীৰ দৰে স্পৰ্শকাতৰ বিষয় এটাত ধৰ্মৰ প্ৰলেপ সানি 'শৰণাৰ্থী', 'প্ৰব্ৰজনকাৰী' আদি সমগ্ৰ বিষয়বস্তুকে আওবাটে নিয়া বিজেপিৰ দৰে ৰাষ্ট্ৰীয় দলৰ প্ৰাসংগিকতাৰ দৃষ্টান্ত বিগত অসম আন্দোলনৰ কেতবোৰ বিক্ষিপ্ত ঘটনা আৰু সমসাময়িক অসমৰ ঘটনাৱলীৰ পৰাই দিব পৰা যায়। কাজেই বিদেশী বিতাড়ন প্ৰক্ৰিয়াত এই দল দুটাৰ আন্তৰিকতা প্ৰশ্নাতীত নহয়। এনে ক্ষেত্ৰত অসম আন্দোলনৰ গৰ্ভত জন্মলাভ কৰা অগপৰ দৰে জাতীয়তাবাদী আঞ্চলিক ৰাজনৈতিক শক্তিৰ প্ৰাসংগিকতা আহি পৰিব। অৱশ্যে প্ৰফুল্ল মহন্ত নেতৃত্বাধীন অগপ চৰকাৰখনে বিগত সময়ছোৱাত বিদেশী বিতাড়নৰ ক্ষেত্ৰত দৃঢ় পদক্ষেপ গ্ৰহণ কৰিব নোৱৰা কাৰ্যই অসমবাসীক বিতুষ্ট কৰিছিল। সেয়ে পৰিবৰ্তিত পৰিস্থিতিত অগপৰ নতুন নেতৃত্বই

সমগ্ৰ বিষয়ৰ ক্ষেত্ৰত কেনে কাৰ্যব্যৱস্থা গ্ৰহণ কৰে, তাৰ ওপৰতে অগপৰ প্ৰাসংগিকতাও নিৰ্ভৰ কৰিব।

এনে এক আস্থা আৰু ৰাজনৈতিক ইচ্ছাশক্তিৰ সমান্তৰালভাবে অসমৰ জাতীয় সমস্যা হিচাপে পৰিগণিত এই বিদেশী বিতাড়নৰ বাবে ভাৰত চৰকাৰৰ দৃষ্টিভংগী পৰিৱৰ্তনৰ বাবেও এলানি কৰ্মসূচী লোবাৰ প্ৰয়োজনীয়তা আছে। বিভিন্ন প্ৰভাৱগোষ্ঠীৰ যোগেদি ভাৰত চৰকাৰৰ ওপৰত অহৰহ হেঁচা প্ৰয়োগৰ ব্যতিৰেকে ভাৰত চৰকাৰৰ দৃষ্টিভংগীৰ পৰিৱৰ্তন হোৱাৰ আশা খুবেই ক্ষীণ। কাজেই এইক্ষেত্ৰতো চিন্তা-চৰ্চা চলোৱাৰ সময় সমাগত। অন্যথা আজিৰ পৰিস্থিতিয়ে আনি দিয়া সকলো সম্ভাৱনা, সাধুকথাত কথিত 'পুনঃ মূচিক ভৱ'ৰ লেখীয়াহে হ'ব।

পূৰ্বপ্ৰকাশ : আজি, ২২ জুলাই/২০০৫

৮ জাতীয় জীৱনৰ প্ৰেক্ষাপটত অসমৰ মুছলমান সমাজ আৰু ৰাজনীতি

যেনেদৰে আমাৰ ৰাজ্যখনৰ নাম অসম, ঠিক তেনেদৰে, আমাৰ সমাজ-জীৱনটো হ'ল অ-সম। অৰ্থাৎ সমতাহীন। বিশ্বৰ বহু স্থানত দেখা পোৱা একক ধৰ্মীয় শৃংখলা, এক ভাষিক এক মনঃস্তাত্ত্বিক গঠনৰ সমাজবোৰৰ বিপৰীতে, অসমৰ সমাজ-জীৱন, বহুধৰ্মীয় শৃংখলা, বিকাশ আৰু স্বীকৃতিৰ ভিন্ন স্তৰত থকা ভাষা-সামাজিক ৰীতি-নীতিৰে, এক বহুত্ববাদী চৰিত্ৰৰে গঠিত হৈছে। সেয়ে, অসমৰ সমাজ-জীৱন মানেই এক অ-সম চৰিত্ৰ, বহুত্ববাদী চৰিত্ৰ গঠনৰ চানেকী দেখা যায়। অৱশ্যে, ইয়াৰ এক ঐতিহাসিক প্ৰেক্ষাপট আছে, যাৰ মাজেৰে দেখা যায় যে সমাজ ইতিহাসৰ বিভিন্ন পৰ্যায়ত, ভিন্ন ধাৰাৰ প্ৰব্ৰজন প্ৰক্ৰিয়াৰ সূচনা হৈছিল। প্ৰব্ৰজন কৰি অহা এনে ভিন্ন ধাৰাৰ লোকসমাজবোৰ, স্থানীয় পৰিবেশৰ লগত, গ্ৰহণ-বৰ্জন-আত্মিকৰণ প্ৰক্ৰিয়াৰ মাজেৰে মিলি গৈছে নতুবা সম্পূৰ্ণ সুকীয়া স্থিতি পৰিগ্ৰহ কৰিছে। তদুপৰি এনেদৰে প্ৰব্ৰজন কৰা লোক সমাজবোৰৰ মাজত বৈবাহিক সম্বন্ধ, অৰ্থনৈতিক-ৰাজনৈতিক সম্বন্ধ স্থাপিত হৈছিল আৰু এক জটিল সংমিশ্ৰণ প্ৰক্ৰিয়াৰ মাজেৰে সমাজবোৰ গঢ় লৈ উঠিছিল। কেতিয়াবা একোটা শক্তিশালী ৰাজনৈতিক ব্যৱস্থা গঢ় লৈ উঠিছিল আৰু এনে ৰাজনৈতিক ব্যৱস্থাই লোকসমাজবোৰৰ স্বকীয়তা ভংগ কৰি এক মিশ্ৰিত ৰূপ প্ৰদান কৰিছিল। বহু সময়ত শক্তিশালী ধৰ্মীয় শৃংখলাৰ বাবেও এনে লোকসমাজৰ স্থিতি সোলোক-ঢোলোক হৈ পৰিছিল আৰু ধৰ্মীয় শৃংখলাৰ মাজত এক নতুন সমাজ ব্যৱস্থা গঢ় লৈ উঠিছিল। এনেদৰে ভঙা-গঢ়া, গ্ৰহণ-বৰ্জন প্ৰক্ৰিয়াৰ মাজেৰে একোটা সমন্বিত সংস্কৃতি, উমৈহতীয়া বাসভূমিৰ ধাৰণা, সংযোগী ভাষা গঢ় লৈ

উঠিছিল। এই কথাৰ উদাহৰণ দিবলৈ গ'লে মহাৰাজ ভাস্কৰ বৰ্মাৰ দিনৰে পৰা স্বৰ্গদেউ ৰুদ্ৰ সিংহলৈকে অসমৰ সমাজ-জীৱনৰ ভিন্ন ধাৰাসমূহ উল্লেখ কৰিব লাগিব।

মহাৰাজ ভাস্কৰ বৰ্মাৰ শক্তিশালী ৰাজনৈতিক ব্যৱস্থাই সমুদ্ৰব্যাপী সমগ্ৰ অঞ্চলটোকে সামৰি লোৱাৰ সমান্তৰালভাৱে সংস্কৃতায়ন প্ৰক্ৰিয়াৰ সূচনা হৈছিল। স্বৰ্গদেউ চ্যুকাফাই সাতৰাজ মাৰি একৰাজ কৰা নীতি, স্বৰ্গদেউ চুহুংমুং, স্বৰ্গদেউ চুচেংফা, স্বৰ্গদেউ ৰুদ্ৰ সিংহ আদিৰ শক্তিশালী ৰাজনৈতিক ব্যৱস্থাৰ মাজেৰে বিকাশ হৈছিল। মহাৰাজ নৰনাৰায়ণ, সেনাপতি চিলাৰায়ে অন্য এক ৰাজনৈতিক ব্যৱস্থাৰ মাজেৰে, জনসংমিশ্ৰণ প্ৰক্ৰিয়াক আগবঢ়াই নিছিল। এনেবোৰ ৰাজনৈতিক ব্যৱস্থাৰ সমান্তৰালভাৱে, মহাপুৰুষ শংকৰদেৱ আৰু মহাপুৰুষ মাধৱদেৱে কোচ-কমতা-আহোমৰ মাজত সমন্বয় সৃষ্টি কৰি সংযোগী ভাষাৰ বিকাশ সাধন কৰিছিল। আনহাতে, এইসমূহ প্ৰক্ৰিয়াৰ সমান্তৰালভাৱে, দিহিং, ডিবৰু, ডিমাপুৰ, মাইবাং-খাছপুৰলৈকে গঢ় লৈ উঠা ডিমাছা ৰাজনৈতিক ব্যৱস্থাই অন্য এক সমন্বিত ধাৰাৰ সৃষ্টি কৰিছিল। এনেবোৰ প্ৰক্ৰিয়া চলি থকাৰ মাজতে, দিল্লীৰ চুলতান-মোগলৰ আক্ৰমণ চলিছিল। পোৱা মক্কাৰ ঐতিহ্যৰ ভিত্তিত আজানদেউ ফকিৰে চুফীবাদ বিকাশৰ মাজেৰে আন এক ধাৰাৰ সৃষ্টি কৰিলে। যুদ্ধবন্দী হিচাপে অসমত থাকিবলগা হোৱা গৌড়-তুৰ্ক-আফগানসকলৰ লগতে ইছলাম দীক্ষিত লোকসমাজ এই ধাৰাৰ চানেকী হৈ ৰ'ল।

বুৰঞ্জীৰ দেওলগা বাটত এনেদৰে গঢ় লৈ উঠিল অসমৰ খিলঞ্জীয়া জনসমাজ, যাৰ একাংশ অসমীয়া নামেৰে চিহ্নিত আৰু আন একাংশ স্বকীয় আভাৰে উজলি থকা, বিকাশৰ ভিন্ন স্তৰত থকা জনগোষ্ঠী জাতিসত্তা হিচাপে পৰিগণিত। অসমীয়া ভাষা, এইসমূহ জনসম্প্ৰদায়ৰ মাতৃভাষা নহয় যদিও সংযোগী ভাষা হিচাপে এতিয়ালৈকে স্বীকৃত আৰু সমাদৃত।

উল্লেখযোগ্য যে— এনে জনসমাজৰ দ্বাৰা গঠিত এই বহুত্ববাদী সামাজিক গাঁথনিত পৰৱৰ্তী কালছোৱাত প্ৰব্ৰজন প্ৰক্ৰিয়াৰ মাজেৰেই আহি ন ন সম্প্ৰদায় মিলিত হৈছে। সাম্ৰাজ্যবাদী বৃটিছৰ বোকোচাত উঠি অহা হিন্দু-বাঙালী, মাৰোৱাৰী-ৰাজস্থানী-বিহাৰী আদি হিন্দীভাষী, ইছলাম ধৰ্মীয় বাঙালী, হিন্দু ধৰ্মীয় নেপালী, চাওতাল-ওৰাং-মুণ্ডা আদিৰে গঠিত অসমৰ চাহ জনগোষ্ঠী আদি জন সম্প্ৰদায়সমূহ অসমৰ সমাজ-জীৱনত খিতাপি লৈছে। ফলত এইদৰে প্ৰব্ৰজন কৰি অহা জন সম্প্ৰদায়সমূহৰ লগত পূৰ্বৰে পৰা থকা লোকসমাজবোৰৰ দ্বন্দ্ব সংঘাত-সংহতি-সমন্বয়ৰ পৰিৱেশ সৃষ্টি হৈছে। উভয় স্তৰৰ লোকসকলে যদিও পাৰস্পৰিক সহ-অৱস্থানৰ নীতি মানি লৈছে, তথাপি পাৰস্পৰিক সংশয়, সন্দেহ আদিয়ে কেতিয়াবা সংঘাতৰ ৰূপ লৈছে। এনেবোৰ কাৰণে অসমৰ সমাজ-জীৱনত সৃষ্টি কৰা ক্ৰিয়া-প্ৰক্ৰিয়াৰ বাবেই সি সমাজ বিজ্ঞানীৰ আকৰ্ষণৰ কেন্দ্ৰ হৈ পৰিছে।

অসমৰ মুছলমান সমাজ ঃ প্ৰব্ৰজনৰ ফচল

ইতিপূৰ্বে উল্লেখ কৰা খিলঞ্জীয়া জনসমষ্টিটোৰ অসমীয়া মুছলমানসকলৰ বাহিৰেও,

প্ৰব্ৰজনৰ এক দীঘলীয়া অধ্যায়ৰ মাজেৰে অসমৰ মুছলমান সমাজখন গঠিত হৈছে। আহোমসকলৰ দিনত, গৰিয়া-মৰিয়া হিচাপে চিহ্নিত বা কোচসকলৰ অধীনস্থ 'দেশী' মুছলমানসকলৰ স্থিতি যিহেতু বৃটিছপূৰ্ব অসমত বিদ্যমান, সেয়ে সেইসকল অসমৰ খিলঞ্জীয়া লোক হিচাপেই পৰিগণিত। এইসকলৰ বাহিৰেও, বৃটিছাধীন বা তাৰ পৰৱৰ্তী পৰ্যায়ত অসমলৈ ভালেকেইটা ধাৰাৰ মুছলমান লোকৰ আগমন ঘটে। বৃটিছে ১৮৩২ চনত, গোবিন্দ চন্দ্ৰ হাসনুৰ পৰা কাছাৰ দখল কৰি লোৱাৰে পৰা কাছাৰী মুছলমানসকল অসমৰ অন্তৰ্ভুক্ত হৈ পৰিল। ডিমাছা ৰজাৰ অধীনত, মজুমদাৰ, চৌধাৰী, লস্কৰ, বৰভূঞা আদি বিভিন্ন প্ৰশাসনিক দায়িত্ব পালন কৰা এইসকল মুছলমান অসমৰ সমাজ-জীৱনৰ অংশীভূত হৈ পৰিল। কালক্ৰমত কাছাৰী মুছলমান হিচাপে খ্যাত এইসকল লোক অসমৰ ভিন্ন প্ৰান্তলৈ প্ৰব্ৰজন কৰিবলৈ ধৰিলে। ইয়াৰে গৰিষ্ঠসংখ্যকে নগাঁও জিলাৰ হোজাই মহকুমাৰ কপিলী-যমুনা উপত্যকাত বসবাস কৰিবলৈ ল'লে। ১৮৭৪ চনত বৃটিছে অসমৰ লগত শ্ৰীহট্ট, ছিলেট আদি সুৰমা উপত্যকাৰ অঞ্চলসমূহ সংযোজিত কৰাত জমিদাৰী শাসনত পিষ্ট হোৱা মুছলমান লোকসকলৰ প্ৰব্ৰজন প্ৰক্ৰিয়াৰ সূচনা হ'ল। জমিদাৰী শোষণৰ পৰিৱৰ্তে, অসমৰ পতিত মাটিত সহজে আবাদী কৰি ল'ব পৰা ব্যৱস্থাই বংগদেশৰ মুছলমানসকলক বাৰুকৈয়ে আকৰ্ষিত কৰিছিল। এই আকৰ্ষণৰ ফলত আগমন ঘটিল ছিলেট জিলাৰ ছিলেটি মুছলমানসকলৰ। একালত কোচ ৰজাৰ অধীনস্থ ৰংপুৰ, মৈমনসিং। (মাই-মান-সিংহ) অঞ্চলত, হিন্দু ধৰ্মৰ গোড়ামিৰ বাবে যিসকল তথাকথিত অন্ত্যজ শ্ৰেণীৰ হিন্দুৱে ব্যাপক হাৰত ইছলাম ধৰ্মত দীক্ষিত হৈছিল, সেইসকল ৰংপুৰীয়া মৈমনসিঙীয়া মুছলমান লোকৰো আগমন ঘটিল। এইসকলৰ আগমনে, বিশেষকৈ ব্যাপক গো-চাৰণ ভূমি দখল কৰা কাৰ্যই, স্থানীয় লোকসকলৰ মনত ভীতিৰ সঞ্চাৰ কৰিলে। ফলত, আৰম্ভণিতে এইসকল লোকৰ মাজত সুদৰ ব্যৱসায় কৰা অসমীয়া মধ্যবিত্ত শ্ৰেণীয়ে প্ৰতিবাদ সাব্যস্ত কৰিবলৈ ধৰিলে। এনে প্ৰতিবাদৰ ফলতেই ১৯২০ চনত 'লাইনপ্ৰথা' নামৰ এক বেষ্টনী ব্যৱস্থা গঢ়ি তোলা হ'ল। ছাৰ ছাদুল্লা চাহাবৰ অধিক শস্য উৎপাদন নীতি গ্ৰহণৰ ফলত পুনৰ মুছলমান প্ৰব্ৰজনৰ প্ৰক্ৰিয়া আৰম্ভ হ'ল। ঢাকা, নোৱাখালি আদি বংগদেশৰ অঞ্চলসমূহৰ পৰা ঢাকাইয়া নোৱাখালি মুছলমানৰ আগমন ঘটিল। ইতিপূৰ্বে ভাৰত উপমহাদেশত গা কৰি উঠা মুছলিম লীগ ৰাজনীতিৰ প্ৰভাৱ পূৰ্ববংগত ব্যাপকভাৱে পৰিছিল আৰু তাৰে আলমতে অসমত মৌলানা আব্দুল ভাসানীৰ দৰে লোকে ৰাজনৈতিক কূচ-কাৱাজ আৰম্ভ কৰিলে। মৌলানা ভাসানীয়ে অসমত মুছলমান কৃষকক মাটি-বাৰী দিয়াৰ বাবে দাবী উত্থাপন কৰাতে সীমাবদ্ধ নাথাকি মুছলমান লোকক পূৰ্ণবাসন দিয়াতো হাত উজান দিলে। ভাসানী চৰৰ লেখীয়া অঞ্চল জন্মৰ আঁৰতো এনে কাৰকে ক্ৰিয়া কৰিছিল। মুছলমান সমাজকেন্দ্ৰিক, ছাদুল্লা-ভাসানীকেন্দ্ৰিক ৰাজনীতিৰ পৰিৱৰ্তে গোপীনাথ বৰদলৈ, অম্বিকাগিৰি ৰায়চৌধুৰী, নীলমণি ফুকন, ডেকাবেজ মাধৱ চন্দ্ৰ বেজবৰুৱা আদিয়ে এই প্ৰব্ৰজনক লৈ শংকা প্ৰকাশ কৰি অন্য এক ৰাজনীতিৰ জন্ম দিলে। অসম প্ৰাদেশিক বিধানসভাৰ বাহিৰে-ভিতৰে এই ৰাজনীতি গৈ এনে পৰ্যায় পাইছিল যে ছাদুল্লা চাহাবে গোপীনাথ বৰদলৈ, ৰোহিণী চৌধুৰী আদিৰ সৈতে এক বুজাবুজিত উপনীত

হ'বলগা হৈছিল। নীলমণি ফুকন, মাধৱ বেজবৰুৱা, অম্বিকাগিৰি ৰায়চৌধুৰী আদিয়ে, কংগ্ৰেছ সভাপতি জৱাহৰলাল নেহৰুক প্ৰব্ৰজন সমস্যাৰ সমাধান ব্যতিৰেকে স্বাধীন অসমৰ দাবী উত্থাপন কৰাৰ ভাবুকি প্ৰদান কৰিছিল। মুছলমানকেন্দ্ৰিক প্ৰব্ৰজনৰ এনে ৰাজনীতিৰ মাজেৰেই ভাৰতবৰ্ষ স্বাধীন হ'ল। প্ৰব্ৰজনৰ পৰা খিলঞ্জীয়া লোকক সুৰক্ষা প্ৰদানৰ বাবেই গোপীনাথ বৰদলৈয়ে জনজাতি খণ্ড আৰু বেষ্টনী নীতি প্ৰৱৰ্তন কৰিছিল। ইতিমধ্যে বিভাজিত দেশখনত হিন্দু ভগনীয়াৰ সমস্যা সৃষ্টি হ'ল। সমান্তৰালভাৱে একাংশ মুছলমানৰ পাকিস্তান যাত্ৰা আৰু পাকিস্থানৰ পৰা প্ৰত্যাৱৰ্তন প্ৰক্ৰিয়া আৰম্ভ হ'ল। নেহৰুৰ উদাসীন নীতি, গোপীনাথ বৰদলৈৰ অকাল মৃত্যু, বিষ্ণুৰাম মেধিৰ কাঠোৰ নিৰ্দেশনা আৰু সৰ্বতোপৰি বৰাক উপত্যকাৰ মইনুল হক চৌধাৰীৰ দৰে শক্তিশালী নেতাৰ প্ৰতিৰোধে— সমগ্ৰ প্ৰব্ৰজন প্ৰক্ৰিয়াকে জটিল কৰি পেলালে। পূৰ্ব পাকিস্তানৰ পৰা অহা লোকসকলৰ বিতাড়নৰ বাবে পি আই পি আঁচনিৰ অধীনত গ্ৰহণ কৰা কঠোৰ নীতিয়ে ভগনীয়া আৰু মুছলমানসকলক বিপাণ্ডত পেলালে। জনজাতি খণ্ড আৰু বেষ্টনীসমূহত, সংৰক্ষিত বনাঞ্চলসমূহত প্ৰব্ৰজনকাৰীয়ে কৰা বেদখল কাৰ্যই স্থানীয় লোকক সংশয়ৰ মাজলৈ ঠেলি দিয়ে। আনহাতে, মইনুল হক চৌধাৰীয়ে নেতৃত্ব দিয়া বৰাক উপত্যকাৰ লবী ৰাজনীতিয়ে দিল্লীলৈকে প্ৰভাৱ বিস্তাৰ কৰাত পি. আই. পি আঁচনি আধাডুখৰীয়া হ'ল। ৰাজনীতিৰ এনে ধামখুমীয়াৰ মাজতে, বাঙালী জাতীয়তাবাদী শক্তিৰ নেতৃত্বত বাংলাদেশৰ মুক্তিযুদ্ধৰ সূচনা হ'ল। ১৯৭১ চনত, বাংলাদেশৰ জন্ম হ'ল। সেই সময়ৰ ৰাজনৈতিক ধুমুহাই প্ৰব্ৰজনৰ হাৰ বৃদ্ধি কৰিলে। স্বাধীন বাংলাদেশৰ প্ৰভাৱ অৱশ্যে ইয়াতে ক্ষান্ত নহ'ল। বাংলাদেশৰ ৰাজনীতি বাঙালী জাতীয়তাবাদীৰ হাতৰ পৰা মৌলবাদী শক্তিৰ হাতলৈ গ'ল আৰু সিয়েই দেশখনত সামাজিক-ৰাজনৈতিক-অৰ্থনৈতিক অস্থিৰতাৰ জন্ম দিলে। কাজেই, দেশখনৰ অস্থিৰ অৱস্থাই প্ৰব্ৰজনক উৎসাহ যোগাই আহিছে আৰু তাৰ বাবেই অসমলৈ বাংলাদেশী লোকৰ প্ৰব্ৰজন চলি আছে।

সেয়ে, আজিৰ অসমৰ মুছলমান সমাজখন বুলিলে চমুকৈ ১৮২৬ চনৰ পূৰ্ববৰ্তী অৱস্থাৰ খিলঞ্জীয়া অসমীয়া মুছলমান, ১৮৩২ চনৰ পৰা ১৯৪৭ চনৰ ভিতৰত আহি স্থায়ীভাৱে বসবাস কৰাৰ লগতে জাতীয় ভাষা হিচাপে অসমীয়া ভাষাক মান্যতা প্ৰদান কৰা থলুৱা মুছলমানসকল, ১৯৪৭-১৯৭১ চনৰ ভিতৰত আহি, থিতাপি লৈ অসম চুক্তিৰ আধাৰত নাগৰিকত্ব লাভ কৰা নাগৰিক মুছলমানসকলক বুজিব লাগিব। এক দীৰ্ঘম্যাদী প্ৰব্ৰজন প্ৰক্ৰিয়াৰ মাজেৰে গৰিয়া-মৰিয়া-দেশী-ভাটিয়া-কাছাৰী, ছিলেটি-মৈমনসিঙীয়া-ঢাকাইয়া-নোৱাখালি মুছলমানসকল আহি এই অসম মুলুকত উপস্থিত হৈছে আৰু অসমৰ মুছলমান সমাজখন সৃষ্টি কৰিছে। সেয়ে অসমৰ মুছলমান সমাজখনক প্ৰব্ৰজনৰ ফচল হিচাপে অভিহিত কৰিব পাৰি।

অসমৰ মুছলমান ৰাজনীতি, মুছলমানে কৰা ৰাজনীতি আৰু মুছলমানক লৈ কৰা ৰাজনীতি

অসমৰ ৰাজনীতিত, জনসংখ্যাৰ ফালৰ পৰা মুছলমানসকল এক উল্লেখযোগ্য ফেক্টৰ।

যেনেদৰে, ৰাঁচী বজাৰৰ মাৰোৱাৰী, উজনি অসমৰ চাহ লৰী, কয়লাৰ বিহাৰী লৰীয়ে অসমৰ ৰাজনীতিত প্ৰভাৱ বিস্তাৰ কৰি আহিছে; ঠিক তেনেদৰে মুছলমান ৰাজনীতিয়েও প্ৰভাৱ বিস্তাৰ কৰি আহিছে। নক'লেও হ'ব যে অসমৰ বহু সমষ্টিত একক সংখ্যাগৰিষ্ঠতা, নিৰ্ণায়ক ভূমিকা ল'ব পৰাৰ বাবেই মুছলমান ৰাজনীতিৰ এই প্ৰভাৱ সৃষ্টি হৈছে। তদুপৰি ভাৰতীয় সংবিধান অনুসৰি মুছলমানসকলে ধৰ্মীয় সংখ্যালঘুৰ মৰ্যাদা পাইছে। যদিও অসমত ধৰ্মীয় সংখ্যালঘু বুলিলে শিখ, টাই, বৌদ্ধ আদিকহে বুজাব লাগে, তথাপি সংবিধানৰ পৰশ পাথৰৰ স্পৰ্শত, এক বৃহৎ সংখ্যক জনসংখ্যাৰ মুছলমানসকলেই 'ধৰ্মীয় সংখ্যলঘু' হৈ পৰিছে। এই ধৰ্মীয় সংখ্যালঘু অভিধাৰ ইমানেই মোহিনী শক্তি আছে যে কংগ্ৰেছ (ই)ৰ কথা বাদেই, অগপৰ দৰে জাতীয়তাবাদী, ভাজপাৰ দৰে মুছলমান বুলিলেই সাত জাঁপ মৰা কট্টৰ হিন্দুত্ববাদী দলেও একো একোটা ধৰ্মীয় সংখ্যালঘু কোষৰ জন্ম দি লৈছে। ৰাজনৈতিক দলসমূহে গ্ৰহণ কৰা এনে পদক্ষেপৰ বাবেই ধৰ্মীয় সংখ্যালঘুৰ গইনা লৈ আসন বুজাবুজি, ভোট বেংক ভাগ-বটোৱাৰা আদিৰ প্ৰৱণতা বৃদ্ধি পাইছে। ইয়াৰ ফলত কেইজনমান 'ৰঙা লাইট' লাভ কৰা মন্ত্ৰী-বিধায়কৰ সৃষ্টি হৈছে যদিও সমগ্ৰ জনসমাজখনৰ সাৰ্বিক উন্নয়নৰ প্ৰক্ৰিয়া স্থবিৰ হৈ পৰিছে। তেনেদৰে সংখ্যালঘু দৃষ্টিকোণেৰে কেতবোৰ যুৱ-ছাত্ৰ সংগঠন, ধৰ্মীয় সংগঠন আদিৰ জন্ম হৈছে। এনে সংগঠনসমূহে নিৰ্বাচনৰ সময়ত শাসনলৈ কোন দল আহিব তাৰ হিচাপ কৰি, ভোট দৰদামৰ ৰাজনীতি কৰিব খোজে আৰু নিৰ্বাচনৰ পৰৱৰ্তী পৰ্যায়ত ঢোলৰ লগত টেমেকা হৈ স্ব-স্বাৰ্থ পূৰণত ব্যস্ত হৈ পৰে। কিন্তু 'কেৱল ধৰ্মীয় সংখ্যালঘু' এই শব্দপুঞ্জ, হজৰত মহম্মদ ছাঃৰ বাণী যেন গণ্য কৰা এই সমূহ দল, সংগঠনৰ সামগ্ৰিক সমাজ-জীৱনলৈ অৰিহণা কি বুলিলে এক নএগাৰ্থক উত্তৰহে ওলাব। বানপানীৰ দৰে দুৰ্যোগত সাহায্য প্ৰদান কৰা, খৰালি বাজ লৈহিকল আয়োজন কৰা, তবলিগ পৰিচালনা কৰা আদি দুই-এটা কাম বাদ দি, এনে ধৰ্মীয় যুৱ-ছাত্ৰ দল-সংগঠনসমূহে সামগ্ৰিকভাৱে সমাজখনৰ উত্তৰণত বিশেষ অৰিহণা যোগাব পৰা নাই। সেইদৰে, অসমৰ জাতীয় সমস্যাসমূহৰ ক্ষেত্ৰতো এনে দল-সংগঠনে বিশেষ মাত-মতা দেখা নাযায়, সক্ৰিয় অংশগ্ৰহণ দূৰৰে কথা! কাজেই, আজিৰ তাৰিখত অসমৰ মুছলমান সমাজখনে কৰি অহা ৰাজনীতি অসমৰ সমাজ-জীৱনৰ বাবে বিশেষ উদ্দীপক নহয়।

কিন্তু, যিসমূহ দিশ একেবাৰে অস্বীকাৰ কৰিব নোৱাৰি সেইসমূহৰ প্ৰভাৱ ব্যাপক। ধৰ্মীয় সংখ্যালঘু অভিধাৰে সমগ্ৰ অসমৰ মুছলমান সমাজখনক বান্ধি পেলোৱাৰ বাবে আটাইতকৈ বেছি ক্ষতিৰ সন্মুখীন হৈছে অসমৰ জাতীয় জীৱনৰ এৰাব নোৱাৰা অংশ গৰিয়া-মৰিয়া দেশী হিচাপে খ্যাত খিলঞ্জীয়া অসমীয়া মুছলমান সমাজখন। 'ধৰ্মীয় সংখ্যালঘু'ৰ আসন ভাগ-বটোৱাৰা কৰা 'মিউজিকেল চেয়াৰ'ৰ খেলখনত অসমীয়া মুছলমানৰ খিলঞ্জীয়া অংশটো বঞ্চিত হ'বলগা হয়েই, আন সা-সুবিধাৰ পৰাও বঞ্চিত হ'ব লগাত পৰিছে। সেইদৰে 'ধৰ্মীয় সংখ্যালঘু' ধাৰণাই বৃহত্তৰ অসমীয়া জাতীয় জীৱনত নাগৰিক মুছলমানসকলক সৰ্বাত্মক ৰূপত অংশগ্ৰহণ কৰা প্ৰক্ৰিয়াত বাধাৰ সৃষ্টি কৰিছে। অথচ ১৮৭৪-১৯৪৭ চনৰ সময়ছোৱাত অসমৰ মুছলমান সমাজখনৰ অগ্ৰণী নেতৃবৃন্দই

এক গতিশীল ভূমিকা পালন কৰিব পাৰিছিল। অসমৰ জাতীয় জীৱনৰ প্ৰতি চৈয়দ ছাদুল্লা, ফকৰউদ্দিন আলী আহমেদ, আতাউৰ ৰহমান, কেৰামত আলী, আলী আহমেদ, ওচমান আলী সদাগৰ আদি নেতৃবৃন্দই আগবঢ়োৱা বৰঙণি কোনেও উপেক্ষা কৰিব নোৱাৰে। আতাউৰ ৰহমান, ওচমান আলী সদাগৰ আদিৰ সবল নেতৃত্বৰ বাবেই ১৮৩২-১৯৪৭ চনৰ সময়ছোৱাত প্ৰব্ৰজন কৰা মুছলমান সম্প্ৰদায়ৰ লোকসকলে অসমীয়া ভাষাক মান্যতা প্ৰদান কৰিছিল। অদ্যাপি অসমীয়া ভাষাক শিক্ষাৰ মাধ্যম কৰি, ভাষা-সাহিত্য চৰ্চাৰ মাজেৰে বৰঙণি আগবঢ়োৱা, আনকি জাতীয় প্ৰতীক গামোচাখনক গ্ৰহণ কৰি, এইসকল লোকে অসমৰ থলুৱা লোক বা থলুৱা অসমীয়া মুছলমান হিচাপেই মান্যতা লাভ কৰিছে। কিন্তু স্বাধীনতাৰ পৰৱৰ্তী সময়ছোৱাত, ধৰ্মীয় সংখ্যালঘু অভিধাৰ ব্যাপক প্ৰসাৰ-প্ৰচাৰ হোৱাৰ লগে লগে এই প্ৰক্ৰিয়াৰ যতি পৰি এক ইনক্লুছিভ চৰিত্ৰইহে প্ৰাধান্য লাভ কৰিলে। যাৰ বাবে নাগৰিক মুছলমানসকলক ভিত্তি কৰিয়েই মইনুল হক চৌধাৰীৰ দৰে নেতাই সংখ্যালঘু ৰাজনীতি কৰি নিশাৰ ভিতৰতে অসমৰ মুখ্যমন্ত্ৰী সজাব পাৰে, গোলাম ওচমানিৰ দৰে নেতাই ইউ, এম, এফ কৰি বাঙালী জাতীয়তাবাদক উচটনি দিব পাৰে, মাদানীৰ দৰে নেতাই অসমৰ নিৰ্বাচিত মুখ্যমন্ত্ৰীক ছমাহৰ ভিতৰতে গাদীৰ পৰা নমোৱাৰ ৰাজহুৱা হুংকাৰ দিব পাৰে, বদৰউদ্দিন আজমলৰ দৰে নেতাই লুঙী-টুপীৰ দৰে বাংলাদেশী পোছাক পৰিধান কৰি (অসমীয়া মুছলমানৰ পোছাক টুপী-পায়জামা-পাঞ্জাবী, যাক বহলভাৱে দেখা যায়) বিধানসভাত প্ৰৱেশ কৰি 'বাংলাদেশী ৰাজনীতি' কৰিব পাৰে। নিঃসন্দেহে, এনে ঘটনাই জাতীয় সংমিশ্ৰণ প্ৰক্ৰিয়াক ক্ষতিগ্ৰস্ত কৰাৰ লগতে নাগৰিক মুছলমানসকলৰ আভ্যন্তৰীণ ৰাজনৈতিক উদ্দেশ্যৰ প্ৰতিও সন্দেহ জাগ্ৰত কৰিব পাৰে।

সেইদৰে সমগ্ৰ বিষয়বস্তুৱেই যিহেতু ভোট বেংক ৰাজনীতিৰ লগত অৰ্থাৎ ভোট বেংকৰ পৰিসৰ বৃদ্ধিৰ লগত জড়িত, সেয়ে দেখা যায় যে অসমৰ পৰা বিদেশী বিতাড়নৰ প্ৰশ্নত অসমৰ থলুৱা আৰু নাগৰিক মুছলমান সমাজখন কিছু পৰিমাণে দ্বিধাগ্ৰস্ত। অসম চুক্তি অনুসাৰে ১৯৭১ চনৰ ২৫ মাৰ্চক সীমাৰেখা কৰি লোৱাৰ পিছত, তাৰ পিছত অহাসকল নিঃসন্দেহে বিদেশী বুলি গণ্য হৈছে আৰু এইসকল বিতাড়নৰ যোগ্য। নীতিগতভাৱে এই কথা থলুৱা আৰু নাগৰিক মুছলমানসকলে মানি লৈছে যদিও, ইয়াৰ কাৰ্যকৰীকৰণৰ বাবে কোনো দাবী উত্থাপন কৰা বা অন্যান্য পদক্ষেপ হাতত লোৱা দেখা নাযায়। বৰং, বিদেশী বিতাড়নৰ প্ৰসংগ আহি পৰিলেই বিষয়টোক লৈ হুলস্থুল সৃষ্টি কৰে। সম্প্ৰতি অসমৰ ৰাজনীতিত জন্মলাভ কৰা সংযুক্ত গণতান্ত্ৰিক মৰ্চা বা এ ইউ ডি এফ দলৰ কথাই ক'ব পৰা যায়। উচ্চতম ন্যায়ালয়ে বিতৰ্কিত আই এম ডি টি আইনখন বাতিল কৰা বাবেই এ ইউ ডি এফৰ জন্ম হ'ল। উচ্চতম ন্যায়ালয়ত অসমৰ কংগ্ৰেছ (ই) চৰকাৰে দাখিল কৰা শপতনামাক দুৰ্বল বুলি অভিহিত কৰি, কংগ্ৰেছ (ই)ৰ হাতত ধৰ্মীয় সংখ্যালঘুৰ ভৱিষ্যৎ নিৰাপদ নহয় বুলি গণ্য কৰি, ত্ৰাণকৰ্তাৰ ভূমিকা পালন কৰিবলৈকে জন্ম হ'ল এ ইউ ডি এফ। তাৎপৰ্যপূৰ্ণভাৱে, এ ইউ ডি এফ জন্মৰ আঁৰত থকা গৰিষ্ঠসংখ্যক লোকেই পিছে অসমৰ থলুৱা মুছলমান হিচাপে পৰিচিত। যিহেতু সন্দেহযুক্ত বিদেশীক কৰায়ত্ত কৰিলেই এনে দল-সংগঠনে হাঁয়ে-বিয়ে লগায়, নিজেও বিদেশী খেদাৰ বাবে কোনো কাৰ্যকৰী

পদক্ষেপ হাতত নলয়, তেতিয়াহ'লে বুজিব লাগিব যে শেষ বিচাৰত এই দলসমূহেও ভোট বেংকৰ ৰাজনীতি কৰে। কিয়নো যিমানেই দেশী-বিদেশী মিলি ভোট বেংকৰ সংখ্যা বাঢ়িব সিমানেই ভোটৰ ৰাজনীতিত কদৰ বাঢ়িব। প্ৰচলিত সংসদীয় ৰাজনীতিৰ মাজত মুছলমান ৰাজনীতিৰ এই বিন্যাস দেখাৰ লগে লগে, সংসদ বহিৰ্ভূত আন এক ৰাজনীতিৰো প্ৰসাৰ অসমৰ মুছলমান ৰাজনীতিত দেখা গৈছে। মৌলবাদ হিচাপে খ্যাত এই ৰাজনীতি আজি বিশ্ব ৰাজনীতিৰ এক চিনাকি নাম। বিশ্ব ৰাজনীতিৰ এই ঢৌ ইতিমধ্যে চুবুৰীয়া বাংলাদেশ হৈ অসমলৈ আহিছে। যি বাঙালী জাতীয়তাবাদে আজিৰ বাংলাদেশৰ জন্ম দিছিল, এই বাঙালী জাতীয়তাবাদক ধূলিসাৎ কৰি আজি মৌলবাদে গা কৰি উঠিছে। ইণ্ডোনেছিয়াৰ মুছলমানৰ লেখীয়াকৈ, বাঙালী মুছলমানেও শেহতীয়াভাৱে মাতৃভাষা বাঙালীৰ পৰিবৰ্তে আৰবীকহে গুৰুত্ব প্ৰদান কৰিছে।

বাংলাদেশৰ এই ৰাজনীতিয়ে অসমৰ মুছলমান সমাজখনতো ব্যাপক প্ৰভাৱ পেলাইছে। বিশেষকৈ যিসকল মুছলমান ১৯৪৭ চনৰ পাছত অসমত প্ৰৱেশ কৰি নাগৰিকত্ব লাভ কৰিছে সেইসকলৰ শিপা এতিয়াও বাংলাদেশত থকাৰ সূত্ৰেই হওক বা বাংলাদেশৰ মনঃস্তাত্ত্বিক গঠনৰ পৰা মুক্ত হ'ব নোৱৰাৰ বাবেই হওক, সেইসকলৰ মাজত মৌলবাদী চিন্তা-চৰ্চাৰ প্ৰসাৰ লাভ কৰিছে। সংবাদপত্ৰত প্ৰকাশ পোৱাৰ লেখীয়াকৈ একুৰি উগ্ৰপন্থী সংগঠনৰ আৱিৰ্ভাৱ, তালিবানক অনুসৰণ কৰি শ্বৰিয়তৰ বিধান কঠোৰভাৱে পালনৰ নামত বোৰ্খাৰ ব্যাপক প্ৰচলন, তবলিগি জামাতৰ ব্যাপক সংগঠন গঢ় লৈ উঠিছে। অসমৰ সাঁচিগছক লৈ আন্তঃৰাষ্ট্ৰীয় ব্যৱসায় কৰা কোটিপতি আগৰ ব্যৱসায়ীয়ে আন্তঃৰাষ্ট্ৰীয় নেটৱৰ্কৰ মাজেৰে সংগ্ৰহ কৰা ব্যাপক হাৰৰ পেট্ৰ' ডলাৰ বিনিয়োগ কৰিছে মাদ্ৰাছা শিক্ষাৰ দৰে জাতীয়তাবিৰোধী, বিজ্ঞানবিৰোধী শিক্ষা বিস্তাৰ কাৰ্যত। ধৰ্মৰ নামত চুবুৰিয়ে চুবুৰিয়ে মছজিদ গঢ়ি তোলা হৈছে, য'ত চুন্নত নিদিয়া শিশুকো লুঙি-টুপী-লাল গামুছা পৰিধান কৰিবলৈ বাধ্য কৰাই মছজিদৰ 'মেচাব'সকলে অবৈজ্ঞানিক শিক্ষাৰ পোহাৰ মেলিছে। কাজেই মৌলবাদী চিন্তাৰ উত্থান, প্ৰসাৰ আৰু প্ৰচাৰে মুছলমান সমাজখনক ক্ষতি কৰিছেই, লগতে আন আন সমাজৰ পৰা বিলগ্ন কৰি মানসিক দূৰত্ব বৃদ্ধি কৰিছে। অৱশ্যে মুছলমান সমাজখনত মৌলবাদী চিন্তাচৰ্চাৰ বিকাশ হোৱাৰ বাবে সমাজ গণতান্ত্ৰিকীকৰণ নোহোৱা বা ভাৰতত উত্থিত হিন্দু সাম্প্ৰদায়িকতাবাদৰ দৰে কাৰকসমূহো দায়ী।

অসমৰ মুছলমান সমাজখনে প্ৰচলিত ব্যৱস্থাৰ বাহিৰে-ভিতৰে কৰি অহা এনে ৰাজনীতিৰ বিপৰীতে, অন্য এক ৰাজনীতিক পৰিমণ্ডলৰো সৃষ্টি হৈছে। প্ৰব্ৰজন প্ৰক্ৰিয়াৰ ফলত মুছলমান লোকৰ সংখ্যাবৃদ্ধি হোৱা কাৰকসমূহক 'মেনিপুলেচন' কৰি খিলঞ্জীয়া জন সম্প্ৰদায়সমূহৰ মাজত অস্তিত্বৰ প্ৰশ্ন জাগ্ৰত কৰি দিয়া হৈছে। যাৰ বাবে, বহিৰাগত বিতাড়নৰ দৰে গুৰুত্বপূৰ্ণ বিষয়ক লৈ সূচনা হোৱা ঐতিহাসিক অসম আন্দোলনক ঠেলি-হেঁচি বাংলাদেশী বিতাড়ন বা স্থূল অৰ্থত 'মিঞা খেদা আন্দোলন'লৈ পৰ্যবসিত কৰা হৈছিল। আন্দোলনৰ অন্তত চুক্তি হ'ল যদিও কিমানজন বিদেশী বিতাড়ন হ'ল সি সন্দেহজনক। ফলত হতদ্ৰৱিদ্ৰ মুছলমান লোক দেখিলেই 'বিদেশী' বোলাৰ এটি সামাজিক মনঃস্তত্ত্বৰ

সৃষ্টি হ'ল, যাৰ উদাহৰণ চিৰিং-চাপৰি ঘটনাৰ পৰাই দিব পাৰি। এই ভূতৰ পৰা সামগ্ৰিকভাৱে সমাজ-জীৱন মুক্ত হ'ব পৰা নাই বাবেই, এই শংকা-সন্দেহ-সংশয়ক মূলধন হিচাপে লৈ অসমত কইনাখোজেৰে ভাৰতীয় হিন্দুত্ববাদী সাম্প্ৰদায়িক শক্তিসমূহৰ প্ৰৱেশ ঘটিব পাৰিছে।

সেইদৰে অসমৰ থলুৱা আৰু নাগৰিক মুছলমানসকলক লৈ লেতেৰা সংসদীয় ৰাজনীতি চলি আছে। ৰেচন কাৰ্ড, ভোটাৰ লিষ্ট, গাঁওবুঢ়াৰ প্ৰমাণপত্ৰ, চঞ্চ' বিষয়াৰ আয়ৰ প্ৰমাণপত্ৰ, জন্ম-মৃত্যুৰ পঞ্জীয়ন প্ৰমাণপত্ৰ, পঞ্চায়ত কাৰ্যালয়ৰ বি. পি এল কাৰ্ড, ৰেজিষ্টাৰ অফিচৰ মাটিৰ দলিল, আদালতৰ শপতনামালৈকে সকলোতে এক বিৰাট কাৰবাৰ। এইসকল লোকক জীৱন-জীৱিকা সুৰক্ষিত কৰাৰ লগতে মৌলিক মানৱ অধিকাৰ প্ৰদানৰ পৰিবৰ্তে এক অনিশ্চয়তা, দোদুল্যমানতাৰ মাজত ৰাখি ৰাজনীতিৰ পথাৰত 'মাদাৰীনৃত্য' দেখুওৱা হৈছে। অস্বীকাৰ কৰা হৈছে গণতান্ত্ৰিক মূল্যবোধ, পৰম্পৰা। সমাজখনৰ ন্যূনতম একোটা অংশক ক্ষমতা আৰু ধনৰ পাহাৰত নিমগ্ন কৰাই বাকী গৰিষ্ঠসংখ্যককে এক অনিশ্চয়তা, অনগ্ৰসৰতা, ভৱিষ্যতহীন পৰিৱেশলৈ ৰাজনৈতিক চতুৰালিৰে ঠেলি দিয়া হৈছে।

জাতীয় জীৱনতে নিহিত আছে ভৱিষ্যতৰ সোপান

সময়ৰ পাক লগা কেঁকুৰিত আহি থিয় হৈছেহি অসমৰ মুছলমান সমাজ। নেতৃত্বহীনতা, 'ধৰ্মীয় সংখ্যালঘু' ধাৰণাত আত্মবিস্মৃত হ'ব ধৰা খিলঞ্জীয়া অসমীয়া মুছলমান সমাজ আজি জৰাগ্ৰস্ত। আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰামত ক্লান্ত থলুৱা মুছলমান সমাজ। নাগৰিক মুছলমান সমাজ দ্বিধাগ্ৰস্ত। তাৰ মাজতেই বাৰিষা নদীৰ ভাঙনে বাস্তুহাৰা কৰা মানুহ জীৱিকাৰ তাড়নাত চহৰ-নগৰত ভিৰ কৰেহি। ঠিকাদাৰ, বিল্ডাৰ, ব্যক্তিগত নিৰ্মাণ প্ৰতিষ্ঠানত সস্তীয়া শ্ৰমিক হিচাপে আত্মনিয়োজন কৰিছে। ৰিক্সা-ঠেলা চলাই, পাচলি ব্যৱসায় কৰি, ট্ৰাকত গধুৰ মাল বোজাই কৰি, কোক উদ্যোগত দূষিত বায়ু সেৱন কৰি জীৱন নিৰ্বাহ কৰা মুছলমানসকলৰ একাংশক হাটে-বাটে লগ পাই, শিয়ঁৰি উঠিছে তেওঁলোকৰ শ্ৰমৰ ওপৰতে ভিত্তি কৰি চলি থকা নগৰীয়া মানুহ। এইসকলক লৈ ৰাজনীতি চলিছে, চলিছে সিৰ ফুলোৱা বক্তৃতা। তাকে মূলধন কৰি নিৰ্বাচনী বজাৰ গৰম হৈ উঠিছে। এশটকীয়া নোটৰ খচ্‌খচনিত ভোটৰ ৰাজনীতি আৰম্ভ হৈছে। পণ্যৰ দৰে নিশাটোৰ ভিতৰতে বিক্ৰী হৈ যায় মোল্লা-মৌলবীৰ দল। টাটা ছুমু, ইণ্ডিকাত উঠি, এশ বিশ পাণ খাই, মছজিদে মছজিদে আৰম্ভ কৰি দিয়ে মগজু বিক্ৰীৰ অভিযান। মাজে মাজে এই নিঃস্ব মানুহৰ ভঙা পঁজা, হাঁড় ওলোৱা বুকু, পঁয়া লগা ল'ৰা-ছোৱালীৰ ফটোগ্ৰাফ, ভিডিঅ' ক্লিপিং উপস্থিত হয়গৈ আৰবৰ তেলকুবেৰৰ চ'ৰাঘৰ। আল্লাহৰ নামত, জাকাতৰ নামত পেট্ৰ' ডলাৰ আহি পৰেহি এন জি অ'ৰ হাতত। সেই ধনেৰে মাদ্ৰাছা-মছজিদ সাজি দিয়া হয়। দেওবন্ধ বা বাঁশকান্দি ফেৰৎ হাফিজ মৌলানা আলহাজসকলে আৰম্ভ কৰে স্থানীয় পৰিৱেশ-পৰিস্থিতিৰ লগত খাপ নোখোৱা শিক্ষা। আল্লাহৰ নামত তবলিগিসকলে মছজিদে মছজিদে মন্থন কৰে ধৰ্মীয় ব্যাখ্যাৰ নামত

অবৈজ্ঞানিক ধ্যান-ধাৰণাৰ চৰ্বিত-চৰ্বন। দুনিয়াৰ জায়েজ-নাজায়েজ, পাক-নাপাকৰ ব্যাখ্যা-টিপ্পনীৰে কৰা হয় মানুহৰ মগজ ধোলাই। অৱৰুদ্ধ কৰা হয় নাৰীৰ অধিকাৰ। বোৰ্খাবৃত্ত নাৰীয়ে তিন্-তালাকৰে হেৰুৱাব লগা হয় নিজ সত্তা। পুনৰ আহে নিৰ্বাচন— টাটা ছুমু-ইণ্ডিকা, মোল্লা-মৌলবীৰ দল।

বাস্তৱৰ এই ৰূপ দেখি বিভ্ৰান্ত হৈ পৰিছে আধুনিক শিক্ষা-সংস্কৃতিৰ পোহৰ লাভ কৰি, চাকৰি-বাকৰি, ব্যৱসায়-বাণিজ্য কৰি গঢ় লৈ উঠা মধ্যবিত্ত সমাজ। কোন সঁচা, কোন মিছা! বাঁশকান্দি, দেওবন্দ সঁচানে, গুৱাহাটী বিশ্ববিদ্যালয়-নেহু-জে এন ইউ সঁচা? বোৰ্খাবৃত্ত যুৱতীয়ে কম্পিউটাৰ কী বৰ্ডত আঙুলি বুলাই থকা ছবিবোৰ সঁচানে, লেপ্‌টপ লৈ পদাৰ্থ বিজ্ঞানৰ পৰা সমাজ বিজ্ঞানলৈকে গৱেষণামূলক বক্তৃতা প্ৰদান কৰা নাৰীৰ আলোকচিত্ৰ সঁচা? ইয়াকে ঠাৱৰ কৰিব নোৱাৰি অধিকাংশই ধৰ্মৰ নামত নিজৰ সত্তা অৰ্পণ কৰে মোল্লা-মৌলবীৰ হাতত। অৱশ্যে তাৰে একাংশই ইয়াৰ মাজতে আৰম্ভ কৰিছে বহু কাফেৰ পন্থা। ছোৱালীক বিদ্যালয়লৈ পঠাইছে। ল'ৰাক ডাক্তৰ-ইঞ্জিনিয়াৰ পঢ়াইছে। যুক্তি-বিজ্ঞান-সাহিত্য-সংস্কৃতি চৰ্চাত আত্মনিয়োগ কৰিছে। সংখ্যাত কম হ'লেও এইসকলেই আৰম্ভ কৰিব লাগিব প্ৰকৃত যাত্ৰা। সমাজখনত মোল্লা-মৌলবী প্ৰভাৱ হ্ৰাস কৰি নিজস্ব কৰ্তৃত্ব স্থাপন কৰিব লাগিব। সমাজৰ মাজলৈ লৈ যাব লাগিব আধুনিক বিজ্ঞান, সাহিত্য-সংস্কৃতি-চিন্তা-চৰ্চাক।

অসমৰ জাতীয় জীৱনৰ যি সত্তা, যি ঐতিহ্যৰ ভেটি, আজানদেউ ফকিৰৰ চুফীবাদী দৰ্শনৰ পৰিমণ্ডল, তাৰ আধাৰত জাতীয় জীৱনৰ লগত সংমিশ্ৰিত হোৱাৰ বাহিৰে গতি নাই এতিয়াও এই প্ৰক্ৰিয়াৰ বাহিৰত বৈ যোৱা অসমৰ মুছলমান সমাজখনৰ একাংশৰ। এইসকলে যিমানেই চেষ্টা নকৰক, আৰবীয় ধন, উত্তৰ প্ৰদেশৰ চিন্তা, বাংলাদেশৰ ৰাজনীতি, মাদানী চাহাবৰ দোৱাৰে অসমৰ মুছলমান সমাজক নিয়ন্ত্ৰণ কৰাৰ বাবে সেই চেষ্টা ব্যৰ্থ হ'ব। কিয়নো, অসমৰ সামূহিক জীৱনধাৰা জাতীয় ঐতিহ্যৰ প্ৰতিহে সন্মানশীল, সহনশীল।

সেইদৰে ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰৰ যি আভ্যন্তৰীণ ঔপনিবেশিক শোষণ প্ৰক্ৰিয়া, তাৰ পৰা অসমৰ মুছলমান সমাজখনো পৃথক নহয়। চমু অৰ্থত অসমৰ মুছলমান সমাজখনো একেখন জাতৰে মাহ। গতিকে, আজি অসমৰ সচেতন প্ৰজন্মই ভাৰতীয় আভ্যন্তৰীণ ঔপনিবেশিকতাৰ প্ৰতি তাত্ত্বিক আৰু প্ৰায়োগিক দিশত মুখৰ হৈ উঠাৰ সময়ত অসমৰ মুছলমান সমাজখনো আগবাঢ়ি আহি জাতীয় আত্মনিয়ন্ত্ৰণ অধিকাৰ প্ৰতিষ্ঠা, সম্পদৰ ওপৰত অধিকাৰ প্ৰতিষ্ঠাৰ সংগ্ৰামখনতো চামিল হোৱাৰ প্ৰয়োজনীয়তা আছে। কেৱল এনে সংগ্ৰামৰ পথাৰত চামিল হোৱাৰ মাজেৰেহে ব্যৰ্থ কৰিব পৰা যাব শাসকৰ নিৰ্বাচনী ৰাজনীতিৰ ভেল্কীবাজী, 'বিদেশী' খেলৰ মাদাৰী নৃত্যৰ দৰে কূট-কৌশল। অসমৰ মুছলমান সমাজখনক তুৰুপৰ তাচপাত হিচাপে ব্যৱহাৰ কৰা প্ৰক্ৰিয়াক এনেদৰে প্ৰতিহত কৰিব পৰা যাব।

অসমৰ সামগ্ৰিক সমাজ-জীৱনৰ উত্তৰণৰ স্বাৰ্থত সহ-অৱস্থান, সম-অধিকাৰ যদি নীতি হয়, জাতীয় জীৱন যদি প্ৰেৰণাৰ অমল উৎস হয়, সংগ্ৰামী ধাৰা যদি কৌশল

হয়— তেন্তে সকলো ঐক্যবদ্ধভাৱে আগবাঢ়ি যোৱাত বাধা ক'ত? শংকৰ-আজানৰ দেশ বুলি গৰ্ব কৰা অসমবাসীয়ে আজানদেৱৰ চুফীবাদৰ দ্বাৰা প্ৰভাৱান্বিত হোৱাৰ বাবে 'আজান ফকিৰ দিৱস' নামেৰে একোটা অনুষ্ঠান পতাত বাধা ক'ত? অসমীয়া ভাষাক স্বকীয় ভাষা হিচাপে মান্যতা প্ৰদান কৰি গামোচাক জাতীয় প্ৰতীক হিচাপে আদৰি অসমৰ থলুৱা মুছলমান সমাজে যি আৰ্হি তাহানিতে স্থাপন কৰিলে, সেই আৰ্হিক বৰাক-ব্ৰহ্মপুত্ৰই সন্তানলৈকে স্থাপন কৰাত বাধা ক'ত? ধৰ্ম নিৰপেক্ষ জাতীয় উৎসৱ বিহুৰ দৰে সাংস্কৃতিক উৎসৱক অসমৰ থলুৱা আৰু নাগৰিক মুছলমান সমাজে আদৰি ল'লে, প্ৰসাৰ আৰু প্ৰচাৰ কৰিলে অন্ততঃ আজি চাদৰ-মেখেলা পিন্ধি বিদ্যালয়লৈ যোৱা ছাত্ৰীসকলৰ ভৱিষ্যৎ 'বোৰ্খা সংস্কৃতি'ত আচ্ছন্ন নহ'ব বুলিয়েই আমাৰ সহজ বিশ্বাস। এইসমূহ দিশত, এলাহ-জড়তা নেতৃত্বহীনতাক আওকাণ কৰি, অসমৰ খিলঞ্জীয়া মুছলমান সমাজে হাতে-কামে লগাৰ বাবে আগবাঢ়ি আহিব নোৱাৰেনে? ই আজিৰ তাৰিখৰ অতি মূল্যবান প্ৰশ্ন।

পূৰ্বপ্ৰকাশ ঃ সাতসৰী, ছেপ্টেম্বৰ/২০০৮

৯ চিত্ৰাংগদা-বভ্ৰুবাহনে আৰু সহ্য নকৰে অৰ্জুনৰ অপমান

ভাৰতীয় মহাকাব্য মহাভাৰতত এটা উপ-কাহিনী আছে। তৃতীয় পাণ্ডৱখ্যাত অৰ্জুনে বনবাসৰ সময়ছোৱাত বোলে মগলু দেশলৈ আহিছিল। এই মগলু দেশৰে ৰূপৱতী কন্যা চিত্ৰাংগদাক বিয়া পাতি, কোলাত বভ্ৰুবাহন নামৰ এটি সন্তান দি হস্তিনাপুৰলৈ প্ৰত্যাগমন কৰে। পৰৱৰ্তী কালত যুধিষ্ঠিৰৰ অশ্বমেধ যজ্ঞৰ ঘোঁৰাৰখীয়া হৈ পুনৰ মগলু দেশলৈ আহি অৰ্জুন বভ্ৰুবাহনৰ হাতত পৰাস্ত হয়। সৰ্বশেষত বভ্ৰুবাহনক পিতৃ পৰিচয় প্ৰদানেৰে অৰ্জুনে মুক্তি লাভ কৰে আৰু স্ব-ৰাজ্যলৈ ঘূৰি যায়। কথিত আছে যে মহাভাৰতত উল্লেখ কৰা সেই মগলু দেশেই বোলে আজিৰ মণিপুৰ। উপৰুৱাভাৱে চালে ই এক কাহিনী যদিও ইয়াৰ আভ্যন্তৰীণ তাৎপৰ্য বিচাৰ কৰি চাবলগীয়া। এটা স্বতন্ত্ৰ সভ্যতাৰ অধিকাৰী মণিপুৰী বা মেইটেসকলক সংস্কৃতায়ন কৰা প্ৰক্ৰিয়াৰ ই এক নমুনা। আৰ্য অধ্যুষিত ভাৰতবৰ্ষৰ শাসকবৰ্গ তথা ইয়াৰ সাংস্কৃতিক সম্প্ৰসাৰণৰ প্ৰবক্তাসকলে স্থানীয় জনগোষ্ঠীসমূহক আৰ্যীকৰণ বা সংস্কৃতায়ন প্ৰক্ৰিয়াত আবদ্ধ কৰাৰ ই এক পুৰণি কৌশল। এই কৌশলৰ আশ্ৰয় গ্ৰহণ কৰিয়েই জনগোষ্ঠীসমূহৰ সাংস্কৃতিক স্বকীয়তাক ধ্বংস কৰাৰ পৰিকল্পনা কৰা হয়। মণিপুৰ এইক্ষেত্ৰত এক উদাহৰণহে মাত্ৰ। আনহাতে কাহিনীটোৰ আন এক ব্যাখ্যা আছে। সেই তাহানিৰে পৰা ভাৰতবৰ্ষৰ শাসকগোষ্ঠী বা ইয়াৰ প্ৰতিনিধিয়ে মণিপুৰৰ মেইতেসকলৰ লেখীয়া ক্ষুদ্ৰ জনগোষ্ঠীসমূহৰ প্ৰতি কেনে দৃষ্টিভংগী গ্ৰহণ কৰি আহিছে তাক এই কাহিনীয়ে প্ৰমাণ কৰিছে। ভাৰতীয় আৰ্য হিন্দু শাসকৰ অন্যতম আৰাধ্য বীৰ অৰ্জুনে মণিপুৰলৈ আহি

মণিপুৰৰ ৰূপৱতী কন্যাক নানা ছলনাৰে বিয়া পাতি(?) সন্তানৰ মাতৃ কৰিছিল। সেই সন্তানক কোনোধৰণৰ স্বীকৃতি প্ৰদান নকৰি তেওঁ মণিপুৰৰ কন্যা চিত্ৰাংগদাক অবৈধ মাতৃত্বৰ বোজা জাপি দিছিল।

তিনি হেজাৰ বছৰ বাগৰি যোৱাৰ পিছতো পৰিস্থিতি কিন্তু অপৰিৱৰ্তনীয় হৈয়ে থাকিল। সেই অৰ্জুনীয় দৃষ্টিভংগীৰ ভাৰতীয় 'বীৰ জোৱান'বৃন্দই, আজিৰ তাৰিখতো মণিপুৰ তথা সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলতে, সহস্ৰাধিক জান-অজান গাভৰুৰ সতীত্ব হৰণ কৰিছে, অবৈধ মাতৃত্ব জাপি দিছে। আনকি চূড়ান্ত পাশৱিকতাৰে জীয়াই থকাৰ ন্যূনতম মৌলিক অধিকাৰকণো হৰণ কৰিছে। শেহতীয়াভাৱে, এন মনোৰমা দেৱী নামৰ মণিপুৰী গাভৰুগৰাকীৰ প্ৰসংগই তোলপাৰ লগোৱা সমগ্ৰ মণিপুৰতে ক্ষোভৰ জুই দপ্‌দপাই জ্বলি উঠাৰ খবৰে আজি সচেতন মহলৰ দৃষ্টি আকৰ্ষণ কৰিছে। পূৰ্বৰ এনে বহু ঘটনাৰ প্ৰতিবাদ কৰা মণিপুৰৰ সংগ্ৰামী ৰাইজে এতিয়া প্ৰতিবাদ এনে চৰম পৰ্যায়লৈ লৈ গৈছে, য'ত মহিলাই নিজৰ গাৰ কাপোৰ খুলি নগ্ন হৈ ভাৰতীয় সেনাক প্ৰত্যাহ্বান জনাইছে— ভাৰতীয় সেনা আহাঁ আমাক ধৰ্ষণ কৰা, আমাৰ মঙহ খোৱা। কিমান ক্ষোভ জাগ্ৰত হ'লে, পুঞ্জীভূত ক্ষোভৰ উদ্‌গীৰণ হ'লে, এগৰাকী মহিলাই নিজৰ একান্ত ব্যক্তিগত আবুৰ বিসৰ্জন দিব পাৰে সি সহজে অনুমেয় হ'বনে? মণিপুৰ কোনো কালে ভাৰতবৰ্ষৰ অংশ নাছিল। ভাৰতীয় ইতিহাসৰ কি প্ৰাচীন, কি মধ্য, কি আধুনিক কোনো পৰ্যায়তে মণিপুৰ ভাৰতবৰ্ষৰ অংগ নাছিল। নাছিল কোনো ৰাজনৈতিক, অৰ্থনৈতিক সম্পৰ্ক। আনকি যি ব্ৰিটিছে মোগল ভাৰতৰ পতন ঘটাই দেশীয় ৰাজ্যসমূহ দখল কৰি আজিৰ ভাৰতবৰ্ষ সৃষ্টি কৰিছিল, সেই ব্ৰিটিছেও মণিপুৰ দখল কৰা নাছিল। ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰ যোগেদি অসম দখল কৰা ব্ৰিটিছে, সমগ্ৰ ঊনবিংশ শতিকাটোতে, আজিৰ উত্তৰ-পূৰ্বাঞ্চল নামৰ অঞ্চলটো সৃষ্টি কৰিবৰ বাবে নগা, লুচাই, কছাৰী, খাছি, গাৰো আদি জনগোষ্ঠীৰ লগত যুদ্ধ-বিগ্ৰহত লিপ্ত হৈছিল। সেই সময়ছোৱাতো মণিপুৰৰ স্বতন্ত্ৰতাক সন্মান কৰিছিল। এখন Buffer State-ৰ মৰ্যাদা দিছিল। ১৮৯১ চনৰ ইংলো-মণিপুৰী যুদ্ধৰ অন্ততো, মণিপুৰৰ পাৰ্বত্য অঞ্চলত নিজৰ এজেণ্ট নিয়োগ কৰি, মহাৰাজা কুলচন্দ্ৰৰ ৰাজ দৰবাৰত বিষয়া নিয়োগ কৰিও মণিপুৰৰ সাৰ্বভৌমত্ব অক্ষুণ্ণ ৰাখিছিল। ১৮৮৫-১৯৪৭ চনৰ সময়ছোৱাত মণিপুৰ অঞ্চলত ভাৰতীয় স্বাধীনতা সংগ্ৰামৰ কোনো বিশেষ প্ৰভাৱ পৰা নাছিল। ১৯১৭-১৯১৯ চনত আৰু ১৯২৯-১৯৩২ চনৰ সময়ছোৱাত কেৱল ব্ৰিটিছৰ সাম্ৰাজ্যবাদী আইনৰ প্ৰতিবাদকল্পে কুকি বিদ্ৰোহ আৰু জাডনাঙৰ নেতৃত্বত জেলিয়াগং আন্দোলন গঢ় লৈ উঠিছিল। ১৯৩৯ চনৰ বাৰ ডিচেম্বৰত মণিপুৰী মহিলাই চাউল ব্যৱসায় সংক্ৰান্তত মাৰোৱাৰী মহাজনসকলৰ লগত প্ৰত্যক্ষ সংঘৰ্ষত লিপ্ত হৈছিল। এই দিনটো আজিও মণিপুৰীসকলে নুপিলাল বা নাৰী যুদ্ধৰ দিবস হিচাপেই পালন কৰি আহিছে। হিজাম ঐৰাবত সিঙৰ নেতৃত্বত মণিপুৰীসকলে এক সুকীয়া গতিৰে সমগ্ৰ মণিপুৰতে সাম্ৰাজ্যবাদবিৰোধী আন্দোলন গঢ়ি তুলিছিল। সাম্ৰাজ্যবাদবিৰোধী-ঔপনিৱেশবাদবিৰোধী এই সংগ্ৰামৰ চৰিত্ৰ আছিল চীনৰ সশস্ত্ৰ সংগ্ৰামৰ সমতুল্য। যদিও পৰৱৰ্তী পৰ্যায়ত, হিজাম ঐৰাৱত সিঙৰ মৃত্যুৰ

পিছত তেওঁৰ অনুগামীসকল ভাৰতীয় কমিউনিষ্ট আন্দোলনত জড়িত হৈ পৰিছিল, কিন্তু আলোচ্য সময়ছোৱাত এই আন্দোলন ভাৰতীয় ৰাজনীতিৰ পৰা পৃথক আছিল। ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পৰৱৰ্তী সময়ছোৱাত মণিপুৰ স্বতন্ত্ৰ হৈ আছিল। ব্ৰিটিছে ভাৰত উপ-মহাদেশ ত্যাগ কৰাৰ লগে লগে মণিপুৰে পূৰ্ণাংগ স্বতন্ত্ৰতা লাভ কৰিছিল আৰু মণিপুৰ সংবিধান আইন— ১৯৪৭ সৰ্বসন্মতিক্ৰমে গৃহীত হৈছিল। এই আইনৰ আধাৰত ১৯৪৮ চনৰ এঘাৰ জুন আৰু সাতাইশ জুলাইত সাৰ্বজনীন ভোটাধিকাৰৰ ভিত্তিত নিৰ্বাচন অনুষ্ঠিত হৈছিল। এই নিৰ্বাচনযোগে নিৰ্বাচিত প্ৰতিনিধিসকলক লৈ মণিপুৰ সংসদ গঠন কৰা হৈছিল আৰু মণিপুৰৰ ৰজা ন্যূনতম সাংবিধানিক মুৰব্বী হিচাপে পৰিগণিত হৈছিল। যেনেদৰে বৃটেইনৰ ৰাণীয়ে আজিৰ কাৰ্যাৱলী পৰিচালন কৰি আছে। কিন্তু সেই সময়ৰ ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰু আৰু গৃহমন্ত্ৰী চৰ্দাৰ বল্লভভাই পেটেলৰ পৰামৰ্শ অনুযায়ী অসমৰ ৰাজ্যপালে, মণিপুৰৰ মহাৰাজা বুদ্ধচন্দ্ৰ সিঙক শ্বিলঙলৈ আলোচনাৰ বাবে আমন্ত্ৰণ জনাইছিল। শ্বিলঙত মণিপুৰৰ মহাৰাজা বুদ্ধচন্দ্ৰ সিঙক গৃহবন্দী কৰি ৰাখি ১৯৪৯ চনৰ ১৬ ছেপ্টেম্বৰত অন্তৰ্ভুক্তিকৰণ চুক্তিত বলপূৰ্বক স্বাক্ষৰ কৰাইছিল। এই অনুসাৰে ১৯৪৯ চনৰ পোন্ধৰ অক্টোবৰত ভাৰত চৰকাৰে মণিপুৰ অধিগ্ৰহণৰ ঘোষণাপত্ৰ প্ৰকাশ কৰিছিল। ভাৰত চৰকাৰৰ এই নীতিৰ বিৰুদ্ধে মণিপুৰৰ ৰাইজে হিজাম ঐৰাৱত সিঙৰ নেতৃত্বত বিদ্ৰোহ ঘোষণা কৰিছিল যদিও ১৯৫১ চনত ঐৰাৱত সিঙৰ মৃত্যুৰ পাছত সেই বিদ্ৰোহে শাম কাটিছিল। ১৯৬৪ চনত এচাম জাতীয়তাবাদী মণিপুৰী যুৱকে, মণিপুৰৰ স্বাধীনতা পুনৰোদ্ধাৰৰ বাবে সংযুক্ত জাতীয় মুক্তি বাহিনী নামেৰে এটি সংগঠনৰ জন্ম দিছিল। আৰম্ভণিতে এই সংগঠনে গণ সংগঠনৰ আৰ্হি গ্ৰহণ কৰিছিল যদিও পৰ্যায়ক্ৰমে ই সশস্ত্ৰ পন্থা গ্ৰহণ কৰিছিল। ইয়াৰ পৰৱৰ্তী সময়ছোৱাত মাৰ্ক্সবাদ-লেনিনবাদ মতাদৰ্শৰে গণ মুক্তি সেনা, কাংলেই পাক গণ বিপ্লবী দল, কাংলেই পাক কমিউনিষ্ট দল আদি দল সংগঠিত হৈছিল। এইসমূহ দলৰে ঐক্যমঞ্চ হিচাপে মণিপুৰ গণ মুক্তি বাহিনী নামৰ এটা সংগঠনৰ জন্ম দিয়া হৈছিল। আৰম্ভণিৰে পৰা এই সংগঠনসমূহে জাতীয় আত্ম-নিয়ন্ত্ৰণৰ অধিকাৰ প্ৰাপ্তিৰে মণিপুৰৰ হৃত স্বাধীনতা উদ্ধাৰৰ বাবে সংগ্ৰাম কৰি আহিছে।

মণিপুৰৰ সমান্তৰালভাৱে নগা জনসাধাৰণে নগা জাতীয় পৰিষদ, নাগালেণ্ড জাতীয় সমাজতন্ত্ৰী পৰিষদ আদি সংগঠনৰ জন্ম দি সংগ্ৰাম পৰিচালনা কৰি আহিছে। এসময়ত জংগী ৰূপ ধাৰণ কৰা মিজো জাতীয় বাহিনী নামৰ সংগঠনটোৱে ভাৰতবিৰোধী সংগ্ৰাম চলাইছিল যদিও পৰৱৰ্তী পৰ্যায়ত ইয়াৰ অন্ত পৰে। আনহাতে ত্ৰিপুৰাৰ ত্ৰিপৰাইসকলে ত্ৰিপুৰা জাতীয় স্বেচ্ছাসেৱক; জাতীয় মুক্তি বাহিনী, ত্ৰিপুৰা আদি সংগঠনৰ দ্বাৰা আত্ম-নিয়ন্ত্ৰণৰ অধিকাৰৰ দাবীত আন্দোলন চলাই আছে। মেঘালয়ত খাছিসকলে হিনাট্ৰেপ জাতীয় মুক্তি বাহিনী, আচিক জাতীয় মুক্তি বাহিনী আদি সংগঠনৰ দ্বাৰা আন্দোলন পৰিচালনা কৰি আছে। অসমতো ১৯৭৯ চনৰ পৰা সংযুক্ত মুক্তি বাহিনী, বড়োলেণ্ড, জাতীয় গণতান্ত্ৰিক মৰ্চা, কাৰ্বি লাংপি উত্তৰ কাছাৰ মুক্তি বাহিনী আদি

সংগঠনে জাতীয় মুক্তি সংগ্ৰাম চলাই আছে। শেহতীয়াভাৱে উত্তৰ বংগ অঞ্চলত কমতাপুৰী মুক্তি সংগঠন নামৰ সংগঠনটোৱে সংগ্ৰামৰ পথত অগ্ৰসৰ হৈছে।

পূৰ্বাঞ্চলতে এইদৰে বিকাশ লাভ কৰা জাতীয় মুক্তি সংগ্ৰামসমূহৰ চৰিত্ৰাদি বিশ্লেষণ কৰি নানাজনে নানামত পোষণ কৰিছে। কোনোবাই ইয়াক উগ্ৰপন্থী, সন্ত্ৰাসবাদী, বিচ্ছিন্নতাকামী শক্তি হিচাপে অভিহিত কৰাৰ দৰে, আন কোনোবাই আকৌ ইয়াক জাতীয় মুক্তি সংগ্ৰামৰ বৈপ্লৱিক ধাৰা হিচাপে গণ্য কৰিছে। সংগঠনসমূহৰ কাৰ্যপন্থা সন্দৰ্ভত মতভেদ থাকিলেও এটা কথা প্ৰতীয়মান হৈছে যে এই সংগঠনসমূহৰ সংগ্ৰামৰ আঁৰত এক সুদীৰ্ঘ ঐতিহাসিক পটভূমি, অৰ্থনৈতিক বঞ্চনা তথা সৰ্বতোপৰি জাতীয় আত্ম-প্ৰতিষ্ঠাৰ অদম্য স্পৃহা জড়িত হৈ আছে। মণিপুৰৰ লেখীয়াকৈ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতে এটা কথা প্ৰমাণিত হৈছে যে এই অঞ্চলৰ ঐতিহাসিক বিকাশ ভাৰতবৰ্ষৰ আন অঞ্চলসমূহতকৈ সম্পূৰ্ণ পৃথক। যিসময়ত সমগ্ৰ উত্তৰ-পূব ভাৰতত আৰ্য প্ৰব্ৰজনকাৰীসকলে, দক্ষিণাত্যত দ্ৰাবিড়সকলে এক স্বকীয় মৰ্যাদাসম্পন্ন সভ্যতা গঢ় দিছিল, সেই সময়ছোৱাত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতে বিভিন্ন নৃগোষ্ঠীৰ জনপ্ৰব্ৰজনে এক স্বকীয় ৰূপ পৰিগ্ৰহ কৰিছিল। অৰ্জুন-চিত্ৰাংগদা, ভীম-হিড়িম্বা, কৃষ্ণ-ৰুক্মিণী, উষা-অনিৰুদ্ধ— আদি উপ-কাহিনীসমূহৰ দ্বাৰা অঞ্চলটোত আৰ্যকৰণ প্ৰক্ৰিয়া আৰম্ভ কৰিব বিচৰা হৈছিল যদিও সি আছিল এক আৰোপিত প্ৰক্ৰিয়াহে। মোগলৰ মধ্যযুগত এই অঞ্চলৰ ক্ষুদ্ৰ-বৃহৎ ৰাজ্য গঠন প্ৰক্ৰিয়াই সম্পূৰ্ণ অ-ভাৰতীয় চৰিত্ৰ ধাৰণ কৰিছিল। ব্ৰিটিছ ভাৰতকালীন সময়ছোৱাত এই অঞ্চল ব্ৰিটিছে একীভূত কৰি সম্পদ বহিঃগমনৰ থলী হিচাপেহে গণ্য কৰিছিল। তাৎপৰ্যপূৰ্ণভাৱে স্বাধীন ভাৰতবৰ্ষৰ চৰকাৰৰো এনে দৃষ্টিভংগীৰ পৰিৱৰ্তন নঘটিল। ফলত অঞ্চলটোৰ সামগ্ৰিক বিকাশৰ পৰিৱৰ্তে, সম্পদৰ উৎস আৰু উৎপাদিত সামগ্ৰীৰ বজাৰ হিচাপেহে পৰিগণিত হ'ল।

এনে প্ৰেক্ষাপটত যেতিয়া এই অঞ্চলৰ প্ৰজন্ম বিদ্ৰোহী হৈ উঠিল, তেতিয়া ইয়াত ভাৰতীয় শাসকশ্ৰেণীৰ দমন প্ৰক্ৰিয়াহে আৰম্ভ কৰা হ'ল। অঞ্চলটোৰ স্বকীয় ঐতিহ্য, মানসিক গঠন, ক্ষোভ-উদ্গীৰণৰ কাৰণসমূহ পৰ্যালোচনা কৰি নিৰাময়ৰ ব্যৱস্থা গ্ৰহণৰ পৰিৱৰ্তে, দমনমূলক অভিযানেৰেহে সমস্যা সমাধান কৰিব বিচৰা হ'ল। প্ৰয়াত প্ৰধানমন্ত্ৰী মোৰাৰজী দেশায়ে নগা বিদ্ৰোহী নেতা জে এ ফিজোক কৈছিল— 'Yes, We will exterminate all Naga People. There will be no mercy'। এনে দৃষ্টিভংগীৰ বাবেই ভাৰতবৰ্ষৰ শাসকবৃন্দই ১৯৫৮ চনত তেতিয়াৰ অবিভক্ত অসম আৰু কেন্দ্ৰীয়শাসিত মণিপুৰৰ বাবে সুকীয়াকৈ সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইন, অসম আৰু মণিপুৰ প্ৰণয়ন (The Armed forces, (Assam and Manipur) Special Powers Act. 1958) কৰিছিল। ভাৰতীয় গণৰাজ্যৰ নৱম বৰ্ষতে অসম আৰু মণিপুৰৰ উপদ্ৰুত অঞ্চলৰ বাবে এই আইন প্ৰণয়ন কৰা হৈছিল। এই আইনত স্পষ্ট উল্লেখ আছে— যদি অসমৰ ৰাজ্যপাল বা মণিপুৰৰ মুখ্য সচিবে ভাবে যে অসম বা মণিপুৰৰ সমগ্ৰ বা যিকোনো অংশত সাধাৰণ প্ৰশাসনক সহায় কৰিবৰ বাবে উপদ্ৰুত বা ভয়ংকৰ পৰিস্থিতিৰ বাবে সেনাবাহিনীৰ সহায় প্ৰয়োজনীয়, তেওঁ গেজেটত

জাননীৰ দ্বাৰা ৰাজ্যখন বা কেন্দ্ৰীয়শাসিত অঞ্চলটোৰ সমগ্ৰ বা যিকোনো অংশক উপদ্ৰুত এলেকা হিচাপে ঘোষণা কৰিব। উপদ্ৰুত অঞ্চলত যিকোনো এজন আয়ুক্ত পৰ্যায়ৰ বিষয়া, অধিপত্ৰ বিষয়া, অনাআয়ুক্ত বা সশস্ত্ৰ বাহিনীৰ সমপৰ্যায়ৰ বিষয়াই—

(১) যদি ভাবে যে আইন-শৃংখলা নিয়ন্ত্ৰণৰ বাবে যাৱতীয় সতৰ্কীকৰণ (তেওঁৰ মতে) দিয়াৰ পিছত; গুলী চলোৱা, বল প্ৰয়োগ কৰা, আইনবিৰুদ্ধ আচৰণ বা নিৰ্দেশৰ বা মৃত্যুবৰণ কৰিলেও, কিছু সময়ৰ বাবে উপদ্ৰুত এলেকাত পাঁচজন বা তাতোধিক ব্যক্তিৰ সমাৱেশ বা অস্ত্ৰ কঢ়িওৱা, অস্ত্ৰ হিচাপে ব্যৱহাৰ হোৱা সামগ্ৰী-বাৰুদ, বিস্ফোৰক সামগ্ৰীৰ ক্ষেত্ৰত এনে কৰিব লাগে।

(২) যদি তেওঁ ভাবে যে এইটো কৰিব লাগে; অস্ত্ৰভাণ্ডাৰ ধ্বংস, নিৰ্মিত যুদ্ধবেৰ, আক্ৰমণ কৰিব পৰা বা সম্ভাবনা থকা স্থান, অস্ত্ৰ স্বেচ্ছাসেৱকসকলৰ প্ৰশিক্ষণ শিবিৰ, অস্ত্ৰগোটৰ গুপ্তস্থান, পলাতক অপৰাধীৰ ক্ষেত্ৰত।

(৩) কোনোধৰণৰ গ্ৰেপ্তাৰী পৰোৱানা নোহোৱাকৈ যিকোনো ব্যক্তিক, যি কোনো অপৰাধ কৰিছে বা কৰিব পাৰে বুলি যুক্তিসংগত সন্দেহৰ ভিত্তিত, গ্ৰেপ্তাৰৰ বাবে প্ৰয়োজনীয় শক্তি প্ৰয়োগ কৰি হ'লেও গ্ৰেপ্তাৰ কৰিব পাৰে।

(৪) যিকোনো স্থানত কোনো ব্যক্তি লুকাই থকাৰ সন্দেহত, চুৰি হোৱা বুলি সন্দেহ কৰা সম্পত্তি বা বে-আইনীভাৱে কোনো অস্ত্ৰ, বাৰুদ লুকুৱাই ৰখাৰ সন্দেহত, পৰোৱানা নোহোৱাকৈ প্ৰৱেশ বা তালাচী চলাব পাৰে।

এনে ক্ষমতাৰে বলীয়ান সশস্ত্ৰ বাহিনীৰ লোকে উপদ্ৰুত বুলি ভবা অঞ্চলত অপাৰ ক্ষমতা লাভ কৰে যদিও মহামান্য উচ্চতম ন্যায়ালয়ে এই আইনৰ অধীনত সশস্ত্ৰ বাহিনীয়ে কৰিবলগীয়া আৰু কৰিব নলগীয়া কামৰ তালিকা বান্ধি দিছে। তথাপি বাস্তৱক্ষেত্ৰত দেখা যায় যে কৰিব নলগীয়াখিনি বেছিকৈয়ে কৰা হৈছে। মণিপুৰৰ এন মনোৰমা দেৱীৰ ক্ষেত্ৰত এনে উদাহৰণ আছে বুলি সংবাদপত্ৰত প্ৰকাশ পাইছে।

সশস্ত্ৰ বাহিনীক এনেদৰে প্ৰদান কৰা অপাৰ ক্ষমতাৰ দ্বাৰা ভাৰতৰ শাসকশ্ৰেণীয়ে দল-মত নিৰ্বিশেষে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতে যি ব্যাপক মানৱ অধিকাৰ লংঘন কৰিছে, তাক ইতিমধ্যে বিভিন্ন মানৱ অধিকাৰ সংস্থাই লিপিবদ্ধ কৰিছে। সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতে সামৰিকীকৰণৰ দ্বাৰা এই অঞ্চলৰ মানুহৰ জীয়াই থকাৰ ন্যূনতম অধিকাৰখিনিও হৰণ কৰাৰ লগতে সমগ্ৰ পাৰিপাৰ্শ্বিকতালৈ এক গণবিধ্বংসী নৃশংসতাৰ ভাবুকি কঢ়িয়াই আনিছে। জাতীয় আন্দোলনসমূহ দমন কৰাৰ নামত, প্ৰজন্মৰ পিছত প্ৰজন্ম ধ্বংস কৰি দিয়া হৈছে। তাৎপৰ্যপূৰ্ণভাৱে কিন্তু এনে নীতিৰ দ্বাৰা সমস্যা সমাধান কৰাৰ পৰিৱৰ্তে অধিক জটিলহে কৰি তুলিছে। বিদ্ৰোহীয়ে উত্থাপন কৰা জাতীয় প্ৰশ্নসমূহ অদ্যাপি অমীমাংসিত হৈ আছে। এনে পৰিস্থিতিৰ অৱসান ঘটাবৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ

বিভিন্ন স্থানত প্রতিবাদৰ জোৱাৰ উঠিছে। ই কেতিয়াবা সু-সংগঠিত ৰূপত, কেতিয়াবা আকৌ বিক্ষিপ্ত ৰূপত। মণিপুৰৰ মহিলা প্ৰতিবাদ এনে প্ৰক্ৰিয়াৰে অংশবিশেষ। ১৯৯০ চনত কুখ্যাত ঐনাম অধ্যায়, ইৰম শৰ্মিলাৰ আমৰণ অনশনৰ আন্দোলনৰ ধাৰেই মণিপুৰৰ মহিলা সমাজে সংঘবদ্ধভাৱে এনে প্ৰতিবাদ কৰিছে। ইতিমধ্যে এই প্ৰতিবাদৰ প্ৰতি ৩৩ টা গণ-সংগঠন, ছাত্ৰ-কৰ্মচাৰী, বিৰোধী দলীয় নেতাকে ধৰি বিভিন্ন অংশৰ যোগদান, সমৰ্থনৰ বাবেই ই গণআন্দোলনৰ ৰূপ পৰিগ্ৰহ কৰিছে। এই আন্দোলনৰ মূল দাবীয়েই হ'ল— সমগ্ৰ মণিপুৰৰ পৰা সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইন প্ৰত্যাহাৰ কৰা। এই আন্দোলনৰ প্ৰতি সহমৰ্মিতা প্ৰদান কৰি উত্তৰ-পূব ছাত্ৰ সংগঠনে সংগ্ৰামী কাৰ্যসূচী গ্ৰহণ কৰাৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ পৰাই এই আইন প্ৰত্যাহাৰ কৰাৰ দাবী উত্থাপন কৰিছে। মণিপুৰী সমাজৰ এই আন্দোলনে যেন আন এক প্ৰতীকী তাৎপৰ্যও কঢ়িয়াই আনিছে। যি অৰ্জুনীয় চিন্তাৰে ভাৰতীয় 'বীৰ জোৱানে' মণিপুৰৰ ওপৰত অত্যাচাৰ চলাইছে, তাক মানি চলিবলৈ আজিৰ চিত্ৰাংগদা আৰু বভ্ৰুবাহনসকল সন্মত নহয়। এই চিন্তা অধিক জাপি দি ভাৰতীয় শাসকশ্ৰেণীৰ অশ্বমেধ যজ্ঞৰ ঘোঁৰাটো মেলি দিলে তাক যোগ্যভাৱে আজিৰ চিত্ৰাংগদা আৰু বভ্ৰুবাহনসকলে প্ৰতিহত কৰিব। এই সাধাৰণ সত্যটো ভাৰতীয় শাসকশ্ৰেণীয়ে যিমান সোনকালে হৃদয়ংগম কৰিব সিমান সোনকালে, মণিপুৰ তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ পৰা সামৰিকবাজৰ প্ৰত্যাবৰ্তন ঘটিব আৰু অমীমাংসিত জাতীয় প্ৰশ্নসমূহ মীমাংসা কৰাৰ বাবে উপযুক্ত প্ৰেক্ষাপট গঢ় লৈ উঠিব।

পূৰ্বপ্ৰকাশ : আজি, ১২ আগষ্ট/২০০৪

১০ সত্ৰসভাসমূহৰ সংৰক্ষণ সংবৰ্ধনৰ প্ৰয়োজন

মহাপুৰুষীয়া পৰম্পৰা অসমৰ জাতীয় জীৱনৰ এক অন্যতম চালিকা শক্তি। বৃহত্তৰ অসমীয়া সমাজখনৰ গঠন, বিকাশ আৰু পৰিবৰ্ধন, পৰিমাৰ্জন প্ৰক্ৰিয়াত মহাপুৰুষীয়া পৰম্পৰাই এক গঠনমূলক ভূমিকা পালন কৰি আহিছে। মহাপুৰুষ দুজনাৰ মহাপ্ৰয়াণৰ অন্তত, এই ধাৰা মূলতঃ সত্ৰকেন্দ্ৰিক হৈ পৰিছিল। যদিও বৃহত্তৰ লোক সমাজৰ মাজত মহাপুৰুষীয়া পৰম্পৰা এক অন্তঃসলিলা ফল্গুৰ লেখীয়াকৈ প্ৰবাহিত হৈ আছিল; তথাপি সত্ৰৰ যোগেদিয়ে ইয়াৰ আনুষ্ঠানিক ৰূপ প্ৰকাশ পাইছিল। সম্ভৱতঃ সত্ৰসমূহৰ এই প্ৰতিষ্ঠানিক ভূমিকাৰ বাবেই ই সময়ে সময়ে ৰাজ অনুগ্ৰহ, আতিথ্য আৰু আতিশয্য আদি লাভ কৰিছিল। অসম বুৰঞ্জীৰ কোঁহে-কোঁহে ইয়াৰ নমুনা দেখা যায়। বৃটিছ শাসনৰ সময়ছোৱাতো সত্ৰসমূহে দুই-এক হেৰফেৰ ব্যতিৰেকে ৰাজ অনুগ্ৰহ লাভ কৰিছিল। ইয়াৰ ফলত, এহাতে সত্ৰসমূহে অসমীয়া মধ্যশ্ৰেণী গঠন প্ৰক্ৰিয়াত অনুঘটকৰ ভূমিকা পালন কৰিব পাৰিছিল আৰু অন্যহাতে, দীৰ্ঘদিনৰ ৰাজ অনুগ্ৰহে সত্ৰসমূহক সমাজত গভীৰ প্ৰভাৱ থকা একো একোটা সামন্তীয় অনুষ্ঠানলৈ পৰ্যবসিত কৰিছিল। ফলত, সত্ৰসমূহৰ মালিকানা, বিষয় সম্পত্তি ভোগ তথা পৰিচালনা নীতিত গণতান্ত্ৰিক পদ্ধতিৰ কিছু অভাৱ ঘটিছিল। বহু সময়ত একোজন সত্ৰাধিকাৰ প্ৰভুৰ দৃষ্টিভংগী, বিচাৰ-বিশ্লেষণ, পৰিচালনা নীতিয়েই সৰ্বজনগ্ৰাহ্য সিদ্ধান্তৰূপে বিবেচিত হৈছিল। এনেবোৰ

কাৰকে সত্ৰবহিৰ্ভূত বৃহত্তৰ লোক সমাজখনত সত্ৰৰ প্ৰভাৱ হ্ৰাস কৰি আনিছিল আৰু লোক সমাজখনে বিকল্প আনুষ্ঠানিক ধাৰাৰ সন্ধান কৰিছিল। শ্ৰীমন্ত শংকৰদেৱৰ সংঘ, একশৰণ ভাগৱতী সমাজৰ লেখীয়া সংগঠনৰ জন্ম, বিকাশ, প্ৰসাৰ এনে ধৰাৰ চিন্তচৰ্চাৰ ফলতেই সম্ভৱ হৈছিল।

তৎসত্ত্বেও প্ৰধান, পালি, ঠেঙুলি হিচাপে পৰিগণিত সত্ৰসমূহ অসমৰ সমাজজীৱন, সাংস্কৃতিক এষণাৰ অন্যতম লাইখুঁটা হিচাপেই পৰিগণিত হৈ আছে। সত্ৰীয়া সংস্কৃতিৰ চৰ্চা, প্ৰসাৰ, প্ৰচাৰৰ যোগেদি সত্ৰসমূহে অসমৰ সমাজ-জীৱনক চহকী পৰম্পৰাৰে সমৃদ্ধ কৰি ৰাখিছে। একোটা জীপাল, উমসনা সাংস্কৃতিক পৰিমণ্ডল সৃষ্টিৰে সত্ৰসমূহে, জাতীয় জীৱনৰ স্বকীয়তা আৰু স্বতন্ত্ৰতাক অটুট ৰাখিছে। চমু কথাত, অসমৰ সত্ৰসমূহ সমাজ-জীৱনৰ একো একোটা ঐতিহ্যবাহী, গুৰু-গম্ভীৰ সাংস্কৃতিক কেন্দ্ৰ হৈ পৰিছে।

তাৎক্ষণিকভাৱে, এই কথাখিনি আমাৰ মনলৈ এইবাবেই আহিল যে বিগত কিছুদিন ধৰি আজিৰ ৰাজনৈতিক অসমৰ বহিৰ্ভূত অথচ সাংস্কৃতিক অসমৰ লগত অংগাংগী সম্পৰ্ক থকা, একালৰ কোঁচবিহাৰ বা কোঁচবেহাৰ বা বেহাৰ হিচাপে খ্যাত উত্তৰবংগৰ অন্তৰ্ভুক্ত ঐতিহ্যমণ্ডিত মধুপুৰ সত্ৰ সম্পৰ্কীয় কিছু বিষয়, খবৰ কাকতৰ যোগেদি শিৰোনামলৈ আহিছে। খবৰ কাকতত পোৱা তথ্য অনুসৰি তীব্ৰ আৰ্থিক সংকটৰ সন্মুখীন হোৱা, এই ঐতিহ্যমণ্ডিত সত্ৰখনৰ সত্ৰাধিকাৰগৰাকীয়ে আৰ্থিক সাহায্য বিচাৰি অসম চৰকাৰৰ মুখ্যমন্ত্ৰীক লগ ধৰিছিল। মুখ্যমন্ত্ৰীগৰাকীয়ে সাহায্যৰ পৰিবৰ্তে কেতবোৰ অসৌজন্যমূলক মতামতেৰে সত্ৰাধিকাৰগৰাকী তথা সত্ৰখনক মানসিক আঘাত হনাৰ অভিযোগ স্বয়ং সত্ৰাধিকাৰগৰাকীয়ে সংবাদমেলৰ যোগেদি সম্প্ৰচাৰিত কৰিছিল। এই অভিযোগ অসম চৰকাৰৰ তৰফৰ পৰা অস্বীকাৰ কৰি সত্ৰখনলৈ সাহায্য আগবঢ়োৱাৰ খবৰো যোগান ধৰা হৈছিল। এনে অভিযোগ-প্ৰতিঅভিযোগ উত্থাপন-খণ্ডনৰ প্ৰক্ৰিয়াৰ যাৱতীয় তথ্যৰ স্বল্পতা হেতু, আমি সেই সন্দৰ্ভত আলোচনা নকৰি প্ৰাসংগিক হিচাপে গণ্য কৰা কেতবোৰ বিষয়হে উত্থাপন কৰিম।

বুৰঞ্জীৰ পাতত পোৱা যায় যে প্ৰথমজনা স্বৰ্গদেউ চাও লুং চ্যুকাফাই সাতৰাজ মাৰি একৰাজ কৰি অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ ৰাজনৈতিক ভেটি স্থাপন কৰিছিল। স্বৰ্গদেউজনাৰ আদৰ্শকে মূল হিচাপে গ্ৰহণ কৰি; পৰৱৰ্তী সময়ছোৱাত স্বৰ্গদেউ চুহুংমুং, প্ৰতাপ সিংহ, ৰুদ্ৰসিংহ আদিয়ে এই ভেটিত ৰবঘৰ সাজি, চুণ-কাম কৰোৱাইছিল। মহাপুৰুষ শংকৰদেৱে 'দাতাত চোৰত নিবিচাৰি কুল' বুলি অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ সামাজিক-সাংস্কৃতিক ভেটি স্থাপন কৰিছিল। অৱশ্যে, গুৰুজনাৰ জীৱনকালত আহোম স্বৰ্গদেউসকলৰ লগত সংঘাত সৃষ্টি হোৱাত গুৰুজনাৰ আদৰ্শ তেওঁৰ জীৱনকালতে শিপাব পৰা নাছিল। পৰৱৰ্তী সময়তহে গুৰুজনাৰ আজ্ঞাপৰ, মতাৱলম্বী, কেউটা সংহতিৰ সত্ৰসমূহেহে এই প্ৰক্ৰিয়া ঠন ধৰাই আপডাল কৰিছিল। কিন্তু ইয়াৰ অন্য দিশত অসমীয়া জাতি গঠন সংক্ৰান্ত আন এক স্বল্পালোচিত অধ্যায়ে অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। এই অধ্যায়ৰ ৰাজনৈতিক মাৰ্গদৰ্শনকাৰী আৰু প্ৰায়োগিক

কাৰ্যত ব্ৰতীসকলেই হ'ল মহাৰাজ বিশ্বসিংহৰ দ্বাৰা প্ৰতিষ্ঠিত আৰু পুত্ৰ মহাৰাজ নৰনাৰায়ণ, যুৱৰাজ শুক্লধ্বজ বা চিলাৰায়, তথা তেখেতসকলৰ উত্তৰসূৰীৰ হাতত লালিত-পালিত হোৱা কোঁচ ৰাজ্য প্ৰশাসন। বিশেষকৈ প্ৰবল ধীশক্তিৰ অধিকাৰী মহাৰাজ নৰনাৰায়ণৰ বিদ্যোৎসাহ, পৃষ্ঠপোষকতা আৰু যুৱৰাজ শুক্লধ্বজ বা চিলাৰায়ৰ ৰাজনৈতিক উদ্যম আৰু প্ৰশাসন অবিহনে অসমীয়া জাতি গঠনৰ এইলানি ধাৰাৰ জন্ম, বিকাশ তথা প্ৰচাৰ নহ'লহেঁতেন। কোঁচ বিহাৰৰ পৰা লুইতৰ দুয়োপাৰে বৰাইল পৰ্বতৰ দাঁতি-কাষৰীয়া, বৰাক উপত্যকাক সামৰি এই বৃহৎ অঞ্চলত যুৱৰাজ চিলাৰায়ে ৰাজনৈতিক কৰ্তৃত্ব আৰু প্ৰশাসনেৰে অসমীয়া জাতি গঠনৰ ৰাজনৈতিক পৰিক্ৰমাৰ সূচনা কৰিছিল। মহাৰাজ নৰনাৰায়ণৰ প্ৰবল পৃষ্ঠপোষকতাত মহাপুৰুষ দুজনাই এই বিশাল অঞ্চলত আৰু তেৰাসৱৰ আজ্ঞাপৰ সত্ৰসমূহে স্থানবিশেষে অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ সামাজিক-সাংস্কৃতিক ব্যৱস্থাৰ বান্ধ নিকপকপীয়া কৰিছিল। অৱশ্যে, মোগলৰ কেইবালানি আক্ৰমণে মাজে মাজে এই প্ৰক্ৰিয়াৰ যতি পেলাইছিল। বৃটিছৰাজৰ জমিদাৰী ভূ-বন্দৱস্তি ব্যৱস্থাই স্থানবিশেষে ইয়াক সোলোক-ঢোলোক কৰিছিল। তথাপি, স্বাধীনতাৰ আগলৈকে ইয়াৰ ধাৰাবাহিকতা অক্ষুণ্ণ আছিল আৰু আজিও ছেগা-চোৰোকাকৈ এই প্ৰক্ৰিয়া চলি আছে। নক'লেও হ'ব যে ভাৰতবৰ্ষৰ স্বাধীনতাৰ পৰৱৰ্তী সময়ছোৱাত কেতবোৰ ৰাজনৈতিক ক্ৰিয়া-প্ৰক্ৰিয়াৰ ফলত অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ অন্যতম পীঠস্থান স্বৰূপ কোঁচবিহাৰ, ভূ-ৰাজনৈতিকভাৱে পশ্চিমবংগৰ অংগ হৈ উত্তৰবংগ হিচাপে পৰিগণিত হ'ল। এক পৃথক প্ৰশাসনৰ অন্তৰ্ভূক্ত অংগ হিচাপে কোঁচবিহাৰৰ ৰাজনৈতিক-সাংস্কৃতিক পৃষ্ঠপোষকতাৰ চৰিত্ৰৰ পৰিবৰ্তন ঘটি অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ মূলসুঁতি এৰাসুঁতিত পৰিণত হ'ল। আজি এই এৰাসুঁতিত কোনোমতে দুই এখন নাৱে টুলুং-ভুটুং কৰি আছে। বৃহত্তৰ লোকজীৱনক এই ঐতিহ্যবাহী মূলসুঁতিৰ পৰা পৃথক কৰি এৰাসুঁতি কৰাই নহয়, তাক মৰাসুঁতিত পৰিণত কৰাৰ যোগ্ৰ অনাই বন্দৱস্ত কৰা হ'ল।

এই বিশাল প্ৰেক্ষাপটৰ মাজেৰে জন্ম হৈ আজিকোপতি থিয় দি থকা অন্যতম অনুষ্ঠানেই হ'ল— সম্প্ৰতি বাতৰিৰ শিৰোনামলৈ অহা মধুপুৰ সত্ৰখন। মহাপুৰুষৰ নীতি, আদৰ্শ, পদ্ধতি, প্ৰণালী সাৰোগত কৰি থকা মধুপুৰ সত্ৰখনৰ গুৰুত্ব আৰু প্ৰাসংগিকতাও এইখিনিতেই। সমগ্ৰ কোঁচবিহাৰ অঞ্চলৰ ওপৰেদি বৈ যোৱা নানান ৰাজনৈতিক, অৰ্থনৈতিক সামাজিক জনগাঁথনিগত ধুমুহাৰ মাজত এডাল অকলশৰীয়া মহীৰূহৰ দৰে মধুপুৰ সত্ৰখন বিৰাজ কৰি আছে। সত্ৰত জ্বলাই ৰখা বন্তিকেইগছে যেন ইয়াৰেই প্ৰতীকী তাৎপৰ্য কঢ়িয়াই আনিছে। এই দিশৰ পৰা সত্ৰখনে অসম চৰকাৰৰ ৰাজ অনুগ্ৰহ, পৃষ্ঠপোষকতা বিশেষভাৱে দাবী কৰাৰ থল আছে। হয়তো অসম চৰকাৰৰ স্বচ্ছ, সুস্পষ্ট, সাংস্কৃতিক নীতি থকা হ'লে সত্ৰখনে এই দাবী উত্থাপনেই কৰিবলগা নহ'লহেঁতেন। এনে নীতিৰ বাবে চৰকাৰখন স্বেচ্ছাপ্ৰণোদিতভাৱে আগবাঢ়ি গ'লহেঁতেন। তদুপৰি, সম্প্ৰতি বহুলভাৱে আলোচিত 'ঐতিহ্য কেন্দ্ৰ'সমূহৰ ধাৰণাৰ দ্বাৰাও চৰকাৰখনে বাট বুলিব খোজে বুলি আমাৰ মনে নধৰে। কিয়নো, তেনেবোৰ ধ্যান-ধাৰণাৰ দ্বাৰা

পৰিচালিত হোৱা চৰকাৰ একোখনে এনেক্ষেত্ৰত দৃঢ়, বলিষ্ঠ আৰু ভৱিষ্যদৰ্শী পদক্ষেপ গ্ৰহণত কাৰ্পণ্য নকৰে বুলিয়েই আমাৰ সহজ বিশ্বাস। অৱশ্যে, আজিকালিৰ চৰকাৰে বোলে জাতীয় জীৱনৰ ভাবাবেগ, জাতীয় সত্তা, পৰিচয় আদি বিষয়বোৰ আওহতীয়াকৈ ৰাখি জনসংখ্যাৰ যোগ-বিয়োগ, পূৰণ-হৰণ আদি পাটিগাণিতিক হিচাপ-নিকাচেৰে 'ভোট বেংক'ৰ অংক কৰাতহে সিদ্ধহস্ত! যদি সেয়ে হয়, তেন্তে অসমৰ সত্ৰসমূহৰ দৰে অনুষ্ঠান-প্ৰতিষ্ঠানসমূহ দুৰ্ভগীয়া। কিয়নো, ইবোৰে পূৰ্বৰ দৰে মাপৌ ৰৰভেটি বান্ধিব নোৱাৰে।

'গণতন্ত্ৰত ৰাইজেই ৰজা' বোলা নীতিবাক্য এষাৰি, চৰকাৰী হস্ত-পত্ৰিকা, ক্ষুদ্ৰ পুস্তিকা, জাননী-ফলক আদিত পঢ়া মনত আছে। যিহেতু চৰকাৰখন গণতন্ত্ৰৰে সৃষ্টি আৰু ৰাইজ অন্ততঃ কথাত ৰজা; সেয়ে বিষয়বোৰ ৰাজহুৱাভাৱে চিন্তা-চৰ্চা কৰাৰ থল আছে। আকৌ, ৰাইজ বোলোতে, যিহেতু বাতৰি কাকতত লিখা-পঢ়া কৰা, সভাই-সমিতিয়ে দুআষাৰ কোৱা-শুনা-জনা নানান ধৰণৰ অনুষ্ঠান-প্ৰতিষ্ঠানৰ কামে-কাজে লাগি মেলি থকা সকলকো আঙুলিয়াব পাৰি; গতিকে সেইসকলে বিষয়বোৰ ভাবি-চিন্তি, যথাস্থানত প্ৰকাশ কৰাটো যুগুত। কিজানি এইসমূহ ৰাইজৰ কথা-বতৰা দেখি-শুনি-বুজি বা অন্ততঃ কথাৰ ৰজা হিচাপে গণ্য কৰি গণতন্ত্ৰৰ স্বঘোষিত স্বেচ্ছাসেৱকসকলৰ মতি-গতি, হাব-ভাব আদি সলনি হয়েই। ক'ৰবাত কেনেবাকৈ ভেকুলীৰ পিঠিত নোম গজিলেও নীতি-নিয়মৰ কিছু সাল-সলনি হ'ব পাৰে। তেতিয়া, আন নহ'লেও জাতীয় জীৱনৰ সৌধস্বৰূপ এই অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ ৰক্ষণাবেক্ষণ, প্ৰতিপালন প্ৰক্ৰিয়া কিছু সহজ হ'ব বুলি আমাৰ মনে ধৰে। তেনেদৰে, এনেবোৰ অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰিচালনা নীতিকো প্ৰয়োজন সাপেক্ষে বহলভাৱে আলোচনা-বিলোচনা কৰি যুগোপযোগী কৰাৰ উপায় নিৰ্ধাৰণ কৰিব লাগে। তেতিয়াহ'লে, কেতবোৰ বিষয়ত থকা প্ৰশাসনীয় আলৈ-আহুকালবোৰ দূৰ কৰিব পৰা যাব। চমুৱাই ক'বলৈ হ'লে, মধুপুৰ সত্ৰৰ লেখীয়া জাতীয় প্ৰতিষ্ঠানসমূহত প্ৰাণ প্ৰতিষ্ঠা কৰা, গতিশীলতা প্ৰদান কৰা কাৰ্যক এক জাতীয় দায়িত্ব হিচাপে গণ্য কৰি ইয়াৰ লগত প্ৰত্যক্ষ, পৰোক্ষ, ওতঃপ্ৰোতভাৱে জড়িত সকলোটিয়ে দহোৰন কাটি কৰি সমূহীয়াভাৱে চিন্তা-চৰ্চা কৰি বাট বুলিবৰ হ'ল।

পূৰ্বপ্ৰকাশ ঃ দৈনিক জনমভূমি, ২০ আগষ্ট/২০০৫

১১ ক্ষুদ্ৰ চাহ খেতিয়ক আন্দোলনমুখী হৈছে কিয়?

অসমৰ জাতীয় জীৱনৰ সাম্প্ৰতিক পৰিক্ৰমাত দেখা দিয়া তীব্ৰ অস্থিৰতা, দুৰ্যোগ আৰু সংঘাতৰ মাজতো কেতবোৰ উপাদানে আশাৰ বতৰা কঢ়িয়াই আনিছে। অসম আন্দোলনৰ পৰা বৰ্তমানলৈকে প্ৰবহমান সমস্যা আৰু সংঘাতৰ মাজতো এই উপাদানসমূহে এক নীৰৱ বিপ্লৱৰ ভূমিকা পালন কৰি আহিছে। এনে উপাদানসমূহৰে অন্যতম হ'ল, অসমৰ গ্ৰাম্য অৰ্থনীতিত তথা জাতীয় অৰ্থনীতিতে প্ৰবল জোকাৰণি সৃষ্টি কৰা ক্ষুদ্ৰ চাহ খেতিৰ আন্দোলন। ক্ষুদ্ৰ চাহ খেতিৰ ধাৰণাই ইতিমধ্যে উজনি-উত্তৰ, মধ্য অসমৰ গৰিষ্ঠসংখ্যক জিলা আৰু নামনি অসমৰ স্থানবিশেষে ব্যাপক প্ৰসাৰ লাভ কৰিছে। এই সমগ্ৰ প্ৰক্ৰিয়াতে অসমৰ খিলঞ্জীয়া আৰু থলুৱা শিক্ষিত-অৰ্ধশিক্ষিত যুৱকসকল জড়িত হৈ পৰিছে। খেতিয়কসকল ইতিমধ্যে এক 'শ্ৰেণী'ত পৰিণত হৈ 'সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থা'ৰ দৰে 'শ্ৰেণী সংগঠন' গঠন কৰিছে। সংগঠনটোৰ যোগেদি ক্ষুদ্ৰ চাহ খেতিৰ ধাৰণাৰ প্ৰচাৰ আৰু প্ৰসাৰ কৰাৰ লেখীয়াকৈ খেতিয়কসকলৰ দায়-দায়িত্ব, ওজৰ-আপত্তি, শিক্ষণ-প্ৰশিক্ষণ আদিৰো দিহা কৰা হৈছে। শেহতীয়াভাৱে সংগঠনটোৰ দাবী-দাবা সন্দৰ্ভত চৰকাৰক হেঁচা প্ৰয়োগ কৰাৰ বাবে অসম বন্ধৰ লেখীয়া কাৰ্যসূচী গ্ৰহণ কৰাও দেখা গৈছে।

চাহৰ লগত অসমৰ মানুহৰ এক এৰাব নোৱৰা সম্পৰ্ক আছে। যদিও ব্ৰিটিছ চাহাবেহে চাহ খেতিক এক প্ৰণালীবদ্ধ কৃষি হিচাপে প্ৰতিষ্ঠা কৰিছিল আৰু আজিও তাৰ বাণিজ্যিক দিশটোৰ ওপৰত প্ৰত্যক্ষ, পৰোক্ষ প্ৰভুত্ব খটুৱাই আছে; তথাপি অসমৰ

মানুহৰ প্ৰাত্যহিক জীৱন আৰু মানসিকতাত চাহৰ এক গুৰুত্বপূৰ্ণ প্ৰভাৱ আছে। এক জাতীয় সম্পদ হিচাপে চাহৰ ওপৰত অধিকাৰ স্থাপনৰ বাবে অসমৰ তৰুণে বুকুৰ তেজ দিয়াৰ লেখীয়াকৈ, আন্তৰাষ্ট্ৰীয় পৰ্যায়ত চাহৰ যোগেদি স্বীকৃতি অৰ্জন কৰিবলৈকো সক্ষম হৈছে। তথাপি চাহ বাগিচাৰ সৌন্দৰ্য আৰু মাদকতা দূৰৈৰ পৰাহে উপভোগ কৰিবলগীয়া হৈছিল। প্ৰথমজন অসমীয়া চাহ খেতিয়ক মণিৰাম দেৱানৰ বিফল প্ৰয়াসৰ পিছত ব্ৰিটিছ পুঁজিৰ ছত্ৰছায়াত অসমীয়া খেতিয়কে চাহ বাগিচা খোলাৰ বাবে প্ৰস্তুত হ'ব পৰা নাছিল। অৱশ্যে ব্ৰিটিছ পুঁজিৰ আশিসধন্য নবোত্থিত অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ দুই-একে বাগিচা খোলাত মনোনিৱেশ কৰিছিল যদিও সি ব্যাপক নাছিল। তাৎপৰ্যপূৰ্ণভাৱে ভাৰতবৰ্ষৰ স্বাধীনতাৰ পিছতো এই বাগিচা শিল্পত অসমীয়া মানুহৰ ব্যাপক অংশগ্ৰহণ সম্ভৱ হৈ উঠা নাছিল। অসমীয়া মানুহে চাহ বাগিচাৰ সৰু-সুৰা চাকৰি, চোৰাং চাহপাত কিনি চাহ খোৱা আৰু সমগ্ৰ শিল্পটোৰ লগত জড়িত শ্ৰমিকসকলৰ দুই-এক নৃত্য-গীত উপভোগ, অন্তৰ্ভুক্ত আদি কৰিয়েই ক্ষান্ত থাকিবলগা হৈছিল। সেয়ে চাহ বাগিচাক এক ব্যয়বহুল অতি ধনীৰ কাৰবাৰ হিচাপে গণ্য কৰি, চাহপাতৰ পৰা অধিক বয়েল্টি আশা কৰিয়েই অসমীয়া মানুহে নিজৰ চিন্তা-চৰ্চা সীমাবদ্ধ কৰি ৰাখিছিল। কিন্তু গোলাপ বৰবৰা নেতৃত্বাধীন জনতা চৰকাৰৰ কৃষি মন্ত্ৰী সোণেশ্বৰ বৰাই এই চিন্তাধাৰাৰ ক্ষেত্ৰত এক নতুন পদ্ধতি উদ্ভাৱন কৰিলে। তেওঁ দহ বিঘাপৰ্যন্ত মাটিত অসমীয়া মানুহক চাহ খেতি কৰিবৰ বাবে আহ্বান জনালে। বৰাৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই গোলাঘাটৰ এগৰাকী শিক্ষক গংগাধৰ শইকীয়াই নিজা উদ্যোগতে এনে ক্ষুদ্ৰ চাহ খেতিৰ প্ৰক্ৰিয়া আৰম্ভ কৰে। লাহে লাহে এই প্ৰক্ৰিয়া ঠন ধৰি উঠে আৰু সমগ্ৰ অসমতে এই ব্যাপক সঁহাৰি লাভ কৰিবলৈ সমৰ্থ হয়। 'সৰু হওক তথাপি নিজা চাহ বাগিচা'— অসমীয়া মানুহৰ ডেৰশ বছৰীয়া সপোনটো যেন সাৰ্থক হ'ল। সৰু ভিতৰুৱা গাঁও, ছন পৰা মাটি, টিলা-টঙনাত চাহ খেতি আৰম্ভ হ'ল। মালিক-কৰ্মচাৰী-শ্ৰমিক হিচাপে লাখৰ ঘৰত নিবনুৱাই সংস্থাপন পালে। একেবাৰে নিঃকিনজনেও নিজৰ বাৰীতে চাহবাৰী পাতি জীৱিকা অৰ্জন কৰাৰ পথ উলিয়ালে। অৱশ্যে এই প্ৰক্ৰিয়াত অসমীয়া মানুহৰ আবেগপ্ৰৱণ মনটোৱে কিছু অসুবিধাৰ সৃষ্টিও নকৰা নহয়। চাহবাৰী পাতিবৰ বাবেই বহুলোকে বাপতি-সাহোন তামোল, নাৰিকল, বাঁহবাৰীবোৰ কাটি খাণ্ডাং কৰিলে। উজনি অসমত সুমথিৰা বাগিচাবোৰো উছন হ'ল। এৰী-পলু, মুনী গছবোৰো নাইকিয়া হ'ল। জৈৱ বৈচিত্ৰ্যৰ প্ৰতি মন নিদি, বিকল্প পদ্ধতিৰ চিন্তা নকৰি, কেৱল হুজুগতে কৰা কামে যে ক্ষতি কৰিব পাৰে, তাক বহুলোকে গমি-পিতি নাচালে।

সমগ্ৰ ক্ষুদ্ৰ চাহ বাগিচাৰ ধাৰণাটোৱে জন্মতে কেতবোৰ কেৰোণ কঢ়িয়াই আনিছিল। তাৰে প্ৰথম আৰু প্ৰধান কেৰোণটোৱেই হ'ল উৎপাদিত কেঁচাপাতৰ বজাৰখন। যিহেতু এনে বাগিচাবোৰে নিজৰ কেঁচাপাত বিক্ৰী কৰিবৰ বাবে সদায় ডাঙৰ বাগিচাবোৰৰ কলঘৰবোৰৰ সহায় ল'ব লাগে, সেয়ে এইবোৰৰ খেয়াল-খুচি আৰু ব্যৱসায়িক মতলববাজিৰ ওপৰত ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ ভৱিষ্যৎ নিৰ্ভৰ কৰিবলগা হয়। অসমৰ *বৃহৎ চাহ বাগিচাক কেন্দ্ৰ কৰি গঢ়ি উঠা বজাৰখন, যিবোৰ গোষ্ঠীয়ে অসমলৈ আনিব*

নোখোজাৰ মানসিকতাৰে ভাৰাক্ৰান্ত, সেইবোৰ গোষ্ঠীয়ে কেতিয়াও এনে ক্ষুদ্ৰ চাহ বাগিচাক সবল হ'বলৈ নিদিয়ে। সেয়ে নানান ফন্দি কৰি, ক্ষুদ্ৰ চাহ বাগিচাবোৰ কুক্ষিগত কৰাৰ ষড়যন্ত্ৰৰে, কেতিয়াবা কেঁচাপাতৰ দাম হ্ৰাস কৰে, কেতিয়াবা পাত চুৰিৰ পৃষ্ঠপোষকতা কৰে। বহু সময়ত আকৌ আন্তঃৰাষ্ট্ৰীয় বজাৰৰ দোহাই দি নামমাত্ৰ দামতে কেঁচাপাত ক্ৰয় কৰাৰ ব্যৱস্থা কৰে। ফলত একোটা ভৰপক সময়ত, ক্ষুদ্ৰ খেতিয়কসকলে শীতল গৃহৰ অভাৱত গছতে কেঁচাপাত ৰাখিব নোৱাৰি ডাঙৰ বাগিচাবোৰৰ মেৰপাকত ভৰি দিবলৈ বাধ্য হয়।

সেইদৰে, কেঁচাপাতৰ পৰা কলঘৰত চাহ প্ৰস্তুত কৰি নিলাম কেন্দ্ৰসমূহৰ যোগেদি আন্তঃৰাষ্ট্ৰীয় বজাৰখনৰ লগত সংগতি ৰাখি চাহ বিপণনৰ যি প্ৰক্ৰিয়া, এই সমগ্ৰ প্ৰক্ৰিয়াৰ লগত ফেৰ মাৰিবৰ বাবে ক্ষুদ্ৰ চাহ খেতিয়কসকল, অৰ্থনৈতিক, বাণিজ্যিক আৰু বিশেষকৈ মানসিকভাৱে প্ৰস্তুত হ'ব নোৱৰাটোৱে আন এক সমস্যাৰ সৃষ্টি কৰিছে। দৰাচলতে, সমগ্ৰ প্ৰক্ৰিয়াটোৰ লগত জড়িত হ'ব পৰাকৈ কাৰিকৰী আৰু মানসিকভাৱে ক্ষুদ্ৰ চাহ খেতিয়কসকল প্ৰস্তুত নহয়। ইয়াৰ বিপৰীতে অধিকাংশ ক্ষুদ্ৰ চাহ খেতিয়কে 'গাড়ী-বাৰী-নাৰী' ধাৰণাৰে লাহ-বিলাহত ধন ব্যয় কৰাৰ বাবেহে মানসিকভাৱে প্ৰস্তুত হৈছে যেন বোধ হয়। সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাই নিজৰ ঘোষিত কৰ্মসূচীত কলঘৰ স্থাপন, কেঁচাপাতৰ উচিত মূল্য প্ৰদান, সঞ্চয়ৰ অভ্যাস আদি বিষয়সমূহ অন্তৰ্ভুক্ত কৰিছে যদিও সন্থাৰ সদস্যসকল এই বিষয়ত সচেতন হৈ সবল ৰূপত আগবাঢ়ি অহা পৰিলক্ষিত হোৱা নাই।

তাৎপৰ্যপূৰ্ণভাৱে এনেবোৰ সীমাবদ্ধতা সত্বেও এক আন্দোলনৰ ৰূপ ধাৰণ কৰা ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ সমস্যাৱলীৰ প্ৰতি অসম চৰকাৰে যথাৰ্থ মনোযোগ দিয়া নাই। যিসময়ত বৃহৎ চাহ মালিক গোষ্ঠীসমূহে ৯৯ বছৰীয়া পুৰণি ভূমি বন্দৱস্তৰে লাখ লাখ বিঘা মাটি ভোগ দখল কৰি আছে, নিত্য নতুন ফন্দিৰে মাটি দখল কৰি আছে; সেই সময়ত ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ ভূমিৰ ক্ষেত্ৰত চৰকাৰে যথাৰ্থ পদক্ষেপ গ্ৰহণ কৰা নাই। ১৯৮৯ চনত নতুন ভূমিনীতি গ্ৰহণ কৰি অগপ চৰকাৰে এজন খেতিয়কে ৩০ বিঘাকৈ মাটি পোৱাৰ বন্দৱস্ত কৰিছিল যদিও ইয়াত নিহিত থকা কেতবোৰ গুৰুত্বপূৰ্ণ আসোঁৱাহৰ বাবে সি ফলপ্ৰসূ হৈ নুঠিল। ফলত, টিলা-টঙনা, ফৰিঙতি মাটিত খেতি কৰা ক্ষুদ্ৰ চাহ খেতিয়কসকল সংশয়মুক্ত হ'ব পৰা নাই। ইতিমধ্যে চোৰাং কাৰবাৰীৰ হাতত ধ্বংসপ্ৰাপ্ত বনানিকৰণ চৰ্তসাপেক্ষে হ'লেও চৰকাৰে ক্ষুদ্ৰ চাহ খেতিৰ বাবে মুকলি কৰি দিয়াৰো প্ৰয়োজনীয়তা আছে। পৰিতাপৰ বিষয় এয়ে যে, এনেবোৰ বিষয়ত অনীহা প্ৰকাশ কৰাৰ বাবেই ক্ষুদ্ৰ চাহ খেতিয়কসকল আন্দোলনমুখী হ'বলগা হৈছে।

ক্ষুদ্ৰ চাহ খেতিৰ যোগেদি জাতীয় পুঁজি গঠন আৰু গ্ৰামাঞ্চলৰ আৰ্থিক ভেটি টনকিয়াল কৰাৰ যথেষ্ট সম্ভাৱনীয়তা আছে। ইতিমধ্যে এই প্ৰক্ৰিয়াৰ ফলত গ্ৰামাঞ্চলৰ খেতিয়কসকল স্বাৱলম্বী হোৱাৰ লগতে নিম্ন মধ্যবিত্ত শ্ৰেণী এটা গঠন হৈছে। এই শ্ৰেণীটোৱে বৃহত্তৰ সমাজখনৰ আৰ্থিক সামাজিক, সাংস্কৃতিক, বৌদ্ধিক উৎকৰ্ষ সাধনত

ব্ৰতী হ'ব লাগিব। ইয়াক ভেটি হিচাপে গ্ৰহণ কৰি, উদ্বৃত্ত পুঁজি কেৱল লাহ-বিলাহত ব্যয় নকৰি জাতীয় পুঁজি গঠনৰ হকে বিনিয়োগ কৰাৰ চিন্তা-চৰ্চা সূচনা কৰাৰ থল আছে। এনে চিন্তা-চৰ্চাই অসমত এক প্ৰগতিশীল জাতীয় বুৰ্জোৱা শ্ৰেণীৰ জন্ম আৰু বিকাশত সহায় কৰাৰো সম্ভাৱনীয়তা আছে। আনহাতে, এই সমগ্ৰ প্ৰক্ৰিয়াত চৰকাৰে কেনে ভূমিকা পালন কৰিব তাৰ ওপৰতো বহু কথা নিৰ্ভৰ কৰিব। চৰকাৰ একোখনে, বৃহৎ চাহ গোষ্ঠী নে ক্ষুদ্ৰ চাহ খেতিয়ক, কাৰ পক্ষ ল'ব, কাৰ হিতাৰ্থে কাৰ্যব্যৱস্থা হাতত ল'ব তাৰ ওপৰত অনাগত ইতিহাসে চৰকাৰখনৰ ভূমিকা, চৰিত্ৰ পৰ্যালোচনা কৰাৰ সম্ভাৱনা নিহিত থাকিব। ইতিমধ্যে প্ৰচলিত ৰাজনৈতিক ব্যৱস্থাৰ দ্বাৰা পৰিচালিত চৰকাৰসমূহৰ ক্ষেত্ৰত সমালোচনাত্মক দৃষ্টিভংগী প্ৰকাশ হৈছে। ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ সমগ্ৰ প্ৰক্ৰিয়াত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ দ্বাৰা এনে সমালোচনাক নস্যাৎ কৰা বা দৃঢ়তা প্ৰদান কৰাৰো সম্ভাৱনীয়তা আছে।

পূৰ্বপ্ৰকাশ : দৈনিক জনমভূমি, ৭ ছেপ্টেম্বৰ/২০০৫

১২ আঞ্চলিকতাবাদী ৰাজনীতি কোন দিশে?

অতিকেন্দ্ৰিক ভাৰতৰাষ্ট্ৰৰ দীৰ্ঘদিনৰ শোষণ, লুণ্ঠন আৰু অৱদমনৰ বিশাল প্ৰেক্ষাপটত অসমবাসীৰ দিল্লীবাদবিৰোধী সংগ্ৰামখনৰ জন্ম, বিকাশ আৰু প্ৰসাৰ লাভ হৈছিল। হিন্দু, হিন্দী আধিপত্যবাদৰ মাধ্যমেৰে, তথাকথিত 'ভাৰতীয় জাতি'ৰ সংজ্ঞাৰে, অসমৰ দৰে অঞ্চলসমূহত তীব্ৰ অৱদমন চলোৱা ভাৰতৰাষ্ট্ৰৰ সাংবিধানিক আওতাত ক্ৰমাৎ বিপৰ্যস্ত হৈছে এই অঞ্চলৰ ক্ষুদ্ৰ, বৃহৎ, বিকশিত, অৰ্ধবিকশিত জাতি, জাতিসত্তা তথা জনগোষ্ঠীসমূহ। এই অঞ্চলত পুঞ্জীভূত ক্ষোভ আৰু দীৰ্ঘদিনৰ বঞ্চনাই জন্ম দিছে দুই পৃথক সংগ্ৰামী ধাৰা। ভাৰতীয় সংবিধানৰ মাজেৰে, প্ৰচলিত সংসদীয় ব্যৱস্থাৰ মাজেৰে বৰ্তমানৰ অৱস্থাৰ পৰিবৰ্তন বিচাৰি ৰাইজে ৰাজনৈতিক শক্তিসমূহক জন্ম দিছে। ইয়াৰ বিপৰীতে বিক্ষুব্ধ প্ৰজন্মই ভাৰতীয় সংবিধানক নেওচা দি সশস্ত্ৰ ৰাজনৈতিক ধাৰাৰেও আত্মপ্ৰকাশ কৰিছে। আছু, অসম জাতীয়তাবাদী যুব-ছাত্ৰ পৰিষদ, অধুনালুপ্ত অসম জাতীয়তাবাদী দল, পূৰ্বাঞ্চলীয় লোক পৰিষদ, অসম গণ পৰিষদ, অসম গণ সংগ্ৰাম পৰিষদ আদি ছাত্ৰ-যুব সংগঠন আৰু ৰাজনৈতিক দলসমূহে প্ৰথমলানি ধাৰাৰ প্ৰতিনিধিত্ব কৰাৰ বিপৰীতে, সংযুক্ত মুক্তি বাহিনী, জাতীয় গণতান্ত্ৰিক মৰ্চা, বড়োলেণ্ড কাৰ্বি লংৰি, এন এছ হিল্‌ছ মুক্তি বাহিনী আদিয়ে দ্বিতীয় ধাৰাৰ প্ৰতিনিধিত্ব কৰিছে। প্ৰথমলানি দল-সংগঠনৰ ভিতৰত আছু, অসম জাতীয়তাবাদী যুব-ছাত্ৰ পৰিষদ আদি যুব-ছাত্ৰ সংগঠনে প্ৰভাৱগোষ্ঠী হিচাপে এক গতিশীল ভূমিকা পালন কৰাৰ সময়ত অন্যান্য ৰাজনৈতিক শক্তিসমূহৰ ক্ষেত্ৰত কিছু শিথিলতা আহি পৰা দেখা গৈছে। পূৰ্বাঞ্চলীয়

লোক পৰিষদ আৰু অসম গণ সংগ্ৰাম পৰিষদৰ লেখীয়া ৰাজনৈতিক শক্তিসমূহে প্ৰচলিত ব্যৱস্থাৰ পৰিবৰ্তনৰ ক্ষেত্ৰত তাত্ত্বিক দিশত যথেষ্ট অৰিহণা আগবঢ়াইছে যদিও আজিকোপতি যথাৰ্থ গণভিত্তি অৰ্জন কৰিব পৰা নাই। ইয়াৰ বিপৰীতে অসম গণ পৰিষদৰ সাংগঠনিক ভেটি যথেষ্ট দৃঢ় আৰু শক্তিশালী যদিও শেহতীয়াভাৱে দলটোৰ ক্ষেত্ৰত কিছু স্থবিৰতা আহি পৰা দেখা গৈছে। তাৎপৰ্যপূৰ্ণভাৱে এই স্থবিৰতা সৃষ্টি কৰিছে— দলটোৰ একাংশ প্ৰাক্তন নেতা-কৰ্মী তথা এতিয়াও দলটোৰ মাজত সোমাই থকা একাংশ ছদ্মবেশী কৰ্মীয়ে। এইসকলৰ বাবে অসমবাসীৰ সামূহিক স্বাৰ্থ, জাতীয় দায়বদ্ধতা অতি গৌণ বিষয়। ক্ষমতা আৰু ব্যক্তিগত ৰাজনৈতিক কেৰিয়াৰেই যেন সৰ্বস্ব।

এই কথা পুনৰ দোহৰাৰ প্ৰয়োজন নাই যে অসমৰ সমাজ-জীৱনৰ এক ক্ৰান্তিলগ্নত, তীব্ৰ জাতীয় ভাবাবেগৰ ধামখুমীয়াত অসম গণ পৰিষদৰ জন্ম হৈছিল। অসমবাসী ৰাইজৰ দিল্লীবাদবিৰোধী সংগ্ৰামখনক, সংসদীয় গণতন্ত্ৰৰ মাধ্যমেৰে আগুৱাই নিয়াৰ ঐতিহাসিক প্ৰয়োজনীয়তা আৰু অসম চুক্তিয়ে সৃষ্টি কৰা আবেগৰ পৰিস্থিতিত জন্মলাভ কৰা দলটোত যেন আৰম্ভণিতেই কেনা লাগি গ'ল। ভালেকেইজন নিষ্ঠাবান, জাতীয় দায়বদ্ধতাৰে সংবেদনশীল ব্যক্তিক আঁতৰাই দলটোৰ নেতৃত্ব বহন কৰিলে অসম আন্দোলনৰ যোগেদি, অসম চুক্তিৰ যোগেদি বিখ্যাত হৈ পৰা প্ৰফুল্ল কুমাৰ মহন্তৰ দৰে ব্যক্তিয়ে। ৰাইজৰ আৱেগক মূলধন হিচাপে লৈ প্ৰফুল্ল মহন্তই হস্তগত কৰিলে শাসনৰ বাঘজৰী। ক্ষমতাৰ গজদন্ত মিনাৰত বাস কৰা এইগৰাকী নেতাৰ হাতত আদিতেই চুৰমাৰ হ'ল খিলঞ্জীয়া অসমীয়া সমাজৰ সপোন। যি ঐতিহাসিক প্ৰক্ৰিয়াৰ মাজেদি বৃহত্তৰ অসমীয়া সমাজ গঢ় লৈ উঠিছিল, সেই প্ৰক্ৰিয়াৰ অন্যতম সবল অংশীদাৰ খিলঞ্জীয়া জাতিসত্তা, জনগোষ্ঠীসমূহৰ মাজত এক অনন্যতাৰ মনোভাবে গা কৰি উঠিল। মহন্তৰ অদূৰদৰ্শী নীতিৰ বাবে বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মাই আৰম্ভ কৰিলে বিখ্যাত বড়ো স্বাধিকাৰ আন্দোলন। গণতান্ত্ৰিক সহধৰ্মিতা, সমঅধিকাৰ আৰু সহাৱস্থানৰ নীতিক আওকাণ কৰি এইজন ল'ৰাবজাই আৰম্ভ কৰিলে দমন-পীড়নৰ ক'লা অধ্যায়। সংগ্ৰামী বড়োসকলৰ মাজত মেলি দিয়া হ'ল আৰক্ষী বাহিনী। ফলশ্ৰুতিত, ভূমকাৰ গণধৰ্ষণৰ দৰে স্ব-ভগ্নীৰ সতীত্ব হৰণৰ ক'লা অধ্যায়ৰ সূচনা কৰা হ'ল। ৰাজ্যজুৰি তিৱা, মিছিং, কাৰ্বি, ডিমাছাৰ দৰে খিলঞ্জীয়া জনগোষ্ঠী-জাতিসত্তাসমূহে আৰম্ভ কৰিলে স্বাধিকাৰ আন্দোলন। অসমৰ সমাজ ইতিহাসৰ কি পৰিহাস! যিজন নেতাৰ হাতত ৰাইজে দীৰ্ঘদিনৰ শোষণ-বঞ্চনাৰ পৰিবৰ্তন বিচাৰি তুলি দিছিল শাসনৰ বাঘজৰী, সেইজন নেতাই বৃহত্তৰ অসমীয়া সমাজৰ সাতামপুৰুষীয়া সংহতিৰ ঘৰঘৰটোকে ভাঙি পেলালে! স্বাভাৱিকভাৱেই জাতীয় প্ৰশ্নক আওকাণ কৰা এইগৰাকী ব্যক্তি জড়িত হৈ পৰিল স্বজন-তোষণ আৰু দুৰ্নীতিৰ মেৰ জালত। এনেবোৰ প্ৰক্ৰিয়াৰ বাবেই জন্মৰ পাঁচ বছৰ নৌহওঁতেই বিভক্ত হৈ পৰিল অসম গণ পৰিষদ দল।

পৰিস্থিতিৰ দ্ৰুত পৰিবৰ্তন ঘটিল। অসমবাসীৰ স্বাভিমানক ভৰিৰে মোহাৰি পেলাবৰ বাবেই দিল্লীয়ে সামৰিক অবদমনৰ কৌশল হাতত ল'লে। ইয়াৰ প্ৰতিবাদত গঢ় লৈ

উঠা গণ আন্দোলনে পুনৰ বিকল্পৰ সন্ধান কৰিলে। ইতিমধ্যে ৰাইজৰ হেঁচাত একত্রীকৰণ হোৱা অগপৰ, দলীয় শীৰ্ষ পদত পুনৰ প্রফুল্ল মহন্তই আৰোহণ কৰিলে। গণ আন্দোলনে সৃষ্টি কৰা পৰিৱেশত সুযোগসন্ধানী মহন্তই ঘোষণা কৰিলে— 'ভুল কৰিছো, কিন্তু জাতিদ্রোহ কৰা নাই।' মহন্তৰ এই স্বীকাৰোক্তিক ক্ষমাসুলভ দৃষ্টিৰে গ্রহণ কৰি, অসমৰ ৰাইজে আত্ম-নিয়ন্ত্রণৰ অধিকাৰ প্রতিষ্ঠা আৰু ক'লা আইন প্রত্যাহাৰৰ প্রতিশ্রুতিৰে মহন্ত নেতৃত্বাধীন অগপক পুনৰ শাসনৰ গাদীত বহুৱালে। ৰাইজৰ আশা এয়ে যে অসমবাসীৰ দিল্লীবাদবিৰোধী সংগ্রামক সংসদীয় পন্থাৰে আগুৱাব পৰা যায়ে জানোচা! অকল এয়াই নহয়, অসমীয়া সমাজত সাম্প্রদায়িকভাৱে ঘটা মেৰুকৰণৰ অন্ত পেলাই ধৰ্মীয় সংখ্যালঘুসকলৰ অংশগ্রহণ, খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ অংশগ্রহণ, তদুপৰি বাওঁ গণতান্ত্রিক শক্তিৰ সহযোগত অসমৰ সমাজ জীৱনক ন-কৈ গঢ়াৰ এক ঐতিহাসিক প্রক্রিয়াৰ পটভূমি ৰচনা কৰা হ'ল। মাৰ্ক্সে কোৱাৰ লেখীয়াকৈ বুৰঞ্জীৰ পুনৰাবৃত্তি ঘটে, প্রথমে বাস্তৱ হিচাপে আৰু দ্বিতীয়তে পৰিহাস হিচাপে। এই পৰিহাসৰ পুনৰাবৃত্তি হ'ল। 'জাতিদ্রোহ কৰা নাছিলো' বুলি কোৱা এইগৰাকী মহন্তৰ নেতৃত্বতে অসমত জাতিদ্রোহী অভিযান চলিল। এসময়ৰ 'সংগ্রামী' নেতাৰ নেতৃত্বতে জাতিদ্রোহী অভিযান।— ইয়াতকৈ আৰু ইতিহাসৰ কৰুণ পৰিণতি কি হ'ব পাৰে। যাক ৰাইজে দিল্লীবাদবিৰোধী সংসদীয় সংগ্রামৰ বৰসেনাপতি পাতিছিল, সেইগৰাকীয়ে দিল্লীৰ ওচৰত শৰণাগত হৈ শাসনত থাকিলে কিছু কাম কৰিবলৈ বাধ্য হয় জাতীয় আপ্তবাক্যৰে জাতিদ্রোহী অভিযানৰ সেনাপতি হ'ল। ফলাফল সকলোৰে জ্ঞাত। ইউনিফাইড কামাণ্ড ষ্ট্রাক্‌চাৰৰ দ্বাৰা নিৰ্বাচিত অসমীয়া যুৱকক ভুৱা সংঘৰ্ষৰ অজুহাতত হত্যা কৰা হ'ল। পৰাগ দাসৰ দৰে সংগ্রামী সাংবাদিকক হত্যা কৰা হ'ল। অজিত কুমাৰ ভূঞাৰ দৰে সাহসী সাংবাদিকক জে'ল-হাজোতলৈ নিক্ষেপ কৰা হ'ল। বাক্ স্বাধীনতা হৰণ কৰা হ'ল। মানৱ অধিকাৰ ৰক্ষীসকল, গণতান্ত্রিক সংগ্রামৰ সৈনিকসকলৰ ওপৰত নিৰ্যাতন নমাই অনা হ'ল। সৰ্বদিশত সৃষ্টি কৰা হ'ল ভয়, শংকা আৰু আতংকৰ পৰিৱেশ। বিশ্বজিৎ বৰাৰ হত্যাৰে আৰম্ভ হোৱা গুপ্তহত্যাৰ দৰে অসমৰ ইতিহাসৰ সৰ্বকালৰ ঘৃণনীয় ক'লা অধ্যায়ৰ যোগেদি প্রায় ত্রি-শতাধিক পৰিয়ালৰ বুকুলৈ চিৰদিনৰ বাবে অন্ধকাৰ নমাই অনা হ'ল। অকল ইমানেই নহয়, অসমৰ সমাজ-জীৱনৰ ধমনীস্বৰূপ বুঢ়া লুইতৰ পানী দিল্লীৰ হাতত গতাই দিয়াৰ ষড়যন্ত্র, নাগালিমৰ বুকুত অসমৰ মাটি চমজাই দিয়াৰ দৰে ষড়যন্ত্র আৰু সৰ্বতোপৰি 'বুজাবুজি চুক্তি'ৰে লাখ লাখ নিবনুৱা যুৱকৰ ভৱিষ্যৎ অনিশ্চিত কৰাৰ দৰে গভীৰ ষড়যন্ত্রত লিপ্ত হ'ল এইগৰাকী তথাকথিত জাতীয়তাবাদী নেতা। চৌদিশে এক নিৰ্দিষ্ট বাহিনী গঠন কৰি অসমৰ ৰাইজৰ সামগ্রিক উন্নয়নৰ বাবে ধাৰ্য কৰা বিভিন্ন শিতানৰ ৰাজহুৱা ধন আত্মসাৎ কৰাৰ অভিযোগ উত্থাপিত হ'ল। অৱস্থা ইমানেই শোচনীয় হৈ পৰিল যে মহন্তৰ একান্ত অনুগত এচাম তথাকথিত দলীয় নেতা-কৰ্মীৰ যোগেদি গাঁও পৰ্যায়লৈকে ৰাজহুৱা ধন আত্মসাতৰ অভিযোগ উঠিল। ৰাইজে দিয়া ক্ষমতাৰ অসদ্ব্যৱহাৰ কৰি, গ্রাম্য উন্নয়নৰ বহু ধন হৰলুকী কৰি এই বাহিনীটোৱে যি 'লুম্পেনাইজ' সংস্কৃতিৰ সৃষ্টি কৰিলে তাৰ পৰা অসমৰ ৰাইজে আজিও সকাহ পোৱা নাই। স্বাভাৱিকভাৱেই

ৰাইজে প্ৰফুল্ল মহন্তৰ এনে হঠকাৰী, জাতিবিৰোধী পদক্ষেপবোৰৰ যোগ্য প্ৰত্যুত্তৰ দিলে '৯৮ আৰু '৯৯ চনৰ লোকসভা নিৰ্বাচনত মহন্ত বাহিনীক পৰাজিত কৰে। ২০০১ চনৰ বিধানসভা নিৰ্বাচনত উৎখাত কৰি ৰাইজে জনাই দিলে যে অসমৰ ইতিহাসত জাতিদ্ৰোহী আৰু বিশ্বাসঘাতকক কোনোকালে ক্ষমা কৰা হোৱা নাই। প্ৰফুল্ল মহন্ত নেতৃত্বাধীন অগপ দল এইদৰে ৰাইজৰ দ্বাৰা প্ৰত্যাখিত হোৱাৰ সময়তে নেতাগৰাকীৰ ব্যক্তিগত চাৰিত্ৰিক দিশো উন্মোচিত কৰিলে অসমৰ সংবাদপত্ৰই। এইবাৰ প্ৰত্যাখিত হ'বলগাত পৰিল দলীয় নিষ্ঠাৱান কৰ্মীবৃন্দৰ হাতত। তেজপুৰত অনুষ্ঠিত দলীয় অধিৱেশনত দলৰ সকলো পৰম্পৰা নেওচি কেৱল পদলালসাৰ বাবেই নিৰ্বাচনত অৱতীৰ্ণ হোৱা নেতাগৰাকীক দলীয় কৰ্মীসকলে চূড়ান্তভাৱে প্ৰত্যাখ্যান কৰিলে। দলটোৰ নতুন সভাপতিগৰাকীৰ নেতৃত্বৰ খুমটাই বিধানসভা নিৰ্বাচনত দলীয় প্ৰাৰ্থীগৰাকীৰ বিজয় তথা বিগত লোকসভা নিৰ্বাচনত দুগৰাকী প্ৰাৰ্থীৰ বিজয়ে দলীয় কৰ্মীৰ মনোবল তথা ৰাইজৰ মাজত দলটোৰ প্ৰাসংগিকতা বৃদ্ধি কৰিলে। ইতিমধ্যে অসমৰ সকলো স্তৰৰ জনসাধাৰণৰ মাজত ব্যাপক সঁহাৰি লাভ কৰা দলটোৰ 'আস্থাৰ অসম' শীৰ্ষক কৰ্মসূচীয়ে দলটোৰ প্ৰাণচাঞ্চল্য ঘূৰাই আনিছিল। তেনে সময়ত দলটোৱে দলবিৰোধী কাৰ্যকলাপৰ বাবেই পূৰ্বৰ নেতা প্ৰফুল্ল মহন্তক বহিষ্কাৰৰ কথা ঘোষণা কৰিলে। দলীয় আভ্যন্তৰীণ দ্বন্দ্বৰ ক্ষেত্ৰত গ্ৰহণ কৰা এই দৃঢ় পদক্ষেপৰ ফলত দলটোৰ মাজত ব্যাপক পৰিবৰ্তনৰ সূচনা হ'ল। বিগত কুৰি বছৰৰো অধিক কাল মহন্তৰ সোঁৱে-বাঁৱে থাকি অগপ দল তথা অসমবাসীৰ সংসদীয় সংগ্ৰামী ধাৰাক ছুৰীকাঘাত কৰা কেতবোৰ নেতা-কৰ্মীয়ো দলীয় অনুশাসনৰ সন্মুখীন হ'ল। ক্ষমতাৰ অন্ধ মোহত আবদ্ধ এনে নেতা-কৰ্মীৰ মাজত তীব্ৰ অসৌজন্যমূলক আচৰণ প্ৰকাশ পালে। পৰিতাপৰ কথা যে এনে অসৌজন্যমূলক আচৰণে অসহিষ্ণুতাৰ চূড়ান্ত ৰূপত দেখা দিলে দলীয় কাৰ্যালয়, প্ৰতীক আদিৰ ক্ষেত্ৰত আৰোপ কৰা অবৈধ দখলদাৰিত্বত। স্বাভাৱিকতে, ইয়াৰ ফলত দলটোৰ মাজত এক স্থবিৰতাই দেখা দিছে আৰু দলটোৰ বাবেই নিত্য-নতুন প্ৰত্যাহ্বান কঢ়িয়াই আনিছে।

এই স্থবিৰতা আৰু প্ৰত্যাহ্বানে অসমবাসীৰ ঐতিহাসিক প্ৰয়োজনীয়তাকে অস্বীকাৰ কৰাৰ পৰিৱেশ সৃষ্টি কৰিছে। নাগৰিকপঞ্জী প্ৰস্তুতকৰণ, আই এম ডি টি বাতিলৰ পৰবৰ্তী অৱস্থাৰ পদক্ষেপ, সকলো জাতিসত্তা আৰু জনগোষ্ঠীৰ সমঅধিকাৰৰ স্বাৰ্থত উচ্চসদন স্থাপন; তথা সৰ্বতোপৰি অতিকেন্দ্ৰিক ভাৰতৰাষ্ট্ৰৰ হাতৰ পৰা ক্ষমতা কাঢ়ি অনাৰ বাবে যি সংগ্ৰামী ৰাজনীতিৰ প্ৰয়োজনীয়তা; তাক কৰ্ষণ কৰাৰ বাবে আজি সময় সমাগত। কিন্তু অগপৰ একাংশ প্ৰাক্তন নেতা-কৰ্মী আৰু আজিও দলটোৰ ভিতৰত থকা ছদ্মবেশী কৰ্মীৰ সংগ্ৰামবিমুখী, জাতীয় দায়বদ্ধতাহীন আচৰণে সমগ্ৰ বিষয়বস্তু ধূসৰ কৰি তুলিছে। ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এনেক্ষেত্ৰত অগপৰ গতিশীল ভূমিকাৰ ওপৰত বহু কথা নিৰ্ভৰ কৰিব। দিল্লীবাদবিৰোধী জাতীয় সংগ্ৰামখনৰ লগত জড়িত বিভিন্ন স্তৰৰ ৰাইজ, বুদ্ধিজীৱী, সাংবাদিক, নাগৰিক, প্ৰভাৱগোষ্ঠী সংগঠন আৰু সৰ্বতোপৰি সমভাবাপন্ন ৰাজনৈতিক শক্তিসমূহৰ দ্বাৰা এক

বহল মঞ্চ প্ৰস্তুত কৰি সংসদীয় ৰাজনৈতিক ধাৰাক আগুৱাই নিয়াৰ ক্ষেত্ৰত যথোপযুক্ত কৰ্মব্যৱস্থা হাতত ল'ব নোৱাৰিলে, অসমৰ ৰাইজৰ সামূহিক চিন্তা-চৰ্চাক পুনৰ প্ৰতাৰণা কৰা হ'ব। ইয়াৰ বাবে অগপ পুনৰ ৰাইজৰ আদালতৰ সন্মুখীন হ'ব। প্ৰফুল্ল মহন্তই ইয়াৰ এক উৎকৃষ্ট নমুনা।

পূৰ্বপ্ৰকাশ : আজি, ৩১ আগষ্ট/২০০৫

১৩ কাৰ্বি পাহাৰৰ পৰিস্থিতি গোষ্ঠী প্ৰৱণতাৰ প্ৰসংগত

শাৰদীয় দুৰ্গোৎসৱৰ উছাহৰ বন্যাই উলহ-মালহ সৃষ্টি কৰাৰ সময়তে, কাৰ্বি পাহাৰত জুই জ্বলিল। হিংসাৰ দাবানলে এফালৰ পৰা পুৰি নিলে সৰ্বসাধাৰণ কাৰ্বি-ডিমাছা ৰাইজৰ ঘৰ-দুৱাৰ, গাঁও-ভূঁই। হিংসাৰ উন্মত্ততাই এনে পৰ্যায় পালেগৈ যে কপিলীপৰীয়া চাৰচিম গাঁৱৰ সমীপত বাছ যাত্ৰীক সংঘবদ্ধ আক্ৰমণ কৰা হ'ল। এই বৰ্বৰতাৰ বলি হ'বলগা হ'ল দুগ্ধপোষ্য সাতমহীয়া শিশু, নাৰী আৰু অশীতিপৰ বৃদ্ধ। যুগ যুগ ধৰি ভাতৃত্বৰ এনাজৰীৰে বান্ধ খাই থকা দুখন সমাজৰ হেজাৰ-বিজাৰ ৰাইজে পিতৃদত্ত ঘৰ-বাৰী এৰি চৰকাৰী আশ্ৰয় শিবিৰত স্থান ল'বলগা হ'ল। ৰাজ্যখনত এখন নিৰ্বাচিত চৰকাৰ থাকোঁতে, আৰক্ষী-সেনাৰ যুটীয়া কমাণ্ড ব্যৱস্থা থাকোঁতে, এক শক্তিশালী চোৰাংচোৱা ব্যৱস্থা থাকোঁতে এনেদৰে সৰ্বসাধাৰণ ৰাইজে অকাল দুৰ্যোগৰ সন্মুখীন হ'বলগা হোৱাটো গভীৰ পৰিতাপৰ বিষয়। তাতকৈ দুখৰ কথা এয়ে যে এই ঘটনাসমূহৰ যথাৰ্থ পৰ্যালোচনা নকৰি ৰাজ্যখনৰ প্ৰধান-অপ্ৰধান ৰাজনৈতিক দলসমূহে পাৰস্পৰিক বোকা ছটিওৱাৰ ৰাজনীতি আৰম্ভ কৰিছে। দোষাৰোপৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। অৱশ্যে আশাৰ বতৰা এয়ে যে মত-সংগঠন নিৰ্বিশেষে নাগৰিক সমাজখনে গভীৰ উদ্বেগেৰে এনে পৰিস্থিতি নিৰসনৰ বাবে প্ৰায়োগিক পদক্ষেপ হাতত লৈছে। এনে পৰিস্থিতিৰ অন্যতম সৃষ্টিকাৰক বুলি অভিযোগৰ তৰ্জনী নিক্ষেপ কৰা দুই যুযুধান সশস্ত্ৰ বিদ্ৰোহী গোট ইউ পি ডি এছ আৰু ডি এইচ ডিক আত্ম-সংযমৰ আহ্বান জনোৱা হৈছে। কিন্তু এই সমগ্ৰ বিষয়তে যি দিশ অনুল্লেখিত হৈ আছে, সি হ'ল এনে গোষ্ঠীদ্বন্দ্বৰ প্ৰৱণতাৰ

প্ৰসংগ। এনেবোৰ সংঘৰ্ষৰ সময়ত যথেষ্ট গণ্ডগোলৰ পৰিৱেশ সৃষ্টি কৰা হয়, তদন্ত আয়োগ গঠন কৰা হয়। কিন্তু পৰিস্থিতি শাম কাটিলেই সকলোবোৰ ওৰ পৰে। সেয়ে হয়তো ৰক্তবীজৰ তেজৰ দৰে গোষ্ঠীদ্বন্দ্বৰ প্ৰৱণতা যত্ৰ-তত্ৰ সৃষ্টি হৈছে আৰু সময়ৰ লগে লগে সি তল পৰিছে। পুনৰ নতুন পৰিৱেশত এনে প্ৰৱণতা সৃষ্টি হোৱাৰ লগে লগে নিয়মমাফিক সকলোবোৰ কৰা গৈছে। ফলত এনে দ্বন্দ্বৰ স্থায়ী নিৰসনৰ বাবে কোনোধৰণৰ ব্যৱস্থা, চিন্তা-চৰ্চা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই।

বিগত প্ৰায় এক দশক জুৰি অসম তথা উত্তৰ-পূৰ্বাঞ্চলত এনেবোৰ ঘটনা ঘটি আছে। কেতিয়াবা ই গোষ্ঠী প্ৰৱণতাৰ, কেতিয়াবা গোষ্ঠীদ্বন্দ্ব আৰু সংঘাতৰ ৰূপ গ্ৰহণ কৰা দেখা গৈছে। মণিপুৰৰ পাহাৰীয়া অঞ্চলত নগা আৰু কুকিসকলৰ মাজত ভয়াবহ সংঘৰ্ষ হ'ল। মেইতে আৰু নগাসকলৰ মাজত পাৰস্পৰিক বিদ্বেষ বৃদ্ধি পাইছে। অসমত বড়ো আৰু চাওতালসকল, বড়ো আৰু মুছলমান সমাজখনৰ মাজত ক্ষয়ংকৰী সংঘৰ্ষৰ সৃষ্টি হ'ল। বড়ো-ৰাজবংশীৰ মাজত তিক্ততা বৃদ্ধি পাইছে। মিচিং-অমিচিংসকলৰ মাজত সন্দেহৰ ভাব সৃষ্টি হৈছে। শেহতীয়াভাৱে কাৰ্বি আৰু কুকিসকলৰ মাজত, ডিমাছা আৰু মাৰসকলৰ মাজত সংঘৰ্ষৰ সৃষ্টি হৈছে আৰু পৰিশেষত কাৰ্বি আৰু ডিমাছাসকলৰ ক্ষেত্ৰতো তদ্ৰূপ পৰিস্থিতিৰ সৃষ্টি হৈছে। কেতিয়াবা যদি এনে সংঘাত দুই বা ততোধিক বিদ্ৰোহী গোটৰ দ্বন্দ্বৰ ফলত হৈছে, কেতিয়াবা আকৌ ই বৃহত্তৰ নাগৰিক সমাজখনকো সাঙুৰি লৈছে। বহু সময়ত আকৌ প্ৰব্ৰজিত জনসম্প্ৰদায়ৰ লগত খিলঞ্জীয়া সমাজখনৰ দ্বন্দ্ব-সংঘাতৰ সৃষ্টি হৈছে। মাজে-সময়ে ধৰ্মীয় চিন্তাধাৰাৰো প্ৰলেপ সনা হৈছে। ফলস্বৰূপে, উত্তৰ-পূৰ্বাঞ্চলৰ এক বৃহৎ জনসমষ্টি অদ্যাপি শৰণাৰ্থী শিবিৰতে আশ্ৰয় গ্ৰহণ কৰি থাকিবলগীয়া হৈছে। ব্যাপক হাৰত স্থানচ্যুতিৰ লেখীয়া ঘটনাও ঘটিছে। স্বাভাৱিকতে এনেবোৰ ঘটনা-পৰিঘটনাৰ বাবে বহল আৰু মুকলি বিতৰ্ক, চিন্তা-চৰ্চাৰ প্ৰয়োজন আছে।

বিগত পঞ্চাশ বছৰে অসমৰ সমাজ-জীৱনৰ এক গুৰুত্বপূৰ্ণ অধ্যায় হ'ল— বিভিন্ন জাতিসত্তা, জনগোষ্ঠীসমূহৰ উন্মেষণ প্ৰক্ৰিয়া। সাধাৰণভাৱে, ভাৰতীয় সংবিধানে 'জনজাতি'ৰ পোছাক পিন্ধোৱা এনে বিভিন্ন জাতিসত্তা আৰু জনগোষ্ঠীসমূহে স্বকীয় পৰিচয়ৰ সন্ধানত যাত্ৰা আৰম্ভ কৰিছে। আৰম্ভণিৰ পৰিস্থিতি আছিল সম্পূৰ্ণ পৃথক। ব্ৰিটিছ শাসনৰ কালছোৱাত বিকাশৰ বিভিন্ন স্তৰত থকা এই জাতিসত্তা, জনগোষ্ঠীসমূহে ব্ৰিটিছবিৰোধী সংগ্ৰামখনত ব্যাপকভাৱে অংশগ্ৰহণ কৰা নাছিল। বৰং সেই সময়ছোৱাত শিক্ষা-দীক্ষা বিস্তাৰৰ সুযোগ-সুবিধা আদায় কৰা, সামাজিক বৈষম্যৰ প্ৰতিবাদ আদিৰ মাজতে চিন্তা-চৰ্চাসমূহ কেন্দ্ৰীভূত আছিল। কিন্তু দ্বিতীয় মহাসমৰৰ পৰিৱেশে এনে চিন্তা-চৰ্চাৰ ক্ষেত্ৰখনৰ পৰিসৰ বৃদ্ধি কৰিলে। জনগোষ্ঠীসমূহৰ অগ্ৰণী অংশটোৱে ৰাজনৈতিক চিন্তা-চৰ্চা আৰম্ভ কৰিলে। তাৰ চানেকী ট্ৰাইবেল লীগ, মিজো ইউনিয়ন, নাগা ফেডাৰেল ক্লাব বা নৱগঠিত নাগা নেচনেল কাউন্সিল, নৰ্থ-ইষ্ট ট্ৰাইবেল এণ্ড ৰেচেছ ফেডাৰেচন আদি সংগঠনসমূহৰ চিন্তা-চৰ্চাৰ মাজত দেখা পোৱা যায়। এই নৱউত্থিত চেতনাৰ প্ৰতিক্ৰিয়া হিচাপে দুই ধৰণৰ ব্যৱস্থা আগবঢ়োৱা হ'ল। প্ৰথমটো

হ'ল ব্ৰিটিছে আগবঢ়োৱা 'ক্ৰাউন কলনি'ৰ প্ৰস্তাৱ আৰু দ্বিতীয়টো হ'ল ভাৰতীয় জাতীয় কংগ্ৰেছৰ 'বৰদলৈ কমিছন'। প্ৰথম প্ৰস্তাৱটোৰ ক্ষেত্ৰত মতদ্বৈধতা প্ৰকাশ হোৱাত তাক বাতিল কৰা হ'ল। দ্বিতীয় প্ৰস্তাৱ অনুসাৰে, বৰদলৈ ভাৱোয়ো জনগোষ্ঠীসমূহৰ মতামতৰ ভিত্তিত সংবিধান সভাত কেতবোৰ পৰামৰ্শ দাঙি ধৰে। এইলানি পৰামৰ্শৰ আলমতে অসমৰ পাৰ্বত্য অঞ্চলৰ জনগোষ্ঠীসমূহৰ বাবে 'জিলা' পৰিষদ' ব্যৱস্থাৰে ভাৰতীয় সংবিধানত ষষ্ঠ অনুসূচীৰ প্ৰয়োগ কৰা হ'ল। ভৈয়ামৰ জনগোষ্ঠীসমূহৰ বাবে ভূমি অধিকাৰ সুৰক্ষাৰ বাবে জনজাতীয় খণ্ড আৰু বেষ্টনী ব্যৱস্থা প্ৰবৰ্তন কৰা হ'ল। কিছু ক্ষেত্ৰত চৰ্ত সাপেক্ষে আৰু কিছু ক্ষেত্ৰত সন্মতিৰে এই সমগ্ৰ ব্যৱস্থাৱলীৰ আওতাত বিভিন্ন জাতিসত্তা, জনগোষ্ঠীসমূহ সোমাই পৰিল। এই ব্যৱস্থাৱলীয়ে নিৰ্ধাৰণ কৰি দিয়া সীমাৰেখাই কিন্তু এটা দিশ স্পৰ্শ কৰিব পৰা নাছিল। সি হ'ল, বুৰঞ্জীৰ বিভিন্ন সময়ত প্ৰব্ৰজনৰ বিভিন্ন স্তৰেৰে অসম তথা উত্তৰ-পূৰ্বাঞ্চলত প্ৰৱেশ কৰি বসবাস কৰি থকা বিভিন্ন জনগোষ্ঠীয় লোকৰ স্থিতিৰ ক্ষেত্ৰখন। ফলত নিৰ্দিষ্ট কোনো জনগোষ্ঠীৰ নামেৰে ব্যৱস্থাৱলী পৰিচিত হ'লেও কাৰ্যক্ষেত্ৰত সি বিভিন্ন জনগোষ্ঠীৰ উমৈহতীয়া বাসস্থানত পৰিণত হৈছিল। অৰ্থাৎ, এখন উমৈহতীয়া বাসস্থানত একোটা নিৰ্দিষ্ট জনগোষ্ঠীৰ নামকৰণেৰে এক ৰাজনৈতিক, প্ৰশাসনীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ল।

স্বাধীনতাৰ পৰৱৰ্তী সময়ছোৱাত সমগ্ৰ অঞ্চলৰ জাতিসত্তা, জনগোষ্ঠীসমূহৰ ক্ষেত্ৰত কেতবোৰ নতুন প্ৰত্যাহ্বান সৃষ্টি কৰা হ'ল। ইয়াৰে প্ৰথমটো হ'ল, দেশ বিভাজনৰ ফলত ঘটা অবাধ প্ৰব্ৰজন। চুবুৰীয়া পূৰ্ব-পাকিস্তান, নেপাল আদিৰ পৰা ব্যাপক হাৰত জনপ্ৰব্ৰজন ঘটিল। ঔদ্যোগীকৰণ আৰু নগৰায়নৰ মাধ্যমেৰে ভাৰতবৰ্ষৰ বিভিন্ন স্থানৰ পৰাও প্ৰব্ৰজন ঘটিল। এনে অবাধ প্ৰব্ৰজনে ভূমি আৰু অৰ্থনীতিত ব্যাপক প্ৰভাৱ পেলালে। দ্বিতীয়তে শাসকশ্ৰেণীয়ে পোষণ কৰা আভ্যন্তৰীণ ঔপনিবেশিক নীতি আৰু অনন্যতাৰ নীতি। আভ্যন্তৰীণ ঔপনিবেশিক নীতিয়ে সমগ্ৰ অঞ্চলটোৰ সামগ্ৰিক বিকাশৰ পথ ৰুদ্ধ কৰি পেলালে। জনগোষ্ঠীসমূহে নিজস্ব সম্পদৰ ওপৰত থকা আজন্ম অধিকাৰ হেৰুৱাই পেলালে। তেনেদৰে অনন্যতাৰ নীতিৰ ফলত জনগোষ্ঠীসমূহে পাৰস্পৰিক সম্পৰ্কৰ আঁত হেৰুৱাই পেলালে। শাসনৰ গাদী দখল কৰা অগ্ৰণী শ্ৰেণীৰ কেতবোৰ হঠকাৰী সিদ্ধান্ত আৰু আত্মীকৰণ নীতিয়ে জ্বলা জুইত ঘিঁউ ঢলাৰ দৰে হ'ল।

ইতিমধ্যে, ষষ্ঠ অনুসূচীয়ে প্ৰদান কৰা ৰাজনৈতিক সা-সুবিধাবোৰৰ অসাৰতা প্ৰতিপন্ন হোৱাৰ বাবে জনগোষ্ঠীসমূহৰ মাজত ক্ষোভৰ উদ্‌গীৰণ ঘটিল। শিক্ষা-দীক্ষাৰে উন্নীত হোৱা অগ্ৰণী অংশটোৱে ভাৰতীয় সংবিধানৰ গণ্ডীৰ ভিতৰতে আৰু অধিক সা-সুবিধা বিচাৰি গণতান্ত্ৰিক সংগ্ৰামৰ পথ গ্ৰহণ কৰিলে। বিক্ষুব্ধ অংশটোৱে সাংবিধানিক গণ্ডী অস্বীকাৰ কৰি সশস্ত্ৰ সংগ্ৰামৰ পথ গ্ৰহণ কৰিলে। জনগোষ্ঠীয় উন্মেষণৰ উভয় প্ৰক্ৰিয়াই সৃষ্টি কৰা উত্তাল পৰিৱেশ নিয়ন্ত্ৰণ কৰিবৰ বাবে শাসকগোষ্ঠীয়ে এহাতে সামৰিক অৱদমন আৰু আনহাতে সংবিধানত নিৰ্দিষ্ট কৰি ৰখা ব্যৱস্থাৱলীকে প্ৰদান কৰাৰ পথ গ্ৰহণ কৰিলে। ফলত নাগালেণ্ডৰ দৰে ৰাজ্য আৰু মিজোৰামৰ দৰে কেন্দ্ৰীয়শাসিত

অঞ্চল সৃষ্টি কৰা হ'ল। এবাৰ একোটা দৃষ্টান্ত স্থাপন হোৱাৰ পাছত তাৰ প্ৰাপ্তিৰ বাবে আন আন জনগোষ্ঠীসমূহেও সদৃশ পন্থা গ্ৰহণ কৰিলে। ফলত সমগ্ৰ অঞ্চলটোৰ ভৌগোলিক পৰিসীমাৰ ভিতৰতে ন ন ৰাজ্য সৃষ্টি হ'ল। তাৎপৰ্যপূৰ্ণভাৱে ইয়াৰ সমান্তৰালভাৱে সাৰ্বভৌম ৰাষ্ট্ৰৰ প্ৰতিষ্ঠাৰ বাবেও সশস্ত্ৰ সংগ্ৰামৰ ঢৌ সমগ্ৰ অঞ্চলটোতে সৃষ্টি হৈছে।

ভৈয়াম অঞ্চলত বসবাস কৰা জনগোষ্ঠীসমূহৰ মাজতো প্ৰত্যাহ্বান আৰু উন্মেষণ প্ৰক্ৰিয়া আৰম্ভ হ'ল। বিশেষকৈ অবাধ প্ৰব্ৰজন আৰু নগৰায়ন প্ৰক্ৰিয়াই এই জনগোষ্ঠীসমূহলৈ নিত্য নতুন প্ৰত্যাহ্বান কঢ়িয়াই আনিলে। ফলত, সৃষ্টি হোৱা ৰাজনৈতিক আশা-আকাংক্ষাৰ উত্তৰ হিচাপে শাসকগোষ্ঠীয়ে ষষ্ঠ অনুসূচীৰ প্ৰবৰ্তন, উপগ্ৰহীয় স্বায়ত্তশাসন, স্বায়ত্তশাসন ব্যৱস্থাৱলী প্ৰয়োগ কৰিলে। এই ব্যৱস্থাৱলীৰ দ্বাৰা জনগোষ্ঠীসমূহৰ অগ্ৰণী শ্ৰেণীটোক সন্তুষ্ট কৰা হ'ল। কিন্তু, জনগোষ্ঠীটোৰ সামগ্ৰিক বিকাশ তথা নিৰ্দিষ্ট কৰি দিয়া ভৌগোলিক পৰিসীমাৰ মাজত বসবাস কৰা আন লোকসকলৰ ৰাজনৈতিক আকাংক্ষাৰ দিশটোক সম্পূৰ্ণভাৱে উপেক্ষা কৰা হ'ল।

এনে প্ৰেক্ষাপটত নিজস্ব গৃহভূমিতে অধিকাৰ হেৰুওৱাৰ এক সৰ্বগ্ৰাসী সংশয়ে জনগোষ্ঠীসমূহৰ মনত তিক্ততাৰ সৃষ্টি কৰিছে। এই তিক্ততাই এক পাৰস্পৰিক ঘৃণাৰ পাৰিবেশৰ জন্ম দিছে আৰু সময়ত তাৰ উদ্গীৰণ ঘটি গোষ্ঠী সংঘৰ্ষৰ জন্ম দিয়ে। এইসমূহ দিশৰ পৰা গোষ্ঠী সংঘৰ্ষৰ পটভূমি ৰচনা কৰাৰ বাবে প্ৰচলিত ব্যৱস্থাই দায়ৰ ভাগ ল'ব লাগিব। ৫০ৰ দশকতে সৃষ্টি কৰা কেতবোৰ ব্যৱস্থা আজিৰ তাৰিখতো কিমান প্ৰাসংগিক, তাৰো আনুপুংখ বিচাৰ বিশ্লেষণ চলাব লাগিব।

আজিৰ তাৰিখত দৃষ্টি আকৰ্ষণ কৰা, কাৰ্বি আংলং তথা উত্তৰ কাছাৰ পাহাৰীয়া জিলাৰ পৰিৱেশ অৱশ্যে আলোচনাৰ যোগ্য। প্ৰাক্ ব্ৰিটিছ কালত এই সমগ্ৰ অঞ্চল ডিমাছা সেনাপতি তুলাৰাম হাসনু আৰু কাৰ্বি অধিপতি ৰাইছং তেৰাঙৰ নিয়ন্ত্ৰণাধীন আছিল। ব্ৰিটিছৰ হাতত স্বনিয়ন্ত্ৰণ হেৰুৱাই, উভয়ে ব্ৰিটিছৰ নিয়ন্ত্ৰণ মানি লৈছিল। সমগ্ৰ অঞ্চলটোক ব্ৰিটিছে কাছাৰ, নগাঁও, শিৱসাগৰ, নগাপাহাৰ জিলাত অন্তৰ্ভুক্ত কৰিছিল আৰু একাংশ 'Partialy Excluded area' হিচাপে গ্ৰহণ কৰিছিল। এই সময়ৰে পৰা অঞ্চলটোলৈ জেমি, ৰেংমা আদি নগা জনগোষ্ঠী, অসমীয়াভাষী, কুকি, মাৰ, বেটে, ৰাংখল আদি জনগোষ্ঠীৰ প্ৰব্ৰজন আৰম্ভ হৈছিল। তিৱা আৰু বড়ো লোকসকলৰো প্ৰব্ৰজন ঘটিছিল। স্বাধীনতাৰ পৰৱৰ্তী সময়ছোৱাত, বাংলাভাষী, হিন্দীভাষী আৰু নেপালীসকলৰ আগমন ঘটিছিল। স্বাধীনতাৰ পিছতে, ১৯৫১ চনত সংযুক্ত মিকিৰ পাহাৰ আৰু উত্তৰ কাছাৰ পাহাৰ জিলা গঠন কৰি অঞ্চলটোৰ ষষ্ঠ অনুসূচীৰ আওতালৈ অনা হ'ল। পাৰ্বত্য ৰাজ্য গঠনৰ ধামখুমীয়াত ১৯৭১ চনত এই জিলাখনকে দুভাগ কৰি কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ জিলা গঠন কৰা হ'ল। জিলা পৰিষদ ব্যৱস্থাকো পৃথক কৰা হ'ল। ১৯৮৫-৮৬ চনৰে পৰা উভয় জিলাকে সামৰি স্বায়ত্তশাসিত ৰাজ্যৰ দাবী উত্থাপন কৰা হ'ল। এই দাবী উত্থাপন হোৱাৰ বাবে, জিলা দুখনত বসবাস কৰা আন লোকসকলৰ মাজতো উৎকণ্ঠাৰ সৃষ্টি হ'ল। আঞ্চলিক পৰিষদ গঠনেৰে এনে

উৎকণ্ঠা নিৰসনৰ বাবে দুই-এক প্ৰচেষ্টা চলোৱা হৈছে যদিও সামগ্ৰিক অৰ্থত সি গৌণ হৈ পৰিল। পৰৱৰ্তী সময়ত কেতবোৰ সুবিধাপ্ৰাপ্ত নেতৃত্বৰ আভ্যন্তৰীণ দ্বন্দ্ব আদিৰ বাবে স্বায়ত্তশাসিত ৰাজ্য দাবীটো স্তিমিত হৈ পৰিল। এনে প্ৰেক্ষাপটত কাৰ্বি আত্ম-নিয়ন্ত্ৰণৰ অধিকাৰেৰে 'হেমপ্ৰেক কাংথিম' আৰু 'ডিমাৰাজি' গঠনৰ প্ৰস্তাৱ উত্থাপিত হ'ল। এই দাবীৰ সমৰ্থনত গণতান্ত্ৰিক আৰু সশস্ত্ৰ ৰাজনৈতিক ধাৰাৰো জন্ম হ'ল। 'হেমপ্ৰেক কাংথিম' বনাম 'কুকি আঞ্চলিক পৰিষদ' তথা আদাখেতিৰ ওপৰত নিয়ন্ত্ৰণক লৈ সংঘাত, সংঘৰ্ষৰ সৃষ্টি হ'ল। 'মাৰ আঞ্চলিক পৰিষদ' আৰু 'ডিমাৰাজি'ক কেন্দ্ৰ কৰিও সংঘৰ্ষৰ সৃষ্টি হ'ল। শেহতীয়াভাৱে আকৌ, সমগ্ৰ অঞ্চলকে 'নাগালিম'ৰ অন্তৰ্ভুক্ত কৰিব বিচৰা প্ৰচেষ্টাৰ বাবে এন এছ চি এন (আই-এম)ৰ লগতো তীব্ৰ সংঘাতৰ সৃষ্টি হৈছে। এই সমূহ ঘটনা-প্ৰতিঘটনাই সমগ্ৰ অঞ্চলটোতে এক অস্থিৰ পৰিৱেশৰ জন্ম দিছে। সাম্প্ৰতিক সংঘাত আৰু সংঘৰ্ষৰ ক্ষেত্ৰত সেয়ে 'হেমপ্ৰেক কাংথিম', 'ডিমাৰাজি' 'নাগালিম' আদি প্ৰসংগসমূহ সমানুপাতিক হাৰত উচ্চাৰিত হৈছে আৰু সিয়ে চিন্তাশীল মহলৰ বাবে উদ্বেগৰ সৃষ্টি কৰিছে।

কাৰ্বি আৰু ডিমাছা জাতিসত্তাৰ উত্থানৰ প্ৰসংগই কেতবোৰ নতুন দিশ আৱিষ্কাৰ কৰিছে। দীৰ্ঘদিন ধৰি ষষ্ঠ অনুসূচীৰ আওতাত থকা জাতিসত্তা দুয়োটাৰ ৰাজনৈতিক আকাংক্ষাক ষষ্ঠ অনুসূচীৰ ব্যৱস্থাৱলীয়ে পৰিতৃপ্ত কৰিব পৰা নাছিল। সমগ্ৰ অঞ্চলত সম্পদৰ প্ৰাচুৰ্য থকা সত্ত্বেও অৰ্থনৈতিক ক্ষেত্ৰখনত অনগ্ৰসৰ হিচাপেই পৰিগণিত হৈছে। এই অনগ্ৰসৰতা দূৰ কৰাৰ ক্ষেত্ৰতো অনুঘটকৰ ভূমিকা পালন কৰাত ষষ্ঠ অনুসূচী ব্যৰ্থ। কাজেই, 'স্বায়ত্তশাসিত ৰাজ্য', 'হেমপ্ৰেক কাংথিম', পৃথক 'ডিমাৰাজি' আদি দাবীসমূহ উত্থাপিত হৈছে। কিন্তু ইয়াতেই সৃষ্টি হৈছে পাৰস্পৰিক সন্দেহ আৰু সংশয়ৰ পৰিৱেশ। অন্যান্য জনগোষ্ঠীসমূহৰ কথা বাদ দিলেও কেৱল কাৰ্বি আৰু ডিমাছাসকলৰ মাজতেই সৃষ্টি হৈছে সন্দেহৰ মনোভাব। 'হেমপ্ৰেক কাংথিম'ৰ দ্বাৰা ডিমাছাসকলৰ অধিকাৰ হৰণৰ ভয় আৰু 'ডিমাৰাজি'ৰ দ্বাৰা কাৰ্বিসকলৰ অধিকাৰ হৰণৰ ভয় সৃষ্টি হোৱা বাবেই এই পৰিৱেশৰ জন্ম হৈছে। তাতে, দুই সশস্ত্ৰ-সংগঠনৰ যুযুধান ভূমিকাই ফিৰিঙতিত খাণ্ডৱ দাহ কৰিলে। এনে পৰিৱেশ কাইলৈ আন আন জনগোষ্ঠীসমূহৰ ক্ষেত্ৰলৈকো বিস্তাৰ লাভ কৰিব পৰাৰ সম্ভাৱনা আছে।

অথচ, এই সমগ্ৰ প্ৰক্ৰিয়াত কেইটামান দিশ আওকাণ কৰা হৈছে। ইয়াৰে প্ৰথমটোৱেই হ'ল, উমৈহতীয়া গৃহভূমিৰ বিষয়টো। মূলতঃ সমগ্ৰ অঞ্চলটোৱেই কাৰ্বি আৰু ডিমাছাসকলৰ উমৈহতীয়া গৃহভূমি। এই চৰিত্ৰক বহুমাত্ৰিক দিশ প্ৰদান কৰিছে বুৰঞ্জী আৰু সময়ৰ পাকচক্ৰত প্ৰব্ৰজন কৰা অন্যান্য জনগোষ্ঠী আৰু থিতাপি লোৱাৰ ভাষিক সম্প্ৰদায়সমূহে। ফলত সমগ্ৰ অঞ্চলটোৱেই এই সকলো লোকৰে উমৈহতীয়া গৃহভূমিত পৰিণত হৈছে। এই বাস্তৱ সত্যক স্বীকাৰ কৰাটো প্ৰকৃত গণতন্ত্ৰৰ লক্ষণ। এক সুস্থ গণতান্ত্ৰিক পৰম্পৰাৰ মূল্যবোধৰ দ্বাৰা পৰিচালিত নহ'লে ইয়াক স্বীকাৰ কৰাটো কঠিন। আকৌ এই বাস্তৱক অস্বীকাৰ কৰাৰ ফলাফল অতিশয় ভয়াৱহ আৰু মানৱতাৰ পৰিপন্থী। কাজেই, সমগ্ৰ বিষয়টোকে 'হেমপ্ৰেক কাংথিম' আৰু 'ডিমাৰাজি' প্ৰয়াসীসকলে

পৰ্যালোচনা কৰাৰ অতীব প্ৰয়োজনীয়তা আছে। সেইদৰে আন এক গুৰুত্বপূৰ্ণ দিশ হ'ল যে প্ৰচলিত ব্যৱস্থাৰ মাজত এনে উমৈহতীয়া গৃহভূমিৰ বাস্তৱক স্বীকাৰ কৰি প্ৰয়োগ কৰিব পৰা ব্যৱস্থাৱলীৰ যথাৰ্থ নিৰ্দেশনা নাই। এনে নিৰ্দেশনা প্ৰস্তুত কৰিব পৰাৰ বাবে প্ৰয়োজনীয় চিন্তা-চৰ্চা তথা আগ্ৰহৰ পৰিৱেশ সৃষ্টি হোৱা চকুত পৰা নাই। বৰং, ইয়াৰ বিপৰীত দিশবোৰহে অধিক পৰিষ্কাৰ হৈছে। এনে বিষয়সমূহ অৱজ্ঞা কৰি বিভেদকাৰী আৰু দমনমূলক ব্যৱস্থাৱলীৰহে প্ৰয়োগৰ বাবে চেষ্টা চলোৱা হয়। ইয়াৰ দ্বাৰা বিষয় একোটাক সাময়িকভাৱে সমাধা কৰা হয় যদিও স্থায়ীভাৱে মীমাংসা কৰা নহয়। তদুপৰি প্ৰচলিত ব্যৱস্থাত যিধৰণৰে আধিপত্যবাদী, বৰ্ণবাদী আৰু ঔপনিৱেশিক চিন্তাধাৰাৰ ব্যাপক প্ৰৱেশ ঘটিছে, তাৰ বাবে এনেবোৰ বিষয়ৰ সফল সমাধান সতকাই হ'ব পাৰে বুলি আশা কৰিব পৰা নাযায়।

এনে প্ৰেক্ষাপটত, সমগ্ৰ বিষয়টোৱেই এক নতুন ধৰণৰ চিন্তা-চৰ্চাৰ দাবী কৰে। অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ক্ষেত্ৰত যিবোৰ উপাদান, ব্যৱস্থাই গোষ্ঠীপ্ৰৱণতা সৃষ্টি কৰাৰ পৰিৱেশ ৰচনা কৰিছে; তাক নস্যাৎ কৰাৰ বাবেও চিন্তা-চৰ্চা কৰিব লাগে। এনে চিন্তা-চৰ্চাই প্ৰশ্ন উত্থাপন কৰিব যে গোষ্ঠীচেতনা নিৰসণৰ বাবে প্ৰচলিত ব্যৱস্থাৱলী কিমান প্ৰাসংগিক? তদুপৰি ইয়াৰ বাবে যদি বিকল্প ব্যৱস্থাৱলীৰ প্ৰয়োজনীয়তা অনুভৱ কৰা হয়, তাৰো আনুপুংখ বিচাৰ-বিশ্লেষণ হওক। চমুকৈ ক'বলৈ হ'লে এনে এক ব্যৱস্থাৰ নীতি-নিৰ্দেশনা প্ৰস্তুত হৈ উঠক যে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ যিকোনো এজন মিজো, নগা, মেইতে, খাছি, আশ্চিক, আদি, গালুং, আহোম, দেউৰী, মিচিং, ৰাভা, বড়ো, তিৱা, কাৰ্বি, ডিমাছাই গোষ্ঠীসংঘৰ্ষত প্ৰাণ বিসৰ্জন দিবলগা নহয়। বাস্তুহাৰা হ'বলগা নহয়। মাও চে তুঙৰ ভাষাত শতপুষ্প বিকশিত হোৱাৰ পৰিৱেশ সৃষ্টি হওক কাৰ্বি-ডিমাছাৰ শতসহস্ৰ অশ্ৰু, ভগ্ন হৃদয় আৰু নিহতজনৰ চিতাভস্মৰ পৰা।

পূৰ্বপ্ৰকাশ : দৈনিক জনমভূমি, ২৮ অক্টোবৰ/২০০৫

১৪ ৰজাৰু আহক আৰিখ ডিমাই চকু মেলি চাওক

আমাৰ স্বপ্নৰ সেউজীয়া দেশ কাৰ্বি পাহাৰত এতিয়া মৃত্যুৱে কিৰিলি পাৰিছে। যিখন সেউজীয়া দেশৰ অৰণ্য-পাহাৰৰ অলিয়ে-গলিয়ে আমাক হাতবাউলি মাতে, তাৰালাংছ'ৰ যৌৱনৰ উৎসৱে বাৰে বাৰে আকৰ্ষণ কৰে, চমাংকানৰ শুকান গাহৰি আৰু হৰলাণ্ডৰ সোৱাদভৰা আতিথ্যই মন বাউলি কৰি তোলে, যাৰ হেঁপাহত মটৰ চাইকেল চলাই চলাই জিৰচেঙে জিৰচেঙে ঘূৰি ফুৰো, সেইখন দেশত এতিয়া মৃত্যু এক প্ৰাত্যহিক সংবাদ। শৰতে উন্মাদ কৰা ফ্ৰে-ফাইকুনি (আহিন-কাতি) মাহত এতিয়া আৰু কোনেও 'চকুবুইপাংনি' (ধান) জমা নকৰে। মাটিথঙৰ (আঘোন) আহি থকা দিনবোৰত কোনেও 'চকবৈ কেজং'ৰ (ধানৰ মেজি) হিচাপ-নিকাচ নকৰে। এতিয়া সকলোতে কেৱল কান্দোনৰ ৰোল। ঘৰে ঘৰে ভাহি আহিছে দুখৰ উচুপনি। হয়তো গাঁৱে গাঁৱে পালন কৰিবলগা হ'ব চমাংকান।

ঠিক সেইদৰে 'হাসাউচা'ৰ ডিমাছাসকলে নিজৰ ঘৰ-বাৰী এৰি এতিয়া 'ডেমৰাছা'ত থকা আত্মীয়-কুটুম্বসকলৰ আশ্ৰয় গ্ৰহণ কৰিবলগাত পৰিছে। যিসময়ত 'মায়াৰাঠৰণী' (ধান চপোৱাৰ গীত) গাই ঘৰে ঘৰে ধান চপাব লাগিছিল, সেই সময়ত থীবা (শৱদাহ)ৰ বাবে প্ৰস্তুত হ'বলগা হৈছে। ঘৰে ঘৰে কোনোবাই গাবলগাত পৰিছে গ্ৰাচিমাং গীত।

'খৰমন হামিয়া বাংহিনিং এলাই দানে গায়ামু
এলাই মিথিনে, ম্ৰিখাদে হাবেসাও সানিয়া লাইলানাং
নিনিবা দাওবিলি খৰাতখে নুকুনাং খাচিলিক বাইকুনাং

নিংসাওসি গিৰনি য়াওহনহা বেদেনিং দাৰিয়াং জিৰিমাং
নিংসাত্তমি গিৰিনি য়াওহনহা খাচিলিক বাইহিনিং সাইন বাইনাং'

(দুৰ্ভাগ্য হ'লে এনেকুৱাই হয়/ এনে হ'ব বুলি জনা হ'লে তুমি জনম নিদিয়া হ'লেই ভাল আছিল /তোমাৰ মিতিৰ-কুটুমক দেখিলে পুনৰ দুখ পাওঁ/ তুমি মৰি যোৱাৰ দুখ নকৰি কেনেকৈ থাকো/ তুমি মৰি যোৱাৰ দুখতেই মোৰ দিনবোৰ যাব)।

পাৰিবনে এওঁলোকে এইবেলি মাঘত মুৰি গ্ৰাম বজাই 'বিছু'ত এপাক নাচিবলৈ। নোৱাৰে! যেনেদৰে নোৱাৰে কাৰ্বিসকলে 'ছংলাট' (মাঘ) মাহত দলে-বলে গাহৰি মাৰি এসাঁজ 'ছহংবংদে' খাব। সকলোতে এতিয়া মাথোঁ নীড়হাৰা পখীৰ ক্ৰন্দন। ফাগুন মাহত ঝুমখেতিত লগা বনজুইকুৰাই মুহূৰ্ততে জ্বলি-পুৰি ছাই কৰি দিলে বহু কাৰ্বি-ডিমাছাৰ সপোন। আমাৰ বাবে কঢ়িয়াই আনিলে বুকু ভেদি নিগৰি অহা এটি হুমুনিয়াহ। কেৱল চৰকাৰী হিচাপ মতেই বৰ্তমানলৈকে যাঠিগৰাকী কাৰ্বি, নগৰাকী ডিমাছা লোকৰ মৃত্যু হৈছে। উলুৰ লগত বগৰী পোৰাদি মৃত্যু হ'ল এগৰাকী বড়ো, এগৰাকী নেপালী লোকৰ। ভস্মীভূত হ'ল ১০২৮ টা বাসগৃহ, ৪৩ খন গাঁও। ৫০ টা আশ্ৰয় শিবিৰত আশ্ৰয় গ্ৰহণ কৰিছে ১২,৩২০ জন কাৰ্বি, ৯,৭৮২ জন ডিমাছা, ২৭৩ গৰাকী নেপালী আৰু ১৫৪ গৰাকী গাৰো সম্প্ৰদায়ৰ লোকে। বেচৰকাৰী তথ্যই ইয়াৰ স্ফীতি নিশ্চয় বৃদ্ধি কৰিব। এই ৭২ গৰাকী দুৰ্ভগীয়া লোকৰ ভিতৰত আছে ৭ মহীয়া কেঁচুৱাৰ পৰা ৮০ বছৰীয়া বৃদ্ধলৈকে। বাস্তৱৰ কি এক নিৰ্মম পৰিহাস!

সৈনিক শিল্পী বিষ্ণুপ্ৰসাদ ৰাভাৰ মতে অসমৰ আদিতম বাসিন্দা কাৰ্বিসকল অসমৰেই 'কলম্বাছ'। মূলতঃ আমৰি, ৰংহাং, ছিষ্টং, ডুমুৰালি— এই চাৰিভাগত বিভক্ত কাৰ্বিসকল প্ৰব্ৰজনৰ এক প্ৰক্ৰিয়াৰ ফলতেই আহি কপিলী-যমুনা নৈৰ উপত্যকা আৰু এই উপত্যকাক আবৰি ৰখা বৰাইল পাহাৰৰ ঠাল-ঠেঙুলিবোৰত থাকিবলৈ ল'লেহি। ঝুমখেতি আৰু এক আদিম সাম্যবাদী অৰ্থনীতিৰে পৰিচালিত কাৰ্বিসকলে নিজাকৈয়ে স্থায়ী অৰ্থনৈতিক স্থিতি গ্ৰহণ কৰাৰ পৰিবৰ্তে পৰিভ্ৰমী চৰিত্ৰ গ্ৰহণ কৰিছিল। সেয়ে কেতিয়াবা জয়ন্তীয়া, কেতিয়াবা আহোম স্বৰ্গদেউসকলৰ আশ্ৰয় গ্ৰহণ কৰিবলগাত পৰিছিল। স্বৰ্গদেউ জয়ধ্বজ সিংহৰ দিনত, ৰহা চকীৰ ৰহিয়াল বৰুৱাৰ তৎপৰতাত আজিৰ হামৰেণ মহকুমা আৰু নগাঁও, কাৰ্বি আংলঙত থিতাপি লয়। তাৰে একাংশই বিভিন্ন ধৰণেৰে প্ৰব্ৰজন কৰি ব্ৰহ্মপুত্ৰ উপত্যকাৰ বিভিন্ন স্থানত বসবাস কৰিবলৈ ধৰে। ঊনৈশ শতিকাৰ আদিছোৱাত ৰাইচং তেৰাং নামৰ এজন বীৰ পুৰুষে কাৰ্বিসকলক সংগঠিত কৰিবলৈ প্ৰচেষ্টা হাতত লয় যদিও ইতিমধ্যে অসম প্ৰৱেশ কৰা ঔপনিৱেশিক ব্ৰিটিছ ৰাজশক্তিৰ ওচৰত হাৰ মানিব লগাত পৰে। ব্ৰিটিছ ৰাজত্বৰ শেষৰফালে কাৰ্বিসকলৰ বাসস্থান হিচাপে মিকিৰ পাহাৰক চিহ্নিত কৰি 'পাৰ্চিয়েলি এক্সক্লুডেড এৰিয়া' হিচাপে গণ্য কৰা হয়। তাৎপৰ্যপূৰ্ণভাৱে, আহোমসকলৰ সমান্তৰালভাৱে প্ৰায় তিনিশ বছৰীয়া ৰাজত্বকাল পৰিচালনা কৰা ডিমাছাসকল ঊনবিংশ শতিকাৰ আদিছোৱাত বিপৰ্যয়ৰ সন্মুখীন হয়। ডিমাছা ৰজা গোবিন্দ চন্দ্ৰ হাসনুৱে ১৮৩২ চনত নিজ ৰাজ্য হেৰুৱায়। অৱশিষ্ট অংশ শাসন কৰা সেনাপতি তুলাৰাম হাসনুৰ ৰাজ্যখনো ১৮৫৪ চনত ব্ৰিটিছে নিজৰ দখললৈ

আনে। এই ৰাজ্যখন পৰ্যায়ক্ৰমে নগাঁও, শিবসাগৰ আৰু নগাপাহাৰ জিলাত বিভক্ত কৰি দিয়া হয়। ১৯৩৫ চনৰ ভাৰত শাসন আইন অনুযায়ী ইয়াকো 'পাৰচিয়েলি এক্সক্লুডেড এৰিয়া' হিচাপে ঘোষণা কৰা হয়।

ভাৰতবৰ্ষই স্বাধীনতা লাভৰ সময়ছোৱাত তেতিয়াৰ অসমৰ পাহাৰীয়া অঞ্চলসমূহৰ শাসন ব্যৱস্থা কি হ'ব তাক লৈ বিতৰ্কৰ সৃষ্টি হয়। এই বিতৰ্কৰ বাবে লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ নেতৃত্বত এখন আয়োগ গঠন কৰি দিয়া হয়। এই আয়োগত পাহাৰীয়া অঞ্চলসমূহত বসবাস কৰা বিভিন্ন জনগোষ্ঠীসমূহৰ সাক্ষ্য গ্ৰহণ কৰা হয়। সেই মৰ্মে ডিমাছাসকলৰ হৈ হামধন হাফলংবাৰে এখনি জনজাতীয় পৰিষদ গঠন কৰাৰ বাবে আৰ্জি পেছ কৰে। তেনেদৰে কাৰ্বিনেতা ছাৰসিং টেৰণ হাবি, ছত্ৰসিং টেৰণ, ছই ছই টেৰণ, বাৰলেং টেৰাণ, বংলং টেৰাণ আদিয়ে হাৱাইপুৰ অঞ্চলত কাৰ্বি-এ-দৰবাৰ নামৰ এটা সংগঠনৰ জন্ম দি সকলো কাৰ্বিকে সংলগ্ন কৰি এখন জিলা গঠনৰ দাবী উত্থাপন কৰে। বৰদলৈ আয়োগৰ ছুপাৰিশ অনুযায়ী অসমৰ পাৰ্বত্য জনজাতিসকলৰ বাবে ভাৰতীয় সংবিধানত ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্ত কৰা হয় আৰু মূলতঃ ডিমাছা আৰু কাৰ্বি অধ্যুষিত পাহাৰীয়া অঞ্চলসমূহক লৈ ১৯৫১ চনত সংযুক্ত মিকিৰ পাহাৰ আৰু উত্তৰ কাছাৰ পাহাৰ জিলা নাম দি এখন জিলা গঠন কৰা হয়। এই জিলাত উভয় জনগোষ্ঠীৰ লোকৰ বাবে পৃথক পৃথক জিলা পৰিষদ গঠন কৰা হয় ১৯৫২ চনত। অৱশ্যে এই ব্যৱস্থাৰ ফলত ভৈয়ামৰ কাছাৰ, নগাঁও আদি জিলাত বসবাস কৰা কাৰ্বি, ডিমাছা লোকসকল সাংবিধানিক সুৰক্ষাৰ পৰা বঞ্চিত হ'বলগাত পৰে। উভয় জিলা পৰিষদৰ কাৰ্যকলাপ চলি থকা অৱস্থাতে সত্তৰৰ দশকত 'অল পাৰ্টী হিল্‌ছ লিডাৰছ কনফাৰেন্স' নামৰ সংগঠনটিৰ জন্ম হয়। এই সংগঠনটোৱে পাৰ্বত্য জিলা পৰিষদসমূহক লৈ সুকীয়া পাৰ্বত্য ৰাজ্যৰ দাবী উত্থাপন কৰে। এই সংগঠনৰ তৰফৰ পৰা দুয়োখন জিলা পৰিষদৰ নেতৃবৃন্দৰ লগত যোগাযোগ কৰা হয় যদিও সংগঠনটোৱে পৰ্যাপ্ত সঁহাৰি লাভ নকৰিলে। তেনে সময়তে অসম চৰকাৰে সংযুক্ত মিকিৰ পাহাৰ আৰু উত্তৰ কাছাৰ জিলাক দুভাগ কৰি উত্তৰ কাছাৰ আৰু মিকিৰ পাহাৰ জিলা হিচাপে ঘোষণা কৰে। পৰৱৰ্তী সময়ত 'মিকিৰ' শব্দ পৰিমাৰ্জন ঘটাই 'কাৰ্বি আংলং' নামেৰে নামকৰণ কৰা হয়।

অসম আন্দোলনে সৃষ্টি কৰা পৰিৱেশৰ মাজতে হলিৰাম টেৰাং, জয়ন্ত ৰংপি, প্ৰকান্ত ৱাৰিছা, সমৰজিৎ হাফলংবাৰ আদি বাওঁপন্থী আদৰ্শৰে অনুপ্ৰাণিত একাংশ যুৱকে কাৰ্বি আংলং-উত্তৰ কাছাৰ পাহাৰ জিলাক সামৰি এক নতুন ৰাজনৈতিক ভাবধাৰাৰ জন্ম দিয়ে। ভাৰতীয় সংবিধানৰ ২৪৪ ধাৰাৰ ভিতৰত এখন স্বায়ত্তশাসিত ৰাজ্য দাবী কৰি স্বায়ত্তশাসিত ৰাজ্য দাবী সমিতি বা এ এছ ডি চি নামৰ সংগঠনটোৰ জন্ম দিয়া হয়। কমিউনিষ্ট পাৰ্টী অৱ্ ইণ্ডিয়া (এম এল)ৰ মতাদৰ্শৰে অনুপ্ৰাণিত হৈ এ এছ ডি চি সংগঠনটোৱে বিশেষকৈ কাৰ্বি সমাজৰ ৰাজনীতি, সমাজনীতি, সংস্কৃতিৰ ওপৰত ব্যাপক প্ৰভাৱ বিস্তাৰ কৰিবলৈ সমৰ্থ হয়। কাৰ্বি কালচাৰেল ছ'চাইটিৰ যোগেদি সাংস্কৃতিক ক্ষেত্ৰখনত বিশেষকৈ যুৱ মহোৎসৱ অনুষ্ঠিত কৰি এক জনজাগৰণৰ সৃষ্টি কৰে।

ৰাজনৈতিক ক্ষেত্ৰখনত জিলা পৰিষদ দখল কৰা, সংসদলৈ প্ৰতিনিধি নিৰ্বাচন কৰা আদি ঘটনাৰ যোগেদি ৰাজ্য ৰাজনীতিতো ব্যাপক প্ৰভাৱ সৃষ্টি কৰা হয়। ইতিমধ্যে কাৰ্বি আংলং জিলাৰ জনগাঁথনিগত চৰিত্ৰৰো ব্যাপক পৰিবৰ্তন ঘটিবলৈ আৰম্ভ কৰিছিল। ব্ৰিটিছ অহাৰ পূৰ্বৰ সময়ছোৱাত মানৱ আক্ৰমণৰ সময়তে কাৰ্বি আংলঙত অসমীয়াভাষী লোকৰ প্ৰৱেশ ঘটিছিল। ব্ৰিটিছ শাসনাধীন কালছোৱাত অবিভক্ত নগাঁও আৰু শিৱসাগৰ জিলা হোৱাৰ সুবাদত এই প্ৰব্ৰজন প্ৰক্ৰিয়া চলি আছিল আৰু স্বাধীনোত্তৰ কালছোৱাতো চাকৰি-বাকৰি তথা অন্যান্য প্ৰক্ৰিয়াৰে এই প্ৰক্ৰিয়া অব্যাহত থকাৰ পিছত কাৰ্বি আংলঙৰ অসমীয়া সমাজখন গঠন হৈছিল। তদুপৰি জিলা গঠনৰ সময়ছোৱাতো কেতবোৰ অসমীয়াপ্ৰধান অঞ্চল কাৰ্বি আংলঙত সংলগ্ন কৰা হ'ল। তেনেদৰে মূলতঃ ব্যৱসায়-বাণিজ্যক কেন্দ্ৰ কৰি বাংলাভাষী লোকসকলৰো প্ৰৱেশ ঘটিছিল। পাহাৰীয়া অঞ্চলৰ অপৰ্যাপ্ত অব্যৱহৃত কৃষিভূমিৰ বাবেই হিন্দীভাষী বিহাৰী সম্প্ৰদায়, পশুপালক নেপালী সম্প্ৰদায় আদি লোকসকলৰ আগমন ঘটিছিল। কিছু কিছু অঞ্চলত বড়ো, তিৱাসকলৰো বাসস্থান আছিল। তেনেদৰে কুকি সম্প্ৰদায়ৰ লোকসকলৰো প্ৰৱেশ ঘটিছিল। যদিও জিলা পৰিষদৰ বিধি অনুযায়ী এনে প্ৰব্ৰজন কৰা লোকসকলৰ বাবে ভূমি অধিকাৰ প্ৰদান কৰা হোৱা নাছিল, তথাপি আইনৰ সুৰুঙাৰে ভূমিৰ এক অস্থায়ী বন্দবস্তি কৰিব পৰা গ'ল। বিশেষকৈ ভূমি অধিকাৰ সম্পৰ্কীয় কিছু দায়-দায়িত্ব গাঁওবুঢ়াক দিয়াৰ বাবেই ভূমি আবণ্টন প্ৰক্ৰিয়া সহজ হৈ পৰিল। ইয়াৰ ফলত কাৰ্বি লোকসকলৰ মনত এক সন্দেহ আৰু অস্তিত্বৰ প্ৰশ্ন জাগ্ৰত হ'ল। অসমৰ জনগোষ্ঠীয় লোকসকলৰ প্ৰতি অসমৰ মধ্যশ্ৰেণী, বিশেষকৈ ৰাজ্য চৰকাৰসমূহে পোষণ কৰা অনন্যতা নীতিৰ প্ৰতিবাদকল্পে কাৰ্বি আংলঙতো 'অসমীয়া বিদ্বেষী' মনোভাব এটা জাগ্ৰত হ'ল। এই মনোভাবক বহল ৰূপ প্ৰদান কৰিলে স্বায়ত্তশাসন দাবী আন্দোলনটোৱে। লাহে লাহে ই কাৰ্বি আংলঙত বসবাস কৰা আন আন জনগোষ্ঠী, সম্প্ৰদায়সমূহলৈ বিস্তাৰ লাভ কৰিলে। ফলস্বৰূপে আন্দোলনটোৰ কেতবোৰ পদক্ষেপ বিৰোধিতা কৰি বেনাৰ সংগঠন 'নাগৰিক অধিকাৰ সুৰক্ষা সমিতি', 'কাৰ্বিআংলং হিন্দীভাষী সংস্থা' আদি সংগঠনৰ জন্ম হ'ল। এহাতে ৰাজ্যৰ ৰাজনীতিত এ এছ ডি চিৰ শক্তিশালী আত্মপ্ৰকাশ আৰু আনহাতে এনে সংগঠনসমূহৰ বিৰোধিতাৰ মাজত এক নতুন পৰিস্থিতিৰ সৃষ্টি হ'ল। এই পৰিস্থিতিৰ মাজতে কাৰ্বি আংলঙত বসবাস কৰা বড়োসকলে 'পাৰ্বত্য জনজাতি'ৰ মৰ্যাদা বিচাৰি আন্দোলনৰ পথ গ্ৰহণ কৰে আৰু এই বিষয়টো 'বড়ো লিবাৰেচন টাইগাৰ্ছ'ৰ দৰে সশস্ত্ৰ সংগঠনৰ কৰ্মসূচীতো অন্তৰ্ভুক্ত কৰোৱা হয়। এনে প্ৰেক্ষাপটত স্বায়ত্তশাসিত ৰাজ্য দাবী সমিতিয়ে ১৯৯৫ চনত এখন বুজাবুজি চুক্তিত স্বাক্ষৰ কৰি, জিলা পৰিষদ দুখনক ত্ৰিশটা বিভাগ হস্তান্তৰেৰে স্বায়ত্তশাসিত পৰিষদলৈ উন্নীত কৰিবলৈ সমৰ্থ হয়। আনহাতে উদ্‌গীৰণমুখী পৰিস্থিতিৰ বাবে এ এছ ডি চিয়ে ভূমি অধিকাৰ কুকিৰ দৰে জনগোষ্ঠীক পৰিষদীয় ক্ষমতা প্ৰদান আদি ক্ষেত্ৰত কেতবোৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ বাধ্য হয়। *এনে সময়তে মূল আন্দোলনকাৰী সংগঠন এ এছ ডি চিত ভাঙোনৰ প্ৰক্ৰিয়া আৰম্ভ হয়। হলিৰাম টেৰাং আৰু ড° জয়ন্ত ৰংপিৰ নেতৃত্বত এ এছ ডি চি দুভাগত বিভক্ত*

হৈ পৰে। আন আন কেতবোৰ ঘটনাৰ প্ৰভাৱৰ বাবে কাৰ্বি ছাত্ৰ সন্থা কেইবাটাও ভাগত বিভক্ত হয় আৰু সামগ্ৰিকভাৱে স্বায়ত্তশাসিত দাবী আন্দোলন স্তিমিত হৈ পৰে।

কাৰ্বি আংলঙৰ স্বায়ত্তশাসিত ৰাজ্য দাবী সমিতিখনৰ কাৰ্যকলাপ কাৰ্বিকেন্দ্ৰিক হৈ পৰাৰ অভিযোগ তথা সামগ্ৰিকভাৱে ই ডিমাছা জাতিসত্তাক প্ৰতিনিধিত্ব নকৰাৰ ক্ষোভ প্ৰকাশ কৰি একাংশ ডিমাছা ছাত্ৰই ১৯৯১ চনত সদৌ ডিমাছা ছাত্ৰ সন্থা নামৰ সংগঠনটোৰ জন্ম দিয়ে। দিলীপ নুনিছা, চানমণি কেম্প্ৰাই, ৰ'জ দাউলাগাপু আদি ছাত্ৰনেতাৰ আত্মপ্ৰকাশে জন্ম দিয়া এই নতুন ধাৰাই ইতিমধ্যে কাছাৰ, উত্তৰ কাছাৰ, নগাঁও, কাৰ্বি আংলং, নাগালেণ্ডত বিভক্ত হৈ পৰা ডিমাছা লোকসকলক একত্ৰীকৰণ কৰি ভাৰতীয় সংবিধানৰ তিনি নং অনুচ্ছেদ অনুসৰি পৃথক ৰাজ্য 'ডিমাৰাজি' গঠনৰ দাবী উত্থাপন কৰে। লাহে লাহে এই দাবীৰ সমৰ্থনত ডিমাৰাজি ৰিভাইভেল ডিমাও সমিতি, ডিমাৰাজি মহিলা সমাজ, ডিমাৰাজি খুনং হাচম আদি গণ-সংগঠনৰো জন্ম হয়। সমগ্ৰ ডিমাছা অধ্যুষিত অঞ্চলত এই দাবীৰ সন্দৰ্ভত এক জনমত গঠন কৰাৰ প্ৰক্ৰিয়া আৰম্ভ হয়। এই গণতান্ত্ৰিক দাবীৰ সমান্তৰালভাৱে হেঁচা প্ৰয়োগ কৰাৰ অৰ্থে দিলীপ নুনিছা, প্ৰণৱ নুনিছা, জুৱেল গাৰলোছা আদি যুৱকৰ নেতৃত্বত 'ডিমা হালম ডাউগা' নামৰ সশস্ত্ৰ সংগঠন এটাৰো জন্ম হয়। আৰম্ভণিতে সশস্ত্ৰ সংগঠন এন এছ চি এন (আই এম)ৰ সশস্ত্ৰ সংযোগ লাভ কৰা সংগঠনটো পৰৱৰ্তী সময়ত এন এছ চি এন (আই এম)ৰ লগত সংঘাতৰ সূত্ৰপাত হয় খ্ৰীষ্টান ধৰ্ম আৰু বৃহত্তৰ নাগালিমৰ প্ৰশ্নক লৈ। ডি এইচ ডিয়ে এহাতে নিজস্ব সামাজিক ঐতিহ্য অক্ষুণ্ণ ৰখা আৰু আনহাতে ভৌগোলিক স্বতন্ত্ৰতা প্ৰাপ্তিৰ বাবেই এন এছ চি এন (আই এম)ৰ লগত সম্পৰ্ক ছিন্ন কৰে। পৰৱৰ্তী সময়ত কেন্দ্ৰীয় চৰকাৰৰ লগত ডি এইচ ডিয়ে যুদ্ধবিৰতি চুক্তিত স্বাক্ষৰ কৰি 'ডিমাৰাজি' সন্দৰ্ভত আলোচনা প্ৰক্ৰিয়া চলাই আছে। যুদ্ধবিৰতিত থকা অৱস্থাতে ডি এইচ ডিত মতাদৰ্শগত সংঘাত আৰম্ভ হয় আৰু সভাপতি জুৱেল গাৰলোছাই ডি এই ডি ত্যাগ কৰি 'ব্লেক উইড' নামৰ আন এটি সশস্ত্ৰ সংগঠনৰ জন্ম দিয়ে। অদ্যাপি এই সংগঠনটোৰ লক্ষ্য-উদ্দেশ্য পোহৰলৈ অহা নাই। এই সময়ছোৱাতে 'ডিমাৰাজি'ৰ বিৰোধিতাৰে উত্তৰ কাছাৰ পাহাৰীয়া জিলাত বসবাসকাৰী আন আন জনগোষ্ঠীসমূহে 'ইণ্ডিজেনাছ পিপ'লছ ফ্ৰন্ট' নামৰ এটি সংগঠনৰ জন্ম দিয়ে। জিলাখনৰ আন এক জনগোষ্ঠী মাৰসকলৰ লগত ডিমাছাসকলৰ দ্বন্দ্বই সংঘৰ্ষৰ ৰূপ ধাৰণ কৰে। ইয়াৰ বাবে বহুসংখ্যক ডিমাছা আৰু মাৰ লোক ক্ষতিগ্ৰস্ত হ'বলগাত পৰে। এই সংঘৰ্ষত জড়িত হোৱা 'মাৰ পিপ'লছ কনভেনচন' নামৰ সংগঠনটোৰ পৃষ্ঠপোষকতা এন এছ চি এন (আই-এম)য়ে কৰিছে বুলিও ডি এইচ ডিৰ তৰফৰ পৰা অভিযোগ উত্থাপন কৰা হৈছিল।

কাৰ্বিভূমিত স্বায়ত্তশাসিত ৰাজ্য দাবী সমিতিৰ প্ৰভাৱ হ্ৰাস হৈ অহাৰ পৰিপ্ৰেক্ষিতত কাৰ্বি যুৱ সম্প্ৰদায়ৰ মাজত সশস্ত্ৰ ৰাজনৈতিক ধাৰাৰ উত্থান হয়। মূলতঃ অধুনালুপ্ত 'কাছাডিকম' নামৰ সংগঠনটোৰ একাংশ নেতা-কৰ্মীয়ে এই ধাৰাৰ সূচনা কৰে। পি দিল্লী, হাৰসিং, টিমুং, ডেভিদ ক্ৰ', গান্ধীৰাম টেৰণ, মেনসিং, টকবি আদি যুৱকৰ নেতৃত্বত 'কাৰ্বি নেচনেল ভলণ্টিয়াৰ্ছ' নামৰ সংগঠনটোৰ জন্ম হয়। সশস্ত্ৰ সংগঠন

আলফাৰ প্ৰত্যক্ষ পৃষ্ঠপোষকতাত গঠিত এই সংগঠনটোৱে প্ৰথমৰে পৰা ভূমিৰ অধিকাৰ তথা আত্ম-নিয়ন্ত্ৰণৰ অধিকাৰ, আভ্যন্তৰীণ ঔপনিবেশিকতাবাদ আদি সন্দৰ্ভত জনমত গঠন প্ৰক্ৰিয়াৰ সূচনা কৰে। সমান্তৰালভাৱে এন এছ চি এন (আই এম)ৰ পৃষ্ঠপোষকতাত 'কাৰ্বি পিপ'লছ ফ্ৰণ্ট' নামৰ আন এটি সশস্ত্ৰ সংগঠনৰ জন্ম হয়। এই সংগঠনটোৰ প্ৰাৰম্ভিক মতাদৰ্শ সন্দৰ্ভত জনা নাযায় যদিও 'বৃহত্তৰ নাগালিম'ৰ প্ৰশ্নত ইয়াৰো পিতৃ সংগঠনৰ লগত দ্বন্দ্ব আৰম্ভ হয়। পৰৱৰ্তী সময়ত কে এন ভি আৰু কে পি এফ— দুয়োটা সংগঠনৰ একত্ৰীকৰণ ঘটি 'ইউনাইডেট পিপ'লছ ডেম'ক্ৰেটিক ছলিডিয়াৰিটি' নামৰ নতুন সংগঠন এটাৰ জন্ম হয়। এই সংগঠনটোৱে জাতীয় আত্ম-নিয়ন্ত্ৰণৰ লক্ষ্যেৰে 'হেমপ্ৰেক কাংথিং' বিচাৰি সংগ্ৰাম আৰম্ভ কৰে। কিছুদিনৰ পিছত কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনাৰ প্ৰসংগ লৈ সংগঠনটোৰ মাজত তীব্ৰ বাদানুবাদ আৰম্ভ হয়। হৰেন সিং বে, ৰজাৰু মুকৰাং, ক্লিংদাপ টেৰন আদি নেতাৰ নেতৃত্বত ইউ পি ডি এছে কেন্দ্ৰীয় চৰকাৰৰ লগত যুদ্ধবিৰতি চুক্তিত স্বাক্ষৰ কৰে। আনহাতে পি দিল্লী, হাৰসিং টিমুং আদিৰ নেতৃত্বত বিভাজিত অংশটোৱে কাৰ্বি-লংৰি, এন চি হিলছ, লিবাৰেচন ফ্ৰণ্ট নামেৰে আন এক সংগঠনৰ জন্ম দিয়ে। ইউ পি ডি এছে ভাৰত চৰকাৰৰ লগত আলোচনা প্ৰক্ৰিয়া চলাই থকা অৱস্থাত আনটো সংগঠনে সশস্ত্ৰ কাৰ্যকলাপ চলাই আছে। বিগত ২০০০-২০০১ চনৰ কালছোৱাত হামৰেন মহকুমাৰ অঞ্চল বিশেষে নেপালী, বিহাৰী আদি সম্প্ৰদায়ৰ ভালেসংখ্যক লোক নিহত হ'বলগা হৈছিল। এই হত্যাত সন্দেহযুক্ত ইউ পি ডি এছৰ নাম উচ্চাৰিত হৈছিল। সেইদৰে কাৰ্বি আংলং জিলাৰ সিংহাসন অঞ্চলত আদা খেতিক কেন্দ্ৰ কৰি কাৰ্বি সশস্ত্ৰ সংগঠন আৰু কুকি সশস্ত্ৰ সংগঠনৰ মাজত সংঘাত সৃষ্টি হৈছিল। ইয়াৰ ফলত উভয় সম্প্ৰদায়ৰ লোকৰে যথেষ্ট ধন-জন-সম্পত্তিৰ ক্ষয়-ক্ষতি হোৱা দেখা গৈছে। ১৯৭১ চনত মেঘালয় সৃষ্টি হোৱাৰ বাবে অসম-মেঘালয় সীমান্তৱৰ্তী ব্লক এক আৰু ব্লক দুই অঞ্চলত সীমাক কেন্দ্ৰ কৰি এক উত্তেজনা বিৰাজ কৰি আহিছে। এইক্ষেত্ৰত মাজে-সময়ে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয় যদিও সি ভয়াবহ ৰূপ ধাৰণ কৰা নাই। এইক্ষেত্ৰত খাছি সশস্ত্ৰ সংগঠন হিনায়ে ট্ৰেপ নেচনেল লিবাৰেচন কাউন্সিল আৰু ইউ পি ডি এছৰ নামো উচ্চাৰিত হয়।

বৰ্তমান ইউ পি ডি এছৰ প্ৰস্তাৱিত 'হেমপ্ৰেক কাংথিম'ৰ মানচিত্ৰ আৰু ডি এইচ ডিৰ প্ৰস্তাৱিত 'ডিমাৰাজি'ৰ মানচিত্ৰত অন্তৰ্ভুক্ত কিছু অঞ্চলক বিবদমান হিচাপে চিহ্নিত কৰিব পৰা যায়। 'হেমপ্ৰেক কাংথিম'ৰ মানচিত্ৰই বৰ্তমানৰ নগাঁও জিলাৰ কিছু কাৰ্বি বসতিপ্ৰধান অঞ্চল সন্নিবিষ্ট কৰাৰ দৰে 'ডিমাৰাজি'ৰ মানচিত্ৰই কাৰ্বি আলংঙৰ ডিমাছা অধ্যুষিত অঞ্চল সামৰি লৈছে। তাৰ বাহিৰেও কেতবোৰ উমৈহতীয়া অঞ্চল আছে, যিবোৰত কেৱল কাৰ্বি-ডিমাছাই নহয় আন আন সম্প্ৰদায়ৰ লোকেও বসবাস কৰি আছে। এনে বহু অঞ্চল এসময়ৰ ডিমাছা ৰজাৰ শাসনাধিষ্ঠিত অঞ্চল যদিও বৰ্তমান সি কাৰ্বিসকলৰ গুৰুত্বপূৰ্ণ বসতিস্থল। উদাহৰণস্বৰূপে ডিমাছা শব্দ 'ডি'ৰে আৰম্ভ হোৱা অথচ বৰ্তমান কাৰ্বি ৰাজনীতি, অৰ্থনীতি, সংস্কৃতিৰ পীঠস্থান ডিফু চহৰৰ কথাকে

ক'ব পৰা যায়। স্বাভাৱিকতে অঞ্চল লৈ বিবাদৰ সৃষ্টি হ'লে সি তিক্ততা আৰু সৰ্বশেষত সৰ্বনশীয়া ঘৃণাৰ মনোভাবৰ জন্ম দিব পাৰে। ঘৃণাৰ মনোভাব সৃষ্টি হৈ হিতাহিত জ্ঞান হেৰুৱাই পেলালে সি যিকোনো ধৰণৰ অভাবনীয়, অকল্পনীয় পৰিস্থিতিৰো সৃষ্টি কৰিব পাৰে। তাৰ উদাহৰণ দেখাৰ। দৰাচলতে বিগত শতিকাজোৰা বুৰঞ্জীৰ নানা ঘটনাপ্ৰবাহে সমগ্ৰ অসমখনকে এনে এক পৰ্যায়ত উপনীত কৰাইছে যে ই নিৰ্দিষ্ট কোনো ভাষিক, সম্প্ৰদায় বা জনগোষ্ঠীৰ একচেটিয়া গৃহভূমি হোৱাৰ বিপৰীতে এক উমৈহতীয়া গৃহভূমিতহে পৰিণত কৰিছে। তাৰ বাবেই একচেটিয়া গৃহভূমিৰ ধাৰণা পৰিত্যাগ কৰি, ইয়াৰ উমৈহতীয়া চৰিত্ৰকে গ্ৰহণ কৰাটোহে অধিক বাস্তৱসম্মত। কিয়নো বুৰঞ্জীৰ ৰথৰ চকা কোনেও জোৰ কৰি ঘূৰাই দিব নোৱাৰে। সেইদৰে কোনো অঞ্চল নিৰ্দিষ্ট কোনো ভাষিক, সম্প্ৰদায়, জনগোষ্ঠীৰ নামেৰে নামাংকিত হ'লেও তাৰ উমৈহতীয়া গৃহভূমিৰ চৰিত্ৰ অক্ষুণ্ণ থাকিব লাগিব। এই উমৈহতীয়া চৰিত্ৰৰ বাস্তৱতাক স্বীকাৰ কৰাজনহে প্ৰকৃত গণতান্ত্ৰিক মানসিকতাৰ দ্বাৰা পৰিচালিত হ'ব। কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ পাহাৰীয়া জিলা দুখনৰ ক্ষেত্ৰতো একেই পৰিস্থিতি বিৰাজমান। বুৰঞ্জীৰ ঘটনাপ্ৰবাহে এই সমগ্ৰ ভূখণ্ডকে আদিৰে পৰা ডিমাছা-কাৰ্বিৰ উমৈহতীয়া বাসভূমিত পৰিণত কৰিছে। পৰ্যায়ক্ৰমে ই আন আন ভাষিক, সম্প্ৰদায়, জনগোষ্ঠীৰো গৃহভূমিত পৰিণত হৈছে। তাৰ চানেকি জিলা দুখনৰ ছত্ৰে ছত্ৰে বিৰাজমান। এনেক্ষেত্ৰত এই বাস্তৱতাক স্বীকাৰ কৰি 'হেমপ্ৰেক কাংথিম', 'ডিমাৰাজি' প্ৰয়াসী উভয় শক্তিৰে কেতবোৰ দিশত আভ্যন্তৰীণ বুজাবুজি কৰি লৈ উমৈহতীয়া কৰ্মসূচীহে গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তা আছে। এই সংক্ৰান্তত আমি পূৰ্বৰ একাধিক প্ৰসংগত ঘূৰণীয়া মেজমেলৰ প্ৰয়োজনীয়তাকো দোহাৰিছিলো।

ইয়াৰ বাহিৰেও বুৰঞ্জীয়ে আমাক আন এক শিক্ষাও প্ৰদান কৰিছে। সি হ'ল, নবউত্থিত জাতিসত্তাসমূহৰ প্ৰতি প্ৰচলিত ব্যৱস্থাটোৱে প্ৰদৰ্শন কৰা চূড়ান্ত অৱহেলা আৰু বঞ্চনাৰ দিশসমূহ। এনে অৱহেলা আৰু বঞ্চনাৰ ক্ষেত্ৰখন কেৱল অৰ্থনৈতিক অনগ্ৰসৰতা, অনন্যতাৰ নীতিৰ মাজতেই সীমাবদ্ধ নহয়, ই বৰং সমগ্ৰ ব্যৱস্থাটোৰ মাজত নিহিত থকা এক বিভেদকামী, বিভাজনমুখী আৰু দমনকাৰী মানসিকতালৈকো পৰিব্যাপ্ত। প্ৰচলিত ব্যৱস্থাৰ ধাৰক-বাহকস্বৰূপ অগ্ৰণী শক্তিসমূহৰ অৰ্থনৈতিক বঞ্চনা, অনন্যতাৰ নীতিৰ দিশসমূহ ইতিমধ্যে প্ৰমাণিত হৈছে। কিন্তু নবোত্থিত জাতিসত্তাসমূহৰ ৰাজনৈতিক আকাংক্ষাসমূহ পূৰণ কৰিবৰ বাবে কোনো ধৰণৰ আগ্ৰহ প্ৰকাশ নকৰা প্ৰচলিত ব্যৱস্থাই শেহতীয়াভাৱে ব্যৱহাৰ কৰা বিভেদকাৰী, দমনকামী নীতিসমূহ সম্পূৰ্ণৰূপে পৰিষ্কাৰ হৈ উঠা নাই। কাজেই, যিকোনো কাৰণেই জাতিসত্তাসমূহৰ মাজত যৎসামান্য মতবিৰোধ থাকিলে তাৰ পূৰ্ণ ব্যৱহাৰ কৰি সামগ্ৰিকভাৱে ৰাজনৈতিক আকাংক্ষাসমূহ নস্যাৎ কৰি দিবৰ বাবে যৎপৰোনাস্তি চেষ্টা চলায়। পৰিতাপৰ কথা এয়ে যে প্ৰচলিত ব্যৱস্থাৰ এই দিশসমূহ পৰ্যালোচনা নকৰা যিকোনো জাতিসত্তাৰ সংগ্ৰাম পথভ্ৰষ্ট হৈ পৰে। অতীতৰ বহু বাঘা বাঘা নেতা, তাত্বিক সময়ত নিজৰ ক্ষেত্ৰখনতেই সম্পূৰ্ণ অপ্ৰাসংগিক হৈ পৰাৰ দেখাৰ নমুনা আছে। এসময়ৰ সংগ্ৰামী

নেতা বা আদৰ্শ প্ৰচলিত ব্যৱস্থাৰ এনে সূক্ষ্ম মেৰপাক ধৰিব নোৱাৰি এনে চৰিত্ৰ পৰিগ্ৰহ কৰে যে সময়ত যি স্বক্ষেত্ৰখনৰ বাবেই ভালুকৰ সাঙীত পৰিণত হয়। আলোচ্য কাৰ্বি, ডিমাছা সংগ্ৰামসমূহৰ ক্ষেত্ৰতো এনে পৰিস্থিতিৰ পূৰ্বাভাস দেখা দিছে।

সাম্প্ৰতিক সংঘাতে কাৰ্বি আংলঙত সৃষ্টি হোৱা বিভীষিকাময় পৰিবেশৰ অন্ত পৰাতো শুভবুদ্ধিসম্পন্ন লোকমাত্ৰেই কাম্য। এনে ঘটনাত সিংহাসন পাহাৰৰ অতি ওখ শিখৰত উঠি ক'বৰ মন যায়— 'This is far no further' দীৰ্ঘদিনৰ সৌ ভাতৃত্ব, একতাৰ এনাজৰীৰ বিশাল পটভূমিত আশা কৰা যায় যে অতি সোনকালে বজাৰু আহিব। আৰিখ ডিমাই চকু মেলি চাব। ডিয়ুঙৰ পাৰত কোনোবাই চিঞৰি উঠিব—

'জালাইজাং থাংখাই পাইথাংনাং।
পাইথাংনাং জালাইৰা পাইথাংলাং
য়াফ্ৰি বৰেহলাং পাইথাংনাং

(আহাঁ যুৱক-যুৱতীৰ দল, সকলো মিলি যাওঁ, অন্ধকাৰৰ আগে, খোজে খোজ মিলাই আগুৱাই যাওঁ)।

কপিলীৰ পাৰৰ পৰা কোনো ডেকাই ৰিঙিয়াই ৰিঙিয়াই গাওক—

মাংৰেজীলাংলে ফাৰকেংপন ফাৰচে
কাংথু চিবাতেয় লাচিনে ছেংৰে
উংৰাজ ভ্জি মন এ
ছেংচিবেৰ উন এ

(এয়া বসন্ত আহিল, শিমলু-মদাৰো ফুলিল; তোমাক পাবলৈ মোৰ মন ব্যাকুল হৈ উঠিল। উৰণীয়া মন মোৰ বান্ধিব নোৱৰা হৈছোঁ)।

একেলগে প্ৰাণ পাই উঠক বিছু আৰু ৰিটনং ছিনদিৰ ঐক্যবদ্ধ সাংগীতিক ধ্বনি।

পূৰ্বপ্ৰকাশ : আজি, ৩১ অক্টোবৰ/২০০৫

১৫ জাতীয় বীৰক হিন্দু নেতা সজোৱাৰ অপচেষ্টা প্ৰতিহত কৰক

যিকেইজন জাতীয় বীৰক অসমবাসীয়ে প্ৰাতঃস্মৰণ কৰে, সেইসকলৰ ভিতৰত লাচিত বৰফুকন অন্যতন। লাচিতৰ অত্যুগ্ৰ দেশপ্ৰেম, অদম্য সাহস, একাগ্ৰতা আৰু কৰ্তব্যপৰায়ণতাৰ বাবেই এসময়ত অসমে স্বকীয়তা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছিল। দিল্লীৰ মোগল ৰাজশক্তিৰ উপৰ্যুপৰি আক্ৰমণত আহোম স্বৰ্গদেউসকলে থৰকাচুটি হেৰুৱাইছিল। বিশেষকৈ মিৰজুমলাৰ অসম আক্ৰমণৰ ফলত তেতিয়াৰ অসমৰ ৰাজশক্তি-অৰ্থনীতি ভাঙি পৰিছিল। স্বৰ্গদেউ জয়ধ্বজ সিংহই 'ভগাৰজা'ৰ দুৰ্নাম বহন কৰিবলগাত পৰিছিল। স্বৰ্গদেউগৰাকীৰ পৰলোক ঘটাত চক্ৰধ্বজ সিংহই শিঙৰি ঘৰত উঠিল আৰু ভগা দেশখন থানথিত লগাব বিচাৰিলে। ৰাজমন্ত্ৰী আতন বুঢ়াগোহাঁয়ে স্বৰ্গদেউজনাৰ এই কাৰ্যত দেহে-কেহে খাটি, দেশসেৱাৰ অপূৰ্ব নিদৰ্শন দেখুৱাই থৈ গ'ল। এই দুয়োজনাৰে আৱিষ্কাৰ আছিল লাচিত। স্বৰ্গদেউ চক্ৰধ্বজৰ স্বাধীনচিন্তীয়া আদৰ্শ আৰু আতন বুঢ়াগোহাঁইৰ সুতীক্ষ্ণ কূটনৈতিক নীতিৰ মাজেৰেই লাচিতৰ কৰ্মৰাজি আগবাঢ়িছিল। লাচিতৰ নেতৃত্বাধীন অসম বাহিনীয়ে চৈয়দ ছানা আৰু চৈয়দ ফিৰোজক বন্দী কৰি গুৱাহাটী দখল কৰিবলৈ সক্ষম হ'ল। এই খবৰ দিল্লী গৈ পোৱাত, দিল্লীৰ নবাব ঔৰংগজেবে ৰাজপুত বীৰ ৰামসিংহৰ নেতৃত্বত সু-প্ৰশিক্ষিত ৰাজপুত পদাতিক বাহিনী অসমলৈ প্ৰেৰণ কৰে। এই শক্তিয়ে কোঠ মাৰি লাচিতৰ লগত কূটনৈতিক যুঁজ আৰম্ভ কৰে আৰু সৰ্বশেষত ৰণত লিপ্ত হয়। মোগলৰ এই বিশাল বাহিনীৰ লগত অসমৰ সেনাই সন্মুখ সমৰত লিপ্ত হ'ব নোৱাৰাৰ বাবেই 'খেপ' যুদ্ধখ্যাত আজিৰ

'গেৰিলা' পদ্ধতিৰ সহায় লৈছিল। কেইবালানি যুদ্ধৰ অন্তত, শৰাইঘাটত লাচিতৰ বাহিনীৰ ওচৰত ৰামসিংহেই হাৰ মানিবলগাত পৰে আৰু পিছুৱাই যায়। লাচিতৰ নেতৃত্বাধীন এই শৰাইঘাট যুদ্ধই অসমক, বিশাল মোগল সাম্রাজ্যৰ অংশীদাৰ কৰাৰ পৰা ৰক্ষা কৰিছিল আৰু আহোম প্রশাসনক দীৰ্ঘম্যাদী অৱস্থাত উপনীত কৰাইছিল। বুৰঞ্জীৰ এনে সমূহ ঘটনা-প্রতিঘটনাৰ বাবেই অসমবাসীৰ ওচৰত লাচিত এগৰাকী প্রাতঃস্মৰণীয় বীৰ। আজিও অসমবাসীয়ে লাচিতৰ জীৱন-আদৰ্শৰ পৰা অনুপ্রেৰণা লাভ কৰি আহিছে।

বুৰঞ্জীৰ এক উল্লেখযোগ্য চৰিত্ৰ হিচাপে বুৰঞ্জীবিদ ড° সূৰ্য কুমাৰ ভূঞাই লাচিত বৰফুকনক লৈ এক প্রণালীবদ্ধ গৱেষণা কৰিছিল। 'Lachit Barphukan and his times' হিচাপে খ্যাত এই গৱেষণা গ্রন্থখনে লাচিত বৰফুকনৰ সময়ক সঠিকভাবেই চিত্রিত কৰিছে। সেইদৰে প্রয়াত প্রবীণ ফুকন আৰু প্রদীপ শইকীয়াই 'লাচিত বৰফুকন' নামেৰে নাট ৰচনা কৰি এই ঐতিহাসিক পুৰুষজনাক শ্রদ্ধা নিবেদন কৰিছে। তাৰ বাহিৰেও লাচিত সন্দৰ্ভত বিদ্যায়তনিক চিন্তা-চৰ্চা হৈছে। এইক্ষেত্রত গৱেষক ভাৰত কলিতাই লাচিত বৰফুকনৰ সমৰ কৌশলৰ বিষয়ে কৰা এটি আলোকপাত এক আলোচনাচক্রত শুনাৰ সৌভাগ্য আমাৰ হৈছিল। এনে বিদ্যায়তনিক চৰ্চাৰ বাহিৰেও বিভিন্ন সাহিত্য-কৰ্মতো লাচিতৰ আদৰ্শ সিঁচৰতি হৈ আছে। অৱশ্যে লাচিত বৰফুকনৰ স্মৃতিত ৰাজহুৱা দিৱস উদ্‌যাপন কৰাৰ পৰম্পৰা কিছু দেৰিকৈহে আৰম্ভ হ'ল। সম্ভৱতঃ ১৯৬৮ চন মানৰে পৰা 'লাচিত সেনা'ই লাচিত দিৱস উদ্‌যাপন কৰিছিল। সেইদৰে অসম জাতীয়তাবাদী যুব-ছাত্র পৰিষদে জন্মলগ্নৰে পৰা 'লাচিত দিৱস' উদ্‌যাপন কৰি আহিছিল যদিও শেহতীয়াভাৱে সংগঠনটো ইয়াৰ পৰা আঁতৰি আছে। ইয়াৰ বাহিৰেও অসমত বিভিন্ন অনুষ্ঠান-প্রতিষ্ঠানে লাচিত দিৱস উদ্‌যাপন কৰি আহিছে। অসমৰ প্রাক্তন ৰাজ্যপাল লেঃ জেঃ এছ কে সিন্‌হাই লাচিতক ৰাষ্ট্ৰীয় পৰ্যায়ত প্রতিষ্ঠা কৰাৰ বাবে প্রচেষ্টা চলাইছিল যদিও এই প্রচেষ্টা মুজুৰা পৰা দেখা গ'ল। শেহতীয়াভাৱে 'হিন্দু যুব-ছাত্র পৰিষদ, অসম' নামৰ সংগঠন এটাই লাচিত দিৱস উদ্‌যাপন কৰি আহিছে যদিও সংগঠনটোৱে 'লাচিত'ক যি ৰূপত প্রতিষ্ঠা কৰিব বিচাৰিছে সি অতি বিতৰ্কমূলক।

আমাৰ হাতত পৰা তথ্য মতে 'হিন্দু যুব-ছাত্র পৰিষদ, অসম' নামৰ যুব-ছাত্র সংগঠনটোক জন্ম দিছিল ৰমেশ চিলেদাৰ, মধুজী নামৰ ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ পৰিচালক দুজনে। নয়ন ভট্টাচাৰ্য, মহেন্দ্ৰ কোঁৱৰ নামৰ দুজন ছাত্র নেতাকে ধৰি একাংশ হিন্দুত্ববাদী যুব-ছাত্রই এই সংগঠনটোৰ গুৰি ধৰিছিল। সংগঠনটোৱে তেওঁলোকৰ ঘোষিত নীতি অনুযায়ী অসমক বাংলাদেশীৰ কবলৰ পৰা মুক্ত কৰিব খোজে। এই বিতৰ্কিত বিষয়টো যিহেতু অসমবাসীৰ বাবে অতি স্পৰ্শকাতৰ, সেয়ে সংগঠনটোৱে ইয়াৰ ব্যাপক প্রচাৰ আৰু প্রসাৰ কৰাত লাগিল। অৱশ্যে এইক্ষেত্রত হিন্দু-মুছলমানৰ বিভেদ ৰেখাডাল অংকন কৰি তাৰ পৰা কেৱল মুছলমানসকলকহে টাৰ্গেট কৰি লোৱা হ'ল। যা হওক, সংগঠনটোৱে নিজৰ ঘোষিত লক্ষ্যত উপনীত হোৱাৰ বাবে যি মাধ্যম গ্রহণ কৰিলে, সিহে অতি বিস্ময়জনক। সংগঠনটোৱে 'লাচিত দিৱস'ৰ মাজেৰে লাচিতক মাধ্যম কৰি ল'লে। লাচিতে যিহেতু মোগলৰ বিৰুদ্ধে যুঁজ কৰিছিল আৰু মোগল

যিহেতু মুছলমান আছিল, গতিকে লাচিতক আদৰ্শ হিচাপে ঘোষণা কৰিলে। অতি সৰল অথচ তৰল যুক্তিৰে লাচিতক মুছলমানবিৰোধী 'যুঁজ' এখনৰ সেনাপতিৰ ৰূপত অংকন কৰিলে, আৰু 'এখন শৰাইঘাটৰ যুদ্ধ'ৰ আহ্বানেৰে নিজকে সেনানী হিচাপে ঘোষণা কৰিলে। আনকি এইক্ষেত্ৰত 'লাচিত'ৰ গাত উত্তৰ ভাৰতৰ সন্ন্যাসীয়ে পিন্ধা 'গেৰুৱা বসন' আঁকি দিলে। সম্ভৱতঃ সংগঠনটোৱে দেখুওৱা এনে পৰাকাষ্ঠাৰ বাবেই আন এজন 'গেৰুৱা সেনাপতি' প্ৰবীণভাই টোগাড়িয়াই লাচিতৰ নাম উচ্চাৰণ কৰি হাতত 'ত্ৰিশূল' ল'বলৈ আহ্বান জনোৱাৰ ধৃষ্টতা প্ৰদৰ্শন কৰিলে। ভাবি আচৰিত লাগে যে সংগঠনটোৰ এনে প্ৰক্ৰিয়াক আকৌ প্ৰয়াত হেৰম্বকান্ত বৰপূজাৰীৰ দৰে ইতিহাসবিদে প্ৰমাণপত্ৰ দি গ'ল। মাৰাঠা জাতীয় বীৰ শিৱাজী, পঞ্জাব কেশৰী ৰঞ্জিত সিং বা বাংলাৰ সাহস নেতাজী সুভাষ চন্দ্ৰ বসুৰ দৰে ঐতিহাসিক ব্যক্তিক এনে দুৰৱস্থা কৰা হ'লে হয়তো সেইসকল লোক গৰজি উঠিলহেঁতেন। কিন্তু আমাৰ অসম মুলুকৰ অসমীয়াই চকুৰ সন্মুখতে এনে অপমান দেখিও নীৰৱে সহ্য কৰিছে। ই কি জাতীয় চৰিত্ৰৰ অধঃপতন?

লাচিতৰ জীৱন-কৰ্মই এটা কথা প্ৰমাণ কৰিছে যে লাচিতৰ যুঁজখন আছিল অসমবাসীৰ স্বকীয়তা অক্ষুণ্ণ ৰক্ষা কৰাৰ যুঁজ। দিল্লীৰ মোগল ৰাজশক্তিৰ আক্ৰমণক লাচিতে প্ৰতিহত কৰিছিল। তাৎপৰ্যপূৰ্ণভাৱে দিল্লীৰ মোগল ৰাজশক্তিক প্ৰতিনিধিত্ব কৰি আহিছিল ৰাজপুত হিন্দু ৰামসিংহই আৰু লাচিতক সহায় কৰিছিল ইছমাইল ছিদ্দিকী বাঘ হাজৰিকাই। সেইদৰে বুৰঞ্জীয়ে এই কথা প্ৰমাণ কৰি দিছে যে শৰাইঘাটৰ যুঁজখন তথাকথিত হিন্দু-মুছলমানৰ ৰণ নাছিল। ই আছিল সাম্ৰাজ্যলোভী শাসক শক্তি আৰু স্বাধীনচিতীয়া গণশক্তিৰ মাজৰ যুঁজহে। লাচিত আছিল স্বাধীনচিতীয়া গণশক্তিৰ প্ৰতিভূ, যি স্বদেশৰ মাটিত সাম্ৰাজ্যলোভী দিল্লীৰ মোগল শাসক আৰু সহযোগী ৰাজপুত শক্তিক প্ৰতিহত কৰিছিল। গতিকে লাচিতৰ আদৰ্শ ইয়াৰ দ্বাৰাইহে সমুজ্জ্বল হৈ আছে। কাজেই, বুৰঞ্জীয়ে চিহ্নিত কৰি যোৱা লাচিতৰ এই ঐতিহাসিক ভূমিকাক হিন্দু যুৱ-ছাত্ৰ পৰিষদ বা আন কোনো সংগঠনে অৱমূল্যায়ন কৰাৰ ধৃষ্টতা প্ৰদৰ্শন নকৰাই শ্ৰেয়। জাতীয় বীৰক যথাৰ্থ মৰ্যাদা দিব নোৱাৰিলেও মৰ্যাদা হানি কৰাৰ নৈতিক অধিকাৰ কাৰো নাই। গতিকে 'লাচিত দিৱস' পাতি লাচিতৰ আদৰ্শ ভৰিৰে মোহাৰি, লাচিতক হিন্দু নেতা সজোৱাৰ পৰিকল্পনাক অসমবাসীয়ে প্ৰতিবাদ কৰাৰ সময়ত সমাগত। অন্যথা জাতীয় বীৰৰ এনে অৱমূল্যায়নে অসমীয়া জাতীয় চৰিত্ৰত কালিমা সানিব।

পূৰ্বপ্ৰকাশ : আজি, ২৪ নৱেম্বৰ/২০০৫

১৬ আহক স্বৰ্গৰথ যাত্ৰাৰ সহযাত্ৰী হওঁ

প্ৰিয়জনৰ মৃত্যুত মৰ্মাহত হৈ শেষ বিদায়ৰ বাবে স্বৰ্গৰথত তুলি দিয়াৰ অলপ-অচৰপ অভিজ্ঞতা আমাৰ সকলোৰে আছে। আত্মীয়-স্বজন, বন্ধু-বান্ধৱৰ শোকাবহ হৃদয় গৰকি স্বৰ্গৰথখনে মৃতকক লৈ যায় শ্মশান অভিমুখে। তাত আমাৰ কৰিবলগা একো নাথাকে। যমদূতৰ দৰেই গুচি যোৱা স্বৰ্গৰথখনৰ অপসৃয়মান গতি ক্ৰমাৎ প্ৰত্যক্ষ কৰি আত্মীয়-স্বজন হৈ পৰে নিৰ্বাক-নিস্পন্দ। সকলো মানৱীয় সম্পৰ্ক, দুখ-অনুভূতি, নেওচা-কেওচা দি স্বৰ্গৰথখনে লৈ যায় আপোনজনক। ই স্বৰ্গৰথৰ ধৰ্ম।

এনেহেন স্বৰ্গৰথক যেতিয়া সামূহিকভাৱে আমন্ত্ৰণ জনোৱা হয়, সি অৱশ্যে নিজৰ ধৰ্ম পালনত কাৰ্পণ্য নকৰে। স্বধৰ্ম পালনেৰে স্বৰ্গৰথখন গুচি যাব মহাশ্মশানলৈ।

শেহতীয়াভাৱে অসমত যি ৰথযাত্ৰাৰ আয়োজন কৰা হৈছে, তাক আমি স্বৰ্গৰথৰ লগতহে তুলনা কৰিব খোজো। অসমৰ চাৰিওদিশৰ পৰা ৰাজ্যিক বিজেপিয়ে আয়োজন কৰা এই ৰথযাত্ৰাক আমি এই বাবেই স্বৰ্গৰথ যাত্ৰা হিচাপে অভিহিত কৰিব খোজো যে, ই সামগ্ৰিকভাৱে অসমৰ কোনো আৰ্থ-সামাজিক-ৰাজনৈতিক পৰিকাঠামোৰতো হিত সাধন নকৰেই— বৰং অসমৰ যাউতিযুগীয়া শান্তি-সম্প্ৰীতি, সাম্প্ৰদায়িক ভাতৃত্ববোধৰ পৰম্পৰাক কুঠাৰাঘাত কৰিবৰ বাবেহে পৃষ্ঠভূমি তৈয়াৰ কৰিব। ইতিমধ্যে ভিন্ন ৰাজ্যত বিজেপিয়ে আৰম্ভ কৰা ৰথযাত্ৰাসমূহৰ ভয়াবহ ফলাফল আমাৰ মানসপটত সজীৱ হৈ আছে। যোৱা শতিকাৰ নৱৈৰ দশকৰ আৰম্ভণিৰ সময়ছোৱাত, সমগ্ৰ গোবলয়ত বিজেপিয়ে আৰম্ভ কৰিছিল ৰথযাত্ৰাৰ কেইবালানি কাৰ্যসূচী। এইলানি ৰথযাত্ৰাৰ

কাৰ্যসূচীয়ে সমগ্ৰ গোবলয়ত বিয়পাই দিছিল হিন্দুত্ববাদৰ গৰম বতাহ। এই দূষিত বায়ু সেৱন কৰি, বৰ্ণ-বৈষম্য, সামন্ততান্ত্ৰিক মূল্যবোধ, বৃহৎ মাটিগিৰীৰ অৰ্থনৈতিক শোষণত জৰ্জৰিত গোবলয়ৰ জনগণে পাহৰি পেলাইছিল নিজৰ আৰ্থ-সামাজিক সমস্যাসমূহ। সন্ত কবীৰৰ বিখ্যাত দুঁহাসমূহ, প্ৰেমচান্দ, কৃষাণচন্দৰ বৈপ্লবিক শিকনিসমূহ বিস্মৃতিৰ গৰ্ভত বিলীন হৈ পৰিছিল। অযোধ্যাত বাবৰি মছজিদ ভাঙি ৰাম মন্দিৰ প্ৰতিষ্ঠাতেই যেন সকলোৱে বিচাৰি পাইছিল পাৰ্থিৱ জীৱনৰ আনন্দ, পৰমপ্ৰাপ্তি। ইয়াৰ ফলাফল আছিল ভয়ংকৰ। চাৰিশ বছৰীয়া মোগল স্থাপত্য মাটিত বিলীন হৈ যোৱাৰ পাছতেই সমগ্ৰ দেশব্যাপি আৰম্ভ হ'ল ভয়াবহ সাম্প্ৰদায়িক সংঘৰ্ষ, নিৰ্বিচাৰ হত্যাৰে ৰক্তবন্যাত বিধৌত হ'ল গান্ধী মহাৰাজৰ ৰামৰাজ্য। লাখ লাখ বাস্তুহাৰাৰ ক্ৰন্দনত হিমালয়ৰো যেন বৰফ গলিল। আৰু এই ৰক্ত, মৃতদেহ আৰু চকুপানী গচকি বিজেপি দলে তৈয়াৰ কৰিলে দিল্লীৰ মছনদ দখলৰ পটভূমি। নক'লেও হ'ব যে এই সকলোৰে মূলতেই আছিল বিজেপিৰ ৰথযাত্ৰাৰ কৰ্মসূচী। এই শতিকাৰ ফৈজুজালিৰ সময়ছোৱাত যেতিয়া সমগ্ৰ বিশ্বই নানা কাৰ্যসূচীৰে নতুন শতিকাৰ কৰ্মসূচী তৈয়াৰ কৰাত ব্যস্ত হৈ আছিল, সেই সময়তে দ্বাৰকাৰ আধুনিক কৃষ্ণ নৰেন্দ্ৰ মোদী আৰু তস্য জ্যেষ্ঠভাতৃ বলোৰাম সদৃশ প্ৰবীণ টোগাড়িয়াই আধুনিক যাদৱ বাহিনী লৈ তৈয়াৰ কৰিছিল সাম্প্ৰদায়িক ৰাজনীতিৰ ব্লু-প্ৰিণ্ট। ২০০২ চনৰ গুজৰাটৰ ভয়াবহ সংঘৰ্ষ তথা অবাধ হত্যালীলা এই ব্লু-প্ৰিণ্টৰে ফচল। পিপ'লছ ইউনিয়ন ফৰ ডেম'ক্ৰেটিক ৰাইটছ, নেচনেল হিউমেন ৰাইটছ কমিচন আদি সংগঠনে প্ৰকাশ কৰা তথ্যৰ আধাৰত এই সাম্প্ৰদায়িক সংঘৰ্ষৰ ভয়াবহতা অনুধাৱন কৰিব পাৰি। এই সংঘৰ্ষত দুই লাখৰো অধিক মুছলমান লোক ক্ষতিগ্ৰস্ত হোৱাৰ লগতে প্ৰায় দুহেজাৰজনে মৃত্যুক আঁকোৱালি লয়। পঞ্চাশ কোটিৰো অধিক মূল্যৰ সা-সম্পত্তি ধ্বংস হোৱাৰ লগতে ধৰ্ষণ, গৰ্ভৱতী মহিলাৰ পেট ফালি হত্যা কৰাৰ লেখীয়া বৰ্বৰ ঘটনা সংঘটিত হয়। এই প্ৰবন্ধ লেখকে যোৱা নৱেম্বৰ মাহত গুজৰাটৰ আহমেদাবাদ, গান্ধীনগৰ আদি জিলাসমূহৰ সংঘৰ্ষপীড়িত অঞ্চল আৰু শৰণাৰ্থী শিবিৰসমূহ পৰিদৰ্শন কৰি ইয়াৰ ভয়াবহ ছবিখন হৃদয়ংগম কৰাৰ দুঃসহ অভিজ্ঞতা লাভ কৰিছিল। তাতেই আমাৰ আগত স্পষ্ট হৈ পৰিছিল নৰেন্দ্ৰ মোদী আৰু প্ৰবীণ টোগাড়িয়া বাহিনীৰ সাম্প্ৰদায়িক তাণ্ডৱ আৰু গুজৰাটৰ মধ্যবিত্ত সমাজৰ নিৰ্লজ্জ আত্মসমৰ্পণৰ ছবিখন। তাৎপৰ্যপূৰ্ণভাৱে ইয়াৰ পাততেই গুজৰাটত আৰম্ভ হৈছিল তথাকথিত 'গৌৰৱ যাত্ৰা' নামৰ ৰথযাত্ৰাৰ কাৰ্যসূচী। সমগ্ৰ ভাৰতবৰ্ষৰ শুভবুদ্ধিসম্পন্ন মানুহক হতচকিত কৰি তথা গুজৰাটৰ প্ৰগতিশীল মহলক স্তম্ভিত কৰি, কলিৰ কৃষ্ণ নৰেন্দ্ৰ মোডী এণ্ড কোম্পানীয়ে শাসনৰ বাঘজৰি কুক্ষিগত কৰিবৰ বাবে সক্ষম হৈছিল। বিজেপিৰ এনে ৰথযাত্ৰাসমূহৰ বিগত দিনৰ অভিজ্ঞতা স্মৰণ কৰি আমি আজি ইয়াক স্বৰ্গৰথৰ লগত তুলনা কৰাৰ বাহিৰে আন উপায় পোৱা নাই। লাখ লাখ মানুহৰ জীৱন-সম্পত্তি আৰু নিৰাপত্তা কাঢ়ি নিয়া, ৰক্তবন্যাৰে বিধৌত ভূমিত চলোৱা এই যাত্ৰা 'স্বৰ্গৰথ যাত্ৰা' নহৈ আন কি হ'ব পাৰে?

শেহতীয়াভাৱে অসমৰ বিজেপিয়ে এই ৰথযাত্ৰা আৰম্ভ কৰিছে। যিখন অসম

আজি দিল্লীস্থ অতিকেন্দ্রিক ভাৰতৰাষ্ট্ৰৰ এখন আভ্যন্তঃউপনিৱেশ হিচাপে পৰিগণিত হৈছে, যিখন অসমত দশকজোৰা সামৰিক সন্ত্ৰাসেৰে জনগণৰ মৌলিক মানৱ অধিকাৰ অহৰহ ভংগ কৰি থকা হৈছে; যিখন অসমত তেজাল তৰুণৰ মৃত্যু এক প্ৰাত্যহিক সংবাদলৈ পৰ্যবসিত হৈছে; সেইখন অসমত বিজেপিয়ে এতিয়া আৰম্ভ কৰিছে ৰথযাত্ৰাৰ লেখীয়া চূড়ান্ত সাম্প্ৰদায়িক ৰাজনীতিৰ আখৰা। ৰাজেন গোহাঁই, কবিন্দ্ৰ পুৰকায়স্থৰ দৰে অসমৰ জাতীয় জীৱনলৈ কোনোধৰণৰ অৱিহণা নথকা, ঠেকছিগা ৰাজনীতিকৰ স্বাৰ্থত আৰু সামগ্ৰিকভাৱে হিন্দুত্ববাদৰ দৰে প্ৰতিক্ৰিয়াশীল মতবাদৰ প্ৰচাৰ, প্ৰসাৰ আৰু প্ৰতিষ্ঠাৰে, অসমত ভাৰতৰাষ্ট্ৰৰ মুনাফাকেন্দ্ৰিক বজাৰ অৰ্থনীতি, ঔপনিৱেশিক নীতিক স্থায়িত্ব প্ৰদান কৰি, জাতীয় সংগ্ৰামখনক দুৰ্বল কৰিবৰ বাবেই যে হিন্দুত্ববাদৰ অশ্বমেধ যজ্ঞৰ ঘোঁৰা মেলি দিয়া হৈছে তাত আমাৰ অকণো সন্দেহ নাই। এই লানি ৰথযাত্ৰাৰ 'ইছ্যু' হিচাপে বিজেপিয়ে কেতবোৰ স্পৰ্শকাতৰ বিষয় বাছি লোৱাতো আন এক তাৎপৰ্যপূৰ্ণ দিশ হিচাপে বিবেচিত হৈছে। অসমত পাকিস্তানী চোৰাংচোৱা সংস্থা আই এছ আইৰ ক্ৰমবৰ্ধমান কাৰ্যকলাপ আৰু বিতৰ্কিত আই এম ডি টি আইন বাতিলৰ দাবী উত্থাপন এই 'ইছ্যু'ৰ অন্যতম বিষয়। অসমত আই এছ আই কিয় যিকোনো বিদেশী ৰাষ্ট্ৰৰ চোৰাংচোৱা সংস্থাৰে কাৰ্যকলাপৰ আমি ঘোৰ বিৰোধী। ইয়াক প্ৰতিৰোধ কৰিবৰ বাবে ভাৰত চৰকাৰৰ বিভিন্ন চোৰাংচোৱা সংস্থা আছে। এই চোৰাংচোৱা সংস্থাবোৰ আকৌ কেন্দ্ৰীয় চৰকাৰৰ গৃহ বিভাগৰ নিয়ন্ত্ৰণাধীন। যি গৃহ বিভাগৰ হৰ্তাকৰ্তা বিধাতা হ'ল— বিজেপিৰ কাণ্ডাৰী লালকৃষ্ণ আদবানি। আজি যদি অসমত আই এছ আইৰ কাৰ্যকলাপ বৃদ্ধি পাইছে তাক প্ৰতিৰোধ কৰিব নোৱৰাৰ দায়িত্ব মূৰপাতি লৈ 'ভাৰতৰ ভৱিষ্যৎ প্ৰধানমন্ত্ৰী' তথা বৰ্তমানৰ গৃহমন্ত্ৰী লালকৃষ্ণ আদবানিয়ে পদত্যাগ নকৰে কিয়? যিহেতু এই বিষয়ত আদবানিয়ে পদত্যাগ কৰা নাই বা দলৰ মঞ্চতো এনে দাবী উত্থাপন হোৱা নাই, তেতিয়াহ'লে বিজেপিৰ এই দাবীক নিচক উত্তেজনা বৃদ্ধি কৰাৰ ৰাজনৈতিক ইছ্যু হিচাপে গণ্য নকৰি উপায় আছেনে? একে প্ৰসংগ আই এম ডি টি আইনৰ ক্ষেত্ৰতো খাটে। আই এম ডি টিক লৈ ৰাজনীতিৰ দবা নেখেলি তাক প্ৰত্যাহাৰ কৰিবৰ বাবে যাৱতীয় সংসদীয় ব্যৱস্থা গ্ৰহণ কৰাৰ পৰা বিজেপি বিৰত আছে কিয়? ৰাজেন গোহাঁই, কবীন্দ্ৰ পুৰকায়স্থৰ দৰে সাংসদে এইক্ষেত্ৰত সংসদীয় ভূমিকা পালন কৰা নাই কিয়? এনে ব্যৱস্থা গ্ৰহণ নকৰি তাক ৰথযাত্ৰাৰ কাৰ্যসূচী হিচাপে গ্ৰহণ কৰা স্পষ্ট উদ্দেশ্য আজি প্ৰকট হৈ পৰিছে। একমাত্ৰ সাম্প্ৰদায়িক উত্তেজনা বৃদ্ধি কৰি শংকৰদেৱ-আজান ফকিৰৰ দেশত সাম্প্ৰদায়িক সংঘৰ্ষৰ পটভূমি তৈয়াৰ কৰি তাৰ আধাৰত ক্ষমতা দখলৰ নীচ ৰাজনীতিৰ বাহিৰে বিজেপিৰ এই ৰথযাত্ৰাৰ আন একো উদ্দেশ্যে নাই। অসমৰ জাতীয় জীৱনলৈ শৈক্ষিক, সাংস্কৃতিক আৰু অৰ্থনৈতিকভাৱে অভূতপূৰ্ব বৰঙণি আগবঢ়োৱা মুছলমান সমাজখনৰ বিৰুদ্ধে বিষোদ্গাৰ প্ৰদৰ্শনেৰে, এচাম তৰলমতি হিন্দুক আকৰ্ষণ কৰি, অসমত হিন্দুত্ববাদৰ আধাৰত সাম্প্ৰদায়িক সংঘৰ্ষৰ পৰিৱেশ সৃষ্টি হ'লে তাৰ নৈতিক দায়িত্ব মূৰ পাতি লৈ ৰাজহুৱা জীৱন ত্যাগ কৰাৰ সৎসাহস আজিৰ অসমস্থ বিজেপি নেতৃত্বৰ হ'বনে? হিন্দুত্ববাদৰ উষ্মা আৰু

অহংকাৰেৰে বিজেপি, বিশ্ব হিন্দু পৰিষদৰ নেতৃবৃন্দ ইমানেই মতগৰ্বী হৈ উঠিছে যে অসমৰ জাতীয় বীৰ লাচিত বৰফুকনক লৈ ৰাজনীতি কৰাৰ ধৃষ্টতা আঙি প্ৰবীণ টোগাড়িয়াৰ দৰে সাম্প্ৰদায়িক নেতাই প্ৰদৰ্শন কৰিছে। যি লাচিত বৰফুকনে ইছমাইল ছিদ্দিকী বাঘ হাজৰিকাৰ দৰে সেনাপতিৰ সহযোগত দিল্লীস্থ মোগল বাদশাহক অসমৰ পৰা খেদি পঠিয়াই স্বতন্ত্ৰ অসমৰ জয়ধ্বজা উৰুৱাইছিল, সেই লাচিত বৰফুকনৰ দৰে জাতীয় বীৰৰ আদৰ্শক কলুষিত কৰিবৰ বাবে সাম্প্ৰদায়িক হিন্দু নেতাই দুঃসাহস প্ৰদৰ্শন নকৰাই ভাল। অন্যথা, লাচিতৰ আদৰ্শৰে অনুপ্ৰাণিত অসমৰ জাতীয় বিবেকে তেনে হিন্দু নেতাক দিল্লীৰ মোগল বাদশাহৰ বিশ্বস্ত সেনাপতি ৰাজা ৰামসিংহৰ লেখীয়াকৈ অসম বাজ কৰি দিবলৈ বেছি সময় নালাগিব। ক্ষমতাৰ বলেৰে বলীয়ান বিজেপিয়ে এই ৰথযাত্ৰাৰ কাৰ্যসূচী অসমজুৰি বিয়পাই দিব। স্বাভাৱিকভাৱেই সমাজত সম্প্ৰদায়িক উত্তেজনা বৃদ্ধি পোৱাৰ লগতে এচাম অসমীয়া হিন্দুৱে শংকৰদেৱৰ আদৰ্শ পাহৰি হিন্দুত্ববাদৰ বাৰুণী সুৰা পান কৰিব। বিজেপিয়ে নিজৰ ৰাজনৈতিক মুনাফা লুটি যেতিয়া অসমক সাম্প্ৰদায়িকতাৰ শ্মশানত পৰিণত কৰিব, তেতিয়া এই বাৰুণী সুৰাৰে আসক্ত যদুকুলৰ পতন ঘটিব। তথাপি এজন অসমীয়া হিচাপে আজি মহাপুৰুষজনাৰ আদৰ্শ পাহৰা এইচাম অসমীয়া হিন্দুৰ মানসিক মৃত্যুত, আপোনাক স্বৰ্গৰথ যাত্ৰাৰ সংগী হ'বৰ বাবে আহ্বান জনাইছোঁ!

পূৰ্বপ্ৰকাশ ঃ আজি, ১৭ ফেব্ৰুৱাৰী/২০০৩

১৭ | মানুহৰ দেশত সাম্প্ৰদায়িক দানৱ

১৯৯২ চনৰ বাবৰি মছজিদ ধ্বংসৰ ফলত দেশজুৰি সৃষ্টি হোৱা সাম্প্ৰদায়িক সংঘৰ্ষৰ ভয়াবহতাৰ স্মৃতি খাটিখোৱা ৰাইজৰ মনৰ পৰা মাৰ নৌযাওঁতেই পুনৰ আৰম্ভ হৈছে অযোধ্যাৰ মন্দিৰ নিৰ্মাণৰ সাম্প্ৰদায়িক ৰাজনীতি। উগ্ৰ হিন্দুত্ববাদী সংগঠন বিশ্ব হিন্দু পৰিষদ আৰু তথাকথিত ৰাম জনমভূমি ন্যাসৰ যৌথ তৎপৰতাত আৰম্ভ হোৱা এই উগ্ৰ সাম্প্ৰদায়িক ৰাজনীতিয়ে ইতিমধ্যে দেশজুৰি প্ৰলয়ংকৰী অৱস্থাৰ সৃষ্টি কৰিছে। দেশব্যাপী উগ্ৰ হিন্দুত্ববাদৰ উত্থানৰ লগত ফেৰ মাৰি ধৰ্মান্ধ মুছলমান মৌলবাদীবিলাকেও নৃশংস তাণ্ডৱ চলোৱাৰ প্ৰেক্ষাপটে সাধাৰণ খাটিখোৱা ৰাইজৰ স্বাভাৱিক জীৱন প্ৰণালীক ব্যতিব্যস্ত কৰি তুলিছে। সবৰমতী এক্সপ্ৰেছত সংঘটিত ঘটনাৰ দৰে মানৱতাবিৰোধী জঘন্য বৰ্বৰোচিত কাৰ্যকলাপক গৰিহণা দিয়াৰ বাবে ৰাইজৰ মুখৰ ভাষা হেৰাই গৈছে। '৪৭ চনৰ দেশ বিভাজনৰ মৰ্মন্তুদ স্মৃতিক পুনৰ সজীৱ কৰা এনেধৰণৰ নৃশংস কাপুৰুষালিৰ ঘটনাই সামগ্ৰিকভাৱে সাম্প্ৰদায়িক ৰাজনীতি আৰু ধৰ্মান্ধ মৌলবাদী শক্তিসমূহৰ উত্থানৰ ভয়াবহতাৰ ছবিখনেই দাঙি ধৰিছে। আজিৰ অৰ্ধসামন্তবাদী, অৰ্ধপুঁজিবাদী ভাৰতবৰ্ষৰ সমাজ-জীৱন জন্মলগ্নতে সাম্প্ৰদায়িক, মৌলবাদী পলিঅ' ৰোগৰ দ্বাৰা গভীৰভাৱে আক্ৰান্ত। মহম্মদ আলী জিন্নাৰ দ্বিজাতিতত্ব, ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ হিন্দুত্ববাদী ৰাজনীতিক কলিতেই নিৰ্মূল কৰাত সেই সময়ৰ জাতীয় কংগ্ৰেছ দল চূড়ান্তৰূপে ব্যৰ্থ হৈছিল। ক্ষমতাৰ ৰাগীত অন্ধ জাতীয় কংগ্ৰেছে মাউণ্টবেটেনৰ আঁচনি সমৰ্থন কৰি চৰ্দাৰ বল্লভ ভাই পেটেল, শ্যামাপ্ৰসাদ মুখাৰ্জীৰ

দৰে ব্যক্তিক বৰপীৰা দি তেতিয়াই সাম্প্ৰদায়িক ৰাজনীতিৰ বিহপুলিত সাৰ-পানী যোগোৱাৰ ফল আজি সাধাৰণ ৰাইজে ভুগিবলগাত পৰিছে। পৰিবৰ্তিত পৰিস্থিতিত, ভাৰতবৰ্ষৰ দৰিদ্ৰ-পীড়িত জনসাধাৰণৰ আৰ্থিক, সামাজিক উন্নয়ণত চূড়ান্তভাৱে ব্যৰ্থ, নিপীড়িত জাতিসত্তাসমূহৰ আত্ম-নিয়ন্ত্ৰণৰ অধিকাৰ সাব্যস্তকৰণৰ বাবে অনিচ্ছুক ভাৰতবৰ্ষৰ শাসকগোষ্ঠী আৰু সিহঁতৰ সহযোগী বুৰ্জোৱা শ্ৰেণীয়ে সেয়ে সাম্প্ৰদায়িকতাৰ বিষবৃক্ষক লালন-পালন কৰি তাৰ বিষফল সময়ে সময়ে দৰিদ্ৰ জনসাধাৰণৰ মাজত বিতৰণ কৰে। উদ্দেশ্য স্পষ্ট— ধৰ্মীয় চেতনাৰ উস্কানিৰে জনগণক মোহাচ্ছন্ন কৰি শাসন, শোষণ আৰু অবদমনৰ ৰ'লাৰখন চলাই যোৱা। আজিৰ পৰিস্থিতিৰ পৰাই ইয়াৰ নমুনা তুলি ধৰিব পাৰি। আজিৰ ভাৰতবৰ্ষৰ ৰাষ্ট্ৰব্যৱস্থা এক গভীৰ সংকটৰ সন্মুখীন হৈছে। ১৯৯১ চনৰ ড° মনমোহন সিঙৰ (দুৰ্ভাগ্য! ভদ্ৰলোক অসমৰ প্ৰতিনিধি) তৎপৰতাত তথা বিশ্ব বেংক, আই এম এফৰ শ্ৰুতলিপিত আৰম্ভ হোৱা উদাৰীকৰণ প্ৰক্ৰিয়াই আজিৰ তাৰিখত দেশৰ অৰ্থনীতিত নিত্য নতুন সমস্যাৰ সৃষ্টি কৰিছে। তথাকথিত 'গল্ডেন হেণ্ডচেক'ৰ যোগেদি নিতৌ লাখ লাখ লোকক কৰ্মচ্যুত কৰা, পানীৰ দৰত ৰাজহুৱা খণ্ডৰ নিগম-নিকায়-প্ৰতিষ্ঠানসমূহ, ব্যাপক হাৰত ব্যক্তিগত মালিকৰ হাতত তুলি দিয়া, বন্ধ কৰি দিয়াৰ ফলশ্ৰুতিত দেশৰ অৰ্থনীতি ভাঙি পৰাৰ উপক্ৰম হৈছে। নিবনুৱা আৰু ৰোজগাৰহীন শ্ৰমিকৰ সংখ্যা ব্যাপক হাৰত বৃদ্ধি পাইছে। সাৰ, বীজ আদি কৃষকৰ নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ ক্ষেত্ৰত ৰাজসাহায্য বন্ধ ক'ৰাৰ হেতু কৃষকৰ কঁকাল বেঁকা হৈ পৰিছে। খাদ্য সামগ্ৰী, ইন্ধন আদি নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিয়ে মধ্যশ্ৰেণীৰ লোকৰ দৈনন্দিন জীৱনক পংগু কৰি তুলিছে। এক কথাত ভৰতবৰ্ষৰ অৰ্থনৈতিক জীৱন গভীৰভাৱে আক্ৰান্ত হৈ পৰিছে। ইয়াৰ বাবেই জনসাধাৰণৰ মনত জাগ্ৰত হোৱা ক্ষোভৰ বহিঃপ্ৰকাশ ঘটিছে। শ্ৰমিক-কৃষক-কৰ্মচাৰীৰ দৈনিক মাৰমুখী গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচীসমূহে ৰাষ্ট্ৰব্যৱস্থাৰ ফোঁপোলা স্বৰূপটোকে উদঙাই দিছে। সেইদৰে ভাৰতবৰ্ষৰ বিভিন্ন নিপীড়িত, অবদমিত জাতিসত্তাসমূহৰ আত্ম-নিয়ন্ত্ৰণৰ অধিকাৰৰ প্ৰশ্নই ৰাষ্ট্ৰৰ বাবেই প্ৰত্যাহ্বান কঢ়িয়াই আনিছে। বিভিন্ন জাতিসত্তা, জনগোষ্ঠীৰ গণতান্ত্ৰিক, সশস্ত্ৰ আন্দোলনসমূহৰ ব্যাপক গণভিত্তি তথা আন্তঃৰাষ্ট্ৰীয় গুৰুত্বই ৰাষ্ট্ৰৰ মৰ্মস্থল কঁপাই তুলিছে। বিভিন্ন ক'লা আইন, সেনাবাহিনী প্ৰয়োগ কৰিও এই আন্দোলনসমূহ দমন কৰিবলৈ ব্যৰ্থ হোৱা ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰ বহু সময়ত আন্তঃৰাষ্ট্ৰীয় মঞ্চত মানব অধিকাৰ ভংগৰ বাবে ভৰ্ৎসনাৰো সন্মুখীন হ'বলগাত পৰিছে। জাতীয় প্ৰশ্নসমূহৰ অমীমাংসিত অৱস্থানে ৰাষ্ট্ৰৰ লগত জনগণৰ দূৰত্ব বৃদ্ধি কৰি আনিছে। কাজেই ভাৰতবৰ্ষৰ ৰাষ্ট্ৰব্যৱস্থাৰ এই গভীৰ সংকটৰ স্থায়ী অবসানৰ বাবে অপাৰগ, ব্যৰ্থ, অনিচ্ছুক শাসকগোষ্ঠী আৰু সহযোগী বুৰ্জোৱা শ্ৰেণীক কেতবোৰ সহজ উপায়ৰ প্ৰয়োজন হৈ পৰিছে। সাম্প্ৰদায়িক ৰাজনীতিৰ উত্থানৰ আঁৰত সেয়ে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱেই ৰাষ্ট্ৰযন্ত্ৰৰ হৰ্তা-কৰ্তাসকল জড়িত হৈ পৰিছে। অযোধ্যাত তথাকথিত ৰামশিলা পূজনৰ বাবে সন্মানীয় উচ্চতম ন্যায়ালয়ৰ ৰায়কো অস্বীকাৰ কৰি আইনবিৰোধী স্থিতি গ্ৰহণ কৰা বিশ্ব হিন্দু পৰিষদ, ৰাম জন্মভূমি ন্যাসৰ কৰ্মকৰ্তা আৰু

ৰামপাগল কৰসেৱকসকলৰ ক্ষেত্ৰত নমনীয় স্থিতি প্ৰদৰ্শন কৰা বৰ্তমানৰ চৰকাৰখনৰ ভূমিকাৰ পৰাই এইক্ষেত্ৰত দৃষ্টান্ত আনিব পাৰি। যিসময়ত তথাকথিত সন্ত্ৰাসবাদ দমনৰ বাবে, ট্ৰেড ইউনিয়ন আন্দোলন তথা অন্যান্য গণতান্ত্ৰিক আন্দোলনৰ কণ্ঠৰোধ কৰিবৰ বাবে শাসকগোষ্ঠীয়ে 'প'টা'ৰ দৰে অগণতান্ত্ৰিক ফেচিষ্ট অধ্যাদেশ জাৰি কৰিব পাৰিছে, গুজৰাটত সংখ্যালঘু সাধাৰণ মুছলমানধৰ্মী লোকৰ জীৱন-সম্পত্তি ৰক্ষা কৰাৰ ক্ষেত্ৰত গুজৰাট চৰকাৰ ব্যৰ্থ হৈছে; সেই সময়ত শাসকগোষ্ঠীয়ে উগ্ৰ হিন্দুত্ববাদী শক্তিসমূহক তোষামোদ কৰা কাৰ্যই দেশৰ ভৱিষ্যৎ সম্পৰ্কেই সন্দেহৰ প্ৰশ্ন উদ্ৰেক কৰিছে। তাৎপৰ্যপূৰ্ণভাৱে শাসকগোষ্ঠীৰ ফেচিষ্ট কাৰ্যকলাপ, সাম্প্ৰদায়িকতাক পৃষ্ঠপোষকতা কৰা কাৰ্যাৱলীৰ বিৰুদ্ধে জাগৰণ হোৱা ব্যাপক গণকণ্ঠধ্বনিৰ সঠিক চিনাক্তকৰণত বাওঁ গণতান্ত্ৰিক শিবিৰ ব্যৰ্থ হৈছে। আজিৰ তাৰিখত এক সঠিক গণ আন্দোলনহে সাম্প্ৰদায়িক শক্তিক উৎখাত কৰাৰ ঐতিহাসিক প্ৰয়োজনীয়তা আহি পৰিছে। সাম্প্ৰদায়িক শক্তি আৰু সামন্তবাদী পুঁজিগোষ্ঠীৰ অশুভ মিত্ৰতাৰ ফলত সৃষ্টি হোৱা ফেচিবাদ কাৰ্যকলাপৰ বিৰুদ্ধে প্ৰতিৰোধ সৃষ্টি কৰিবৰ বাবে বাওঁ গণতান্ত্ৰিক শিবিৰে যি তৎপৰতা প্ৰদৰ্শন কৰিব লাগিছিল, তাৰ বিপৰীতে এই বাওঁ গণতান্ত্ৰিক শিবিৰ নানাধৰণৰ মতাদৰ্শগত দ্বন্দ্ব আৰু সংঘাতেৰে ভাৰাক্ৰান্ত হৈ পৰিছে। সাম্প্ৰদায়িক ৰাজনীতি, বিশ্বায়নৰ অৰ্থনৈতিক কুফলৰ বিৰুদ্ধে আৰু আত্ম-নিয়ন্ত্ৰণৰ অধিকাৰকে ধৰি বিভিন্ন গণতান্ত্ৰিক আন্দোলনসমূহৰ ক্ষেত্ৰত স্পষ্ট স্থিতি গ্ৰহণ কৰি, ঐক্যবদ্ধ গণ আন্দোলনৰ কৰ্মসূচী হাতত ন'ল'লে বাওঁ গণতান্ত্ৰিক শিবিৰৰ ভূমিকা বহুগুণে হ্ৰাস পাব। বাওঁ গণতান্ত্ৰিক শিবিৰৰ ব্যৰ্থতা তথা বিক্ষিপ্ত গণ আন্দোলনসমূহৰ মাজত সমন্বয়ৰ অভাৱৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰি, মৌলবাদী শক্তিসমূহে নিজৰ ফেচিবাদী মতাদৰ্শ ব্যাপক হাৰত জনসাধাৰণৰ মাজত প্ৰসাৰ কৰি প্ৰচাৰ কৰাত লিপ্ত হৈ পৰিছে। অসমৰ সমাজ-জীৱনৰ পৰাই ইয়াৰ নমুনা তুলি ধৰিব পাৰি। শংকৰ-আজানৰ দেশ বুলি গৌৰববোধ কৰা অসমৰ সমাজ- জীৱনতো ভাৰতীয় হিন্দুত্ববাদী সাম্প্ৰদায়িকতা আৰু মুছলমান মৌলবাদীৰ প্ৰভাৱ ক্ৰমাৎ বৃদ্ধি পোৱাৰ লক্ষণ দেখা গৈছে। জাতীয় প্ৰশ্ন সন্দৰ্ভত স্পষ্ট দিক-নিৰ্দেশনা নথকা, উদাৰীকৰণৰ অৰ্থনীতিৰ বাহ্যিক চকমকীয়া ৰূপত মুগ্ধ একাংশ অসমীয়া মধ্যশ্ৰেণীৰ লোকে 'যত দোষ নন্দ ঘোষ' বুলি অসমীয়া সমাজ-জীৱনৰ অংগ মুছলমানধৰ্মী লোকসকলৰ বিৰুদ্ধে সাম্প্ৰদায়িক মতামত আগবঢ়োৱা, আৰু এছ এছ তথা বিশ্ব হিন্দু পৰিষদৰ নেটৱৰ্ক বৃদ্ধিত সহায় আগবঢ়োৱা কাৰ্যই অসমৰ সমাজ-জীৱনতো সাম্প্ৰদায়িক ৰাজনীতিৰ কঠিয়াতলী নিৰ্মাণ কৰিছে। অসমৰ সমাজ-জীৱনত অনুপ্ৰৱেশ কৰা ভাৰতীয় জনসম্প্ৰদায়ৰ একাংশ লোকেও অসমত হিন্দুত্ববাদী ৰাজনীতি বিস্তাৰ কৰাত তৎপৰতা দেখুৱাইছে। কেতবোৰ ব্যৱসায়ীগোষ্ঠীৰ পৃষ্ঠপোষকতাত, ভাৰতীয় জনসম্প্ৰদায়ৰ তৎপৰতাত, অসমীয়া মধ্য শ্ৰেণীৰ এইচাম লোকে হিন্দুত্ববাদী ৰাজনীতিৰে উৰ্দ্ধবাহু নৃত্য কৰা কাৰ্যই অসমৰ সমাজ-জীৱনৰ বাবে প্ৰত্যাহ্বান কঢ়িয়াই আনিছে। হিন্দুত্ববাদীৰ কাৰ্যকলাপৰ পাৰ্শ্বক্ৰিয়া হিচাপে একাংশ মুছলমান লোকেও ধৰ্মৰ নামত মৌলবাদী শক্তিসমূহক লালন-পালন কৰা কাৰ্য গভীৰ উদ্বেগজনক। বাবৰি মছজিদ ভংগৰ পৰৱৰ্তী

ঘটনাবলী তথা শেহতীয়া আযোধ্যাকাণ্ডত অসমৰ কেতবোৰ নিৰ্দিষ্ট অঞ্চলত বিৰাজ কৰা চেপা উত্তেজনাৰ পৰিৱেশ, সময় থাকোঁতেই হৃদয়ংগম কৰিব নোৱাৰিলে, অসমৰ সমাজ-জীৱনকো এই ফেচিবাদী সাম্প্ৰদায়িক ৰাজনীতিৰ অক্টোপাছৰ হাতোৰাই চেপি ধৰিব। জাতীয় প্ৰশ্নসমূহৰ ক্ষেত্ৰত বিভ্ৰান্তি সৃষ্টি কৰিবৰ বাবে এনে পৰিৱেশ শাসকগোষ্ঠীৰ একান্তই কাম্য যদিও খাটিখোৱা ৰাইজে ইয়াৰ বিৰুদ্ধেহে ৰায়দান কৰে। অসমৰ খাটিখোৱা মানুহৰ জীৱন-প্ৰণালী, মুখৰ মাতত সাম্প্ৰদায়িক ঐক্য, ভাতৃত্বৰ ছবিখনহে পোৱা যায়। তাহানিতে আজানদেউ ফকিৰে কোৰাণ আৰু পুৰাণৰ ভাষাৰে শংকৰ গুৰুৰে চান্দ সাঁই আতৈৰ যোগেদি, হাজোৰ পোৱামক্কা আৰু হয়গ্ৰীৱ-মাধৱ দেৱালয়ে এই ঐক্য আৰু সংহতিৰ ভাষাহে কঢ়িয়াই আনিছে। সৌ-সিদিনা দদৰা-দলিবাৰী ক্ষেত্ৰৰ শ্ৰীমন্ত শংকৰ সংঘৰ অধিৱেশন আৰু অসম সাহিত্য সভাৰ কলগাছিয়া অধিৱেশনেও এই বতৰা বিস্তাৰ কৰিছে। আমাৰ সমাজ-জীৱনতো প্ৰবাদ আছে যে 'আগে চাউল কঠা পাছে হৰি কথা'। এতিয়া খাটিখোৱা ৰাইজৰ বাবে চাউল কঠাৰে টনাটনি চলিছে। খেনোৰ খেতি কৰিবলৈকে মাটি নাই। খেনোৰ মাটিডোখৰ আছে যদিও অকালতে বানে, খহনীয়াই চাহি-মুহি নিয়ে। দুই-এক ধান-মাহ উৎপাদন কৰে যদিও সময়ত তাৰ যথোচিত মূল্য নাপায়। কেতিয়াবা পানীৰ দৰতে বেপাৰীৰ হাতত তুলি দিব লাগে। (এই বেপাৰী এচামে আকৌ সাম্প্ৰদায়িকতাৰ পৃষ্ঠপোষকতা কৰে)। কাজেই, খাটিখোৱা ৰাইজৰ বাবে খেতিৰ মাটিডৰাৰ ওপৰত অধিকাৰ সাব্যস্ত কৰা, উৎপাদিত সামগ্ৰীৰ উচিত বজাৰ দৰ পোৱাটোহে মূল কথা। তেনেদৰে বন্ধকত থোৱা বা বিক্ৰী কৰিব খোজা, ৰাজহুৱাখণ্ডৰ নিগম-নিকায়, প্ৰতিষ্ঠানসমূহৰ শ্ৰমিক-কৰ্মচাৰী, দৰমহা নোপোৱা শিক্ষক-কৰ্মচাৰীৰ বাবে যশোৱন্ত সিঙৰ বাজেটখনহে মূল কথা। এই মূল কথাবোৰ পাহৰাই হিন্দুত্বৰ নামত, ইছলামৰ নামত অৰিয়াঅৰি সৃষ্টি কৰা, দাংগা-হাংগামাৰ পৰিৱেশ ৰচনা কৰা শক্তিসমূহ, ৰাইজৰ মূৰত কঁঠাল ভাঙিবলৈ অহা সাম্প্ৰদায়িক শক্তি আৰু সিহঁতৰ পৃষ্ঠপোষকবোৰৰ প্ৰকৃত উদ্দেশ্য কি তাক খাটিখোৱা ৰাইজে ইতিমধ্যে চিনাক্ত কৰিছে। গণবিবেকৰ এই ভাষা, গণচিন্তাৰ এই ধাৰাক বাওঁ গণতান্ত্ৰিক শিবিৰে উপলব্ধি কৰি, ফেচিবাদী সাম্প্ৰদায়িক ৰাজনীতি-মতাদৰ্শক মূলোচ্ছেদ কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। তাহানি সৈনিকশিল্পী বিষ্ণুপ্ৰসাদ ৰাভাই কোৱা দেশৰ ক'লা আৰু বগা পঠা দুটাক বলি দিয়াৰ ঐতিহাসিক দায়িত্বও এই শিবিৰে পালন কৰাৰ বাবে আগবাঢ়ি আহিব লাগিব।

পূৰ্বপ্ৰকাশ ঃ আজি, ৩০ এপ্ৰিল/২০০২

১৮ কোনে বজাব মুকুতিৰ বৰঢোল, পীৰিতিৰ চিফুং

পৰিবৰ্তিত ৰাজনৈতিক পৰিস্থিতিয়ে অসমৰ জনগোষ্ঠীয় আন্দোলনসমূহৰ সন্মুখত কেইবাবোৰ নতুন প্ৰশ্নৰ অৱতাৰণা কৰা দেখা গৈছে। যোৱা দুটা দশক ধৰি তোলপাৰ লগোৱা বড়ো জনগোষ্ঠীৰ স্বাধিকাৰ আন্দোলন এক ইতিবাচক সমাধানৰ দিশে অগ্ৰসৰ হোৱাৰ প্ৰাক্‌মুহূৰ্তত, সংশ্লিষ্ট অঞ্চলৰ আন কেতবোৰ বিকাশমান জনগোষ্ঠীয়ে তেওঁলোকৰ স্বাধিকাৰৰ দাবীৰ বাবে সৰৱ হৈ উঠা দেখা গৈছে। এটা কথা স্পষ্ট যে কেইবা দশকজোৰা অৰ্থনৈতিক, ভাষিক আৰু সাংস্কৃতিক অৱদমনৰ প্ৰেক্ষাপটত, বড়ো আন্দোলন গা কৰি উঠিছিল। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পৰৱৰ্তী সময়ছোৱাত, বড়োসকলৰ দৰে অসমৰ এটি সুসংগঠিত খিলঞ্জীয়া জনগোষ্ঠীয়ে প্ৰচলিত শাসন-ব্যৱস্থাৰ ধাৰক-বাহক, অসমৰ বৰ্ণহিন্দু শাসকগোষ্ঠীৰ হাতত বাৰে বাৰে প্ৰতাৰিত হ'বলগাত পৰিছিল। খিলঞ্জীয়া বড়ো কৃষকে কেতিয়াবা নগৰ প্ৰতিষ্ঠাৰ বাবে, কেতিয়াবা কল-কাৰখানা নিৰ্মাণৰ নামত আৰু প্ৰায়েই এচাম অথলুৱা বণিক বেপাৰীৰ হাতত নিজৰ বাপতিসাহোন মাটি-ভেটি হেৰুৱাবলগাত পৰিছিল। সেইদৰে ভাষাৰ তথা লিপিৰ প্ৰশ্নতো অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ অদূৰদৰ্শী দৃষ্টিভংগীৰ বাবে বড়ো ৰাইজ প্ৰতাৰণাৰ সন্মুখীন হ'বলগাত পৰিছিল। ৰাষ্ট্ৰৰ প্ৰত্যক্ষ পৃষ্ঠপোষকতাত চলা হিন্দী-হিন্দু সাংস্কৃতিক অভিযানতো ক্ষতিগ্ৰস্ত হৈছিল খিলঞ্জীয়া বড়ো ৰাইজ। চাকৰি-বাকৰি তথা অন্যান্য চৰকাৰী ব্যৱস্থাবোৰত থকা নানা সুবিধাৰ বাবেও বড়ো ৰাইজ বঞ্চিত হ'বলগাত পৰিছিল। স্বাভাবিকতে নবোত্থিত বড়ো মধ্যশ্ৰেণীৰ পৃষ্ঠপোষকতাত এনেবোৰ কাৰকে

সংগঠিত ৰূপ ধাৰণ কৰি বড়ো স্বাধিকাৰ আন্দোলনৰ জন্ম দিছিল। বিগত দুটা দশকত, বিশেষকৈ বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মাৰ নেতৃত্বত বড়ো আন্দোলনে তীব্ৰ ৰূপ ধাৰণ কৰিছিল। বহু তেজগোৰা যুৱকৰ ৰক্ত, বহুখন দখনা লুণ্ঠিত হোৱাৰ বেদনা, বহু মাতৃৰ শুকাই যোৱা চকুলোৱে এই গণতান্ত্ৰিক আন্দোলনক নতুন দিশে আগুৱাই নিছিল। প্ৰচলিত ব্যৱস্থাক স্বীকাৰ কৰিও, হাতত অস্ত্ৰ তুলি লোৱা এচাম যুৱক, বি এল টি এফ নামেৰে পৰিচিত হৈছিল। আন এচামে আকৌ সাৰ্বভৌম বড়োলেণ্ডৰ দাবীৰে প্ৰচলিত ব্যৱস্থাক নস্যাৎ কৰিছে। আৰম্ভ হৈছিল হত্যা-প্ৰতিহত্যা-গণহত্যাৰ নৃশংস প্ৰতিযোগিতা। ৰক্ত আৰু নৰমাংসৰে প্লাবিত হৈছিল মানাহৰ কুমাৰী অৰণ্য। ইয়াৰ মাজতেই বড়ো নেতৃত্বই বিধানসভা আৰু সংসদৰ মজিয়াকো স্বাধিকাৰ সংগ্ৰামৰ ক্ষেত্ৰ হিচাপে ব্যৱহাৰ কৰা দেখা গ'ল। প্ৰচলিত ব্যৱস্থাৰ সাংবিধানিক নীতি-নিয়মৰ মাজত ১৯৯৩ চনত বড়ো স্বায়ত্তশাসিত পৰিষদ গঠন কৰা হৈছিল। কিন্তু এই পৰিষদ এলেকাৰ সীমা নিৰ্ধাৰণ নোহোৱা, অৰ্থনৈতিক স্বাবলম্বিতা নথকা হেতু ইয়াৰ সাংবিধানিক তাৎপৰ্য বহু পৰিমাণে কমিল। বড়ো স্বাধিকাৰ আন্দোলনৰ এই সুদীৰ্ঘ সময়ছোৱাত উত্থান-পতনৰ তেজোদ্দীপ্ত অশ্ৰুসিক্ত ইতিহাসত এইবাৰ আহি পৰিছে ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্তিৰে স্বায়ত্তশাসিত পৰিষদ গঠনৰ প্ৰশ্নটো। উল্লেখযোগ্য যে বড়ো আন্দোলনৰ কালছোৱাতে অসমৰ আন কেতবোৰ খিলঞ্জীয়া জনগোষ্ঠীয়েও স্বাধিকাৰৰ বাবে আন্দোলনমুখী হৈ উঠে। নৈপৰীয়া মিছিং, দেউৰী, সোণোৱাল, কছাৰী, মৰাণ, মটকসকলৰ লগতে নামনি অসমৰ ৰাভা, কোঁচ-ৰাজবংশী, আদিবাসী, মধ্য অসমৰ তিৱা আদি বিকাশমান জনগোষ্ঠীসমূহ স্বাধিকাৰ সংগ্ৰামত চামিল হয়। তাৎপৰ্যপূৰ্ণভাৱে নিউটনৰ তৃতীয় সূত্ৰৰ লেখীয়াকৈ বড়ো নেতৃত্বৰ বিৰুদ্ধে নামনি অসমৰ ৰাভা, কোঁচ-ৰাজবংশী, আদিবাসী জনগোষ্ঠীসমূহ প্ৰতিবাদমুখৰ হৈ পৰে। এই জনগোষ্ঠীসমূহে বড়ো ৰাজনীতিকক আত্মবিকাশৰ পথৰ হেঙাৰ হিচাপে গণ্য কৰিবলৈ ধৰে। ১৯৯৯ চনৰ লোকসভা নিৰ্বাচনত কেৱল বি এ চি বাতিলৰ দাবী তুলি চি পি আই(এম এল)-আৰ্মকা মিত্ৰজোঁটৰ প্ৰাৰ্থী থিয়দৰ কিস্কু ৰাপাজে এই জনগোষ্ঠীসমূহৰ সমৰ্থন লাভ কৰিবলৈ সক্ষম হৈছিল। প্ৰায় আঢ়ৈ লাখ ভোটাৰে ৰাপাজক সমৰ্থন কৰি বি এ চি তথা বড়ো নেতৃত্বৰ বিৰুদ্ধে সৰব হৈ পৰে। এই ধাৰাত চামিল হোৱা ওঠৰটা সংগঠনৰ উমৈহতীয়া মঞ্চ সন্মিলিত জনগোষ্ঠীয় সংগ্ৰাম সমিতিয়ে এতিয়া বি এ চি এলেকাক ষষ্ঠ অনুসূচীভুক্ত কৰাৰ বিৰোধিতা কৰি আন্দোলনৰ পথ গ্ৰহণ কৰা দেখা গৈছে। স্বাভাৱিকতে এই দুই বিপৰীতমুখী ধাৰাৰ দ্বন্দ্বই জনগোষ্ঠীয় স্বাধিকাৰ সংগ্ৰামৰ বিষয়টোতে কেতবোৰ নতুন প্ৰশ্নৰ সৃষ্টি কৰিছে। এইখিনিতে প্ৰণিধানযোগ্য যে এসময়ত 'ডিভাইড আছাম ফিফ্‌টি ফিফ্‌টি' ধ্বনি দিয়া বড়োসকলে পৃথক বড়োলেণ্ড পৰিহাৰ কৰি ষষ্ঠ অনুসূচীভুক্ত স্বায়ত্তশাসিত পৰিষদ গ্ৰহণ কৰাৰ বাবে অসমৰ মধ্যশ্ৰেণীৰ ৰাজনৈতিক নেতৃত্বই আদৰি লৈছে। দুই-এক জাতীয়তাবাদী সংগঠনে হয়তো অসমৰ ভৌগোলিক অখণ্ডতা ৰক্ষা পৰিব বুলি ভাবি স্বস্তিৰ নিশ্বাস পেলাইছে। সেয়ে সন্মিলিত জনগোষ্ঠীয় সংগ্ৰাম সমিতিয়ে উত্থাপন কৰা দাবীৰ প্ৰতি সততে আওকাণ কৰাও দেখা গৈছে।

কিন্তু প্ৰস্তাৱিত ষষ্ঠ অনুসূচীভুক্ত বড়ো স্বায়ত্তশাসিত পৰিষদৰ অন্তৰ্গত বিভিন্ন বিকাশমান জনগোষ্ঠীসমূহৰ দাবী-দাবাসমূহ আজিয়েই মীমাংসা নকৰিলে সি ভৱিষ্যতে ভয়ংকৰ ৰূপ ধাৰণ কৰাৰ সম্ভাৱনা আছে। তেনেদৰে ষষ্ঠ অনুসূচীৰ যুক্তিযুক্ততা সন্দৰ্ভত স্পষ্ট স্থিতি গ্ৰহণ নকৰিলে, কাইলৈ তিৱা, মিছিং আদি জনগোষ্ঠীসমূহে কৰা দাবীৰ সন্মুখতো জবাবদিহি হ'ব লাগিব। এনে পটভূমিত বিষয়টো দকৈ চালি-জাৰি চোৱাৰ প্ৰয়োজনীয়তা আছে। ভাৰতবৰ্ষৰ সংবিধান প্ৰণয়নৰ সময়তে তেতিয়াৰ বৃহত্তৰ অসমৰ ব্ৰিটিছশাসিত আৰু বহিৰ্ভূত অঞ্চলৰ বসবাসকাৰী বিভিন্ন নৃগোষ্ঠীসমূহৰ স্বাধিকাৰৰ প্ৰশ্নই মূৰ দাঙি উঠিছিল। নগা, লুচাই, মিজো, খাছীয়া, জয়ন্তীয়া, গাৰো, ডিমাছা, কাৰ্বি তথা ভৈয়ামৰ বড়ো, মিছিংকে আদি কৰি বিভিন্ন জনগোষ্ঠীসমূহে স্বাধিকাৰৰ দাবী উত্থাপন কৰিছিল। তৎকালীন অসমৰ প্ৰধানমন্ত্ৰী গোপীনাথ বৰদলৈয়ে বিচক্ষণতাৰে, জনগোষ্ঠীয় নেতৃবৃন্দৰ লগত আলাপ-আলোচনা কৰি ভাৰতীয় সংবিধানত ষষ্ঠ অনুসূচী প্ৰৱৰ্তনৰ দিহা কৰিছিল। এই ষষ্ঠ অনুসূচীৰ আওতাত কেৱল পাহাৰীয়া জনগোষ্ঠীসমূহক সন্নিবিষ্ট কৰি ৰখা হৈছিল। পৰৱৰ্তী পৰ্যায়ত ষষ্ঠ অনুসূচীভুক্ত জনগোষ্ঠীসমূহে অধিক বিকাশ লাভ কৰি, ৰাজ্য স্থাপনেৰে জাতিসত্তাৰ মৰ্যাদা লাভ কৰিছে। কিন্তু ষষ্ঠ অনুসূচীৰ এই প্ৰক্ৰিয়াত কেতবোৰ গুৰুত্বপূৰ্ণ আঁসোৱাহ থকাৰ বাবেই আজি মিজোৰামত ব্ৰুসকলে, ত্ৰিপুৰাত ত্ৰিপ্ৰাইসকলে, মেঘালয়ত আচিকসকলে বিদ্ৰোহ কৰিবলগাত পৰিছে। অসমতো উত্তৰ কাছাৰ স্বায়ত্তশাসিত পৰিষদত মাৰ, কুকিসকলে আৰু কাৰ্বি আংলঙত বড়ো, তিৱাকে আদি কৰি অনা-কাৰ্বিসকলে প্ৰতিবাদৰ পথ গ্ৰহণ কৰা দেখা গৈছে। এই অভিজ্ঞতা লক্ষ্য কৰিলে বড়োসকলৰ বি টি চি গঠনৰ দাবী সন্দৰ্ভত সন্মিলিত জনগোষ্ঠী সংগ্ৰাম সমিতিৰ আগবঢ়োৱা বক্তব্যক সময়োপযোগী বুলিব লাগিব। কিয়নো আজিয়েই বি টি চি সৃষ্ট সমস্যাসমূহৰ বিষয়ে গমি-পিতি নাচালে কাইলৈ কাৰ্বি আংলঙৰ বড়ো, তিৱাসকলৰ লেখীয়াকৈ নামনি অসমৰ অন্যান্য জনগোষ্ঠীসমূহেও একে দাবী তুলিব। আজি দিল্লী-দিছপুৰৰ বিৰুদ্ধে জাগ্ৰত হোৱা ক্ষোভ কাইলৈ ডিফু, ধেমাজি, কোকৰাঝাৰমুখী হোৱাৰ সম্ভাৱনীয়তাই অধিক। প্ৰকৃতাৰ্থত ঐতিহাসিক আৰু নৃতাত্ত্বিক প্ৰক্ৰিয়াই অসমৰ জনগাঁথনিগত বিন্যাসৰ ক্ষেত্ৰত এক জটিলতাৰ সৃষ্টি কৰি থৈছে। নিৰ্দিষ্ট কেতবোৰ অঞ্চলৰ বাহিৰে কোনো জনগোষ্ঠীয়ে অসমত সংখ্যাগৰিষ্ঠৰ ভূমিকা গ্ৰহণ কৰিব নোৱাৰে। সেয়ে নিৰ্দিষ্ট সংবিধানিক আওতাত নিৰ্দিষ্ট জনগোষ্ঠীক আবদ্ধ কৰিলে, আন জনগোষ্ঠীক প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত কৰা হ'ব। ইতিহাসৰ ৰথৰ চকৰি ওলোটাকৈ ঘূৰাব নোৱাৰাৰ লেখীয়াকৈ নৃগোষ্ঠীয় চাকাই অভিযানো ইয়াৰ উত্তৰ হ'ব নোৱাৰে। দৰাচলতে স্বাধীনতাৰ পৰৱৰ্তী সময়ছোৱাতে ক্ষমতাৰ এককেন্দ্ৰিক ৰাজনীতি, জাতীয় সম্পদৰ অবাধ লুণ্ঠন, জাতি আৰু মাটিৰ ওপৰত খিলঞ্জীয়া ৰাইজৰ অধিকাৰ হৰণ আৰু অসম বিকাশৰ গভীৰ আৰ্থ-সামাজিক-ৰাজনৈতিক সমস্যাসমূহে আজিৰ এই পৰিস্থিতিৰ সৃষ্টি কৰিছে। প্ৰচলিত ব্যৱস্থাৰ যি মেৰপাকত এই পৰিস্থিতি সৃষ্টি হৈছে, বহুসময়ত তাক হৃদয়ংগম কৰিব নোৱাৰি বাঘৰ সলনি ছাঁ খেদাৰ লেখীয়া হৈছে। জনগণৰ মাজত জাগ্ৰত হোৱা ক্ষোভ, প্ৰচলিত ব্যৱস্থাৰ বিৰুদ্ধে নগৈ, ব্যৱস্থাৰে

ভুক্তভোগী আৰু আপাতদৃষ্টিত কিছু সুবিধাপ্ৰাপ্ত ক্ষেত্ৰসমূহলৈহে এই ক্ষোভ ধাবমান হৈছে। সম্প্ৰতি বড়ো আন্দোলন আৰু জনগোষ্ঠীসমূহৰ প্ৰতিক্ৰিয়া ইয়াৰ উৎকৃষ্ট উদাহৰণ। আজি এজন খিলঞ্জীয়া বড়ো খেতিয়কৰ লগত আন এজন বাভা, তিৱা, মিছিং, কাৰ্বি, ডিমাছা, মুছলমান, বৰা, শইকীয়া খেতিয়কৰ আৰ্থ-সামাজিক অৱস্থানৰ কোনো প্ৰভেদ নাই। আটাইবোৰ একেখন কুঁহিয়াৰশালৰে ডাবৰি। এই কথা অনুধাৱন নকৰিলে মধাই ওজাৰ ভাষাত 'ভায়ে ভায়ে দন কৰে পৰে পাই আস, মতা-মাইকী দন কৰে গৃহে বনবাস'ৰ লেখীয়া পৰিৱেশ হ'বগৈ। গতিকে আজিৰ তাৰিখত অসমৰ বিভিন্ন থলুৱা আৰু খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ সম্পদ, জাতি আৰু মাটিৰ অধিকাৰৰে সমমৰ্যাদা, সমঅধিকাৰ আৰু সমবিকাশৰ বিষয়টোৱে প্ৰধান বিবেচ্য বিষয় হৈ পৰিছে। এই প্ৰশ্নক কোনো বিদ্যায়তনিক, প্ৰশাসনীয় মেৰপেচত আবদ্ধ নাৰাখি তৃণমূল পৰ্যায়ৰ পৰা সকলোৰে মত-অভিমতেৰে তুলি ধৰিব লাগিব। এক উমৈহতীয়া ভাব বিনিময়ৰে ইয়াক গঢ় দি ইয়াৰ মাজেৰে প্ৰচলিত ব্যৱস্থাৰ বিৰুদ্ধে ঐক্যবদ্ধ হৈ যুঁজ দিয়াটোহে সময়োপযোগী আৰু বাস্তৱসম্মত। অন্যথা প্ৰচলিত ব্যৱস্থাৰ নভোকুণ্ডলীত পাক খাই যদুকুল ধ্বংসৰ আখৰাহে তৰা হ'ব। ব্যক্তিস্বাৰ্থ, দলীয় মতামতৰ উৰ্ধ্বত থাকি আজিৰ অসমে 'মুকুতিৰ বৰঢোল, পীৰিতিৰ টিফুং, দখনাৰ বিহুৱা বা'তহে হালি-জালি নাচিব বিচাৰে।

পূৰ্বপ্ৰকাশ ঃ আজি, ২৫ ডিচেম্বৰ/২০০১

১৯ অসমলৈ আমদানি হৈছে জনগোষ্ঠীয় শত্ৰু

বি টি চিক কেন্দ্ৰ কৰি নামনি অসমত উমি উমি জ্বলি থকা জুইকুৰা এতিয়া উজনিত জ্বলি উঠিছে। এটা জনগোষ্ঠীক ষষ্ঠ অনুসূচীৰ আধাৰত স্বায়ত্তশাসন প্ৰদান কৰিব খোজা প্ৰক্ৰিয়াৰ অংশ হিচাপে কেবিনেট উপ-সমিতিয়ে গোগামুখত উপস্থিত হোৱাৰে পৰাই এই প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বৃহত্তৰ অঞ্চলটোৰ অমিছিং সম্প্ৰদায়সমূহে ইয়াৰ প্ৰতিবাদ কৰিছে। ঠায়ে ঠায়ে দুই-এক বিক্ষিপ্ত ঘটনা সংঘটিত হোৱাৰ বাহিৰেও বন্ধৰ লেখীয়া গণতান্ত্ৰিক কাৰ্যসূচী গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। আনকি এনে কাৰ্যসূচীৰ সমৰ্থনত গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যয়নৰত এচাম ছাত্ৰ-ছাত্ৰীও আগবাঢ়ি অহা দেখা গৈছে। কাজেই সমগ্ৰ পৰিস্থিতিয়ে অদূৰ ভৱিষ্যতে জ্বালামুখীৰ ৰূপ ধাৰণ কৰাৰ পূৰ্বাভাস দেখা গৈছে। অসমৰ সমাজ ইতিহাসৰ প্ৰেক্ষাপটত স্বৰাজোত্তৰ কালছোৱাৰ বিভিন্ন জনগোষ্ঠীৰ আত্মপ্ৰকাশৰ আকাংক্ষা তথা তৎভূত সংগ্ৰামসমূহৰ বিভিন্ন ধাৰাৰ উন্মেষণ, এক উল্লেখযোগ্য পৰিঘটনা হিচাপে পৰিগণিত হৈছে। এই সময়ছোৱাত মূলতঃ কংগ্ৰেছ নেতৃত্বাধীন শাসকগোষ্ঠীৰ অপৰিণামদৰ্শী নীতি, আত্মধ্বংসী কাৰ্যব্যৱস্থা তথা কেতবোৰ হঠকাৰী পদক্ষেপৰ ফলতেই অসমৰ বিভিন্ন খিলঞ্জীয়া জনগোষ্ঠী, বিকাশমান জাতিসত্তাসমূহ সামগ্ৰিক বঞ্চনাৰ সন্মুখীন হৈছে। ১৯৪৮ চনতে জনগোষ্ঠীসমূহৰ ভূমি সুৰক্ষাৰ বাবে গ্ৰহণ কৰা জনজাতি খণ্ড বেষ্টনীসমূহৰ ব্যৱস্থাৱলী কাৰ্যতঃ বিফল হৈছে। বহু সময়ত উদ্যোগ প্ৰতিষ্ঠান স্থাপনৰ বাবে জনগোষ্ঠীসমূহৰ ভূমি অধিগ্ৰহণ কৰাৰ ব্যৱস্থা শাসকগোষ্ঠীয়েই গ্ৰহণ কৰিছিল। উদাহৰণস্বৰূপে তিৰা

অধ্যুষিত নগাঁও-মৰিগাঁও জিলাৰ জাগীৰোড অঞ্চল, ৰাজধানী দিছপুৰ তথা উত্তৰ লক্ষীমপুৰ নগৰৰ কথাকে ক'ব পৰা যায়। তেনেদৰে একাংশ বহিৰাগত প্ৰব্ৰজিত সম্প্ৰদায়ৰ দ্বাৰাও জনগোষ্ঠীয় বেষ্টনী, খণ্ড আদি দখল কৰা হৈছে' নগাঁও জিলাৰ কঠিয়াতলী, পূব কান্দুৰা বৰদলং-লংকাভেটা খণ্ডসমূহ ইয়াৰ উদাহৰণ। শেহতীয়াভাৱে আকৌ এচাম মাটি খকুৱা অসমীয়া মধ্যবিত্তৰ দ্বাৰা জনগোষ্ঠীয় ভূমি দখল কৰাৰ প্ৰক্ৰিয়া আমি ডিমৰীয়া অঞ্চলৰ পৰাই পাইছোঁ। সেইদৰে অন্যান্য চাকৰি-বাকৰি, ব্যৱসায়-বাণিজ্য আদিৰ ক্ষেত্ৰতো জনগোষ্ঠীসমূহ চূড়ান্ত বঞ্চনাৰ সন্মুখীন হৈছে। শাসকগোষ্ঠীৰ এনে প্ৰতাৰণাৰ বাবেই জনগোষ্ঠীয় কৃষক সমাজ তথা নৱোদিত মধ্যশ্ৰেণীৰ মাজত ক্ষোভৰ জাগৰণ হৈছে। এই ক্ষোভৰ ভিত্তিত নানান দেশীয় আৰু আন্তঃৰাষ্ট্ৰীয় ঘটনাৰ অভিজ্ঞতাৰ আলোকেৰে, জনগোষ্ঠীসমূহৰ স্বাধিকাৰ স্পৃহা জাগৃত হৈছে। ই ইতিহাস আৰু সমাজ বিজ্ঞানৰ এক স্বাভাৱিক অৱধাৰিত পৰিঘটনা। কিন্তু জনগোষ্ঠীসমূহৰ এই স্বাভাৱিক পৰিঘটনাক হৃদয়ংগম কৰিব নোৱাৰি, এচাম মধ্যবিত্ত নেতৃত্বই উন্নাসিক মনোভাব পোষণ কৰাৰ দৰে শাসকগোষ্ঠীয়ে হুস্বম্যাদী আঁচনি, উপৰুৱা মতামত আদিৰে সমগ্ৰ বিষয়বস্তুকে জটিলতাৰ পথলৈ ঠেলি দিছে। ইয়াৰ দ্বাৰা শাসকগোষ্ঠীৰ তাৎক্ষণিক ৰাজনৈতিক লাভালাভ হ'লেও সমাজ-জীৱনৰ যে অপূৰণীয় ক্ষতিসাধন কৰা হৈছে, তাক এইসকল ক্ষীণদৃষ্টিসম্পন্ন শাসকে তলকিব পৰা নাই। বা পাৰিলেও তাক ৰাজনৈতিক হিচাপ-নিকাচৰ স্বাৰ্থত গাপ দি ৰাখিছে। পৰিতাপৰ কথা এয়ে যে জনগোষ্ঠীসমূহৰ ৰাজনৈতিক নেতৃত্বই, শাসকগোষ্ঠীৰ এই চৰিত্ৰ যথাৰ্থভাৱে উপলব্ধি কৰিব নোৱাৰি বাৰে বাৰে শাসকৰ ফান্দত ভৰি দিছে। যেতিয়া উপলব্ধি কৰা হয়, তেতিয়া শুধৰণিৰ সময় নাথাকে। একালৰ সংগ্ৰামী নেতৃত্ব জনগোষ্ঠীটোৰ বাবে অপ্ৰাসংগিক হৈ পৰে। জনগোষ্ঠীটোৰ প্ৰকৃত স্বাধিকাৰৰ আকাংক্ষা, জাতীয় সমস্যা অমীমাংসিত হৈ ৰয়। শাসকৰ গাদী দখল কৰা কংগ্ৰেছ(ই) দলৰে প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই নিশাৰ ভিতৰতে জনগোষ্ঠীয় সমস্যা সমাধান কৰিবলৈ গৈ মিছিং স্বায়ত্তশাসিত পৰিষদ, ৰাভা-হাছং, তিৱা পৰিষদ আদি গঠন কৰিছিল। ইয়াৰ সফলতাৰ ঢাক-ঢোল সেই সময়ত বজোৱা হৈছিল। কিন্তু আজিৰ তাৰিখত তেনে স্বায়ত্তশাসিত পৰিষদসমূহৰ কাৰ্যকাৰিতা সন্দৰ্ভতে প্ৰশ্ন উত্থাপিত হৈছে আৰু বিকল্প হিচাপে ষষ্ঠ অনুসূচীৰ আধাৰত স্বায়ত্তশাসিত পৰিষদ গঠনৰ বাবে চিন্তা-চৰ্চা চলোৱা হৈছে। ইতিমধ্যে সংবিধানৰ সংশোধনীৰে বড়ো এলেকাত এনে পৰিষদ গঠনো কৰা হৈছে। কিন্তু এই কাম কৰিবলৈ গৈ যি বিষয়টো গৌণ বিচাপে গণ্য কৰা হৈছে, সি হ'ল সংশ্লিষ্ট এলেকাৰ বসবাসকাৰী আন জনগোষ্ঠী-সম্প্ৰদায়ৰ অধিকাৰৰ বিষয়টো। ফলত, বড়ো এলেকাতো অবড়োসকলে আন্দোলন কৰাৰ লেখীয়াকৈ, এতিয়া মিছিং এলেকাতো অমিছিংসকলে আন্দোলনৰ পথ গ্ৰহণ কৰিছে। তিৱা, ৰাভা-হাছং এলেকাতো যে এনে ঘটনাৰ পুনৰাবৃত্তি নঘটিব তাৰ কি মানে আছে? এই প্ৰক্ৰিয়া অব্যাহত থাকিলে এসময়ত সমগ্ৰ অসমতে জনগোষ্ঠী, অজনগোষ্ঠী আদি বিভাজনেৰে বিভাজিত হ'ব, আৰু ইয়াৰ দ্বাৰা জনগোষ্ঠীয় স্বাধিকাৰ আন্দোলনেই বাধাগ্ৰস্ত হ'ব। এসময়ত ষষ্ঠ অনুসূচী লাভ কৰা খাছি, মিজো, গাৰো আদি

জনগোষ্ঠীয়ে পৰৱৰ্তী সময়ত ৰাজ্যৰ মৰ্যাদা বিচাৰিবলগীয়া হৈছিল। ৰাজ্যৰ মৰ্যাদা পোৱাৰ পাছত তাত এতিয়া স্বাধীনতাৰ ধ্বনিও শুনা গৈছে। কাৰ্বি, ডিমাছা আদি ষষ্ঠ অনুসূচীভুক্ত জনগোষ্ঠীয়ে এতিয়া স্বতন্ত্র ৰাজ্য, স্বাধীন ৰাষ্ট্র বিচৰাৰ প্রক্রিয়া আৰম্ভ কৰিছে। এই ঘটনাসমূহে ষষ্ঠ অনুসূচীৰ সীমাবদ্ধতাকে প্ৰতীয়মান নকৰিব জানো? তেনেহ'লে ইতিপূৰ্বে অপ্রাসংগিক হোৱা ষষ্ঠ অনুসূচীৰ বাবে, আজিৰ জনগোষ্ঠীয় নেতৃত্বই হাময়াও কাঢ়িছে কিয়? কিয় অযথা ৰক্তপাতেৰে ভাতৃমূলক জনসম্প্রদায়ৰ মনত সন্দেহ আৰু অবিশ্বাসৰ ভাব সৃষ্টি কৰিছে? সচেতন লোকমাত্রেই এই কথা অৱগত যে অসমৰ সমাজ-জীৱনৰ ঐতিহ্য আৰু পৰম্পৰাই জনগাঁথনিৰ ক্ষেত্ৰখনতো এক বৈচিত্র্যৰ সৃষ্টি কৰিছে। সেয়ে অসমৰ কোনো স্থানতে একক সংখ্যাগৰিষ্ঠ জনগোষ্ঠীয় এলেকা দেখা নাযায়। ফলত নিৰ্দিষ্ট জনগোষ্ঠীক গোষ্ঠীগত স্বায়ত্তশাসন ব্যৱস্থাই সংশ্লিষ্ট এলেকাৰ আন জনগোষ্ঠীৰ মনত অধিকাৰ হেৰুওৱা ভয়ৰ উদ্রেক কৰায়। গতিকে ষষ্ঠ অনুসূচীৰ লেখীয়া গোষ্ঠীগত স্বায়ত্তশাসন ব্যৱস্থাৰ প্ৰয়োগিক চৰিত্ৰ সন্দৰ্ভত অধিক আলোচনাৰ দাবী কৰে। সেয়ে অসমৰ জনগোষ্ঠীসমূহৰ স্বাধিকাৰ স্পৃহা পূৰণৰ বাবে ষষ্ঠ অনুসূচীৰ বাদে, অন্য এক শাসন ব্যৱস্থাৰ বিষয়ে চিন্তা-চৰ্চা কৰাৰ অতীৱ প্রয়োজনীয়তা আছে। মিছিঙকে আদি কৰি সংগ্ৰামৰত আন আন জনগোষ্ঠীৰ নেতৃবৃন্দই অসমৰ আন আন খিলঞ্জীয়া জনসম্প্রদায়সমূহৰ লগত উমৈহতীয়া এলেকাৰ বাস্তৱ অৱস্থাক স্বীকাৰ কৰি, আলোচনাৰ পৰিৱেশ সৃষ্টি কৰি, এনে বিকল্প ব্যৱস্থাৰ সন্ধান কৰিব লাগিব। তেনেদৰে খিলঞ্জীয়া আৰু থলুৱা জনসম্প্রদায়সমূহেও জনগোষ্ঠীসমূহৰ জাতীয় স্পৃহাক সন্মান প্রদর্শন কৰি এনে বিকল্প ব্যৱস্থাৰ বাবে আগবাঢ়ি আহিব লাগিব। এনে বিকল্প ব্যৱস্থাৰ বাবে ঐক্যবদ্ধ গণ সংগ্ৰামৰ পাতনি তৰি শাসকগোষ্ঠীক বাধ্য কৰাব লাগিব। অন্যথা শাসকে আগবঢ়াই দিয়া ফান্দখনত এক আওপুৰণি শাসন ব্যৱস্থাত আজি নামনি অসম, উত্তৰ অসম, কাইলৈ উজনি অসম, দক্ষিণ অসম, মধ্য অসমৰ বিভিন্ন জনগোষ্ঠী আৰু জনসম্প্রদায়সমূহ যে নপৰিব তাৰ কি মানে আছে? সামগ্রিকভাৱে ইয়াৰ দ্বাৰা খিলঞ্জীয়া আৰু থলুৱা ৰাইজৰ আৰ্থ-সামাজিক, ৰাজনৈতিক আশা-আকাংক্ষাসমূহ চিৰদিনৰ বাবে অপূৰণীয় হৈ থাকিব। অমীমাংসিত জনগোষ্ঠীয় জাতীয় প্রশ্নই অদূৰ ভৱিষ্যতে অসমক আন এক 'বলকান অঞ্চল'ত পৰিণত কৰিব। জনগণে বিচাৰ কৰক— ইয়াৰ দ্বাৰা কোন লাভান্বিত হ'ব? ঔপনিবেশিক দমনকাৰী ৰাষ্ট্র নে সংগ্রামৰত জনগোষ্ঠী-জনসম্প্রদায়সমূহ?

পূৰ্বপ্ৰকাশ : নতুন সময়, ২৯ জুন/২০০৪

২০

হিন্দী চলচ্চিত্র
শাসকশ্ৰেণীৰ হিন্দু-হিন্দী আধিপত্যবাদ প্ৰচাৰৰ এক শক্তিশালী মাধ্যম

ভাৰতবৰ্ষ মূলতঃ এখন বহুভাষিক, বহু সাংস্কৃতিক দেশ। সংবিধান অনুসাৰে স্বীকৃত অসমীয়া, বঙালী, উৰিয়া, তামিল, তেলেগু, মাৰাঠী, গুজৰাটী, পাঞ্জাবী, বিহাৰী, কাশ্মিৰী নানা জাতিগোষ্ঠীৰ বাহিৰেও সৰু-বৰ ভালেকেইটা ঐতিহ্যপূৰ্ণ জাতিসত্তা, জনগোষ্ঠীৰ দ্বাৰা ভাৰতবৰ্ষৰ সমাজ-জীৱন চহকী হৈ পৰিছে। এনে জাতি, জাতিসত্তা, জনগোষ্ঠীবোৰৰ স্বকীয় ভাষা, সংস্কৃতি ঐতিহ্যৰ মেটমৰা ভঁৰালে ভাৰতবৰ্ষৰ বহুত্ববাদী চৰিত্ৰকে অধিক প্ৰকট কৰি তুলিছে। যাৰ বাবে বিগত কেইবা দশকজোৰা প্ৰচেষ্টাৰ অন্ততো, ভাৰতীয় শাসকগোষ্ঠীয়ে, 'ভাৰতীয়ত্ব'ৰ ধাৰণাক সৰ্বজনগ্ৰাহ্য এক স্বীকৃত সত্য হিচাপে প্ৰতিষ্ঠা কৰিব নোৱাৰিলে। দৰাচলতে ব্ৰিটিছসৃষ্ট আৰু পৰৱৰ্তী পৰ্যায়ত সংকুচিত নিৰ্দিষ্ট ভৌগোলিক সীমাৰেখা, ৰাজনৈতিক গাঁথনিৰ বাহিৰে 'ভাৰতীয়ত্ব'ৰ ধাৰণাৰ কোনো বাস্তৱসন্মত ভিত্তি নাই। ভাৰতীয়ত্বৰ দোহাই দি শাসকগোষ্ঠীয়ে যিমানেই ভাৰতীয় জাতিৰ ধাৰণাৰ প্ৰসাৰ আৰু প্ৰচাৰ নকৰক কিয়, এটা উমৈহতীয়া ভাষা, সাংস্কৃতিক ঐতিহ্য আৰু পৰম্পৰা, মানসিক গঠনৰ লেখীয়া জাতি গঠনৰ প্ৰাৰম্ভিক উপাদানসমূহৰ অভাৱত, ভাৰতীয় জাতিৰ ধাৰণাই, ভাৰতবৰ্ষৰ ভৌগোলিক-ৰাজনৈতিক পৰিসীমাৰ ভিতৰত বসবাস কৰা বিভিন্ন জাতি, জনগোষ্ঠী, জাতিসত্তাসমূহক প্ৰভাৱান্বিত কৰিব নোৱাৰে। তাৎপৰ্যপূৰ্ণভাৱে, বিভিন্ন জাতি-জনগোষ্ঠীৰ স্বকীয় পৰিচয় অক্ষুন্ন ৰখা তথা সংৰক্ষণ কৰাৰ মানসিকতাক ভাৰতবৰ্ষৰ শাসকবৰ্গই হৃদয়ংগম কৰিব নোৱাৰিলে। বৰং এই জাতি-জনগোষ্ঠীসমূহৰ সামূহিক আশা-আকাংক্ষাক ভৰিৰে মোহাৰি, ভাৰতবৰ্ষৰ

শাসকশ্রেণীয়ে নিজস্ব ধ্যান-ধাৰণাহে জাপি দিব খুজিলে। এক উমৈহতীয়া ভাষাৰ অভাৱত ভাৰতীয় জাতিৰ ধাৰণা অবিজ্ঞানসম্মত হিচাপে প্ৰতীয়মান হোৱাৰ বাবেই, স্বাধীনতাৰ পৰৱৰ্তী সময়ছোৱাত, ভাৰতীয় শাসকশ্ৰেণীয়ে হিন্দী ভাষাকে ভাৰতবৰ্ষৰ আন আন জাতি-জনগোষ্ঠীসমূহৰ ওপৰত জাপি দিবলৈ ধৰিলে। ভাৰতবৰ্ষৰ গোবলয় হিচাপে খ্যাত, বিহাৰ, উত্তৰপ্ৰদেশ, দিল্লী, ৰাজস্থান আদিত প্ৰচলিত হিন্দী ভাষাকে সমগ্ৰ ভাৰতবৰ্ষৰ বাবেই ৰাষ্ট্ৰভাষা হিচাপে প্ৰতিষ্ঠা কৰাৰ বাবে প্ৰচেষ্টা চলোৱা হ'ল। ৰাষ্ট্ৰভাষাৰ প্ৰচাৰৰ বাবে কেইবাহেজাৰ কোটি টকা ৰাজকোষৰ পৰা মোকলাই দিয়া হ'ল। হিন্দীক ৰাষ্ট্ৰভাষা হিচাপে প্ৰতিষ্ঠা কৰাৰ এই প্ৰক্ৰিয়াৰ সমান্তৰালভাৱে শাসকশ্ৰেণীৰ এচাম সাম্প্ৰদায়িক মনোভাবাপন্ন গোষ্ঠীয়ে হিন্দুত্ববাদী ধ্যান-ধাৰণাৰো বিকাশ কৰাৰ প্ৰচেষ্টা চলালে। লগে লগে আহি পৰিল গোবলয়ৰ হিন্দু ধৰ্মৰ মাজত প্ৰচলিত নানাধৰণৰ লোকাচাৰ, উৎসৱ, অনুষ্ঠান আদিৰো পৃষ্ঠপোষকতা কৰাৰ প্ৰৱণতা। নানা ধৰণৰ প্ৰচাৰ মাধ্যম, শিক্ষাকে আদি কৰি মানৱ সম্পদ উন্নয়নৰ মাধ্যমসমূহৰ যোগেদি এই হিন্দু ধৰ্ম আৰু হিন্দী ভাষাৰ ব্যাপক প্ৰচাৰ, প্ৰসাৰ ঘটোৱা হ'ল। চমু কথাত বিভিন্ন জাতি-জনগোষ্ঠীৰ বসবাসস্থলী ভাৰতবৰ্ষৰ বহুত্ববাদী সমাজখনত, হিন্দী ভাষা আৰু হিন্দু ধৰ্মৰ যোগেদি একীভূত কৰা হ'ল। শাসকশ্ৰেণীৰ এই প্ৰচেষ্টাকে সমাজবিজ্ঞানীসকলে হিন্দু-হিন্দী আধিপত্যবাদ হিচাপে চিহ্নিত কৰিছে। ইয়াৰ ফলাফল সহজে অনুমেয়। ৰাষ্ট্ৰৰ প্ৰত্যক্ষ পৃষ্ঠপোষকতাত চলা এই হিন্দু-হিন্দী আধিপত্যবাদৰ ফলতেই ভাৰতবৰ্ষৰ সমাজ-জীৱনৰ ধৰ্মীয়, ভাষিক ক্ষেত্ৰত থকা বহুত্ববাদী পৰিকাঠামো ভাঙি তচনচ হ'ল। ইয়াৰ তীব্ৰ প্ৰত্যাহ্বানত বিভিন্ন ধৰণৰ বিকাশমান জাতি-জাতিসত্তা, জনগোষ্ঠীৰ স্বকীয় পৰিচয়, ভাষা-সংস্কৃতি, সামাজিক পৰম্পৰাৰ অস্তিত্ব বিপদাপন্ন হৈ উঠিল। আমাৰ চুবুৰীয়া অৰুণাচল প্ৰদেশৰ পৰাই এই কথাৰ সমৰ্থনত নানা উদাহৰণ তুলি ধৰিব পৰা যায়। শাসকশ্ৰেণী সৃষ্ট এই হিন্দু-হিন্দী আধিপত্যবাদৰ বিৰুদ্ধে ভাৰতবৰ্ষৰ নানা স্থানত তীব্ৰ ক্ষোভ আৰু প্ৰতিবাদৰ সৃষ্টি হৈছে। দাক্ষিণাত্যৰ তামিলনাডুৰ দ্ৰাবিড় আন্দোলন ইয়াৰ এক জ্বলন্ত উদাহৰণ। তদ্ৰূপ নমুনা, অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ পৰাও তুলি ধৰিব পাৰি।

অৱশ্যে ভাৰতবৰ্ষৰ বিভিন্ন স্থানত, শাসকগোষ্ঠীৰ এই আধিপত্যবাদৰ বিৰুদ্ধে তীব্ৰ বিৰোধিতাৰ সৃষ্টি হ'লেও শাসকগোষ্ঠী কিন্তু নিজৰ কৰ্ম আঁচনিৰ পৰা পিছ পৰি থকা নাই। শাসকগোষ্ঠীয়ে নিতৌ ন ন কৌশল অৱলম্বন কৰি, হিন্দু-হিন্দী আধিপত্যবাদৰ প্ৰচাৰাভিযান অব্যাহত ৰাখিছে। চলচ্চিত্ৰৰ দৰে এক গুৰুত্বপূৰ্ণ, শক্তিশালী প্ৰচাৰ মাধ্যমৰ যোগেদি কেনেদৰে শাসকগোষ্ঠীয়ে নিজৰ প্ৰচাৰাভিযান চলাই আছে তাকেই কেন্দ্ৰীয় বিষয় হিচাপে আমাৰ আলোচনাত প্ৰক্ষেপ কৰিমহক।

আধুনিক শিল্প মাধ্যম হিচাপে চলচ্চিত্ৰ অতি শক্তিশালী গণমাধ্যম। বিজ্ঞান, প্ৰযুক্তিবিদ্যা, কলাৰ এক অপূৰ্ব সংমিশ্ৰণ হিচাপেই বিকাশ লাভ কৰা চলচ্চিত্ৰই একে সময়তে ব্যাপক সংখ্যক দৰ্শকৰ লগত সংযোগ স্থাপন কৰিব পাৰে। চলচ্চিত্ৰৰ বাহিৰে আন কোনো শিল্প মাধ্যমৰে গণসংযোগ ইমান বিশাল নহয়। চলচ্চিত্ৰৰ এই শক্তিশালী

চৰিত্ৰ হৃদয়ংগম কৰি শাসকশ্ৰেণীয়ে ইয়াক নিজস্ব মতাদৰ্শ প্ৰচাৰৰ আহিলা হিচাপে গ্ৰহণ কৰিলে। ইতিপূৰ্বে শাসকশ্ৰেণীৰ সহযোগী হিচাপে গঢ় লৈ উঠা ভাৰতীয় সহযোগী বুৰ্জোৱা শ্ৰেণীয়েও ইয়াৰ প্ৰত্যক্ষ পৃষ্ঠপোষকতাত নামি পৰিল। যিহেতু চলচ্চিত্ৰ প্ৰযোজনা এক ব্যয়বহুল প্ৰক্ৰিয়া, সেয়ে ইয়াত ধন বিনিয়োগ কৰি সহযোগী বুৰ্জোৱা শ্ৰেণীয়ে শাসকগোষ্ঠীৰ শ্ৰুতলিপি অনুযায়ী কাৰ্য সম্পন্ন কৰিবলৈকে আগবাঢ়ি আহিল। দ্বিতীয় মহাযুদ্ধৰ সময়ছোৱাত নানা ধৰণৰ ঠিকাদাৰী ব্যৱসায় কৰি ফটকা বাজিৰে বজাৰ অৰ্থনীতি নিয়ন্ত্ৰণ কৰি চহকী হোৱা এক শ্ৰেণী ধনিক সম্প্ৰদায়ে চলচ্চিত্ৰৰ প্ৰযোজনা প্ৰক্ৰিয়াত গভীৰভাৱে জড়িত হৈ পৰিল। ইতিমধ্যে উদ্যোগনগৰী হিচাপে গঢ় লৈ উঠা মুম্বাই চহৰকে কেন্দ্ৰ কৰি এইচাম ভাৰতীয় ধনিক শ্ৰেণীয়ে চলচ্চিত্ৰ উদ্যোগৰ বিকাশৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল। কাজেই শাসকশ্ৰেণীৰ আশিস দৃষ্টি পাবৰ বাবে এই চাম বণিয়া ব্যগ্ৰ হৈ উঠিছিল। ইয়াৰে সুবিধা গ্ৰহণ কৰি শাসকশ্ৰেণীয়ে নিজস্ব হিন্দু-হিন্দী আধিপত্যবাদৰ মতাদৰ্শ চলচ্চিত্ৰ উদ্যোগত প্ৰয়োগ কৰাত লাগিল। অৱশ্যে শাসকশ্ৰেণীৰ আওতাৰ বাহিৰতো দুই-এক প্ৰযোজনা সংস্থা নথকা নহয়। কিন্তু এনে প্ৰচেষ্টাক নাকী লগাবৰ বাবেই চেন্সৰশ্বিপ ব্যৱস্থাৰো পাকা বন্দবস্তি কৰি ৰখা হ'ল।

আৰম্ভণিৰে পৰা মুম্বাইকেন্দ্ৰিক চলচিত্ৰ উদ্যোগে হিন্দী ভাষা আৰু হিন্দু ধৰ্মৰ লগত সম্পৃক্ত বিভিন্ন থিমসমূহকে গ্ৰহণ কৰিছিল। হিন্দী ভাষাত ৰচনা কৰা কাহিনী-গীত আদিৰ যোগেদি এই চলচ্চিত্ৰসমূহ জনপ্ৰিয় হৈ উঠিল। তাতেই সাৰ পানী যোগালে হিন্দু ধৰ্মৰ লগত জড়িত বিভিন্ন কাল্পনিক, আধিভৌতিক, পৌৰাণিক কাহিনীসমূহে। সাধাৰণ দৰ্শকৰ বাবে সহজে আকৰ্ষণ কৰিব পৰাকৈ পৌৰাণিক কাহিনীসমূহৰ পুনৰ্নিৰ্মাণ ঘটিল। ভক্ত প্ৰহ্লাদ, ৰাজা হৰিচন্দ্ৰ, পাতাল-ভৈৰৱী, শ্ৰীশ্ৰীমাকামাখ্যা আদিৰ দৰে ৰূপকথাসমূহৰ আধাৰত নিৰ্মিত ছবিসমূহ সাধাৰণ দৰ্শকৰ ওচৰত জনপ্ৰিয় হৈ উঠিল। প্ৰযোজক-পৰিচালকৰ পেৰালৈ ধন অহাত এই প্ৰক্ৰিয়া অধিক ক্ষিপ্ৰতৰ হৈ উঠিল। সেইদৰে গোবলয়ত প্ৰচলিত হিন্দী ভাষাৰ আন আন স্থানৰ হিন্দী ভাষাৰ ৰূপৰ লগত মিলাই এক নতুন ধৰণৰ ভাষা সৃষ্টি কৰা হ'ল, যি বোম্বাই-মাৰ্কা হিন্দী হিচাপেই জ্ঞাত। হিন্দী ভাষাক জনপ্ৰিয় কৰা আৰু ভাৰতবৰ্ষৰ আন আন অহিন্দীভাষী অঞ্চলতো ইয়াক জনপ্ৰিয় কৰি তোলাত সেয়ে বোম্বাই-মাৰ্কা হিন্দী ছবিসমূহৰ এক গুৰুত্বপূৰ্ণ অৱদান আছে।

হিন্দু ধৰ্মৰ বিভিন্ন 'থিম'সমূহৰ লগে লগে হিন্দী চলচ্চিত্ৰত ইয়াৰ বিভিন্ন কুসংস্কাৰ, অন্ধবিশ্বাস আদিৰো প্ৰকাশ ঘটিল। হিন্দু ধৰ্মত নিহিত থকা নাৰী অৱদমনমূলক ধাৰণাসমূহ, সমাজৰ অন্ত্যজ শ্ৰেণীৰ লোকৰ প্ৰতি বৈষম্যমূলক আচৰণ, বেজ-জ্ঞানী, তাবিজ-মাদুলি ব্যৱহাৰৰ উপযোগিতা, দেৱ-দেৱীৰ অপাৰ মাহাত্ম্যৰ ধাৰণাসমূহ হিন্দী চলচ্চিত্ৰই সমাজৰ বিভিন্ন স্তৰৰ মাজলৈ কঢ়িয়াই লৈ আনিছে। উদাহৰণস্বৰূপে নাৰীৰ অৱদমনৰ প্ৰসংগকে টানি অনা হওক। বোম্বাই মাৰ্কা হিন্দী চলচ্চিত্ৰত নাৰী হিচাপে যাক প্ৰক্ষেপ কৰা হয়, তেওঁ শৈশৱত পিতৃৰ দ্বাৰা, যৌৱনত স্বামীৰ দ্বাৰা আৰু বৃদ্ধাৱস্থাও পুত্ৰৰ দ্বাৰা লালিতা-পালিতা, আশ্ৰিতা এক চৰিত্ৰ। পূৰ্ণ মানৱী হিচাপে নিজকে প্ৰতিষ্ঠা কৰাৰ

পৰিবৰ্তে তেওঁ ঘৰ-সংসাৰ, পুত্ৰ-পৰিবাৰৰ বাবেই সমগ্ৰ জীৱন পাত কৰি যায়। এয়া যেন হিন্দু ধৰ্মশাস্ত্ৰত থকা মনুসংহিতাৰ প্ৰভাৱৰ এক আধুনিক ৰূপ। এনে নাৰীয়ে প্ৰায়েই ভাতৃৰ বাবে নিজা শিক্ষা, স্বামীৰ বাবে নিজা অৰ্থনৈতিক স্বাৱলম্বিতা ত্যাগ কৰি পুত্ৰৰ বাবে দেৱ-দেৱীৰ পূজা-পাতল কৰিয়েই কটায়। সেইদৰে পিতৃৰ বাক্যৰ বাবেই বাল্য বিবাহ, স্বামীৰ সন্তুষ্টিৰ বাবেই যৌতুক অনাতো যেন তেওঁৰ স্বাভাৱিক জীৱন প্ৰভাৱৰ এটি অংগ। হিন্দী চলচ্চিত্ৰত প্ৰক্ষেপিত নাৰীৰ এই ৰূপৰ বাবেই অদ্যাপি বিভিন্ন পৰ্যায়ত চলি থকা নাৰী অৱদমনকাৰী মানসিকতাৰ সৃষ্টি হৈছে। ঠিক তেনেদৰে হিন্দী চলচ্চিত্ৰত নাৰীক এক ভোগ্যপণ্য ৰূপতো দেখুওৱা হয়। এনে নাৰীয়ে বিলাসী হোটেলত নানা ভংগীৰ নাচ নাচি, গণিকা হৈ নিজৰ শৰীৰ প্ৰদৰ্শন কৰি নিজকে ভোগ্যপণ্য হিচাপে সজাই তুলিছে। নাৰীৰ যৌনতাক এক অস্বাভাৱিক পণ্য হিচাপে গ্ৰহণ কৰিবলৈ দৰ্শকক বাধ্য কৰোৱা হৈছে। যাৰ বাবে আজি ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত সংঘটিত ধৰ্ষণৰ দৰে সামাজিক অপৰাধ বৃদ্ধি পোৱাতো হিন্দী চলচ্চিত্ৰই এক অনুঘটকৰ ভূমিকা পালন কৰিছে। হিন্দী চলচ্চিত্ৰত প্ৰক্ষেপিত নাৰীকেন্দ্ৰিক এনে ধ্যান-ধাৰণাসমূহ কিন্তু ভাৰতবৰ্ষৰ বিভিন্ন থলুৱা লোক সম্প্ৰদায়ৰ সামাজিক ধ্যান-ধাৰণাৰ পৰা সম্পূৰ্ণ পৃথক। নমুনা হিচাপে উত্তৰ-পূৰ্বাঞ্চলত বিভিন্ন নৃগোষ্ঠীসমূহত থকা নাৰীৰ অৰ্থনৈতিক, সামাজিক স্থানৰ কথাই উল্লেখ কৰিব পাৰি। পুৰুষৰ সমানে অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰা উত্তৰ-পূৰ্বাঞ্চলৰ থলুৱা নৃগোষ্ঠীৰ মহিলাসকলৰ বাবে হিন্দী চলচ্চিত্ৰৰ দ্বাৰা আৰোপিত এনে ধ্যান-ধাৰণা অপমানজনক। অথচ প্ৰভাৱশালী গণ মাধ্যম হিচাপেই হিন্দী চলচ্চিত্ৰই এই নাৰী সমাজৰ সত্তাক অহৰহ আক্ৰমণ কৰি আহিছে আৰু বহু সময়ত সমাজ-জীৱনত ইয়াৰ কু-প্ৰভাৱ পেলাইছে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলত শেহতীয়াভাৱে বৃদ্ধি পোৱা যৌতুক প্ৰথা, ধৰ্ষণ, ইভটিজিঙৰ দৰে ঘটনাসমূহ ইয়াৰে নমুনা।

স্বাধীনোত্তৰ কালছোৱাত ভাৰতবৰ্ষৰ শাসকশ্ৰেণীৰ শোষণ-নিষ্পেষণ প্ৰক্ৰিয়াৰ ফলতেই ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত অ-সম অৰ্থনৈতিক বিকাশৰ পৰিস্থিতি সৃষ্টি হৈছে। কাজেই শাসকশ্ৰেণীৰ এনে শোষণ প্ৰক্ৰিয়াৰ বিৰুদ্ধে সমাজৰ বিভিন্ন প্ৰান্তৰ, বিভিন্ন শ্ৰেণীৰ, বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত তীব্ৰ অসন্তোষৰ সৃষ্টি হৈছে। জনগণৰ মাজত জাগৰিত বিক্ষোভৰ জুইকুৰা নুমুৱাবৰ বাবে শাসকশ্ৰেণীয়ে বিভিন্ন কূটকৌশল প্ৰয়োগ কৰি আহিছে। শাসকশ্ৰেণীয়ে এই কূট-কৌশল প্ৰয়োগ কৰিবৰ বাবেও হিন্দী চলচ্চিত্ৰক ব্যৱহাৰ কৰি আহিছে। সত্তৰৰ দশকত 'বসন্তৰ ব্ৰজ নিনাদ' হিচাপে পৰিগণিত বিখ্যাত নক্সালবাৰী আন্দোলনৰ সময়ছোৱাতে 'এংৰি ইয়ং মেন' হিচাপে হিন্দী চলচ্চিত্ৰ জগতৰ অমিতাভ বচ্চনৰ আত্মপ্ৰকাশৰ ঘটনা এইখিনিতে উল্লেখ কৰিব পাৰি। জনগণৰ মাজত জাগ্ৰত ক্ষোভক সংগঠিত ৰূপ দিবলৈ নক্সালপন্থীসকলে চেষ্টা কৰা সময়ছোৱাত অমিতাভ বচ্চনে এনে কেতবোৰ ছবিত অভিনয় কৰিলে, যিসমূহ ছবিয়ে জনগণৰ সকলো ক্ষোভ প্ৰসমন কৰাৰ দায়িত্ব একোজন সব্যসাচীস্বৰূপ নায়কক অৰ্পণ কৰিলে। কেতিয়াবা শ্ৰমিক, কেতিয়াবা কৃষক, কেতিয়াবা নিবনুৱা যুৱকৰ ৰূপত অভিনয় কৰা

অমিতাভ বচ্চনে এই চলচ্চিত্ৰসমূহত জনগণৰ বিভিন্ন ক্ষোভক যথাৰ্থ ৰূপত চিত্ৰিত কৰোবাই শেষত নিজেই ত্ৰাণকৰ্তাৰ ভূমিকা পালন কৰিলে। সদৌ শেষত আকৌ এনে ছবিসমূহৰ নায়কে দুষ্টক দমন কৰি, 'কানুন মত তোড়, কানুন কা হাত বহুত লম্বা হ্যায়' জাতীয় ধ্বনি দি পুলিচৰ ওচৰত আত্মসমৰ্পণ কৰি, জেল ভাত খাই, শান্ত-শিষ্ট ল'ৰাৰ দৰে সুখী জীৱনলৈ ঘূৰি অহা দেখা যায়। এনে চিন্তা-চৰ্চাৰ ৰূপ সহজে অনুমান কৰিব পাৰি। জনগণৰ ক্ষোভ যাতে বিক্ষোভত পৰিণত নহয়, তাৰ বাবেই প্ৰচলিত ব্যৱস্থাৰ বিপৰীতে ব্যক্তি বিশেষক খলনায়ক সজাই, স্থিতাৱস্থাৰ লগত আপোচ কৰোৱাটোৱে এনে চিন্তাৰ গুঢ়াৰ্থ। হিন্দী চলচ্চিত্ৰত এইদৰে প্ৰকাশিত স্থিতাৱস্থাবাদী চিন্তা-চৰ্চাৰ আঁৰত যে শাসকশ্ৰেণীৰ প্ৰভাৱ আছে সেই কথা একপ্ৰকাৰ স্পষ্ট।

পৰৱৰ্তী পৰ্যায়ত বিশ্ব সাম্ৰাজ্যবাদী শক্তিৰ নুমলীয়া ভাই হিচাপে ভাৰতীয় শাসকশ্ৰেণীয়ে পৃষ্ঠপোষকতা কৰা, তথাকথিত বিশ্বায়ন প্ৰক্ৰিয়াৰ প্ৰভাৱৰ কথাও প্ৰসংগক্ৰমে আহি পৰে। সাম্ৰাজ্যবাদী শক্তিৰ শোষণ প্ৰক্ৰিয়াৰ আধাৰ হিচাপে পৰিগণিত বিশ্বায়ন প্ৰক্ৰিয়াই ইতিপূৰ্বে দেশীয় অৰ্থনীতিত কেনে প্ৰভাৱ পেলাইছে, তাক সচেতন ব্যক্তি মাত্ৰেই অৱগত। এই বিশ্বায়ন প্ৰক্ৰিয়াৰে এটি মানস সন্তান হ'ল ভোগবাদ। বিশ্বায়নৰ পৃষ্ঠপোষক হিচাপে ভাৰতীয় শাসকশ্ৰেণীয়ে ভোগবাদী চিন্তা-চৰ্চাৰো প্ৰসাৰ প্ৰচাৰৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিছে। স্বাভাৱিকভাৱেই ইয়াৰ বাবে মাধ্যম হিচাপে হিন্দী চলচ্চিত্ৰক ব্যাপক হাৰত ব্যৱহাৰ কৰা হৈছে। হিন্দী চলচ্চিত্ৰৰ এসময়ৰ শ্লো'গান ৰুটি, কাপড়া ঔৰ মকান হঠাৎ 'খাও, পিউ ম'জ কৰ'লৈ ৰূপান্তৰিত হোৱাটোৱেই ইয়াৰ প্ৰমাণ। হিন্দী চলচ্চিত্ৰত চিত্ৰায়িত কৰা, উচ্চবিত্ত সমাজখনৰ 'গাড়ী-বাৰী-নাৰী'ৰ ভোগবাদী জীৱনযাত্ৰা, বিশাল ঘৰ, ফাৰ্ম হাউচ, বিলাসী গাড়ীৰ জগতখনে স্বাভাৱিকতে দৰ্শকৰ মনত এক স্বপ্নৰ জগত সৃষ্টি কৰিব। সেয়ে নিজৰ অজ্ঞাতে ভঁৰালৰ ধান বেচি টিকট কাটি ছবি চোৱা এজন দৰ্শকৰ মানসপটত অহৰহ এনে ভোগবাদী চিন্তাৰ পোকে কিলবিলাই থাকে। বিশুদ্ধ বিনোদন কৰিবলৈ যোৱা এজন মধ্যবিত্তৰ কথাতো সুকীয়াই। কিন্তু বাস্তৱ জীৱনত তেনে বিশাল সা-সম্পত্তি, জীৱন প্ৰণালী চলাবলৈ অসমৰ্থ এজন ব্যক্তিৰ মনত 'সবাকো মাৰি পুৰয় উহি উদৰ' জাতীয় চিন্তাৰ জন্ম হোৱাতো স্বাভাৱিক। নতুবা বাপতিসাহোন খেতিমাটিড্ৰাকে বেচি বিভিন্ন কোম্পানীৰ ভোগ্যপণ্য ক্ৰয় কৰিবলগীয়া হয়। ইয়াৰ ফলত যি সামূহিক সেৱাৰ মনোভাৱৰ দ্বাৰা আমাৰ সমাজ-ব্যৱস্থা পৰিচালিত হৈ আছে, তেনে মনোভাৱ লোপ পাবলৈ সৰহ সময় নালাগে। থলুৱা সমাজ একোখনৰ সাংস্কৃতিক মূল্যবোধ, মানৱীয়তাৰ দৰে বৈশিষ্ট্যসমূহ এনে ভোগবাদী চিন্তাৰ কবলত গভীৰভাৱে আক্ৰান্ত হয়। বহাগ বিহুৰ সময়তো বিহু ৰুঁৱলি নামাৰি ঘৰতে চি ডি চাই থকা, ওচৰ-চুবুৰীয়া মৰিলেও 'চিনেমা' শেষ নোহোৱালৈকে খবৰ কৰিবলৈ নোযোৱাৰ দৰে মানসিকতা যে ভোগবাদী চিন্তাৰে ফচল তাক হয়তো দুনাই ক'ব নালাগে। সমাজ-জীৱনত ভোগবাদী চিন্তা-চৰ্চাৰ ব্যাপকতা বৃদ্ধি কৰাৰ ক্ষেত্ৰত হিন্দী চলচ্চিত্ৰৰ সুদূৰপ্ৰসাৰী প্ৰভাৱৰ কথা, আমাৰ চৌপাশৰ সমাজখনৰ পৰাই অহৰহ তুলি ধৰিব পৰা যায়।

অৱশ্যে মুম্বাইকেন্দ্রিক হিন্দী চলচ্চিত্র জগতখনত মাজে-সময়ে এনে এচাম চলচ্চিত্র পৰিচালক আৰু ছবিৰ সৃষ্টি হৈছে, যাৰ সামাজিক দায়বদ্ধতা, শিল্প চেতনা, তথা নান্দনিক মূল্যবোধ অতি উচ্চখাপৰ। শ্যাম বেনেগাল, এম এছ স্যাথু, অৰুণ কৌল, সুবীৰ মিশ্ৰ, কুমাৰ সাহনী, মণি কৌল, কেতন মেহতা, চৈয়দ মির্জা, বাসু চেটার্জী, প্ৰকাশ ঝা, গোবিন্দ নিহালিনীৰ দৰে মননশীল চলচ্চিত্র পৰিচালকসকলে যথেষ্ট গুৰুত্বপূৰ্ণ হিন্দী ছবি নিৰ্মাণ কৰিছে। কিন্তু অতি পৰিতাপৰ কথা এয়ে যে এনেধৰণৰ হিন্দী চলচ্চিত্রসমূহ সাধাৰণ দৰ্শক, চিত্রগৃহৰ পৰা বহুযোজন দূৰত থাকে। 'সমান্তৰাল' 'আৰ্ট' আদি আখ্যাৰে আখ্যায়িত কৰি এনে ছবিসমূহৰ প্ৰদৰ্শনী, আলোচনা-চৰ্চা, চলচ্চিত্র মহোৎসৱ, বুদ্ধিজীৱীৰ আলোচনা আদিতে সীমাবদ্ধ কৰি ৰখা হয়। এনে চলচ্চিত্রক ব্যাপকসংখ্যক দৰ্শকৰ মাজলৈ লৈ যাবৰ বাবেই সৃষ্টি হোৱা 'ফিল্ম ছ'চাইটি' আন্দোলনৰ গতি আজি হয় ব্যাহত নতুবা নিৰ্দিষ্ট সাংস্কৃতিক পৰিমণ্ডলতে আবদ্ধ। তদুপৰি শেহতীয়াভাৱে এনে চলচ্চিত্র পৰিচালকসকলো হিন্দী চলচ্চিত্রৰ সৰ্বগ্ৰাসী প্ৰভাৱতে নিমজ্জিত হ'বলগা ঘটনা তাৎপৰ্যপূৰ্ণ। গোবিন্দ নিহালিনী, প্ৰকাশ ঝা, কেতন মেহতাৰ দৰে চলচ্চিত্র পৰিচালকসকলৰ শেহতীয়া কৰ্মৰাজিয়েই ইয়াৰ উৎকৃষ্ট প্ৰমাণ।

এনে প্ৰেক্ষাপটতে হিন্দী চলচ্চিত্র আজি থলুৱা বাইজৰ জাতি-জনগোষ্ঠী, জাতিসত্তাসমূহৰ জাতীয় কৃষ্টি, ভাষা, পৰম্পৰাৰ বাবে এক গভীৰ প্ৰত্যাহ্বান হৈ পৰিছে। সামন্তীয় মূল্যবোধ, স্থিতাৱস্থাবাদী চিন্তাধাৰা জনগোষ্ঠী, জাতিসত্তাসমূহৰ জাতীয় কৃষ্টি, ভাষা, পৰম্পৰাৰ বাবে এক গভীৰ প্ৰত্যাহ্বান হৈ পৰিছে। সামন্তীয় মূল্যবোধ, স্থিতাৱস্থাবাদী ধ্যান-ধাৰণা, ভোগবাদী চিন্তা-চৰ্চাৰ ধাৰক-বাহক হিচাপে, হিন্দী চলচ্চিত্রই আজিৰ তাৰিখত জাতীয় সংস্কৃতিৰ বাবে দুষ্কৃতিৰ পোহাৰ মেলা মাধ্যমলৈ ৰূপান্তৰিত হৈছে। তদুপৰি শাসকশ্ৰেণীৰ হিন্দু-হিন্দী আধিপত্যবাদৰ ব্যাপক প্ৰচাৰযন্ত্ৰত পৰিণত হোৱা হিন্দী চলচ্চিত্র সাংস্কৃতিক আগ্ৰাসনৰো আহিলা হিচাপে পৰিগণিত হৈছে। চলচ্চিত্র গৃহত প্ৰদৰ্শিত ৰূপতেই হওক বা বিভিন্ন ইলেকট্ৰ'নিক মাধ্যমৰ যোগেদি প্ৰচাৰিত ৰূপতেই হওক, হিন্দী চলচ্চিত্রই এক সাংস্কৃতিক অক্টোপাছৰ লেখীয়াকৈ আমাৰ সমগ্ৰ সমাজ-জীৱনক গ্ৰাস কৰিবলৈ আগবাঢ়ি আহিছে। কাজেই, জাতীয় সাংস্কৃতিক সংগ্ৰামখনৰ বৃহত্তৰ স্বাৰ্থৰ বাবেই আজিৰ তাৰিখত বোম্বাই-মাৰ্কা হিন্দী চলচ্চিত্রৰ প্ৰকৃত ৰূপ জনগণৰ সন্মুখত উন্মোচন কৰিব লাগিব। হিন্দী চলচ্চিত্রৰ যি বাৰুণী সুৰাৰ ৰাগী লাগি থলুৱা সমাজ এখনৰ একাংশই উৰ্দ্ধবাহু নৃত্য কৰি স্বকীয় কলা-কৃষ্টি, সংস্কৃতিৰ প্ৰতি বুঢ়া আঙুলি দেখুৱাইছে, তেওঁলোকসকলো আত্ম-সমালোচনাৰ মাধ্যমেৰে জাতীয় সাংস্কৃতিক সংগ্ৰামত ব্ৰতী কৰাব লাগিব। যি চাম যুৱ-ছাত্ৰই আজি হিন্দী চলচ্চিত্রৰ ৰঙীণ পৃথিৱীত আত্মবিভোৰ হৈ নিজৰ অজানিতে সামন্তীয় মূল্যবোধ আৰু ভোগবাদকে জীৱনৰ সৰ্বস্ব হিচাপে জ্ঞান কৰি আত্মৱৰ্তিত মগ্ন হৈ পৰিছে, সেই সকলকো জাতীয় সাংস্কৃতিক সংগ্ৰামৰ সেন্দুৰীয়া আলি দেখুৱাই দিয়াৰ দায়িত্ব থলুৱা সাংস্কৃতিক সমাজখনে ল'ব লাগিব।

অৱশ্যে দুষ্কৃতিৰ বিৰুদ্ধে সংস্কৃতিৰ যুঁজখন পৰিচালনা কৰিবৰ বাবে আমাক এক

স্বকীয় মতাদৰ্শ লাগিব। বন্দুক, বাৰুদ, ডাবি-ধমকি, ভয়-ভীতিৰ পৰিবৰ্তে জাতীয় সাংস্কৃতিক উপাদানসমূহৰ কৰ্ষণ আৰু চৰ্চাৰ মাজেৰে দুষ্কৃতিৰ বিৰুদ্ধে সংস্কৃতিৰ পাঞ্চজন্যত লহৰ সৃষ্টি কৰিব লাগিব। সেই তাহানিতে শংকৰদেৱ, জ্যোতিপ্ৰসাদ, বিষ্ণুপ্ৰসাদ ৰাভাই আমাক সংস্কৃতিৰ যুঁজখনৰ আহিলা-পাতি আমাক যোগাই থৈ গৈছে। জ্যোতিপ্ৰসাদৰ জোনাকী বাটেৰে, বিষ্ণুৰাভাৰ সংগ্ৰামী চিন্তৰে পদচালনা কৰিয়েই জাতীয় সাংস্কৃতিক সংগ্ৰামখনক যাউতিযুগীয়া ৰূপ দিব পৰা যাব। থলুৱা গীত-মাত, লোকগাথা, জাতীয় জীৱনৰ সংঘাতময়, সংগ্ৰামী অভিজ্ঞতাৰ আধাৰত আধুনিক প্ৰযুক্তিবিদ্যাৰ কলাসুলভ ব্যৱহাৰ কৰি, জাতীয় কৃষ্টিৰ এনে কিছু ফচল সৃষ্টি কৰিব লাগিব, যি প্ৰকৃতাৰ্থত হিন্দী চলচ্চিত্ৰৰ দৰে দুষ্কৃতিসুলভ মাধ্যমসমূহক প্ৰত্যাহ্বান জনাব পাৰিব। আজিৰ তাৰিখত জাতীয় সাংস্কৃতিক সংগ্ৰামৰ স্বাৰ্থত ইয়েই আমাৰ সকলোৰে বাবে এক ঐতিহাসিক দায়িত্ব হিচাপে বিবেচিত হৈছে।

পূৰ্বপ্ৰকাশ ঃ আজি, ২০ নৱেম্বৰ/২০০৩

২১ জাতীয় জীৱনৰ সংঘাত আৰু সাহিত্য সভা

এটা জাতিৰ জাতীয়সত্তা পৰিস্ফুট হৈ উঠে সেই জাতিৰ অৰ্থনীতি, ৰাজনীতি, সাহিত্য-সংস্কৃতি আদি দিশসমূহৰ মাজেৰে। জাতিৰ জাতীয়সত্তাৰ প্ৰাণৱন্ত ৰূপ, গতিশীলতা নিৰ্ভৰ কৰে সেই জাতিটোৰ সংশ্লিষ্ট জাতীয় অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ কৰ্মকুশলতা, সমাজ-জীৱন সন্দৰ্ভত সুস্পষ্ট ইতিবাচক ভূমিকা তথা যথাৰ্থ কৰ্মসূচীৰ ওপৰত। সাম্প্ৰতিক সময়ত অসম নামৰ ভূ-খণ্ডত বসবাস কৰা অসমীয়াকে আদি কৰি নানা খিলঞ্জীয়া আৰু থলুৱা জাতি-জনগোষ্ঠীসমূহৰ সামগ্ৰিক বিকাশৰ বাবে অসম সাহিত্য সভাৰ লেখীয়া জাতীয় অনুষ্ঠানসমূহৰ ভূমিকা যথেষ্ট বিচাৰ্যৰ বিষয় হৈ পৰিছে। এই কথা স্পষ্ট যে বহু আৰ্থ-সামাজিক আৰু ৰাজনৈতিক কাৰকৰ বাবে অসমৰ সমাজ-জীৱন ভালেকেইটা দিশৰ পৰা বিপৰ্যস্ত হৈ পৰিছে। দীৰ্ঘদিনৰ অৰ্থনৈতিক বঞ্চনা, আৰ্থ-সামাজিক পশ্চাদপদৰ ফলত অসমৰ যাউতিযুগীয়া সমাজ-জীৱনত নানা প্ৰশ্ন-প্ৰতিপ্ৰশ্নৰ উদয় হৈছে। ফলত সামগ্ৰিকভাৱে অসমৰ জাতীয় জীৱনলৈ সন্দেহ আৰু সংশয়ৰ প্ৰচ্ছায়া নামি আহিছে। বৃহত্তৰ অসমীয়া জাতিৰ ধাৰণাৰ পৰিবৰ্তে আজি ক্ষুদ্ৰ পৰিসৰত গোষ্ঠীবাদ, সম্প্ৰদায়গত চিন্তা-চৰ্চাই ব্যাপক হাৰত গা কৰি উঠা দেখা গৈছে। এনেক্ষেত্ৰত বৃহত্তৰ জাতীয় জীৱনৰ স্বাৰ্থজড়িত কেতবোৰ প্ৰসংগৰ নিৰ্মোহ বিশ্লেষণ কৰাৰ প্ৰয়োজনীয়তা আছে।

অসমৰ সমাজ-জীৱনৰ এক ঐতিহাসিক ক্ৰান্তিলগ্নত, ভাবাকেন্দ্ৰিক চিন্তা-চৰ্চা জাগ্ৰত হৈছিল। ঊনবিংশ শতিকাৰ মাজভাগৰে পৰা শাসক ইংৰাজ আৰু একাংশ অনা-

অসমীয়া আমোলাৰ কু-চক্ৰান্তৰ ফলত অসমীয়া ভাষা গৃহভূমিতে অপসাৰিত হ'বলগাত পৰিছিল। স্বাভাৱিকভাৱেই সেই সময়ৰ অসমত শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ মাজত ই ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। জাতীয় ভাষা হিচাপে অসমীয়া ভাষাক প্ৰতিষ্ঠাৰ বাবে সমসাময়িক অসমীয়া মধ্যশ্ৰেণীয়ে এক দীৰ্ঘদিনীয়া সংগ্ৰামৰ সূচনা কৰিবলগা হ'ল। ১৮৭২ চনত অসমীয়া ভাষাক স্ব-স্থানত সসন্মানে প্ৰতিষ্ঠা কৰা হ'ল যদিও ভাষাৰ প্ৰাণ প্ৰতিষ্ঠাৰ সংগ্ৰাম অব্যাহত থাকিল। ১৮৮৯ চনত 'জোনাকী'ৰ জন্ম বা 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ জন্মৰ আঁৰত এনেধৰণৰ চিন্তা-চৰ্চাৰে ব্যাপক প্ৰভাৱ পৰিছিল। বিংশ শতিকাৰ প্ৰথম কালছোৱাত অসমীয়া ভাষাক নিত্য-নতুন চিন্তা-চৰ্চাৰে সমৃদ্ধিশালী কৰা তথা ইয়াৰ ব্যাপক প্ৰসাৰ তথা প্ৰচাৰৰ প্ৰক্ৰিয়া তীব্ৰভাৱে চলি থাকিল। ১৯১৭ চনৰ ২৭ ডিচেম্বৰৰ দিনাখন, পদ্মনাথ গোহাঞি বৰুৱাৰ সভাপতিত্বত জন্মগ্ৰহণ কৰা 'আসাম সাহিত্য সম্মিলন' এনে চিন্তা-চৰ্চাৰ সাৰ্থক সন্তান। পৰৱৰ্তী সময়ত 'আসাম সাহিত্য সভা' (১৯২৪) হিচাপে চিহ্নিত আৰু ১৯৪৪ চনত 'অসম সাহিত্য সভা' হিচাপে পৰিগণিত হোৱা জাতীয় জীৱনৰ এই বিশাল মহীৰুহৰ আঁৰত ভাষাকেন্দ্ৰিক চিন্তা-চৰ্চাই যে সক্ৰিয় হৈ আছিল, তাক কোৱাটো বাহুল্য মাথোঁ। কাজেই জন্মলগ্নৰে পৰা 'অসম সাহিত্য সভা' অসমীয়া জাতীয়তাবাদৰ অন্যতম ধাৰক-বাহক হিচাপে পৰিগণিত হৈছে। নক'লেও চলে যে যি জাতীয়তাবাদী চিন্তা-চৰ্চাৰ দ্বাৰা অসমৰ সমাজ-জীৱন ব্যাপকভাৱে প্ৰভাৱান্বিত, সেই চিন্তা-চৰ্চাৰ বাবে অসম সাহিত্য সভা আজি স্ব-গৰিমাৰে সমুজ্জ্বল হৈ উঠিছে।

স্বৰাজোত্তৰ কালছোৱাত অসমৰ সমাজ-জীৱনত ভালেকেইটা গুৰুত্বপূৰ্ণ পৰিৱৰ্তন ঘটিল। ১৯৫৬ চনৰ ভাষাৰ ভিত্তিত, ৰাজ্য পুনৰ গঠন প্ৰক্ৰিয়াৰ অংশ হিচাপেই অসমীয়া ভাষাক কেন্দ্ৰ কৰি অসম গঠন কৰা হ'ল। নৱলব্ধ স্বাধীনতাৰ স্বপ্ন আৰু ইয়াক বাস্তৱায়িত কৰাৰ দুৰ্বাৰ মোহে অসমৰ মধ্যশ্ৰেণীক ব্যাপক হাৰত সন্মোহিত কৰি ৰাখিছিল। কাজেই সেই সময়ৰ নেতৃত্বকাৰী অসমীয়া মধ্যশ্ৰেণীয়ে ৰাজ্যখনৰ সৰ্বাংগীন আৰ্থ-সামাজিক বিকাশৰ প্ৰশ্নক প্ৰায় এলাগী কৰি থৈ জাতীয় ভাষা হিচাপে অসমীয়া ভাষাক প্ৰতিষ্ঠা কৰাৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল। সভাৰ এগৰাকী প্ৰাক্তন সভাপতি তথা অসমৰ সমাজ-জীৱনৰ আনুপুংখ খতিয়ান ৰাখোঁতা বেণুধৰ শৰ্মাৰ মতামত— 'অসম সাহিত্য সভাৰ নাম অসমীয়া নহয় অসমহে' জাতীয় সতৰ্কবাণী নেওচি, অসমীয়া মধ্যশ্ৰেণীয়ে, 'অসমীয়াকৰণ' বা 'জাহ যোৱা' প্ৰক্ৰিয়াৰ সূচনা কৰিছিল। অসমত বসবাস কৰা বিকাশমান জাতি বড়ো, খাছি, গাৰোসকলৰ মতামত গ্ৰহণ নকৰাকৈ অসমীয়া ভাষাক ৰাজ্য ভাষাৰ মৰ্যাদা দিবৰ বাবে প্ৰচেষ্টা চলোৱা হ'ল। ইয়াৰ বাবে এহাতে ইতিমধ্যে উত্তৰ-পূৰ্বাঞ্চলৰ সংযোগী ভাষা হিচাপে পৰিগণিত হোৱা 'অসমীয়া' ভাষাক স্বাভাৱিক বিকাশৰ পথত হেঙাৰ সৃষ্টি কৰা হ'ল আৰু আনহাতে, জাতি-জনগোষ্ঠীসমূহৰ মাজতো সংশয়ৰ ভাব উদ্ৰেক কৰা হ'ল। ১৯৬০ চনৰ ৰাজ্য ভাষা আন্দোলনৰ পৰৱৰ্তী সময়ছোৱাত জন্মলাভ কৰা 'মেঘালয়' আদি ৰাজ্য আৰু 'উদয়াচল' ৰাজ্যৰ দাবীৰে বড়োলেণ্ড হৈ বড়োলেণ্ড স্বায়ত্তশাসিত পৰিষদ— এই সমগ্ৰ প্ৰক্ৰিয়া ইয়াৰ

উল্লেখযোগ্য নমুনা। অৱশ্যে, এনে প্ৰক্ৰিয়াৰ আঁৰত ভাৰতবৰ্ষৰ শাসকশ্ৰেণীৰ অতি সূক্ষ্ম ৰূপত থকা হিন্দু-হিন্দী সম্প্ৰসাৰণবাদৰ ভূমিকা তথা একাংশ খ্ৰীষ্টান মিছনেৰীৰ প্ৰভাৱৰ কথাও উল্লেখযোগ্য। ৰাজ্য ভাষা আন্দোলনত অসমৰ মধ্যশ্ৰেণীৰ শাসকগোষ্ঠী আৰু অসম সাহিত্য সভাৰ লেখীয়া জাতীয় অনুষ্ঠানৰ ক্ষণস্থায়ী সিদ্ধান্তমূলক প্ৰভাৱৰ বাবেই যে উত্তৰ-পূৰ্বাঞ্চলত অসমীয়া ভাষাৰ স্বাভাৱিক বিকাশৰ পথ ৰুদ্ধ হৈ গ'ল, যি আজি বাস্তৱৰ নগ্ন সত্য। অসমীয়া মধ্যশ্ৰেণীৰ শাসক আৰু অসম সাহিত্য সভাৰ লেখীয়া জাতীয় অনুষ্ঠানে উলিয়াই দিয়া সুৰুঙাৰে হিন্দু-হিন্দী সম্প্ৰসাৰণবাদী শক্তিয়ে উত্তৰ-পূৰ্বাঞ্চলত নিজৰ স্থিতি শক্তিশালী কৰি ল'লে। শাসকগোষ্ঠীৰ কৃপাদৃষ্টিত যি আজি গোজেই গজালি হৈ পৰিল। ঠিক সেইদৰে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ থলুৱা জাতি-জনগোষ্ঠীৰ স্বকীয় ভাষা-সংস্কৃতি বিকাশৰ প্ৰশ্নতো অসম সাহিত্য সভাৰ ভূমিকা চাবলগীয়া। এটা কথা ঠিক যে অসম সাহিত্য সভাই এনে জাতি-জনগোষ্ঠীৰ সন্দৰ্ভত নানাধৰণৰ উৎকৃষ্ট গ্ৰন্থ প্ৰকাশ কৰিছে। জনগোষ্ঠীয় বহুকেইজন সাহিত্যিকক সভাপতিৰ দৰে সন্মানজনক আসনত অধিষ্ঠিত কৰিছে। কিন্তু জাতি-জনগোষ্ঠীসমূহৰ কেতবোৰ গুৰুত্বপূৰ্ণ প্ৰশ্নত সাহিত্য সভাই সুস্পষ্ট নীতি-নিৰ্দেশনা দাঙি ধৰিব পৰা নাই। উদাহৰণস্বৰূপে, লিপি সংক্ৰান্তীয় চিন্তা-চৰ্চাৰ কথাকে ক'ব পৰা যায়। এটা সময় আছিল, যেতিয়া অসমৰ বড়ো, কাৰ্বি, ডিমাছা আদি বিকাশমান জাতি-জনগোষ্ঠীসমূহে স্বকীয় ভাষাৰ বিকাশৰ বাবে 'অসমীয়া লিপি' ব্যৱহাৰ কৰিছিল। কিন্তু এই জনগোষ্ঠীসমূহৰ জাতীয় প্ৰশ্নসমূহৰ মাৰ্গ নিৰ্ণয়ৰ সন্ধিকালত সাহিত্য সভাই গ্ৰহণ কৰা অদূৰদৰ্শী কাৰ্য-ব্যৱস্থাৰ বাবে জনগোষ্ঠীসমূহে 'দেৱনাগৰী' বা 'ৰোমান লিপি' গ্ৰহণ কৰিবলগা হ'ল। অসমৰ অতি প্ৰাচীন ঐতিহ্যৰে সমৃদ্ধিশালী ডিমাছা-কছাৰীসকলৰ কথাকে নমুনা হিচাপে তুলি ধৰিব পাৰি। অসমীয়া ভাষা বহু পৰিমাণে ডিমাছা, কছাৰীসকলৰ ওচৰত ঋণী। অসমীয়া ভাষা উদ্ভৱ আৰু বিকাশৰ ইতিহাসত ডিমাছা-কচাৰীসকলৰ 'ধনশিৰি উপত্যকাৰ সভ্যতা'ৰ গুৰুত্বপূৰ্ণ প্ৰভাৱ আছে। ডিমাছা-কছাৰীসকলে প্ৰাচীন শিলালিপিত ব্যৱহাৰ কৰা 'ৰ' ব্যঞ্জন বৰ্ণটো পোনপটীয়াভাৱে অসমীয়া ভাষাত ব্যৱহাৰ কৰা হৈছে। ডিমাছা-কছাৰীসকলৰ অন্যতম ত্ৰিপুৰাই কছাৰীসকলৰ বুৰঞ্জী 'ৰাজমালা'ৰ ভাষা আৰু প্ৰাচীন অসমীয়া সাহিত্যৰ ভাষা সাদৃশ্য মন কৰিবলগীয়া। এনেবোৰ ঐতিহাসিক সাক্ষ্য প্ৰমাণ তথা পৰম্পৰা থকা সত্ত্বেও কিন্তু ডিমাছা ভাষা-সাহিত্যৰ বিকাশত অসম সাহিত্য সভাৰ বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা নাই। অসমৰ মধ্যশ্ৰেণীৰ শাসকবৰ্গ যেনেদৰে ডিমাছা-কছাৰীসকলৰ মাজত আধুনিক শিক্ষা বিস্তাৰ কৰাৰ ক্ষেত্ৰত ব্যৰ্থ, তেনেদৰে ডিমাছা ভাষা-সাহিত্য বিকাশৰ ক্ষেত্ৰত অসম সাহিত্য সভা চূড়ান্তভাৱে কৃপণ। সেয়ে হয়তো ডিমাছা-কছাৰীসকলৰ মাজত আজি ডিমাছা লিৰিডেম মেল (ডিমাছা সাহিত্য সভা)ৰ প্ৰাসংগিকতা বৃদ্ধি পাইছে। ইয়াত ব্যৱহাৰ হোৱা 'মেল' শব্দটো অন্যতম উদাহৰণ। আজি ডিমাছা লিৰিডেম মেল-এ ৰোমান লিপি ব্যৱহাৰ কৰিছে। এই সিদ্ধান্ত কিমান যুক্তিযুক্ত তাক ডিমাছা ৰাইজে ভাবি চোৱাৰ লেখীয়াকৈ অসম সাহিত্য সভায়ো বিবেচনা কৰক। অসমৰ আন এক বৰ্ণাঢ্য

জনগোষ্ঠী কার্বিসকলৰ ক্ষেত্ৰতো এনে উদাহৰণ দেখা যায়। তেনেদৰে ভূমিপুত্ৰ তিৱাসকলে ‘তিৱা মাথ্ৰন লাই’ৰ যোগেদি উত্থাপন কৰা প্ৰশ্নসমূহ বা ‘মিচিং বানে কেবাং’-এ উত্থাপন কৰা প্ৰসংগসমূহো অসম সাহিত্য সভাই ইতিবাচক দৃষ্টিভংগীৰে বিবেচনা কৰি চাব লাগিব। বৃহত্তৰ অসমীয়া জাতীয় জীৱনৰ স্বাৰ্থত অসমত বসবাস কৰা সকলো জাতি-জনগোষ্ঠীৰ ভাষা-সাহিত্য সামগ্ৰিক বিকাশৰ প্ৰশ্নটোক গুৰুত্ব সহকাৰে বিবেচনা কৰিব লাগিব। নহ’লে মুষ্টিমেয় দুই-এজন সাহিত্যিক-বুদ্ধিজীৱীৰ উপস্থিতিৰে ‘সমন্বয় সভা’, ‘সংহতি মেল’ অনুষ্ঠিত কৰি থাকিলে, সি ফলপ্ৰসূ নহ’ব। অৱশ্যে তাৰ বাবে আমাৰ দৃষ্টিভংগীৰো পৰিবৰ্তন কৰিব লাগিব। লুইতৰ জান-জুৰিবোৰ ফেনে-ফুটুকাৰে বাঢ়ি আহিলে লুইত আপোনা-আপুনি বাঢ়ি উঠিব, জাতীয় প্ৰচলিত দৃষ্টিভংগীৰ পৰিবৰ্তে, ফুলনিৰ প্ৰতিজোপা ফুল ৰমক-জমককৈ ফুলিলেহে যে ফুলনিৰ সৌন্দৰ্য বাঢ়ে— তেনে দৃষ্টিভংগীৰে পৰিচালিত হোৱাৰ সময় সমাগত। অন্যথা লুইতৰ বাঢ়নী পানীয়ে ফুলনিডৰাকে যে মহটিয়াই লৈ যাব, সি ধ্ৰুৱ।

প্ৰসংগক্ৰমে অসমৰ সমাজ-জীৱনক নিজস্ব চহকী পৰম্পৰাৰে সমৃদ্ধ কৰা, প্ৰব্ৰজিত জনসম্প্ৰদায়ৰ প্ৰতিও অসম সাহিত্য সভাই সুদূৰপ্ৰসাৰী দৃষ্টিভংগীৰে প্ৰায়োগিক কৰ্মসূচী গ্ৰহণ কৰাৰ প্ৰয়োজন আছে। ঊনবিংশ শতিকাতে সাম্ৰাজ্যবাদী ব্ৰিটিছ শক্তিৰ পৃষ্ঠপোষকতাত অসমলৈ প্ৰব্ৰজন কৰা তথা অসমৰ কৃষি বাগিচা অৰ্থনীতি সমৃদ্ধিশালী কৰা ‘চাহ জনগোষ্ঠী’ৰ কথাকে ক’ব পৰা যায়। শতিকাজোৰা শ্ৰমৰ অৱদানেৰে অসমৰ অৰ্থনীতি টনকিয়াল কৰা এই জনসম্প্ৰদায়টো অদ্যাপি শৈক্ষিক তথা অন্যান্য ক্ষেত্ৰত পিছপৰা। যদিও এই সম্প্ৰদায়ৰ মাজৰ পৰা একাধিক অসমীয়া ভাষা-সাহিত্যৰ একনিষ্ঠ সেৱক, বুদ্ধিজীৱী, ৰাজনীতিবিদ ওলাইছে, তথাপি সামগ্ৰিকভাৱে জনসম্প্ৰদায়টো শৈক্ষিক-সামাজিক ক্ষেত্ৰত অনগ্ৰসৰ অৱস্থাতে আছে। অথচ জনসম্প্ৰদায়টোৰ মাজত যোগসূত্ৰকাৰী ভাষা হিচাপে প্ৰচলিত ‘চাদ্ৰী’ ভাষা, নানা লোককথা, কাহিনী, সামাজিক পৰম্পৰাৰে সমৃদ্ধ। কাজেই এহাতে এই জনসম্প্ৰদায়টোৰ মাজত এক উন্নত শৈক্ষিক পৰিৱেশ সৃষ্টি কৰিবৰ বাবে শাসকশ্ৰেণীক বাধ্য কৰোৱা আৰু আনহাতে, চাদ্ৰী ভাষাকেন্দ্ৰিক লোক-পৰম্পৰাৰ সংৰক্ষণ তথা প্ৰচলন ব্যৱস্থা কৰাৰ প্ৰয়োজনীয়তা আছে। এই উভয় দিশতে জনসম্প্ৰদায়টোৰ শৈক্ষিক-বৌদ্ধিক বিকাশৰ বাবে সাহিত্য সভাই এলানি কৰ্মসূচী গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তা আছে। ঠিক সেইদৰে তথাকথিত শিক্ষিত শ্ৰেণীটোৰ মাজতো এই জনসম্প্ৰদায়ৰ লোকক ‘কুলী’ বুলি তুচ্ছাৰ্থক ব্যৱহাৰ কৰাৰ যি মানসিকতা আছে, তাক পৰিহাৰ কৰি জনসম্প্ৰদায়টোক যথাৰ্থ নামকৰণ কৰাৰ বাবে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰাৰো যুক্তিযুক্ততা আছে।

অৱশ্যে, অসমলৈ প্ৰব্ৰজন কৰা আন এক বিশাল জনসমষ্টি ইছলামধৰ্মী সম্প্ৰদায়ৰ প্ৰতি অসম সাহিত্য সভাই শেহতীয়াভাৱে দৃষ্টিভংগীগত পৰিবৰ্তন গ্ৰহণ কৰাৰ পদক্ষেপ দেখা গৈছে। ই যথাৰ্থভাৱে সময়োপযোগী আৰু আশাব্যঞ্জক পদক্ষেপ। ঊনবিংশ শতিকাৰ শেহৰ দশক আৰু বিংশ শতিকাৰ প্ৰথমছোৱাত অবিভক্ত ভাৰতবৰ্ষৰ বংগৰ পৰা প্ৰব্ৰজন কৰা এই ইছলামধৰ্মী জনসম্প্ৰদায়টোৱে অসমৰ গ্ৰাম্য অৰ্থনীতি তৃণমূল

পৰ্যায়ত চহকী কৰাৰ নজিৰ আছে। অসমীয়া ভাষাক নিজৰ বুলি গ্ৰহণ কৰা, অসমৰ মাটিকে আপোন কৰি লোৱা এই জনসম্প্ৰদায়টোৱে ত্ৰিশৰ দশকতে অসমীয়া ভাষাক শিক্ষাৰ মাধ্যম হিচাপে গ্ৰহণ কৰাৰ সাক্ষ্য আছে। আজিও তথাকথিত অসমীয়া বুদ্ধিজীবীৰ সন্তান, মধ্যবিত্তৰ পুত্ৰ-কন্যাই ইংৰাজী মাধ্যমৰ মোহত মোহগ্ৰস্ত হৈ থকা অৱস্থাত, এই জনসম্প্ৰদায়ৰ মাজত 'জাতীয় বিদ্যালয়'-এ এক আন্দোলনৰ পৰ্যায় লাভ কৰিছে। কিন্তু তৎসত্বেও, আমাৰ কোনো কোনো চিন্তাবিদৰ উগ্ৰজাতীয়তাবাদীৰ চিন্তাৰে 'মিঞাখেদা আন্দোলন'ৰ সৃষ্টি হয়। কোনো হিন্দুত্ববাদী, সাম্প্ৰদায়িক পক্ষপাতদুষ্ট বুদ্ধিজীবীৰ প্ৰৰোচনাত এই জনসম্প্ৰদায়ৰ প্ৰতি 'বিদেশী', 'বাংলাদেশী', 'আই এছ আইৰ এজেন্ট' আদি অভিধা নিক্ষেপ কৰা হয়। ফলত নিজকে বৃহত্তৰ অসমীয়া জাতীয় জীৱনৰ অংশীদাৰ হিচাপে গৌৰৱবোধ কৰা, এই জনসম্প্ৰদায়ৰ প্ৰতি বাৰে বাৰে সন্দেহ আৰু সংশয়ৰ প্ৰচ্ছায়া নমাই অনা হয়। এনেক্ষেত্ৰত কলগাছিয়া, হোজাই আদি স্থানত অধিৱেশন অনুষ্ঠিত কৰি অসম সাহিত্য সভাই এই জনসম্প্ৰদায়ৰ প্ৰতি যথাৰ্থ সহানুভূতি প্ৰদৰ্শন কৰাটো নিঃসন্দেহে গুৰুত্বপূৰ্ণ বিষয়। এনে অধিৱেশনসমূহত ইছলামধৰ্মী জনসম্প্ৰদায়টোৰ সকলো শ্ৰেণীৰ লোকৰ স্বতঃস্ফূৰ্ত যোগদান এক ইতিবাচক দিশ হিচাপেই বিবেচিত হ'ব। অৱশ্যে এই জনসম্প্ৰদায়ৰ প্ৰতি থকা উগ্ৰজাতীয়তাবাদী সাম্প্ৰদায়িক দৃষ্টিভংগীৰ পৰিৱৰ্তনৰ বাবে সভাই এলানি পদক্ষেপ গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তা আছে।

অসমৰ সমাজ-জীৱনত দেখা দিয়া এনে সন্দেহ আৰু সংশয়ৰ প্ৰেক্ষাপটত এক জাতীয় অনুষ্ঠান হিচাপে তথা অসমীয়া জাতীয়তাবাদৰ পৃষ্ঠপোষক হিচাপে অসম সাহিত্য সভাৰ ভূমিকা তাৎপৰ্যপূৰ্ণ হ'ব। ইতিহাসে এই কথা প্ৰমাণ কৰিছে যে জাতীয়তাবাদ বহুসময়ত সংকীৰ্ণতাৰে পৰিপুষ্ট হৈ উগ্ৰজাতীয়তাবাদৰ অন্ধগলিত আবদ্ধ হয়। ইয়াৰ ফলাফল হয় সুদূৰপ্ৰসাৰী। তেনেদৰে আকৌ জাতীয়তাবাদৰ সুস্থ বিকাশৰ মাজেৰে আগবাঢ়িলে ই প্ৰগতিশীল জাতীয়তাবাদৰ ৰূপ পৰিগ্ৰহ কৰে। ইয়াৰ দ্বাৰা সামগ্ৰিকভাৱে সেই প্ৰগতিশীল জাতীয়তাবাদৰ দ্বাৰা প্ৰভাৱান্বিত অঞ্চলৰ বিকাশ ত্বৰান্বিত হয়। ইতিহাসৰ এই শিক্ষাৰ ভিত্তিত অসম সাহিত্য সভায়ো অসমীয়া জাতীয়তাবাদক এক প্ৰগতিশীল চৰিত্ৰ প্ৰদান কৰিব পাৰে। যাৰ ভিত্তিত অসম ভূ-খণ্ডত জাতীয়তাবাদৰ ভিত্তিত বিজ্ঞানসম্মত সমাজবাদ প্ৰতিষ্ঠাৰ পথো সুগম হ'ব। সাম্প্ৰতিক সময়ছোৱাত নানা সংঘাতৰ দ্বাৰা জৰ্জৰিত অসমৰ সমাজ-জীৱনক গতিশীলতা প্ৰদান কৰিবৰ বাবে অসম সাহিত্য সভাই অসমীয়া জাতীয়তাবাদৰ সুষম কৰ্ষণৰ দ্বাৰা ইয়াক প্ৰগতিশীল জাতীয়তাবাদলৈ ৰূপান্তৰিত কৰিব পাৰে। আমাৰ দৃষ্টিত, সেই সাংগঠনিক শক্তি কৰ্মোদ্যোগ তথা ঐতিহ্যৰ দ্বাৰা সাহিত্য সভা সমৃদ্ধ হৈ আছে। সভাৰ বাবে মাথোঁ প্ৰয়োজন সু-সংহত কৰ্মসূচী আৰু যথাৰ্থ দৃষ্টিভংগী।

পূৰ্বপ্ৰকাশ ঃ ইত্যাদি, জনসাধাৰণ, ৮ ফেব্ৰুৱাৰী/২০০৪

২২ সৃষ্টিৰ বোৰঁতী নৈত বন্ধ্যাত্বৰ জাঁজি

সাহিত্য মানুহৰ অন্যতম সুকুমাৰ চৰ্চাৰ ফচল। সভ্যতাৰ জন্ম আৰু বিকাশৰ বিভিন্ন স্তৰত মানুহৰ সুকুমাৰ চৰ্চাৰ চানেকী হিচাপে সাহিত্যক দেখা যায়। কিংবদন্তি, লোকগাথা, পুৰাকাহিনী, লোকশ্ৰুতিৰ মাজেৰে বিকাশ লাভ কৰা সাহিত্যই আধুনিক যুগৰ ছপাযন্ত্ৰৰ মাধ্যমত জনসাধাৰণৰ মাজত বিস্তাৰ লাভ কৰিছে। কাজেই সাহিত্য হৈ পৰিছে মানব জীৱনৰ সভ্যতাৰ অন্যতম চালিকা শক্তি। আজিও মানুহে সাহিত্যৰ আশ্ৰয়ত নিজৰ জীৱন জিজ্ঞাসা গঢ়ি তুলিছে। সমাজবদ্ধ মানুহৰ সামূহিক অভিজ্ঞতা, প্ৰাত্যহিক জীৱনৰ ঘাত-প্ৰতিঘাতৰ মৰ্মস্পৰ্শী আবেদনে সাহিত্যক এক গভীৰ স্তৰত উপনীত কৰাইছে। সাহিত্যৰ আবেদনে ভৌগোলিক সীমাৰেখা অতিক্ৰম কৰিলেও নিৰ্দিষ্ট ভৌগোলিক পৰিসীমাৰ বৈশিষ্ট্যৰ পৰা সাহিত্য মুক্ত নহয়। কিয়নো নিৰ্দিষ্ট ভৌগোলিক সীমাৰেখাত বসবাস কৰা মানুহৰ সামাজিক অভিজ্ঞতা যি ভাষাৰ যোগেদি প্ৰকাশ পায়, সেই ভাষাক আশ্ৰয় কৰিলেই সেই নিৰ্দিষ্ট ভৌগোলিক এলেকাৰ সাহিত্য গঢ় লৈ উঠে। সেয়ে ভৌগোলিক এলেকা বিশেষে বিশেষ একোটা জাতিৰ জাতীয় সাহিত্য ঠন ধৰি উঠিছে। জাতীয় সাহিত্যত সংশ্লিষ্ট জাতিটোৰ আদব-কায়দা, নীতি-নিয়ম, আচাৰ-ব্যৱহাৰ পৰিস্ফুট হৈ উঠে। এই দৃষ্টিকোণৰ পৰা সকলো সাহিত্যই একধৰণৰ জাতীয় সাহিত্য।

কিন্তু প্ৰশ্ন উত্থাপন হয়, সেই জাতীয় সাহিত্যৰ কালক্ৰম চিহ্নিত কৰাৰ সময়ত। সমাজ বিকাশৰ স্তৰ অনুযায়ী পৌৰাণিক মধ্যযুগীয় আধুনিক বা উত্তৰ-আধুনিক (নে অত্যাধুনিক!) সাহিত্য বুলিলে একোখন স্পষ্ট ছবি উন্মোচিত হয় যদিও 'সমকালীন

সাহিত্য' বুলি সমকালক সূত্ৰায়ন কৰাৰ কোনো সুনিৰ্দিষ্ট সূত্ৰ নাই। সভ্যতাৰ বিশাল পৰিসৰত সকলো কালেই সমকাল। আকৌ, আধুনিক সভ্যতাৰ প্ৰেক্ষাপটত আধুনিক কালসমূহেই সমকাল হ'ব পাৰে। আধুনিক যুগত বসবাস কৰা প্ৰতিজন ব্যক্তি, সমাজ, সামাজিক ঐতিহ্য, আধুনিক মূল্যবোধ, প্ৰেক্ষাপটৰ দিশত, সমকালত বসবাস কৰে। বিংশ শতিকাৰ শেষৰফালে জন্মগ্ৰহণ কৰা ব্যক্তি এজনৰ বাবে সমগ্ৰ বিংশ শতিকাটোৱেই তেওঁৰ সমকাল হ'ব। সেইদৰে, তেনে এজন ব্যক্তি বা সমাজখন যদি মধ্যযুগীয় মূল্যবোধেৰে পৰিচালিত হয়, তেতিয়াহ'লে তেওঁৰ বাবে সমকালৰ পৰিধি বহুদূৰ অতীতলৈকে বিস্তাৰ লাভ কৰিব। আনহাতে মূল্যবোধৰ দৃষ্টিভংগীৰ ফালৰ পৰা যদি এজন ব্যক্তি বা সমাজৰ ধ্যান-ধাৰণা বহুদূৰ আগুৱাই থাকে, তেতিয়াহ'লে সেই সমাজ, ব্যক্তিৰ প্ৰেক্ষাপটত সিও সমকাল হ'ব। উদাহৰণেৰে কথাটো পৰিষ্কাৰ হোৱা ভাল। জাতীয় জীৱনৰ কীৰ্তিস্বৰূপ কীৰ্তন, নামঘোষাৰ ধ্যান-ধাৰণাৰে পৰিচালিত হৈ অসমীয়া সমাজখন মধ্যযুগৰ সমকালীন হোৱাৰ লেখীয়াকৈ বিভিন্ন কল্পবিজ্ঞান সাহিত্যৰ নিৰ্দেশনাৰে পৰিচালিত হৈ একবিংশ শতিকাৰ শেষ বা দ্বাবিংশ শতিকালৈ অসমীয়া সমাজৰ পৰিধি বিস্তাৰ হ'ব পাৰে। গতিকে আমি ভাবো যে সমকাল বিষয়বস্তুটোৱে এক আপেক্ষিক বিষয়।

সেয়ে সমকালীন সাহিত্য সন্দৰ্ভত চিন্তা-চৰ্চা কৰিবৰ বাবে কেতবোৰ 'Focal point'-ৰ আৱশ্যক হ'ব। অসমৰ প্ৰেক্ষাপটত, জাতীয় সাহিত্যৰ পৰিসৰত আমাক এনে কিছু 'Focal point'-ৰ প্ৰয়োজন হ'ব যাক কেন্দ্ৰ কৰি সমকালে আৱৰ্তন কৰি আছে। তেনে কিছু 'Focal point'-ৰ সূত্ৰায়ন আৰু সাহিত্যত তাৰ প্ৰতিফলনক সীমিত পৰিসৰত বিচাৰ-খোচাৰ কৰাই হ'ব এই নিবন্ধৰ কেন্দ্ৰীয় উদ্দেশ্য। লগতে এই কথাও স্পষ্ট কৰি লোৱাটো ভাল হ'ব যে এই পৰ্যালোচনাত সাহিত্যৰ একোটা উপৰি বিভাগৰ পৰিবৰ্তে সামগ্ৰিকভাৱে সাহিত্যৰ সৃজন-পঠন আৰু সাংগঠনিক কৰ্মকাণ্ডকো সামৰি লোৱা হ'ব।

অসমৰ আজিৰ প্ৰেক্ষাপটত দেখা যায় যে অসমবাসীৰ সামূহিক চিন্তা-চৰ্চাৰ জগতখনক কেতবোৰ প্ৰধান আৰু অপ্ৰধান দ্বন্দ্বই প্ৰবলভাৱে ক্ৰিয়া কৰি আছে। দীৰ্ঘদিনৰ ঔপনিৱেশিক শোষণ-শাসনৰ ফলত অসমৰ সমাজ বিকাশৰ ধাৰা স্তব্ধ হৈ পৰিছে। ইতিহাসৰ স্বাভাৱিক প্ৰক্ৰিয়াৰ ফলত অসমবাসীৰ আত্ম-প্ৰতিষ্ঠাৰ সংগ্ৰামখনে জাতীয় অৱদমনৰ বিৰুদ্ধে এক নতুন ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক চৰিত্ৰ অৰ্জন কৰিছে। ফলত অৱশ্যম্ভাৱীভাৱে নামি অহা ৰাষ্ট্ৰসন্ত্ৰাস আৰু অত্যাচাৰে জনজীৱন ব্যাহত কৰি তুলিছে। এইক্ষেত্ৰত অসমবাসীৰ জাতীয় আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰামখনৰ লগত ভাৰতৰাষ্ট্ৰৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক ঔপনিৱেশবাদী চৰিত্ৰৰ প্ৰত্যক্ষ সংঘাত হৈছে। আজিৰ তাৰিখত ই হ'ল অসমবাসীৰ বাবে প্ৰধান দ্বন্দ্ব। আনহাতে অসমৰ সমাজ-জীৱনৰ অন্তৰ্গত কেতবোৰ অপ্ৰধান দ্বন্দ্ব, এই সময়ছোৱাত তীব্ৰ ৰূপত দেখা দিছে। এই অপ্ৰধান দ্বন্দ্বসমূহৰ ক্ষেত্ৰত সাধাৰণীকৰণ (generalisation) কৰাত কিছু অসুবিধা আছে যদিও, অসমৰ সমাজ-জীৱনৰ সাধাৰণ পৰ্যালোচনাৰ দ্বাৰা এই

দ্বন্দ্বসমূহ চিহ্নিত কৰিব পাৰি। এইক্ষেত্ৰত প্ৰথমেই ক'ব পাৰি যে ভাৰতৰাষ্ট্ৰৰ ঔপনিৱেশিক অৰ্থনীতিয়ে কোঙা কৰি পেলোৱা অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন নৃগোষ্ঠীসমূহৰ মাজত গা কৰি উঠা গোষ্ঠী দ্বন্দ্বৰ প্ৰৱণতাৰ কথা। ঐতিহাসিক বিকাশৰ যোগেদি নৃগোষ্ঠীসমূহৰ মাজত স্বকীয় ভাষা-সংস্কৃতি, স্বাধিকাৰ চিন্তাৰ উন্মেষ হোৱাটো স্বাভাবিক। এনে উন্মেষণে বৃহত্তৰ জাতীয়-জীৱনক সমৃদ্ধ কৰে। শতপুষ্প বিকশিত হয়। কিন্তু বৃহত্তৰ জাতীয়-জীৱনৰ বিষয়ে চিন্তা-চৰ্চা নাৰাখি আত্মৰক্ষিতা, গোষ্ঠীগত উন্মাদনাই সমাজ-জীৱনত পাৰস্পৰিক ঘৃণা, সন্দেহ, বিদ্বেষ বিয়পালে সি বৃহত্তৰ জাতীয় জীৱনৰ প্ৰচুৰ ক্ষতিসাধন কৰে। এনে অপ্ৰগতিশীল চিন্তা-চৰ্চাই শেষ বিচাৰত শাসক-শোষক শ্ৰেণীকহে সহায় কৰে।

দ্বিতীয়তে, ক'ব পাৰি ধৰ্মীয় মৌলবাদী চিন্তা-চৰ্চাই সমাজ-জীৱনত সৃষ্টি কৰা বিশৃংখলতাৰ কথা। ধৰ্মীয় মৌলবাদী চিন্তা-চৰ্চা, ধৰ্মীয়-বিভাজন, ধৰ্মীয় পুনৰোত্থানবাদ আদি অসমৰ সমাজ-জীৱনত অপ্ৰধান দ্বন্দ্ব হিচাপে দেখা যায়। অসম তথা উত্তৰ-পূৰ্বাঞ্চলত খ্ৰীষ্টান, হিন্দু, ইছলাম— এই তিনিওটা প্ৰধান ধৰ্মই সৃষ্টি কৰা মৌলবাদী চিন্তা-চৰ্চাই জাতীয় জীৱনক পৃথকীকৰণ কৰিছে। ইয়াৰ প্ৰত্যক্ষ ফল পৰিছে সাধাৰণ কৃষক-শ্ৰমিক ৰাইজৰ ওপৰত। যি এক শোষণবিৰোধী প্ৰবল গণ আন্দোলন গঢ় লোৱাত বাধাৰ প্ৰাচীৰ হৈ পৰিছে। আনকি বহু সময়ত এনে ধৰ্মীয় চিন্তা-চৰ্চাৰে আক্ৰান্ত জাতীয় সংগ্ৰামৰ সংগ্ৰামী সতীৰ্থই হঠকাৰী কাম-কাজেৰে সংগ্ৰামৰ মূল চৰিত্ৰকে বিনষ্ট কৰিছে।

তৃতীয়তে, আহি পৰিছে অৰ্ধ-সামন্তবাদী সমাজ এখনত সমাজৰ সাৰ্বিক ৰূপান্তৰ নোহোৱা হেতু থকা নানা ধৰণৰ জাত-পাত বিচাৰ, নাৰী অৱদমন, অলৌকিকতা, অন্ধবিশ্বাস আদিৰ প্ৰসংগ। অসমৰ সমাজ-জীৱনত অদ্যাপি বিৰাজমান বামুণ, কলিতা, কোঁচ, সূত, কেউত, কছাৰী, জনজাতি-অজনজাতি আদি নানান জাত-পাতৰ বিভাজনে জাতীয় সংগ্ৰামখনক ভিতৰৰ পৰা ক্ষতিসাধন কৰিছে। বিধবা প্ৰথা, পৰ্দা প্ৰথা, শেহতীয়াকৈ আমদানি হোৱা যৌতুক প্ৰথা আদি নানা নাৰী অৱদমনকাৰী মূল্যবোধ অৰ্ধ-সামন্তীয় সমাজখনৰ চানেকী।

চতুৰ্থতে, অৰ্ধ-পুঁজিবাদী সমাজৰ অৱশেষ হিচাপে থকা নানাধৰণৰ স্থিতাৱস্থা বাহালকাৰী চিন্তা-চৰ্চাৰ কথা ক'ব পাৰি। প্ৰচলিত আৰ্থ-সামাজিক ব্যৱস্থাৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰাৰ পৰিবৰ্তে এনে চিন্তা-চৰ্চাই প্ৰচলিত ব্যৱস্থাক সংস্কাৰ কৰাৰ এক মোহাচ্ছন্ন অৱস্থাৰ সৃষ্টি কৰে। প্ৰচলিত ব্যৱস্থাৰ সা-সুবিধা, বঁটা-বাহনৰ লোভত সংগ্ৰামীসকলো মোহাবিষ্ট হোৱা দেখা যায়। সৰ্বতোপৰি ক'ব পাৰি অসমৰ মধ্যবিত্ত সমাজখনৰ কথা। যি বৃটিছ পুঁজিৰ ছত্ৰছায়াত অসমৰ মধ্যশ্ৰেণী গা কৰি উঠিছিল, সি পৰৱৰ্তী সময়ত কেতবোৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক সা-সুবিধাৰ দ্বাৰা অধিক বিকশিত হৈছিল। এই মধ্যশ্ৰেণীয়ে এহাতে প্ৰচলিত ৰাষ্ট্ৰ-ব্যৱস্থাৰ লগত আপোচ কৰি স্থিতাৱস্থাকামী ভূমিকা পালন কৰিছে আৰু আনহাতে অসমৰ কৃষক, অনগ্ৰসৰ সামাজিক শ্ৰেণীসমূহৰ ওপৰত প্ৰভুত্ব চলাই আছে। আজি অসমৰ জনগোষ্ঠীসমূহৰ মাজত গা

কৰি উঠা অসমীয়াবিৰোধী মনোভাবৰ বাবে দায়ী এই মধ্যশ্ৰেণী। অসমৰ গৰিষ্ঠসংখ্যক ইছলামধৰ্মী কৃষক, চাহ শ্ৰমিক, মধ্যশ্ৰেণীৰ উপেক্ষা আৰু অবদমনৰ সন্মুখীন হ'ব লগাত পৰিছে।

অসমৰ ইতিহাসে এটা কথা প্ৰমাণ কৰিছে যে অসমবাসীৰ জাতীয় আত্ম-প্ৰতিষ্ঠাৰ সংগ্ৰামখন আৰম্ভ হৈছিল জাতীয় ভাষা হিচাপে অসমীয়া ভাষা প্ৰতিষ্ঠা কৰাৰ মাধ্যমেৰে। ইয়াৰ বাবে অগ্ৰজ চিন্তাবিদসকলে সাহিত্যকে আধাৰ হিচাপে গ্ৰহণ কৰিছিল। ঊনবিংশ শতিকাত অসমীয়া ভাষাৰ স্বকীয়তা প্ৰতিষ্ঠা হোৱাৰ পাছত তাৰ বিকাশৰ গুৰুভাৰ বহন কৰিছিল লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞিঞ বৰুৱাৰ দৰে বৰেণ্য ব্যক্তিসকলে। পৰৱৰ্তী পৰ্যায়ত জ্যোতিপ্ৰসাদ আগৰৱালা, অম্বিকাগিৰি ৰায় চৌধুৰীৰ দৰে ব্যক্তিৰ হাতত ই নতুন নতুন দিশলৈ প্ৰসাৰিত হৈছিল। ড° সূৰ্য্যকুমাৰ ভূঞা, বেণুধৰ শৰ্মা, ড° লীলা গগৈ, ড° প্ৰতাপ চন্দ্ৰ চৌধাৰীৰ দৰে ইতিহাসবিদৰ হাতত অসমৰ ইতিহাসে প্ৰাণ পাই উঠিছিল। ড° বিৰিঞ্চি কুমাৰ বৰুৱা, ড° প্ৰফুল্ল দত্ত গোস্বামী, ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্যৰ দৰে লোক-সংস্কৃতিৰ গবেষকসকলৰ অসমৰ বৈচিত্ৰ্যময় লোক-সংস্কৃতি চৰ্চাই জাতীয় জীৱন চহকী কৰিছিল। ড° বাণীকান্ত কাকতীৰ গবেষণাগ্ৰন্থ 'Assamese its formation and development'এ অসমীয়া ভাষাৰ স্বতন্ত্ৰতাক জগত সভাত প্ৰতিষ্ঠা কৰিছিল। কাকতী আৰু ভবানন্দ দত্তৰ দৰে মনীষীৰ সাহিত্য সমালোচনাই অসমীয়া সাহিত্যক অসমৰ সমাজ-জীৱনৰ অধিক ওচৰ চপাই আনিছিল। সত্ৰ সংস্কৃতিৰ দৰে অসমৰ সমাজ ইতিহাসৰ অন্যতম প্ৰতিপাদ্য বিষয়ো চৰ্চা কৰিছিল ড° মহেশ্বৰ নেওগৰ দৰে ব্যক্তিয়ে। যদিও এইসকল বৰেণ্য ব্যক্তিয়ে ৰাষ্ট্ৰৰ ঔপনিবেশিক চৰিত্ৰ সন্দৰ্ভত সুস্পষ্ট দৃষ্টিভংগী গ্ৰহণ কৰিব পৰা নাছিল, তথাপি জাতীয় ভাষা আৰু সংস্কৃতি প্ৰতিষ্ঠাৰ যোগেদি জাতীয় ঐক্যৰ ভেটি নিৰ্মাণত অমূল্য বৰঙণি আগবঢ়াইছিল। বিষ্ণুপ্ৰসাদ ৰাভাৰ দৰে সৈনিক-শিল্পী-সাহিত্যিকে মাৰ্ক্সবাদী চিন্তা-চৰ্চাৰে অসমীয়া সংস্কৃতি আৰু সমাজৰ এক প্ৰয়োগিক মূল্যায়ন কৰিছিল। ভাৰতৰাষ্ট্ৰৰ ৰাজনৈতিক চৰিত্ৰ সন্দৰ্ভত বিষ্ণুপ্ৰসাদ ৰাভাৰ এক স্পষ্ট দৃষ্টিভংগী আছিল। যদিও কেতবোৰ ঐতিহাসিক কাৰক আৰু কৌশলগত সীমাবদ্ধতাত ৰাভাৰ বৈপ্লবিক আদৰ্শ প্ৰতিষ্ঠা নহ'ল; তথাপি, ৰাভাৰ চিন্তা-চৰ্চাৰ প্ৰাসংগিকতা অদ্যাপি বিৰাজমান।

দৰাচলতে কেতবোৰ ঐতিহাসিক ঘটনা-প্ৰতিঘটনাই অসমবাসীৰ আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰামখনৰ প্ৰাসংগ্ৰিকতা অধিক কৰি তুলিছে। গ্ৰুপিংবিৰোধী আন্দোলন, ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ সীমাবদ্ধতা, তেল শোধনাগাৰ আন্দোলন, ভাষা আন্দোলন, মাধ্যম আন্দোলন, খাদ্য আন্দোলন, বিদেশী বহিষ্কাৰ আন্দোলনৰ দৰে কেতবোৰ ঐতিহাসিক ঘটনাই আজিৰ অসমৰ প্ৰধান আৰু অপ্ৰধান দ্বন্দ্ববোৰ বিকশিত কৰিছিল। এই সময়ছোৱাত ভাৰতৰাষ্ট্ৰৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আধিপত্যবাদ সন্দৰ্ভত ন ন চিন্তা-চৰ্চা সূচিত হৈছিল। সমগ্ৰ ভাৰতবৰ্ষতে মুক্তিৰ দশক হিচাপে উচ্চাৰিত হোৱা সত্তৰৰ দশকৰ ৰাজনৈতিক চিন্তা-চৰ্চাই অসমবাসীৰ আত্ম-প্ৰতিষ্ঠাৰ সংগ্ৰামখনক নতুন ৰাজনৈতিক চৰিত্ৰ প্ৰদান কৰিছিল। ইয়াৰ প্ৰভাৱ অসমৰ সমাজ

জীৱনত পৰাৰ প্ৰেক্ষাপটত অসমীয়া সাহিত্য, বড়ো সাহিত্য আদিতো পৰিছে।

এইক্ষেত্ৰত অসমৰ চিন্তাজগতত ড° হীৰেন গোহাঁইৰ ভূমিকা সূৰ্যসম। মাৰ্ক্সীয় চিন্তা-চৰ্চাৰে দীক্ষিত ড° গোহাঁয়ে ভাৰতৰাষ্ট্ৰৰ ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক অগ্ৰাসনৰ বিৰুদ্ধে এক বৌদ্ধিক আন্দোলন চলাই আছে। অসমৰ জনগোষ্ঠীয় আন্দোলন, সামন্তীয় মূল্যবোধ, ধৰ্মীয় মৌলবাদ তথা অসমীয়া মধ্যশ্ৰেণীৰ সামাজিক মূল্যায়ন আদিৰ ক্ষেত্ৰত ড° গোহাঁই সৰৱ। এক কথাত সমকালীন সাহিত্যৰ চিন্তা-চৰ্চা জগতখনত ড° গোহাঁইৰ ভূমিকাই অসমবাসীৰ প্ৰধান আৰু অপ্ৰধান দ্বন্দ্বসমূহৰ ক্ষেত্ৰত এক গণ সচেতনতা সৃষ্টি কৰিছে। দৃষ্টিভংগীগত কিছু তফাৎ সত্বেও ড° শিৱনাথ বৰ্মন, নিবাৰণ বৰা, উদয়াদিত্য ভৰালী, ইন্দিবৰ দেউৰী, যতীন্দ্ৰ কুমাৰ বৰগোহাঞি, ড° ধ্ৰুৱজ্যোতি বৰা, দেবব্ৰত শৰ্মা, পৰাগ কুমাৰ দাসৰ চিন্তা-চৰ্চাই এই বৌদ্ধিক আন্দোলন সবল কৰি তুলিছে। ভাৰত ৰাষ্ট্ৰৰ অৰ্থনৈতিক ঔপনিবেশিক চৰিত্ৰ উন্মোচনত যতীন্দ্ৰ কুমাৰ বৰগোহাঞি, পৰাগ কুমাৰ দাস, অদীপ কুমাৰ ফুকন আদিৰ এক বলিষ্ঠ ভূমিকা আছে। জাতীয় পুঁজি গঠনৰ চিন্তা-চৰ্চা আগবঢ়োৱাৰ ক্ষেত্ৰত পৰাগ কুমাৰ দাস, অদীপ কুমাৰ ফুকন, মুকুল মহন্ত আদিৰ ভূমিকা উল্লেখযোগ্য।

ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ 'জীৱনৰ বাটত' নামৰ উপন্যাসখনত অসমীয়া সমাজ-জীৱন প্ৰতিফলিত হোৱাৰ পৰৱৰ্তী সময়ছোৱাত মামণি ৰয়ছম গোস্বামীৰ উপন্যাসসমূহৰ সামাজিক ভূমিকা অপৰিসীম। গোস্বামীৰ 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওডা', 'আধালেখা দস্তাবেজ'ৰ দৰে উপন্যাসত অসমৰ সমাজ-জীৱনৰ সামন্তীয় মূল্যবোধ যিদৰে প্ৰকট হৈ উঠিছে, সি অতুলনীয়। ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'মৃত্যুঞ্জয়', 'ৰঙামেঘ', 'আই' উপন্যাসত অসমৰ জনসাধাৰণৰ সংগ্ৰামী চেতনা, দুখ-দাৰিদ্ৰ উন্মোচিত হৈছিল। ৰংবং তেৰাঙৰ 'ৰংমিলিৰ হাঁহি', মেদিনী চৌধুৰীৰ 'ফেৰেংগাদাও', দেবেন্দ্ৰ নাথ আচাৰ্যৰ 'কালপুৰুষ', ড° ধ্ৰুৱজ্যোতি বৰাৰ 'কালান্তৰৰ গদ্য', পৰাগ কুমাৰ দাসৰ 'ছাংগ্ৰাই ফেনলা'ৰ দৰে উপন্যাসৰ যোগেদি জাতীয় জীৱনৰ প্ৰাণস্পন্দন, সংঘাত আৰু সংগ্ৰামৰ ইতিহাস লিপিবদ্ধ হৈছে।

সেইদৰে শীলভদ্ৰ, সৌৰভ কুমাৰ চলিহা, অপূৰ্ব শৰ্মা (বাঘে টাপুৰ ৰাতি আৰু অন্যান্য কাহিনী) মদাৰাম ব্ৰহ্ম, যতীন মিপুন, ভৃগুমণি কাগয়ুং, য়েছে দৰজে ঠংচি, হেমন্ত বৰ্মন (ভয়), অৰূপা পটংগীয়া কলিতা (মৰুযাত্ৰা, দেও পাহাৰৰ ভগ্নস্তূপ), দেবব্ৰত দাস (অৰ্পিতাৰ অন্য এৰাতি, হয়তোবা ভেশচন), বিতোপন বৰবৰা (বন্দুক নলৰ বতাহ), ইমৰাণ হুছেইন, অৰূপ কুমাৰ নাথ আদিৰ গল্পসমূহৰ মাজেদি অসমৰ জনজীৱনৰ অপ্ৰধান দ্বন্দ্বসমূহৰ ৰেঙণি দেখা যায়।

নৱকান্ত বৰুৱা আৰু নীলমণি ফুকনৰ কবিতাৰ মাজেৰে নিগৰি অহা জাতীয় জীৱনৰ নিৰ্যাস, কেশৱ মহন্ত, হীৰেন ভট্টাচাৰ্য, সমীৰ তাঁতী, সনন্ত তাঁতী, বিৰিঞ্চি কুমাৰ ভট্টাচাৰ্যৰ হাতেদি বিদ্ৰোহৰ ৰূপত প্ৰকট হৈ উঠে। অতনু ভট্টাচাৰ্য, ৰাজেন শৰ্মা (মোৰ ৰক্তবৰ্ণ প্ৰতিজ্ঞা), কাবেৰী কছাৰী, মেগন কছাৰী (মেমচাহাব পৃথিৱী), কবিৰঞ্জন শইকীয়া (আৰ্তনাদৰ এনিশা), শান্তনু শৰ্মা (খেতিয়কৰ দেশত), শংকৰ শইকীয়া (মোৰ

ফাঁচী হওক, উপনিবেশৰ কবিতা), হেমাংগ কুমাৰ দত্ত আদি তৰুণ কবিৰ কবিতাত জাতীয় আত্ম-প্ৰতিষ্ঠাৰ উদ্দীপ্ত কণ্ঠস্বৰ শুনা যায়। আনহাতে জীৱন নৰহ (তুমি পকা ধানৰ দৰে গোন্ধাইছা), সৌৰভ শইকীয়া (শিমলু সাগৰ), প্ৰাণজিৎ বৰা (পাণবজাৰ আৰু অন্যান্য কবিতা)ৰ দৰে তৰুণ কবিৰ কবিতাত লোক-জীৱনৰ ধ্বনি উচ্চাৰিত হৈছে।

সাহিত্যৰ সৃজন আৰু পঠন মূলতঃ ব্যক্তিগত পৰ্যায়তহে সম্ভৱ হয় যদিও জাতীয় সাহিত্যৰ প্ৰসাৰ আৰু প্ৰচাৰৰ সংগঠিত ৰূপৰ প্ৰয়োজনীয়তা আছে। সম্ভৱতঃ জাতীয় আত্ম-প্ৰতিষ্ঠা সংগ্ৰামৰ প্ৰাৰম্ভিক কালছোৱাত এই প্ৰয়োজনীয়তাক অনুভৱ কৰিয়েই 'অসম সাহিত্য সভা'ক জন্ম দিয়া হৈছিল। আজিৰ তাৰিখতো অসমত 'অসম সাহিত্য সভা' এক বিশাল আৰু প্ৰভাৱশালী অনুষ্ঠান। জাতীয় জীৱনৰ বিভিন্ন সংঘাত আৰু সংকটৰ সময়ত অসমত সাহিত্য সভাৰ গুৰুত্বপূৰ্ণ ভূমিকা আছিল যদিও সি অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ সামাজিক কক্ষৰ পৰা মুক্ত নহয়। সেয়ে দেখা যায় যে অসমৰ জনগোষ্ঠী আৰু আন আন অনগ্ৰসৰ সামাজিক শ্ৰেণীসমূহৰ অধিকাৰৰ প্ৰশ্নত সভাই সদায় এক অনৈতিহাসিক দৃষ্টিভংগীহে গ্ৰহণ কৰিছে। আজিৰ ভাৰতৰাষ্ট্ৰৰ আগ্ৰাসনৰ বিৰুদ্ধে অসম সাহিত্য সভাই প্ৰতিবাদমুখৰ হোৱাৰ পৰিৱৰ্তে এক স্থিতাৱস্থাৰ মনোভাবহে গ্ৰহণ কৰিছে। ফলত সভাৰ ঐতিহাসিক গুৰুত্ব হ্ৰাস পাইছে। পৰিৱৰ্তিত পৰিস্থিতিত অসমবাসীৰ প্ৰধান আৰু অপ্ৰধান দ্বন্দ্ববোৰৰ ক্ষেত্ৰত এক স্পষ্ট স্থিতি গ্ৰহণ কৰি এক সবল বৌদ্ধিক আন্দোলনৰ নেতৃত্ব দিব নোৱাৰিলে সভাৰ ঐতিহ্য ম্লান পৰিব আৰু ই অসমবাসীৰ বাবেই জাতীয় দুৰ্ভাগ্য হিচাপে বিবেচিত হ'ব।

কিন্তু তৎসত্বেও জাতীয় আত্ম-প্ৰতিষ্ঠা সংগ্ৰামখনৰ বৌদ্ধিক পৰিমণ্ডলক সবল আৰু সচেতন কৰাৰ ক্ষেত্ৰত সমকালীন সাহিত্যৰ জগতখন যেন নিস্প্ৰাণ, নিষ্ক্ৰিয়। মধ্যবিত্তীয় ভাবানুশীলতা, আংগিক সৰ্বস্বতা, কলা বৈষম্যবাদী অভিজাতধৰ্মীতা (Elitigism), সমাজ জীৱনৰ দ্বন্দ্ব সম্পৰ্কে থকা অচেতন মনোভাব আৰু সৰ্বতোপৰি জাতীয় আত্ম-প্ৰতিষ্ঠাৰ সংগ্ৰামখনৰ প্ৰতি পোষণ কৰা ক্ষীণ দৃষ্টিয়ে বহু প্ৰবীণ-নবীন সাহিত্যকৰ্মীক পথচ্যুত কৰা দেখা যায়। ভাৰতৰাষ্ট্ৰৰ সাংস্কৃতিক (হিন্দু-হিন্দী সম্প্ৰসাৰণবাদ) সামাজিক (অধিক প্ৰব্ৰজনে ঘটোৱা বিজতৰীয়া আচাৰ অনুষ্ঠান) ৰাজনৈতিক, অৰ্থনৈতিক, ঔপনিবেশিকতাবাদৰ ভয়াবহ ছবিখন চকুৰ আগত দেখিও যেন বহু সাহিত্যকৰ্মী, তাত্বিক নীৰৱ। ইয়াৰ বাবে একাংশৰ অজ্ঞতা যেনেদৰে দায়ী, ঠিক তেনেদৰে আন এচামে সকলো বুজি-শুনি ৰাষ্ট্ৰই আগবঢ়োৱা বঁটা-বাহন, সা-সুবিধা, নগদ ধনৰ মাননিৰ লোভচক্ৰত আকণ্ঠ ডুব গৈ ইতিহাস কলংকিত কৰাৰ দোষত দায়ী। মুষ্টিমেয় কেইজনমানৰ বাহিৰে এই সময়ছোৱাত জাতীয় ভাবোদ্দীপক, প্ৰাণস্পৰ্শী উপন্যাস, গল্প, কবিতাৰ সৃষ্টি নোহোৱাটোৱে কি সূচায়? সমকালীন সাহিত্যৰ এই বন্ধ্যাত্ব কিহৰ বাবে? আমাৰ দৃষ্টিত প্ৰতিভাৰ অভাৱত নহয়, স্থিতাবস্থাৰ চিন্তা-চৰ্চা, ভাব-প্ৰৱণতা আৰু মধ্যবিত্তীয় সুবিধাবাদেহে প্ৰতিভাৰ বোৱঁতী নৈত জাঁজিৰ সৃষ্টি কৰিছে।

সেয়ে সমকালীন সাহিত্যৰ গৰ্ভৰ পৰাই জাতীয় সংগ্ৰামক উপযুক্ত মূল্যায়ন,

প্ৰাণদায়িনী ৰূপ প্ৰদান কৰিবৰ বাবে এক সচেতন সাহিত্য আন্দোলন জন্ম দিয়াৰ বাবে চিন্তা-চৰ্চাৰ সময় সমাগত। সমসাময়িক বিশ্বৰ বিভিন্ন জাতীয় আন্দোলন বিশেষকৈ তৃতীয় বিশ্বৰ (এইক্ষেত্ৰত লেটিন আমেৰিকা আৰু আফ্ৰিকা নিদৰ্শন হ'ব পাৰে) আৰ্থ-ৰাজনৈতিক ঘটনাবলীৰ মূল্যায়নেৰে অসমৰ সমাজ বাস্তৱতাৰ প্ৰেক্ষাপটত, জাতীয় ঐতিহ্যৰ ভিত্তিত এক নতুন নন্দনতাত্ত্বিক দৃষ্টিভংগীৰ বিকাশ সাধন কৰি সমসাময়িক সাহিত্যক ভাবোদ্দীপক, প্ৰাণসঞ্চাৰী কৰাৰ ঐতিহাসিক দায়িত্ব আহি পৰিছে। নিঃসন্দেহে এই দায়িত্ব অসমবাসী প্ৰবীণ-নবীন সাহিত্যকৰ্মীৰ। অন্যথা মেগৰৰ একলাখটকীয়া বঁটা, ভাৰতৰাষ্ট্ৰৰ নানা উপঢৌকনে বিশাল ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে সাহিত্য-সংস্কৃতিৰ বিশাল বালিচৰ পেলাবলৈ কেত বেলি?

পূৰ্বপ্ৰকাশ : বিতৰ্ক, জুলাই/২০০০

২৩ ডিমাছা জনগোষ্ঠীৰ আত্ম-প্ৰতিষ্ঠাৰ সংগ্ৰাম

নানা জাতি আৰু জনগোষ্ঠীৰ আবাসভূমি উত্তৰ-পূৰ্বাঞ্চলৰ অন্যতম বৃহৎ, বৰ্ণাঢ্য জনগোষ্ঠী হ'ল ডিমাছাসকল। বৰ্তমান ডিমাছাসকলৰ বাসভূমি বুলিলে উত্তৰ কাছাৰ জিলাকে বুজোৱা যদিও, ডিমাছাসকল অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন স্থানত সিঁচৰতি হৈ আছে। অতিসম্প্ৰতি অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত, জাতীয় চেতনাৰ উন্মেষ ঘটা পৰিলক্ষিত হৈছে। এক সমৃদ্ধশালী প্ৰাচীন লোক পৰম্পৰাৰে সমৃদ্ধ ডিমাছাসকলো এই পৰিঘটনাৰ পৰা বিচ্ছিন্ন নহয়। স্বাভাৱিকভাৱেই ডিমাছা জনগোষ্ঠীৰ মাজত জাতীয় চিন্তা-চৰ্চা জাগ্ৰত হোৱাৰ পৰিৱেশে সচেতনমহলৰ দৃষ্টি আকৰ্ষণ কৰিছে। জাতীয় উৎসৱ বিছু পালন, জাতীয় কৃষ্টি, পৰম্পৰা, সাজ-পোছাক পৰিধান, ডিমাছাসকলৰ মাজত জাগৰিত জাতীয় উন্মেষণৰ লক্ষণ। এই উন্মেষণে সম্প্ৰতি আন আন ক্ষেত্ৰসমূহলৈকো বিস্তাৰ লাভ কৰিছে। ডিমাছাসকলে এহাতে 'লিৰিডেম মেল' (ডিমাছা সাহিত্য সভা) অনুষ্ঠিত কৰি ডিমাছা ভাষা-সাহিত্যৰ বিকাশ, উৎকৰ্ষ সাধনত ব্ৰতী হৈছে আৰু আনহাতে, গণতান্ত্ৰিক সংগ্ৰামৰ পৰা আৰম্ভ কৰি সশস্ত্ৰ সংগ্ৰামলৈকে, সংগ্ৰামৰ বিভিন্ন কৌশল প্ৰয়োগ কৰি, দিল্লী, দিছপুৰৰ শাসকগোষ্ঠীৰ মছনদ কঁপাই তুলিছে। চমু অৰ্থত, ডিমাছাসকল অতি কম সময়ৰ ভিতৰত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ অন্যতম সংগ্ৰামী জনগোষ্ঠী হিচাপে পৰিগণিত হৈছে। ডিমাছাসকলৰ জাতীয় চেতনাৰ উন্মেষ তথা সংগ্ৰামী চিন্তাৰ বিস্তাৰৰ প্ৰতি থকা আমাৰ নিত্যান্তই ব্যক্তিগত সম্মানক, ভেটি হিচাপে গ্ৰহণ কৰি ডিমাছাসকলৰ আত্ম-

প্ৰতিষ্ঠাৰ সংগ্ৰামৰ এক চমু আলোকপাত কৰাৰ প্ৰয়াস কৰা হ'ল। আমাৰ ব্যক্তিগত বৌদ্ধিক সীমাবদ্ধতা, ডিমাছা জনগোষ্ঠীৰ সংগ্ৰামী জীৱনৰ যাৱতীয় সকলো নথি-পত্ৰ বৰ্তমানলৈকে পৰ্যাপ্ত পৰিমাণে নোপোৱাৰ লেখীয়া অসুবিধা সত্বেও, কেৱল জাতীয় দায়বদ্ধতাকে মূলধন হিচাপে লৈ এই আলোকপাত কৰা হ'ল। আমাৰ সকলো ধৰণৰ মতামতৰ প্ৰতি সহৃদয় পাঠক সমাজ একমত নহ'বও পাৰে। তথাপি ডিমাছা জাতীয় সংগ্ৰামৰ বিভিন্ন দিশসমূহৰ ক্ষেত্ৰত, এক সচেতনতাৰ সৃষ্টি হোৱাৰ কামনাৰেই এই প্ৰচেষ্টা চলোৱা হ'ল।

ঐতিহাসিক প্ৰেক্ষাপট : ডিমাছা জনগোষ্ঠীৰ বিভক্তিকৰণ

আহোম স্বৰ্গদেউসকলৰ লগত ডিমাছা-কছাৰীৰ দ্বন্দ্ব আৰু মৈত্ৰীৰ বতৰা বুৰঞ্জীৰ পাতত পোৱা যায়। অতি প্ৰাচীন কালৰে পৰা ব্ৰহ্মপুত্ৰ উপত্যকা, ধনশিৰি উপত্যকা, কপিলী উপত্যকা আৰু সুৰমা উপত্যকাৰ বিস্তীৰ্ণ অঞ্চলত ডিমাছা-কছাৰীসকলৰ বাসস্থান আছিল। কালক্ৰমত, ধনশিৰি উপত্যকা, কপিলী উপত্যকা আৰু সুৰমা উপত্যকা আৰু ইয়াৰ সংশ্লিষ্ট পাহাৰ অঞ্চলক সামৰি ডিমাছাসকলৰ ৰাজ্য গঠন প্ৰক্ৰিয়া আৰম্ভ হৈছিল। আহোমসকল অসমলৈ অহাৰ আগৰে পৰাই শদিয়া অঞ্চলত, মাণিক নামৰ এজন ৰজাই শাসন কৰিছিল। কিংবদন্তি অনুযায়ী তেওঁৰ ৰাজ্য পূবে শদিয়া, পশ্চিমে দিখৌ নদী, উত্তৰে দিহিং নদী আৰু দক্ষিণে কেম্পুগুৰি পৰ্যন্ত ব্যাপ্ত আছিল। কোনো কোনোৱে এইজন কছাৰী ৰজাকে, অসমীয়া ৰামায়ণৰ ৰচক মাধৱ কন্দলীৰ পৃষ্ঠপোষক মহামাণিক্য বুলি ক'ব খোজে। ইয়াৰ পৰৱৰ্তী অৱস্থাত ডিমাছাপুৰ বা ডিমাপুৰক কেন্দ্ৰ কৰি ডিমাছা-কছাৰীসকলৰ ৰাজ্য গঠন প্ৰক্ৰিয়া আৰম্ভ হয়। ১৩ শ শতিকাত আহোমসকলে অসম আগমন কৰাৰ সময়ত এই ডিমাপুৰেই, ডিমাছা-কছাৰীৰ ৰাজ্যৰ কেন্দ্ৰ আছিল। এই ৰাজ্য উত্তৰে ব্ৰহ্মপুত্ৰ নদীৰ পৰা দিখৌপৰ্যন্ত, কলং আৰু সমগ্ৰ ধনশিৰি উপত্যকা আৰু উত্তৰ-কাছাৰ পাহাৰলৈকে ব্যাপ্ত আছিল। আহোম স্বৰ্গদেউ চুত্ৰাংফা, চুহান্‌ফা আৰু চুপিমফাই কছাৰীসকলক যুদ্ধত ঘটুৱাই মৰঙি, দামপুৰ, নামচাং আৰু মহঙ অধিকাৰ কৰাৰ কথা জনা যায়। স্বৰ্গদেউ চুহুংমুঙৰ দিনত, কছাৰী ৰজা, খোৰাফা, খুনখুৰাক হৰুৱাই দেৰগাঁও দখল কৰে। ইয়াৰ পিছতে খোৰাফা পুত্ৰ ডেৰচংগফাক ১৫৩৬ খ্ৰীষ্টাব্দত যুদ্ধত হৰুৱাই আহোমসকলে ডিমাপুৰ দখল কৰে। ডা-ডাঙৰীয়াসকলৰ পৰামৰ্শানুযায়ী স্বৰ্গদেৱে মদন নামৰ কছাৰী কোঁৱৰ এজনলৈ অসমীয়া ছোৱালী বিয়া দি নিৰ্ভয় নাৰায়ণ নাম দিয়ে আৰু আহোম ৰজাৰ স্থাপিত সন্ধিত হিচাপে মাইবাঙত থিতাপি লগায়। স্বৰ্গদেউ চুচেংফাৰ দিনত উভয় ৰজাৰ মাজত মনোমালিন্য ঘটাত স্বৰ্গদেৱে সুন্দৰ গোহাঁইৰ নেতৃত্বত এটি বাহিনী মাইবাঙলৈ প্ৰেৰণ কৰে। কছাৰী ৰজা যশনাৰায়ণৰ পুত্ৰ ভীমবলে আহোম সেনাক যুদ্ধত পৰাস্ত কৰে আৰু তাৰেই চিনস্বৰূপে ৰাজধানী মাইবাঙৰ নাম কীৰ্ত্তিপুৰ ৰাখে। আহোম ৰজায়ো ভীমবলৰ লগত চাৰিঙীয়া সন্দিকৈৰ ছোৱালী বিয়া দি মিত্ৰতা কৰে। ইয়াৰ পাছত স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনত কছাৰী ৰজা তাম্ৰধ্বজৰ লগত আহোমৰ ৰণ লাগে।

ৰণত আহোমসকলে মাইবাং দখল কৰে যদিও আহোম ৰজাই কছাৰী ৰজা তাম্ৰধ্বজ নাৰায়ণক বিশ্বনাথ দৰবাৰলৈ মাতি নি তোলনীয়া পো হিচাপে গ্ৰহণ কৰে। তাম্ৰধ্বজ নাৰায়ণক স্বৰ্গদেৱে বংগজয় পৰিকল্পনাৰ মহাযোদ্ধা হিচাপে গ্ৰহণ কৰে। পৰৱৰ্তী পৰ্যায়ত স্বৰ্গদেউ ৰাজেশ্বৰ সিংহ, গৌৰীনাথ সিংহ আৰু কমলেশ্বৰ সিংহৰ দিনত আহোম-কছাৰী সম্পৰ্ক কিছু তিক্ত হৈ পৰিছিল।

ডিমাছা-কছাৰীসকলে মাইবাঙত ৰাজ্য স্থাপন কৰা সময়ছোৱাতে, বিভিন্ন ক্ষেত্ৰত ডিমাছা-কছাৰীসকলৰ বিকাশ সাধন হৈছিল। ডিমাছা ৰজা মেঘনাৰায়ণ, যশোনাৰায়ণ, ভীমবল নাৰায়ণ, ইন্দ্ৰবল্লভ নাৰায়ণ আদিয়ে নিজৰ নামত মোহৰ মাৰি নিজকে হৰগৌৰীৰ উপাসক হিচাপে চিনাকি দিছিল। ৰজাক মূল হিচাপে লৈ পাত্ৰ আৰু ভাণ্ডাৰীৰ যোগেদি শাসন-ব্যৱস্থা পৰিচালনা কৰা হৈছিল। ৰাজকীয় সভাক মেল আখ্যা দিয়া হৈছিল আৰু ইয়াৰ সদস্যবৃন্দক বৰভাণ্ডাৰী বোলা হৈছিল। ডিমাছাসকলৰ ৪০ টা বিভিন্ন গোষ্ঠী বা চেংফঙৰ পৰা প্ৰতিনিধি লৈ এই মেল গঠন কৰা হৈছিল। ৰাজ্য শাসন-ব্যৱস্থাত এই মেলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। উল্লেখযোগ্য যে ডিমাছা ৰজা নিৰ্ভয়নাৰায়ণৰ সময়ৰে পৰা ডিমাছাসকলৰ মাজত ব্ৰাহ্মণ্য হিন্দু ধৰ্মৰ প্ৰৱেশ ঘটিছিল আৰু মহাভাৰতৰ হিড়িম্বা ৰাক্ষসীৰ কাহিনীৰ আধাৰত তস্যপুত্ৰ ঘটোৎকচৰ বংশোদ্ভব হিচাপে ডিমাছাসকলক চিনাকি দিয়াৰ পৰম্পৰাৰ সূচনা হৈছিল। ডিমাছাসকলৰ সংস্কৃতায়ন প্ৰক্ৰিয়াৰ ই উদাহৰণ।

সুৰমা উপত্যকাত ডিমাছা ৰজা কীৰ্তি চন্দ্ৰ নাৰায়ণৰ দিনৰে পৰা ৰাজ্য গঠন প্ৰক্ৰিয়া আৰম্ভ হৈছিল। খাছপুৰক কেন্দ্ৰ কৰি গঢ় লৈ উঠা এই ৰাজ্যখনত হিন্দু ব্ৰাহ্মণসকলৰ আধিপত্য আছিল। কীৰ্তি চন্দ্ৰ নাৰায়ণে উত্তৰ কাছাৰৰ বাবে 'আদিত্য' নিয়োগ কৰিছিল। এওঁলোকে ন্যায় আৰু ৰাজহ সংগ্ৰহৰ বিষয় চোৱাচিতা কৰিছিল। কীৰ্তি চন্দ্ৰৰ দিনতে ডিমাছা ৰাজদৰ্বাৰত গৰিষ্ঠসংখ্যক ব্ৰাহ্মণ নিয়োগ কৰা হৈছিল। ডিমাছা ৰজা সুৰদৰ্প নাৰায়ণৰ দিনত ভুবনেশ্বৰ বাচস্পতি নামৰ কবিগৰাকীয়ে 'নাৰদীয় কথামৃত' ৰচনা কৰিছিল। সুৰদৰ্প নাৰায়ণে নিজে 'মালাচী গীত' ৰচনা কৰিছিল। গোপীচন্দ্ৰ নাৰায়ণৰ দিনতে সুৰমা উপত্যকাৰ কছাৰী ৰাজ্য মাইবাং ৰাজ্যৰ লগত চামিল হয়। ১৭৫০ চনত ডিমাছা ৰাজ্যৰ ৰাজধানী মাইবাঙৰ পৰা খাচপুৰলৈ অনা হয়।

কছাৰী বুৰঞ্জী অনুযায়ী বুৰঞ্জীবিদ সৰ্বানন্দ ৰাজকুমাৰে কছাৰী ৰজাসকলৰ তালিকা দিছে। এই তালিকা অনুযায়ী : মাণিক→ জীয়েক মুকুতা→ ঘটোৎকচ→ চুচেংফা→ দেওপখী→ বাঁৰীৰ কৌৰৱ→ বীৰহাম→ দেওধনী→ বিচাৰপতিফা→ বিক্ৰমাদিত্যফা→ মহামাণিকফা→ মানিফা→ লৰাফা→ খোৰাফা→ ডেৰেচোংফা→ মদন বা নিৰ্ভয়নাৰায়ণ→ দুৰ্লভ নাৰায়ণ→ মেঘনাৰায়ণ→ যশনাৰায়ণ→ প্ৰতাপ নাৰায়ণ→ নৰনাৰায়ণ→ ভীমবল নাৰায়ণ→ ইন্দ্ৰবল নাৰায়ণ→ বীৰদৰ্প নাৰায়ণ→ গড়ুধ্বজ→ মকৰধ্বজ→ উদয়াদিত্য নাৰায়ণ→ তাম্ৰধ্বজ নাৰায়ণ→ সুৰদৰ্প নাৰায়ণ→ হৰিচন্দ্ৰ নাৰায়ণ→ কীৰ্তিচন্দ্ৰ নাৰায়ণ→ সন্ধিকৰি→ হৰিশচন্দ্ৰ নাৰায়ণ→ কৃষ্ণচন্দ্ৰ আৰু তৎ ভ্ৰাতৃ গোবিন্দ চন্দ্ৰ নাৰায়ণ। (সুৰদৰ্প নাৰায়ণৰ পৰা গোবিন্দ চন্দ্ৰ নাৰায়ণলৈকে গেইট চাহাবৰ তালিকা অনুযায়ী দিয়া হৈছে।)

ডিমাছা-কছাৰীসকলৰ ৰাজধানী মাইবাঙৰ পৰা খাচপুৰলৈ উঠাই নিয়াৰ পাছত এই অঞ্চলটো ডিমাছা ৰজাই নিয়োগ কৰা বিষয়াৰ যোগেদি শাসিত হৈ আছিল। ১৮০৫ খ্ৰীষ্টাব্দত কাচাদিন নামৰ এজন বিষয়াই এই অঞ্চল শাসন কৰিছিল। তেওঁৰ মৃত্যুৰ পাছত, তেওঁৰ পুত্ৰ তুলাৰাম সেনাপতিয়ে ইয়াৰ শাসনভাৰ গ্ৰহণ কৰে। ১৮২৯ খ্ৰীষ্টাব্দত তুলাৰাম সেনাপতিক স্বতন্ত্ৰ ৰজা হিচাপে স্বীকৃতি প্ৰদান কৰা হয়। উল্লেখযোগ্য যে তুলাৰাম সেনাপতিৰ ৰাজ্যৰ পৰিসীমাই সমগ্ৰ কপিলী উপত্যকাৰ লগতে উত্তৰ কাছাৰ পাহাৰ অঞ্চলকো সামৰি লৈছিল। তুলাৰাম সেনাপতিৰ ৰাজ্যই পূবে ধনশিৰি নদী, পশ্চিমে দৈয়ুং নদী, উত্তৰে নগা পাহাৰ, মাহুৰ নদী আৰু দক্ষিণে যমুনা আৰু দৈয়ুং নৈলৈকে সামৰি লৈছিল। আজিৰ হোজাই মহকুমাকে আদি কৰি কাৰ্বি আংলং জিলাৰ বহু অঞ্চল তুলাৰাম সেনাপতিৰ ৰাজ্যৰ অধীনত আছিল বুলি ভাবিবৰ থল আছে।

ইতিহাসৰ পাকচক্ৰত ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে, ব্ৰহ্মদেশৰ ৰজা আৰু ইংৰাজৰ মাজত স্বাক্ষৰিত ইয়াণ্ডাবু সন্ধি অনুযায়ী অসমে স্বাধীনতা হেৰুৱালে। অসমীয়া জনসাধাৰণে স্বাধীনতা হেৰুওৱাৰ, এই সময়ছোৱাত ডিমাছাসকলৰ স্বতন্ত্ৰতা অক্ষুণ্ণ আছিল। কিন্তু ইতিমধ্যে নিজৰ সাম্ৰাজ্য বিস্তাৰৰ স্বাৰ্থত, ডিমাছা কছাৰীৰ আভ্যন্তৰীণ অচলাবস্থাৰ সুযোগ গ্ৰহণ কৰি ব্ৰিটিছসকলে ডিমাছা ৰাজ্য দখলৰ পাং পাতে। কছাৰী ৰাজ্যত প্ৰৱেশ কৰা মানসকলক খেদি পঠিওৱাৰ অচিলা লৈ ইংৰাজসকল কছাৰী ৰজা গোবিন্দ চন্দ্ৰৰ ৰাজ্যত প্ৰৱেশ কৰে। ১৮২৪ চনৰ মে' মাহত সেইমৰ্মে ব্ৰিটিছসকলে কছাৰী ৰজা গোবিন্দ চন্দ্ৰ হাস্নুৰ লগত এখন চুক্তি স্বাক্ষৰিত কৰে। এই চুক্তিৰ পূৰ্ণপাঠ এনেধৰণৰ—

Treaty Badarpur

Treaty Concluded Between David Sctt, Esquire. Agent to the Governor General on the part of the Honorable East India Company, and Rajah Govindra Chandra Narayana of Herumba.

Article I

Rajah Gobindra Chandra, for himself and his successors, acknowledge allegiance to the Honorable Company & places his territory of Cachar, of Hereemba under their protection.

Article II

The internal Government of the country shall be conducted by the Rajah and the juridiction of the British

courts of justice shall not extend their, but the Rajah agree to attend at all times to the advice offered for the welfare of his subjects by the Governor General in council and agreebly there to rectifeg any abuses that may arise in the administration of affairs.

Article III

The Honorable Company engages in protect the territories Cachar from external enemies and to arbitrate any differences that may arise between the Rajah and other states. The Rajah agrees to abide by such arbitration and to hoald no correspondence or communication with foreign powers except through the channel of the British Government.

Article IV

In consideration of the aid promised by the above article and other circumstances, the Rajah agrees to pay to the Honorable company from the beginning of the year 1232 B.S. an annual tribute of ten thousand sicca rupees and the honorable company engages to provide for the maintenance of the Munnipoorean chiefs lately occupying Cachar.

Article V

If the Rajah should fail in the performance of the above article, the honorable company will be at liberty to occupy and attach, in perpeteety, to their possessions, a sufficient tract of the Cachar country to provide for the future realisation of the tribute.

Article VI

The Rajah agrees, in concent with the British local authorities to adopt all measures that may be necessary for

the maintenance in the district of Sylhet, of the arrangements in force in the police, opium and salt Departments. Executed at Budderpore, this 6th day of May 1824, corresponding with the 24th of Fagoon 1230 B.S.

এই চুক্তিৰ পাছতে ব্ৰিটিছে প্ৰত্যক্ষভাৱে গোবিন্দ চন্দ্ৰ হাস্নুৰ ৰাজ্যৰ আভ্যন্তৰীণ কাম-কাজত হস্তক্ষেপ কৰিবলৈ আৰম্ভ কৰে। তেনে সময়ত, ১৮৩২ চনত অপুত্ৰক অৱস্থাত, গোবিন্দ চন্দ্ৰৰ মৃত্যু হোৱাত ব্ৰিটিছে কছাৰী ৰাজ্য দখল কৰে। এইক্ষেত্ৰত ব্ৰিটিছে স্বত্ববিলোপ নীতি প্ৰয়োগ কৰিছিল। তাৰ লগে লগে এটা স্বাধীন পৰাক্ৰমী জাতিৰ ভাগ্যৰবি অস্তমিত হ'ল।

অৱশ্যে সেই সময়লৈকে আনটো অংশত তুলাৰাম সেনাপতিয়ে ডিমাছা-কছাৰী ৰাজ্যত স্বতন্ত্ৰতা অক্ষুণ্ণ ৰাখিব পাৰিছিল। তৎসত্ত্বেও ব্ৰিটিছৰ কু-চক্ৰান্তৰ বলি হৈ তুলাৰাম সেনাপতিয়ে ১৮৩৪ চনত এখন চুক্তি স্বাক্ষৰ কৰিবলৈ বাধ্য হয়। এই চুক্তিৰ প্ৰতিটো দফাই তুলাৰাম সেনাপতিৰ ৰাজ্যৰ সাৰ্বভৌমত্বৰ প্ৰতি প্ৰত্যাহ্বান কঢ়িয়াই আনিছিল। চুক্তিৰ বিভিন্ন দফাসমূহ এনেধৰণৰ :

Agreement with Tularam Senapati

Terms of Agreement concluded with Tularam Senapati on the 3rd November under the Orders of Goverment, dated 16th October 1834.

(1) Tularam forgoes all claims to the country between the Morihur and Dyung and the Dyung and Kopili rivers, from which he was dispossed by Govandra Ram & Durga Ram.

(2) Tularam is to hold the remainder of the country formerly in his possession, or the tract of country bounded on the west by the Dyung river and a line to be determinded here after drawn from the Barce ford or the Dyung to apoint on the Jamoona river. between the cultivation of Sril Dhurmpur and Duboka and the Hajaee (excluding the two latter); by the Jamuna and Dyung rivers north, by the Dunsira river east and to the south and south-west the Nagahill and Mowheir river and he agrees to hold the above tract in dependence on the british goverment and to pay a yearly tribute, for their protec-

tion of four pairs of elephantes teeth, each pair to weigh 35 seers.

(3) Tularam, during his life, shall receive from the British Government a stipend of fifty rupees a month in consideration of the forgoing cessions and the Agreements.

(4) The British Government shall have the right of placing military posts in any part of Tularam's country and should there be occassion to march troops through it. Tularam engages to furnish them with all the requisites of carriage and provisions in his power, he being paid for the same.

(5) all petty offences committed within Tularam country, he shall take cognizance of, and do justice according to the custome of the country, but all heinous crimes shall be transfered to the nearest British court and Tularam engages to bring such to notic and endeavour to apprehend the offenders.

(6) Tularam shall not establish any custom chowkies on the rivers forming the boundaries of his country.

(7) Tularam will not commence any military operation against neighburing chiefs without permission of the British Government, and in case being attacked he shall report the same and be protected by British troops, provided the British authorities are satisfied that the agression had been unprovoked on his part.

(8) Ryots shall not be prevented emigrating to and setting on, either side of the boundary they many prefer.

(9) In case of failing to abide by these conditions the British Governments shall be at liberty to take possession of my country.

(Sd.) Tularam Senaputte
F. Tenins

এই চুক্তিৰ দ্বাৰা তুলাৰাম সেনাপতিৰ ডিমাছা ৰাজ্যৰ ওপৰত ব্ৰিটিছৰ সৰ্বতোপ্ৰকাৰৰ কৰ্তৃত্ব স্থাপন কৰা হয়। ১৮৫০ চনত ১২ অক্টোবৰ তাৰিখে তুলাৰাম সেনাপতিৰ মৃত্যু

হোৱাত ব্ৰিটিছে তেওঁৰ কোনো যোগ্য উত্তৰাধিকাৰ নথকাৰ অভিযোগ তুলি ১৮৫৪ চনৰ ২০ জুলাই তাৰিখে ডিমাছা ৰাজ্য দখল কৰে। এইদৰে এটা প্ৰাচীন প্ৰবল পৰাক্ৰমী স্বাধীন জাতিৰ ভাগ্যৰবিও অস্তমিত হয়।

ইয়াৰ পাছতে ব্ৰিটিছসকলে প্ৰশাসনিক সুবিধাৰ অৰ্থে কাছাৰ ৰাজ্যক কাছাৰ আৰু উত্তৰ কাছাৰ মহকুমাত বিভক্ত কৰে। আনহাতে তুলাৰাম সেনাপতিৰ ৰাজ্যৰ বিভিন্ন অংশ নৱগঠিত নগাঁও, শিৱসাগৰ আৰু নগাপাহাৰ জিলাত বিভক্ত কৰে। পৰৱৰ্তী সময়ত ডিমাছা-কছাৰীসকলৰ বিশাল ৰাজ্যখন সুৰমা উপত্যকা, বৰাক উপত্যকা আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ বিভিন্ন অংশত সিঁচৰতি হৈ পৰে। এনেদৰে এটা স্বাধীন, স্বতন্ত্ৰ জাতিসত্তাৰ জাতীয় ভৌগোলিক পৰিচয়ৰ অৱলুপ্তিৰ পথ সূচনা হয়।

স্বাভাৱিকভাৱে স্বাধীনচিতিয়া ডিমাছা-কছাৰীসকলৰ মাজত ব্ৰিটিছবিৰোধী চেতনা জাগ্ৰত হয়। তাৰে নমুনা দেখা যায় উত্তৰ কাছাৰৰ ডিমাছা বিদ্ৰোহী বীৰ শম্ভুধন ফাংলোছা নেতৃত্বাধীন সামৰিক অভ্যুত্থানৰ মাজত। শম্ভুধন ফাংলোছাই সশস্ত্ৰ সংগ্ৰামৰ সূচনা কৰে ডিমাছা গৃহভূমিত। হেৰোৱা ৰাজ্য পুনৰ উদ্ধাৰৰ এই প্ৰচেষ্টাত, শম্ভুধন ফাংলোছা ব্ৰিটিছৰ লগত প্ৰত্যক্ষ সংঘাতত লিপ্ত হয়। ১৮৮২ চনৰ জানুৱাৰী মাহত শম্ভুধন ফাংলোছা বাহিনীয়ে ডেপুটি কমিচনাৰ মেজৰ বয়ডক হত্যা কৰাৰ লগতে উত্তৰ কাছাৰ মহকুমা বিষয়া চি এ চপিটক আহত কৰে। অৱশ্যে ইয়াৰ পাছৰ বছৰ অৰ্থাৎ ১৮৮৩ চনৰ ১২ ফেব্ৰুৱাৰী তাৰিখে কাছাৰ জিলাৰ খাচপুৰত সাংগঠনিক কাম-কাজ চলাই থকা অৱস্থাত শম্ভুধন ফাংলোছাক হত্যা কৰা হয়। লগে লগে ডিমাছা জনগোষ্ঠীৰ প্ৰথমটো ব্ৰিটিছবিৰোধী সংগ্ৰাম ব্যৰ্থ হয়।

ইয়াৰ পাছত আন এগৰাকী ডিমাছা বীৰ ৰমণী জয়া থাউচেনে ডিমাছা সেনা গঠন কৰি ব্ৰিটিছবিৰোধী সংগ্ৰামত চামিল হয়। সশস্ত্ৰ মতবাদত বিশ্বাসী এইগৰাকী বীৰাংগনাই আজাদ হিন্দ ফৌজত যোগ দিয়াৰ উদ্দেশ্যে কোহিমা অভিমুখে যাত্ৰা কৰাৰ সময়ত ১৯৪৫ চনৰ ৭ এপ্ৰিল তাৰিখে ব্ৰিটিছ মিত্ৰবাহিনীৰ হাতত, ডিমাপুৰৰ ওচৰৰ খিৰেমখোৱাই বেন্দত নিহত হয়। ১৯৪৭ চনত ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পৰৱৰ্তী সময়ছোৱাত তদানীন্তন অসমৰ প্ৰধানমন্ত্ৰী গোপীনাথ বৰদলৈ আয়োগৰ ছুপাৰিশ অনুসৰি, পূৰ্বৰ তুলাৰাম সেনাপতি নিয়ন্ত্ৰণাধীন অঞ্চলক সামৰি শিৱসাগৰ আৰু নগাঁও জিলাৰ কিছু অংশ লৈ পৃথক মিকিৰ পাহাৰ মহকুমা গঠন কৰা হয়। ১৯৫১ চনত মিকিৰ পাহাৰ মহকুমা আৰু উত্তৰ কাছাৰক সামৰি সংযুক্ত উত্তৰ কাছাৰ আৰু মিকিৰ পাহাৰ জিলা গঠন কৰা হয়। ইয়াৰ পৰৱৰ্তী সময়ত অসম চৰকাৰে ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ আধাৰত ডিমাছা নেতা জয়ভদ্ৰ হাগজেৰ আৰু কাৰ্বি নেতা ছত্ৰ সিং টেৰনৰ সম্মতিসাপেক্ষে পৰৱৰ্তী সময়ৰ সংবিধানৰ ২৪৪ (এ)ৰ আধাৰত স্বায়ত্তশাসিত ৰাজ্য প্ৰদানৰ প্ৰতিশ্ৰুতিৰে পৃথক পৃথকভাৱে কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ জিলা গঠন কৰি স্বায়ত্তশাসিত জিলা পৰিষদ গঠনৰ ব্যৱস্থা প্ৰবৰ্তন কৰে। ডিমাছা জনগোষ্ঠীৰ জাতীয় সংহতি আৰু বিকাশৰ প্ৰশ্নটো স্বৰাজোত্তৰ কালছোৱাত ভাৰতীয় শাসকবৰ্গই সততে উপেক্ষা কৰাৰ পৰিলক্ষিত হৈছে। আজিৰ তাৰিখত সদৃশ ভাষা, কৃষ্টি, সামাজিক

পৰম্পৰা, মনস্তাত্ত্বিক গঠন, স্বকীয় ঐতিহ্যৰ দৰে জাতি গঠনৰ প্ৰাথমিক চৰ্তসমূহৰ উপেক্ষা কৰি ডিমাছা জনগোষ্ঠীক বিভিন্ন ভাগত ভাগ কৰা হৈছে। ভাৰতীয় সংবিধানৰ ধাৰা অনুসৰি ডিমাছা-কছাৰীসকল এইদৰে বিভক্ত—

১. উত্তৰ কাছাৰ আৰু কাৰ্বি আংলং জিলাত পাহাৰীয়া অনুসূচিত জনজাতি হিচাপে ডিমাছাসকল।

২. নগাঁও জিলাত ভৈয়াম অনুসূচিত জনজাতি হিচাপে হোজাই-কছাৰীসকল।

৩. কাছাৰ জিলাত ভৈয়াম অনুসূচিত জনজাতি হিচাপে বৰ্মনসকল।

৪. কৰিমগঞ্জ জিলাত ভৈয়াম অনুসূচিত জনজাতি হিচাপে টাংগামি বা বৰ্কমিনী বৰ্মনসকল।

৫. নগালেণ্ডত পাহাৰীয়া অনুসূচিত জনজাতি হিচাপে কছাৰীসকল।

এনেদৰে এসময়ৰ স্বাধীন, স্বতন্ত্ৰ জাতি এটাক ভাগ ভাগ কৰি পেলোৱাৰ ফলত জাতিটোৰ অস্তিত্বই বিপন্ন হৈ পৰিছে। ইয়াৰ ফলাফল সহজে অনুমেয়।

সাম্প্ৰতিক আৰ্থ-সামাজিক প্ৰেক্ষাপট : জাতীয় চেতনাৰ উন্মেষ

স্বাধীনতাৰ অৰ্ধশতিকাৰ অন্ততো, অসমৰ কাছাৰ, কৰিমগঞ্জ, উত্তৰ কাছাৰ, কাৰ্বি আংলং, নগাঁও জিলা আৰু নাগালেণ্ডৰ ডিমাপুৰ, ধনশ্ৰী উপত্যকাত বিভক্ত হৈ থকা ডিমাছাসকলৰ আৰ্থ-সামাজিক অৱস্থাৰ বিশেষ উন্নতি হোৱা নাই। অৰ্থনৈতিক আন্তঃগাঁঠনিৰ অভাৱ, প্ৰব্ৰজনৰ ফলত সৃষ্টি হোৱা জনগাঁথনিগত সমস্যা, শৈক্ষিক-বৌদ্ধিক বিকাশৰ বাবে পৰিকাঠামোগত সমস্যা আদি সমস্যাৰে, উত্তৰ-পূৰ্বাঞ্চলৰ আন আন জনগোষ্ঠীৰ লেখীয়াকৈ ডিমাচাসকলো ভাৰাক্ৰান্ত।

ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত উত্তৰ কাছাৰ জিলাত ডিমাছাসকলে জিলা পৰিষদৰ কেতবোৰ কাৰ্যকৰী নিৰ্দেশনাৰ বাবে ভূমি সংক্ৰান্ত অধিকাৰ লাভ কৰিছে। ১৯৬২ চনৰ ৬ জুলাই তাৰিখে Memo No GA/REV/5/14/62/21 নং জাননীৰ যোগেদি জিলা পৰিষদ কতৃপক্ষই ভূমি সংক্ৰান্ত কিছু নীতি-নিৰ্দেশনা জাৰি কৰে। ইয়াত স্পষ্ট ভাষাত কোৱা হৈছে—

> So far as land under periodie lease is concerned the tribal settlement holder cannot transfer his land to a non-tribal without prior permission of the Dristrict council sees whether the person to whom the land is proposed to be transfered is a permanent resident in the district and secondly whether he has enough land in his possession already even if he is a permanent resident.

ঠিক তেনেদৰে ১৯৫৪ চনত উত্তৰ কাছাৰ জিলাত এক ভূমি বন্দবস্তি নীতি গ্ৰহণ কৰা হয়। এই ভূমি বন্দবস্তি নীতিৰ যোগেদি স্পষ্ট ভাষাত কোৱা হৈছে—

> 'The first preference goes to the indegenous land. The second preference is given to the permanent non-tribal

residents of the district who are electors in the district council constitutencies.'

এনে নীতি কঠোৰভাৱে পালন কৰা বাবে উত্তৰ কাছাৰ জিলাৰ ডিমাছাসকলৰ ভূমি অধিকাৰ সুৰক্ষিত হৈ আছে।

কিন্তু ইয়াৰ বিপৰীতে কৰিমগঞ্জ, কাছাৰ, নগাঁও জিলাত বসবাস কৰা ডিমাছা-কছাৰীসকলক, ভূমি অধিকাৰ সংক্ৰান্তীয় ব্যৱস্থাৱলীয়ে সঠিক সুৰক্ষা প্ৰদান কৰিব পৰা নাই। ফলত প্ৰব্ৰজিত অখিলঞ্জীয়া জনসম্প্ৰদায়ৰ হাতত ডিমাছাসকলৰ ভূমি অধিকাৰ লুণ্ঠিত হৈছে। কাছাৰ আৰু কৰিমগঞ্জ জিলাত এনে প্ৰক্ৰিয়াই ভয়াবহ ৰূপ ধাৰণ কৰিছে। উদাহৰণস্বৰূপে, নগাঁও জিলাৰ বৰ্তমান হোজাই মহকুমাৰ লংকা ৰাজহচক্ৰৰ অধীনস্থ লংকাভেটা ট্ৰাইবেল ব্লকৰ কথাই ক'ব পৰা যায়। ১৯৫০ চনৰ ১ ফেব্ৰুৱাৰী তাৰিখে অসম চৰকাৰৰ ৰাজহ বিভাগৰ ৯৬/৪৬/২৯৪ নং জাননীৰ দ্বাৰা ৰবদলং লংকাভেটা ব্লক গঠন কৰা হয়। সেই সময়ত ইয়াৰ মাটি কালি আছিল ৫২.১৭৬ বিঘা। ১৯৮১ চনত সংশোধিত হোৱা 'Assam land and Revence Regulation Act 1886' ৰ দশম অধ্যায় যোগে ইয়াৰ সুৰক্ষা প্ৰদান কৰা হৈছে এইদৰে—

(a) No land holder shall transfer his land in a belt or block to any person not belonging to a class of people notified under section 160 or to any person who is not a permanant resident in the belt or block and that

(b) No such land holder shall transfer his land in a belt or block to any person who is a permanant resident in that belt or block or who does not belong to the notified or protected classes except with the previous permission of the Deputy Commissioner.

কিন্তু পৰিতাপৰ কথা এয়ে যে এনেধৰণৰ সুৰক্ষা ব্যৱস্থা থকা সত্ত্বেও, জনজাতিৰ বাবে সংৰক্ষিত ভূমিত অবাধ বেদখল হৈ আছে। আলোচ্য, ৰবদলং, লংকাভেটা ব্লকৰ গৰিষ্ঠসংখ্যক ভূমি বৰ্তমান অজনজাতি, অডিমাছা জনসম্প্ৰদায়ৰ দ্বাৰা দখল কৰা হৈছে। অজনজাতি, অখিলঞ্জীয়া জনসম্প্ৰদায়ৰ আগ্ৰাসনৰ ফলত বহুসংখ্যক ডিমাছা লোকে পৈতৃক মাটি-বাৰী এৰি গুচি যাবলগাত পৰিছে। আইনৰ সুৰুঙাসমূহ ব্যৱহাৰ কৰি অখিলঞ্জীয়া জনসম্প্ৰদায়সমূহে মাটিৰ পট্টা লাভ কৰিবলৈকো সক্ষম হৈছে। স্বাভাৱিকতে এনে প্ৰক্ৰিয়াৰ ফলশ্ৰুতিত খিলঞ্জীয়া ডিমাছা সমাজখনৰ অস্তিত্বৰ প্ৰতি তীব্ৰ ভাবুকি আহি পৰিছে।

তেনেদৰে প্ৰব্ৰজনকাৰী মাৰ জনগোষ্ঠীৰ লগত শেহতীয়াভাৱে ডিমাছাসকলৰ সংঘাত বৃদ্ধি পোৱাটো আন এক আৰ্থ-সামাজিক প্ৰক্ৰিয়াৰে ফলশ্ৰুতি। ইতিপূৰ্বে ব্ৰহ্মদেশৰ পৰা প্ৰব্ৰজন কৰি অহা মাৰ জনগোষ্ঠীয়ে ডিমাছা অধ্যুষিত উত্তৰ কাছাৰ জিলাত স্থায়ীভাৱে বসবাস কৰাৰ লগতে পাহাৰীয়া অনুসূচিত জনজাতি হিচাপেও স্বীকৃতি লাভ

কৰিছে। স্থান বিশেষে স্বায়ত্তশাসিত নিকায়সমূহৰো অংশীদাৰ হৈছে। পৰ্যায়ক্ৰমে উচ্চ শিক্ষাৰে শিক্ষিত খ্ৰীষ্টান ধৰ্মাবলম্বী মাৰসকল, ডিমাছাসকলৰ স'তে চাকৰি-বাকৰি আদি ক্ষেত্ৰসমূহতো প্ৰতিদ্বন্দ্বিতাত নামি পৰিল। অধিক সা-সুবিধাৰ দাবীদাৰ হৈ উঠা মাৰসকল বহুলাংশে ডিমাছাসকলৰ বাবে এক প্ৰত্যাহ্বানস্বৰূপ হৈ পৰিল। ডিমাছাসকলৰ মাজত জাতীয় চেতনা তীব্ৰ হোৱাৰ প্ৰেক্ষাপট তথা স্বায়ত্তশাসিত নিকায়সমূহে সৃষ্টি কৰা উভয় জনগোষ্ঠীৰ মধ্যশ্ৰেণীৰ পাৰস্পৰিক শ্ৰেণী দ্বন্দ্বই এনে সংঘাত পৃষ্ঠভূমি তৈয়াৰ কৰিছে। ফলত গৃহভূমিতে ডিমাছাসকল বাস্তুহাৰা হ'বৰ উপক্ৰম হৈছে।

ডিমাছা ভাষা-সাহিত্যৰ ক্ষেত্ৰখনো বৰ্তমান সময়ৰ তুলনাত বহু সমস্যাৰে ভাৰাক্ৰান্ত হৈ পশ্চাদপদ অৱস্থাত আছে। ডিমাছা অধ্যুষিত অঞ্চলত অসমীয়া, বঙলা ভাষাৰ প্ৰচলন হৈ আছে। কিন্তু বিশেষভাৱে শিক্ষাৰ মাধ্যম হিচাপে বঙলা ভাষাৰ ব্যাপক প্ৰচলনৰ ফলত ডিমাছা ভাষাৰ বিকাশৰ গতি স্থবিৰ হৈ উঠিছে। ডিমাছা ভাষা এক সু-প্ৰাচীন ঐতিহ্যপূৰ্ণ ভাষা। ধনশিৰি উপত্যকা, কপিলী উপত্যকাৰ বিভিন্ন খনন কাৰ্যত এই ভাষাৰ আদিৰূপ দেখা পোৱা যায়। চীন-তিব্বতীয় ভাষা গোষ্ঠীৰ ডিমাছাসকলৰ ভাষা ইতিহাসৰ এক সমৃদ্ধিশালী পৰম্পৰা আছে। অসমীয়া ভাষাতো ডিমাচা ভাষাৰ বহু শব্দৰূপ দেখা পোৱা যায়। কিন্তু তৎসত্বেও আজিকোপতি ডিমাছা ভাষাৰ স্বকীয় ৰূপ প্ৰকৃতাৰ্থত প্ৰতিষ্ঠা নোহোৱাটো দুৰ্ভাগ্যজনক হিচাপেই বিবেচিত হৈছে। ইয়াৰ বাবে মাতৃভাষাৰ যোগেদি শিক্ষা লাভ কৰাৰ প্ৰক্ৰিয়াৰ পৰা ডিমাছা শিশুসকল বঞ্চিত হ'বলগাত পৰিছে। সেইদৰে ডিমাছা ভাষাত গ্ৰন্থ প্ৰকাশৰ ব্যৱস্থাপনাও অতি দুখঃজনক। বহুকেইটা ভাষাত ডিমাছা সম্বন্ধীয় লেখা-মেলা প্ৰকাশ পাইছে যদিও সি পৰ্যাপ্ত নহয়। কাজেই জাতীয় ভাষা-সাহিত্য প্ৰতিষ্ঠাৰ দিশত ডিমাছা লিৰিডেম মেলৰ লগতে জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰে বহুখিনি কৰণীয় আছে।

স্বাভাৱিকভাৱে দীৰ্ঘদিনীয়া আৰ্থ-সামাজিক অনগ্ৰসৰতা, ভূমি সমস্যা, স্থানচ্যুতি আদি ঘটনা-প্ৰতিঘটনাই ডিমাছা জনগোষ্ঠীৰ জাতীয় চেতনা বৃদ্ধি কৰাত সহায় কৰিলে। বিভিন্ন ধৰণৰ ৰাজনৈতিক অনুশীলন— ইয়াৰ এক উৎকৃষ্ট নমুনা। বিভিন্ন কাৰণত, ষষ্ঠ অনুসূচীৰ সীমাবদ্ধতা প্ৰকট হৈ অহাৰ লগে লগে স্বায়ত্তশাসিত ৰাজ্যৰ ধাৰণাটিয়ে ব্যাপক প্ৰসাৰ আৰু প্ৰচাৰ লাভ কৰিলে। চি পি আই (এম এল) দলৰ তাত্বিক সহযোগিতাত গঠন হোৱা স্বায়ত্তশাসিত ৰাজ্য দাবী সমিতিয়ে, উত্তৰ কাছাৰ আৰু কাৰ্বি আংলং জিলাত ব্যাপক সঁহাৰি লাভ কৰিছিল। ডিমাছা ছাত্ৰ সন্থাৰ দৰে সংগঠনে ইয়াৰ প্ৰতি সমৰ্থন প্ৰকাশ কৰি আহিছে। ইয়াৰ পূৰ্বে জয়ভদ্ৰ হাগজেৰৰ নেতৃত্বত ট্ৰাইবেল লীগ, ট্ৰাইবেল সংঘ আৰু অখিল হিড়িম্বা বৰ্মন ছাত্ৰ সমিতিয়ে ডিমাছা জাতীয় আন্দোলন সূচনা কৰাৰ নজিৰ আছে। ১৯৮৬ চনত মহেন্দ্ৰ ডাউলাগাপু, জুৱেল গাৰলোছা আদিৰ নেতৃত্বত জন্ম লোৱা ডিমাছা ছাত্ৰ ফেডাৰেচন নামৰ সংগঠনটিয়ে ব্যাপক প্ৰসাৰ লাভ কৰিছিল। ১৯৯২ চনত চানমনি কেম্প্ৰাই আৰু দিলীপ নুনিছাৰ নেতৃত্বত সদৌ ডিমাছা ছাত্ৰ সন্থা গঠন কৰা হয়। জন্ম মুহূৰ্তৰ পৰাই এই সংগঠনটিয়ে ডিমাছা জনগোষ্ঠীৰ বাবে পৃথক গৃহভূমি ডিমাৰাজিৰ দাবী উত্থাপন কৰি আহিছে। 'ডিমাৰাজি'ৰ সমৰ্থনত

ইতিমধ্যে ডিমাৰাজি ৰিভাইভেল ডিমাও কমিটী, ডিমাৰাজি ষ্টেটহুড পাৰ্টি, ডিমাৰাজি মহিলা সমাজ, ডিমাৰাজি খনুং হাচম, মাৰ্জাৰ কমিটী আদি গণসংগঠনৰ সৃষ্টি হৈছে। এই সংগঠনসমূহে 'ডিমাৰাজি'ৰ দাবীৰে, ডিমাছা জাতীয় আন্দোলনক এক নতুন মাত্ৰা প্ৰদান কৰিছে।

তাৎপৰ্যপূৰ্ণভাৱে 'ডিমাৰাজি'ৰ দাবীত সশস্ত্ৰ সংগঠনবো জন্ম হৈছে। ১৯৯৪ চনত ডিমাছা জাতীয় সুৰক্ষা বাহিনী নামৰ এটি সশস্ত্ৰ সংগঠন গঠিত হয়। অৱশ্যে অতি কম সময়ৰ ভিতৰতে এই সংগঠনটিৰ গৰিষ্ঠসংখ্যক সদস্যই আত্মসমৰ্পণ কৰাত সংগঠনটি লুপ্ত হয়। ইয়াৰ পাছত ১৯৯৬ চনত একালৰ ছাত্ৰনেতা জুৱেল গাৰলোছা, দিলীপ নুনিছাৰ নেতৃত্বত ডিমা হালম ডাউগা নামৰ আন এটি সশস্ত্ৰ সংগঠনৰ সৃষ্টি হয়। এই সংগঠনটিয়ে ডিমাৰাজিকে মূল দাবী হিচাপে গ্ৰহণ কৰিছে। ২০০৩ চনৰ ১ জানুৱাৰীৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ লগত যুদ্ধবিৰতি চুক্তি স্বাক্ষৰ কৰা এই সংগঠনটিয়ে ভাৰতীয় সংবিধানৰ ২, ৩ নং অনুচ্ছেদৰ আধাৰত ডিমাৰাজি গঠনৰ বাবে আলোচনা চলাই আছে যদিও সি এতিয়াও ফলপ্ৰসূ হৈ উঠা নাই।

ডিমাৰাজি ঃ প্ৰাসংগিকতা, যুক্তিযুক্ততা আৰু কিছু কথা

ইতিমধ্যে সদৌ ডিমাছা ছাত্ৰ সন্থা আৰু ডিমাৰাজি ৰিভাইভেল ডিমাও কমিটীৰ তৰফৰ পৰা প্ৰস্তাৱিত ডিমাৰাজিৰ মানচিত্ৰই অসমৰ কাছাৰ, নগাঁও, উত্তৰ কাছাৰ, কাৰ্বি আংলং জিলাৰ বাহিৰেও নাগালেণ্ডৰ ডিমাপুৰ আৰু ধনশ্ৰী উপত্যকাৰ ডিমাছা অধ্যুষিত অঞ্চলবোৰ সামৰি লৈছে। আমাৰ হাতত থকা তথ্য অনুসৰি এই জিলাসমূহ সামৰি লোৱা ডিমাছা অধ্যুষিত অঞ্চলসমূহ এনেধৰণৰ—

১. **কাছাৰ জিলা ঃ** বিহাৰা, বৰখোলা, উদু, উধাৰবন্দ, চানপুৰ, কামৰাংবন্দ, ফুলেৰতপ, তালকা, ৰামনগৰ, কাঞ্চনপুৰ, ধলাই, কংগলাই।

২. **নগাঁও জিলা ঃ** পাথৰখোলা, লংমাইলু, হাবাইপুৰ, লংকা, হোজাই, যোগীজান, যমুনামুখ।

৩. **উত্তৰ কাছাৰ জিলা ঃ** সমগ্ৰ জিলা অঞ্চল।

৪. **কাৰ্বি আংলং ঃ** ডিলাই, ডিদাওলা, তাইজাল, থাইবুং, টুইটাং, জৰ্বালং, লানংগাৰিথনলা, লংগি, চিকাৰিঘাট, বকলিয়া, হাওৰাঘাট, হাওৰাঘাট তিনিআলি, বালিজান, ঔখৰেংগ, ইৰাডিঘাট, পাৰখোৱা, তৰাডুবি, ৰূপাইপথাৰ, কলংগা, আমৰেং।

৫ **ডিমাপুৰ মহকুমা, নাগালেণ্ড ঃ** ডিমাপুৰ, ডাৰোগাজান, ডিচিমগাঁও, ডিচাওফা, ধনশ্ৰীপাৰ, আমলুখা, দৈয়াপুৰ, গণেশ নগৰ, হাজৰাদিশা, মণ্ডলুমুখ।

ইয়াৰ বাহিৰেও কৰিমগঞ্জ জিলাত, ডিমাছা অধ্যুষিত অঞ্চলসমূহ সামৰি এখন স্বায়ত্তশাসিত পৰিষদ গঠন কৰাৰ বাবেও এটি প্ৰস্তাৱ তুলি ধৰা হৈছে।

প্ৰস্তাৱিত ডিমাৰাজিৰ অন্তৰ্ভুক্ত এই বৃহৎ অঞ্চলসমূহৰ আশে-পাশে বা স্বয়ং অঞ্চলসমূহতো, ঠাই বিশেষে অডিমাছা আন আন জনগোষ্ঠীয়ে বসবাস কৰি আহিছে। নগা, কাৰ্বি আদি বৃহৎ জনগোষ্ঠীৰ বাহিৰেও, মাৰ, কুকি, পাইটে, বেটে, ৰাংখল আদি ক্ষুদ্ৰ জনগোষ্ঠী আৰু নেপালী, বঙালী, বিহাৰী, মুছলমান আদি প্ৰব্ৰজিত জনসম্প্ৰদায়ে

এই অঞ্চলবোৰত দীৰ্ঘদিন দৰি বসবাস কৰি আহিছে। প্ৰস্তাৱিত ডিমাৰাজিত এই জনগোষ্ঠী, জনসম্প্ৰদায়সমূহৰ স্থিতি কেনে হ'ব, সেই প্ৰশ্ন অতি গুৰুত্বপূৰ্ণ বিবেচিত হৈছে। নামনি অসমত বড়োসকলৰ বাবে বি টি এ ডি গঠন হোৱা সময়ত অবড়ো জনগোষ্ঠীসমূহ আৰু বিশেষভাৱে কোঁচ ৰাজবংশীসকলে গ্ৰহণ কৰা পদক্ষেপৰ বাবেই এই সংশয়াচ্ছন্ন প্ৰশ্ন জাগ্ৰত হৈছে। ইতিমধ্যে প্ৰস্তাৱিত ডিমাৰাজিৰ প্ৰতি শংকা প্ৰকাশ কৰি ডিমাছা সংখ্যাগৰিষ্ঠ, স্বয়ং উত্তৰকাছাৰ জিলাতে বেটে, কুকি, ৰাংখল আদি ক্ষুদ্ৰ জনগোষ্ঠীসমূহে 'ইণ্ডিজেনাছ পিপলছ ফ'ৰাম নামৰ এটি সংগঠনৰ জন্ম দিছে। এই সংগঠনে প্ৰস্তাৱিত ডিমাৰাজিৰ বিৰোধিতা কৰাৰ বাহিৰেও ডিমাচাসকল আহোমৰ হেঁচাত উত্তৰ কাছাৰলৈ প্ৰব্ৰজন হৈ অহা জনগোষ্ঠী বুলি অভিযোগ উত্থাপন কৰিছে। আনহাতে কাৰ্বি সশস্ত্ৰ সংগঠন ইউনাইটেড পিপ'লছ ডেম'ক্ৰেটিক ছ'লিডাৰিটিয়ে প্ৰকাশ কৰা মানচিত্ৰই প্ৰস্তাৱিত 'ডিমাৰাজি'ৰ বহু অঞ্চল সামৰি লৈছে। সেয়ে এনে বিবদমান অঞ্চলসমূহৰ ভৱিষ্যতৰ বাবেও প্ৰশ্ন উত্থাপিত হৈছে। অতি সম্প্ৰতি ধনশ্ৰী উপত্যকাত ডিমাছা সশস্ত্ৰ সংগঠন ডি এইচ ডি আৰু কাৰ্বি সশস্ত্ৰ সংগঠন ইউ পি ডি এছৰ মাজত যি মতানৈক্য সৃষ্টি হোৱাৰ বতৰা পোৱা গৈছে, সি অনাগত সময়ছোৱাত এক ভয়াবহ ভৱিষ্যতৰ ইংগিত বহন কৰিছে। উভয় সংগঠনে এৰা-ধৰা মনোভাবেৰে বিষয়সমূহ পৰ্যালোচনা কৰাৰ যথেষ্ট প্ৰয়োজনীয়তা আছে। সেইদৰে নগা বিদ্ৰোহী সংগঠন এন এছ চি এন ইশ্বাক মুইভা গোটে, প্ৰস্তাৱিত নাগালিমৰ মানচিত্ৰত সমগ্ৰ উত্তৰ কাছাৰ জিলাক অন্তৰ্ভুক্ত কৰাৰ সময়ত ডিমাপুৰক লৈ গঠন কৰা প্ৰস্তাৱিত ডিমাৰাজি সন্দৰ্ভত যে কঠোৰ মনোভাব গ্ৰহণ নকৰিব তাৰ কোনো মানে নাই। এন এছ চি এন ইশ্বাক মুইভা গোটে বৰ্তমানলৈকে ডিমাৰাজি সন্দৰ্ভত কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই যদিও শেহতীয়া মাৰ-ডিমাছা সংঘাতত, এন এছ চি এন ইশ্বাক মুইভা গোটৰ হাতত আছে বুলি ডি এইচ ডিকে আদি কৰি ভালেকেইটা ডিমাছা সংগঠনে অভিযোগ উত্থাপন কৰা প্ৰক্ৰিয়া অতি তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হৈছে। প্ৰস্তাৱিত 'ডিমাৰাজি'ৰ প্ৰতি সংশয় প্ৰকাশ কৰিয়ে মাৰ বিদ্ৰোহী সংগঠন মাৰ পিপ'লছ কনভেনচন (ডি)এ তীব্ৰ ডিমাছাবিৰোধী অভিযান আৰম্ভ কৰিছে বুলি ভু ৰখা মহলে ক'ব খোজে। তেনেদৰে আজিৰ তাৰিখলৈকে নীৰৱ হৈ থকা বঙালী, নেপালী, বিহাৰী, অভিবাসী মুছলমান আদি জনসম্প্ৰদায়ে প্ৰস্তাৱিত ডিমাৰাজিৰ প্ৰতি কেনে দৃষ্টিভংগী গ্ৰহণ কৰে তাক সময়েহে ক'ব।

ভাৰতবৰ্ষৰ বৰ্তমান ৰাজনৈতিক ব্যৱস্থাত 'ডিমাৰাজি' আন্দোলনৰ ভৱিষ্যত কি হ'ব তাৰো উমান লোৱাৰ প্ৰয়োজনীয়তা আছে। শেহতীয়াভাৱে ঝাৰখণ্ড, উত্তৰ অঞ্চল, ছত্তীশগড় আদি ৰাজ্য গঠন কৰাৰ পাছত ৰাজ্য গঠনৰ সমগ্ৰ প্ৰক্ৰিয়াটোৱে স্থগিত কৰি ৰখা হৈছে। যাৰ বাবে গুজৰাটৰ ভীলস্থান দাবী আন্দোলন, পশ্চিম বংগৰ গোৰ্খালেণ্ড আন্দোলন, কমতাপুৰ আন্দোলন, আনকি অসমৰ বড়োলেণ্ড আন্দোলনৰ সমগ্ৰ প্ৰক্ৰিয়া স্তব্ধ হৈ পৰিছে। দশকজোৰা ৰক্তাক্ত সংগ্ৰামৰ অন্তত বড়ো সশস্ত্ৰ সংগঠন বি এল টিয়ে বড়োলেণ্ডৰ দাবী ত্যাগ কৰি, ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ সংশোধনিৰে বি টি

চি গঠনৰ বাবে চুক্তি স্বাক্ষৰ কৰা প্ৰক্ৰিয়া ইয়াৰ অন্যতম উদাহৰণ। এনে পৰিস্থিতিত প্ৰস্তাবিত ডিমাৰাজ্যিৰ ভৱিষ্যত সন্দৰ্ভত কিছু প্ৰশ্ন আৰু পৰিপূৰক প্ৰশ্ন জাগ্ৰত হৈছে।

অৱশ্যে, ইয়াৰ দ্বাৰাই ডিমাছা জাতীয় আন্দোলন বা ডিমাছাসকলৰ আত্ম-প্ৰতিষ্ঠাৰ সংগ্ৰামৰ প্ৰাসংগিকতাক অস্বীকাৰ কৰা নাযায়। যি সাম্ৰাজ্যবাদী কূটকৌশলত একালৰ স্বাধীন, স্বতন্ত্ৰ ডিমাছা-কছাৰী জাতিয়ে নিজৰ সাৰ্বভৌমত্ব হেৰুৱাইছিল, স্বাধীনতাৰ পিছতো ভাৰত চৰকাৰৰ নীতিৰ কাৰণে ডিমাছাসকলে নানা ভাগত বিভক্ত হৈ জাতীয় পৰিচয় হেৰুৱাই পেলোৱাৰ উপক্ৰম হৈছে, আৰ্থ-সামাজিক অনগ্ৰসৰতা আৰু অবাধ জনপ্ৰব্ৰজনে ডিমাছাসকলৰ অস্তিত্বৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে, তাক অস্বীকাৰ কৰিলে ইতিহাস আৰু বৰ্তমানৰ বাস্তৱ পৰিস্থিতিকে অস্বীকাৰ কৰা হ'ব। সেয়েহে এই পৃষ্ঠভূমিৰ প্ৰেক্ষাপটত, ডিমাছাসকলৰ জাতীয় প্ৰশ্নসমূহক পৰ্যালোচনা কৰাৰ যোগেদি ডিমাছা জনগোষ্ঠীৰ ভৱিষ্যৎ মাৰ্গ নিৰ্ণয় কৰিব লাগিব।

গ্ৰন্থঋণ

১ কছাৰী বুৰঞ্জী— সম্পাদক ঃ ড° সূৰ্য কুমাৰ ভূঞা
২ ইতিহাসে সোঁৱৰা ছশটা বছৰ— সৰ্বানন্দ ৰাজকুমাৰ
৩ The Comprehensive History of Assam, Vol II, Ed by Dr H K Borpujari
৪ Report on the survey of Alienation of Tribal land in Assam
৫ জাতীয় প্ৰশ্ন আৰু আত্মনিয়ন্ত্ৰণ— ড° ধ্ৰুৱজ্যোতি বৰা
৬ Nationality Question– V.I. Lalin
৭ A Mamorandum to the Prime minister of India by all Dimasa student Union
৮ অসমীয়া সাহিত্য সংস্কৃতিলৈ বিভিন্ন জনগোষ্ঠীৰ অৱদান- উপেন্দ্ৰ বৰকটকী

পূৰ্বপ্ৰকাশ ঃ কপিলী-যমুনা, অসম সাহিত্য সভাৰ বিশেষ অধিৱেশন, হোজাই, ফেব্ৰুৱাৰী/২০০৪

২৪ বিশ্বায়নৰ প্ৰেক্ষাপটত জ্যোতি-চিন্তাৰ প্ৰাসংগিকতা

পেপছি-কোকাকোলা-জৰ্জ বুশ্ব-বিশ্বকাপ-ক্ৰিকেট-ইৰাক-এঘাৰ ছেপ্টেম্বৰ, দোহা-ছিয়াটল...। আপাতদৃষ্টিত কোনোবাই এনে শব্দপুঞ্জ উচ্চাৰণ কৰিলে তাক প্ৰলাপ বুলিয়েই শুনা যাব। কিন্তু অলপ টং কৰিলেই, আজিৰ বিশ্ব সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক ক্ষেত্ৰখনত এনে শব্দপুঞ্জৰ গূঢ়াৰ্থ হৃদয়ংগম কৰিব পৰা যাব। এনেদৰে উচ্চাৰিত প্ৰতিটো শব্দই এনে কেতবোৰ প্ৰসংগ কঢ়িয়াই আনে— যাৰ পৰিসীমা অসীম। এনে অসীম বিন্দুৰ পৰাই আলোচ্য বিষয় হিচাপে সংস্কৃতিৰ প্ৰসংগক আঁজুৰি অনা হ'ল।

সংস্কৃতি মানুহৰ সঠিক জীৱনযাত্ৰাৰ লগত ওতঃপ্ৰোতভাৱে জড়িত এক প্ৰপঞ্চ। এটা শিশু জন্ম হোৱাৰ পৰা বৃদ্ধাৱস্থাত মৃত্যু হোৱালৈকে, এজন মানুহে ৰাতিপুৱা শুই উঠি পুনৰ শোৱাপাটীত পৰালৈকে যি পৰিক্ৰমাৰ মাজেৰে আগবাঢ়ে, তাকে সংস্কৃতি বুলিব পৰা যায়। এই পৰিক্ৰমাই ব্যক্তিসত্তাৰ পৰা উত্তৰণ ঘটি সামূহিক বা সামাজিক স্তৰ লাভ কৰিলে, জাতিগত পৰ্যায় নতুবা দেশগত অৱস্থা লাভ কৰিলেই, তাক সামাজিক-সংস্কৃতি, জাতীয় সংস্কৃতি বা দেশীয় সংস্কৃতি হিচাপে চিহ্নিত কৰিব পৰা যায়। তেনেদৰে জাতি-দেশ-সমাজৰ পৰিধি ভাঙি যেতিয়াই কোনো সাংস্কৃতিক উপাদানে বিস্তৃতি লাভ কৰে, তেতিয়াই সি আন্তৰ্জাতিক স্তৰ বা বিশ্বজনীন চৰিত্ৰ লাভ কৰে। এটা উদাহৰণৰ যোগেদি বিষয়টো স্পষ্ট হোৱা যাওক। মানৱ সভ্যতা-সংস্কৃতিৰ ইতিহাসত 'নদী'ৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। নদীকেন্দ্ৰিক সামূহিক জীৱনযাত্ৰাই এটা সভ্যতা,

এটা সংস্কৃতিক যাউতিযুগীয়া ৰূপ দি গৈছে। 'নদী'ক এক প্ৰতীক হিচাপে ধৰিলে দেখা যাব যে নদীক কেন্দ্ৰ কৰি জাতীয় বা দেশীয় সংস্কৃতি গঢ় লৈ উঠিছে। আকৌ এনেদৰে বিভিন্ন স্থানত গঢ় লৈ উঠা জাতীয় বা কেন্দ্ৰীয় সংস্কৃতিক 'নদী'য়ে একেডাল সূতাৰে গাঁঠিব পাৰিছে। সেয়ে নদী দেশজ জাতীয় সংস্কৃতিৰ উপাদান আৰু একে সময়তে সামগ্ৰিক বিশ্ব সাংস্কৃতিক উপাদান হিচাপে পৰিগণিত হৈছে। সেয়ে হয়তো, আমেৰিকাত নিগ্ৰো গায়ক পল ৰবছনে অ' ৰিভাৰ (Oh, River) বুলি মৰা চিঞৰটোৰ প্ৰতিধ্বনি আমাৰ অসমত ভূপেন হাজৰিকাৰ কণ্ঠত বুঢ়া লুইতলৈকে শুনা গৈছে। কোনোবা অনামী শিল্পীৰ কণ্ঠত 'চিৰিলুইতৰ কহুৱাডৰা'ৰ পৰা আৰম্ভ কৰি, 'সুজন গাঙৰ নাইয়া ৰে' বুলিও শুনা গৈছে। চমু অৰ্থত যিকোনো দেশজ জাতীয় সংস্কৃতিৰ মাজত কেতবোৰ বিশ্বজনীন উপাদান লুকাই থাকে আৰু সিয়েই সংস্কৃতিক এক সাৰ্বজনীন চৰিত্ৰ প্ৰদান কৰে।

সমাজ বিবৰ্তনৰ দ্বান্দ্বিক সূত্ৰানুসৰি সমাজত একচেতীয়া পুঁজিৰ উত্থানৰ ফলশ্ৰুতিত সমাজত কেতবোৰ ন ন প্ৰপঞ্চৰ জন্ম হ'ল। পুঁজিবাদ তেনে এক আৰ্থ-ৰাজনৈতিক প্ৰপঞ্চ। উদ্যোগ বিপ্লৱ, বিজ্ঞানৰ ন ন আবিষ্কাৰ আদি অনুঘটকে এই প্ৰপঞ্চক অধিক শক্তিশালী আৰু গতিশীল কৰি তুলিলে। সময়ত, স্তূপীকৃত পুঁজিৰ অভূতপূৰ্ব বিকাশ আৰু বিস্তাৰৰ বাবে পুঁজিবাদ এক শক্তিশালী ব্যৱস্থা হিচাপে পৰিগণিত হ'ল। নক'লেও চলে যে আধুনিক জাতিৰাষ্ট্ৰৰ ধাৰণা এনে পুঁজিবাদী ব্যৱস্থাৰে ফচল। ইউৰোপৰ বিভিন্ন শক্তিশালী জাতিৰাষ্ট্ৰসমূহৰ উদ্ভৱ আৰু বিকাশৰ ইতিহাসে এই কথাৰ স্বাক্ষৰ দাঙি ধৰে। জাতিৰাষ্ট্ৰসমূহৰ এনে উত্থানৰ ফলত, পুঁজিবাদী অৰ্থব্যৱস্থা কেতবোৰ ভয়ংকৰ সংকটৰ সন্মুখীন হ'ল। তাৰ ভিতৰত উৎপাদিত পণ্য সামগ্ৰীৰ বজাৰ আৰু আধুনিক পুঁজিবাদী উদ্যোগসমূহৰ কেঁচামালৰ বাবে হোৱা সংকট অন্যতম। এনে সংকটৰ বাবেই ইউৰোপীয় জাতিৰাষ্ট্ৰসমূহৰ মাজত সংঘাত আৰু সংঘৰ্ষৰ পৰিৱেশ সৃষ্টি হ'ল। তাত অনুঘটকৰ ভূমিকা ল'লে, বিভিন্ন ধৰণৰ জাতীয় সাংস্কৃতিক শ্ৰেষ্ঠতা প্ৰতিপন্নতাৰ আত্মৰক্তি যুঁজখনে। জাতীয় ভাষা-সংস্কৃতি হিচাপে কোন শ্ৰেষ্ঠ? ফৰাচী ভাষা-সংস্কৃতি নে ইংলণ্ডৰ স্কট ভাষা-সংস্কৃতি? জাৰ্মান দাৰ্শনিক মতবাদসমূহ নে ইটালীয় মতবাদসমূহ? এনে সংঘাত আৰু সংশয়ৰ অৱসান বিচাৰি শেহাস্তত এই জাতিৰাষ্ট্ৰসমূহে বিজ্ঞানৰ ন ন আবিষ্কাৰ কলা-কৌশলসমূহক আশ্ৰয় কৰি পৃথিৱীৰ দিহিঙে-দিপাঙে, নিজৰ ঔদ্যোগিক কেঁচামাল, বজাৰৰ সন্ধানত বাট বুলিবলৈ ল'লে। ফলত, পৃথিৱীজুৰি ন ন দেশ, অঞ্চল এই জাতিৰাষ্ট্ৰসমূহৰ পদানত হ'ল। ইয়াকে সমাজ বিজ্ঞানীসকলে ঔপনিৱেশবাদ হিচাপে অভিহিত কৰিছে। এই ঔপনিৱেশবাদৰ ফলশ্ৰুতিত পৃথিৱীৰ বিভিন্ন প্ৰান্তত ইউৰোপীয় জাতিৰাষ্ট্ৰসমূহৰ নতুন নতুন উপনিৱেশ সৃষ্টি হ'ল। স্বাভাৱিকভাৱেই স্বজাতিৰ ভাষা-সংস্কৃতিৰ গৌৰৱৰে গৌৰৱান্বিত, এই জাতিৰাষ্ট্ৰসমূহে দখলীকৃত উপনিৱেশসমূহৰ দেশজ সাংস্কৃতিক উপাদানসমূহ গৰকি, নিজৰ ভাষা-সংস্কৃতি জাপি দিয়াৰ এক অশুভ পৰম্পৰাৰো সূচনা হ'ল। যিহেতু অধিকাংশ উপনিৱেশবাদী জাতিৰাষ্ট্ৰই পৃথিৱীৰ পশ্চিম প্ৰান্তক প্ৰতিনিধিত্ব কৰিছিল আৰু

উপনিৱেশসমূহ পূব প্ৰান্তত অৱস্থিত আছিল, সেয়ে বৌদ্ধিক স্তৰত প্ৰাচ্য আৰু পাশ্চাত্য সাংস্কৃতিক উপাদানৰ শ্ৰেষ্ঠতাক লৈও বিতৰ্কৰ সূচনা কৰা হ'ল। নানাধৰণৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু বৈজ্ঞানিক ক্ষমতাৰ দ্বাৰা বলীয়ান হৈ পাশ্চাত্যৰ মতবাদক শ্ৰেষ্ঠতাৰ শিৰস্ত্ৰাণ পৰিধান কৰোৱা হ'ল।

স্বাভাৱিকভাৱেই ঔপনিৱেশিক শক্তিসমূহৰ এনে অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক অৱদমন আৰু প্ৰভূত্ববাদৰ বিৰোধিতা উপনিৱেশসমূহৰ পৰাই আৰম্ভ হ'ল। দীৰ্ঘকালৰ বঞ্চনা, শোষণ, নিপীড়নৰ প্ৰতিবাদকল্পে উপনিৱেশসমূহত এক জাতীয় জাগৰণৰ সৃষ্টি হ'ল। এই জাগৰণক জাতীয় মুক্তি আন্দোলন— এই অভিধাৰে সূত্ৰায়িত কৰা হ'ল। জাতীয় মুক্তি আন্দোলনৰ ফলশ্ৰুতিত উপনিৱেশসমূহৰ জনগণৰ মাজত ৰাজনৈতিক সচেতনতাৰ সৃষ্টি হ'ল আৰু জাতীয় জাগৰণৰ অংশ হিচাপে জাতীয় ভাষা সংস্কৃতি প্ৰতিষ্ঠাৰো এক সংগ্ৰাম আৰম্ভ হ'ল। ঠায়ে ঠায়ে আকৌ জাতীয় জাগৰণৰ নামত পুনৰোত্থানবাদী ধ্যান-ধাৰণাৰো জন্ম হ'ল। এনে প্ৰতিৰোধ সংগ্ৰামে ঔপনিৱেশিক শক্তিসমূহৰ মৰ্মস্থলত আঘাত হানিলে। সমসাময়িকভাৱে, ঔপনিৱেশিক শক্তিসমূহৰ মাজত আভ্যন্তৰীণ দ্বন্দ্ব আৰু সংঘাতে এনে পৰ্যায় পালেগৈ যে দুখনকৈ বিশ্বযুদ্ধৰ ঘটনা-পৰিঘটনাই সমগ্ৰ বিশ্ব কঁপাই তুলিলে। বিশ্বযুদ্ধৰ পাৰ্শ্বক্ৰিয়া সেই সময়ৰ উপনিৱেশসমূহতো পৰিল। আনহাতে সমসাময়িক সময়ছোৱাত জাৰ্মানীত হিটলাৰৰ 'নাজীবাদৰ লেখীয়া উগ্ৰ জাতীয়তাবাদী মতাদৰ্শ আৰু ৰুছিয়াত কাৰ্লমাক্স-ফ্ৰেডৰিক এংগেলছৰ চিন্তা তথা ভি আই লেনিনৰ প্ৰায়োগিক চিন্তা-চৰ্চাৰে মাৰ্ক্সবাদ-লেনিনবাদৰ দৰে প্ৰগতিশীল মতাদৰ্শৰো বিকাশ আৰু বিস্তাৰ লাভ কৰিলে। নাজীবাদে সমগ্ৰ বিশ্বৰ বাবে ত্ৰাস কঢ়িয়াই অনাৰ সময়তে মাৰ্ক্সবাদ-লেনিনবাদে বিশ্বৰ নিপীড়িত জনগণৰ বাবে মুক্তিৰ বতৰা কঢ়িয়াই আনিলে। এনে প্ৰেক্ষাপটত উপনিৱেশসমূহত তীব্ৰ ৰূপ ধাৰণ কৰা জাতীয় মুক্তি আন্দোলনে এক নতুন দিশ লাভ কৰিলে। এহাতে দুখনকৈ বিশ্বযুদ্ধই সৃষ্টি কৰা পুঁজিবাদী জাতিৰাষ্ট্ৰসমূহৰ ভয়ংকৰ অৰ্থনৈতিক সংকট আৰু আনহাতে, উপনিৱেশসমূহত তীব্ৰ ৰূপ ধাৰণ কৰা জাতীয় মুক্তি আন্দোলনৰ পটভূমিয়ে, ঔপনিৱেশিক জাতিৰাষ্ট্ৰসমূহলৈ তীব্ৰ প্ৰত্যাহ্বান কঢ়িয়াই আনিলে। এই প্ৰত্যাহ্বানৰ সন্মুখীন হ'বৰ বাবে ঔপনিৱেশিক পুঁজিবাদী জাতিৰাষ্ট্ৰসমূহে এক নতুন কৌশল উদ্ভাৱন কৰিলে। এই কৌশলৰ অংশ হিচাপে পুঁজিবাদী জাতিৰাষ্ট্ৰসমূহে পাৰস্পৰিক দ্বন্দ্ব আৰু সংঘাতৰ মীমাংসাৰ বাবে এখন উমৈহতীয়া মঞ্চৰ জন্ম দিলে। প্ৰথম বিশ্বযুদ্ধত আৰম্ভ হোৱা জাতিসংঘৰ ধাৰণাকে দ্বিতীয় বিশ্বযুদ্ধৰ অন্তত ৰাষ্ট্ৰসংঘ হিচাপে পূৰ্ণাংগ ৰূপ দিয়া হ'ল। ৰাষ্ট্ৰসংঘৰ দৰে মাধ্যমৰ যোগেদি আধুনিক পুঁজিবাদী ৰাষ্ট্ৰসমূহে নিজৰ দ্বন্দ্ব আৰু সংঘাত, সমিলমিলেৰে মীমাংসা কৰিবৰ বাবে কেতবোৰ উমৈহতীয়া নীতি বা প্ৰট'কল সৃষ্টি কৰিলে। আনহাতে এই প্ৰক্ৰিয়াৰ অংশ হিচাপেই উপনিৱেশসমূহত গঢ় লৈ উঠা জাতীয় মুক্তি আন্দোলনক স্বীকৃতি প্ৰদান বা মুক্ত কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ল। ইতিমধ্যে জাতীয় মুক্তি আন্দোলনৰ ফলতেই উপনিৱেশসমূহত এচাম জাতীয় বুৰ্জোৱাৰ সৃষ্টি হৈছিল। এই জাতীয় বুৰ্জোৱা শ্ৰেণীয়ে সংশ্লিষ্ট

উপনিবেশসমূহৰ সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক ক্ষেত্ৰসমূহত নিজৰ প্ৰভাৱ বৃদ্ধি কৰিবলৈ সক্ষম হৈছিল। কাজেই, এই জাতীয় বুৰ্জোৱা শ্ৰেণীৰ লগত এক বিশেষ বুজাবুজিৰে ঔপনিবেশিক শক্তিসমূহে ক্ষমতাৰ হস্তান্তৰ কৰিলে। তাৎপৰ্যপূৰ্ণভাৱে, এনে জাতীয় বুৰ্জোৱা শ্ৰেণীৰ হাতত ৰাজনৈতিক ক্ষমতাহে হস্তান্তৰ কৰা হ'ল যদিও, মূল অৰ্থনৈতিক ক্ষমতা ঔপনিবেশিক শক্তিসমূহৰ হাততেই থাকি গ'ল। পদানত উপনিবেশসমূহৰ জাতীয় বুৰ্জোৱা শ্ৰেণী ঔপনিবেশিক শক্তিৰ সহযোগী বুৰ্জোৱা হিচাপে পৰিগণিত হ'ল। সমাজ বিজ্ঞানীসকলে এনে প্ৰক্ৰিয়াক নব্য ঔপনিবেশবাদ হিচাপে আখ্যা দিছে।

দ্বিতীয় বিশ্বযুদ্ধৰ পৰৱৰ্তী সময়ছোৱাত এই নব্য-ঔপনিবেশিক ধ্যান-ধাৰণাই অধিক বিকাশ লাভ কৰিলে। ইতিপূৰ্বে, বিভিন্ন বাহ্যিক আৰু আভ্যন্তৰীণ সংঘাতৰ বাবে পূৰ্বৰ ঔপনিবেশিক শক্তিসমূহৰ প্ৰভাৱ হ্ৰাস পাইছিল। সেয়ে পূৰ্বতে ঔপনিবেশিক প্ৰতিযোগিতাৰ পৰা নিজকে আঁতৰাই ৰখা আমেৰিকা যুক্তৰাষ্ট্ৰৰ লেখীয়া পুঁজিবাদী ৰাষ্ট্ৰই এই ভেকুৱাম পূৰণ কৰিবলৈ আগবাঢ়ি আহিল। দ্বিতীয় মহাযুদ্ধই সৃষ্টি কৰা ভিন্নমুখী পৰিবেশে আমেৰিকা যুক্তৰাষ্ট্ৰক ঔপনিবেশিক পুঁজিবাদী জাতিৰাষ্ট্ৰসমূহৰ নেতৃত্বৰ আসনত সংস্থাপিত কৰিলে। নব্য ঔপনিবেশিক মতাদৰ্শৰে বলীয়ান আমেৰিকা যুক্তৰাষ্ট্ৰই আৰম্ভ কৰিলে পুনৰ বিশ্বব্যাপী পুঁজিবাদী বিশ্ব অৰ্থনীতিৰ জালখন। কোৰিয়া সংকট, মধ্যপ্ৰাচ্যৰ সংঘাত, চুয়েজ খালৰ সংঘাত আদিৰ দৰে ঘটনা ইয়াৰে প্ৰভাৱ। সমান্তৰালভাৱে, ইতিপূৰ্বে ঔপনিবেশিক শক্তিৰ প্ৰভাৱত থকা অঞ্চলসমূহ, আফ্ৰিকা মহাদেশ, লেটিন আমেৰিকাৰ দৰে অঞ্চলত ঔপনিবেশিক শক্তিসমূহৰ অনুপ্ৰৱেশ অব্যাহত থাকিল।

অৱশ্যে, আমেৰিকা নেতৃত্বাধীন ঔপনিবেশিক শক্তিসমূহৰ এনে পদক্ষেপৰ পথ মসৃণ নাছিল। এই সময়ছোৱাতে বিকাশ লাভ কৰা ছোভিয়েট ৰাছিয়া, চীন আদি মাৰ্ক্সবাদী-লেনিনবাদী মতবাদৰ প্ৰভাৱাধীন সমাজবাদী দেশসমূহৰ পৃষ্ঠপোষকতাত হো চি মিন আদিৰ দৰে উপনিবেশসমূহৰ জাতীয় নেতৃত্বই সশস্ত্ৰ গেৰিলা পদ্ধতিৰে ঔপনিবেশিক শক্তিসমূহক প্ৰতিৰোধ কৰাত অহোপুৰুষাৰ্থ কৰিছিল। কিউবাৰ মুক্তি যুদ্ধ, ভিয়েটনাম যুদ্ধৰ দৰে ঘটনাই, ঔপনিবেশবাদী শক্তিসমূহৰ মাজত আতংকৰ সৃষ্টি কৰিছিল। চমু অৰ্থত, এহাতে ছোভিয়েত ৰাছিয়াৰ দৰে সমাজবাদী শিবিৰৰ লগত শীতল যুদ্ধ আৰু আনহাতে বিভিন্ন উপনিবেশবোৰৰ মাজত ব্যাপক ৰূপ ধাৰণ কৰা সশস্ত্ৰ জনযুদ্ধৰ জাতীয় মুক্তি আন্দোলনে ঔপনিবেশিক শক্তিক বাৰুকৈয়ে বিপাঙত পেলাইছিল। এনে পৰিস্থিতিয়ে, নব্য ঔপনিবেশিক মতাদৰ্শৰে বলীয়ান আমেৰিকাৰ দৰে শক্তিসমূহৰ বিশ্বব্যাপী বজাৰ দখল কৰা প্ৰক্ৰিয়াত বাধা জন্মাইছিল। ফলশ্ৰুতিত, সংস্কৃতি, ভাষাৰ দৰে আন আন উপাদানসমূহৰ আগ্ৰাসী চৰিত্ৰও থমকি ৰ'বলগাত পৰিছিল। অৱশ্যে ইয়াৰ মাজতেই ঔপনিবেশিক শক্তিসমূহৰ নানা ধৰণৰ মতাদৰ্শগত চল-চাতুৰী অব্যাহত আছিল। ধৰ্মীয় মৌলবাদৰ দৰে ভাবাদৰ্শৰ বিকাশৰ পৰা আৰম্ভ কৰি সহযোগী বুৰ্জোৱাৰ দ্বাৰা প্ৰাক্তন উপনিবেশসমূহৰ লুণ্ঠনৰ প্ৰক্ৰিয়া অব্যাহত আছিল। আফগানিস্থানত ওচামা বিন লাডেন তথা তালিবানৰ দৰে ধৰ্মীয় মৌলবাদী শক্তিৰ

উত্থান, ভাৰতবৰ্ষ, পাকিস্তান, বাংলাদেশৰ দৰে ৰাষ্ট্ৰৰ অৰ্থনৈতিক সাৰ্বভৌমত্ব লুণ্ঠনৰ প্ৰক্ৰিয়া ইয়াৰেই চানেকী।

বিগত শতিকাৰ নৱৈৰ দশকৰ পৰা আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপট দ্ৰুতভাৱে সলনি হ'ব ধৰিলে। ছোভিয়েট ৰাছিয়াৰ তদানীন্তন ৰাষ্ট্ৰপতি মিখাইল গৰ্বাচেভৰ 'পেৰেষ্ট্ৰইকা' আৰু 'গ্লাচনষ্ট' নামৰ দুখন আঁচনিয়ে ৰাছিয়াৰ সমাজবাদী ব্যৱস্থাৰ মৰ্মস্থলত আঘাত কৰিলে। পূৰ্বৰ ছোভিয়েট ৰাছিয়াৰ পতন ঘটিল। তাৰ পাৰ্শ্বক্ৰিয়া হিচাপে পূব ইউৰোপৰ বিভিন্ন সমাজবাদী ৰাষ্ট্ৰৰো পতন আৰম্ভ হ'ল। চমু অৰ্থত যি মহাশক্তিধৰ সমাজবাদী শিবিৰে আমেৰিকাৰ সাম্ৰাজ্যবাদী অশ্বমেধ যজ্ঞৰ ঘোঁৰাটো প্ৰতিৰোধ কৰি ৰাখিছিল, সেই প্ৰতিৰোধৰ অন্ত পৰিল। বিশ্বৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক ক্ষেত্ৰখনত আমেৰিকাৰ প্ৰভাৱ বৃদ্ধি পালে। ইতিমধ্যে ফৰ্ড, এমৰনকে ধৰি একাংশ বৃহৎ পুঁজিপতিগোষ্ঠীয়ে নিৰ্ধাৰণ কৰা বিশ্বায়নৰ অৰ্থনীতিৰ মতাদৰ্শ ব্যাপক হাৰত প্ৰসাৰ ঘটিল। ছাৰ আৰ্থাৰ ডাংকেলৰ কুখ্যাত ডাংকেল প্ৰস্তাৱ আৰু গ্যাট চুক্তিৰ ফলশ্ৰুতিত সমগ্ৰ বিশ্বব্যাপী বিশ্বায়নৰ অৰ্থনৈতিক প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ল। গাঁথনিগত সংযুক্তি (structural adjustment), বিশ্ববেংক, আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি আদিৰ আওতাত বিশ্বৰ বিভিন্ন দেশৰ অৰ্থব্যৱস্থাক সাঙুৰি লোৱা হ'ল। ইয়াৰ ফলাফল, আৰ্জেণ্টিনা, মেক্সিকো আদি দেশ আৰু অতি সম্প্ৰতি ভাৰতবৰ্ষত বিভিন্ন ক্ষেত্ৰত দেখা গ'ল। এককথাত, দেশসমূহৰ সাৰ্বভৌম অৰ্থনৈতিক সত্তাক মোহাৰি পেলোৱা হ'ল। ইয়াৰ সমান্তৰালভাৱে সাংস্কৃতিক ক্ষেত্ৰখনতো বৃহৎ পুঁজিগোষ্ঠীৰ নিয়ন্ত্ৰণ বৃদ্ধি পালে। তথাকথিত 'স্পনছৰ' ব্যৱস্থাৰ যোগেদি একোখন দেশৰ ঐতিহ্য, পৰম্পৰাৰ লগত সম্পৰ্কহীন কেতবোৰ সাংস্কৃতিক অনুষ্ঠান উদ্‌যাপিত হ'বলৈ ধৰিলে। পেপ্‌ছি-কোকাকোলা আদি বহুজাতিক কোম্পানীৰ ব্যৱস্থাপনাত বিভিন্ন চলচ্চিত্ৰ, ফেশ্বন শ্ব, ভেংগাবয়জৰ দৰে সাংস্কৃতিক অনুষ্ঠানৰ পোহাৰ মেলা হ'ল। প্ৰখ্যাত চিন্তাবিদ এডৱাৰ্ড ছৈয়দে এনে প্ৰক্ৰিয়াকে সাংস্কৃতিক সাম্ৰাজ্যবাদ বুলি অভিহিত কৰিলে। এনে সাংস্কৃতিক ধাৰণাৰ যোগেদি এহাতে অৰ্থনৈতিকভাৱে দুৰ্বল দেশসমূহৰ ওপৰত সাম্ৰাজ্যবাদী শক্তিসমূহৰ সাংস্কৃতিক শ্ৰেষ্ঠতা প্ৰতিষ্ঠা কৰা হ'ল আৰু আনহাতে, সংশ্লিষ্ট দেশখনৰ ব্যাপক সংখ্যক জনসাধাৰণক তেওঁলোকৰ মূল সমস্যাৰ পৰা আঁতৰাই সাময়িকভাৱে এক কল্পনা জগতলৈ ঠেলি দিয়া হ'ল। নক'লেও হ'ব যে ইয়াৰ দ্বাৰা সাম্ৰাজ্যবাদী দেশসমূহে নিজৰ অৰ্থনৈতিক মুনাফা অৰ্জনৰ পথ সুগম কৰি ল'লে। বিখ্যাত আমেৰিকান বুদ্ধিজীৱী নোৱাম চমস্কিয়ে এনে প্ৰক্ৰিয়াক সন্মতি তৈয়াৰ কৰা (manufacturing the consent) প্ৰক্ৰিয়া বুলি অভিহিত কৰিছে। সমান্তৰালভাৱে, আমেৰিকা নেতৃত্বাধীন সাম্ৰাজ্যবাদী গোষ্ঠীৰ এনে অৰ্থনৈতিক, সাংস্কৃতিক প্ৰভুত্বক স্বীকাৰ নকৰা সাৰ্বভৌম দেশসমূহৰ ওপৰত সামৰিক ব্যৱস্থা গ্ৰহণ কৰাৰ দৃষ্টান্ত, আফগানিস্তান, কছভো আৰু শেহতীয়াভাৱে ইৰাকৰ পৰাই গ্ৰহণ কৰিব পাৰি।

সাম্ৰাজ্যবাদী এই শক্তিসমূহৰ এনে অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক, সামৰিক অৱদমনৰ বিশাল পটভূমিয়ে আজিৰ বিশ্বৰ বাবে কেতবোৰ নতুন প্ৰত্যাহ্বান কঢ়িয়াই

আনিছে। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত সাম্ৰাজ্যবাদৰ হাতোৰাৰ পৰা মুক্ত হোৱা দেশসমূহৰ বাবে আহি পৰা সাৰ্বিক সাৰ্বভৌমত্বৰ (total sovengnty) প্ৰশ্নটো সেয়ে অতি গুৰুত্বপূৰ্ণ হৈ পৰিছে।

ভাৰতবৰ্ষৰ সাৰ্বভৌমত্ব প্ৰাপ্তিৰ সংগ্ৰামথনৰ এজন সৈনিক হিচাপে জ্যোতিপ্ৰসাদ আগৰৱালাৰ মূল্যায়ন এনে পটভূমিতহে কৰিব লাগিব। সেইদৰে বিশ্বায়নে সৃষ্টি কৰা আজিৰ প্ৰেক্ষাপটত জ্যোতিপ্ৰসাদৰ চিন্তা-চৰ্চাৰ প্ৰাসংগিকতাৰ পৰ্যালোচনা নকৰিলে সাম্ৰাজ্যবাদবিৰোধী সংগ্ৰামৰ সৈনিক জ্যোতিপ্ৰসাদৰ চিন্তা আৰু প্ৰতিভাৰ অৱমূল্যায়নহে কৰা হ'ব। সমসাময়িক আৰ্থ-ৰাজনৈতিক পৰিৱেশৰ পৰা বিচ্যুত জ্যোতিপ্ৰসাদ, এজন আকাশৰ পৰা সৰি পৰা সাহিত্যিক শিল্পীলৈ অধঃপতিত হ'ব। তেনেদ'ৰে, জ্যোতিচিন্তাৰ যথাৰ্থ অনুধাৱনৰ অভাৱত জ্যোতি শতবৰ্ষ উদ্‌যাপনৰ প্ৰক্ৰিয়া, পিতৃ-মাতৃৰ বছৰেকীয়া শ্ৰাদ্ধ পালনৰ লেখীয়াহে হ'ব। এই কথা দিনৰ পোহৰৰ দৰে স্পষ্ট যে জ্যোতিপ্ৰসাদ আগৰৱালা ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামৰ এক অক্লান্ত যোদ্ধা আছিল। অসহযোগ আন্দোলনকে আদি কৰি স্বাধীনতা সংগ্ৰামৰ বিভিন্ন পৰ্যায়ত অংশগ্ৰহণ কৰা জ্যোতিপ্ৰসাদে '৪২ৰ বিপ্লৱত মুক্তি বাহিনীৰ সৰ্বাধিনায়কৰ পদ চম্ভালি সাম্ৰাজ্যবাদী শক্তিৰ বিৰুদ্ধে সশস্ত্ৰ প্ৰতিৰোধ আগবঢ়োৱাৰ দৃষ্টান্তও আছে। সমসাময়িক পৰিস্থিতিৰ যথাৰ্থ হৃদয়ংগম, প্ৰখৰ দেশপ্ৰেম আৰু সাম্ৰাজ্যবাদবিৰোধী মতাদৰ্শ অবিহনে, এজন প্ৰখ্যাত চলচ্চিত্ৰ নিৰ্মাতা, গীতিকাৰে নিজৰ মধ্যবিত্তীয় বেহুৰ পৰা মুক্ত হৈ সশস্ত্ৰ সংগ্ৰামৰ কণ্টকাকীৰ্ণ পথত ভৰি দিয়াটো কেতিয়াও সম্ভৱ নহয়। জ্যোতিপ্ৰসাদৰ অমৰ সৃষ্টি 'লভিতা' নাটকৰ দৰে ছত্ৰে ছত্ৰে এই নিভাঁজ দেশপ্ৰেম, সাম্ৰাজ্যবাদ বিৰোধিতাৰ চানেকী বিদ্যমান। এই নাটকৰ লভিতা যেন এজনী সাধাৰণ ছোৱালী নহয়। বৰং, সংগ্ৰামৰত জ্যোতিপ্ৰসাদৰ অন্য এক সত্তাহে। লভিতাৰ মুখেৰে যেন জ্যোতিপ্ৰসাদে নিজে কৈছে—

> 'তুমি নক'বা, আজিৰ দিনৰ ডেকা বুলি, তোমাক নিজকে সেই বুলি ভুৱা নিদিবা: যি ডেকাৰ অন্তৰত বিপ্লৱৰ জুই জ্বলা নাই, সি আজিৰ দিনৰ ডেকা হ'বই নোৱাৰে। ৰজাৰ অন্যায়, আইনৰ অন্যায়, দেশৰ অন্যায়, দেশৰ চলি থকা অন্যায় নিয়ম-কাৰণ, মুৰ্খ সমাজৰ, সংকীৰ্ণ মনৰ মানুহৰ নিৰপৰাধী নিমাখিতৰ ওপৰত অন্যায় অত্যাচাৰৰ বিৰুদ্ধে নিজৰ সুখ-সম্পদ, আনকি জীৱনকো দি যি ডেকাৰ থিয় হ'বলৈ মনত বল নাই, বুকুত শক্তি নাই, সি আজিৰ ডেকা হ'বই নোৱাৰে।'

(লভিতা, পৃষ্ঠা ২১২, জ্যোতিপ্ৰসাদ ৰচনাৱলী, অসম প্ৰকাশন পৰিষদ)

> 'তোমালোকে খাজানাৰ টকাকিটা কোনোমতে টাহিমুহি ন্যায়-অন্যায় একো বিচাৰ নকৰি নিব পাৰিলেই হ'ল। বাইজ ডাঙৰ নে খাজানা ডাঙৰ? ইংৰাজ ৰজাৰ কাৰণে খাজানা ডাঙৰ।'

(লভিতা, পৃষ্ঠা ২০৭, পূৰ্বোল্লিখিত গ্ৰন্থ)

সেইদৰে, ইলাহী বক্‌ছৰ দৰে সৰ্বসাধাৰণ হোজা চৰিত্ৰৰ মুখেৰে জ্যোতিপ্ৰসাদে

কৈছে—

'মানুহলৈ মানুহৰ মৰম নাই, দয়া নাই, কোনেও কাকো চিনি নাপায়। মানুহৰ তেজ মানুহে খাইছে, দুনীয়াৰ মানুহ আজি ৰাজ্য লৈ পগলা হৈছে। মানুহ জানোৱাৰ হৈ মাটিৰ লোভত, ৰাজ্যৰ লোভত, দৌলতৰ লোভত চয়তানৰ আঙুলি মূৰত ঘূৰি চব পাহৰি, ইটোৱে সিটোক কাটিছে, মাৰিছে, বন্দুক, বোমা, বৰতোপ, উৰা-জাহাজেৰে আজি মানুহে মানুহক ধ্বংস কৰিবলৈ বলিয়াৰ দৰে লৰিছে।'

(লভিতা, পৃষ্ঠা ২১৯, পূৰ্বোল্লিখিত গ্ৰন্থ)

জ্যোতিপ্ৰসাদ প্ৰকৃতাৰ্থত আছিল সাম্ৰাজ্যবাদবিৰোধী সৈনিক। সেই সময়ৰ বিভিন্ন সাম্ৰাজ্যবাদী দেশ তথা বিশ্ব সাম্ৰাজ্যবাদী শক্তিৰ বিৰুদ্ধে তেওঁ সৰৱ হৈ পৰিছিল। সাম্ৰাজ্যবাদৰ মাজত নিহিত থকা তথা আজি যাক সাংস্কৃতিক সাম্ৰাজ্যবাদ হিচাপে অভিহিত কৰা হৈছে; সেই সন্দৰ্ভত তেওঁৰ দৃষ্টিভঙ্গী আছিল সুস্পষ্ট। 'শিল্পীৰ পৃথিবী' শীৰ্ষক ৰচনাত সেই তেতিয়াই লিখিছিল,

'সাম্ৰাজ্যবাদ আৰু ধনতন্ত্ৰবাদ এই দুইটাই পৃথিবীৰ বুৰঞ্জীত সংস্কৃতিৰ ৰূপত ছদ্মবেশী দুষ্কৃতিৰ পূৰ্ণাৰূপ। আমি যদি এনে ছদ্মবেশ আমাৰ সূক্ষ্ম মনীষাৰ অভাৱত ধৰিব নোৱাৰোঁ তেন্তে এটা কথাত তাৰ নিৰ্ঘাত প্ৰমাণ ওলাব। সেইটো হৈছে সেই বাদবোৰে জনতাৰ জীৱনত ৰাইজৰ এই সংসাৰী জীৱনৰ ওপৰত আৰু সিহঁতৰ নৈতিক জীৱনৰ ওপৰত কি প্ৰতিক্ৰিয়া কৰিছে তাক চালেই হ'ল। সাম্ৰাজ্যবাদে আমাৰ জনতাক কি কৰিলে— ধনতন্ত্ৰবাদে তাৰ বৈজ্ঞানিৰ শোষণ নীতিৰে জনতাক কি কৰিলে বা কৰিছে— সি আজি সকলোৰে আগত জলজল পটপট। দুষ্কৃতিয়ে— সি মেধা বুদ্ধিৰ উন্নতি কৰি— দুষ্কৃতিমূলক বিকৃত ব্যক্তিগত জীৱন দৰ্শন, সমাজ-দৰ্শন, অৰ্থনীতি, শাসননীতি সকলো বৈজ্ঞানিক প্ৰণালীৰে কৰি লয় আৰু তাক সংস্কৃতি বুলি দেখুৱায় আৰু সংস্কৃতি— ভক্ত মানুহকো ভ্ৰান্তিত পেলাই জনতাৰ ভাগ্য কাঢ়ি নিয়ে। এই সাম্ৰাজ্যবাদ আৰু ধনতন্ত্ৰবাদ আমাৰ ভাৰতীয় ঐতিহ্যৰ নহয়।'

(শিল্পীৰ পৃথিবী, পৃষ্ঠা ৪৩৯, পূৰ্বোল্লিখিত গ্ৰন্থ)

'এই অৱস্থাতেই আহিল ইউৰোপৰ সাম্ৰাজ্য বিচৰা ধনীৰ দল। ইহঁতেই ধনিকতন্ত্ৰৰ কুদৰ্শন প্ৰথমে উলিয়ালে। পিছত ইহঁতে ভ্ৰষ্ট ৰাজতন্ত্ৰৰ সৈতে সখি পতাই, ৰাজতন্ত্ৰক নাম মাত্ৰ কৰি— পৃথিবীৰ বুৰঞ্জীত এক অভূতপূৰ্ব শাসন আৰু শোষণৰ প্ৰণালী উলিয়াই আৰু তাৰ ব্যক্তিজীৱন, দৰ্শন, সমাজ-দৰ্শন উলিয়াই বৈজ্ঞানিক প্ৰণালীৰে জনতাক সিহঁতৰ বাবে সকলো বিলাসৰ সামগ্ৰী তৈয়াৰী

এই প্ৰবন্ধত সন্নিবিষ্ট উদ্ধৃতিসমূহৰ বানান-ৰীতি অপৰিবৰ্তিত ৰূপতে ৰখা হৈছে।

কৰিবলৈ লগালে। এই সাম্ৰাজ্যবাদী ধনিকতন্ত্ৰৰ ভিতৰটো পূৰ্ণ দুষ্কৃতিৰ— তাৰ বাহিৰা আবৰণ সাংস্কৃতিক। বিজ্ঞানৰ অভ্যুদয়ৰ ইহঁতে পূৰ্ণ সুবিধা ল'লে। পৃথিৱীৰ সকলো ঠাইতে ভ্ৰষ্ট ৰাজতন্ত্ৰই, এইদৰেই ধনিকতন্ত্ৰৰ সৈতে যোগ হৈ— জনতাৰ ভাগ কাঢ়ি খাবলৈ লাগিল।'

(শিল্পীৰ পৃথিৱী, পৃষ্ঠা ৪৪৩, পূৰ্বোল্লিখিত গ্ৰন্থ)

সমকালীন ভাৰতবৰ্ষৰ শাসকবৰ্গই নিৰ্লজ্জভাৱে সাম্ৰাজ্যবাদৰ শৰণাপন্ন হৈ দেশীয় জনসাধাৰণৰ ওপৰত সাম্ৰাজ্যবাদী কূট-কৌশল, দমন নীতি প্ৰয়োগ কৰিছিল। এনে নীতিৰ চানেকী, আজিৰ তাৰিখতো, ভাৰতীয় শাসকগোষ্ঠীয়ে অনুসৰণ কৰি থকা দেখা গৈছে। জ্যোতিপ্ৰসাদ আগৰৱালাই তেওঁৰ অসাধাৰণ বৌদ্ধিক মেধা আৰু অন্তৰ্দৃষ্টিৰে তেতিয়াই ভাৰতীয় শাসকগোষ্ঠীৰ ফোঁপোলা স্বৰূপ তথা দমন নীতিৰ বিৰোধিতা কৰি গৈছিল। তেওঁ লিখিছিল—

'আজি ৰাষ্ট্ৰ ক্ষমতাৰ বাৰুণী সুৰাই কংগ্ৰেছৰ মূৰ আচন্দ্ৰাই কৰিছে নেকি? আজি মহাত্মাৰ সংস্কৃতিৰ অৰ্থ বুজোতা আচাৰ্য্য কৃপালিনীয়ে কিয় বিদ্ৰোহ কৰি উঠিছে? আজি একে লগৰে, সকলো ত্যাগ দুখ-কষ্ট বৰণ কৰি, স্বাধীনতাৰ শেষ যুদ্ধত পূৰ্ণাহুতি দিয়া জয়প্ৰকাশ আৰু কংগ্ৰেছৰ ত্যাগী কৰ্ম্মী সমাজতন্ত্ৰবাদীসকলে কিয় মাকক হেমলেটে কৰাৰ দৰে সন্দেহ কৰি আঁতৰি আহিল? জাতীয় কংগ্ৰেছ গৱৰ্ণমেণ্টক প্ৰথমেই সমৰ্থন কৰা, এক জন-সংস্কৃতিৰ সপোন দেখোতা কমিউনিষ্টসকলে কিহৰ বাবে নিৰ্যাতন মূৰ পাতি ল'বলৈ ওলাইছে— দেশলৈ স্বাধীনতা অহাৰ পিছতো— কিয় তেওঁলোকে স্বাধীনতাক সন্দেহ কৰিবলগীয়া হৈছে— কিয়, জনতাক ভাল পোৱা, দেশক ভাল পোৱা সংস্কৃতিৰ সেৱক এই ছ'ছিয়েলিষ্ট, কমিউনিষ্ট, কৃষক-বনুৱাৰ উন্নতিকামী আন দেশ সেৱকবোৰ আমাৰ নিজৰ স্বাধীন গৱৰ্ণমেণ্টৰ দ্বাৰাই ধৰ্ষিত হ'ব লগীয়া হৈছে?... জাতীয় গৱৰ্ণমেণ্টে, সেই চোৰাং বজাৰীৰ মাক ধনতন্ত্ৰবাদ আৰু দুৰ্নীতিৰ প্ৰতি অনুকম্পা প্ৰকাশ কৰিবলৈ কি সাংস্কৃতিক কাৰণ থাকিব পাৰে?. আজীৱন কংগ্ৰেছ কৰ্ম্মী, কোনো ত্যাগলৈ কুণ্ঠা নকৰি কংগ্ৰেছৰ নিৰ্দ্দেশ পালন কৰি অহা শিল্পী মই, আজি অন্তৰে অন্তৰে অনুভৱ কৰিছো যে, There is something wrong in the state of Denmark.'

(শিল্পীৰ পৃথিৱী, পৃষ্ঠা ৪৩৭/৪৩৮, পূৰ্বোল্লিখিত গ্ৰন্থ)

তেনেদৰে, ডিব্ৰুগড়ৰ নালীয়াপুলত সমদলকাৰীৰ ওপৰত স্বাধীন দেশৰ পুলিচ বাহিনীয়ে নিৰ্বিচাৰে গুলীচালনা কৰা ঘটনাৰ প্ৰতিবাদ জ্যোতিপ্ৰসাদে কৰিছিল। তেওঁ লিখিছিল—

'১৫ আগষ্টৰ পৰা কংগ্ৰেছ গৱৰ্ণমেণ্টে ব্ৰিটিছৰ পৰা উত্তৰাধিকাৰসূত্ৰে পোৱা, ব্ৰিটিছৰ হিংসাত্মক দমন কৌশলকেই প্ৰয়োগ কৰি বিৰুদ্ধবাদী দলবোৰৰ সৈতে

সংঘৰ্ষ কৰিছে। ইয়াৰ দ্বাৰা অহিংস প্ৰতিৰোধ বিজ্ঞানৰ অকাৰ্য্যকাৰিতা— ইয়াৰ কাৰ্য্যকৰী মূল্য যে শূন্য— ই মাথোন এটা ভাবপ্ৰৱণ কল্পনাপ্ৰসূত ছায়াবাদী (mystic) পৰিকল্পনা— ইয়াৰ বৈজ্ঞানিক বা মনোবৈজ্ঞানিক অস্তিত্ব বা ভিত্তি একো নাই— বাস্তৱিক প্ৰয়োগৰ ফালৰপৰা ই অনুপযোগী আৰু শাসনাস্ত্ৰ হিচাবে ই অকামিলা বুলিহে প্ৰমাণ কৰি দেখুৱা হৈছে।'

(নালীয়াপুলৰ বিপদ সংকেত, পৃষ্ঠা ৪৫৩, পূৰ্বোল্লিখিত গ্ৰন্থ)

'আন আন কংগ্ৰেছ বিৰোধী দল আৰু কংগ্ৰেছৰ যোৱা কেইবছৰৰ গতিবিধি চাই দেখিছোঁ যে— কংগ্ৰেছ আৰু আন আন দলৰ মতদ্বৈধতা আদৰ্শ লৈ তিমান নহয়। প্ৰধানতে, কংগ্ৰেছৰ কথা, আৰু কামৰ পাৰ্থক্য বৰ বেছি হৈ পৰাটোতহে। ইয়াৰ ভিতৰত কিছুমান ইচ্ছাকৃত, কিছুমান অনিচ্ছাকৃত। প্ৰথমেই কংগ্ৰেছে সেৱকৰ মনোবৃত্তি এৰি হঠাতে শাসকশ্ৰেণীৰ মনোবৃত্তি লোৱাটো। দ্বিতীয়তে, ত্যাগৰ আদৰ্শ কাতি কৰি থৈ ভোগৰ ফালে যোৱাটো।... লাহে লাহে আগৰ ব্ৰিটিছ শাসকৰ নীতিৰেই ব্ৰিটিছে তৈয়াৰী কৰি থৈ যোৱা শাসন-যন্ত্ৰৰেই শাসন দমনত প্ৰবৃত হৈ আগৰ শাসকৰ শাসনৰ সৈতে কংগ্ৰেছী শাসনৰ প্ৰায় পাৰ্থক্য নথকাৰ দৰেই কৰিলেগৈ।'

(নালীয়াপুলৰ বিপদ সংকেত, পৃষ্ঠা ৪৫৫, পূৰ্বোল্লিখিত গ্ৰন্থ)

জ্যোতিপ্ৰসাদে তেওঁৰ কবিতা, গীত আদিৰ মাধ্যমতে সাম্ৰাজ্যবাদী শক্তি আৰু সিহঁতৰ চেলা-চামুণ্ডাবোৰৰ বিৰুদ্ধে বজ্ৰনিনাদেৰে ঘোষণা কৰি থৈ গৈছে যে—

তই জনা নাই—
তই যাক ভাব
মূৰ্খ জনতা
মূঢ় জনতা
ৰূঢ় জনতা বুলি
যাৰ হ'ব খোজ স্বয়ংসিদ্ধ নেতা
সেই জনতা আজি প্ৰবুদ্ধ হ'ল।
....
....

ৰাষ্ট্ৰনীতিৰ
সমাজনীতিৰ
ৰাজনীতিৰ
অৰ্থনীতিৰ তোৰ
থৈ দে ফোপোলা জ্ঞান

জনতা— পূজাৰ ভাও দি, ভাও দি
নেদেখুৱাবি;
ঘৃণিত তোৰ অহঙ্কাৰৰ নেতৃত্বাভিমান,
জনতাই তোৰ স্বৰূপ চিনিছে
সাৱধান, সাৱধান।'

(সাৱধান, সাৱধান, পৃষ্ঠা ৭৫৭/৭৫৮, পূৰ্বোল্লিখিত গ্ৰন্থ)

এনে উদাহৰণ, জ্যোতিপ্ৰসাদৰ বিভিন্ন ৰচনাবলী আৰু বৈচিত্ৰময় জীৱনৰ নানা স্তৰৰ পৰা তুলি ধৰিব পৰা যায়। জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰখৰ সামাজিক চেতনা, জাতীয় দায়িত্ববোধ, সচেতন বৌদ্ধিক চিন্তা-চৰ্চাৰ লগতে সাম্ৰাজ্যবাদবিৰোধী স্থিতিৰ বাবে অসমৰ জনসমাজত চিৰস্মৰণীয় হৈ ৰ'ব।

আজিৰ প্ৰেক্ষাপটত বিশ্বায়নে কঢ়িয়াই অনা ভাবুকি তথা সাংস্কৃতিক সাম্ৰাজ্যবাদীৰ বহুৰঙী অক্টোপাছ সদৃশ হাতোৰাৰ পৰা আমাৰ জাতীয় জীৱন, সংস্কৃতিক ৰক্ষা কৰাতো, এক জাতীয় দায়িত্ব হিচাপেই বিবেচিত হৈছে। জাতীয় সংস্কৃতিৰ সৃজনীশীল ধাৰাৰ কৰ্ষণ, ইয়াৰ বিশ্বজনীন আবেদনৰ প্ৰমাণ আৰু প্ৰচাৰৰ যোগেদি জাতীয় সংস্কৃতিৰ বুনিয়াদ অধিক মজবুত কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। চমু কথাত, বিশ্বায়নৰ সাংস্কৃতিক আগ্ৰাসনৰ বিপৰীতে জাতীয় সাংস্কৃতিক সংগ্ৰামৰ আখৰা কৰিব লাগিব। জাতীয় গীত-মাত, সাজ-পোছাক, ভাষা-সংস্কৃতি বিকাশৰ যোগেদি জাতীয় সচেতনতা বৃদ্ধি কৰাৰ বাবে এক সৃজনীশীল পৰিবেশ গঢ় দিয়াৰ দায়িত্বও আহি পৰিছে। জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱন কৰ্ম আৰু চিন্তাই এইক্ষেত্ৰত এক আলোকবৰ্তিকা হিচাপে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। জ্যোতিপ্ৰসাদৰ জীৱনৰ পৰা এটি নমুনা বুটলি অনা হওক। জ্যোতিপ্ৰসাদ আগৰৱালাই যেতিয়া তেওঁৰ জীৱনৰ প্ৰথম নাট 'শোনিত কুঁৱৰী' ৰচনা কৰিছিল, তেতিয়া তেওঁ স্কুল পৰ্যায়ৰ ছাত্ৰ। তেখেতৰ নিজৰ ভাষাতেই সেই সময়ত, 'হিন্দুস্থানী আৰু বঙলা সংগীতেই অসমত ৰাজত্ব কৰিছিল।' মূঠৰ ওপৰত ক'বলৈ গ'লে, অসমীয়া চহৰীয়া শিক্ষিত সমাজৰ মনত অসমীয়া বৰগীত, বনগীত, বিহুগীত ইত্যাদি অসমীয়া সংগীতৰ একেবাৰে আদৰ নোহোৱাত পৰিছিল। মাথোন অসমীয়া সংগীতে, অসমীয়া নাট্য সাহিত্যই, অসমৰ সত্ৰই সত্ৰই, অসমৰ গাঁৱে গাঁৱেহে নিজ ৰূপত প্ৰকাশিত হৈ আছিল। অসমীয়া শিক্ষিত সমাজে সেই সংগীতক, সেই নাট্য-সাহিত্যক আপোনাৰ সংস্কৃতিৰ বাহানি বুলি উপেক্ষা কৰিছিল।' তেনে সময়তে জ্যোতিপ্ৰসাদে অসহযোগ আন্দোলনৰ জাতীয় প্ৰেৰণাৰে 'শোণিত কুঁৱৰী' লিখি 'অসমীয়া সংস্কৃতিৰ নিজা বৈশিষ্ট্য কেনেকৈ অসমীয়া সাহিত্য, কলা-সংগীতত ফুটাই তুলিব পাৰি তাৰ বাবে প্ৰচেষ্টা চলাইছিল। এনে মাইলৰ খুঁটিবোৰেই জাতীয় সংস্কৃতিৰ বৰঘৰ সজাব লাগিব। জাতীয় সাংস্কৃতিক সংগ্ৰামৰ ৰণভেৰী বজাব লাগিব।

আজিৰ ভাৰিখত, শাসকশ্ৰেণীৰ সাম্ৰাজ্যবাদৰ ওচৰত নিঃচৰ্ত আত্মসমৰ্পণৰ লেখীয়াকৈ সাহিত্যিক-বুদ্ধিজীৱী আদি শ্ৰেণীৰ তোষামোদকাৰী চৰিত্ৰ এক অপ্ৰিয়

বাস্তৱ। ভাষা মাধ্যম আন্দোলনৰ অগ্ৰণী যোদ্ধাসকলে ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ পোষকতা কৰা, সাহিত্য সভাৰ বৰমূৰীয়াৰ সন্তানে ইংৰাজী আদব-কায়দাৰে পঢ়া-শুনা কৰি ভৱিষ্যতে আমেৰিকান হোৱাৰ কল্পনা কৰা, শিক্ষক-সাংবাদিকে 'এম্‌ৱে'ৰ দৰে বহুজাতিক কোম্পানীৰ স্থানীয় 'ছেলছমেন' হিচাপে 'এম্‌ৱে' সপোন'ত আত্ম-বিসৰ্জন দিয়াৰ দৰে কাৰ্যবোৰ ইয়াৰেই প্ৰমাণ। এই শ্ৰেণীৰ হঠকাৰী ভূমিকাই জাতীয় সাংস্কৃতিক সংগ্ৰামক ভিতৰৰ পৰা আঘাত কৰিছে। এইক্ষেত্ৰত তাহানিয়েই জ্যোতিপ্ৰসাদে কৈছিল—

'শিল্পী, সাহিত্যিক, কবি, দাৰ্শনিক হৈ আজি দেশৰ এই সাংস্কৃতিক ভ্ৰষ্টতাৰপৰা উদ্ধাৰ কৰিবলৈ যি নিজৰ কৰ্ত্তব্য আওহেলা কৰিব, নিজৰ ৰাইজৰ প্ৰতি কৰ্ত্তব্য উপলব্ধি নকৰি মাথোন পলাতকৰ মনোবৃত্তিৰে সমাজৰ দেশৰ জীৱনৰ বেমেজালিৰপৰা আঁতৰি সপোনৰ মায়াজালৰ বুলনি চৰাতেই থাকিব খুজিব, সেইসকল নিশ্চয়েই বিপদৰ সময়ত দেশৰ প্ৰতি কৰ্ত্তব্য পালন নকৰাৰ দোষত পৰিবই লাগিব।'

(পোহৰলৈ, পৃষ্ঠা ৫০২, পূৰ্বোল্লিখিত গ্ৰন্থ)

সমাজ তথা জাতীয় জীৱনৰ সাৰ্বিক উন্নয়নৰ বাবে গ্ৰহণ কৰিবলগীয়া সাংস্কৃতিক কৰ্মসূচী সন্দৰ্ভত জ্যোতিপ্ৰসাদ আগৰৱালাৰ স্পষ্ট দৃষ্টিভংগী আছিল। আজি বিশ্বায়নে সৃষ্টি কৰা অচলাৱস্থাৰ সন্মুখীন হ'বৰ বাবে সেয়ে এক সমাজ বিপ্লৱৰো প্ৰয়োজনীয়তা আছে। এইক্ষেত্ৰত জ্যোতিপ্ৰসাদে কৈছিল—

'সমাজক প্ৰকৃত সাংস্কৃতিক জীৱন বিকাশ কৰিবলৈ দিবলৈ হ'লে, সেই সমাজৰ ভিতৰত থকা সংস্কৃতি বিৰোধী সকলো কথাৰ সমাধান হ'ব লাগিব। মানুহৰ স্বাৰ্থপৰতা, লোভ, সঙ্কীৰ্ণতা আৰু ক্ষমতালিপ্সুতাৰপৰা উদ্ভৱ হোৱা নানা মানৱ সমাজৰ গোধ আঁতৰ কৰিব লাগিব। এইবোৰকে আঁতৰ কৰিবলৈ মানুহৰ প্ৰতিৰোধ আৰু সংঘাতমূলক অভিযানেই হৈছে বিপ্লৱ। সংস্কৃতিৰ ভ্ৰষ্টতা ৰোধ কৰিবলৈ আৰু ভ্ৰষ্টতাৰ পৰা হোৱা কুসংস্কাৰক ধ্বংস কৰি নতুন সংস্কৃতি গঢ়িবৰ বাবে বিপ্লৱ অনিবাৰ্য্য হৈ পৰে। মনৰ মাজেদি বিপ্লৱে ক্ৰিয়া কৰি বাহিৰ সংঘাতলৈ ওলাই যায়। তেতিয়াই হয় ৰাষ্ট্ৰ বিপ্লৱ,-সমাজ বিপ্লৱ।'

(পোহৰলৈ, পৃষ্ঠা ৪১৭, পূৰ্বোল্লিখিত গ্ৰন্থ)

বিশ্বায়নৰ প্ৰেক্ষাপটত জাতীয় সাংস্কৃতিক সংগ্ৰামৰ প্ৰাসংগিকতা দোহাৰি, বিশ্বায়নবিৰোধী জাতীয় সাংস্কৃতিক সংগ্ৰামৰ বিশ্বজনীন আবেদনক কৰ্ষণৰ প্ৰয়োজনীয়তা দোহাৰি জ্যোতিপ্ৰসাদৰ ভাষাৰে এই আলোচনাৰ মোখনি মৰা হ'ল।

লুইতৰ পাৰে পাৰে
ভাৰত সাগৰলৈ'
মুকুতা বিচাৰি ভাটিয়াওঁ।
ওপজা গাঁৱৰ পৰা

নিজবাৰ পাৰেদি
জান-জুৰি— নৈয়েদি
লুইতৰ ৰূপালী বালিৰে মই
জোনাকত বালি ভাত খাই
সোৱণশিৰীয়া সোণ দিনৌ কমাওঁ।
মাৰ যোৱা বেলিটিৰ জিলিকনি লেখি মই
নতুন পুৱাৰ ছবি চাওঁ
মহাভাৰতৰ বাটে
পৃথিৱীৰ সবাহলে' যাওঁ।
....
....
মই কিন্তু শিল্পীপ্ৰাণে
গাঁৱৰ গণ্ডীতো থাকি
উপজিয়ে হৈ আছোঁ বিশ্বনাগৰিক।
(শিল্পীৰ আলোক-যাত্ৰা, পৃষ্ঠা ৬৮৪, পূৰ্বোল্লিখিত গ্ৰন্থ)

পূৰ্বপ্ৰকাশ : স্মৃতিগ্ৰন্থ, জ্যোতি জন্মশতবৰ্ষ, ২০০৩

২৫ সাংস্কৃতিক সাম্রাজ্যবাদৰ প্ৰেক্ষাপটত জাতীয় সাংস্কৃতিক সংগ্ৰাম

সমাজ পাতি বসবাস কৰিবৰ বাবেই মানুহক কেতবোৰ নীতি-নিয়ম আৰু শৃংখলাৰ প্ৰয়োজন হয়। ভৌগোলিক বিশিষ্টতা আৰু অৰ্থনৈতিক অৱস্থা আদিয়ে সমাজৰ এই নীতি-নিয়ম আৰু শৃংখলাসমূহ গঢ় দিয়ে। সেয়ে সমাজভেদে এই নীতি-নিয়ম আৰু শৃংখলা ভিন্ন হ'ব পাৰে। তেনেদৰে ওচৰা-ওচৰি দুখন সমাজৰ প্ৰচলিত নীতি-নিয়ম আৰু শৃংখলাবো কেতবোৰ উমৈহতীয়া বৈশিষ্ট্য থাকিব পাৰে। দীৰ্ঘদিন ধৰি একে ভৌগোলিক পৰিৱেশত বসবাস কৰাৰ ফলত সেই নিৰ্দিষ্ট ভূ-খণ্ডৰ একোখন সমাজ বা একাধিক সমাজৰ মাজত একোটা উমৈহতীয়া বিনিময় মাধ্যম গঢ় লৈ উঠে। সমাজসমূহত মানুহৰ মাজত আদান-প্ৰদানৰ বাবে উমৈহতীয়া ভাষা আৰু উমৈহতীয়া বিনিময় মাধ্যম গঢ় লৈ উঠে। ই সমাজখনক এক বিশিষ্টতা প্ৰদান কৰে। তেনেদৰে সুকুমাৰ চৰ্চাৰ প্ৰতি থকা মানুহৰ স্বাভাৱিক আকৰ্ষণ আৰু প্ৰদৰ্শনকামিতা আদিৰ ফলত এখন বা একাধিক সমাজৰ মানুহৰ মাজত এক উমৈহতীয়া মনঃতাত্ত্বিক গঠন (A common Psychological make-up) গঢ় লৈ উঠে।

মানুহৰ সমাজৰ গঠনৰ দীৰ্ঘদিনৰ ইতিহাস আৰু সভ্যতাৰ বিকাশত 'জাতি'ৰ ধাৰণাই বোধহয় সৰ্বাধিক জনপ্ৰিয় আৰু সৰ্বজনস্বীকৃত এক ধাৰণা। আধুনিক সমাজবদ্ধ মানুহে নিজকে কোনো সুনিৰ্দিষ্ট জাতিৰ অংশীদাৰ হিচাপে চিনাক্ত কৰিব খোজে। এই 'জাতি'ৰ ধাৰণা তথা ইয়াৰ বিকাশ সন্দৰ্ভত বিদ্বৎ সমাজৰ মাজত প্ৰচুৰ মতপাৰ্থক্য আছে। তথাপি, এক সমাজবাদী শাসন-ব্যৱস্থাৰ ৰাষ্ট্ৰপ্ৰধান তথা সাম্যবাদী আন্দোলনৰ অন্যতম

পূবোধা যোচেফ ষ্টালিনে জাতি সম্পৰ্কে যি ধ্যান-ধাৰণা আগবঢ়াইছে তাৰ প্ৰাসংগিকতা আজিও আছে বুলি আমাৰ মনে ধৰে। 'The National Question and Leninism' নামৰ প্ৰবন্ধত ষ্টালিনে এটা উমৈহতীয়া ভাষা, উমৈহতীয়া অঞ্চল, উমৈহতীয়া অৰ্থনৈতিক জীৱন আৰু উমৈহতীয়া মনস্তাত্বিক গঠনৰ যোগেদি জাতিৰ স্বীকৃতি দাঙি ধৰিছিল। ষ্টালিনৰ এই সংজ্ঞানুসৰি জাতি গঠনৰ অন্যতম আৱশ্যকীয় উপাদান হ'ল— সংস্কৃতি তথা মনস্তাত্বিক গঠন। যি সংস্কৃতি অৰ্থাৎ প্ৰাত্যহিক জীৱনৰ যি সমূহ অভ্যাস, আচাৰ অনুষ্ঠান, নীতি-নিয়ম, ভাব আৰু আনুষংগিক সুকুমাৰ অভিব্যক্তিৰ জৰিয়তে একোটা জাতিয়ে জগতসভাত নিজৰ পৰিচয় দাঙি ধৰিব পাৰে আৰু স্বকীয়তা প্ৰমাণ কৰিব পাৰে তাকে সংশ্লিষ্ট জাতিটোৰ সংস্কৃতি বুলিব পৰা যায়। জাতীয় ৰাষ্ট্ৰ প্ৰতিষ্ঠাৰ যোগেদি জাতি গঠন প্ৰক্ৰিয়াৰ সৰ্বোচ্চ স্তৰ লাভ কৰা জাতি, বিকাশমান জাতি, জনগোষ্ঠী আৰু ক্ষুদ্ৰ জাতিসত্বা সকলোৰে স্বকীয়তা প্ৰদৰ্শন প্ৰমাণৰ প্ৰাৰম্ভিক উপাদানটোৱেই হ'ল এই সংস্কৃতি। ইয়াকে আমি চমু অৰ্থত জাতীয় সংস্কৃতি বুলিব পাৰো। জাতীয় সংস্কৃতিৰ এই পৰিমণ্ডলৰ লগত জাতিটোৰ অৰ্থনৈতিক, সামাজিক, নৃতাত্বিক, ঐতিহাসিক আৰু ৰাজনৈতিক উপাদানসমূহো পৰোক্ষ আৰু প্ৰত্যক্ষ ৰূপত জড়িত হৈ থাকে।

আনহাতে, গণ সংস্কৃতি অভিধাটিৰ পৰিসৰ জাতীয় সংস্কৃতিতকৈ অধিক ব্যাপক। এই অভিধা প্ৰত্যক্ষভাৱেই কাৰ্ল মাৰ্ক্সৰ শ্ৰেণী সংগ্ৰাম তত্বৰ পৰা নিঃসৃত। শোষক আৰু শোষিত এই দুই শ্ৰেণী বিভাজনৰ যোগেদি মাৰ্ক্স-এ শ্ৰেণী সংগ্ৰামৰ তত্ব নিৰ্ণয় কৰিছে। সমাজৰ সম্পত্তি এমুঠিমান ব্যক্তি বা শ্ৰেণীৰ হাতত পুঞ্জীভূত হৈ থকাৰ বিপৰীতে সমাজৰ গৰিষ্ঠসংখ্যক মানুহ যুগে যুগে বঞ্চিত হৈ আহিছে। এই বঞ্চিত শ্ৰেণীৰ প্ৰাত্যহিক জীৱনৰ ঘাত-প্ৰতিঘাত, আৱেগ-অনুভূতি আৰু হৰ্ষ-বিষাদক যি সংস্কৃতি বা জীৱনপ্ৰবাহে প্ৰতিফলিত কৰে তাকে গণ সংস্কৃতি হিচাপে আখ্যা দিব পাৰি। সভ্যতাৰ এটা পৰ্যায়ত পশুপালক আৰু খেতিয়ক ৰাইজে সমূহীয়া শ্ৰমদানেৰে জীৱিকা অৰ্জন কৰিছিল। ৰাইজৰ জীৱন-জীৱিকাৰ লগত জড়িত সাংস্কৃতিক কৰ্মকাণ্ড গণসংস্কৃতি হিচাপে স্বীকৃত হৈছিল। উত্তৰ-পূৰ্বাঞ্চলৰ নৃগোষ্ঠীসমূহৰ মাজত সমূহীয়া শ্ৰমদান, কৃষি আদি উপাদানত অদ্যাপি এনে গণসংস্কৃতিৰ ৰেহ-ৰূপ দেখিবলৈ পোৱা যায়। ফৰ্ম আৰু কনটেণ্টভেদে বিভিন্ন জাতি আৰু জাতিসত্তাৰ মাজতো উমৈহতীয়াভাৱে গণসংস্কৃতিৰ চানেকী দেখিবলৈ পোৱা যায়। লোকবিশ্বাস, লোকাচাৰ, টোটেম আৰু টেবু আদিৰ মাজত গণসংস্কৃতিৰ উপাদান দেখা যায়। লিংগ আৰু যোনী উপাসকসকলে দেশভেদে, জাতিভেদে শিৱ পূজা উদ্‌যাপন কৰে। বড়ো, ৰাভা, ডিমাচা, নাথ সম্প্ৰদায়, ত্ৰিপুৰিছাসকলৰ মাজত উপাস্য দেৱতা হিচাপে শিৱক আৰাধনা কৰা দেখা যায়। ইও এক প্ৰকাৰ গণসংস্কৃতি। বহু সময়ত আকৌ গণ সংস্কৃতি আৰু জাতীয় সংস্কৃতিৰ মাজত প্ৰভেদ বিচাৰি পোৱা নাযায়। গণসংস্কৃতিৰ একোটা উপাদান একে সময়তে জাতীয় সংস্কৃতিৰ অংশ হৈ পৰে। অসমৰ বিহু উৎসৱ, ইয়াৰ এক উল্লেখযোগ্য নমুনা।

জাতীয় সংস্কৃতি আৰু গণসংস্কৃতিৰ বিপৰীত মেৰুত 'অপসংস্কৃতি'য়ে স্থান অধিকাৰ

কৰিছে। সমাজৰ যিবোৰ ঋণাত্মক সাংস্কৃতিক উপাদানে জাতীয় সংস্কৃতি বা 'গণসংস্কৃতি'ৰ ক্ষতিসাধন কৰিব পাৰে, তাকে অপসংস্কৃতি আখ্যা দিব পৰা যায়। অৰ্থনৈতিক প্ৰভুত্ববাদৰ ধাৰক আৰু বাহক হিচাপে এনে সাংস্কৃতিক উপাদানে সমাজৰ গৰিষ্ঠসংখ্যক খাটিখোৱা মানুহৰ ওপৰত ঋণাত্মকভাৱে ক্ৰিয়াশীল। 'অপসংস্কৃতিৰ চৰিত্ৰ বহু সময়ত ছদ্মবেশী। যি দেশজ, লোকজ উপাদানৰ পৰা সংস্কৃতিৰ জন্ম আৰু বিকাশ হয়, সেই উপাদান সমূহকে ধাৰ কৰি অপসংস্কৃতি, সংস্কৃতিৰ বৰ ঘৰত সিদ্ধি খান্দি সোমাই যায়। অপসংস্কৃতিৰ ঋণাত্মক উপাদানে সংস্কৃতিৰ স্বাভাৱিক বিকাশ, স্বকীয়তা ভংগ কৰি পেলায়। জ্যোতিপ্ৰসাদে ইয়াকে দুষ্কৃতি বুলিছে। এটা উদাহৰণ দিলে কথাটো অধিক স্পষ্ট হ'ব। ভাৰতবৰ্ষৰ মুম্বাইত সাধাৰণতে যিবোৰ হিন্দী চলচ্চিত্ৰ নিৰ্মাণ কৰা হয়, বিহংগম দৃষ্টিত সিবোৰত সংস্কৃতিৰ ভালেমান উপাদান আছে। লোকনৃত্য, লোক-সংগীত, লোক-সমৰকলা, নাটক, সাহিত্য, চিত্ৰকলাকে আদি কৰি ৬৪ কলাৰ আটাইকেইবিধ উপাদান এই চলচ্চিত্ৰবোৰত আছে। বহু সময়ত আনকি লোকভাষা আৰু জাতীয় কৃষ্টি আদিও সংযোজিত হয়। আনহাতে এনে চলচ্চিত্ৰসমূহৰ দৰ্শকৰ সংখ্যাও অধিক। সৰ্বসাধাৰণ ৰাইজে বহু সময়ত এনে চলচ্চিত্ৰত নিজৰ দুখ-দুৰ্দশাৰ ছবি দেখিবলৈ পায়। সেই দিশৰ পৰা ই এক গণসংস্কৃতি। কিন্তু এনে চলচ্চিত্ৰসমূহে শেষ বিচাৰত কি কৰিছে? ভাৰতবৰ্ষৰ সাংস্কৃতিক মান উন্নত কৰিছে নে সংশ্লিষ্ট জাতীয়, গণসংস্কৃতিৰ বৰপেৰা চহকী কৰিছে? সমাজৰ শৃংখলা, সাধাৰণ মানুহৰ জীৱনদায়িনী শক্তি হোৱাটো দূৰৰে কথা, এনে চলচ্চিত্ৰই মুষ্টিমেয় ব্যক্তি বিশেষকহে চহকী কৰিছে। বহু সময়ত অৱশ্যে সাধাৰণ মানুহক ভেড়া বনাই মুষ্টিমেয় ধনিক শ্ৰেণী নিয়ন্ত্ৰিত শাসকগোষ্ঠীৰ শাসন-শোষণ প্ৰক্ৰিয়া অব্যাহত ৰখা এনে চলচ্চিত্ৰই অনুঘটকৰ ভূমিকা গ্ৰহণ কৰিছে। সংস্কৃতি যদি মানুহৰ জীৱন সংগ্ৰামৰ এক অংশ আৰু শ্ৰেণী সংগ্ৰামৰ আত্মা, তেতিয়াহ'লে এনে সংস্কৃতিৰ ভূমিকা চাবলগীয়া। কাজেই অপসংস্কৃতিৰ চৰিত্ৰ অধ্যয়ন আৱশ্যকীয়।

জাতীয় সংস্কৃতিৰ ওপৰত সাম্ৰাজ্যবাদী আগ্ৰাসনৰ স্বৰূপ পৰ্যালোচনা কৰাৰ আগতে 'সাম্ৰাজ্যবাদী আগ্ৰাসন' ধাৰণাৰ লগত পৰিচিত হোৱাৰ প্ৰয়োজনীয়তা আছে। আমি সকলোৱে জানো যে ছোভিয়েট ৰাছিয়াৰ পতনৰ পিছতে শীতল যুদ্ধৰ অন্ত পৰিল। আমেৰিকা তথা প্ৰথম বিশ্বৰ চহকী দেশসমূহৰ সংগঠন জি-৭ ৰ যোগেদি বিশ্বত এক মেৰুকৰণ ৰাজনীতি আৰম্ভ কৰা হ'ল। দ্বিতীয় বিশ্বযুদ্ধৰ আগে-পিছে, তৃতীয় বিশ্ব অৰ্থাৎ এছিয়া, আফ্ৰিকা, লেটিন আমেৰিকাৰ যিসমূহ দেশে জাতীয় মুক্তি আন্দোলনৰ দ্বাৰা স্বাধীনতা লাভ কৰিছিল বা আজিও মুক্তি আন্দোলন চলাই আছে, সেই দেশসমূহৰ ওপৰত পুনৰ সাম্ৰাজ্যবাদী শাসন-শোষণ ব্যৱস্থা জাপি দিয়াৰ ষড়যন্ত্ৰ ৰচনা কৰা হ'ল। চহকী দেশসমূহৰ বৃহৎ বৃহৎ পুঁজিপতিগোষ্ঠী আৰু বাণিজ্যিক সংস্থাসমূহে কেতবোৰ সাধাৰণ বুজাবুজিৰে নিজৰ ভিতৰতে কেতবোৰ সংস্থা গঠন কৰি ল'লে। আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি, বিশ্ববেংক আৰু অন্যান্য বহুজাতিক কোম্পানীসমূহ এনে চিন্তা-চৰ্চাৰে ফল। আৰম্ভ হ'ল তথাকথিত বিশ্বায়ন আৰু 'Structural Adjustment' ৰ যুগ। নতুন বিশ্ব পৰিস্থিতিত নতুন সাম্ৰাজ্যবাদী জোঁটবন্ধন। গেট চুক্তি, মুক্ত বজাৰ অৰ্থনীতি

আদিৰ যোগেদি এই শক্তিসমূহে তৃতীয় বিশ্বৰ দেশসমূহত প্ৰৱেশ কৰিলে। ইতিপূৰ্বে সাম্ৰাজ্যবাদবিৰোধী জাতীয় মুক্তি আন্দোলনক বিশ্বাসঘাটকতা কৰি আপোচৰ মাধ্যমেৰে ক্ষমতা দখল কৰা তৃতীয় বিশ্বৰ দেশসমূহৰ শাসকগোষ্ঠী আৰু স্থানীয় দালাল পুঁজিপতিগোষ্ঠীয়ে সাম্ৰাজ্যবাদক সহায় কৰিবলৈ আগবাঢ়ি আহিল। নব্য ঔপনিবেশবাদ আৰম্ভ হ'ল।

নব্য ঔপনিবেশবাদে তৃতীয় বিশ্বৰ দেশসমূহৰ আৰ্থিক স্বাধীনতা হৰণ কৰিবৰ বাবে নানা কৌশল অবলম্বন কৰিছে। বিভিন্ন আন্তঃৰাষ্ট্ৰীয় বাণিজ্যিক বুজাবুজি চুক্তিৰ দ্বাৰা তৃতীয় বিশ্বৰ দেশসমূহৰ অৰ্থনীতি নিয়ন্ত্ৰণ কৰা হৈছে। মেক্সিকো ইয়াৰ এক প্ৰকৃষ্ট উদাহৰণ। আনহাতে সাম্ৰাজ্যবাদী অৰ্থনীতিৰ দ্বাৰা পৰিচালিত এনে দেশসমূহৰ প্ৰচলিত ভৌগোলিক ৰাজনৈতিক আবেষ্টনীৰ মাজতো কেতবোৰ আন্তঃউপনিবেশ সৃষ্টি হৈছে। সাম্ৰাজ্যবাদৰ স্বাৰ্থতে এনে দেশসমূহে এক কেন্দ্ৰীভূত অৰ্থনৈতিক প্ৰশাসনিক ব্যৱস্থাৰ সৃষ্টি কৰিছে। ই তৃতীয় বিশ্বৰ দেশসমূহৰ আভ্যন্তৰীণ সংকট বৃদ্ধি কৰিছে। তৃতীয় বিশ্বৰ বহুভাষিক বহুগোষ্ঠীয় দেশসমূহৰ এনে সংকট তীব্ৰভাবে বৃদ্ধি পাইছে। এনে দেশসমূহক এহাতে সাম্ৰাজ্যবাদী অৰ্থনীতিয়ে কাবু কৰিছে আৰু আনহাতে প্ৰভুত্ববাদী জাতিসমূহৰ অবদমনৰ ফলত ক্ষুদ্ৰ জাতিসত্তাৰ অস্তিত্বৰ সংকটে দেখা দিছে। গোষ্ঠী সংঘাত বৃদ্ধি পাইছে। ভাৰতবৰ্ষ এনে ঘটনাপ্ৰবাহৰ উৎকৃষ্ট নমুনা।

সাম্ৰাজ্যবাদৰ এই আগ্ৰাসনৰ বিৰুদ্ধে তৃতীয় বিশ্বৰ দেশসমূহত তীব্ৰ প্ৰতিবাদৰ জোৱাৰ আহিছে। অবদমিত জাতিসত্তাৰ জাতীয় মুক্তি আন্দোলনসমূহে সাম্ৰাজ্যবাদবিৰোধী শ্ৰেণী সংগ্ৰামৰ অংশ হিচাপে আত্মপ্ৰকাশ কৰিছে। তৃতীয় বিশ্বৰ দেশসমূহৰ অবদমিত জাতিসত্তাৰ এই জাতীয় মুক্তি আন্দোলনৰ সাম্ৰাজ্যবাদবিৰোধী চৰিত্ৰ সমসাময়িক বিশ্ব ৰাজনীতিৰ এক গুৰুত্বপূৰ্ণ অংশ।

সাম্ৰাজ্যবাদী আগ্ৰাসনৰ অংশ হিচাপে সাংস্কৃতিক সাম্ৰাজ্যবাদে আত্মপ্ৰকাশ কৰিছে। সম্ভবতঃ এডৱাৰ্ড ছুইদে সাংস্কৃতিক সাম্ৰাজ্যবাদ অভিধাটি পোনপ্ৰথমে ব্যৱহাৰ কৰে। বৃহৎ পুঁজিপতিগোষ্ঠী আৰু বৃহৎ জাতিসমূহৰ দ্বাৰা সাংস্কৃতিক সাম্ৰাজ্যবাদ নিয়ন্ত্ৰিত। কাজেই ইয়াৰ স্বৰূপ বিশ্লেষণৰ বাবে তিনিবিধ কাৰকৰ আলোচনা আৱশ্যকীয় ঃ

১। সাম্ৰাজ্যবাদী দেশসমূহৰ মাজত সাংস্কৃতিক আধিপত্য বিস্তাৰৰ বাবে চলা প্ৰতিদ্বন্দ্বিতা।

২। বৃহৎ পুঁজিপতিগোষ্ঠী নিয়ন্ত্ৰিত সাংস্কৃতিক কৰ্মকাণ্ডৰ লগত তৃতীয় বিশ্বৰ দেশসমূহত সাংস্কৃতিক মূল্যবোধৰ দ্বন্দ্ব।

৩। তৃতীয় বিশ্বৰ নব্য ঔপনিবেশসমূহৰ প্ৰভুত্ববাদী বৃহৎ জাতিসমূহৰ লগত অবদমিত, বিকাশমান জাতিসত্তাৰ সংঘাত।

প্ৰথমতে চোৱা যাওক সাম্ৰাজ্যবাদী দেশসমূহৰ নিজৰ ভিতৰতে সাংস্কৃতিক আধিপত্য বিস্তাৰৰ বাবে হোৱা প্ৰতিদ্বন্দ্বিতাৰ বিষয়টো। অৰ্থনৈতিক ক্ষেত্ৰত কিছু স্ববিৰোধিতাসহ সাম্ৰাজ্যবাদী দেশসমূহৰ মাজত বুজাবুজি থকা সত্ত্বেও একোখন জাতীয় ৰাষ্ট্ৰ হিচাপে এই দেশসমূহৰ মাজত সাংস্কৃতিক আধিপত্যৰ প্ৰতিদ্বন্দ্বিতা বিৰাজমান। ইউৰোপীয়

ধ্রুপদী সংস্কৃতিৰ লগত আমেৰিকান সংস্কৃতিৰ সংঘাত, এংলো চেক্সন সংস্কৃতিৰ আধুনিক ধাৰাৰ লগত ফৰাচী সম্ভূত 'উত্তৰ-আধুনিকতাবাদ'ৰ দ্বন্দ্ব— এনে কেতবোৰ সাংস্কৃতিক ধাৰা ইয়াৰ নমুনা।

দ্বিতীয়তে, দেখা যায় যে বৃহৎ পুঁজিপতিগোষ্ঠী নিয়ন্ত্ৰিত সংস্কৃতিৰ কৰ্মকাণ্ডৰ লগত তৃতীয় বিশ্বৰ দেশস্বৰূপ সাংস্কৃতিক মূল্যবোধৰ দ্বন্দ্বই সাংস্কৃতিক সাম্ৰাজ্যবাদৰ আন এক প্ৰধান কাৰক হিচাপে আলোচিত হৈছে। আজিৰ তাৰিখত বৃহৎ পুঁজিপতিগোষ্ঠীয়ে নিজৰ অৰ্থনৈতিক স্বাৰ্থৰ বাবে এক ভোগবাদী সংস্কৃতিৰ পোষকতা কৰিছে। তথাকথিত আধুনিকতাৰ নামত এই ভোগবাদী সংস্কৃতিয়ে মুক্ত বজাৰ অৰ্থনীতিৰ লগে লগে তৃতীয় বিশ্ব ছানি পেলাইছে। ই সৃষ্টি কৰিছে এক সাংস্কৃতিক সংঘাত। উদাহৰণস্বৰূপে ভাৰতবৰ্ষৰ প্ৰসংগলৈ অহা যাওক। ভাৰতবৰ্ষৰ সামন্তীয় সাংস্কৃতিক মূল্যবোধে নাৰীক অৱদমিত কৰি ৰাখিলেও, বজাৰৰ সামগ্ৰী কৰা নাছিল। কিন্তু ভোগবাদী সংস্কৃতিৰ দৃষ্টিত নাৰী এক পণ্য মাথোঁ। নাৰীৰ শৰীৰ বজাৰৰ পণ্য। বৃহৎ পুঁজিপতিগোষ্ঠীৰ দ্বাৰা উৎপাদিত সামগ্ৰীৰ বিজ্ঞাপন, সিহঁতে পৃষ্ঠপোষকতা কৰা 'ফেশ্বন শ্ব', 'সুন্দৰী প্ৰতিযোগিতা'বোৰৰ যোগেদি ভাৰতবৰ্ষৰ নাৰীক পণ্যৰ দৰে ব্যৱহাৰ কৰা হৈছে। বৃহৎ পুঁজিপতিগোষ্ঠী নিয়ন্ত্ৰিত সাহিত্য, চলচ্চিত্ৰ, ইলেক্‌ট্ৰ'নিক প্ৰচাৰ মাধ্যমবোৰে অহৰহ এনে ভোগবাদী সংস্কৃতিৰ প্ৰচাৰ চলাই আছে। স্বাভাৱিকতে ই এই দেশসমূহৰ সাংস্কৃতিক মূল্যবোধক আঘাত হানিছে। দীপা মেহতাৰ 'ৱাটাৰ' সংক্ৰান্তীয় শেহতীয়া বিতৰ্ক এনে দ্বন্দ্বৰ পৰিণতি।

তৃতীয়তে, সাম্ৰাজ্যবাদৰ পদদলিত তৃতীয় বিশ্বৰ দেশসমূহৰ মাজতো প্ৰভূত্ববাদী জাতিসমূহৰ লগত অৱদমিত জাতিসত্তাসমূহৰ সংঘাত আৰম্ভ হৈছে। সাম্ৰাজ্যবাদ উৎখাতৰ বাবে তৃতীয় বিশ্বৰ জাতি, বিকাশমান জাতি, জাতিসত্তা, জনগোষ্ঠীৰ সম্মিলিত জাতীয় শক্তিয়ে এক ঐতিহাসিক শক্তি হিচাপে থিয় দিছিল। কিন্তু এই সম্মিলিত জাতীয় শক্তিৰ মধ্যবিত্ত শ্ৰেণীৰ আপোচকামী মানসিকতাৰ বাবে সাম্ৰাজ্যবাদৰ উৎখাত সম্ভৱ নহ'ল। বৰঞ্চ, সাম্ৰাজ্যবাদৰ সহযোগী হিচাপে এই মধ্যবিত্ত শ্ৰেণী তথা ঐতিহাসিকভাৱে অধিক বিকশিত জাতিসমূহে এই ভুৱা জাতীয় ধাৰণাৰ নামত, অবিকশিত জাতি, জাতিসত্তা জনগোষ্ঠীৰ ওপৰত অৱদমন চলাই গ'ল। ইয়ো সাংস্কৃতিক সাম্ৰাজ্যবাদৰ অন্যতম গুৰুত্বপূৰ্ণ কাৰক। ভাৰতবৰ্ষৰ বাস্তৱ পৰিস্থিতিৰ পৰা ইয়াৰ উদাহৰণ বুটলিব পৰা যায়। ই সকলোৰে জ্ঞাত যে সাম্ৰাজ্যবাদী ব্ৰিটিছক খেদাৰ ঐতিহাসিক প্ৰয়োজনত ভাৰতবৰ্ষৰ বিভিন্ন জাতি, জাতিসত্তাৰ যি সম্মিলিত শক্তি সৃষ্টি হৈছিল তাক ভাৰতীয় মধ্যশ্ৰেণী, হিন্দু-হিন্দী গোষ্ঠীয়ে ভাৰতীয় জাতীয়তাবাদ হিচাপে প্ৰতিষ্ঠা কৰিছে। আজি ভাৰতীয় জাতিৰ ধাৰণা হিন্দু-হিন্দী বলয়ৰ শাসকগোষ্ঠীৰ বাহিৰে ভাৰতবৰ্ষৰ বঙালী, অসমীয়া, নগা, মণিপুৰী, কাশ্মিৰী, পাঞ্জাবী, তামিল, তেলেগু, উৰিয়া আদি জাতিৰ বাবে অপ্ৰাসংগিক। কিন্তু ভাৰতবৰ্ষৰ শাসকগোষ্ঠীয়ে ৰাষ্ট্ৰীয় পৃষ্ঠপোষকতা, বৃহৎ পুঁজিপতি গোষ্ঠীৰ আৰ্থিক সাহায্যৰে হিন্দু-হিন্দী সংস্কৃতিকে বিভিন্ন জাতি, ক্ষুদ্ৰ জাতিসত্তাসমূহৰ ওপৰত জাপি দিছে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ অৱস্থা আৰু শোচনীয়। এক ঐতিহাসিক

প্ৰক্ৰিয়া, ভৌগোলিক বিলগ্নতা আৰু নৃতাত্বিক বিশিষ্টতাই অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ সাংস্কৃতিক পৰিমণ্ডলক এক বিশেষ ঠাঁচত গঢ় দিছে। এই সাংস্কৃতিক পৰিমণ্ডলত মংগোলীয় উপাদান থকাৰ লেখীয়াকৈ ভাৰতীয় সাংস্কৃতিক উপাদানো আছে। কিন্তু উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতিক, ভাৰতীয় হিন্দু-হিন্দী সংস্কৃতিৰ অংশ থকাৰ তাত্বিক-প্ৰায়োগিক পদ্ধতিক, উত্তৰ-পূৰ্বাঞ্চলৰ জনসাধাৰণে সাংস্কৃতিক সাম্ৰাজ্যবাদৰ অংশ হিচাপে পৰিগণিত কৰে। অপ্ৰিয় হ'লেও সত্য যে ভাৰতবৰ্ষৰ স্বাধীনতাৰ অৰ্ধ শতিকাৰ অন্ততো উত্তৰ-পূৰ্বাঞ্চলৰ জাতি, ক্ষুদ্ৰ জাতিসত্তা, জনগোষ্ঠীৰ জাতীয় ভাষা, সংস্কৃতি বিকাশৰ নমুনা দেখা নগ'ল। ইয়াৰ পৰিবৰ্তে অহৰহ এই অঞ্চলত হিন্দু-হিন্দী সংস্কৃতিৰ প্ৰচাৰ-প্ৰসাৰৰ বাবে ব্যৱস্থা গ্ৰহণ কৰি থকাহে হৈছে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ এই লাভুৰ পৰিস্থিতিৰ পৰাই জাতীয় সংস্কৃতিৰ ওপৰত সাম্ৰাজ্যবাদী আগ্ৰাসনৰ স্বৰূপ উপলব্ধি কৰিব পৰা যায়।

এনে প্ৰেক্ষাপটত, সাম্ৰাজ্যবাদৰ পদ্ধতিৰেই সাংস্কৃতিক সাম্ৰাজ্যবাদক প্ৰতিহত কৰাৰ প্ৰয়োজনীয়তা আছে। আজি বিশ্বায়নৰ মূল শ্ল'গান হ'ল— 'Think globally, act locally'। সাম্ৰাজ্যবাদক প্ৰতিৰোধ কৰিবৰ বাবে স্থানীয়ভাৱেই চিন্তা-চৰ্চা কৰাৰ প্ৰয়োজনীয়তা আছে। নিঃসন্দেহে এই স্থানীয় চিন্তা-চৰ্চাৰ কেন্দ্ৰবিন্দু হ'ল জাতীয় চিন্তা-চৰ্চা। আজিৰ তাৰিখত সাম্ৰাজ্যবাদবিৰোধী ব্যাপক সংগ্ৰামখনৰ অংশ হিচাপেই জাতীয় সংগ্ৰামসমূহ গঢ় দিব লাগিব। সাম্ৰাজ্যবাদবিৰোধী এই জাতীয় সংগ্ৰামসমূহৰ ৰাজনৈতিক, অৰ্থনৈতিক চৰিত্ৰৰ দৰে এক সাংস্কৃতিক চৰিত্ৰও থাকিব লাগিব। অৰ্থাৎ জাতীয় সাংস্কৃতিক সংগ্ৰামক সাম্ৰাজ্যবাদবিৰোধী বৃহত্তৰ সংগ্ৰামখনৰ অংশ হিচাপে পৰিচালনা কৰাৰ প্ৰয়োজনীয়তা আছে। এই সঠিক আৰ্থ-সামাজিক, আৰ্থ-ৰাজনৈতিক দৃষ্টিভংগীৰ দ্বাৰা জাতীয় সাংস্কৃতিক সংগ্ৰাম পৰিচালিত হ'লেহে সি সাংস্কৃতিক সাম্ৰাজ্যবাদবিৰোধী চৰিত্ৰ পৰিগ্ৰহ কৰিব পাৰিব।

সমাজ আৰু ৰাষ্ট্ৰব্যৱস্থাত শিল্পী, সাহিত্যিক, বুদ্ধিজীৱীৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। সমাজৰ চিন্তৰ ইতিহাসে, সমাজৰ বিভিন্ন ক্ৰান্তিলগ্নত শিল্পী, সাহিত্যিক, বুদ্ধিজীৱীৰ ভূমিকা গুৰুত্বসহকাৰে উত্থাপন কৰি আহিছে। মধ্যযুগৰ ইউৰোপৰ ৰেনেছাঁ বা নৱজাগৰণৰ ফলত মানৱ সভ্যতাৰ যি বিকাশ ঘটিছিল, তাত মাইকেল এঞ্জেল', লিঅ'নাৰ্ডো দা ভিঞ্চি'ৰ দৰে শিল্পীৰ ভূমিকা সৰ্বজনস্বীকৃত। সপ্তদশ শতিকাৰ 'এনলাইটেণ্টমেণ্ট' আন্দোলনৰ অন্যতম পুৰোধা আছিল শিল্পী, সাহিত্যিক সমাজখন। ফৰাচী বুদ্ধিজীৱী ৰুছো আৰু ভল্টেয়াৰ'ৰ ঐতিহাসিক অৱদানৰ কথা কোনে নাজানে? কাৰ্লমাক্সৰ পৰা আৰম্ভ কৰি নোৱাম চমস্কিলৈকে বুদ্ধিজীৱী সমাজে সমাজ ৰূপান্তৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

সমাজ-জীৱনত শিল্পী, সাহিত্যিক, বুদ্ধিজীৱীসকলৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ বাবে ৰাষ্ট্ৰ তথা প্ৰভাৱশালীমহলে সদায় শিল্পী, সাহিত্যিক, বুদ্ধিজীৱী সমাজক ব্যৱহাৰ কৰিবলৈ চেষ্টা চলাইছে। আন্তনিঅ' গ্ৰামছিয়ে বুদ্ধিজীৱীসকলক ৰাষ্ট্ৰৰ 'হেজিমনি' বা আধিপত্য স্থাপনৰ অন্যতম অহিলা হিচাপে অভিহিত কৰিছে। ৰাষ্ট্ৰই শিল্পী, সাহিত্যিক,

বুদ্ধিজীৱীমহলক নানা বঁটা-বাহন পৃষ্ঠপোষকতাৰে নিজ শ্ৰেণীভুক্ত কৰা ষড়যন্ত্ৰৰ কথা কোনে নাজানে। অৱশ্যে শ্ৰেণীভিত্তিক সমাজ-ব্যৱস্থাত শিল্পী, সাহিত্যিক, বুদ্ধিজীৱী সকলো বিভক্ত হ'বলৈ বাধ্য। সেয়ে শিল্পী, সাহিত্যিক, বুদ্ধিজীৱী প্ৰতিষ্ঠানবিৰোধী চিন্তা-চৰ্চা, কৰ্মৰ ওপৰত নিৰ্ভৰ কৰিয়েই তেওঁৰ সামাজিক ভূমিকা নিৰ্ণয় কৰা যায়।

পৰিবৰ্তিত বিশ্ব পৰিস্থিতিয়ে সৃষ্টি কৰা সাংস্কৃতিক সাম্ৰাজ্যবাদবিৰোধী জাতীয় সাংস্কৃতিক সংগ্ৰামত সেয়ে শিল্পী, সাহিত্যিক, বুদ্ধিজীৱীয়ে প্ৰতিষ্ঠানবিৰোধী ভূমিকা গ্ৰহণকে আশা কৰা যায়। সাম্ৰাজ্যবাদে সৃষ্টি কৰা লোভ ঐশ্বৰ্যৰ ভোগবাদী জগতখনৰ বিৰুদ্ধে, সমাজৰ প্ৰচলিত সামন্তীয় মূল্যবোধৰ বিৰুদ্ধে, বৃহৎ জাতিসমূহৰ জাতিদম্ভ, প্ৰভুত্ববাদৰ বিৰুদ্ধে, শিল্পী, সাহিত্যিক, বুদ্ধিজীৱী সমাজৰ অৱস্থান গ্ৰহণে জাতীয় সাংস্কৃতিক সংগ্ৰামৰ তাত্ত্বিক ভেটি নিৰ্মাণত সহায় কৰিব বুলি আশা কৰা যায়। জাতীয় সাংস্কৃতিক সংগ্ৰামৰ প্ৰাৰম্ভিক পদক্ষেপ হ'ল জাতীয় ভাষা-কৃষ্টি সংস্কৃতিৰ জাগৰণ। এই জাগৰণৰ বাবে শিল্পী, সাহিত্যিক, বুদ্ধিজীৱীৰ ভূমিকা নিঃসন্দেহে তাৎপৰ্যপূৰ্ণ। সেইদৰে প্ৰচলিত ৰাষ্ট্ৰব্যৱস্থা, পুঁজিগোষ্ঠীৰ যিসমূহ সাংস্কৃতিক নীতি নিৰ্দেশনাই সাংস্কৃতিক সাম্ৰাজ্যবাদক লালন-পালন কৰিছে, সেই নীতি-নিয়মসমূহৰ বিৰুদ্ধে গণসচেতনতা সৃষ্টি কৰা, তথা তাক প্ৰত্যাহাৰ কৰিবৰ বাবে সংশ্লিষ্ট ৰাষ্ট্ৰক বাধ্য কৰিবৰ বাবেও শিল্পী, সাহিত্যিক, বুদ্ধিজীৱী সমাজে অগ্ৰণী ভূমিকা পালন কৰিব পাৰে। অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ বিক্ষিপ্ত জাতীয় সাংস্কৃতিক সংগ্ৰামসমূহক সম্মিলিত জাতীয় সাংস্কৃতিক সংগ্ৰামৰ মাজেৰে সাম্ৰাজ্যবাদবিৰোধী অৱস্থানলৈ উত্তৰণ ঘটোৱাৰ ঐতিহাসিক দায়িত্ব নিসন্দেহে অঞ্চলটোৰ সচেতন শিল্পী, সাহিত্যিক, বুদ্ধিজীৱীমহলৰ। ইতিহাসৰ ক্ৰান্তিলগ্নত শিল্পী, সাহিত্যিক, বুদ্ধিজীৱী সমাজৰ এই ঐতিহাসিক দায়িত্ব পালনৰ ক্ষেত্ৰত প্ৰদৰ্শন কৰা ভূমিকাৰ পৰাই ভৱিষ্যত ইতিহাসে তেওঁলোকৰ শ্ৰেণী অৱস্থান, সামাজিক মূল্যায়ন কৰিব।

সমাজ বিশ্লেষণত প্ৰধান আৰু গৌণ দ্বন্দ্ব সন্দৰ্ভত সুস্পষ্ট পৰ্যালোচনা অবিহনে যিকোনো ধৰণৰ আলোচনা আধৰুৱা হৈ ৰয়। সাম্ৰাজ্যবাদবিৰোধী জাতীয় সাংস্কৃতিক সংগ্ৰামৰ চৰিত্ৰ পৰ্যালোচনাৰ ক্ষেত্ৰতো স্বাভাৱিকভাৱে এই বিষয়সমূহ আহি পৰে। সাংস্কৃতিক সাম্ৰাজ্যবাদ বনাম জাতীয় সাংস্কৃতিক সংগ্ৰাম প্ৰধান দ্বন্দ্ব হিচাপে বিবেচিত হৈছে। সেইদৰে জাতীয় সাংস্কৃতিক সংগ্ৰামখনৰো কেতবোৰ অন্তৰ্নিহিত দ্বন্দ্ব আছে। এটা কথা ঠিক যে জাতীয় সাংস্কৃতিক সংগ্ৰামখন আকাশৰ পৰা অহা কোনো বস্তু নহয়। ইয়াৰ আৰম্ভণিৰো আদি-অন্ত সঠিককৈ ক'ব পৰা নাযায়। সমাজৰ ৰূপান্তৰৰ বিভিন্ন স্তৰত, জাতীয় সংগ্ৰামৰ চৰিত্ৰও ভিন্ন হৈ আছে। ইয়াৰ চৰিত্ৰ নিৰ্ভৰ কৰিছে ইয়াৰ প্ৰধান দ্বন্দ্বৰ চৰিত্ৰৰ ওপৰতহে। ঠিক সেইদৰে সমাজৰ লগত অংগাংগী সম্পৰ্ক থকা বাবে সমাজ-জীৱনৰ অন্তৰ্নিৰ্হিত বিভিন্ন দ্বন্দ্বই বহুক্ষেত্ৰত প্ৰভাৱ বিস্তাৰ কৰে। আনহাতে প্ৰধান দ্বন্দ্বৰ ক্ষেত্ৰত কিছু সাধাৰণীকৰণ (Generalisation) কৰিব পৰা যায় যদিও অন্তৰ্নিহিত দ্বন্দ্বৰ ক্ষেত্ৰত ই সম্ভৱপৰ নহয়। দেশভেদে, সমাজভেদে, জাতীয় জীৱনৰ বিকাশৰ স্তৰভেদে এনে দ্বন্দ্বৰ চৰিত্ৰ ভিন্ন হ'বলৈ বাধ্য। অসম আৰু উত্তৰ-

পূৰ্বাঞ্চলৰ সমাজ-জীৱনৰ সাধাৰণ পৰ্যালোচনাৰ দ্বাৰা, এই অঞ্চলৰ জাতীয় সাংস্কৃতিক সংগ্ৰামত অন্তৰ্নিহিত কেতবোৰ দ্বন্দ্ব নিৰ্ণয় কৰা হ'ল :

১. গোষ্ঠী দ্বন্দ্বৰ প্ৰৱণতা
২. লিপি ব্যৱধানে সৃষ্টি কৰা দ্বন্দ্ব
৩. ধৰ্মীয় মৌলবাদ
৪. সামন্তীয় মূল্যবোধ
৫. অভিজাতধৰ্মীতা
৬. স্থিতাৱস্থাকামী চিন্তা-চৰ্চা
৭. ব্যৱসায়ধৰ্মীতা।

প্ৰথমতে দেখা যায় যে ঔপনিবেশিক অৰ্থনীতিয়ে কোঙা কৰি পেলোৱা অসমত তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন নৃগোষ্ঠীসমূহৰ মাজত গা কৰি উঠা গোষ্ঠীদ্বন্দ্বৰ প্ৰৱণতা। ঐতিহাসিক বিকাশৰ যোগেদি নৃগোষ্ঠীসমূহৰ স্বকীয় ভাষা, সংস্কৃতি, স্বাধিকাৰ চিন্তাৰ উন্মেষ হোৱাতো স্বাভাৱিক। এনে উন্মেষণে বৃহত্তৰ জাতীয় জীৱনক সমৃদ্ধ কৰে। মাও চে তুঙৰ ভাষাত শতপুষ্প বিকশিত হয়। কিন্তু বৃহত্তৰ জীৱনৰ বিষয়ে চিন্তা-চৰ্চা নকৰি আত্মন্তৰিতা, গোষ্ঠীগত উন্মাদনাই সমাজ-জীৱনত পাৰস্পৰিক ঘৃণা, সন্দেহ, বিদ্বেষ বিয়পালে সি জাতীয় জীৱনৰ প্ৰচুৰ ক্ষতিসাধন কৰে। এনে অপ্ৰগতিশীল চিন্তা-চৰ্চাই শেষ বিচাৰত শাসক-শোষক শ্ৰেণীকহে সহায় কৰে।

দ্বিতীয়তে, লিপিৰ ব্যৱধানে অসম তথা উত্তৰ-পূৰ্বাঞ্চলত জাতীয় সংস্কৃতিৰ ক্ষেত্ৰত এক অন্তৰ্নিহিত দ্বন্দ্ব সৃষ্টি কৰিছে। আজি এই কথা স্পষ্ট যে ব্ৰিটিছ ৰাজত্বৰ কালছোৱাত সাম্ৰাজ্যবাদীৰ স্বাৰ্থতে খ্ৰীষ্টান মিছনেৰীসকলে অনগ্ৰসৰ জনগোষ্ঠীসমূহৰ মাজত ৰোমান হৰফ ব্যৱহাৰ কৰাৰ লেখীয়াকৈ, সাম্প্ৰতিক সময়ছোৱাতো ভাৰতবৰ্ষৰ শাসকগোষ্ঠীয়ে দেৱনাগৰী হৰফ ব্যৱহাৰৰ বাবে যৎপৰোনাস্তি চেষ্টা চলাইছে। অথচ, ভাষা বিজ্ঞানৰ সূত্ৰানুসৰি এক ভৌগোলিক বিশিষ্টতাৰ মাজত গঢ় লোৱা জাতীয় হৰফৰ ব্যৱহাৰেই, অনগ্ৰসৰ জনগোষ্ঠীৰ ভাষাৰ স্বাভাৱিক বিকাশ অধিক সবল কৰি তোলে। লিপি ব্যৱহাৰৰ ব্যৱধানে অসম তথা উত্তৰ-পূৰ্বাঞ্চলত যি স্থায়ী সাংস্কৃতিক দ্বন্দ্ব সৃষ্টি কৰিলে, সি সমাগত সময়ছোৱাতো জাতীয় ঐক্য গঠনৰ ক্ষেত্ৰত অন্তৰায় হিচাপে দেখা দিব। এইক্ষেত্ৰত জাতীয় ভাষা প্ৰতিষ্ঠাৰ ক্ষেত্ৰত অসমীয়া মধ্যশ্ৰেণীৰ কেতবোৰ অনৈতিহাসিক হঠকাৰী সিদ্ধান্ত যিমান দায়ী, সাম্ৰাজ্যবাদী ঔপনিবেশিক ষড়যন্ত্ৰ তাতোকৈ অধিক দায়ী।

তৃতীয়তে, ধৰ্মীয় মৌলবাদী চিন্তা-চৰ্চাই সমাজ-জীৱনত সৃষ্টি কৰা বিশৃংখলতাই জাতীয় জীৱনত প্ৰচুৰ ক্ষতিসাধন কৰে। ধৰ্মীয় মৌলবাদী চিন্তা-চৰ্চা ধৰ্মীয় বিভাজন আদিয়ে জাতীয় জীৱনত প্ৰচুৰ ক্ষতিসাধন কৰে। বহু সময়ত দেখা যায়, ধৰ্মীয় মৌলবাদী চিন্তা-চৰ্চা, ধৰ্মীয় বিভাজন আদিয়ে জাতীয় সাংস্কৃতিক সংগ্ৰামক ভিতৰৰ পৰা আঘাত হানে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলত খ্ৰীষ্টান, হিন্দু, ইছলাম— এই তিনিটা প্ৰধান ধৰ্মই সৃষ্টি কৰা মৌলবাদী চিন্তা-চৰ্চাৰে আক্ৰান্ত জাতীয় সাংস্কৃতিক সংগ্ৰামৰ সংগ্ৰামী সতীৰ্থই

হঠকাৰী কাম-কাজেৰে সংগ্ৰামৰ মূল চৰিত্ৰকে নষ্ট কৰে।

চতুৰ্থতে, অৰ্ধ সামন্তবাদী সমাজ এখনত, সমাজৰ সাৰ্বিক ৰূপান্তৰ নোহোৱা হেতু নানাধাৰণৰ জাত-পাত বিচাৰ, নাৰী অৱদমন, অলৌকিকতা, অন্ধবিশ্বাস থাকি যায়। ই সমাজ-জীৱনত বাধা হিচাপে দেখা দিয়ে। অসমৰ সমাজ-জীৱনত অদ্যাপি বিৰাজমান, বামুণ, কলিতা, কোঁচ, সূত, কৈৱৰ্ত, কছাৰী, জনজাতি-অজনজাতি আদি নানা জাত-পাতৰ বিভাজনে জাতীয় সাংস্কৃতিক সংগ্ৰামৰ ক্ষতিসাধন কৰিছে। বিধবা প্ৰথা, শেহতীয়াকৈ আমদানি হোৱা যৌতুক প্ৰথা আদি নানাধৰণৰ নাৰী অৱদমনকাৰী মূল্যবোধ ইয়াৰ অন্যতম চানেকী।

পঞ্চমতে, আধুনিক সাহিত্য, চিত্ৰকলা, চলচ্চিত্ৰ, নাটক আদিত দেখা দিয়া কলা কৈবল্যবাদী অভিজাতধৰ্মীতা (Elitism)ৰ দৰে উপাদানে জাতীয় সংস্কৃতিক এক গণবিচ্ছিন্ন ৰূপ প্ৰদান কৰে। প্ৰচাৰৰ সুবাদতে হওক নাইবা পাৰম্পৰিক তোষামোদকাৰী চৰিত্ৰৰ বাবেই হওক, ই অলপতে সমাজত প্ৰতিষ্ঠা লাভ কৰে। বহু সময়ত ইয়াকে প্ৰকৃত সংস্কৃতিৰূপে দেখুওৱা হয়।

ষষ্ঠতে, সততে দেখা যায় যে স্থিতাৱস্থাবাদী চিন্তা-চৰ্চাই জাতীয় সাংস্কৃতিক সংগ্ৰামক বহু সময়ত মোহাচ্ছন্ন কৰি ৰাখে। প্ৰচলিত আৰ্থ-সামাজিক ব্যৱস্থাৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰাৰ পৰিবৰ্তে এনে স্থিতাৱস্থাবাদী চিন্তা-চৰ্চাই প্ৰচলিত ব্যৱস্থাৰ সুযোগ সুবিধা, ৰটা-বাহন আদিৰ প্ৰলোভনেৰে সাংস্কৃতিক সংগ্ৰামীসকলক বিভ্ৰান্ত কৰে। পুৰণিক ভাঙি নতুনক প্ৰতিষ্ঠা কৰাৰ বাবে সংস্কৃতিৰ যি স্বভাৱগত প্ৰেৰণা, সি এনে চিন্তা-চৰ্চাৰ বাবে তমসাচ্ছন্ন হৈ পৰে।

সৰ্বতোপৰি, আধুনিক সংবাদ মাধ্যম, চলচ্চিত্ৰ, সংগীত-নাটকৰ ব্যৱসায়িক চৰিত্ৰই জাতীয় সাংস্কৃতিক সংগ্ৰামী ধাৰাৰ প্ৰতিষ্ঠাৰ নামত অধিক মুনাফা লাভৰ পুঁজিবাদী সংস্কৃতিৰ জন্ম দিয়াহে দেখা যায়। আধুনিক বৈজ্ঞানিক সা-সুবিধা, মানব সম্পদ ব্যৱহাৰ আদিৰ দৰে হোৱা ব্যয় তথা মাধ্যমটোক জীয়াই ৰাখিবলৈ প্ৰয়োজন হোৱা অৰ্থনৈতিক স্বাবলম্বীতাৰ লগত মুষ্টিমেয় বিনিয়োগকাৰীয়ে কম বিনিয়োগেৰে অধিক মুনাফা লাভৰ বাবে কৰা ব্যৱসায়িক লেনদেনৰ আকাশ-পাতাল পাৰ্থক্য আছে। মাধ্যমসমূহৰ প্ৰথম চৰ্তই জাতীয় সাংস্কৃতিক সংগ্ৰামক গতিশীল কৰিব পাৰে। কিন্তু দ্বিতীয় চৰিত্ৰই সাংস্কৃতিক সংগ্ৰামক স্থিতাৱস্থাকামী চিন্তা-চৰ্চাৰে আক্ৰান্ত কৰি প্ৰচলিত ব্যৱস্থাৰ ধাৰক-বাহক হিচাপেহে ব্যৱহাৰ কৰিব।

সংগ্ৰামৰ ভূত-ভৱিষ্যৎ, গতি-প্ৰকৃতি সন্দৰ্ভত যিমানেই তাত্ত্বিক চিন্তা-চৰ্চা কৰা নহওক কিয়, সংগ্ৰামৰ আচল চৰিত্ৰ নিৰ্ণয় হয় বাস্তৱৰ পৰীক্ষাগাৰতহে। বাস্তৱৰ পৰীক্ষাগাৰত উত্তীৰ্ণ নোহোৱাকৈ কোনো সংগ্ৰামী তত্ত্বই, তত্ত্ব হিচাপে প্ৰতিষ্ঠা লাভ কৰিব নোৱাৰে। বিশ্বৰ বিভিন্ন সফল সংগ্ৰামসমূহে এই কথা প্ৰমাণ কৰি গৈছে। সংগ্ৰামৰ তত্ত্বক বাস্তৱলৈ নিয়ে একোজন সংগ্ৰামী কৰ্মীয়ে। গতিকে সংগ্ৰামী কৰ্মী এজনৰ ভূমিকা অতীব গুৰুত্বপূৰ্ণ।

জাতীয় সাংস্কৃতিক সংগ্ৰামৰ পতাকা বহন কৰা একোজন সাংস্কৃতিক কৰ্মীয়ে তেওঁৰ

ব্যক্তিগত কৰ্ম-কুশলতা, সীমাবদ্ধতাৰ মাজেৰে সংগ্ৰাম পৰিচালনা কৰিবলগা হয়। স্বাভাৱিকতে, বাস্তৱক্ষেত্ৰত কৰ্মীজনে সন্মুখীন হোৱা সমস্যা ব্যক্তিভেদে পৃথক হ'ব পাৰে। তথাপি সাধাৰণ দৃষ্টিৰে কিছু সমস্যা দেখা পোৱা যায়। যথা ঃ

১. **মতাদৰ্শগত সমস্যা ঃ** জাতীয় সাংস্কৃতিক সংগ্ৰামৰ মতাদৰ্শ সন্দৰ্ভত সুস্পষ্ট ধাৰণা নাথাকিলে নানা তাত্ত্বিক প্ৰতিবন্ধকতা সৃষ্টি হ'ব পাৰে। তাত্ত্বিক প্ৰতিবন্ধকতাই বহু সময়ত হঠকাৰী চিন্তা-চৰ্চাৰ জন্ম দিয়াৰ লগতে সংগ্ৰামখনৰ প্ৰতি এক নেতিবাচক ধাৰণা সৃষ্টি কৰে।

২. **কৰ্মসূচীগত সমস্যা ঃ** বহু সময়ত এক সুস্পষ্ট কৰ্মসূচীৰ অবহিনে মতাদৰ্শগত জ্ঞান থকা সত্বেও কৰ্মীজনে বাস্তৱক্ষেত্ৰত নানা আলৈ-আহুকালৰ সন্মুখীন হ'বলগাত পৰে। আনহাতে কৰ্মসূচী অবিহনে, কামসমূহৰ কোনো লক্ষ্য নিৰ্ণয় কৰিব পৰা নাযায়। সফলতা-বিফলতাৰ খতিয়ানেৰে কৰ্মসূচীৰ পৰ্যালোচনাও অসম্ভৱ হৈ পৰে। সেয়ে জাতীয় সাংস্কৃতিক সংগ্ৰামৰ এখন সাধাৰণ কৰ্মসূচীৰ উপৰি অঞ্চলভিত্তিক, সাংস্কৃতিক মাধ্যমভিত্তিক এলানি কৰ্মসূচী প্ৰস্তুত কৰাৰ প্ৰয়োজনীয়তা আছে।

৩. **দৃষ্টিভংগীগত সমস্যা ঃ** দৃষ্টিভংগীগত সমস্যাসমূহো বহু সময়ত মতাদৰ্শৰ লগত জড়িত যদিও প্ৰয়োগিক ক্ষেত্ৰখনত দেখা যায় যে একোজন কৰ্মীৰ স্পষ্ট দৃষ্টিভংগীকো সৰ্বসাধাৰণে গ্ৰহণ কৰিব পৰা নাই। এইক্ষেত্ৰত পৰিস্থিতি পৰিবেশ সংক্ৰান্তীয় ধাৰণাৰ লগতে কৰ্মীজনৰ কৰ্মকুশলতাৰ বিশেষ প্ৰয়োজন হ'ব। জনসাধাৰণৰ পৰিচিত মাধ্যমসমূহৰ ব্যৱহাৰে দৃষ্টিভংগীগত দূৰত্ব হ্ৰাস কৰিব পাৰে। ইয়াৰ বাহিৰেও ব্যৱহাৰিক ক্ষেত্ৰত দেখা দিয়া বিভিন্ন সমস্যাৰ চৰিত্ৰ নিৰ্ণয় তথা সমাধান সূত্ৰ উদ্ভাৱনৰ বাবে সাংস্কৃতিক সংগ্ৰামৰ প্ৰধান আৰু অপ্ৰধান দ্বন্দ্বসমূহৰ বিষয়ে স্পষ্ট ধাৰণা, ব্যৱহাৰিক জ্ঞানেৰে তত্ত্বৰ পৰ্যালোচনা কৰা, তত্ত্ব আৰু কৰ্মৰ সমতা ৰক্ষা কৰা অতীৱ প্ৰয়োজনীয়।

বিশ্বব্যাপী সাম্ৰাজ্যবাদৰ আগ্ৰাসী ভূমিকাৰ প্ৰেক্ষাপটত, জাতীয় সাংস্কৃতিক সংগ্ৰামৰ যোগেদি সাংস্কৃতিক সাম্ৰাজ্যবাদক প্ৰতিহত কৰাৰ ঐতিহাসিক প্ৰয়োজনীয়তাত সাংস্কৃতিক সংগ্ৰামৰ চৰিত্ৰ সন্দৰ্ভত কিছু অভিমত বহল আলোচনাৰ বাবে আগবঢ়োৱা হ'ল—

ক. সাম্ৰাজ্যবাদ, সামন্তবাদ তথা বৃহৎ জাতিৰ প্ৰভুত্ববাদৰ বিৰোধী এক সবল জাতীয় সাংস্কৃতিক সংগ্ৰাম গঢ়ি তোলা হওক। অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ বিশেষ পৰিস্থিতিত ইয়াক সন্মিলিত জাতীয় সাংস্কৃতিক সংগ্ৰাম হিচাপে গঢ় দিয়া হওক।

খ. ভাৱিক আধিপত্যবাদ, ধৰ্মীয় মৌলবাদ, সামন্তীয় মূল্যবোধ, অভিজাতধৰ্মীতা, ব্যৱসায়ধৰ্মীতা, স্থিতাৱস্থাবাদী চিন্তা-চৰ্চাৰ বিৰুদ্ধে এই সাংস্কৃতিক সংগ্ৰাম পৰিচালনা কৰা হওক।

গ. পৰম্পৰাগত লোক-সংস্কৃতিৰ বিজ্ঞানসন্মত চৰ্চা, বিকাশ, সংৰক্ষণ আৰু জাতীয় সাংস্কৃতিক জাগৰণৰ যোগেদি এই সংগ্ৰামক গতিশীল কৰা হওক।

ঘ. গাঁৱৰ কেঁকুৰিয়ে কেঁকুৰিয়ে জাতীয় সাংস্কৃতিক সংগ্ৰামৰ আখৰা কৰা হওক।

ঙ. শিল্পী, সাহিত্যিক, বুদ্ধিজীৱী, সাংস্কৃতিক কৰ্মীৰ এক উদ্যমেহতীয়া মঞ্চৰ যোগেদি এই সংগ্ৰামী ধাৰাৰ বিকাশ কৰা হওক।

চ. অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন জাতীয়, জনগোষ্ঠীয় ভাষাসমূহৰ গৱেষণা, চৰ্চাৰ লগতে শৈক্ষিক স্তৰত মাতৃভাষাৰ লগতে আন এক জনগোষ্ঠীয় ভাষা শিকাটো বাধ্যতামূলক হিচাপে প্ৰচলন কৰা হওক।

পূৰ্বপ্ৰকাশ ঃ 'বাখৰ', দ্বিতীয় আৰু তৃতীয় যুগ্ম সংখ্যা/২০০৫

২৬ অসম-ভাৰত সম্পৰ্ক
এক তথ্যসমৃদ্ধ আলোচনা

বিভিন্নধৰণৰ সাংস্কৃতিক, ৰাজনৈতিক, অৰ্থনৈতিক প্ৰশ্নত অসমৰ বৌদ্ধিক তথা সমাজ-জীৱন আজি উত্তাল হৈ পৰা দেখা গৈছে। জাতীয় মুক্তি সংগ্ৰাম, জাতীয় আত্ম-নিয়ন্ত্ৰণ, জনগোষ্ঠীয় স্বায়ত্তশাসন, সশস্ত্ৰ তৎপৰতাৰ দৰে বিষয়সমূহ যেনেদৰে বৌদ্ধিক সমাজত আলোচিত, তেনেদৰে বিচ্ছিন্নতাবাদ, সন্ত্ৰাসবাদ, অখণ্ড ভাৰতবৰ্ষৰ সাংস্কৃতিক ঐতিহ্য আদি অভিধাসমূহো সঘন আলোচিত। কিন্তু পৰিতাপৰ কথা এয়ে যে এই বিষয়সমূহৰ স্বচ্ছ আৰু যুক্তিনিৰ্ভৰ আলোচনা খুব কমেইহে দেখা যায়। আৱেগসৰ্বস্ব, অগভীৰ আলোচনাই যেনেদৰে জাতীয় আত্ম-নিয়ন্ত্ৰণৰ দৰে প্ৰশ্নসমূহৰ বৌদ্ধিক গুৰুত্ব হ্ৰাস কৰিছে, তেনেদৰে সমাজৰ একাংশ অগ্ৰণী লোকৰ এই প্ৰশ্নসমূহৰ প্ৰতি উন্নাসিকতায়ো সুস্থ বৌদ্ধিক আলোচনাৰ পথ ৰুদ্ধ কৰিছে।

এনে এক প্ৰেক্ষাপটত, প্ৰতিষ্ঠানবিৰোধী বা স্থিতাৱস্থাবিৰোধী শিল্পী-সাহিত্যিক-বুদ্ধিজীৱীসকলে আৱেগবৰ্জিত হৈ জাতীয় প্ৰশ্নসমূহৰ গৱেষণা, আলোচনা আৰু চৰ্চা কৰাটো প্ৰয়োজনীয়। অসমৰ সাংস্কৃতিক ইতিহাস, সমাজ-ব্যৱস্থাৰ স্বকীয়তাক প্ৰতিষ্ঠা কৰাৰ দায়িত্ব প্ৰতিষ্ঠানবিৰোধী বুদ্ধিজীৱীসকলেই ল'ব লাগিব। সেইদৰে, পৰিৱৰ্তিত বিশ্ব আৰু ভাৰতীয় অৰ্থনীতি, ৰাজনীতিৰ পটভূমিত অসমৰ অৰ্থনীতি, ৰাজনীতিৰ স্বকীয়তা প্ৰদান কৰাৰ বিষয়েও চিন্তা-চৰ্চা কৰা যুগুত। বৌদ্ধিক চিন্তা-চৰ্চা অবিহনে যিকোনো ৰাজনৈতিক-সামাজিক আন্দোলন পথভ্ৰষ্ট হোৱাৰ আশংকা থাকে।

সেইদৰে আজিৰ তাৰিখত আমি যি বিশাল ভাৰতীয় উপ-মহাদেশৰ বাসিন্দা, এই

মহাদেশৰ ৰাষ্ট্ৰব্যৱস্থা, অৰ্থনৈতিক গাঁথনি সন্দৰ্ভতো চিন্তা-চৰ্চা কৰাৰ প্ৰয়োজন। ভাৰতীয় উপ-মহাদেশৰ অন্তৰ্গত বঙালী, কাশ্মিৰী, পঞ্জাবী, মাৰাঠী, তামিল, আদিবাসী, অসমীয়া আদি জাতি আৰু বিকাশৰ ভিন্ন স্তৰৰ জনগোষ্ঠীসমূহৰ সাংস্কৃতিক, ঐতিহাসিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক সম্পৰ্কৰ সন্দৰ্ভতো গৱেষণা, চিন্তা-চৰ্চা হোৱাটো যুগুত। এই জাতিসমূহৰ সামগ্ৰিক বিকাশৰ ক্ষেত্ৰত বৰ্তমানৰ ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰৰ ভূমিকা কেনেধৰণৰ তাৰো পৰ্যালোচনা হ'ব লাগে।

সম্প্ৰতি, বিক্ষিপ্তভাৱে হ'লেও আমাৰ বৌদ্ধিক চিন্তা-চৰ্চা সমৃদ্ধ কৰিব পৰা কেতবোৰ প্ৰয়াস দেখা গৈছে। অসম আৰু ভাৰতৰ সম্পৰ্কতো দুই-এক প্ৰবন্ধধৰ্মী লিখা-মেলা দেখা পোৱা গৈছে। শেহতীয়াকৈ আমাৰ দৃষ্টিগোচৰ হোৱা 'অসম-ভাৰতীয় সংঘাত' শীৰ্ষক গ্ৰন্থখন ইয়াৰ এক উদাহৰণ।

বৰ্ষীয়ান কংগ্ৰেছকৰ্মী আৰু মহাৰাষ্ট্ৰৰ আগশাৰীৰ ৰাজনৈতিক স্তম্ভলেখক তথা ৰাজ্যিক গ্ৰামসেৱক এছ'চিয়েচনৰ সভাপতি মহেশ ৰাজাৰাম যোশীয়ে অসম আৰু ভাৰতবৰ্ষৰ ঐতিহাসিক, সাংস্কৃতিক, অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক; বিশেষভাৱে সাংবিধানিক সম্পৰ্ক সন্দৰ্ভত তেখেতৰ ওঠৰ বছৰীয়া গৱেষণাৰ ফচল হিচাপে 'অসম-ভাৰতীয় সংঘাত' (Assam– the Indian Conflict) শীৰ্ষক গ্ৰন্থখন ৰচনা কৰিছিল। প্ৰাচী প্ৰকাশনে ১৯৮১ চনতে প্ৰকাশ কৰা গ্ৰন্থখনৰ সন্দৰ্ভত কৈছিল—

> 'আমি সমস্যাবোৰৰ প্ৰকৃত কাৰণ প্ৰকাশ কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিছোঁ, যিবোৰে আমাৰ পাঠকক অশান্তিজৰ্জৰ অসমৰ পৰিস্থিতিৰ বিষয়ে সঠিক তথ্যৰ সন্ধান দিব পাৰে। আমি অলপো আচৰিত নহওঁ, যদি আমাৰ কোনো পাঠকে সমস্যাবোৰৰ সমাধানত সুদূৰপ্ৰসাৰী উপায় চিন্তা কৰিব পাৰে, যদিও সেইটো আমাৰো বহুদিনীয়া আশা।'

সম্প্ৰতি আন এগৰাকী সমাজ-সচেতন উদীয়মান অনুবাদক মুন বৰাই গ্ৰন্থখন অসমীয়ালৈ অনুবাদ কৰিছে আৰু গুৱাহাটীৰ এষণা গৱেষণা আৰু প্ৰকাশন গোষ্ঠীয়ে ইয়াক প্ৰকাশ কৰিছে। গ্ৰন্থ বিপণীসমূহত সুলভ হৈ পৰা গ্ৰন্থখনৰ এক অৱলোকনৰ জৰিয়তে অসমৰ সাম্প্ৰতিক সমস্যাৰাজিক অনুধাৱন কৰাৰ প্ৰয়োজনীয়তা আছে।

গ্ৰন্থখনিৰ বিষয়বস্তু ছটা অধ্যায়ত বিভক্ত। পৰিশিষ্ট হিচাপে আন পাঁচটা অধ্যায় সন্নিবিষ্ট কৰা হৈছে।

'সংস্কৃতিৰ সংগম' শীৰ্ষক অধ্যায়ত লেখকে অসমৰ সাংস্কৃতিক ইতিহাসক এক নতুন দৃষ্টিৰে লক্ষ্য কৰিছে। আজিৰ ৰাজনৈতিক অসমৰ ভৌগলিক পৰিসীমাৰ পৰিৱৰ্তে তেখেতে অসমৰ সাংস্কৃতিক ঐতিহ্যৰ পৰিসীমা অংকন কৰিছে—

'পূবে কম্বোজৰ পৰা পশ্চিমে কাছগাৰলৈ আৰু উত্তৰে চীন দেশৰ পৰা দক্ষিণ চেলুনলৈকে। খ্ৰীষ্টপূৰ্বৰ ৯০০ ৰ পৰা ১৬০০ খ্ৰীষ্টাব্দলৈকে এই ২,৫০০ বছৰ অসম বিশ্ব বাণিজ্যৰ কেন্দ্ৰস্থল আছিল বুলি উল্লেখ কৰি অসমৰ সাংস্কৃতিক ঐতিহ্যক ঘাইকৈ তিনিটা পৰ্যায়ত বিভক্ত কৰিছে। ইয়াৰ প্ৰথম পৰ্যায়টো হ'ল প্ৰাগজ্যোতিষ। এই পৰ্যায়ত অষ্ট্ৰিকসকল, মনখমেৰসকল উত্তৰ-পূব ভাৰতৰ বাসিন্দা আছিল। আজিৰ খাছি আৰু

জয়ন্তীয়াসকল তেওঁলোকৰ পোনপটীয়া বংশধৰ। খ্ৰীষ্টীয় ৬০০ ৰ পৰা ৯০০ খ্ৰীষ্টাব্দৰ ভিতৰত অসমৰ এক গভীৰ আৰু ব্যাপক সংমিশ্ৰণৰ স্বাৰ্থত মংগোলয়ড, অষ্ট্ৰেলয়ড, দ্ৰাবিড় আৰু আৰ্যসকলৰ মাজত ৰাজনৈতিক শ্ৰেষ্ঠতাৰ বাবে দীঘলীয়া যুঁজ লাগিছিল। হিন্দু আৰু তাই সাংস্কৃতিক সংযোগ ইয়াৰ ঘাই বৈশিষ্ট্য। বৈদিক পৰম্পৰাৰ প্ৰতি স্পষ্ট ঢাল লোৱা সূচক চিহ্নটোৱে, খ্ৰীষ্টিয় চতুৰ্থ শতিকাৰ পৰা দ্বিতীয় পৰ্যায়টো আৰম্ভ কৰিছিল। ঐতিহাসিক তাই প্ৰব্ৰজন, ভাস্কৰ বৰ্মা আৰু হৰ্ষবৰ্ধনৰ সম্বন্ধ, চীন দেশৰ প্ৰতিষ্ঠা আদি পৰিঘটনা এই সময়ছোৱাৰ ঘাই বৈশিষ্ট্য। লেখকে তৃতীয় সাংস্কৃতিক পৰ্যায় হিচাপে আহোমসকলৰ অসম আগমন আৰু শাসনক অভিহিত কৰিছে। এই পৰ্যায়ক আকৌ তিনিটা উপ-ভাগত বিভক্ত কৰা হৈছে। ১২২৮ চনৰ পৰা ১৩৭৬ চনলৈকে, প্ৰায় ১৫০ বছৰীয়া প্ৰথমটো উপ-ভাগত, আহোমসকলে এক নতুন ভূমি-বন্দবস্তিৰ সৃষ্টি কৰিলে, যি অসমৰ সাংস্কৃতিক সমন্বয়ত এক নতুন গতি প্ৰদান কৰিলে। ২২৫ বছৰীয়া দ্বিতীয়তো উপ-ভাগত (১৩৭৬-১৬০৩) বুঢ়াগোহাঁই আৰু বৰগোহাঁইৰ দৰে ক্ষমতাশালী কাৰ্যপালিকাৰ স্থান লাভ, শ্ৰীমন্ত শংকৰদেৱৰ নব-বৈষ্ণৱ আন্দোলন আদি পৰিঘটনাই অসমৰ সাংস্কৃতিক গলন প্ৰক্ৰিয়াৰ সূচনা কৰিছিল। সাতৰাজ মাৰি একৰাজ হোৱা, নিজস্ব উপভাষাৰ নিমিত্তে অসমীয়া ভাষাই সকলো জাতিৰ বান্ধোন ৰক্ষাকাৰী শক্তি হিচাপে কাম কৰা আদিয়ে এই সাংস্কৃতিক গলন প্ৰক্ৰিয়াক গতি প্ৰদান কৰিছিল। জাতীয় জীৱনৰ এই একতাই পৰৱৰ্তী সময়ছোৱাত মোগল আক্ৰমণৰ দৰে সাংস্কৃতিক, ৰাজনৈতিক আগ্ৰাসনক ভেটিব পাৰিছিল। লেখকে ১৬০৩ চনৰ পৰা ১৮২৬ চনলৈকে নিৰ্দিষ্ট সময়ছোৱাক তৃতীয় উপ-ভাগত ৰাখিছে যদিও বিতং তথ্যসমৃদ্ধ বিশ্লেষণ আগবঢ়োৱাৰ পৰা বিৰত আছে। আমাৰ দৃষ্টিভংগীত এই সময়ছোৱাত জাতীয় জীৱনত আভ্যন্তৰীণ আৰু বাহ্যিকভাৱে কিছু প্ৰত্যাহ্বান আহি পৰিছে। অসমৰ সাংস্কৃতিক জীৱনত নৱবৈষ্ণৱ পন্থী আৰু ব্ৰাহ্মণ্য পন্থীৰ দ্বন্দ্ব, ৰাজনৈতিক ক্ষেত্ৰত শাক্তৰ অনুপ্ৰৱেশ আদি ঘটনা ঘটিছিল, যিয়ে সাংস্কৃতিক জীৱনত কেতবোৰ স্থায়ী দ্বন্দ্ব সৃষ্টি কৰাৰ লগতে মোৱামৰীয়া গণ অভ্যুত্থানৰ লেখীয়া জনবিপ্লৱৰ সৃষ্টি কৰিছিল। আহোম প্ৰশাসনীয় যন্ত্ৰৰ অস্থিৰতা, মোগলৰ আক্ৰমণৰ লেখীয়া ঘটনা ঘটিছিল, যি মানৰ আক্ৰমণ আৰু ব্ৰিটিছ আগমনৰ লেখীয়া পৰিৱেশৰ পটভূমি তৈয়াৰ কৰিছিল। স্বাভাৱিকতে জাতীয় সাংস্কৃতিক গলন প্ৰক্ৰিয়াত যতি পৰিছিল আৰু ৰাজনৈতিক স্বাধীনতা লুপ্ত হৈছিল।

অসমৰ জাতীয় ইতিহাসৰ তাৎপৰ্য উল্লেখ কৰি লিখকে ইয়াৰ মাজত নিহিত থকা 'অদম্য স্পৃহা'ৰ প্ৰসংগটো, দ্বিতীয় অধ্যায়ত আলোচনা কৰিছে। কেতবোৰ ঐতিহাসিক উপাদানে অসমৰ অদম্য স্পৃহাক সমৃদ্ধ কৰিছে। ভাস্কৰ বৰ্মনে নালন্দা বিশ্ববিদ্যালয়ৰ অধ্যক্ষ শীলভদ্ৰৰ ওপৰত বাধ্য হৈ বল প্ৰয়োগ কৰি, হিউৱেন চাঙক অসমলৈ আমন্ত্ৰণ কৰা, বখতিয়াৰউদ্দিন খিলিজিক পৰাভূত কৰি পৰোক্ষভাৱে তুৰ্ক-আফগান আগ্ৰাসনক প্ৰতিৰোধ কৰা, শৰাইঘাটৰ যুদ্ধত মোগল শক্তিৰ পৰাজয়ৰ যোগেদি প্ৰত্যক্ষভাৱে মোগল সাম্ৰাজ্যবাদীক প্ৰতিহত কৰা, ফ্ৰান্সিছ হেমিল্টনে অসমীয়া ভাষাক মৃতভাষা বুলি প্ৰতিষ্ঠা কৰি অসমত বঙলা ভাষাৰ প্ৰচলনত ইন্ধন যোগোৱা কাৰ্যৰ প্ৰতিবাদ কৰি

প্ৰায় ১২৫ বছৰীয়া সংগ্ৰাম চলোৱাৰ দৰে ঐতিহাসিক ঘটনাসমূহৰ পৰা জাতীয় জীৱনৰ এক অদম্য স্পৃহাৰ সৃষ্টি হৈছে বুলি লেখকে উল্লেখ কৰিছে। তেখেতে কৈছে—

> 'অদম্য স্পৃহা'ৰ মৌলিক চৰিত্ৰই হ'ল হাড়ে-হিমজুৱে গণতান্ত্ৰিক। গণতন্ত্ৰ সম্পৰ্কে তেওঁলোকৰ (অসমীয়াসকলৰ) দৃষ্টিভংগীও সম্পূৰ্ণৰূপে আৰু অত্যাৱশ্যকীয়ভাৱে বিকেন্দ্ৰীভূত দৃষ্টিভংগী।' (পৃ-৪৪)

> 'পৃথিৱীৰ যিকোনো দেশতে যিকোনো যুগতে ইয়াক ধৈৰ্য, সহিষ্ণুতা, অধ্যৱসায় আৰু দৃঢ়তাৰ উৎকৃষ্ট নিদৰ্শন বুলি কোৱা গ'লহেঁতেন। অসমীয়া বিশেষ একধৰণৰ জাতি, এইটো তেওঁলোকৰ প্ৰাথমিক বৈশিষ্ট্য (পৃষ্ঠা ঃ ৪৭)।

জাতীয় জীৱনৰ এই অদম্য স্পৃহাৰ ভাৱমণ্ডলটো সৃষ্টি কৰিছে তাই আৰু হিন্দু সংস্কৃতিৰ গলনপ্ৰসূত এক বিশ্বজনীন দৃষ্টিভংগী আৰু মহাপুৰুষ শংকৰদেৱৰ গণতান্ত্ৰিক সামাজিক ধৰ্মীয় ব্যৱস্থাই। মহাপুৰুষ শংকৰদেৱক সমসাময়িক ভাৰতবৰ্ষৰ এজন অনন্য দাৰ্শনিক, ৰাজনীতিবিদ হিচাপে গণ্য কৰি লেখকে কৈছে—

> 'প্ৰত্যেক জনজাতিৰ মাজত নিজা চৰকাৰৰ স্পৃহা আৰু প্ৰত্যেক গ্ৰাম্য সমাজত আত্ম-প্ৰশাসনৰ স্পৃহা একে জাতীয় সংস্থাৰ এক সাধাৰণ ধৰণৰ বস্তু। গোটবোৰহে ভিন্ন ভিন্ন ঃ জনজাতি হ'ল এটা (থিয়বংশ), আনটো হ'ল গাঁও (সমান্তৰাল বংশ) তেওঁ একেধৰণৰ হোৱাকৈ দুয়োটাকে সংযোজিত কৰিছিল। তেওঁ সত্ৰ নামৰ এটা নতুন অনুষ্ঠান উলিয়াইছিল। এতিয়া তেওঁ আচৰিতজনক ঐশ্বৰিক শক্তিৰ প্ৰকাশ চাওক। গাঁৱৰ প্ৰত্যেকজন বাসিন্দা সত্ৰৰ সদস্য হ'ব লাগিছিল। আৰু সত্ৰৰ প্ৰত্যেকজন সদস্যই এক শৰণীয়া ধৰ্মৰ শিষ্য আছিল। চাওক, কেনেকৈ সেই ঠাইৰ উপাদান গাঁৱক সত্ৰলৈ ৰূপান্তৰিত কৰা হৈছিল আৰু সময়ৰ উপাদান জনজাতিবোৰক (এটা সাংস্কৃতিক গোট) ধৰ্মলৈ ৰূপান্তৰিত কৰা হৈছিল। (গাঁও এটা সামাজিক গোট) এইধৰণৰ মূৰ্চ্ছনাক সম্পূৰ্ণ কৰি তুলিবৰ বাবে তেওঁ প্ৰত্যেক সত্ৰকে স্বয়ংশাসিত গোট হিচাপে গঢ়ি তুলিছিল। তেওঁ আছিল এজন ৰাজনীতিবিদ, কাৰণ তেওঁ প্ৰাৰ্থনাৰ সবাহসমূহক এনে একোটা প্ৰসংগলৈ ৰূপান্তৰিত কৰিছিল, য'ত আলোচনা আৰু তৰ্ক কৰা হয়, প্ৰাকৃতিক ন্যায় আৰু গভীৰ জ্ঞানৰ দ্বাৰা সাধাৰণ কথাবোৰৰ ক্ষেত্ৰত সিদ্ধান্ত লৈ ঘোষণা কৰা হয়। আধুনিক শব্দৰে ক'বলৈ গ'লে তেওঁ গাঁৱলীয়া সংসদৰ পৰিকল্পনা কৰি প্ৰতিষ্ঠা কৰি তাৰ উন্নতি ঘটাইছিল সত্ৰৰ ৰূপত। তেওঁ এইটো কৰিছিল ই কেন্দ্ৰীয় অভিজাততন্ত্ৰৰ ওপৰত নিৰ্ভৰশীলতা অতি কম পৰিমাণলৈ কমাইছিল।' (পৃঃ ৪০-৪১)।

তেখেতে মতপোষণ কৰে যে যিহেতু ভাৰতবৰ্ষৰ বৈদেশিক নীতি অসমীয়াৰ বিশ্বজনীন দৃষ্টিভংগীৰে সমৃদ্ধ আৰু আজিৰ ভাৰতবৰ্ষৰ যি ভৌগোলিক আৰু সাংস্কৃতিক স্থিতি তাত অসমীয়া জনসাধাৰণৰ অৱদান উল্লেখযোগ্য। সেয়ে অসমৰ সামগ্ৰিক সংকটত ভাৰতবৰ্ষই মনোনিৱেশ কৰাটো যুগুত। কিন্তু লিখকৰ ভাষাতে, কাৰ্যক্ষেত্ৰত

দেখা গৈছে যে ভাৰতে অসমক বুজাৰ ক্ষেত্ৰত এটা ফাট— এটা মনোবৈজ্ঞানিক দূৰত্বৰ সৃষ্টি কৰিছিল। যোৱা ত্ৰিশ বছৰে (৫০ বছৰ!) এই ফাটটো ডাঙৰ হৈ গৈয়ে থাকিল আৰু এতিয়া এনে এটা পৰ্যায় পাইছেগৈ যে অসম ভাৰতৰ ভিতৰতে যদিও সংসদত ইয়াৰ প্ৰতিনিধিত্ব কৰা নাযায়। অখণ্ডনীয় 'হোৱাটো হ'বই' সূত্ৰই (Law of inevitability) আমাক প্ৰথমবাৰৰ বাবে এই সাংবিধানিক সংকটটোৰ মাজলৈ ঠেলি দিছে। অসম ভাৰতৰ ট্ৰেজেদি। (পৃঃ ৫৩)

১৮২৬ চনত ব্ৰিটিছৰ আগমনৰ লগে লগে অসমৰ স্বাধীনতা লুপ্ত হ'ল। আহোম শাসনকালত যি স্বতন্ত্ৰ কাৰ্যপালিকা, ভূমি ব্যৱস্থা গা কৰি উঠিছিল, ওঠৰ শতিকাৰ আভ্যন্তৰীণ সংকটে তাক দুৰ্বল কৰি তুলিছিল। তেনে এক প্ৰেক্ষাপটত অসমত ব্ৰিটিছ সাম্ৰাজ্যবাদীয়ে এক ঔপনিবেশিক শাসন ব্যৱস্থা জাপি দিলে। দৰাচলতে এই শাসন ব্যৱস্থা অসমৰ মাটিৰ স্পৰ্শৰে লালিত-পালিত নাছিল। ই আছিল ওপৰৰ পৰা জাপি দিয়া এক শাসন ব্যৱস্থা। সেইদৰে অসমৰ ভূমি ৰাজহ ব্যৱস্থাটোও ব্ৰিটিছ ঔপনিবেশিক নীতিপ্ৰসূত। ফলত সি অসমৰ আৰ্থ-সামাজিক ভেটিক স্বতন্ত্ৰৰীয়াকৈ গঢ় লৈ উঠাত বাধা দিছিল।

মহেশ যোশীয়ে আলোচ্য গ্ৰন্থৰ 'ধুমুহা' শীৰ্ষক অধ্যায়ত ইয়াৰ আলোচনা আগবঢ়াইছে। তেওঁ কৈছে —

> 'ব্ৰিটিছে অসমত এখন চৰকাৰ গঠন কৰিছিল। কিন্তু এই চৰকাৰ অসমৰ স্বাৰ্থত গঠন কৰা হোৱা নাছিল। প্ৰথম পঞ্চাশ বছৰত অসমৰ গৱৰ্ণৰজন এজন মাত্ৰ কমিছনাৰেৰে আৰু তাৰ পিছত ১৮৭৬ চনৰ পৰা ১৯২০ চনৰ সময়ছোৱাত এজন মাত্ৰ মুখ্য কমিছনাৰেৰে গঠিত আছিল। সেই গঠনত অসমক আনৰ স্বাৰ্থত ব্যৱহাৰ কৰাৰ এক শোষণৰ স্থলী হিচাপে ব্যৱহাৰ কৰা হৈছিল। (পৃঃ ৫৮)
>
> ১৯৩৫ চনত ভাৰত শাসন আইনত যি ঔপনিবেশিক শাসনৰ বীজ বৈ গৈছিল, সি স্বাধীন ভাৰতৰ সংবিধানকো আক্ৰান্ত কৰিছিল। অসমৰ ৰাজনৈতিক ব্যৱস্থাৰ গাঁথনিগত পৰিবৰ্তন নহ'ল। সেইদিশৰ পৰা চাবলৈ গ'লে অসমৰ শাসন ব্যৱস্থা আজিও অপৰিবৰ্তনীয় হৈ ৰ'ল। অৰ্থাৎ ব্ৰিটিছৰ ঔপনিবেশিক, শাসন ব্যৱস্থাকে মাথোঁ মুষ্টিমেয় অসমীয়া প্ৰতিনিধিৰ হাতত অৰ্পণ কৰি, ভাৰতীয় কেন্দ্ৰীয়ভূত শাসন ব্যৱস্থাটোৰ লগত সাঙুৰি দিয়া হ'ল।
>
> সেইদৰে ব্ৰিটিছৰ ভূমিনীতিকো পৰ্যালোচনা কৰাৰ থল আছে। ব্ৰিটিছে ভূমি ৰাজহ ব্যৱস্থাত Settlement আৰু Endownment নীতি প্ৰয়োগ কৰিছিল। ১৯৩৪ চনত জি টি গৰ্ডনে Endownment ব্যৱস্থাত An Admixture of people particularly of European descent আৰু Exclusion of only the Assamese in particular নীতি সংযোগ কৰি অসমত চাহ কমিটী গঠনৰ যোগেদি চাহ উদ্যোগৰ পটভূমি ৰচনা কৰিছিল। ড° হেৰম্বকান্ত বৰপূজাৰীয়ে তথ্য দিছে এনেধৰণেৰে, ইউৰোপিয়ান আৰু ভাৰতীয় পুঁজিপতিৰে

গঠিত এক নিকায়ে বিশ লাখ টকাৰ মূলধনেৰে বেংগল চাহ সংস্থা নাম দি এক ব্যক্তিগত সংস্থা গঠন কৰিছিল। মুঠ মূলধন আছিল ৫,০০,০০০ ডলাৰ। ৫০ ডলাৰকৈ ১০,০০০ খন অংশপত্ৰৰ দ্বাৰা এই মূলধন গঠন কৰা হৈছিল। ইংলেণ্ডত কোম্পানীটোৰো উদ্দেশ্য একেই আছিল। আলোচ্য গ্ৰন্থত লিখকে মন্তব্য কৰিছে যে এনেদৰেই অসমখন বিদেশী স্বৰ্গলৈ পৰিবৰ্তন কৰা হৈছিল। ১৮৫৫ চনৰে পৰা অসম চৰকাৰে অসম আৰু অসমীয়াৰ স্বাৰ্থৰ প্ৰতি নিষ্ঠুৰভাৱে পিঠি দিছিল। ব্ৰিটিছৰ দৃষ্টিত, অসম সদায় টকাৰ ছপাশাল হিচাপেই থাকি গৈছিল— মানৱতাৰ বান্ধোন ইয়াত নাছিল। ১৯৪৭ চনত এইটোকেই তেওঁলোকে আমাৰ নতুন প্ৰভুসকলৰ বাবে পুনৰ গৌৰৱপূৰ্ণ কৰি তুলিবৰ বাবে এৰি থৈ গৈছিল। (পৃঃ ৬৪)

অসমৰ বৃহৎ আবাদীভূমিত কৃষি কৰিবৰ বাবেই ব্ৰিটিছে পূৰ্ববংগৰ মুছলমানসকলক অসমলৈ আনিছিল। ব্ৰিটিছৰ ঔপনিবেশিকৰণ আঁচনিখনৰ অধীনত, কিছুমান বিশেষ স্থানত বহিৰাগতসকলক পট্টা দিয়া হৈছিল। সেইদৰে Line System আৰু ঔপনিবেশীকৰণ আঁচনিৰ যোগেদি ভূমি Endowment-ৰ ব্যৱস্থা কৰা হৈছিল। অসমৰ আৰ্থ-সামাজিক ব্যৱস্থাত ব্ৰিটিছে প্ৰচলন কৰা এই ঔপনিবেশিক ভূমি ৰাজহ ব্যৱস্থাই পৰৱৰ্তী সময়ছোৱাত জাতীয় জীৱনত কেতবোৰ সংশয় আৰু সংঘাতৰ প্ৰত্যাহ্বান আনিছে। কিন্তু আমাৰ বহুতো সমাজ বিজ্ঞানীয়ে, ব্ৰিটিছ স্থাপিত এই ঔপনিবেশিক আৰ্থ-সামাজিক গাঁথনিক পৰ্যালোচনা নকৰি, জাতীয় প্ৰশ্নসমূহক কেতিয়াবা বঙালী সম্প্ৰসাৰণবাদ', কেতিয়াবা 'পমুৱা মুছলমানৰ আগ্ৰাসন' আদি আখ্যাৰে অৱমূল্যায়ন কৰাৰ অপচেষ্টা চলোৱা দেখা যায়। আলোচ্য গ্ৰন্থত মহেশ যোশীয়েও তেনে কেতবোৰ ধাৰণা দিছে। তেখেতে ১৮৩৫ চনৰ পৰা ১৮৭৫ চনলৈকে বঙালী সম্প্ৰসাৰণবাদৰ আক্ৰমণ আৰু ১৯০৫ চনৰ পৰা মৈমনছিঙীয়া পমুৱা মুছলমানৰ আক্ৰমণৰ তত্ত্ব সন্দৰ্ভত মন্তব্য কৰিছে যে '১৮২০ চনৰ মানৰ আক্ৰমণতকৈও বেছি নিশ্চিতভাৱে ধ্বংস কৰিব পৰা— ই হ'ল পূৰ্ববংগৰ বিশেষকৈ মৈমনসিং জিলাৰ পৰা মাটি বিচাৰি অহা উপদ্ৰৱকাৰীৰ আক্ৰমণ।'— এই মন্তব্যৰ লগত আমি সহমত পোষণ কৰিব নোৱাৰিলো। কিয়নো, কিছু ভাষাগত আৰু ধৰ্মীয় প্ৰশ্ন বাদ দিলে, এই মানুহখিনিৰ আৰ্থ-সামাজিক প্ৰশ্নসমূহ অসমৰ থলুৱা, খিলঞ্জীয়া লোকসকলৰ লগতে সাঙোৰ খাই আছে। জাতীয় অৰ্থনীতি, সমাজনীতিলৈ এওঁবিলাকৰ অৱদানো তাকৰ নহয়।

সকলোতকৈ গুৰুত্বপূৰ্ণ বিষয় এইটোৱেই যে ব্ৰিটিছসৃষ্ট অসমৰ ঔপনিবেশিক শাসন-শোষণ ব্যৱস্থাটো আজিও অটুট আছে। এই ব্যৱস্থাই জাতীয় বিকাশৰ দিশত বাধা আৰোপ কৰিছে। অসমৰ সকলো স্তৰৰ জনসাধাৰণ ইয়াৰ ভুক্তভোগী। বৃহত্তৰ অসমীয়া সমাজৰ অংশ হিচাপে, মুছলমান বা বঙালীসকলো এই ব্যৱস্থাৰ দ্বাৰা গভীৰভাৱে আক্ৰান্ত।

এইখিনিতে মহেশ যোশীয়ে অসমৰ ইতিহাসক ন-তথ্য দিব পৰা এখন স্মাৰক পত্ৰৰ কথা উল্লেখ কৰিছে। ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ জৰিয়তে প্ৰাপ্ত এই

স্মাৰকপত্ৰখনত ১৯৩৭ চনৰ ২৮ নৱেম্বৰত ডেকাবেজ মাধৱ চন্দ্ৰ বেজবৰুৱাৰ নেতৃত্বত 'অসমীয়া ডেকা দল'-এ সেই সময়ৰ ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভাপতি জৱাহৰলাল নেহৰুক প্ৰদান কৰিছিল। স্মাৰক পত্ৰখনত স্পষ্টকৈ কোৱা হৈছিল—

> 'প্ৰাৰম্ভণিতে আমি আপোনাক এইটো ক'ব বিচাৰো যে পাঞ্জাব, উত্তৰ প্ৰদেশ, বংগ আদি যিদৰে ভাৰতীয় প্ৰদেশ, অসমকো তেনেদৰে বহু প্ৰদেশৰ এখন বুলিলে ভুল কৰা হ'ব। মাত্ৰ ১৮২৬ চনতহে অসম ভাৰতৰ অংগ হৈ পৰিছে, তাৰ আগতে অসম এখন পৃথক দেশ আছিল, ইয়াত স্বাধীন ৰজাই শাসন কৰিছিল, ভাৰতৰ বাকী অংশৰ লগত এই ৰজাসকলৰ সম্পৰ্ক নাছিল, এই দেশত এনে জাতিয়ে বাস কৰিছিল যাৰ সংস্কৃতি আৰু সভ্যতা ভাৰতৰ বাকী অংশৰ সভ্যতা আৰু সংস্কৃতিৰ পৰা বিচ্ছিন্নভাৱে গঢ়ি উঠিছিল আৰু বিকশিত হৈছিল। ....ব্ৰিটিছসকল প্ৰথমে অসমলৈ আহি অসমীয়া জাতিটোক ভগ্ন মনোৰথ আৰু গৃহহীন অৱস্থাত পাইছিল। ব্ৰিটিছে অসম অধিকাৰ কৰাৰ ঠিক পিছতেই (ক) ইংৰাজ কোম্পানীবোৰক বিশেষ কৃষিৰ বাবে ৰাজহমুক্ত বৃহৎ ভূখণ্ড দিছিল। (খ) মাৰোৱাৰীসকলক ব্যৱসায় বাণিজ্যৰ বাবে বিশেষ সুবিধা প্ৰদান কৰা হৈছিল। (গ) আদালত আৰু শিক্ষানুষ্ঠানত বাংলা-ভাষাক মুক্তভাৱে ব্যৱহাৰৰ সুবিধা দিয়া হৈছিল। সেয়েহে অসমত নিজৰ প্ৰাধান্য শক্তিশালী কৰিবৰ বাবে অনা-অসমীয়াসকলৰ নৈতিক সমৰ্থন কিনাৰ বিষয়ত ব্ৰিটিছ চৰকাৰ সচেতন আছিল। তেওঁলোকৰ দ্বাৰা ভাল-বেয়া যিকোনো পৰাকাষ্ঠা দেখুওৱা হৈছিল। চাহেই যিহেতু অসমৰ একমাত্ৰ ডাঙৰ আৰু উল্লেখযোগ্য উদ্যোগ, চৰকাৰে ইয়াৰ ওপৰত সম্পূৰ্ণ প্ৰাধান্য বিস্তাৰ কৰিছিল আৰু 'চাহ খেতিয়কৰ ৰাজত্ব' (Planters Raj) এতিয়ালৈকে অসম চৰকাৰৰ আন এটা নাম হিচাপে থাকি গৈছে।' (পৃঃ ৭৪, ৭৫)

ডেকাবেজ মাধৱ চন্দ্ৰ বেজবৰুৱাই জৱাহৰলাল নেহৰুক স্মাৰকপত্ৰখন প্ৰদান কৰি অসমৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ আশ্বাস বিচাৰিছিল। কিন্তু নেহৰুৱে এক সন্তোষজনক উত্তৰ দিয়াত ব্যৰ্থ হ'ল। কাজেই ডেকাবেজে ঘোষণা কৰিবলৈ বাধ্য হ'ল— 'তেনেহ'লে অসম ভাৰতৰ পৰা পৃথক হৈ আহিব।' এইক্ষেত্ৰত নেহৰুৰ স্পষ্ট অভিমত— 'ধ্বংস হোৱা' (go to the hell)।

নক'লেও হ'ব যে স্বাধীনতাপূৰ্ব কালছোৱাতে অসমৰ সামগ্ৰিক স্বাৰ্থৰ ক্ষেত্ৰত ভাৰতৰ অনীহা স্পষ্ট। ডেকাবেজ আৰু নেহৰু এই দ্বন্দ্বৰ প্ৰতিনিধিহে মাথোঁ। 'সংকট' শীৰ্ষক অধ্যায়ত, মহেশ যোশীয়ে স্বৰাজোত্তৰ কালছোৱাত অসমে সন্মুখীন হোৱা সমস্যাসমূহৰ পৰ্যালোচনাৰ যোগেদি 'অসম-ভাৰতৰ সংঘাত'ৰ সূত্ৰ নিৰ্ণয় কৰিছে। সাধাৰণতে জাতীয় জীৱনৰ এই সংকটৰ উপৰিকাঠামোগত লক্ষণসমূহহে পৰ্যালোচনা কৰা দেখা যায়। অসমৰ সংকট বুলিলে তেল শোধনাগাৰ, বহিৰাগতৰ প্ৰশ্ন, ৰে'ল লাইন সম্প্ৰসাৰণ আদি বিষয়সমূহকে আলোচনা কৰা হয়। কিন্তু অসমৰ সংকটৰ মূল হ'ল ইয়াৰ ৰাজনৈতিক, প্ৰশাসনিক গাঁথনি। লেখকে এই বিষয়টোতো গুৰুত্ব প্ৰদান

কৰিছে। তেওঁৰ মতে 'অসমৰ জনসাধাৰণৰ লগত নৈতিক আৰু সাংস্কৃতিক যোগসূত্ৰ নথকা অভিজাত শ্ৰেণীটোৰ দ্বাৰা অসমৰ ৰাজনীতি পৰিচালিত হৈ আহিছে।' ১৯২২ চনতে বিধান পৰিষদৰ সদস্য প্ৰমোদ চন্দ্ৰ দত্তই বিধান পৰিষদতে ইয়াৰ বিৰোধিতা কৰিছিল। কিন্তু পৰিতাপৰ বিষয় এয়ে যে স্বাধীনতাৰ পিছতো ভাৰত চৰকাৰে ব্ৰিটিছসৃষ্ট গাঁথনিৰ মাজত কাৰ্য পৰিচালনা কৰিছিল। অসমক ৬ টা সৰু সৰু গোটলৈ 'বালকেনাইজড' (Balkanised) কৰা হৈছিল আৰু এনেদৰেই অতিৰিক্ত পাঁচখন মুখ্য সচিবৰ আসন সৃষ্টি কৰা হৈছিল, অসম প্ৰশাসনিক সেৱাৰ ল'ৰাইতৰ লগত সচিব, যুটীয়া সচিব আৰু অতিৰিক্ত সচিবৰ পদবী পাঁচগুণকৈ বৃদ্ধি কৰা হৈছিল। এই ৰাজনৈতিক বিভাজনৰ বাবে অসমৰ মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক মৰ্যাদা হ্ৰাস হ'ব।

...অসমৰ প্ৰত্যেক নতুন বিধানসভাই অসম বিধানসভাৰ নেতাজনৰ কৰ্তৃত্বৰ স্খলন দেখি আহিছে। সংখ্যাগুৰুসকলৰ নেতাই সদায় নেতৃত্বৰ ক্ষেত্ৰত আভ্যন্তৰীণ সংকটৰ সন্মুখীন হয়, দিল্লীৰ উচ্চ কৰ্তৃত্বৰ লোকসকলে সদায়, সংখ্যালঘু দলৰ নেতাজনক সমৰ্থন দিয়ে আৰু তাৰ দ্বাৰাই সংখ্যাগুৰুসকলৰ নেতাজনৰ স্বতন্ত্ৰতা আৰু উৎসাহ-উদ্দীপনা হ্ৰাস কৰে। এই পদ্ধতিত অসমৰ মুখ্যমন্ত্ৰীজনৰ ৰাজনৈতিক মৰ্যাদা অধঃপতিত হয় আৰু সেয়েহে অভিজাততন্ত্ৰৰ হাতৰ পুতলা হৈ পৰে। (পৃঃ ৯৯)

এই সমগ্ৰ ক্ষেত্ৰত ভাৰত চৰকাৰে ১৮৩৬ চনত বংগ চৰকাৰে গ্ৰহণ কৰা ৰণ-কৌশলকে প্ৰয়োগ কৰি আহিছে। ভাৰত চৰকাৰে অনা-অসমীয়াসকলক Endownment of land নীতিৰ আধাৰত আৰ্থিক সাহায্য আগবঢ়াই আহিছে। সেয়ে যোশীয়ে ক'ব খোজে যে এইক্ষেত্ৰত দুটা ভিন্নমুখী সূত্ৰক কামত লগোৱা হৈছে। অসমৰ জনসাধাৰণৰ সূত্ৰটো পীড়িতসকলৰ সূত্ৰ। ভাৰত চৰকাৰৰ সূত্ৰটো উৎপীড়কৰ সূত্ৰ। এটাই ন্যায়ৰ কথা কয়, আনটোৱে স্থিতাৱস্থা সমৰ্থন কৰে। এটাই সংস্কৃতি ৰক্ষা কৰিব বিচাৰে আনটোৱে ইয়াৰ উন্নতি ঘটাব বিচাৰে। এটাই ভাৰতীয় হৈ থাকিব বিচাৰে আনটোৱে ভাৰতীয়ত্ব জাপি দিব বিচাৰে। এটাই বেয়াখিনি নাইকিয়া কৰিব বিচাৰে, আনটোৱে ইয়াত সাৰ-জাবৰ দি জীয়াই ৰাখিব বিচাৰিছে। এটাই কষ্টভোগ কৰিবলৈ সাজু, আনটোৱে উৎপীড়ন কৰিবলৈ সাজু আছে। (পৃঃ ৯৮)

পঞ্চম অধ্যায়ত সন্নিবিষ্ট 'সংবিধান' শীৰ্ষক অধ্যায়ত লিখকে ভাৰতীয় সংবিধানৰ কেন্দ্ৰ-ৰাজ্য সম্পৰ্ক তথা এইক্ষেত্ৰত অসমৰ ভূমিকা উল্লেখ কৰিছে। ভাৰতবৰ্ষৰ সংবিধান ৰচনা কৰাৰ বহু আগতেই 'আনকি ইয়াৰ আধাৰস্বৰূপ ১৯৩৫ চনৰ ভাৰত শাসন আইন প্ৰণয়ন কৰাৰ আগতেই ১৯২৪ চনৰ ২৪ মাৰ্চ তাৰিখে অসমৰ তেতিয়াৰ বিৰোধী দলপতি মৌলবী ফৈজনুৰ আলীয়ে অসম বিধান পৰিষদৰ দ্বাৰা এটি প্ৰস্তাৱৰ অনুমোদন কৰাইছিল। উল্লেখযোগ্য যে এই প্ৰস্তাৱটো হ'ল— 'এই পৰিষদে চৰকাৰক পৰামৰ্শ দিয়ে যে চৰকাৰে যাতে ভাৰতৰ বাবে থকা Secretary of State আৰু পৰিষদৰ গৱৰ্ণৰ জেনেৰেলক অসমৰ বাবে এখন সম্পূৰ্ণ দায়িত্বশীল চৰকাৰ গঠনৰ বাবে প্ৰয়োজনীয় পদক্ষেপ হাতত ল'বলৈ অনুৰোধ কৰে।'

ইয়াৰ পৰৱৰ্তী সময়ছোৱাতহে তামিলনাডুৰ ৰাজমেন্নাৰ কমিটীয়ে কেন্দ্ৰ-ৰাজ্য

সম্পৰ্কৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়াইছিল। ভাৰতীয় সংবিধানৰ প্ৰকৃতি সন্দৰ্ভত যোশীয়ে মতপোষণ কৰে যে আইন-শৃংখলা ৰক্ষা কৰাৰ দায়িত্বটো ৰাজ্যসমূহৰ ওপৰত ন্যস্ত কৰা হৈছে। কিন্তু একে সময়তে সকলোবোৰ বিষয়ৰ ওপৰতে আনকি আভ্যন্তৰীণ আইন-শৃংখলাৰ ক্ষেত্ৰতো কেন্দ্ৰীয় চৰকাৰক সৰ্বশক্তিসম্পন্ন কৰা হৈছে। ভাৰতীয় সংবিধানৰ অধীনত নিজৰ মৌলিক কাৰ্যৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰসমূহ কেন্দ্ৰীয় চৰকাৰৰ ওচৰতহে প্ৰাথমিকভাবে পোনপটীয়াকৈ আৰু সম্পূৰ্ণকৈ দায়বদ্ধ, তেওঁলোকক নিৰ্বাচন কৰা জনসাধাৰণৰ ওপৰত তেওঁলোক মুঠেই দায়ী নহয়। (পৃঃ ১১০)

আজিৰ প্ৰেক্ষাপটত কেন্দ্ৰ-ৰাজ্য সম্পৰ্কৰ প্ৰশ্নটো গুৰুত্বপূৰ্ণ। আজি ৰাজ্যসমূহলৈ অধিক ক্ষমতা দিয়াৰ প্ৰস্তাৱ আহিছে। ভাৰতবৰ্ষক প্ৰকৃতাৰ্থত যুক্তৰাষ্ট্ৰ হিচাপে গঠন কৰাৰ পৰামৰ্শও উত্থাপিত হৈছে। এনে এটা সময়ত ভাৰতবৰ্ষৰ সাংবিধানিক গণ্ডীৰ ভিতৰত অসমৰ দৰে ৰাজ্যসমূহৰ সাংবিধানিক গুৰুত্ব কিমান তাক লক্ষ্য কৰাটো প্ৰয়োজনীয়। স্বাধীনতাৰ পৰৱৰ্তী সময়ছোৱাত কেন্দ্ৰ-ৰাজ্য সম্পৰ্কত ঘুণে ধৰাৰ প্ৰেক্ষাপটত তেখেতে মতপোষণ কৰিছে যে ইয়াৰ কাৰণ ভাৰতীয় সংবিধানৰ ভিতৰত উলিয়াব লাগিব। সেয়ে বিশ্লেষণৰ বাবে এই কথাকেইটা অনুসন্ধান কৰিব লাগিব :

(১) আইন কাৰ্যকৰীকৰণ আৰু প্ৰণয়নৰ ক্ষেত্ৰত কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত সমতা কিয় সম্পূৰ্ণকৈ নস্যাৎ কৰা হৈছিল?

(২) যোৱা ৩০ বছৰ ভাৰতীয় প্ৰশাসনিক সেৱা আৰু ভাৰতীয় আৰক্ষী সেৱাৰ ভূমিকা। ৰাজ্যসমূহক এনে এটা যন্ত্ৰৰ সহায়ত কাম চলাবলৈ কোৱা হৈছে, যিটো যন্ত্ৰ বিধানসভাৰ ওচৰত দায়বদ্ধ নহয়। চৰকাৰ গঠন কৰা নিৰ্বাচিত প্ৰতিনিধিসকল বিধায়িনীৰ ওচৰত দায়বদ্ধ থকা আৰু চৰকাৰী পদবীসমূহ পূৰণ কৰা প্ৰশাসকসকল কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দায়বদ্ধ থকা গভীৰ প্ৰকৃতিৰ ক্ষেত্ৰত ই এক বিৰোধ কথা নহয়নে?

(৩) বিত্তীয় সম্পদৰ সমস্যাটো। বিভাজ্য পুখুৰীৰ পৰা (From the divisible pool) কৰ্পৰেছন কৰক বাদ দিয়াৰ এটা সাংবিধানিক ব্যৱস্থাৰ বাবেই ৰাজ্যসমূহক নিজৰ খালী হোৱা ৰাজকোষ পূৰণৰ বাবে আৰম্ভণিতে বিক্ৰী কৰৰ ওপৰতে প্ৰধানকৈ নিৰ্ভৰ কৰিবলৈ বাধ্য কৰাৰ কথাটো এটা সঁচা কথা নহয়নে? (১৭০ অনুচ্ছেদ)

(৪) পৰিকল্পনা আয়োগৰ সাংবিধানিক অৱস্থান। ই কোনো সাংবিধানিক ব্যৱস্থাতে ঠাই পোৱা নাই। কিন্তু যোৱা ত্ৰিশ বছৰে ই ৰাষ্ট্ৰীয় উন্নয়ন পৰিষদক (National Development Council) আচ্ছন্ন কৰি ৰাখিছে। সকলোবিলাক ৰাজ্যিক আঁচনি পৰিকল্পনা আয়োগে ভালদৰে পৰীক্ষা কৰে, সংশোধন কৰে আৰু অনুমোদন কৰে, ৰাজ্যিক চৰকাৰসমূহক প্ৰথমে পৰিকল্পনা আয়োগৰ ওচৰত আৰু তাৰ পিছতহে বিধায়িনীৰ ওচৰত দায়বদ্ধ কৰা হৈছে।

(৫) শক্তি আৰু জলসিঞ্চনৰ সম্ভাব্য শক্তি কামত লগোৱাৰ ক্ষেত্ৰত হোৱা পলম। কেন্দ্ৰীয় চৰকাৰে প্ৰকল্পসমূহ অনুমোদন কৰাত পলম কৰাৰ বাবেহে

শক্তি আৰু জলসিঞ্চনৰ ক্ষেত্ৰত বৰ্তমান নাটনি হোৱা কথাটো বাস্তৱিকতে এটা সত্য কথা নহয়নে?

(৬) ৰাজ্যসভাৰ ভূমিকা ৰাজ্য পৰিষদ, ৰাজ্যসমূহৰ প্ৰতিনিধিৰ দ্বাৰা গঠিত এক সভা। কিন্তু যুক্তৰাষ্ট্ৰীয় গণৰাজ্যখনৰ ৰাজনীতিত ই কাচিৎহে ৰাজ্যসমূহৰ স্বাৰ্থক প্ৰতিনিধিত্ব কৰে। লোকসভাৰ দৰে ৰাজ্যসভায়ো ৰাজনৈতিক দলবোৰৰ সমৰক্ষেত্ৰ হৈ পৰিছে। (পৃঃ ১১৪)

তেখেতে ভাৰতৰ সামগ্ৰিক ৰাজনীতিত অসমৰ জনসাধাৰণে প্ৰতিষ্ঠা কৰা দুটা উপাদানৰ প্ৰসংগও আনিছে। সেই উপাদান দুটা হ'ল— (এক) জনসাধাৰণৰ সাৰ্বভৌমত্ব, (দুই) ভাৰত গণৰাজ্যৰ প্ৰত্যেকখনি ৰাজ্যৰে পৰিচয় আৰু অস্তিত্ব আছে। ইয়াক সমগ্ৰ ভাৰতৰ মানুহে সন্মান জনাব লাগিব আৰু সংৰক্ষণ কৰিব লাগিব।

অসম আৰু ভাৰতৰ সংঘাতৰ এই দীঘলীয়া যাত্ৰাত মহেশ যোশীয়ে ভাৰতৰ গৃহ আৰু বৈদেশিক নীতিৰ সমালোচনা কৰিছে 'প্ৰত্যাহ্বান' শীৰ্ষক অধ্যায়ত। চমু অৰ্থত আজি অসমে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ ভাৰতৰ প্ৰত্যাহ্বান। ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ কালছোৱাতে জাতীয় কংগ্ৰেছৰ নেতৃবৃন্দৰ মাজত এক 'ইউৰোপীয় বিবেক'-এ গা কৰি উঠিছিল। প্ৰথম আৰু দ্বিতীয় মহাসমৰ মাজেদি ভাৰতীয় ৰাজনৈতিক নেতৃবৃন্দৰ মাজত আৰু ইংৰাজ শাসনৰ যোগেদি ভাৰতীয় অভিজাততন্ত্ৰত এই 'ইউৰোপীয় বিবেক'-এ গা কৰি উঠিছিল। দ্বিজাতিত্বৰ সূত্ৰ এই ইউৰোপীয় বিবেকৰ সৃষ্টি।

লেখকৰ ভাষাত, 'ইউৰোপীয় বিবেক শক্তিয়ে সাংবিধানিক শক্তিৰ যুঁজখনত জয়লাভ কৰিছিল। সভাৰ বাহিৰত আমাৰ কেউকাষৰ পৃথিৱীখনত বিশ্বশান্তিৰ মিছনত আৰু ভাৰতীয় নেতৃবৃন্দই নিজৰ কৰি লোৱা নিউক্লিয়াৰ যুদ্ধৰ বিৰুদ্ধে ধৰ্মযুদ্ধখনত ইউৰোপীয় বিবেকে ইয়াৰ অখণ্ড প্ৰতিমূৰ্তি দেখা পাইছিল (পৃঃ ১৪৫)। পৰৱৰ্তী সময়ছোৱাত ভাৰত চৰকাৰৰ বৈদেশিক নীতিতো ইয়াৰ প্ৰভাব স্পষ্ট। কেন্দ্ৰ-ৰাজ্য সম্পৰ্কৰ মাজত ইউৰোপীয় বিবেকে কেতবোৰ মৌলিক দ্বন্দ্বৰ সৃষ্টি কৰিছে। অসমৰ প্ৰেক্ষাপটতো আৰু সুকীয়া। অসমৰ ভৌগোলিক অৱস্থান আৰু বৃহত্তৰ তাই-হিন্দু সাংস্কৃতিক প্ৰেক্ষাপটে, ভাৰতৰ এই 'ইউৰোপীয় বিবেক'ৰ Anti-thesis হিচাপে, ৰাজনৈতিক স্বতন্ত্ৰতাৰ প্ৰসংগক উত্থাপন কৰিছে। লেখকৰ নিজৰ ভাষাত অসমক বাংলাদেশৰ দৰে এখন স্বাধীন ৰাষ্ট্ৰলৈ পৰিণত কৰিবলৈ আন্তৰ্জাতিক সম্ভাৱনীয়তাৰ পৰামৰ্শ দিবলৈ যথেষ্ট সূচক আছে। ...অসমৰ লোকসকলে আত্মসমৰ্পণ নকৰে, তেওঁলোকে পৰাজয়ো স্বীকাৰ নকৰে। নাগালেণ্ড ইতিমধ্যে এনে লোকেৰে ভৰপূৰ, যিসকলে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল লগ লগাই এখন স্বাধীন একত্ৰিত ৰাষ্ট্ৰ সৃষ্টিৰ প্ৰস্তাৱ কৰে। আজিৰ প্ৰেক্ষাপটত অসমৰ জনসাধাৰণৰ বাবে ইও এক প্ৰত্যাহ্বান।

আলোচ্য গ্ৰন্থখনিত দ্বাদশ শতিকাৰ শেষৰ অসমৰ ৰাজনৈতিক বিভাজন, বিদেশী সম্পৰ্কীয় আইন, অসমৰ যন্ত্ৰণা, পি এল পিৰ তিনি নং ডকুমেণ্ট আৰু যুক্তিবাদী হ'লে ভৰিবলগা খৰচ বা স্বীকাৰ কৰিবলগা ক্ষতি শীৰ্ষক— পাঁচোটা পৰিশিষ্ট সংযোজন কৰা হৈছে। এই পৰিশিষ্টসমূহৰ যোগেদি স্বাধীনতাৰ পৰৱৰ্তী সময়ছোৱাত কেতবোৰ প্ৰধান

আৰ্থ-ৰাজনৈতিক পৰিঘটনাৰ তথ্য আহৰণ কৰিব পৰা যায়।

গ্ৰন্থকাৰৰ বহু ধাৰণা (Hypotheis) আৰু সিদ্ধান্তত পাঠক একমত নহ'ব পাৰে। দৃষ্টান্ত হিচাপে গ্ৰন্থখনত প্ৰসংগক্ৰমে আলোচনা কৰা অসম আন্দোলন (১৯৭৯-৮৫) আৰু ইয়াৰ পটভূমি হিচাপে যি বিদেশী সমস্যাৰ কথা আলোচনা কৰিছে— তাৰ ভালেখিনি সিদ্ধান্তৰ লগত আমি একমত নহওঁ। তথাপি পাঠকে গ্ৰন্থখনৰ পৰা অসম আৰু ভাৰতৰ সম্পৰ্ক সন্দৰ্ভত এক নিৰ্মোহ তথ্যনিৰ্ভৰ আলোচনা পাব। এনে বিষয়ত অসমীয়া ভাষাত প্ৰকাশিত গ্ৰন্থ নাই বুলিবই পাৰি। এজন ভাৰতীয় হিচাপে, তাকো এজন বৰ্ষীয়ান কংগ্ৰেছ কৰ্মী হিচাপে মহেশ যোশীয়ে অসম-ভাৰত সম্পৰ্কত যি আলোচনা আগবঢ়াইছে, সি সমগ্ৰ বিষয়বস্তুৰ ক্ষেত্ৰত এক নতুন আলোকপাত কৰিছে। দৰাচলতে আজিৰ অসমক বুজিবলৈ মহেশ যোশীৰ গ্ৰন্থই আমাক সহায় কৰিব। সেইফালৰ পৰা গ্ৰন্থখন অসমীয়ালৈ অনুবাদক কৰি মুন বৰা আমাৰ ধন্যবাদৰ পাত্ৰ হৈছে। যদিও গ্ৰন্থখনৰ অনুবাদৰ ক্ষেত্ৰত কিছু পৰিমাৰ্জনৰ প্ৰয়োজনীয়তা আছিল, তথাপি অনুবাদকৰ প্ৰচেষ্টা প্ৰশংসনীয়। গ্ৰন্থখনিৰ ছপা-বন্ধা দৃষ্টিনন্দন।

গ্ৰন্থখনিৰ বাটচ'ৰাতে অসমীয়া প্ৰকাশক 'এষণা'ই ইতিহাস সন্দৰ্ভত এক সুন্দৰ দৃষ্টিভংগী আগবঢ়াইছে— 'ইতিহাস দুই ধৰণে অধ্যয়ন কৰিব পাৰি— ব্যক্তিৰ ইতিহাস হিচাপে আৰু শ্ৰমৰ ইতিহাস হিচাপে। ইতিহাস অধ্যয়নৰ এই দুই ধাৰাৰ দ্বিতীয় ধাৰাই ইতিহাসক শ্ৰমজীৱী জনগণৰ ইতিহাস হিচাপে অধ্যয়ন কৰে। এনে অধ্যয়নে শ্ৰম আৰু উৎপাদনৰ সম্পৰ্ক ব্যাখ্যা কৰাৰ লগতে বিকাশৰ ব্যাখ্যাও দাঙি ধৰে। অসমৰ ইতিহাসক 'এষণা'ই শ্ৰমজীৱী কৃষক জনগণৰ শ্ৰমৰ ইতিহাস হিচাপে গ্ৰহণ কৰে। সেয়ে 'এষণা'ৰ ইতিহাস অধ্যয়নৰ লক্ষ্য হ'ব ইতিহাসক সমাজৰ শ্ৰমৰ ইতিহাস হিচাপে অধ্যয়ন কৰা। ইতিহাস অধ্যয়নৰ ক্ষেত্ৰত নিৰপেক্ষ অৱস্থানৰ ধাৰণাৰে সক্ৰিয় হৈ থকাসকলে ইতিহাসক নিৰপেক্ষভাৱে অধ্যয়নৰ পৰামৰ্শ দিয়ে। শ্ৰেণীবিভক্ত সমাজত নিৰপেক্ষ অৱস্থানে প্ৰচলিত সমাজ ব্যৱস্থাৰ সপক্ষত থিয় দিয়াতহে সহায় কৰে।'

আলোচ্য গ্ৰন্থখনিক আমি অসমীয়া সমাজৰ শ্ৰমৰ ইতিহাস বুলি পতিয়ন যাব পৰা নাই। আশা কৰো, পৰৱৰ্তী সময়ছোৱাত 'এষণা'ই যথাৰ্থতে অসমৰ সমাজৰ শ্ৰমৰ ইতিহাস প্ৰণয়নত, প্ৰকাশত অগ্ৰাধিকাৰ দিব। তথাপি এক অনুকৰণীয় গদ্যশৈলীৰ সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক, অৰ্থনৈতিক তথ্য সমৃদ্ধ তথা এক নতুন অথচ বহুচৰ্চিত আৰু বিতৰ্কিত বিষয়ৰ বিজ্ঞানসম্মত বিশ্লেষণেৰে সমৃদ্ধ এই গ্ৰন্থখনক অসমীয়াভাষী পাঠকৰ হাতত তুলি দিয়াৰ বাবে এষণাক ধন্যবাদ জনালো।

পূৰ্বপ্ৰকাশ ঃ প্ৰত্যয়, জুন/১৯৯৯

২৭ খিলঞ্জীয়া জনসমষ্টিৰ অধিকাৰ

এটি অন্বেষণ

খিলঞ্জীয়া জনসমষ্টিৰ অধিকাৰ বৰ্তমান সময়ৰ অন্যতম চৰ্চাৰ বিষয় হৈ পৰিছে। বিশ্বজুৰি এই সন্দৰ্ভত চিন্তা-চৰ্চা চলোৱাৰ দৰে ইয়াক লৈ অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ সচেতন অংশৰ মাজত আলাপ-আলোচনা দেখা গৈছে। আনকি বাস্তৱিক ক্ষেত্ৰত খিলঞ্জীয়াৰ সূত্ৰ সন্দৰ্ভতো বিতৰ্কৰ সৃষ্টি হোৱা দেখা গৈছে। বহুসময়ত কোনো কোনো জনগোষ্ঠীয়ে, নিজকে খিলঞ্জীয়া হিচাপে দাবী কৰিছে যদিও সেই দাবী আন কোনো জনগোষ্ঠীৰ দ্বাৰা প্ৰত্যাখ্যাত হ'বলগাত পৰিছে। ইয়াৰ ফলত, কিছু ভুল বুজাবুজিও সৃষ্টি নোহোৱা নহয়। আনহাতে, ৰাষ্ট্ৰসংঘৰ অন্তৰ্ভুক্ত ৰাষ্ট্ৰসদস্য (State Parties) হিচাপে, ভাৰতবৰ্ষই এনেবোৰ ক্ষেত্ৰত দিক্-নিৰ্দেশনা প্ৰদান কৰাটো বৌদ্ধিক, ৰাজনৈতিক তথা গণতান্ত্ৰিক পৰিৱেশৰ বাবে প্ৰয়োজনীয় আছিল যদিও, বাস্তৱিকতে এনেক্ষেত্ৰত অনীহা প্ৰকাশ কৰাহে দেখা গৈছে।

সেয়ে, এইসমূহ দিশৰ মূলতেই বৌদ্ধিক ক্ষেত্ৰখনত, খিলঞ্জীয়া সংক্ৰান্তীয় ধ্যান-ধাৰণাৰ প্ৰয়োজনীয়তা অনুভৱ কৰিয়েই, এই লেখাৰ পাতনি তৰা হ'ল। ইয়াৰ সকলোবোৰ মতামতেই গ্ৰহণযোগ্য হ'ব বুলি কোনো কথা নাই। কিন্তু, বৌদ্ধিক ক্ষেত্ৰত যদিহে কিছু সমল যোগান ধৰে তেতিয়াহ'লে, সমগ্ৰ চিন্তাটোৰ প্ৰক্ৰিয়া আৰু অধিক গতিশীল হ'ব বুলি ধাৰণা কৰিব পাৰি। আনহাতে, এই সংক্ৰান্তীয় প্ৰয়োজনীয় তথ্য-পাতিৰ অপ্ৰতুলতাৰ বাবেও বহু কথা আধৰুৱা পৰ্যায়তে ৰাখিবলগা হৈছে। সেয়ে সমগ্ৰ বিষয়টোকে, খিলঞ্জীয়া জনসমষ্টিৰ অধিকাৰ অংকুৰণ প্ৰক্ৰিয়াৰ প্ৰাক্-প্ৰাথমিক স্তৰ হিচাপে গণ্য

কৰি কিছু মতামত আগবঢ়োৱাৰ বাবে প্ৰচেষ্টা চলোৱা হ'ল—

খিলঞ্জীয়াৰ সূত্ৰায়ন

উদ্যোগ-বাণিজ্য-শিল্প বিপ্লৱে, বিশ্ব প্ৰেক্ষাপটত যি পুঁজি অৰ্থনীতিৰ সৃষ্টি কৰিলে, তাৰ প্ৰসাৰতাৰ বাবে, সাম্ৰাজ্যবাদী-ঔপনিবেশিক ব্যৱস্থাৰ প্ৰচলন হ'ল। এই শিল্প-বিপ্লৱৰ বাবেই জন্ম লাভ কৰা জাতিৰাষ্ট্ৰসমূহে নিজস্ব বাণিজ্য অৰ্থনীতি বিস্তাৰৰ বাবে সাম্ৰাজ্যবাদী-ঔপনিবেশিক ব্যৱস্থাৰ যোগেদি বিশ্বৰ ভিন্ন প্ৰান্তত ৰাজনৈতিক প্ৰভুত্ব স্থাপন কৰিবলৈ সমৰ্থ হৈছিল। এই ৰাজনৈতিক প্ৰভুত্ববাদৰ বাবেই, সেই অঞ্চলৰ লোকসকলৰ সাৰ্বভৌম স্বত্ব লুপ্ত হৈছিল। কালক্ৰমত, এই ব্যৱস্থাৰ বিৰুদ্ধে বিভিন্ন জাতিসমূহে ঔপনিবেশ বিৰোধী সংগ্ৰাম আৰম্ভ কৰিছিল আৰু এই সংগ্ৰামৰ মাজেদিয়ে, পূৰ্বৰ প্ৰভুত্ববাদী জাতি ৰাষ্ট্ৰসমূহক উৎখাত কৰি, নিজস্ব জাতিৰাষ্ট্ৰ স্থাপন কৰিবলৈ সমৰ্থ হ'ল। কিন্তু এই সমগ্ৰ প্ৰক্ৰিয়াৰ মাজত স্থান বিশেষে কেতবোৰ জনসমষ্টি প্ৰাপ্য অধিকাৰৰ পৰা বাহিৰত ৰ'বলগা হ'ল। আনহাতে, সাম্ৰাজ্যবাদী অৰ্থনীতিয়ে ন-ৰূপ লৈ নব্য-সাম্ৰাজ্যবাদী, নব্য-ঔপনিবেশিক চৰিত্ৰ পৰিগ্ৰহ কৰি, নৱউত্থিত জাতিৰাষ্ট্ৰসমূহৰ অৰ্থনীতিত হস্তক্ষেপ কৰিবলৈ ল'লে। চমু অৰ্থত, ৰাজনৈতিক ক্ষমতা আৰু পৰিচালনা বিধি, নৱউত্থিত জাতিৰাষ্ট্ৰসমূহৰ শাসকগোষ্ঠীৰ হাতত অৰ্পণ কৰি, সমগ্ৰ অৰ্থনৈতিক ক্ষমতা কুক্ষিগত কৰা হ'ল। ইয়াৰ ফলতে জাতিৰাষ্ট্ৰসমূহেও আন্তঃঔপনিবেশিক অৰ্থনীতি ব্যৱস্থাৰ প্ৰবৰ্তন কৰিলে।

বিশ্ব ৰাজনীতিৰ এই সমগ্ৰ প্ৰক্ৰিয়াৰ মাজত যিসমূহ জনসমষ্টি দীৰ্ঘদিন ধৰি শোষণ, নিষ্পেষণ, বঞ্চনাৰ বলি হ'বলগা হ'ল, সেইসমূহ জনসমষ্টিৰ মাজত ক্ৰমান্বয়ে ক্ষোভৰ জন্ম হ'ল। পুঞ্জীভূত ক্ষোভে বিক্ষোভৰ জন্ম দিলে আৰু বিক্ষোভে বিদ্ৰোহৰ ৰূপ পৰিগ্ৰহ কৰিছে। বিশ্ব জনসমষ্টিৰ এক বৃজন অংশৰ মাজত গা কৰি উঠা এনে বিক্ষোভ বিদ্ৰোহৰ পটভূমিয়ে, আন্তঃৰাষ্ট্ৰীয় ৰাজনীতি, অৰ্থনীতিকো কঁপাই তুলিলে। কাজেই, আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ মাজত এই জনসমষ্টিক লৈ চিন্তা-চৰ্চাৰ বিকাশ ঘটিল। এনে চিন্তাকে ইণ্ডিজিন বা ইণ্ডিজেনাছ নামেৰে নামকৰণ কৰা হ'ল আৰু ৰাষ্ট্ৰসংঘৰ লেখীয়া আন্তঃৰাষ্ট্ৰীয় মঞ্চত উত্থাপন কৰা হ'ল। ১৯৮৭ চনৰ ১৭ এপ্ৰিল তাৰিখে ৰাষ্ট্ৰসংঘই এক প্ৰস্তাৱৰ যোগেদি 'ইণ্ডিজেনাছ' বা খিলঞ্জীয়া সংক্ৰান্তীয় আলোচনাৰ বাট মুকলি কৰি এখন স্থায়ী মঞ্চ স্থাপনৰ পোষকতা কৰে আৰু তাৰ বাবেই খিলঞ্জীয়া সংক্ৰান্তীয় সকলো দিশ অধ্যয়ন কৰিবৰ বাবে এটি কৰ্মবাহিনী (Working group) গঠন কৰি দিয়ে। এই কৰ্মবাহিনীয়ে সদস্য ৰাষ্ট্ৰ, অনা চৰকাৰী সংগঠন (NGO), জন প্ৰতিনিধি আদি বিভিন্ন স্তৰৰ লগত কৰা আলাপ-আলোচনা, মতামত অধ্যয়ন কৰি এখন খচৰা ঘোষণা পত্ৰ ১৯৯৪ চনত, ৰাষ্ট্ৰসংঘৰ মজিয়াত দাখিল কৰে। ইতিমধ্যে আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংগঠন (International Labour Organisation)ৰ দৰে সংগঠনৰ তৰফৰ পৰাও ১৯৮৯ চনত অভিবৰ্তন অনুষ্ঠিত কৰি, হেঁচা প্ৰয়োগৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হয়। এই খচৰা ঘোষণাপত্ৰক লৈয়ো বিশ্বজুৰি অধ্যয়ন, বিতৰ্ক আৰম্ভ হয় যদিও সমগ্ৰ

প্ৰক্ৰিয়াৰ যোগেদি খিলঞ্জীয়া মানুহৰ অধিকাৰৰ প্ৰশ্নক বিশ্বজুৰি স্বীকৃতি প্ৰদান কৰা হ'ল। ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ চনদ (১৯৪৮) অসামৰিক আৰু ৰাজনৈতিক অধিকাৰ সম্পৰ্কীয় আন্তঃৰাষ্ট্ৰীয় ক'ভনেন্ট (International Covenant on Civil and Political Right, 1966) অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক অধিকাৰ সম্পৰ্কীয় আন্তঃৰাষ্ট্ৰীয় কভ'নেন্ট (International Covenant on Economic, Social and Cultural Right 1966) আদি আধাৰসমূহৰ লগতে আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংগঠনৰ (ILO) ১৬৯ নং স্বাধীন ৰাষ্ট্ৰসমূহৰ খিলঞ্জীয়া আৰু জনজাতিসকলৰ অভিবৰ্তন (Convention Concerning Indigenous and Tribal people in Indepedent Countries, Convention 169), আৰু ১০৭ নং স্বাধীন ৰাষ্ট্ৰসমূহৰ খিলঞ্জীয়া অন্যান্য জনজাতি, অৰ্ধ-জনজাতি জনসমষ্টিৰ সুৰক্ষা আৰু সংহতি সংক্ৰান্তীয় অভিবৰ্তন (Convention Concerning the protection and Integration of Indigenous and other Tribal and Semi Tribal Population in Independent Countries, Convention 107) আদিৰে ঘোষণা পত্ৰসমূহেও, খিলঞ্জীয়াৰ অধিকাৰ সন্দৰ্ভত মাৰ্গ নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিছিল। এনেদৰে খিলঞ্জীয়াৰ অধিকাৰ সম্পৰ্কীয় প্ৰশ্নসমূহ আন্তঃৰাষ্ট্ৰীয়ভাৱে স্বীকৃত হোৱাৰ লগতে, বিশ্বৰ ভিন্ন প্ৰান্তৰ খিলঞ্জীয়া ৰাইজৰ অধিকাৰৰ ক্ষেত্ৰখনো বিস্তৃত হৈ পৰিল। কাজেই, ক'ব পাৰি যে বিশ্বৰ মুক্তিকামী জনসাধাৰণৰ বাবে খিলঞ্জীয়াৰ অধিকাৰৰ প্ৰসঙ্গাৱলী অন্যতম মাৰ্গ হিচাপে পৰিগণিত হৈছে।

এইখিনিতে, স্বাভাৱিকভাৱে প্ৰশ্ন আহে যে, খিলঞ্জীয়া মানেনো কি? কেনেধৰণৰ জনসমষ্টিক খিলঞ্জীয়া হিচাপে অভিহিত কৰিব পাৰি। এইক্ষেত্ৰত ৰ'ড'লৰ্ফ ষ্টেভেনহেগেনৰ এষাৰ মতামত প্ৰণিধানযোগ্য। তেওঁৰ মতে ঔপনিবেশিকতা বা যুদ্ধজয়ৰ দ্বাৰা নিৰ্দিষ্ট ভূখণ্ডৰ আদিম বাসিন্দাসকলে সাৰ্বভৌমত্ব হেৰুৱাই আৰু নিজস্ব নিয়ন্ত্ৰণ নথকা ৰাষ্ট্ৰ বা সমাজৰ দ্বাৰা শাসিত হ'বলগা হয়, তেন্তে সেই সকলেই সেই ভূখণ্ডৰ খিলঞ্জীয়া জনসমষ্টিৰ অন্তৰ্গত হয়। (Indigenous Population may be defined as the original inhabitants of a territory who, because of historical circumstances (conquest or colonization by another people) have lost their sovereignty and have become subordinate to the wider society and the state over which they do not exercise control, Rodolofo Stavenhagen cited in 'A Resource Book on the Right of Indigenous peoples by Raajen Singh.p.2. Sept, 2001) ষ্টেভেনহেগেনৰ মতামত অতি গুৰুত্বপূৰ্ণ যদিও কিছু সীমাবদ্ধতা থকা যেন অনুমান হয়; যথা, ঔপনিৱেশিকতাৰ বাবে স্থানচ্যুতি (Displacement) হোৱা কোনো ভূখণ্ডৰ জনসমষ্টি, একে ৰাষ্ট্ৰব্যৱস্থাৰ মাজতে, খিলঞ্জীয়া হিচাপে অভিহিত হ'বনে নহয় সেই প্ৰশ্ন মীমাংসা নহ'ল। যাহওক, এই সন্দৰ্ভত অধিক আলোচনালৈ যোৱাৰ আগতে এইক্ষেত্ৰত ভাৰত চৰকাৰৰ আপত্তিৰ দিশটো পৰ্যালোচনা কৰিব লাগিব। খিলঞ্জীয়া কৰ্ম

বাহিনীত (Working Group on Indigenous Population) ১৯৯৩ চনৰ ২৯ জুলাই বৈঠকত ভাৰত চৰকাৰৰ প্ৰতিনিধি দেবাশীষ চক্ৰৱৰ্তীয়ে আপত্তি দৰ্শাই কৈছিল যে— 'খিলঞ্জীয়া মানুহ, এই ধাৰণাৰ সাধাৰণীকৰণ কৰিব নোৱাৰি। ই বিশ্বৰ কিছু নিৰ্দিষ্ট ক্ষেত্ৰত, নিৰ্দিষ্ট জনসমষ্টিৰ ক্ষেত্ৰতহে প্ৰযোজ্য হ'ব। বুৰঞ্জীৰ লিখিত সময়ৰ পৰাই ভাৰতবৰ্ষ বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনক্ষেত্ৰ। যিহেতু বিগত কেইবাহেজাৰ বছৰ ধৰি ভাৰতভূমিত জনসমষ্টিটোৱে বসবাস কৰি আহিছে, গতিকে খিলঞ্জীয়া ধাৰণা ভাৰতৰ ক্ষেত্ৰত সঠিক নহ'ব। ইয়াৰ সকলো মানুহেই ইয়াৰ খিলঞ্জীয়া আৰু এইক্ষেত্ৰত খিলঞ্জীয়া-অখিলঞ্জীয়াৰ বিভাজন কৃত্ৰিম তথা উপকল্পা হ'ব। (The term Indigenous people is not one of the sweeping generalization. It applies to specific populations and communities in certain parts of the world. India has been a melting pot of races and ethnic groups from the earliest periods of recorded History. The application of the term Indigenous people to the situation in India would be inaccurate, because the entire population of India has been living on its land for the past several millennia. All these people are indigenous to the country and any attempt to make a distinction between the Indigenous and non-indigenous would be atrificial and spurious where India in concerned), পূৰ্ব উল্লিখিত গ্ৰন্থ (পৃষ্ঠা নং-১০৩)। ভাৰতৰ দৰে এছিয়াৰ ৰাষ্ট্ৰসমূহৰ এনে আপত্তি সত্বেও ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে, কৰ্ম বাহিনীৰ খচৰা প্ৰস্তাৱ গ্ৰহণ কৰে আৰু নিৰ্দিষ্ট দেশত খিলঞ্জীয়া কোন হ'ব— এই প্ৰশ্ন সংশ্লিষ্ট দেশখনকে বিতৰ্ক চলোৱাৰ বাবে অৰ্পণ কৰে। খচৰা প্ৰস্তাৱত ৰাষ্ট্ৰসংঘৰ সন্মতি থকাৰ বাবেই, কৰ্মবাহিনীৰ সভাপতি এৰিকা আইৰেনি-ডায়েচ (Erica Irene-aes)-এ প্ৰদান কৰা সামৰণিমূলক মতামতো অধিক গুৰুত্বপূৰ্ণ হৈ উঠিছে। এৰিকাৰ মতে— খিলঞ্জীয়াৰ ধাৰণাক বুজিবৰ বাবে খিলঞ্জীয়া আইন বিশেষজ্ঞ, শিক্ষাবিদ সদস্য, আন্তঃৰাষ্ট্ৰীয় সংগঠনসমূহে বিবেচনা কৰা কাৰকসমূহেই প্ৰাসংগিক হ'ব। এই কাৰকসমূহ হ'ল—

ক. নিৰ্দিষ্ট ভূখণ্ডৰ ব্যৱহাৰ আৰু জীৱিকাই নিৰ্ণয় কৰা সময়ক দিয়া অগ্ৰাধিকাৰ।

খ. ভাষা, সামাজিক সংগঠন, ধৰ্ম, আধ্যাত্মিক মূল্যবোধ, উৎপাদন প্ৰক্ৰিয়া, আইন-অনুষ্ঠান আদি সাংস্কৃতিক পৃথকতাসূচক কাৰকৰ স্বেচ্ছামূলক স্থায়ীকৰণ।

গ. আত্মপৰিচয় আৰু আন গোষ্ঠীৰ ৰাষ্ট্ৰৰ দ্বাৰা স্বীকৃতিকৰণ তথা অৱদমন আৰু বৈষম্যৰ সন্মুখীন হোৱা।

(The factors which modern International Organization and legal experts including indigenous legal experts and member of the academic family, have considered relevant to understanding the concept of Indigenous include:

(a) Priority in time with respect the occupation and use of a specific territory.

(b) The voluntary perpetuation of cultural distinctiveness, which may include aspects of language, social organization, religion and spiritual values, modes of production, laws and institutions.

(c) Self-identification, as well as recognition by other groups or by state authorities, as a distinct collectivity end an experience of sub-jugation, exclusion or discrimination, whether or not these conditions persist.

(পূৰ্ব উল্লিখিত গ্ৰন্থ, পৃষ্ঠা নং-১০৫)

খিলঞ্জীয়া সন্দৰ্ভত এনেদৰে হোৱা বিতৰ্ক, সূত্ৰৰ অন্তত, ষ্টেভেনহেগৰ আৰু এৰিকা আইৰেনি-ডায়েছৰ, মতামতকে আধাৰ বিচাপে গ্ৰহণ কৰাৰ প্ৰাসংগিকতা আছে। অৱশ্যে ভাৰতবৰ্ষৰ প্ৰেক্ষাপটত, দেৱাশীষ চক্ৰৱৰ্তীয়ে আগবঢ়োৱা মতামত যিহেতু চৰকাৰী মতামত হিচাপেই বিবেচিত হৈ আছে, গতিকে তাৰে আনুপুংখ বিশ্লেষণ প্ৰয়োজনীয়। বিশেষকৈ চক্ৰৱৰ্তীয়ে আগবঢ়োৱা মতামতে, আজিৰ তাৰিখত ভাৰতীয় জাতীয়তাবাদী চিন্তাকে প্ৰতিনিধিত্ব কৰা দেখা গৈছে। ব্ৰিটিছবিৰোধী আন্দোলনৰ মাজেৰে জন্ম আৰু বিকাশ লাভ কৰা ভাৰতীয় জাতীয়তাবাদ যিহেতু পৰৱৰ্তী পৰ্যায়ত পাকিস্থানপন্থীসকলৰ দ্বাৰা প্ৰত্যাখান কৰা হ'ল, গতিকে তাৰ সামগ্ৰিক গ্ৰহণযোগ্যতা কিমান, তাকো আলোচনা কৰাৰ থল আছে। বিশেষকৈ আজিৰ তাৰিখৰ ভাৰতীয় জাতীয়তাবাদৰ লগত দ্ৰাবিড় জাতীয়তাবাদ, কাশ্মিৰী জাতীয়তাবাদ আৰু অষ্ট্ৰ-মংগলয়ড জাতীয়তাবাদৰ প্ৰত্যক্ষ দ্বন্দ্ব হৈছে; এনেক্ষেত্ৰত, ভাৰতীয় জাতীয়তাবাদক ভিত্তি কৰি খিলঞ্জীয়াত্বক নস্যাৎ কৰাৰ প্ৰৱণতা কিমান দূৰ গ্ৰহণযোগ্য হ'ব? চমুৱাই ক'বলৈ গ'লে, খিলঞ্জীয়া সন্দৰ্ভত, ভাৰত চৰকাৰ বা চক্ৰৱৰ্তীৰ মতামত, হিন্দু-হিন্দী আধিপত্যবাদৰ নামান্তৰহে। কাজেই, এনে মতামত, গোবলয় বা গাংগেয় উপত্যকাত প্ৰাসংগিক হ'লেও, দাক্ষিণাত্য, কাশ্মীৰ বা উত্তৰ পূৰ্বাঞ্চলত কোনোপধ্যেই প্ৰাসংগিক নহ'ব। সেয়ে, এনেক্ষেত্ৰত, চক্ৰৱৰ্তীৰ মতামত একাষৰীয়া কৰি ষ্টেভেনহেগৰ আৰু এৰিকাৰ মতামতৰ প্ৰাসংগিকতাক বিচাৰ-বিশ্লেষণ কৰিব লাগিব।

অসম তথা উত্তৰ-পূৰ্বাঞ্চলত খিলঞ্জীয়া কোন?

অসম তথা উত্তৰ পূৰ্বাঞ্চলত খিলঞ্জীয়া সংক্ৰান্তীয় চিন্তা-চৰ্চা আৰম্ভ হোৱা দেখা গৈছে। খিলঞ্জীয়া কৰ্ম বাহিনীৰ খচৰা ঘোষণাপত্ৰ সংক্ৰান্তত বিতৰ্ক হোৱাৰ লেখীয়াকৈ, কেইবাটাও বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠনে, নিজস্ব প্ৰতিনিধি প্ৰেৰণ কৰাৰো বতৰা পোৱা গৈছে। তৎসত্বেও খিলঞ্জীয়াৰ সূত্ৰায়ন প্ৰক্ৰিয়াত কিছু আউল দেখা গৈছে, যাৰ

বাবে কোন খিলঞ্জীয়া হয়, কোন নহয়— তাক লৈও বিতর্কৰ সৃষ্টি হৈছে। অসমত এই বিতর্কৰ স্থল অধিক হোবাৰ সম্ভাবনা আছে। কিয়নো, যি প্রব্রজন প্রক্রিয়াৰে অসমৰ জনসমষ্টি সৃষ্টি হৈছে, জাতি, জাতিসত্তা, জনগোষ্ঠীসমূহৰ বিকাশ হৈছে; তাৰ পটভূমি পর্যালোচনা অবিহনে খিলঞ্জীয়াৰ প্রায়োগিক দিশ বিবেচনা কৰা নাযাব। বিশেষভাবে প্রশ্ন উত্থাপিত হ'ব পাৰে যে কোনো নির্দিষ্ট বর্ষক ভিত্তি কৰি খিলঞ্জীয়াৰ সংজ্ঞা প্রণয়ন কৰিব পৰা যাবনে? ষ্টেভেনহেগৰ সূত্রক আশ্রয় কৰিলে ক'ব পৰা যায় যে অসম তথা উত্তৰ-পূর্বাঞ্চলৰ যি জনসমষ্টিয়ে বৃটিছ ঔপনিবেশিকতা আৰু যুদ্ধ জয়ৰ বাবে নিজস্ব সার্বভৌম চৰিত্র হেৰুৱাই বৃটিছ শাসনাধীন আৰু পৰৱৰ্তী পর্যায়ত ভাৰতীয় শাসকৰ দ্বাৰা শাসিত হ'বলগা হ'ল, সেই জনসমষ্টিটোৱেই এই অঞ্চলটোৰ খিলঞ্জীয়া জনসমষ্টি। কিন্তু বৃটিছে এই অঞ্চলত ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ যোগেদি ঔপনিবেশিকতাৰ সূচনা কৰাৰ বাবেও ১৮২৬ চনক ভিত্তিবর্ষ হিচাপে গ্রহণ কৰিব নোৱাৰি। কিয়নো, সমগ্র অঞ্চলটোত বৃটিছ ঔপনিবেশিকতা স্থাপন কৰাৰ বাবে বৃটিছসকলক প্রায় এশ বছৰৰ প্রয়োজন হৈছিল। অর্থাৎ ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰে বৃটিছে আৰম্ভ কৰা খোজটো গোটেই উনবিংশ শতিকা জুৰি চলিছিল। বৃটিছ-খাছিযুদ্ধ (১৮২৯-১৮৩৩), বৃটিছ-জয়ন্তীয়া যুদ্ধ (১৮৩৫), উজনি অসম জয় (১৯৩৮), মটক শদিয়া অধিগ্রহণ (১৮৪২), কছাৰী সমভূমি দখল (১৮৩২), কছাৰী পার্বত্য অঞ্চল দখল (১৮৫৪), খাম্‌তি দমন (১৮৪৩), লুচাই অভিযানৰ (১৮৭১-৭২ আৰু ১৮৮৯) দৰে যুদ্ধ জয়ৰ যোগেদি সমগ্র উনবিংশ শতিকা, বৃটিছে ঔপনিবেশিকতা স্থাপনৰ বাবে যত্ন কৰিবলগা হৈছিল। আনহাতে নগাপাহাৰ জিলা গঠন কৰিবলৈ সমর্থ হ'লেও, সমগ্র নগা অধ্যুষিত অঞ্চলত বৃটিছ ঔপনিবেশিকতা স্থাপন কৰিব পৰা নাছিল। সদৃশ পৰিস্থিতি সৃষ্টি হৈছিল মেক'লে বা মণিপুৰ, ত্রিপুৰা আৰু কোচবিহাৰ ৰাজ্যকেইখনৰ ক্ষেত্রত। এই ৰাজ্যকেইখনত প্রত্যক্ষ বৃটিছ শাসন স্থাপন কৰিব পৰা নাছিল বাবেই ভাৰতবৰ্ষই স্বাধীন হোৱাৰ সময়ত, ৰাজ্যকেইখনৰ লগত অন্তর্ভুক্তকৰণ চুক্তি (Merger Agreement) স্বাক্ষৰ কৰিবলগা হৈছিল। সেয়ে, আহোমশাসিত অসমত ১৮২৬ চনৰ আগেয়ে থকাসকল যদি খিলঞ্জীয়া হ'বলগা হয়, তেন্তে মণিপুৰত ১৯৪৯ চনত থকাসকলক খিলঞ্জীয়া বুলিব লাগিব। গতিকে নির্দিষ্ট ভিত্তিবর্ষৰ পৰিবর্তে ঔপনিবেশিকতা আৰু যুদ্ধজয়ৰ যোগেদি সার্বভৌমত্ব হৰণৰ প্রক্রিয়াকহে বিবেচনা কৰাৰ থল আছে।

ইতিমধ্যে আলোচনা কৰা এৰিকা আইৰেণি-ডায়েচে যিসমূহ কাৰকৰ কথা উল্লেখ কৰিছে, তাৰ আধাৰত অসম তথা উত্তৰ-পূর্বাঞ্চলত, খিলঞ্জীয়াৰ সংজ্ঞার্থ নির্ণয় কৰাৰ বাবেও বিচাৰ-বিশ্লেষণ চলাব পাৰি। এৰিকাই উল্লেখ কৰা, 'সাংস্কৃতিক পৃথকতাসূচক কাৰকৰ স্বেচ্ছামূলক স্থায়ীকৰণ'ৰ প্রসংগই উল্লেখ কৰা যাওক। অসম তথা উত্তৰ-পূর্বাঞ্চলৰ যিসমূহ জনগোষ্ঠীয়ে ঔপনিবেশিকতাৰ বাবে সার্বভৌমত্ব হেৰুওৱা সত্ত্বেও নিজৰ ভাষা, সামাজিক সংগঠন, ধর্ম, আধ্যাত্মিক মূল্যবোধ, উৎপাদন প্রক্রিয়া, আইন-অনুষ্ঠান আদি সাংস্কৃতিক পৃথকতাসূচক কাৰকসমূহ, স্বেচ্ছামূলকভাৱে স্থায়ীকৰণ কৰি আহিছে, সেইসকলকে এই অঞ্চলটোৰ খিলঞ্জীয়া জনসমষ্টি বুলি ক'ব পৰা যাব।

এইক্ষেত্ৰত, এক শক্তিশালী সাংস্কৃতিক কাৰক ভাষা সন্দৰ্ভতো কিছু প্ৰয়োগিক চিন্তা-চৰ্চা চলোৱাৰ দিহা কৰা হ'ল। অসম তথা উত্তৰ-পূৰ্বাঞ্চলত, ভাষাতাত্ত্বিক জৰীপ চলোৱা, গৱেষণা কৰা পণ্ডিতসকলে, এই অঞ্চলত মূলতঃ তিনিটি ধাৰাৰ ভাষিকগোষ্ঠীৰ প্ৰাধান্য আৰু প্ৰসাৰতা লক্ষ্য কৰিছে। এই তিনিটি প্ৰধান ধাৰাৰ ওপৰত ভিত্তি কৰি এগৰাকী গৱেষকে প্ৰস্তুত কৰা নক্সা দিয়া হ'ল।

অসমৰ জনগোষ্ঠীয় লোকসকলৰ ফৈদসমূহ

ভাষিক জনগোষ্ঠী

- ১। অষ্ট্ৰ'-এছীয় শাখা
  - মনখামেৰ — (খাছি, চিন্টেং বা জয়ন্তীয়াসকল)
  - মুণ্ডাৰী — (চাহ বনুৱা)
- ২। তিব্বত-চীন শাখা
  - তিব্বত-বৰ্মী — (ক) হিমালয় ফৈদ-ভূটীয়া, স্বেৰডক পেন, মনপাসকল, (খ) অৰুণাচল ফৈদ— আদি, আপাটানি, ডফলা, মিচিমিসকল, (গ) বড়ো ফৈদ— বড়ো, ডিমাছা, মেচ, ৰাভা, সোণোৱাল, মিচিং, গাৰো, দেউৰী, চুতীয়া, লালুং, কাৰ্বিসকল, (ঘ) নগা ফৈদ— নাগালেণ্ডৰ ১৮ টা ফৈদ, (ঙ) কুকি-চীন ফৈদ— কুকি, মিজো, মণিপুৰী, ত্ৰিপুৰীসকল, (চ) কাচিন ফৈদ— চিংফৌসকল।
  - চীন-শ্যাম উপশাখা — আহোম, খামতি, খামিয়াং, ফাকে, আইতনীয়া, বাইলুংসকল
- ৩। ইণ্ডো-আৰ্য শাখা
  - (ক) অসমীয়া ভাষী
  - (খ) বাংলাভাষী
  - (গ) হিন্দীভাষী
  - (গ) নেপালী ভাষী

উৎস : ড° জ্যোতিষা ফুকন, স্মৃতিগ্ৰন্থ, গোহ

ভাষিক দৃষ্টিভংগীৰে চাবলৈ গ'লে, অষ্ট্ৰ'-এছীয়, তিব্বত-চীন আৰু ইণ্ডো-আৰ্য শাখাৰ অন্তৰ্ভুক্ত বা সেই ভাষাগোষ্ঠীৰ অধীনত থকা জনসমষ্টিক, দুই-এক ব্যতিৰেকে, অঞ্চলটোৰ খিলঞ্জীয়া বুলিব পৰা যায়। ইণ্ডো-আৰ্য ভাষাৰ বাংলাভাষী, হিন্দীভাষী আৰু নেপালীভাষীসকল, এই অঞ্চলৰ বাসিন্দা বা নাগৰিক হ'লেও খিলঞ্জীয়া নহয়। কিয়নো ঔপনিবেশিকতাৰ সময়ছোৱাত প্ৰব্ৰজন হোৱা এই ভাষিকগোষ্ঠীসমূহৰ ভাষা অঞ্চলটোৰ খিলঞ্জীয়া ভাষা নহয়। আনহাতে ইণ্ডো-আৰ্য শাখা অন্তৰ্ভুক্ত অসমীয়া ভাষা, যিহেতু আন খিলঞ্জীয়া ভাষা সংমিশ্ৰণ আৰু সংবৰ্দ্ধন প্ৰক্ৰিয়াৰ মাজেৰে সৃষ্টি হোৱা ভাষা; গতিকে ই অঞ্চলটোৰ খিলঞ্জীয়া ভাষা হিচাপে বা সেই ভাষাগোষ্ঠীৰ লোকসকল অঞ্চলটোৰ খিলঞ্জীয়া হিচাপে পৰিগণিত হৈছে। অৱশ্যে অসমীয়াভাষী বুলি কোৱাৰ লগে লগে, আন এক প্ৰশ্নও আহি পৰিব। সি হ'ল, যিসমূহ জনসম্প্ৰদায়ে অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত শেহতীয়াভাৱে সংমিশ্ৰিত হৈছে, সেইসকল অৰ্থাৎ ইছলামধৰ্মী, মৈমনসিঙীয়া, চিলেঠীয়া লোকসকলক খিলঞ্জীয়া বুলি ক'ব পৰা যাবনে? ভাষিকগোষ্ঠী হিচাপে এইসকলে নিজকে ইণ্ডো-আৰ্য শাখাৰ অসমীয়া বুলি পৰিচয় দিছে। কিন্তু, ধৰ্মীয় চেতনা, সামাজিক সংগঠন আদিৰ যোগেদি এইসকলে অদ্যাপি অসমীয়া জাতীয় ঐতিহ্যৰ পৰা নিজকে পৃথকে ৰাখিছে। এইক্ষেত্ৰত জাতীয় ঐতিহ্যৰ বিষয়টো এইবাবেই গুৰুত্বপূৰ্ণ যে সদৃশ ধৰ্মাৱলম্বী হোৱা সত্বেও গড়িয়া-মৰিয়া-দেশীসকল যিদৰে জাতীয় ঐতিহ্যৰ দ্বাৰা আকণ্ঠমৰ্জিত; ঠিক তেনেদৰে, মৈমনসিঙীয়া বা চিলেঠীয়াসকল নহয়। এইসকল যেন এতিয়াৰ ত্ৰিশংকুৰ দৰে ওলমি আছে। জাতীয় ঐতিহ্যৰ প্ৰশ্নৰ সুমীমাংসা, সুগ্ৰহণৰ যোগেদি এইসকল অসমীয়াভাষীয়ে, খিলঞ্জীয়াত্ব গ্ৰহণ কৰিবনে নাই তাক মীমাংসা কৰাৰ প্ৰয়োজন আছে। চাহ জনগোষ্ঠীয় লোকসকল আকৌ অষ্ট্ৰ'-এছীয় শাখাৰ মুণ্ডাৰী উপশাখাৰ অন্তৰ্ভুক্ত। অষ্ট্ৰ'-এছীয় শাখাৰ মনখমেৰ উপ-শাখাৰ খাছি-জয়ন্তীয়াসকলে, মনখমেৰ প্ৰক্ৰিয়া ত্যাগ কৰি মংগোলীয় তিব্বত-চীনীসকলৰ লগত সহাৱস্থান কৰিছিল। একে শাখাৰ মুণ্ডাৰী উপ-শাখাৰ চাহ জনগোষ্ঠীৰ লোকসকল ঔপনিবেশিকতাৰ কবলত পৰি এই অঞ্চললৈ আহি ইণ্ডো-আৰ্য শাখাৰ অসমীয়া ভাষাক আঁকোৱালি লৈছে। ঔপনিবেশিকতা আৰু খিলঞ্জীয়া ভাষাত অংশগ্ৰহণৰ লেখীয়া কাৰকসমূহৰ বাবেই চাহ-জনগোষ্ঠীৰ লোকসকল, খিলঞ্জীয়া হিচাপে পৰিগণিত হৈছে। অঞ্চলটোৰ, ঐতিহাসিক প্ৰক্ৰিয়াত, অষ্ট্ৰ'-এছীয় শাখাৰ দুই বৃহৎ উপশাখা— মনখমেৰ আৰু মুণ্ডাৰীসকলৰ ভাষিকগোষ্ঠী পৰিবৰ্তনৰ প্ৰক্ৰিয়া এক চিত্তাকৰ্ষক অধ্যায়।

অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ এই তিনিটা প্ৰধান ভাষিক জনগোষ্ঠীয়ে এহাতে যেনেদৰে স্বকীয় সাংস্কৃতিক পৃথকতাসূচক কাৰকৰ স্বেচ্ছামূলক স্থায়ীকৰণ কৰিছে, ঠিক তেনেদৰে, এৰিকাই কোৱাৰ লেখীয়াকৈ আত্মপৰিচয় স্থাপন কৰিছে। বৃটিছ ঔপনিবেশিকতাৰ পৰা শেহতীয়া সময়লৈকে এই ভাষিকগোষ্ঠীসমূহৰ আত্মপৰিচয় স্থাপন তথা অন্বেষণ এক গুৰুত্বপূৰ্ণ অধ্যায়। তাৎপৰ্যপূৰ্ণভাৱে ট্ৰাইবেল অভিধাৰে ঔপনিবেশিক শাসকে, বিভিন্ন স্বঘোষিত অনুসূচীকৰণ প্ৰক্ৰিয়াৰে গোষ্ঠীসমূহক স্বীকৃতি প্ৰদান কৰিছে। অসমীয়া আৰু মণিপুৰীসকলৰ ক্ষেত্ৰত এনেধৰণে স্বীকৃতি প্ৰদান কৰা হোৱা নাই যদিও, ইতিমধ্যে

ভাষিকগোষ্ঠী দুয়োটাই বিকাশৰ একোটা স্তৰত উপনীত হৈ আত্মপৰিচয় স্থাপন প্ৰক্ৰিয়া গজ্‌গজীয়া কৰিছে। আনহাতে, সামগ্ৰিকভাৱে তিনিওটা ভাষাগোষ্ঠীৰ লোকসকল ঔপনিৱেশিক অৱদমন আৰু বৈষম্যৰ সন্মুখীন হৈছে। স্বতন্ত্ৰতা লুপ্তি, সম্পদৰ ওপৰত নিয়ন্ত্ৰণহীনতা আদি প্ৰক্ৰিয়াৰ মাজেৰে, এক ঔপনিৱেশিক নীতি-নিৰ্দেশনাৰ মাজেৰে এই জনসমষ্টিৰ জীৱনপ্ৰবাহ নিয়ন্ত্ৰিত হৈ আছে। কাজেই, ৰাষ্ট্ৰসংঘৰ দ্বাৰা গৃহীত খিলঞ্জীয়া নীতি অনুসৰি অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ জনসমষ্টিয়ে সামগ্ৰিকভাৱে খিলঞ্জীয়া চৰিত্ৰ লাভ কৰিছে বুলি ক'ব পৰা যায়।

ঔপনিৱেশিকতাৰ চক্ৰবেহুত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ খিলঞ্জীয়া জনসমষ্টি

সমগ্ৰ ঊনবিংশ শতিকাজুৰি অসম তথা উত্তৰ-পূৰ্বাঞ্চলত বৃটিছ ঔপনিৱেশকিতা স্থাপন কৰি বৃটিছে সমগ্ৰ অঞ্চলটোকে অসম প্ৰশাসনৰ অন্তৰ্ভুক্ত কৰিলে। সুদীৰ্ঘ সময়ছোৱাত যি কাৰ্য সমাপন হোৱা নাছিল, সেই কাৰ্য অৰ্থাৎ এককেন্দ্ৰীভূত প্ৰশাসনৰ নিয়ন্ত্ৰণলৈ অহাৰ পিছত, সমগ্ৰ অঞ্চলটোতে ঔপনিৱেশিকতাৰ জয়ধ্বজা উৰিবলৈ ল'লে। ইতিমধ্যে চিংফৌসকলৰ পৰা চাহ উৎপাদন প্ৰক্ৰিয়াৰ আওভাও লৈ তথা চাহৰ বাণিজ্যিক সম্প্ৰসাৰণৰ দিশটোৰ সম্ভাৱনীয়তালৈ লক্ষ্য ৰাখি, ঔপনিৱেশিক প্ৰশাসনে অঞ্চলটোৰ অৰ্থনীতিকো নিজা ঠাঁচত গঢ় দিবলৈ বিচাৰিলে। বনজ, খনিজ সম্পদৰ প্ৰাচুৰ্যই এই প্ৰক্ৰিয়া অধিক খৰতকীয়া কৰি তুলিলে। আনহাতে, ব্ৰহ্মদেশত ব্ৰিটিছ প্ৰভুত্ব স্থাপনৰ পিছতে ভূ-ৰাজনৈতিক দিশৰ পৰাও অঞ্চলটো গুৰুত্বপূৰ্ণ হৈ উঠিল। চীনৰ লগত কানি বেপাৰৰ কথা আহি পৰাৰ বাবেও অঞ্চলটোৰ প্ৰয়োজনীয়তা ঔপনিৱেশিক শক্তিৰ ওচৰত বৃদ্ধি পালে।

ঔপনিৱেশিক শক্তিয়ে এনেবোৰ বিপুল সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখিয়েই যাতায়াত ব্যৱস্থা, বিশেষকৈ ৰে'ল যোগাযোগ ব্যৱস্থাৰ উন্নতি ঘটালে। ইতিমধ্যে গঢ় লৈ উঠা নগৰ অঞ্চলসমূহক একাষৰীয়া কৰি চাহ বাগিচা আৰু খনিজ সম্পদৰ আঁকৰসমূহৰ কাষে-কাষে ৰেলপথ নিৰ্মাণ কৰা হ'ল আৰু তাৰ বিস্তৃতিয়ে সাগৰীয় বন্দৰসমূহকো চুলে। আনহাতে, প্ৰশাসন ব্যৱস্থা সুদৃঢ় কৰিবৰ বাবেও শিক্ষা ব্যৱস্থা গঢ় দিয়াৰ পোষকতা কৰিলে। বংগদেশৰ পৰা কেৰাণী-মহৰী আনি প্ৰশাসন চলোৱাৰ প্ৰক্ৰিয়া সুচল নোহোৱাৰ বাবেই আধুনিক শিক্ষাব্যৱস্থা গঢ় দিয়া হ'ল। পাহাৰীয়া অঞ্চলৰ জনসমষ্টিটোৰ মাজত জড় উপাসনাৰ লেখীয়া পদ্ধতি থকাৰ বাবে, তেওঁলোকৰ সামগ্ৰিক বিকাশ ভৈয়াম অঞ্চলৰ লেখীয়া বিস্তৃত নাছিল। তাৰেই সুবিধাৰে শিক্ষা বিস্তাৰ, স্বাস্থ্য-চিকিৎসা সেৱাৰ উন্নতিৰ অজুহাতত মিছনেৰীসমূহৰ পদাৰ্পণ হ'ল। ভৈয়ামত অসমীয়াৰ লেখীয়া ভাষাসমূহৰ দ্ৰুত বিকাশ হোৱা লেখীয়াকৈ পাহাৰীয়া অঞ্চলত আন আন খিলঞ্জীয়া ভাষাৰ বিকাশ নঘটিল। তাৰেই অজুহাতত ইংৰাজী ভাষাৰ বিকাশ ঘটিল আৰু ইয়েই বৌদ্ধিক শ্ৰেণী একোটাৰ জন্ম দিয়াত অৰিহণা যোগালে। এনে প্ৰক্ৰিয়াই পাহাৰে-

ভৈয়ামে একোটা মধ্যশ্ৰেণীৰ জন্ম দিলে, যি শ্ৰেণী বহু পৰিমাণে ঔপনিৱেশিক শক্তিৰ ওচৰত দায়বদ্ধ থাকিল। এই শ্ৰেণীটোৰ উত্থানৰ ফলত ভৈয়ামৰ সামন্তশ্ৰেণী আৰু পাহাৰৰ পৰম্পৰাগত শ্ৰেণীৰ লগত দ্বন্দ্ব বৃদ্ধি পালে।

অসমক ১৮৩৭ চনত বিশেষ প্ৰশাসনীয় অঞ্চল হিচাপে ঘোষণা কৰি বৃটিছসকলে শাসন আৰম্ভ কৰিলে। ১৮৭৪ চনত, অসমক চীফ কমিছনাৰ শাসিত প্ৰদেশ হিচাপে গণ্য কৰিবলৈ ল'লে আৰু ১৯০৫ চন পৰ্যন্ত এই ব্যৱস্থা অটুট ৰাখিলে। ১৯০৫ চনত পূৰ্ব বংগ আৰু অসমক সংযুক্ত কৰি লেফটেনেন্ট গৱৰ্ণৰ শাসিত প্ৰদেশলৈ ৰূপান্তৰ কৰিলে যদিও ১৯১২ চনত এই ব্যৱস্থা ৰদ কৰি পুনৰ চীফ কমিছনাৰ শাসিত প্ৰদেশ কৰিলে। ১৯২১ চনতহে পূৰ্ণাঙ্গ পৰ্যায়ৰ ৰাজ্যপালশাসিত প্ৰদেশ ঘোষণা কৰা হ'ল।

এই সময়ছোৱাৰ ভিতৰত অসম প্ৰশাসনৰ ভিতৰত ভালেমান ৰেগুলেচন প্ৰবৰ্তন কৰি ইয়াৰ খিলঞ্জীয়াসকলক শাসন কৰা হ'ল। তাৰে ভিতৰত বেংগল ইষ্টাৰ্ণ ফ্ৰণ্টটিয়াৰ ৰেগুলেচন (১৮৭৩) আদিৰ যোগেদি অঞ্চলটোৰ খিলঞ্জীয়া জনসমষ্টিটোৰ সামাজিক আইন, প্ৰশাসন আদিত ব্যাপক প্ৰভাৱ পেলোৱা হ'ল। ১৯৩৫ চনৰ ভাৰত শাসন আইনৰ যোগেদি বহিৰ্ভূত অঞ্চল আৰু আংশিকভাৱে বহিৰ্ভূত অঞ্চল আদি বিভাজনেৰে সমগ্ৰ খিলঞ্জীয়া জনসমষ্টিকে পৃথক কৰি নিয়ন্ত্ৰিত কৰিলে।

এনে শাসন প্ৰণালীৰ মাজেৰে ব্ৰিটিছ ঔপনিৱেশিকতাই অসমৰ খিলঞ্জীয়া জনসমষ্টিৰ প্ৰশাসন, অৰ্থনীতি নিয়ন্ত্ৰণ কৰি থকাৰ সময়তে ১৯৪৭ চনত ব্ৰিটিছ ঔপনিৱেশিকতাৰ অন্ত পৰিল। ভাৰতীয় জাতীয় আন্দোলন (১৮৮৫-১৯৪৭)ৰ যোগেদি নৱ-উত্থিত ভাৰতীয় শাসকগোষ্ঠীয়ে শাসনৰ দায়িত্বভাৰ হাতত ল'লে। কিন্তু শাসন পৰিৱৰ্তন প্ৰক্ৰিয়াই অসমৰ খিলঞ্জীয়াসকলৰ জীৱন প্ৰণালীলৈ বিশেষ গুণগত পৰিৱৰ্তন আনিব নোৱাৰিলে। বৰং বিভিন্ন প্ৰশাসনীয়, অৰ্থনৈতিক নীতিৰে অঞ্চলটোৰ খিলঞ্জীয়া জনসমষ্টিলৈ দুৰ্ভাৱনা কঢ়িয়াই আনিলে।

বৃটিছ ঔপনিৱেশিকতাৰ পৰা ক্ষমতা হস্তান্তৰৰ প্ৰাৰম্ভিক পৰ্যায়ত নতুন শাসকে কঢ়িয়াই অনা প্ৰথমটো দুৰ্ভাৱনা আছিল খিলঞ্জীয়া জনসমষ্টিৰ গৃহভূমিক বিভিন্ন আন্তঃৰাষ্ট্ৰীয় সীমাৰেখাৰ মাজলৈ ঠেলি দিয়াটো। এনে প্ৰক্ৰিয়াৰ বাবেই নগা, মিজো-মেইটে, চিংফৌ-চাক্‌মাসকল মূলতঃ ব্ৰহ্মদেশ (ম্যানমাৰ) আৰু পূৰ্ব পাকিস্তানৰ (বাংলাদেশ) মাজত সিঁচৰতি হৈ পৰিল। কোঁচসকলৰ গৰিষ্ঠসংখ্যক পূব পাকিস্তানৰ মৈমনসিং ৰংপুৰ আদি জিলাত বৈ যাবলগা হ'ল। এইক্ষেত্ৰত এগৰাকী সমাজ বিজ্ঞানী এছ. কে. চৌবে কৰা মতামত গুৰুত্বপূৰ্ণ। চৌবে চিতাগং হিলছ্ ট্ৰেকৰ উদাহৰণ দি কৈছে যে চিতাগং হিলছ্ ট্ৰেকৰ বাবে ভাৰতবৰ্ষত বহু সমস্যাৰ সৃষ্টি হৈছে। দক্ষিণ পাৰ্বত্য ত্ৰিপুৰাৰ চিতাগং হিলছ্ ট্ৰেকছ আৰু লুচাই পাহাৰত থকা কুকি-চীন ঐক্য ভাঙি পৰিল। এক প্ৰাকৃতিক সীমা, লুচাই আৰু চিতাগং হিলছ্‌ৰ মাজত নথকা বাবেই অঞ্চলটো চোৰাং কাৰবাৰীৰ ভূ-স্বৰ্গ হৈ পৰিল। (The loss of Chittagong Hills tract created for India a number of problems. The Kuki-chin solidarity over the southern part of Hill Tipperah, the Chittangong hill tract and

the Lushai hills was broleen... In the absence of a natural boundary between the Lushai and the Chittagong hills, the area developed into a paradise for smugglers and out laws. (S.K. Chaube. Hill Politics in North East India. Page 86) চৌৰেৰ এই মতামতকৈয়ো তাৎপৰ্যপূৰ্ণ কথা হ'ল— এনে বিভাজনৰ বাবেই মিজোসকলে গৃহভূমি হেৰুৱালে আৰু পৰৱৰ্তী পৰ্যায়ত চাক্‌মাসকল গৃহহীন হ'বলগাত পৰিল। আজিও চাক্‌মা শৰণাৰ্থী বিষয়টো অসম-অৰুণাচলৰ বাবে এটি স্পৰ্শকাতৰ বিষয় হৈয়ে আছে। সেইদৰে মেইটৈসকল কাবুই উপত্যকা, চিংফৌসকলৰ কাচিন উপত্যকা আৰু ব্ৰহ্মদেশৰ নগাসকল বিভাজিত হৈ সমগ্ৰ খিলঞ্জীয়াৰ বিভাজিত ৰূপটোক দাঙি ধৰিছে। ইয়াত সমান্তৰালভাৱে, সমগ্ৰ অঞ্চলটোৰ লগত যি চুবুৰীয়া বাণিজ্য ব্যৱস্থা, অৰ্থনৈতিক, সামাজিক তথা সাংস্কৃতিক বিনিময় শতিকাজোৰা প্ৰক্ৰিয়াৰ মাজেৰে গঢ় লৈ উঠিছিল, সিও কাললৈ মৰহি গ'ল। চাৰিওফালৰ দুৱাৰবোৰ বন্ধ হৈ মাত্ৰ পশ্চিমৰ দুৱাৰখন খুলি ৰখা বাবে যি আবদ্ধ অৰ্থনীতিৰ সৃষ্টি হ'ল; তাৰ ফলাফল খিলঞ্জীয়া জনসমষ্টিটোৱে অদ্যাপি ভুগিবলগাত পৰিছে।

আনহাতে, ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ আধাৰত গাৰো, খাছিয়া-জয়ন্তীয়া ডিমাছা-কাৰ্বি, নাগা, মিজো আদি খিলঞ্জীয়া জনসমষ্টিৰ অংশ বিশেষক অৰ্ন্তভুক্ত কৰি জিলা পৰিষদ, স্বায়ত্তশাসিত জিলা আদিৰ সৃষ্টি কৰা হ'ল। এই জিলা পৰিষদীয় ব্যৱস্থাই আশানুৰূপ ফল লাভ নকৰাৰ বাবেই গাৰো-খাছি-জয়ন্তীয়াক সামৰি মেঘালয়, মিজোৰ বাবে মিজোৰাম, নগাৰ বাবে নাগালেণ্ড ৰাজ্য সৃষ্টি কৰিবলগা হ'ল। কিন্তু এনে প্ৰক্ৰিয়াৰ মাজতো সংশ্লিষ্ট জনসম্প্ৰদায়সমূহক সামৰি ল'ব নোৱৰাৰ বাবেই সীমা বিবাদৰ দৰে সমস্যাৰ সৃষ্টি হ'ল। অসম-নাগালেণ্ডৰ বৃহত্তৰ নাগালিম আদি সমস্যা ইয়াৰে উদাহৰণ। সেইদৰে এনেবোৰ প্ৰশাসনীয় গোট সৃষ্টি কৰাৰ বাবে খিলঞ্জীয়া জনসম্প্ৰদায়ৰ মাজতে বিভেদ আৰু অনৈক্যৰ সৃষ্টি হৈছে। মণিপুৰত নগা-কুকি সংঘৰ্ষ, নগা-মেইটৈ দ্বন্দ্ব, অসমত কাৰ্বি-ডিমাছা সংঘৰ্ষৰ নেপথ্যত থকা বহু কাৰকৰ ভিতৰত প্ৰশাসনীয় গোটে অনা দুৰ্ভাৱনাও অন্যতম।

শেহতীয়াভাৱে খিলঞ্জীয়া জনসমষ্টিৰ সামূহিক পৰম্পৰাগত নেতৃত্ব আৰু জীৱন প্ৰণালীলৈ নামি অহা আন এক বিপৰ্যয় হৈছে পঞ্চায়তীৰাজ ব্যৱস্থা। ভাৰতীয় সংবিধানৰ ধাৰা অনুযায়ী অনুসূচীকৰণ কৰা, ভৈয়ামত ষষ্ঠ অনুসূচীকৰণ কৰা, অঞ্চলসমূহত পঞ্চায়তীৰাজ প্ৰৱৰ্তন কৰাৰ বাবে আন এক সমস্যাৰ সৃষ্টি হৈছে। সংশ্লিষ্ট অঞ্চলত বসবাস কৰা অনুসূচীভুক্ত নোহোৱা জনসমষ্টিয়ে পঞ্চায়ত ব্যৱস্থা বিচৰাৰ পৰিবৰ্তে অনুসূচীভুক্ত জনসমষ্টিয়ে পঞ্চায়ত ব্যৱস্থাৰ প্ৰতিবাদ কৰিছে। ফলত পৰিস্থিতি জ্বালামুখী হৈ পৰিছে।

বৃটিছ ঔপনিবেশিকতাৰ পৰা ভাৰতীয় আন্তঃঔপনিবেশিকতাৰ এই সমগ্ৰ প্ৰক্ৰিয়াৰ মাজত অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ খিলঞ্জীয়া জনসমষ্টিৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক অধিকাৰৰ ক্ষেত্ৰখন জটিল আৰু সংকুচিত হৈ পৰিছে। কাজেই,

আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থাৱলীৰ প্ৰেক্ষাপটত এই অধিকাৰৰ প্ৰশ্নাৱলী বিবেচনা কৰাৰ থল আছে।

খিলঞ্জীয়া জনসমষ্টিৰ অধিকাৰ

ৰাষ্ট্ৰ সংঘৰ দ্বাৰা গৃহীত খিলঞ্জীয়া জনসমষ্টিৰ অধিকাৰৰ সমগ্ৰ বিষয়টোক ঘোষণা পত্ৰত মুঠ ৯ টা ভাগত বিভক্ত কৰা হৈছে। মুঠ ৪৫ টা উপবিধিত বিভক্ত। এই অধিকাৰলানিৰ যোগেদি খিলঞ্জীয়া জনসমষ্টিৰ ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক সুৰক্ষা দিশক গুৰুত্ব দিয়া হৈছে। সমগ্ৰ বিষয়সমূহ ইমান কম পৰিসৰত আলোচনা কৰাটো সম্ভৱপৰ নহয় বাবে আমি নিৰ্দিষ্ট কেতবোৰ দিশহে উল্লেখ কৰিম। ১ নং খণ্ডৰ প্ৰথম উপবিধিত কোৱা হৈছে যে ৰাষ্ট্ৰ সংঘৰ চনদ, সাৰ্বজনীন মানৱ অধিকাৰ চনদ, আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ আইনে স্বীকৃতি প্ৰদান কৰা সকলো মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতা সম্পূৰ্ণ আৰু কাৰ্যকৰীভাৱে লাভ কৰাৰ অধিকাৰ খিলঞ্জীয়া জনসমষ্টিৰ আছে। (Indigenous people have the rights to the full and effective enjoyment of human rights and fundamental freedoms recognized in the charter of the United Nations, the universal declaration of human rights and international human rights law) সেইদৰে উপবিধি ৩ যোগে স্পষ্ট ভাষাৰে কোৱা হৈছে যে আত্ম-নিয়ন্ত্ৰণ অধিকাৰ খিলঞ্জীয়াৰ অধিকাৰ। এই অধিকাৰৰ যোগেদি খিলঞ্জীয়াই মুক্তভাৱে নিজস্ব ৰাজনৈতিক স্থিতি নিৰ্ণয় কৰাৰ লগতে অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক উন্নয়নৰ বাবে অগ্ৰসৰ হ'ব। (Indigenous people have the rights of self-determination. By virtue of the rights, they freely determine their political status and freely pursue their economic, social and cultural development.)

অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ খিলঞ্জীয়া জনসমষ্টিৰ প্ৰেক্ষাপটত এই অধিকাৰৰ প্ৰশ্নসমূহ বিবেচনা কৰাৰ থল আছে। খিলঞ্জীয়া জনসমষ্টিৰ কেতবোৰ নিৰ্দিষ্ট অংশৰ পৰা আত্ম-নিয়ন্ত্ৰণৰ অধিকাৰৰ প্ৰশ্ন উত্থাপিত হৈছে। এইক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ ওচৰত ভাৰত চৰকাৰো দায়বদ্ধ হৈ আছে। ভাৰত চৰকাৰে ১৯৯৫ চনৰ ২৯ নৱেম্বৰ তাৰিখে ৰাষ্ট্ৰ-সংঘত প্ৰদান কৰা তৃতীয় সাময়িক প্ৰতিবেদন (Third Peoridie Report UN/CCPR/C/76/6.17 rise/996) যোগে ঘোষণা কৰিছিল যে ভাৰতবৰ্ষই আত্ম-নিয়ন্ত্ৰণৰ পৰম্পৰাক তুলি ধৰাৰ বাবে দৃঢ় প্ৰতিজ্ঞ। সম্পূৰ্ণ স্বাধীনতা আৰু আত্ম-নিয়ন্ত্ৰণৰ যোগেদি ঔপনিবেশিকতাক উৎখাত কৰি যোৱাৰ বাবে ভাৰতীয় স্বাধীনতা আন্দোলনৰ মাজেৰেই নিজৰ স্থিতি প্ৰকাশ কৰা ভাৰতবৰ্ষই ঔপনিবেশিক অৱদমন, বিদেশী শাসনৰ বিৰুদ্ধে জনগণ আৰু জাতিৰ আত্ম-নিয়ন্ত্ৰণৰ অধিকাৰৰ বাবে তথা ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক স্বাধীনতা আৰু সাৰ্বভৌমত্বৰ হকে মাত মাতি যাব। (India has been fourth rights and consistent in

upholding the tradition of self-determination. The history of Indian freedom movement for total independence and self-determination from colonialism in itself provides the genesis of India's stands for self-determination of people and nations from colonial subjugation and foreign determination in favour of soverignity and indepadent political, economic, social, cultural (Para No. 8 of the third periodic Report of states Parties due in 1992, submitted by Committee on Human Rights (CHR) Manipur, 1997 to The Secretary General, United Nations and Human Rights Committee, UN.) কিন্তু বাস্তৱ ক্ষেত্ৰত দেখা যায় যে, আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত এনেদৰে নিজস্ব দায়বদ্ধতা প্ৰকাশ কৰা ভাৰতবৰ্ষই অসম তথা উত্তৰ-পূৰ্বাঞ্চলত খিলঞ্জীয়া জনসমষ্টিৰ নিৰ্দিষ্ট অংশই আগবঢ়োৱা আত্ম-নিয়ন্ত্ৰণৰ অধিকাৰক নস্যাৎ কৰিছে। পৰিতাপৰ কথা এয়ে যে এনেবোৰ নস্যাৎকৰণ প্ৰক্ৰিয়া কেৱল তাত্ত্বিক পৰ্যায়তে সীমাবদ্ধ হৈ থকা নাই, বৰং প্ৰায়োগিক ক্ষেত্ৰত ই ভয়াৱহ ৰূপ ধাৰণ কৰিছে। যাৰ বাবে আজি খিলঞ্জীয়া জনসমষ্টিয়ে সশস্ত্ৰ সংঘাতৰ লেখীয়া পৰিৱেশৰ সন্মুখীন হৈছে। সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইন, ১৯৫৮ৰ দৰে ক'লা আইনৰ যোগেদি সমগ্ৰ অঞ্চলটোতে সামৰিকৰাজ চলাই থকা হৈছে। এনে সংঘাতৰ পটভূমিত প্ৰায় ৫০,০০০ হেজাৰৰো অধিক খিলঞ্জীয়া লোকে প্ৰাণ হেৰুৱাবলগা হৈছে। ইয়াৰ যোগেদি ভাৰতবৰ্ষই খিলঞ্জীয়া জনসমষ্টিৰ অধিকাৰৰ ১ম আৰু ৩য় উপবিধিকো উলংঘা কৰিছে। তাৎপৰ্যপূৰ্ণভাৱে খিলঞ্জীয়া অধিকাৰৰ আন এক উপবিধিৰো উলংঘা কৰিছে। সশস্ত্ৰ সংঘাত সন্দৰ্ভত ১১নং উপবিধিত স্পষ্টভাৱে উল্লেখ কৰা আছে যে সশস্ত্ৰ সংঘাতৰ সময়ছোৱাত খিলঞ্জীয়া জনসমষ্টিৰ বিশেষ সুৰক্ষা আৰু নিৰাপত্তাৰ অধিকাৰ আছে। ৰাষ্ট্ৰই অসামৰিক জনসমষ্টিক জৰুৰী আৰু সশস্ত্ৰ সংঘাতৰ সময়ছোৱাত চতুৰ্থ জেনেভা কনভেনচন, ১৯৪৯ৰ দৰে আন্তঃৰাষ্ট্ৰীয় প্ৰ'ট'কল পালন কৰিব লাগে। তদুপৰি ৰাষ্ট্ৰই—

১. নিজৰ ইচ্ছাৰ বিৰুদ্ধে খিলঞ্জীয়া ব্যক্তিক অন্য খিলঞ্জীয়াৰ বিৰুদ্ধে ব্যৱহাৰ কৰিব নোৱাৰিব আৰু সশস্ত্ৰ বাহিনীত অন্তৰ্ভুক্ত কৰিব নোৱাৰিব।

২. যিকোনো ক্ষেত্ৰত সশস্ত্ৰ বাহিনীত খিলঞ্জীয়া শিশু অন্তৰ্ভুক্ত কৰিব নোৱাৰিব।

৩. নিজৰ মাটি, গৃহভূমি বা সম্বল ত্যাগ কৰা বা সামৰিক কাৰণত স্থান পৰিত্যাগ কৰাব নোৱাৰিব।

৪. যিকোনো বৈষম্যমূলক পৰিৱেশত সামৰিক কাম-কাজ কৰিবলৈ খিলঞ্জীয়াক বাধ্য কৰাব নোৱাৰিব।

(Indigenous people have the rights to special protection and seurity in period of armed conflict. State

shall observe international standard, in pariculars the fourth Geneva Convention 1949, for the protection of civilian population in circumstances of emergency and armed conflict, and shall not :

(a) Recruit indigenous individual against their will into the armed forces and in particular for use against other indigenous people.

(b) Recruit indigenous children in to the armed forces under any circumstances.

(c) Force indigenous individual to abandon their lands, territories or means of subsistence, or relocate them in special centers for military purpose.

(d) Force, indigenous individuals to work for military purpose under any discriminatory condition.

ভাৰতবৰ্ষৰ এনে স্থিতিৰ বাবেই আজি অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ খিলঞ্জীয়া জনসমষ্টিয়ে বিষম ফল ভোগ কৰিবলগা হৈছে। আন্তঃৰাষ্ট্ৰীয় নিৰ্দেশাৱলী অনুসৰি খিলঞ্জীয়াৰ মৰ্যাদা লাভ কৰা সত্বেও, ভাৰতীয় পৰিস্থিতিত তাৰ কোনো ফলপ্ৰসূ সমাধান সূত্ৰ নথকাৰ বাবেই যে এনে অচলাৱস্থাৰ সৃষ্টি হৈছে, তাক হয়তো দুনাই কোৱাৰ প্ৰয়োজনীয়তা নাই। সেয়ে, ভাৰতবৰ্ষই প্ৰকৃতাৰ্থত আন্তঃৰাষ্ট্ৰীয় খিলঞ্জীয়া বিধিৰ প্ৰতি দায়বদ্ধতা প্ৰদান কৰাৰ বাবে অগ্ৰসৰ হোৱাৰ প্ৰয়োজনীয়তা আছে। কিন্তু বিগত সময়ত ভাৰতবৰ্ষৰ শাসকগোষ্ঠীৰ চৰিত্ৰ পৰ্যালোচনা কৰিলে দেখা যায় যে, অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ খিলঞ্জীয়া জনসমষ্টিৰ স্বাভাৱিক প্ৰাপ্য অধিকাৰ প্ৰদানৰ বাবে ভাৰতীয় শাসকগোষ্ঠী মুঠেই তৎপৰ নহয়। বৰং অনুসূচীকৰণ, পৃথক ৰাজ্যৰ দৰে প্ৰশাসনীয় গোট সৃষ্টিৰে খিলঞ্জীয়া জনসমষ্টিক বহুকেইটা ভাগত বিভক্ত কৰি শাসন কৰাৰ বাবেহে ভাৰতীয় শাসকে তৎপৰতা প্ৰদৰ্শন কৰি আহিছে। আনহাতে খিলঞ্জীয়া জনসমষ্টিৰ অগ্ৰণী অংশটোৱে সামূহিকভাৱে চিন্তা-চৰ্চা চলাই ঐক্যবদ্ধ আন্দোলনেৰে শাসকগোষ্ঠীক অধিকাৰ প্ৰদান কৰিবলৈ বাধ্য কৰোৱাৰ বিপৰীতে, কেৱল স্বগোষ্ঠীয় চিন্তা-চেতনাৰ যোগেদি গোষ্ঠীপ্ৰৱণতা অধিক বিকশাই তুলি, শেষ বিচাৰত শাসকশ্ৰেণীৰ হাত মজবুত কৰাহে দেখা গৈছে। এনেধৰণৰ চিন্তা চৰ্চা যেনেদৰে খিলঞ্জীয়া জনসমষ্টিৰ ঐক্যৰ হেঙাৰ হিচাপে থিয় দিছে, ঠিক তেনেদৰে গোষ্ঠীপ্ৰৱণতাই সৃষ্টি কৰা গোষ্ঠীবাদৰ ফলত স্থান বিশেষে গোষ্ঠী সংঘৰ্ষৰ পৰিৱেশ জন্ম দিছে। কাজেই এনেবোৰ দিশ বিবেচনা কৰি, আপোচ-মীমাংসা আৰু প্ৰয়োজন সাপেক্ষে ঘূৰণীয়া মেজমেল অনুষ্ঠিত কৰি খিলঞ্জীয়া জনসমষ্টিটোৱে নিজস্ব ঐক্য আৰু সংহতি বিকাশ কৰাৰ বাবেহে অগ্ৰসৰ হ'ব লাগে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ খিলঞ্জীয়া জনসমষ্টিৰ ঐক্যবদ্ধ ৰূপেহে ভাৰতীয় শাসকগোষ্ঠীক, আন্তঃৰাষ্ট্ৰীয় বিধি নিৰ্দেশনা আখৰে-আখৰে পালন কৰিবলৈ

বাধ্য কৰিব। অন্যথা, আন্তঃৰাষ্ট্ৰীয়ভাৱে স্বীকৃত খিলঞ্জীয়া অধিকাৰৰ প্ৰসংগসমূহ কেৱল বৌদ্ধিক খোৰাকৰ সামগ্ৰী হিচাপেহে পৰিগণিত হ'ব।

সহায়ক গ্ৰন্থপঞ্জী

1. The Resource Book on the rights of Indigenous People, by Raajeen Singh, Issaf Publication-2001.

2. Hill Politics in North-East India, S.K. Choube. Orient Longman-1999.

3. Alternative Report to The Third Period Report of States Affair due in 1992. By committee On Human Rights. (Colte)-1997

4. স্মৃতিগ্ৰন্থ 'গোছ' ঃ সম্পাদক, ৰাজীৱ দত্ত বৰা, ২০০৭।

পূৰ্বপ্ৰকাশ ঃ উকি, জানুৱাৰী/২০০৮

২৮ | আলফা এক ৰাজনৈতিক ধাৰা

ৰয়সৰ লেখেৰে 'আলফা' এতিয়া একৈশ বছৰীয়া। এটা সংগঠনৰ বাবে একৈশ বছৰ সময় বৰ তাকৰ সময় নহয়। তাতে এই সময়ছোৱাত 'আলফা'ৰ যথেষ্ট অভিজ্ঞতা হৈছে। কেইবাটাও সামৰিক অভিযান, ইউনিফাইড কামাণ্ড ষ্ট্ৰাকচাৰৰ লেখীয়া যুটীয়া দমন অভিযান, সহস্ৰাধিক সদস্যৰ অকাল মৃত্যু, ততোধিক সদস্যৰ আত্মসমৰ্পণ, সংগঠনৰ গাঁথনিগত পৰিৱৰ্তনকে আদি কৰি নানা ঘাত-প্ৰতিঘাতৰ মেটমৰা অভিজ্ঞতাৰে আলফা সমৃদ্ধ। সম্ভৱতঃ অসমৰ বিগত পঞ্চাশ বছৰৰ ৰাজনৈতিক ইতিহাসত কোনো এটা সংগঠনে ইমানবোৰ অভিজ্ঞতা অৰ্জন কৰিব পৰা নাই। আলফাৰ মতাদৰ্শ সমৰ্থন বা বিৰোধিতা কৰি অসমৰ জনসাধাৰণ প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে আলফাৰ লগত জড়িত হৈছে। অসমৰ আঢ়ৈ কৌটি জনসাধাৰণৰ সম্ভৱতঃ এদিনৰ বাবে হ'লেও 'আলফা' নামটোৰ লগত পৰিচিত হৈছে। ই এটা কথা প্ৰমাণ কৰে যে আলফা এক ৰাজনৈতিক শক্তি।

স্বাভাৱিকতে প্ৰশ্ন আহে যে সংগঠন হিচাপে আলফাৰ চৰিত্ৰ কি? সন্ত্ৰাসবাদী, বিচ্ছিন্নতাবাদী, বিদ্ৰোহী নে বিপ্লৱী? আলফাই যি ভাৰত ৰাষ্ট্ৰৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছে, সেই ৰাষ্ট্ৰই আলফাক সন্ত্ৰাসবাদী আখ্যা দিছে। কিন্তু প্ৰশ্ন আহে যে আলফাই কাক সন্ত্ৰাসিত কৰিছে। অসমৰ আপামৰ জনসাধাৰণক নে জনসাধাৰণৰ তেজ শুহি খোৱা ৰক্তলোলুপ ৰাষ্ট্ৰক? বিগত সময়ছোৱাৰ হিচাপ নিকাচ কৰি চালে গম পোৱা যায় যে আন্তঃৰাষ্ট্ৰীয়ভাৱে স্বীকৃত প্ৰট'কলসমূহ উলংঘা কৰি বিভিন্ন ক'লা আইনেৰে

ৰাষ্ট্ৰইহে আজি সন্ত্ৰাসবাদী ৰূপ ধাৰণ কৰিছে। বিনা বিচাৰত, ভুৱা সংঘৰ্ষত, গুপ্তৰূপত, অসমত প্ৰতিদিনে তেজাল তৰুণৰ মৃত্যু ঘটি আছে। নিৰ্বিচাৰ অত্যাচাৰত সন্ত্ৰাসিত জনসাধাৰণ। ৰাষ্ট্ৰৰ আইন ব্যাৱস্থাই ইয়াক প্ৰত্যক্ষ বা পৰোক্ষ অনুমোদন জনোৱা বাবেই জনসাধাৰণৰ মানত ৰাষ্ট্ৰ আজি সন্ত্ৰাসবাদী ৰাষ্ট্ৰ হিচাপে পৰিগণিত হৈছে।

আনহাতে, ভাৰতীয় জাতীয়তাবাদৰ প্ৰবক্তাসকলৰ দৃষ্টিত আলফা আজি বিচ্ছিন্নতাবাদী। কিয়নো, আলফাই 'ভাৰতীয় জাতি' ধাৰণা নস্যাৎ কৰি, বিশ্ব দৰবাৰত অসমীয়া জাতিৰ 'জাতীয় ৰাষ্ট্ৰ' প্ৰতিষ্ঠা কৰিব খুজিছে। সমগ্ৰ বিষয়টো ঐতিহাসিক পটভূমিত বিচাৰ কৰিলে দেখা যায় যে অসমীয়া জাতিৰ সামাজিক, সাংস্কৃতিক, নৃতাত্বিক, ঐতিহ্য— ভাৰতবৰ্ষৰ সামাজিক-সাংস্কৃতিক পৰিমণ্ডলৰ পৰা পৃথক। এক ঐতিহাসিক পৰিক্ৰমাৰ যোগেদি অসমীয়া জাতীয়-জীৱন গঢ় লৈ উঠিছে। অসমীয়া জাতীয়-জীৱনত যথেষ্ট মংগোলীয় উপাদান থকা সত্বেও যি যুক্তিত অসমক বৃহৎ মংগোলীয় সংস্কৃতিৰ অংশ বুলি ক'ব নোৱাৰি, সেই একে যুক্তিতে শংকৰদেৱৰ নৱবৈষ্ণৱ মতাদৰ্শৰ দৰে কেতবোৰ ভাৰতীয় সংস্কৃতিমূলজ উপাদান থকা সত্বেও অসমক ভাৰতীয় সংস্কৃতিৰ অংশ বুলিব নোৱাৰি। ভৌগোলিক বিশিষ্টতা, অৰ্থনৈতিক গাঁথনিয়ে অসমৰ সংস্কৃতিৰ এক সুকীয়া ৰূপ দিছে। এই ঐতিহাসিক পটভূমিত থিয় হৈ সাম্ৰাজ্যবাদ আৰু ঔপনিৱেশিক সংস্কৃতিয়ে থানবান কৰি পেলোৱা অসমীয়া জাতিক আলফাই পুনৰ নিৰ্মাণ কৰিব খুজিছে। এই দৃষ্টিকোণত 'আলফা' বিচ্ছিন্নতাবাদী হ'ব নোৱাৰে। (অৱশ্যে ৰাষ্ট্ৰৰ সুবিধা এয়ে যে বিচ্ছিন্নতাবাদী ছাপটো এবাৰ মাৰি ল'ব পাৰিলে ছুপাৰ টাডা প্ৰয়োগ, জাতীয় দমন অভিযান চলাবলৈ সহজ হয়)।

'আলফা'ৰ প্ৰকৃত চৰিত্ৰ মূল্যায়ন কৰিবৰ বাবে পৰ্যাপ্ত সমলৰ অভাৱ। এক গুপ্ত সংগঠন হিচাপে ইয়াৰ গতি-বিধি আন সংগঠনতকৈ পৃথক। আনহাতে বাতৰি কাকতত প্ৰকাশিত খবৰ, আনকি সংগঠনটোৰ প্ৰেছটোকাসমূহৰ ওপৰত নিৰ্ভৰ কৰি যথাৰ্থ মূল্যায়ন সম্ভৱপৰ নহয়। কিয়নো, বাতৰিসমূহত নানা ৰহণ থকাৰ দৰে প্ৰেছটোকাসমূহো কৌশলপূৰ্ণ হয়। তাৎপৰ্যপূৰ্ণভাৱে আলফাই আজিপৰ্যন্ত এখন স্বয়ংসম্পূৰ্ণ ইস্তাহাৰ প্ৰকাশ কৰা নাই। আলফাৰ মুখপত্ৰ 'স্বাধীনতা' আমাৰ দৰে সংগঠন বহিৰ্ভূত সাধাৰণ অসমীয়াৰ বাবে দুৰ্লভ। সম্ভৱতঃ ১৯৮৯ চনত প্ৰচাৰিত এখন পুস্তিকা, ৰাষ্ট্ৰসংঘলৈ প্ৰেৰণ কৰা এখন স্মাৰকপত্ৰ আৰু ১৯৯৬ চনত নতুন দিল্লীৰ 'All India people Resistance Forum'ৰ জাতিসত্তা সম্পৰ্কীয় আলোচনাচক্ৰত পঠিত ছেমিনাৰ পেপাৰখনেই এতিয়ালৈকে সুলভ দলিল। ইয়াৰে প্ৰথম দুখনৰ বিষয়ে যথেষ্ট আলোচনা হৈছে যদিও শেষৰ দলিলখনৰ আলোচনা আমাৰ চকুত পৰা নাই। 'Symphony of Freedom' শীৰ্ষক গ্ৰন্থত সন্নিবিষ্ট এই দলিলখনত উল্লেখ কৰা আলফাৰ তাত্বিক বিশ্লেষণৰ আধাৰ হ'ল ঃ

ক. বিশ্ব-বাণিজ্য সংস্থাৰ দ্বাৰা কৰা, সাম্ৰাজ্যবাদী নব্য-ঔপনিৱেশবাদৰ বিশ্বজোৰা পটভূমি।

খ. অসমীয়া জাতিৰ ঐতিহাসিক, সাংস্কৃতিক স্বকীয়তা।

গ. ১৯৬০ চনৰ ১৫ ডিচেম্বৰত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে গ্ৰহণ কৰা প্ৰস্তাৱ [IV Resolution 1541 (XV)] অনুসৰি অসমৰ সাৰ্বভৌমত্ব দাবী।

ঘ. অসমীয়া জাতিৰ আত্ম-নিয়ন্ত্ৰণৰ অধিকাৰ।

তদুপৰি জাতীয় সমস্যা সমাধানৰ বাবে আলফাই গ্ৰহণ কৰা প্ৰস্তাৱ, কৰ্মসূচীৰ নমুনাও দাঙি ধৰা হৈছে। এই প্ৰস্তাৱ অনুসৰি :

ক. ১. সমগ্ৰ বিশ্বজুৰি অৱদমিত জাতি আৰু জাতিসত্তাৰ ঐক্যবদ্ধ জাতীয় মুক্তি সংগ্ৰাম কৰা।

২. ঔপনিৱেশসমূহৰ শ্ৰমিক শ্ৰেণীৰ শ্ৰেণী সংগ্ৰামৰ লগত জাতীয় মুক্তি সংগ্ৰামৰ যুটীয়া কৰ্মসূচী গ্ৰহণ কৰা।

৩. যিবোৰ দেশত সমাজবাদৰ নামত পুঁজিবাদী শাসনক আদৰণি জনোৱা হৈছে, সেই দেশসমূহৰ প্ৰকৃত কমিউনিষ্ট দলবোৰক এই মঞ্চত একত্ৰিত কৰা।

খ. সশস্ত্ৰ জাতীয় মুক্তি সংগ্ৰামৰ প্ৰেক্ষাপটত সংযুক্ত মঞ্চ গঠনৰ প্ৰস্তাৱ অনুসৰি :

১. মাতৃভূমিৰ সংযুক্ত মঞ্চত অসমৰ সকলো খিলঞ্জীয়া জাতি, জাতিসত্তা, জনগোষ্ঠীক অন্তৰ্ভুক্ত কৰা।

২. ঐতিহাসিক, ভৌগোলিক, ৰাজনৈতিক কাৰণত উত্তৰ-পূৰ্বাঞ্চলক এই সংযুক্ত মঞ্চৰ ঘাটি হিচাপে প্ৰতিষ্ঠা কৰা।

৩. ভাৰতৰাষ্ট্ৰক শত্ৰুজ্ঞান কৰি মুক্তি আন্দোলন চলোৱা জনসাধাৰণ, বিশ্ব ঔপনিৱেশবাদবিৰোধী জাতিসমূহক এই সংযুক্ত মঞ্চত অন্তৰ্ভুক্ত কৰি ভাৰতবৰ্ষক আধাৰ হিচাপে গণ্য কৰা।

গ. সমগ্ৰ বিশ্বৰ ক্ষেত্ৰতে—

১. বিশ্বৰ সমূহ অৱদমিত জাতি আৰু জাতিসত্তাৰ জাতীয় মুক্তি আন্দোলনক সমৰ্থন কৰা।

২. সমাজবাদৰ নামত পুঁজিবাদ প্ৰতিষ্ঠা কৰা দেশসমূহত ৰাজনৈতিক ব্যৱস্থাৰ পৰিৱৰ্তন বিচৰা প্ৰকৃত কমিউনিষ্ট দলসমূহৰ লগত এই ঐক্যমঞ্চ গঠন কৰা।

(উৎস : Symphony of Freedom, Page 154, অনুবাদ এই প্ৰবন্ধ লেখকৰ)

আলফাৰ এই তাত্ত্বিক দৃষ্টিভংগী আৰু কৰ্মসূচীৰ এক ঐতিহাসিক তাৎপৰ্য আছে। আৰম্ভণিতে অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ আবেগক মূলধন হিচাপে গ্ৰহণ কৰি এক ৰবিনহুড ইমেজেৰে চমক সৃষ্টি কৰা আলফাৰ উত্তৰণৰ চানেকী এই দলিলখনে দাঙি ধৰিছে। পৰিৱৰ্তিত বিশ্ব পৰিস্থিতিত সাম্ৰাজ্যবাদৰ মূলোচ্ছেদ নকৰাকৈ, কেৱল ৰাজনৈতিক ক্ষমতা দখলৰে জাতীয় ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰিলেও যে সংশ্লিষ্ট জাতিসত্তা সাম্ৰাজ্যবাদৰ আগ্ৰাসনৰ পৰা মুক্ত নহয়, তাক আলফাই হৃদয়ংগম কৰাটো এক শুভ লক্ষণ। আলফাই সঠিকভাৱেই উপলব্ধি কৰিছে যে 'In this environ the oppressed nationalities are so helpless today that, even some of their geniune liberation movements have virtually become tools in the hands of the super powers in

their pursuit for neo-colonial supremacy.'

সেইদৰে অসমীয়া জাতিৰ ঐতিহাসিক, সাংস্কৃতিক স্বকীয়তা সন্দৰ্ভত আলফাই যি বিশ্লেষণ আগবঢ়াইছে, আমি ভাবো সমগ্র বিষয় সন্দৰ্ভত বিদ্বৎ সমাজৰ মাজত আলোচনা, বিতৰ্ক হোৱাটো নিতান্তই প্রয়োজনীয়। অৱশ্যে,অসমীয়া জাতিৰ আত্ম-নিয়ন্ত্রণৰ অধিকাৰ আৰু ঔপনিৱেশিক শোষণ প্রক্রিয়া সন্দৰ্ভত আলফাই কোনোধৰণৰ বিশ্লেষণ দাঙি ধৰা নাই। আজিৰ তাৰিখত অসমীয়া জাতিৰ আত্ম-নিয়ন্ত্রণৰ দাবী উত্থাপন কৰাৰ আগতে অসমীয়া জাতিৰ সংজ্ঞা আৰু পৰিধি সন্দৰ্ভত কিছু স্পষ্ট অভিমত তুলি ধৰাৰ প্রয়োজন আছে। যি ঔপনিৱেশিক ষড়যন্ত্র আৰু উগ্র জাতীয়তাবাদী কৰ্মৰ ফলত অসমীয়া জাতিৰ ঐতিহাসিক গঠন প্রক্রিয়া ব্যাহত হৈছে, তাক চিনাক্ত কৰা তথা নিৰাময়ৰ সূত্র উদ্ভাৱন কৰাটো বাস্তৱৰ দাবী। তেনেদৰে ঔপনিৱেশিক শোষণ প্রক্রিয়াক তথ্যসমৃদ্ধভাৱে উপস্থাপন কৰি অসমখন যে এখন উপনিৱেশ তাক প্রতিষ্ঠা কৰিব পাৰিলেহে আলফাই কৃতিত্ব দাবী কৰিব পাৰিব।

আলোচ্য দলিলৰ কৰ্মসূচীত আলফাৰ গৃহ আৰু বৈদেশিক নীতি প্রকাশ পাইছে। বৈদেশিক নীতিত আলফা সফল হৈছে নে নাই, সি আমাৰ দৃষ্টিৰ বাহিৰত। কিন্তু গৃহনীতিত যে আলফা ব্যৰ্থ তাক বিগত সময়ছোৱাৰ ঘটনাপ্রৱাহে আমাক দেখুৱাই দিছে। উদাহৰণস্বৰূপে অসমৰ সমাজ-জীৱন তোলপাৰ লগোৱা দুটা প্রসংগৰ কথা উত্থাপন কৰা হ'ল। আজি অসমৰ সচেতন লোক মাত্রেই অৱগত যে বিভিন্ন নৃগোষ্ঠীৰ উত্থান, গোষ্ঠী দ্বন্দ্বত অসমৰ সমাজ-জীৱন উত্তাল। এহাতে ইতিহাসৰ স্বাভাৱিক গতিৰ ফলত নৃগোষ্ঠীসমূহৰ মাজত জাতীয় আত্মবিকাশৰ চেতনা প্রবল হৈছে আৰু আনহাতে এনে চেতনাৰ মাজত নিহিত থকা কেতবোৰ উগ্র জাতীয়তাবাদী উপাদানে নৃগোষ্ঠীসমূহৰ মাজত পাৰস্পৰিক সন্দেহ, বিদ্বেষৰ সৃষ্টি কৰিছে। বি এল টিৰ 'নৃগোষ্ঠীয় চাফা'ই ইয়াৰ এক নমুনা। কিন্তু এনে ঘটনাপ্রৱাহ সন্দৰ্ভত আলফাৰ কোনো বিশ্লেষণ, কৰ্মসূচী আমাৰ চকুত পৰা নাই। নৃগোষ্ঠীয় উত্থান, গোষ্ঠীদ্বন্দ্ব সন্দৰ্ভত বিশ্লেষণ, উমৈহতীয়া মূলদাবীত বিভিন্ন নৃগোষ্ঠীৰ সন্মিলিত গণতান্ত্রিক ঐক্য গঢ়ি তোলাৰ মাজেৰে দ্বন্দ্বসমূহ মীমাংসা কৰাৰ কৰ্মসূচী অবিহনে কেৱল 'সন্মিলিত জাতীয় মুক্তি সংগ্রাম' শ্লোগানৰ কিবা তাৎপৰ্য থাকিবনে? সেইদৰে যি বহিৰাগত অবাধ প্রব্রজনৰ ফলত অসমৰ জনগাঁথনিগত ভাৰসাম্যত আঘাত পৰিছে, ভূমি সংক্রান্তীয় অৰ্থনৈতিক দ্বন্দ্ব বৃদ্ধি পাইছে— সেই বহিৰাগত প্রব্রজন সন্দৰ্ভত আলফাৰ স্থিতি সন্তোষজনক নহয়। ৰাষ্ট্রসংঘৰ 'Working group on Indiginous Population' ৰ বিতৰ্ককালীন 'খিলঞ্জীয়া'ৰ সূত্রানুসৰি অসমৰ খিলঞ্জীয়া আৰু থলুৱাৰ অধিকাৰ সন্দৰ্ভত এখনি ঘোষণাপত্রৰ যোগেদি এই বহিৰাগত সমস্যাৰ সমাধান সূত্র নিৰ্ণয় কৰিব পাৰি নেকি, তাক আলফাই বিচাৰ-বিশ্লেষণ কৰিব পাৰে।

সাম্রাজ্যবাদ-ঔপনিৱেশবাদবিৰোধী জংগী কৃষক আন্দোলন গঢ় দিয়াটো দূৰৰ কথা, আজিপৰ্যন্ত আলফাই অসমৰ কৃষক ৰাইজৰ সংগ্রামৰ বাবে দৃঢ় পদক্ষেপ গ্রহণ কৰিব নোৱাৰিলে। অসমৰ কৃষি অৰ্থনীতি সবল কৰা, বজাৰ দখলৰ যোগেদি জাতীয় বুৰ্জোৱা

সৃষ্টি কৰা, জাতীয় পুঁজি গঠন কৰাৰ ক্ষেত্ৰত আলফাৰ স্পষ্ট কৰ্মসূচী থকা নমুনা দেখা নগ'ল। হুজুগত, আমোলাতান্ত্ৰিক ব্যৱস্থাৰে দুই-এখন ফাৰ্ম কৰিলে বা স্বাধীন অসম হোৱাৰ পাছতহে অৰ্থনীতি সবল কৰাৰ পৰিকল্পনা ল'লে অসমৰ কৃষক ৰাইজৰ সংগ্ৰামী চেতনাৰ উত্তৰণ নহয়। সেইদৰে অসমৰ বৃহৎ কৃষক সম্প্ৰদায় মুছলমানসকলৰ ক্ষেত্ৰত আলফাৰ দৃষ্টিভংগী স্পষ্ট নহয়। অসমৰ একমাত্ৰ শ্ৰমিক সম্প্ৰদায় 'চাহ জনগোষ্ঠী'সকলৰ ক্ষেত্ৰতো আলফাৰ এক আওকণীয়া মনোভাব দেখা যায়। অসমৰ সমাজ-জীৱনৰ অংশ এই বৃহৎ সম্প্ৰদায়ৰ সমস্যাৰ লগত সহমৰ্মিতা প্ৰকাশ নকৰি, সংসদীয় নিৰ্বাচনসমূহত এই সম্প্ৰদায়সমূহে তেওঁলোকৰ একমাত্ৰ অধিকাৰ ভোটদান সাব্যস্ত কৰাৰ বাবে আলফাই তেওঁলোকক গালি পৰাৰ নৈতিক অধিকাৰ অৰ্জন কৰিছেনে? উজনি অসমৰ পৰা অহা 'আলফা'ৰ নেতৃবৃন্দই চাহ জনগোষ্ঠীৰ সমস্যা নুবুজে বুলি আমাৰ অনুমান নহয়। তেনেস্থলত এই দুই বৃহৎ জনসম্প্ৰদায়ৰ আৰ্থ-সামাজিক উত্তৰণৰ বাবে কৰ্মসূচী গ্ৰহণ নকৰাটো কিহৰ পৰিচায়ক? আত্মৰত্তিতা নে উন্নাসিকতা? নে কৃষক-শ্ৰমিকক বাদ দিয়েই নব্য গণতান্ত্ৰিক আন্দোলনৰ কুচকাৱাজ?

সংসদবহিৰ্ভূত গণতান্ত্ৰিক সংগ্ৰাম পৰিচালনা কৰাৰ ক্ষেত্ৰতো আলফাৰ উদ্যোগ নিস্তেজ। এইক্ষেত্ৰত সাধাৰণ ধৰ্মঘট, বন্ধ, নিষ্প্ৰদীপৰ কাৰ্যসূচী ছেগা-চোৰোকাকৈ লোৱা হৈছে যদিও এক জংগী গণ আন্দোলনৰ বাবে সি পৰ্যাপ্ত নহয়। ই গণ সক্ৰিয়তা বৃদ্ধি কৰাৰ ক্ষেত্ৰতো ঋণাত্মক ভূমিকাহে পালন কৰিছে। প্ৰসংগক্ৰমে নিৰ্বাচন বৰ্জনৰ সিদ্ধান্তৰ কথাকে ক'ব পৰা যায়। প্ৰাক্ নিৰ্বাচনী কালছোৱাত কৰা বিক্ষিপ্ত সশস্ত্ৰ তৎপৰতা, নিৰ্বাচনোত্তৰ সময়ত বৰ্জনৰ গাণিতিক হিচাপ-নিকাচৰ বাদে নিৰ্বাচন বৰ্জনৰ বাবে সাধাৰণ ৰাইজৰ ওচৰত কিবা কাৰ্যসূচী আলফাই ৰাখিছিলনে? ১৯৯৬ চনত চৰ্তসাপেক্ষে ভোট দিয়াৰ প্ৰক্ৰিয়াৰ ধাৰাবাহিকতা অক্ষুণ্ণ নৰখাৰ বাবে, ৰাষ্ট্ৰচৰিত্ৰ বিশ্লেষণ নকৰাকৈ অগপক মুকলি সমৰ্থন দিয়া কাৰ্যই কাক লাভৱান কৰিলে? সাধাৰণ ৰাইজক ভোটদানৰ অধিকাৰৰ বিকল্প প্ৰদান কৰিব নোৱৰালৈকে, আলফাৰ নিৰ্বাচন বৰ্জনৰ আহ্বান কাগজৰ গদা হৈয়ে থাকিব।

বিগত সময়ছোৱাৰ নানা ত্ৰুটি-বিচ্যুতি সত্বেও আলফাই এক ৰাজনৈতিক ধাৰাৰ প্ৰতিনিধিত্ব কৰিছে। কাজেই, আলফাক 'আইন-শৃংখলাৰ সমস্যা', 'আলফা সমস্যা' আদি আখ্যা দিবলৈ জনসাধাৰণ প্ৰস্তুত নহয়। সেইদৰে আন কতৰ দৰে 'আলফা'ক এক ল'ৰা-ধেমালি বুলি কোৱাৰ উন্নাসিকতাও নাই। 'আলফা'ৰ কেডাৰসকল শিশু নোহোৱাৰ দৰে, কোনেও চখতে জীৱন বিসৰ্জন দিবলৈ সশস্ত্ৰ ধেমালি কৰা নাই। সেয়ে মতপাৰ্থক্য সত্বেও আলফা এক ৰাজনৈতিক ধাৰা হিচাপে স্বীকৃত হৈছে।

পূৰ্বপ্ৰকাশ ঃ সাদিন, ৭ এপ্ৰিল/২০০০

২৯ স্বাক্ষৰিত হ'বনে এখন অসম-ভাৰত চুক্তি

হয়, আমি আজিৰ তাৰিখত দহ হেজাৰ যুৱকৰ আত্মবলিদানৰ যথাৰ্থ মূল্যায়ন হোৱাটো বিচাৰিছো প্ৰস্তাৱিত বিদ্ৰোহী-চৰকাৰৰ আলোচনাৰ মজিয়াত। বিগত পঁচিশ বছৰৰো অধিক কাল ধৰি অসমত জাতীয় প্ৰশ্নসমূহৰ মীমাংসাৰ বাবে যি সশস্ত্ৰ সংঘাত চলি আছে, এই সংঘাতৰ ফলত দহ হেজাৰৰো অধিক তেজাল তৰুণৰ বুকুৰ তেজেৰে অসমভূমি ৰাঙলী হৈছে। সংখ্যাটো অলপ কম-বেছি হ'ব পাৰে, কিন্তু বিগত সময়ছোৱাত সেনা অভিযান, আৰক্ষী অভিযান, ভাতৃঘাতী সংঘৰ্ষৰ ফলত এই হেজাৰোধিক যুৱকৰ মৃত্যু ঘটিছে। কেতিয়াবা প্ৰত্যক্ষ সংঘৰ্ষত, কেতিয়াবা ভুৱা সংঘৰ্ষত, কেতিয়াবা ন্যায় বহিৰ্ভূত প্ৰক্ৰিয়াৰে, অসমত এইসকল যুৱকক হত্যা কৰা হৈছে। গুপ্তঘাতক, মুক্তঘাতক কোনোৱে পিছ পৰি থকা নাছিল এইসকল তেজাল তৰুণৰ প্ৰাণ কাঢ়ি লোৱাৰ প্ৰক্ৰিয়াত।

স্বাভাৱিকতে প্ৰশ্ন আহে যে কিহৰ বাবে এইসকল যুৱকে আত্মবলিদান দিবলগাত পৰিল? এই প্ৰশ্নৰ উত্তৰ বিচাৰিলে, পৰ্যালোচনা কৰিব লাগিব অসমৰ বিগত দিনবোৰৰ ইতিহাস, অৰ্থনৈতিক শোষণ, লুণ্ঠন প্ৰক্ৰিয়া তথা এই প্ৰক্ৰিয়াৰ ফলত তীব্ৰ ৰূপত মূৰ দাঙি উঠা জাতীয় প্ৰশ্নসমূহক। অসমৰ বিগত সময়বোৰৰ বুৰঞ্জী মেলি চালে দেখা যাব যে অসমৰ এক সুকীয়া পৰিচয়, সত্তা আছিল। সি আছিল অসমৰ এক স্বাধীন সাৰ্বভৌম সত্তা। কিন্তু ইতিহাসৰ পাকচক্ৰত অসমৰ স্বাধীনতাৰ বেলি মাৰ গ'ল আক্ৰমণকাৰী মান আৰু সাম্ৰাজ্যবাদী ব্ৰিটিছৰ যৌথ ব্যৱস্থাপনাত জন্ম লোৱা ১৯২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ যোগেদি। অথচ, সেই সন্ধিত নাছিল সেই সময়ৰ স্বৰ্গদেউসকলৰ

অনুমোদন, নাছিল অসমৰ জনসাধাৰণৰ স্বীকৃতি। তৎসত্ত্বেও অসমৰ স্বাধীনতা বিচাৰি বিদ্ৰোহৰ টংকাৰ ফুটাইছিল গোমধৰ কোঁৱৰে, চাকোলা পিয়লি বৰুৱাই, দেৱান মণিৰাম বৰভাণ্ডাৰ বৰুৱাই। ঔপনিবেশিক ব্ৰিটিছ ৰাজশক্তিৰ বিৰুদ্ধে মাৰ বান্ধি ওলাই আহিছিল দৰং, ৰঙিয়া, লছিমা, পথৰুঘাট, ফুলগুৰিৰ কৃষক ৰাইজ। ঔপনিবেশিক শাসকে বান্ধি দিয়া নীতিৰ মাজেৰে প্ৰতিবাদ সাব্যস্ত কৰিছিল আনন্দৰাম ঢেকীয়াল ফুকনে 'A Native' ছদ্মনামেৰে। পৰৱৰ্তী সময়ত যোৰহাট সাৰ্বজনীন সভাৰ যোগেদি জগন্নাথ বৰুৱা, আছাম এছ'চিয়েচন আদি সংগঠনে গঢ় দিছিল অসমীয়া জাতীয় চেতনা। ইয়াৰে আৰিয়া জ্বলাইছিল লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰ কুমাৰ আগৰৱালা, পদ্মনাথ গোহাঞিবৰুৱা আদি ব্যক্তিসকলে। ভাৰতীয় জাতীয়তাবাদে এক পৃথক ধাৰাৰে বিকাশ লাভ কৰাৰ সময়ত অসমৰ জাতীয়তাবাদী চিন্তা-চৰ্চা এক সুকীয়া অস্তিত্বৰে গঢ় লৈ উঠিছিল। প্ৰথম বিশ্বযুদ্ধই সৃষ্টি কৰা পৰিস্থিতি আৰু তৎকালীন ভাৰতবৰ্ষৰ ৰাজনীতিৰ প্ৰেক্ষাপটত ১৯২১ চনত যেতিয়া ভাৰতীয় জাতীয় কংগ্ৰেছৰ অসম প্ৰাদেশিক সমিতি গঠন কৰা হ'ল, তেতিয়াহে ভাৰতীয় মূলসুঁতিৰ ৰাজনৈতিক প্ৰবাহৰ লগত অসম জড়িত হৈ পৰিল। তৎসত্ত্বেও সুকীয়া অস্তিত্বৰ ধাৰা প্ৰবাহমান হৈ থাকিল অম্বিকাগিৰি ৰায়চৌধুৰীৰ চিন্তা, কৰ্ম; জ্ঞাননাথ বৰা, ডেকা বেজ মাধৱচন্দ্ৰ বেজবৰুৱাৰ চিন্তা, ভীমবৰ দেউৰী, ৰূপনাথ ব্ৰহ্মাৰ নেতৃত্বাধীন 'ট্ৰাইবেল লীগ' আদিৰ মাজেৰে। ভাৰতীয় জাতীয় কংগ্ৰেছৰ ঘোষনাৱলীত পূৰ্ণ স্বায়ত্তশাসনৰ স্বপ্ন জাগ্ৰত হৈ থকাৰ সময়তে ব্ৰিটিছ চৰকাৰে ঘোষণা কৰিছিল 'কুপলেণ্ড আঁচনি' বা 'ক্ৰাউন ক'লনি'ৰ প্ৰস্তাৱ। এই প্ৰস্তাৱক লৈ দ্বিধাগ্ৰস্ত হৈ থকাৰ অৱস্থাত, বিশেষকৈ গ্ৰুপিং আঁচনিক প্ৰতিহত কৰাৰ বাবে, পূৰ্ণ স্বায়ত্তশাসনৰ স্বপ্নৰে অসম চামিল হ'ল আজিৰ ভাৰতবৰ্ষৰ ৰাজনৈতিক ব্যৱস্থাত। তাৰ পিছৰখিনি বাস্তৱ। অতি ৰূঢ় বাস্তৱ। দেশ বিভাজনে সৃষ্টি কৰা ভগনীয়াক সংস্থাপন দিব লাগিব অসমে, অথচ অসমৰ খাৰুৱা তেল পাইপেৰে নি শোধন কৰা হ'ল বিহাৰৰ বাৰাউনীত। অসমত দলং সাজিবৰ বাবে, তেল শোধনাগাৰ স্থাপন কৰিবৰ বাবে অসমৰ মানুহে আন্দোলন কৰিবলগা হ'ল। আনকি, নিজৰ ভাষা স্থাপনৰ বাবেও অসমৰ যুৱক ছহিদ হ'বলগা হ'ল। অসমৰ মাটিত চাহ বাগান, কিন্তু বেপাৰ চলিব কলকাতা, দিল্লী কিম্বা লণ্ডনত। অসমৰ কয়লাক লৈ বেপাৰ কৰিব পাৰিব কেৱল বিহাৰ উত্তৰ প্ৰদেশৰ মানুহেহে। কাৰণ ই যে ৰাষ্ট্ৰীয় সম্পদ। ইফালে বানপানীয়ে ৰাইজক মাৰিছে, খহনীয়াই দেশখন ভাঙিছে। তাত কাণসাৰ দিয়াৰ প্ৰয়োজন নাই। নেপাল, পূৰ্ব পাকিস্তান (বাংলাদেশ), বিহাৰ উত্তৰ প্ৰদেশৰ ৰাজস্থানৰ পৰা হেজাৰ হেজাৰ মানুহ আহি অসমত নিগাজি হ'ল। কোনোবা দেশীয় আইনৰ সুৰুঙাত, কোনোবা মৌলিক অধিকাৰৰ সুবাদত। তাক বাধা দিয়াৰ, প্ৰতিহত কৰাৰ কোনো ব্যৱস্থা নাই। অৰ্থাৎ ১৯২১ চনৰ ১৯৪৭ চনলৈকে একেলগে আন্দোলন কৰি, ১৯৪৭ চনৰ পৰা আজিৰ তাৰিখলৈকে একেলগে থাকি, ভাৰতবৰ্ষৰ পৰা অসমে পদে পদে লাভ কৰিলে মাথোঁ অৱহেলা আৰু বঞ্চনা। অথচ এই কথাকে যদি সাহসেৰে কোনোবাই প্ৰতিবাদ কৰে, উত্থাপন কৰে, তেন্তে সি হৈ উঠে প্ৰাদেশিকতাবাদী, উগ্ৰজাতীয়তাবাদী, উগ্ৰপন্থী অথবা সন্ত্ৰাসবাদী! তাৰ বাবে ৰকম

কৰিব লাগে— মৃত্যু কিম্বা কাৰাগাৰ। কি এক আচৰিত পৰিহাস!

এনেধৰণৰ কথাৰে পূৰ্ব-পাকিস্তান, পাকিস্তানৰ পৰা পৃথক হৈ বাংলাদেশ হৈছিল। তেতিয়া, তাৰ যোদ্ধাসকলে নাম পাইছিল 'মুক্তি সেনানী'। ইংলণ্ডত এনেবোৰ কথাৰ বাবেই আইৰিছসকল বিদ্ৰোহী হৈ উঠিছে। ফলত তেওঁলোকে স্থান পাইছে বিভিন্ন বিদ্যায়তনিক লেখা-মেলাত। অথচ, এনেবোৰ কথাকে উত্থাপন কৰা বাবে, প্ৰতিষ্ঠা কৰিবৰ বাবে, দহ হেজাৰোধিক প্ৰাণ দিবলগাত পৰিল, এই অসম মুলুকত। এতিয়া এই দহ হেজাৰোধিক যুৱকে আত্মবলিদান দিয়াৰ পিছত, শতাধিকজন নিৰুদ্দেশ হোৱাৰ পিছত, শতাধিক ভগ্নীয়ে নিজৰ সতীত্ব হেৰুওৱাৰ পিছত; সমগ্ৰ বিষয়বস্তুকে আলোচনা কৰিবৰ বাবে পৰিৱেশ ৰচনা কৰা হৈছে। এই পৰিৱেশ ৰচনা কৰাৰ বাবে বিষয়বস্তুৰ উপযুক্ততা নিৰ্ণয় কৰিবৰ বাবে অসমবাসীয়ে যি মূল্য দিবলগা হ'ল; তাৰবাবেই প্ৰস্তাৱিত আলোচনা প্ৰক্ৰিয়া অসমবাসীৰ বাবেই অতি মূল্যবান হৈ পৰিছে। কিন্তু অসমবাসীয়ে হাতত আলোচনাৰ মাণিক পোৱাৰ সময়তে কেতবোৰ চিন্তা-চৰ্চা, কৰ্ম-কাণ্ড— এনে দ্ৰুতগতিত ঘটিব লাগিছে যে ইয়ে কিছু সংশয় আৰু সন্দেহৰ প্ৰচ্ছায়াও নমাই আনিছে। যথা, এই প্ৰক্ৰিয়া আৰম্ভ কৰাৰ প্ৰাক্‌মুহূৰ্তত সেনা অভিযান চলোৱা হৈছে। তাকো প্ৰতিবাদ কৰিবলগা হৈছে। দুৰ্ঘটনা হ'লেও, চাৰিওটাকে মূল্যবান জীৱনৰ বিনিময়তহে এনে অভিযান বন্ধ কৰিবলগাত পৰিছে। ৰাম নৌওপজোতেই ৰামায়ণ লেখাৰ দৰে, আলোচনা প্ৰক্ৰিয়া আৰম্ভ নৌহওঁতেই; 'অসম চুক্তিৰ ৬ নং দফাৰ কাৰ্যকৰীকৰণ, জম্মু-কাশ্মীৰৰ লেখীয়া অৰ্থাৎ ভাৰতীয় সংবিধানৰ ৩৭১ নং ধাৰাৰ অধীনত 'বিশেষ ক্ষমতা' বিচাৰি প্ৰস্তাৱ দিয়া হৈছে। সেইদৰে এনে কেতবোৰ চৰ্ত তথা বিষয় উত্থাপন কৰোৱা হৈছে; যিবোৰ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত ইষ্ট টিমুৰ বা এল টি টি ইৰ ক্ষেত্ৰত প্ৰয়োগ কৰা হোৱা নাই। ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত নগা বিদ্ৰোহী এন এছ্ চি এন (আই এম) বা জম্মু-কাশ্মীৰৰ ক্ষেত্ৰত প্ৰয়োগ কৰা হোৱা নাই। কিহৰ বাবে এনেবোৰ প্ৰসংগ আহি পৰিছে, তাক দকৈ গমি-পিতি চোৱাৰ প্ৰয়োজনীয়তা আছে।

অসম আন্দোলনৰ সময়ত আঠশৰো অধিক ছহিদৰ আত্মবলিদান আৰু হেজাৰোধিক নিৰ্যাতিতৰ ত্যাগক অৱমূল্যায়ন কৰি 'অসম চুক্তি' স্বাক্ষৰ কৰা হৈছিল। সেয়ে, এইবেলি এই শিক্ষাৰে শিক্ষিত হৈ দহ হেজাৰজনৰ আত্মত্যাগক যথাৰ্থ সন্মান প্ৰদৰ্শন কৰা হ'ব বুলিয়েই আমাৰ বিশ্বাস। এই বিশ্বাসক মূলধন হিচাপে লৈয়েই বিগত সময়ৰ সকলোবোৰ প্ৰসংগক আলোচনাৰ মেজত উত্থাপন কৰা হওক বুলি প্ৰস্তাৱ আগবঢ়াইছোঁ। ১৯২১ চনৰ পৰা ১৯৪৭ চনলৈকে একেলগে আন্দোলন কৰি, ১৯৪৭ চনৰ পৰা আজিলৈকে একেলগে থাকি, অসমে ভাৰতবৰ্ষৰ পৰা কি পালে, কি দিলে, তাৰ এক খতিয়ান দাঙি ধৰা হওক। এই খতিয়ানৰ আধাৰত ভাৰতবৰ্ষই আমাক কি সৰ্বোচ্চ স্থান দিব পাৰে, তাক মুকলিভাৱে ঘোষণা কৰক। এনে এক মুকলি ঘোষণাৰ বাবে ভাৰতবৰ্ষই প্ৰয়োজনসাপেক্ষে সংবিধান সংশোধন তথা ৰাষ্ট্ৰসংঘৰ সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক অধিকাৰ সংক্ৰান্তীয় দুয়োখন 'ক'ভনেণ্ট'ত সন্নিবিষ্ট 'আত্ম-নিয়ন্ত্ৰণৰ অধিকাৰ' সম্পৰ্কীয় 'সংৰক্ষণ' প্ৰত্যাহাৰ কৰিবৰ বাবেও আগ্ৰহ প্ৰকাশ কৰাৰ পৰিৱেশ সৃষ্টি কৰক। এনে

ঘোষণাক লৈ, অসমবাসীৰ মাজত ৰাজহুৱা মতামত, বিতৰ্কৰে প্ৰভাৱিত আলোচনা প্ৰক্ৰিয়াৰ সফল সমাধান হ'ব পাৰে বুলি আমাৰ মনে ধৰে। অসমবাসীৰ জাতীয় প্ৰশ্নসমূহৰ সু-মীমাংসাৰ বাবে, অসমবাসীৰ স্বকীয় সত্তাৰ স্বীকৃতি প্ৰদান খুবেই প্ৰয়োজনীয়। চমু অৰ্থত, ১৯৮৫ চনত এখন 'অসম চুক্তি' কৰাৰ পিছত এতিয়া দ্বিতীয়খন 'অসম চুক্তি' বা 'অসম চুক্তি, খ'ৰ প্ৰয়োজন নাই। প্ৰয়োজন নাই এখন 'আলফা চুক্তি' বা 'অসমীয়া চুক্তি'। প্ৰয়োজন মাথোঁ এখন 'অসম-ভাৰত চুক্তি'ৰহে। এনে চুক্তিৰ দ্বাৰাহে দহ হেজাৰ যুৱকৰ আত্মবলিদানক যথাৰ্থ সন্মান জনোৱাৰ লগতে, সেই দহ হেজাৰৰ চিতাভস্মৰ পৰা আৰু আন দহ হেজাৰৰ সৃষ্টি হোৱাৰ সম্ভাৱনা নাকচ কৰিব পৰা যাব।

পূৰ্বপ্ৰকাশ ঃ প্ৰান্তৰ্থা, অক্টোবৰ/২০০৫

৩০ | গণভোটত আপত্তি কিয় ?

সাতাইছ বছৰজোৰা দীৰ্ঘস্থায়ী সশস্ত্ৰ সংঘাতৰ পটভূমিয়ে অসমৰ সমাজ-জীৱন অস্থিৰ আৰু ভয়াবহ কৰি তুলিছে। মূলতঃ সশস্ত্ৰ সংগঠন সংযুক্ত মুক্তি বাহিনী, অসম বা চমুকৈ আলফাই অসমৰ 'সাৰ্বভৌমত্ব' বিচাৰি যি বিদ্ৰোহৰ আৱাজ তুলিছে, তাক সশস্ত্ৰ পন্থাৰে প্ৰতিৰোধ কৰি ধ্বংস কৰি দিবৰ বাবে ভাৰতবৰ্ষৰ ৰাষ্ট্ৰ ব্যৱস্থাই ব্যাপক তৎপৰতা চলাইছে। এই উভয় শক্তিৰ সশস্ত্ৰ ৰণচালিয়ে পৰিস্থিতি ইমানেই শোচনীয় কৰি তুলিছে যে বিগত সময়ছোৱাত আলফাৰ দহ হাজাৰৰো অধিক সৈনিক-সদস্যই মৃত্যুবৰণ কৰিবলগাত পৰিছে, পোন্ধৰ হাজাৰৰো অধিকে অকাল পংগুত্ব আৰু কাৰাবৰণ কৰিবলগা হৈছে। ধৰ্ষণ, অস্বেচ্ছামূলকভাৱে নিৰুদ্দেশ হোৱা ভালেমান ঘটনা ঘটিছে। অন্যহাতে, এই সময়ছোৱাত আৰক্ষী-সেনাবাহিনীৰ পোন্ধৰশৰো অধিক লোকে প্ৰাণ হেৰুৱাব লগাত পৰিছে। আলফাবিৰোধী এই সমস্ত অভিযানসমূহ পৰিচালনা কৰোঁতে ১৫শ কোটিৰো অধিক ধন ৰাজকোষৰ পৰা ব্যয় কৰিবলগা হয়। এনে এক পৰিস্থিতিত ত্ৰাহি মধুসুধন দেখা অসমৰ আপামৰ ৰাইজে ইয়াৰ অৱসান ঘটোৱাৰ বাবে কামনা কৰিছে। গুৱাহাটীত অনুষ্ঠিত জাতীয় মহাসভা আৰু শিৱসাগৰত অনুষ্ঠিত জাতীয় অভিবৰ্তনৰ যোগেদি অসমৰ বিভিন্ন গণতান্ত্ৰিক সংগঠন আৰু ৰাইজে এক শান্তি আলোচনাৰ পোষকতা কৰিছে আৰু 'পিপ্‌লছ ফৰ পীচ ইনিচিয়েটিভ ইন আছাম' নামৰ ২১টা গণসংগঠনৰ এখন উমৈহতীয়া মঞ্চৰো জন্ম দিয়ে। এনে প্ৰেক্ষাপটত, জ্ঞানপীঠ বঁটা বিজয়ী বিদুষী মহিলা ড° মামণি ৰয়ছম গোস্বামীয়ে একক প্ৰচেষ্টাৰে আৰম্ভ কৰা

ভাৰত চৰকাৰৰ লগত আলফাৰ আলোচনা প্ৰক্ৰিয়াই এক নতুন দিশ আৱিষ্কাৰ কৰে। এই প্ৰক্ৰিয়াৰ প্ৰতি আগ্ৰহ আৰু সদিচ্ছা প্ৰদৰ্শন কৰি আলফাই অসমৰ ৰাজহুৱা জীৱনৰ লগত জড়িত এঘাৰজন ব্যক্তিক লৈ 'ৰাজহুৱা পৰামৰ্শদাতা গোট' চমুকৈ পিচিজি গঠন কৰি দিয়ে। ভাৰত চৰকাৰে এই গোটৰ প্ৰতি সদ্ভাৱ পোষণ কৰি, প্ৰধানমন্ত্ৰীৰ স্তৰত আলোচনা প্ৰক্ৰিয়া আৰম্ভ কৰে। পূৰ্বতে আলফাই আলোচনাৰ বাবে সাৰ্বভৌমত্বক বিষয় হিচাপে গ্ৰহণ কৰি ৰাষ্ট্ৰসংঘৰ প্ৰতিনিধিৰ উপস্থিতিত তৃতীয় ৰাষ্ট্ৰত আলোচনা কৰাৰ পোষকতা কৰিছিল যদিও পৰ্যায়ক্ৰমে সাৰ্বভৌমত্বৰ বিষয়টোকে ৰাখি বাকী বিষয় দুটা বাদ দিয়ে। প্ৰথমলানি আলোচনাত ভাৰত চৰকাৰৰ হৈ প্ৰধানমন্ত্ৰী ড° মনমোহন সিং ডাঙৰীয়াই সকলো বিষয়তে আলোচনা কৰা হ'ব বুলি মতপোষণ কৰি, প্ৰকাৰন্তৰে আলফাৰ 'সাৰ্বভৌমত্ব' দাবীটোকে গ্ৰহণযোগ্য কৰি তুলিছিল। কিন্তু এইলানি আলোচনা হৈ যোৱাৰ অন্ততো অসমলৈ স্বাভাৱিক পৰিস্থিতি এটা ঘূৰি নাহিল। যদিও এই সময়ছোৱাত আলফাই কোনোধৰণৰ সংঘাতপূৰ্ণ কাৰ্যসূচী সম্পন্ন কৰা নাছিল, তথাপি 'ইউনিফাইড কামাণ্ড ষ্ট্ৰাক্‌চাৰ'ৰ অধীনত সেনা-আৰক্ষীৰ হাতত ১৪ জনৰো অধিক আলফা কৰ্মীয়ে প্ৰাণ হেৰুৱাবলগাত পৰিছিল। শেহতীয়াভাৱে, আলফায়ো ধৈৰ্যচ্যুতি হৈ ২৫টাৰো অধিক বোমা বিস্ফোৰণ কাৰ্যত লিপ্ত হয় আৰু অ' এন জি চিৰ লেখীয়া উদ্যোগক ৫০০ কোটি টকাৰ 'জৰিমনা' আদায় কৰিবৰ বাবে ভাবুকি প্ৰদান কৰে। এনে ঘটনাৰ মাজতে ৰাজ্যৰ ৰাজ্যপাল অজয় সিঙে আলফাক কঠোৰ হাতেৰে দমন কৰাৰ কথা ঘোষণা কৰে, আৰু অঞ্চল বিশেষে সেনা অভিযান আৰম্ভ কৰি দিয়ে। অসমৰ ৰাইজে পি চি পি আইৰ আহ্বানক্ৰমে শান্তিযাত্ৰা, গণসমাৱেশ আদি অনুষ্ঠিত কৰি শান্তিৰ পোষকতা কৰিছে যদিও সমগ্ৰ বিষয়বস্তুয়েই এতিয়া ৰহস্যৰ মায়াজালে আবৰি আছে।

এইখিনিতেই বিদ্ৰোহীসকলে উত্থাপন কৰা সাৰ্বভৌমত্বৰ বিষয়টোকো গভীৰভাৱে চিন্তা-চৰ্চা কৰি চোৱাৰ প্ৰয়োজন। এই কথা স্পষ্ট যে অসমৰ এক সুকীয়া ইতিহাস, সাংস্কৃতিক পৰিমণ্ডল আৰু স্বকীয় সত্তা আছে। বুৰঞ্জীয়ে প্ৰমাণ কৰি দিছে যে ভাস্কৰ বৰ্মাৰ সময়ৰে পৰা বৃটিছ অহাৰ আগলৈকে অসম ভাৰতৰ লগত ভৌগোলিকভাৱে অংগীভূত হোৱা নাছিল। ১৯২৬ চনত বৃটিছ আৰু ব্ৰহ্মদেশৰ ৰজাৰ মাজত স্বাক্ষৰিত ইয়াণ্ডাবু সন্ধিৰ যোগেদিহে অসম বৃটিছ শাসনাধীন ভাৰতবৰ্ষৰ অংগীভূত হৈছিল। হাজাৰ বছৰৰ অধিক কালৰ ঐতিহ্যই অসমক এক সুকীয়া সত্তা প্ৰদান কৰিছিল আৰু ইয়াৰ বাবেই বৃটিছ শাসনাধীন কালছোৱাৰ আৰম্ভণিৰ সময়ছোৱাত ভাৰতবৰ্ষৰ ৰাজনৈতিক, সামাজিক প্ৰভাৱৰ পৰা অসম পৃথক আছিল। অসমত গা কৰি উঠা বৃটিছবিৰোধী সংগ্ৰামসমূহৰ চৰিত্ৰও ভাৰতবৰ্ষৰ সংগ্ৰামসমূহৰ পৰা পৃথক আছিল। সেয়ে ১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ জন্ম হ'লেও ১৯২০ চন পৰ্যন্ত তাৰ সাংগঠনিক প্ৰভাৱ অসমত পৰা নাছিল। ১৯২০ চনৰ পৰাহে ভাৰতীয় ৰাজনীতিত ঘাই-স্ৰোত হিচাপে পৰিগণিত জাতীয় কংগ্ৰেছৰ ৰাজনীতিৰ লগত অসম জড়িত হৈ পৰিল। ঔপনিবেশিক বৃটিছ চৰকাৰক ভাৰতৰ পৰা বিতাড়ন কৰাৰ বাবে আৰম্ভ হোৱা এই ঐক্যবদ্ধ সংগ্ৰামত

অসম চামিল হৈছিল। অৱশ্যে বৃটিছমুক্ত ভাৰতবৰ্ষৰ বাবে 'পূৰ্ণ স্বায়ত্তশাসন'ৰ প্ৰতিশ্ৰুতি প্ৰদান কৰি জাতীয় কংগ্ৰেছে এই ঐক্যবদ্ধ হোৱাৰ প্ৰৱণতা বৃদ্ধি কৰিছিল। কিন্তু ১৯৪৭ চনত ভাৰতবৰ্ষ স্বাধীন হোৱাৰ সময়ছোৱাতে অসম এক গভীৰ ষড়যন্ত্ৰৰ সন্মুখীন হ'বলগা হ'ল। একে সময়তে কেবিনেট আঁচনিযোগে অসমক 'গ' গোটত অন্তৰ্ভূক্তিকৰণ, 'ক্ৰাউন কলনি'ৰ প্ৰস্তাৱ উত্থাপন আৰু সৰ্বশেষত সুৰমা উপত্যকা আৰু চিটাগং পাৰ্বত্য অঞ্চলৰ পৰা পৃথক কৰি অসমক ভয়াৱহতাৰ গ্ৰাসলৈ ঠেলি দিয়া হ'ল। প্ৰথম দুয়োটা ক্ষেত্ৰৰ পৰা অসম মুক্ত হ'ব পাৰিলে যদিও পিছৰ দুয়োটা ঘটনাৰ প্ৰভাৱ ব্যাপক আছিল। এই ঘটনাদ্বয়ৰ বাবে অসমে সাগৰীয় বাণিজ্য পথৰ সুবিধাৰ পৰা বঞ্চিত হ'বলগা হ'ল আৰু দেশ বিভাজনৰ প্ৰহেলিকাই খেদি পঠোৱা লক্ষাধিক লোকক আশ্ৰয় প্ৰদান কৰি, নিজৰ জনগাঁথনিগত চৰিত্ৰৰেই পৰিৱৰ্তন ঘটাবলগা হ'ল। ইতিমধ্যে ভাৰত স্বাধীন কৰাৰ সুবাদতে দিল্লীৰ শাসন কুক্ষিগত কৰা হিন্দীবলয়ৰ আধিপত্য আৰম্ভ হ'ল। পূৰ্বৰ পূৰ্ণ স্বায়ত্তশাসনৰ প্ৰতিশ্ৰুতি সম্পূৰ্ণৰূপে পাহৰি, ভাৰতীয় শাসকশ্ৰেণীয়ে জন্ম দিয়া এক অতিকেন্দ্ৰিক ৰাষ্ট্ৰ ব্যৱস্থাৰ আওতাত অসম সোমাই পৰিল। আৰম্ভ হ'ল অসমবাসীৰ ওপৰত সম্পদৰ লুণ্ঠন, অধিকাৰ হৰণ আৰু আধিপত্যবাদৰ নতুন অধ্যায়। অসমৰ সম্পদৰ ওপৰত থকা অসমবাসীৰ আজন্ম অধিকাৰ হৰণ কৰাৰ লগতে সংসদীয় ৰাজনীতিৰ ৰঙা চকুয়ে অসমক অকলে ভগনীয়াসকলক পুনঃসংস্থাপন দিয়াৰ দায়িত্ব প্ৰদান কৰা হ'ল। আনহে নালাগে, যি স্বাভাৱিক ঐতিহাসিক প্ৰক্ৰিয়াই অসমীয়া ভাষাক অসমৰ সকলো জনগোষ্ঠীৰে উমৈহতীয়া ভাষা বা Lingua franka কৰাৰ পৰিৱেশ সৃষ্টি কৰিছিল, তাক ধ্বংস কৰি ৰাষ্ট্ৰভাষাৰ অজুহাতেৰে হিন্দী ভাষাক জাপি দিবলৈকো কুণ্ঠাবোধ নকৰিলে ভাৰতীয় শাসকবৰ্গই। অৱস্থা ইমানেই সংগীন হৈ পৰিল যে দলং-শোধনাগাৰৰ দৰে উন্নয়ন পক্ৰিয়া, ভাষা প্ৰতিষ্ঠাৰ বাবেও অসমবাসীয়ে সংগ্ৰাম কৰিবলগা হ'ল, বুকুৰ তেজ দিবলগা হ'ল। সেইদৰে বহিৰাগতৰ ক্ৰমবৰ্দ্ধমান হেঁচাৰ ফলত অসমৰ খিলঞ্জীয়া ৰাইজে নিজৰ বাপতিসাহোন ভেটি টুকুৰাকো এৰি দিবলগাত পৰিল। অতিকেন্দ্ৰিক ৰাষ্ট্ৰৰ সীমিত সুবিধাৰ পৰা বঞ্চিত হৈ জনগোষ্ঠীয় লোকসকল বিদ্ৰোহী হৈ উঠিল আৰু অসমক ভৌগোলিকভাৱে খণ্ড-বিখণ্ড কৰাৰ প্ৰক্ৰিয়া আৰম্ভ হ'ল। '৪৭ চনৰ অসম ভাঙি কেইবা টুকুৰা হ'ল আৰু ভাৰতীয় ৰাষ্ট্ৰৰ চৰিত্ৰৰ যথাৰ্থ মূল্যায়ন কৰিব নোৱৰা শক্তিৰ হাতত, আভ্যন্তৰীণ দ্বন্দ্বৰ পৰিৱেশ সৃষ্টি হ'ল জনগোষ্ঠীৰ নামত, ধৰ্মৰ নামত, বহুকেইটা ৰক্তাক্ত ঘটনাৰ বাবে অসমৰ খাটিখোৱা ৰাইজে মূল্য প্ৰদান কৰিবলগাত পৰিল।

এনেবোৰ পৰিৱেশ আৰু পৰিস্থিতিৰ প্ৰেক্ষাপটত অসমৰ বিদ্ৰোহী প্ৰজন্মই সশস্ত্ৰ সংগ্ৰামৰ সূচনা কৰিছে আৰু 'সাৰ্বভৌমত্ব'ৰ দাবী উত্থাপনৰে দীৰ্ঘদিনৰ জাতীয় সমস্যাসমূহ মীমাংসা কৰাৰ বাবে দাবী জনাইছে। এই সংগ্ৰামে গতি লাভ কৰাৰ সময়তে জনগোষ্ঠীগত চেতনা, বহিৰাগত সমস্যা আদিৰ ক্ষেত্ৰত, নতুন চিন্তা প্ৰদানেৰে অসমৰ সমাজ-জীৱনক গণতান্ত্ৰিকীকৰণ কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। যদিও মূল বিষয় সাৰ্বভৌমত্বৰ ক্ষেত্ৰত কোনো সুস্পষ্ট ৰূপৰেখা চিহ্নিত নোহোৱাৰ বাবে সংগ্ৰামখনে তাত্তিক

প্ৰতিবন্ধকতাৰ সন্মুখীন হ'বলগাত পৰিছে; সেইদৰে বৰ্তমানৰ আন্তঃৰাষ্ট্ৰীয় ৰাজনীতি আৰু গোলকীয় অৰ্থনীতিৰ প্ৰেক্ষাপটত অসমৰ সাৰ্বভৌমত্ব কেনেদৰে প্ৰতিষ্ঠিত হ'ব বা তাৰ যোগেদি অসমৰ জাতীয় সমস্যাসমূহ সমাধান হ'ব, তাৰো কোনো সুস্পষ্ট নিৰ্দেশনা প্ৰকাশ নোহোৱাৰ বাবে সমগ্ৰ বিষয়বস্তুৰ ক্ষেত্ৰতে জনগণ তিমিৰাচ্ছন্ন হৈ আছে। কিন্তু এই কথা স্পষ্ট যে, ভাৰতবৰ্ষৰ প্ৰচলিত ব্যৱস্থাৰ পৰিমাৰ্জন; সংশোধন নঘটোৱাকৈ অসমৰ সাৰ্বভৌমত্বৰ দাবী বাস্তৱায়িত কৰা সম্ভৱ নহয়। ভাৰতবৰ্ষৰ শাসকগোষ্ঠীয়ে এই কথা হৃদয়ংগম কৰে বাবে বা প্ৰচলিত ব্যৱস্থাৰ পৰিমাৰ্জন কিম্বা সংশোধন ঘটাবৰ বাবে ইচ্ছা প্ৰকাশ নকৰেই বাবে সমগ্ৰ বিষয়বস্তুকে সামৰিক পদ্ধতিৰে মোকাবিলা কৰিবলৈ চেষ্টা কৰি আছে আৰু কৰি যাব। এইক্ষেত্ৰত বৰ্তমানৰ শান্তি প্ৰক্ৰিয়াই স্থায়িত্ব লাভ কৰাত কিমানদূৰ সফলকাম হ'ব তাক সময়েহে ক'ব।

কিন্তু যিহেতু অসমৰ জনগণে সামৰিক সংঘাতৰ পৰিস্থিতিৰ পৰা সকাহ বিচাৰিছে, সেয়ে উভয়পক্ষই জনগণৰ চিন্তাক সন্মান জনাই সংঘৰ্ষৰ পৰা বিৰত থকাৰ প্ৰয়োজনীয়তা আহি পৰিছে। এইক্ষেত্ৰত ৰাষ্ট্ৰৰ দায়িত্ব অধিক। সেইদৰে, দীৰ্ঘম্যাদী সমস্যাৰ সমাধানৰ বাবে উভয়পক্ষই শান্তিপূৰ্ণ প্ৰক্ৰিয়াৰ প্ৰতি আগ্ৰহী হ'লে সমাধানসূত্ৰ উদ্ভাৱন কৰিব পৰা যাব। এইক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয়ভাৱে স্বীকৃত তথা বৃটেইন-আয়াৰলেণ্ডৰ ক্ষেত্ৰত প্ৰমাণিত 'গণভোট'ৰ ব্যৱস্থাকো পৰ্যালোচনা কৰিব পাৰি। অৰ্থাৎ, এক নিৰপেক্ষ তৃতীয় গোটৰ দ্বাৰা পৰিচালিত গণভোটৰ যোগেদি অসমৰ জনগণে ৰায় প্ৰদান কৰক যে অসমক সাৰ্বভৌমত্ব লাগে নে নালাগে? এক ভয়হীন, শংকামুক্ত পৰিৱেশত প্ৰদান কৰা গণভোটৰ ৰায়ৰ দ্বাৰাহে অনাহকত প্ৰাণহানি, ৰাজহুৱা সম্পত্তি ধ্বংসৰ পৰিৱেশৰ পৰা অসমবাসীক মুক্ত কৰিব পৰা যাব— যি হ'ব সিহে প্ৰকৃত শান্তি।

পূৰ্বপ্ৰকাশ : জান সম্ভাৱ, ফেব্ৰুৱাৰী/২০০৬